২০০০ চনৰ জ্ঞানপীঠ বঁটা বিজয়িনীৰ

# মামৰে ধৰা তৰোৱাল

# আৰু

# দুখন উপন্যাস

মামণি ৰয়ছম গোস্বামী

চন্দ্ৰ প্ৰকাশ

পাণবজাৰ ঃ গুৱাহাটী

**"MAMARE DHARA TAROWAL ARU DUKHAN UPANYASSA" – A** Social Novel with two other Novels in Assamse written by Mamoni Raisom Goswami (Dr Indira Goswami), and published by Rajendra Mohan Sarma, Chandra Prakash, Panbazar, Guwahati-1
Nine Edition 2008

Ph No 2511946

Price Rs 120 00

---

প্ৰকাশক : ৰাজেন্দ্ৰ মোহন শৰ্মা
চন্দ্ৰ প্ৰকাশ
পাণবজাৰ, গুৱাহাটী-১
দূৰভাষ - ২৫১১৯৪৬

বেটুপাত : প্ৰদীপ নাথ

প্ৰথম সংস্কৰণ : ১৯৮০ চন
ষষ্ঠ সংস্কৰণ : অক্টোবৰ, ১৯৯৮ চন
সপ্তম সংস্কৰণ : জুলাই, ২০০১ চন
অষ্টম সংস্কৰণ : অক্টোবৰ, ২০০৬ চন
নৱম সংস্কৰণ : ডিচেম্বৰ, ২০০৮ চন

মূল্য : ১২০.০০ টকা

ডি টি পি : ষ্টেণ্ডাৰ্ড ইম্প্ৰেছন
এ. টি. ৰোড, কালিপুৰ, গুৱাহাটী- ৯

মুদ্ৰক : অৰোৰা কাইন আৰ্টচ
বামুণীমৈদাম, গুৱাহাটী - ২১

OF ... OF LIBRARIES

# উৎসর্গা

শৈশৱৰ শিক্ষাগুৰু
শ্ৰীবাঁহীৰাম দাসদেৱৰ
কৰকমলত

## তৃতীয় সংস্কৰণত লেখিকা ডঃ মামণি ৰয়ছম গোস্বামীৰ দুআষাৰ

'মামৰে ধৰা তৰোৱাল' ক অসমীয়া পঢ়ুৱৈয়ে আগ্রহেৰে গ্রহণ কৰা বাবে মই মোৰ পৰিশ্রম সাৰ্থক হোৱা বুলি ভাবিছো। এই উপন্যাসখন কেইবাবাৰো মঞ্চস্থও কৰা হ'ল। পাঠকৰ আগ্রহেই আমাৰ প্রেৰণা।

১৯৭৯ চনত উত্তৰ প্রদেশৰ ৰায়বেৰেলী জিলাৰ সাই নদীৰ ওপৰত বন্ধা একোৰেডাক্টৰ শ্রমিকসকলৰ আন্দোলন এটাক কেন্দ্র কৰি এই উপন্যাস ৰচনা কৰা হৈছে। দুৰদৰ্শিতা আৰু আত্মত্যাগৰ অভাৱত কেনেদৰে এই আন্দোলন ধুলিস্যাৎ হৈ গ'ল সেই কাহিনীকেই এই উপন্যাসৰ মাজত আঁকি দেখুওৱা হৈছে।

এই উপন্যাসখন ৰচনা কৰাৰ বাবে মই ৰায়বেৰেলীৰ সাই একোৰে ডাক্টৰ শ্রমিকসকলৰ মাজত ছয় মাহ বাস কৰিছিলো। সেই সময়ত একোৰে ডাক্টৰ মেনেজাৰ কে বি সাতৰাৱালাদেৱে অনেক তথ্য পাতিৰে এই উপন্যাস ৰচনাত মোক সহায় কৰিছিল।

শ্রমিকৰ দুৰ্দশাপূৰ্ণ জীৱনক কেন্দ্র কৰি উপন্যাস লেখাৰ এয়া প্রচেষ্টাহে আছিল। মনৰ মাজত এই সকললোকৰ জীৱনক কেন্দ্র কৰি সফল উপন্যাস লেখাৰ আশাহে পোষণ কৰিছো।

উপন্যাসখনৰ তৃতীয় সংস্কৰণটি প্রকাশ কৰিবৰ বাবে প্রকাশকৰ অত্যন্ত আগ্রহ প্রকাশ কৰা চন্দ্র প্রকাশৰ শ্রীৰাজেন্দ্র মোহন শৰ্মা দেৱক মই ধন্যাবদ জনালো।

মামণি ৰয়ছম গোস্বামী
(ডঃ ইন্দিৰা গোস্বামী)
৩/১২/৮৭

ডঃ মাৰ্মাণ ৰযচম গোস্বামীৰ উপন্যাসে ইতিমধ্যে অসমীয়া সাহিত্যৰ চ'ৰাত এখন বিশিষ্ট স্থান অধিকাৰ কৰি লৈছে। নতুন পটভূমি, বিষয়-বস্তুৰ নতুনত্ব প্ৰমুখ্যে বিভিন্ন বৈশিষ্ট্যই সকলো পঢ়ুৱৈৰ বিশেষ মনোযোগ আকৰ্ষণ কৰিব পাৰিছে। অসমৰ বাহিৰৰ সমলক কেন্দ্ৰ কৰি ৰচনা কৰা কেতবোৰ উপন্যাসে নতুনত্বৰ বোল সানিছে, আনহাতে সেইবোৰৰ সূক্ষ্ম চৰিত্ৰ-বিশ্লেষণে সাৰ্বজনীন স্বৰূপটোও প্ৰকাশ কৰিব পাৰিছে — ফলত অসমৰ পঢ়ুৱৈয়ে একাত্মবোধৰ আঁতো বিচাৰি পাইছে। ডঃ গোস্বামীৰ এয়া বিশেষ সাফল্য।

ডঃ গোস্বামীৰ সূক্ষ্ম বিশ্লেষণ, চৰিত্ৰৰ পূৰ্ণাঙ্গ প্ৰতিফলন আদিয়ে দেখুৱাই দিছে যে তেওঁৰ উপন্যাসে চৰিত্ৰৰ মাত্ৰ আলোক সেইটোও ডঃ গোস্বামীৰ সাধনাৰ আন এটা সাফল্য। তদুপৰি 'নীলকণ্ঠ ব্ৰজ'ৰ দৰে অপূৰ্ব সৃষ্টিক সাহসৰ উৎকৃষ্ট নিদৰ্শন বুলিও ক'ব লাগিব— ব্ৰজধামৰ ৰূপ আৰু কুৰূপক সমান দৃঢ়তাৰে প্ৰতিফলিত কৰিবলৈ আগবঢ়াটো কম সাহসৰ কথা নহয়।

সম্প্ৰতি একেপথতে প্ৰকাশ কৰা উপন্যাস কেইখনেও একেদৰে সমাদৰ লাভ কৰিব বুলি আমি আশা ৰাখিছো। এই কেইখনেও পূৰ্ব প্ৰকাশিত উপন্যাস কেইখনৰ দৰেই কৃতিত্বৰ স্বাক্ষৰ বহন কৰিছে। 'নাঙঠ চহৰ' উপন্যাসৰ আগকথাত ডঃ গোস্বামীয়ে লিখিছে "দিল্লী মহানগৰীৰ ৰুক্ষ কৰ্কশ বাতাবৰণক মাজত হেৰাই যোৱা মানৱীয়তাৰ এক চাক্ষুস অভিজ্ঞতাৰ কাহিনী ইয়াত বৰ্ণনা কৰা হৈছে।" এইখন উপন্যাস নিচেই চুটি, কিন্তু নিচেই কম কথাতে মহানগৰী এখন, তাৰ মানুহবোৰ আৰু বিশেষকৈ মানুহবোৰৰ মনৰ ৰঞ্জন-চিত্ৰ অপূৰ্ব সফলতাৰে ফুটাই তুলি ডঃ গোস্বামীয়ে সেই 'চাক্ষুস অভিজ্ঞতা'ক জীৱন্ত কৰি তুলিছে।

'মামৰে ধৰা তৰোৱাল' — উত্তৰ প্ৰদেশৰ ৰায়বেৰেলী জিলাৰ নিৰ্মাণ কাৰ্যত নিয়োজিত শ্ৰমিকক কেন্দ্ৰ কৰি গঢ়া কাহিনীৰে এখন উপন্যাস। ইয়াত শ্ৰমিকৰ ধৰ্মঘট, শ্ৰমিক নেতাৰ চৰিত্ৰ, শ্ৰমিকৰ কাহিনী সন্নিবিষ্ট কৰি ডঃ গোস্বামীয়ে বিশেষ সফলতা লাভ কৰিছে। পূৰ্ব প্ৰকাশিত 'চীনাবৰ সোঁত' উপন্যাসখনৰ দৰে শ্ৰমিকৰ মৰ্ম বেদনা প্ৰকাশ কৰাত তেওঁ কৃতিত্বৰ চিনাকি দিলে — তাক জল-নিৰপেক্ষ দৃষ্টিকোণৰ পৰা উপস্থাপন কৰি ইয়াৰ আকৰ্ষণ আৰু ৰহণ দুগুণে চৰালে।

**কীৰ্তিনাথ হাজৰিকা**

**সম্পাদক, দৈনিক অসম**

# নৱম সংস্কৰণত ড° মামণি ৰয়ছম গোস্বামীৰ দুআষাৰ

'মামৰে ধৰা তৰোৱাল' উত্তৰ প্ৰদেশৰ ৰাইবেৰেলী জিলাৰ সাই Aquoduct তৈয়াৰ কৰাৰ সময়ত সেই Aquoductত কাম কৰা শ্ৰমিকসকলক লৈ ৰচনা কৰা হৈছিল। এইখন উপন্যাস প্ৰথম প্ৰকাশ হোৱা ডেৰকুৰি বছৰৰো অধিক সময় হ'ল। ইমান বছৰে যে পাঠকে এই উপন্যাসখনৰ প্ৰতি থকা তেওঁলোকৰ আগ্ৰহ দেখুৱাই আহিছে, এই কথা ভাবি মই বৰ গৌৰৱ অনুভৱ কৰে।

১৯৬৬ মানত এনে এটা সময় আছিল যি সময়ত ভাৰতৰ 'প্ৰাইভেট কোম্পানী'সমূহৰ শ্ৰমিকৰ মাজত 'ইউনিঅ'ন' নাছিল। কোম্পানীয়ে শ্ৰমিক সকলক ফটা জোতাৰ দৰে ব্যৱহাৰ কৰিছিল। শ্ৰমিকৰ ওপৰত লেখা মোৰ আন এখন উপন্যাস 'চেনাবৰ স্ৰোত'ত মই সেই সময়ৰ শ্ৰমিকসকলৰো যন্ত্ৰণাময় জীৱনৰ ছবি আঁকিছো।

'চেনাবৰ স্ৰোত' উপন্যাসখন লেখাৰ সময়তো মই জম্মুৰ ৰিয়াছিৰ ওচৰৰ চেনাব নদীৰ ওপৰৰ দলং বন্ধা কামৰ শ্ৰমিকসকলৰ লগত আছিলো। তেতিয়া প্ৰাইভেট কোম্পানীৰ শ্ৰমিকসকলৰ মাজত ইউনিঅ'ন নাছিল। ইউনিঅ'ন নোহোৱা অৱস্থাৰ এই দলঙত কাম কৰা শ্ৰমিকসকলৰ যন্ত্ৰণাময় জীৱনৰ ছবি মোৰ উপন্যাসত আঁকি দেখুৱাইছো। দুয়োখন উপন্যাসৰ মাজত প্ৰভেদ এয়ে যে 'চেনাবৰ স্ৰোত'ত শ্ৰমিকৰ মাজত ইউনিঅ'ন নাছিল। কিন্তু 'মামৰে ধৰা তৰোৱাল' উপন্যাসৰ সময়ত শ্ৰমিকৰ মাজত ইউনিঅ'ন আৰম্ভ হৈছিল যদিও, লগে লগে ইউনিঅ'নৰ মাজতে ভ্ৰষ্টাচাৰো আৰম্ভ হৈছিল। এই সকলোবোৰ মই ৰৰ্কচাইটত থাকি নিজ চকুৰে দেখা পাইছিলো।

এই কিতাপখন আকৌ প্ৰকাশ কৰিব লোৱা বাবে মই মোৰ শুভকাংক্ষী ভ্ৰাতৃস্বৰূপ শ্ৰীৰাজেন্দ্ৰ মোহন শৰ্মা দেৱক ধন্যবাদ জনালো।

মামণি ৰয়ছম গোস্বামী

২৭. ১১. ০৮

# মামৰে ধৰা তৰোৱাল

*[ ৰায়বেৰেলী জিলাৰ সাই নদীৰ ওপৰৰ একুৱেডাক্ট (aqueduct) বন্ধাৰ সময়ত কিছুদিন 'ৱাৰ্ক ছাইট'ত থকাৰ সুযোগ পাইছিলো। শ্ৰমিকসকলক ওচৰৰপৰা নিৰীক্ষণ কৰাৰ সৌভাগ্য ঘটিছিল। সেই সময়ত শ্ৰমিকসকলৰ এটি ধৰ্মঘট ঘটিছিল। এই ধৰ্মঘটটিক কেন্দ্ৰ কৰিযেই এই উপন্যাসখন ৰচনা কৰা হৈছে। দুই এটি চৰিত্ৰতহে মাথো কিছু ৰহণ সনা হৈছে। শ্ৰমিক নেতাসকলৰ মাজত একতা, দূৰদৃষ্টি আৰু ত্যাগৰ অভাৱে ধৰ্মঘটটোক কেনেধৰণৰ ৰূপ দিলে তাক বহলাই আলোচনা কৰা হৈছে। নেতাসকলৰ দুৰ্বলতাৰ সুযোগ পূৰা উদ্যমেৰে গ্ৰহণ কৰা লোকেল লীডাৰৰ হাতত ছাৰখাৰ হোৱা এই ধৰ্মঘট আৰু ইযাত বলি হোৱা শ্ৰমিকসকলৰ কাহিনী এই উপন্যাসত ৰূপায়িত কৰা হৈছে। ]*

ৰায়বেৰেলী। ১৯৭৮ চনৰ আহিন মাহ। ইউনিযনৰ নতুন লীডাৰ যশোৱন্তই চাটাৰিং প্লেটৰ দম এটিৰ ওপৰত বহি আছিল। তাৰ সন্মুখত সৌৱা সাই নদী। এইখিনিতে এই নদীৰ দুয়োটা পাৰৰ বৰ বেছি শোভা নাই। নৈৰ পৰাই শুকান মাংসৰ বৰণ লৈছে। কিছু আঁতৰত সৌৱা বেহটা গাঁও। এজোপা প্ৰাচীন বট গছৰ তলত বেহটা গাঁৱে নিশ্চিন্ত হৈ এযা যেন শুইহে আছে। — সেই জোপা যেন বট গছ নহয়, সেয়া এখন ধ্বজা। ধ্বজাৰ তলত বেহটা গাঁৱে যেন শান্তিৰে সদায়ে বাস কৰি আহিছে। শান্তিৰে? দূৰৈৰ পৰা সিহঁতক শান্তিৰেই বাস কৰা যেন দেখা গৈছে।

যশোৱন্তই দুটামান শুকান কাহ মাৰিলে। ডিঙিটো শুকাই যেন কাঠ হৈ গৈছে। যোৱা ৰাতি সি শুব পৰা নাছিল। 'গোমতী'ৰ ইউনিয়নৰ লীডাৰ আহিছিল। গোটেই ৰাতি ধৰ্মঘটৰ বিষয়ে কথা বতৰা হৈছিল। ইউনিয়নৰ লীডাৰ বলবীৰ স্বামী ভয়ঙ্কৰ মানুহ। যশোৱন্তই তাৰ মুখলৈ মূৰ তুলি চাই কোনো দিনেই কথা কব পৰা নাই। অথচ তেনে এক বিশাল পুৰুষেই তাৰ পিঠিত থপৰিয়াই কৈছিল — "কোনো ভয় নাই। আমি সকলো আছো। যিদিনাই আমি পুৰণা লীডাৰ ৰামবাহাদুৰৰ উৰ্দি খুলি তোক পিন্ধাই দিলো — সেইদিনাৰ পৰা তোৰ ক্ষুদ্ৰ স্বাৰ্থও শেষ হৈ গৈছে। তোৰ নিজস্ব কোনো আৰু সত্ত্বা নাই মনত ৰাখিবি " ৰূন। ৰূন। ৰূন।।

এটা প্ৰচণ্ড শব্দত যশোৱন্তৰ চমক ভাঙিল। হস্তিৰ আকৃতিৰ ক্ৰেইনৰ 'ষ্টিল পেডেষ্টল' এটা এঠাইৰপৰা আন এঠাইত থোৱাৰ শব্দ শুনা গ'ল। — দুখন ক্ৰেইনৰ কাম/ ইতিমধ্যে শেষ হৈ আহিছে। একাষে ঠেলি নি থোৱা ক্ৰেইন দুখনক এতিয়া পানী নোহোৱা

পুখুৰীত পৰ দি থকা বৰটোকোলাৰ দৰে দেখা গৈছে। 'পিচ ব্লাৰ্কাৰৰ' লগত অহা 'গেং এটাৰ শ্ৰমিক সমূহে এতিযাও 'ব্লাৰ্ক ছাইটত' নিশ্চিন্ত মনে কাম কৰি আছে। আহিব খোজা ধুমুহাৰ বিষয়ে সিহঁত যেন অজ্ঞ হৈ আছে। যশোৱন্তই চিনি পালে — এইটো এটা নতুন 'গেং'। ৰণপুৰৰ পৰা আহিছে সিহঁত। বৰাণসীত চাগৈ গাড়ী সলনি কৰি আহিছে। বিশেষকৈ মাটি কটা কামৰ বাবে আহিছে।

যশোৱন্তই লক্ষ্য কৰিলে এটা ছায়ামূৰ্তি আগুৱাই আহিছে। ডাঙৰ মোছ একোছাৰ সৈতে পেশী-বহুল দেহৰ মানুহ এটা আহি যশোৱন্তৰ সন্মুখত থিয় হ'ল। মূৰত পাগুৰি 'গলবন্ধ' আৰু ধুতি। নিজৰ পৰিচয় দি সি ক'লে —

— "মই ভেটা গাঁৱৰ লোকেল লীডাৰ শাস্ত্ৰী মহোদয়ৰ সহকাৰী — অৰ্থাৎ তুমি 'এজেণ্টেই' বুলিব পাৰা। শুনিছো তোমালোকৰ এই খণ্ডতো ধৰ্মঘট হোৱাৰ আশঙ্কা আছে ।"

যশোৱন্তই উত্তৰ নিদিলে।

"তোমাৰ কথা আমি শুনিছো। তুমি হৰিজন শ্ৰমিক। তুমি ইউনিয়নৰ মেম্বাৰ হ'ব পৰা বৰ সৌভাগ্যৰ কথা আৰু শুনা

লোকেল লীডাৰৰ সহকাৰীযে পকেটৰ পৰা বিড়ি আৰু জুইশলা উলিযাই যশোৱন্তৰ পিনে আগবঢ়াই দিলে।

যশোৱন্তই মূৰ জোকাৰি ক'লে — "অভ্যাস নাই।"

মানুহটোৱে কিছু সময় নীৰৱে বিড়ি হুঁপি বহি থাকিল।

আকৌ এবাৰ ক'লে সি — "অভাৰচিয়াৰৰপৰা আৰম্ভ কৰি সেই শিয়ালমুৱা ইঞ্জিনীয়াৰ কেইটালৈকে — সকলো কথা আমি জানো

এক্‌জিকিউটিভ ইঞ্জিনীয়াৰে কোম্পানীৰ পৰা মাহে দুই হেজাৰকৈ লৈয়ে চুপ চাপ থাকে — এছ ডি অ'ই মাহে পোন্ধৰশ লৈ গডালৰ বান্দৰ গডালত সোমাই থাকে। আৰু সেই খকুৱা অভাৰচিয়াৰ কেইটাই মাহে পঞ্চাশ টকা লৈয়ে "

যশোৱন্তই নীৰৱ হৈয়ে থাকিল। কিছু সময়ৰ পাছত সি চাটাৰিং প্লেটৰ দমটোৰ পৰা উঠিল। শাস্ত্ৰীৰ এছিচটেণ্টে অৱশ্যে যশোৱন্তৰ পিছ নেৰিলে —

— "শুনা আমাৰ 'লোকেল লীডাৰৰ' ৰেট বৰ বেছি বুলি ভাবিছা নেকি? বৰ বেছি নহয়! তদুপৰি এনেকুৱা শ্ৰমিক আন্দোলনত —"

যশোৱন্ত সাইৰ ওপৰেৰে দিয়া অস্থায়ী দলংখনৰ ওপৰেৰে পাৰ হৈ কম্‌প্ৰেছাৰ এটাৰ ওচৰত থিয় হলহি। কাইলৈ আৰু এটা ডাঙৰ 'কনক্ৰিট' আছে। চৰকাৰী ইঞ্জিনীয়াৰ কেইটাই চাটাৰিং প্লেট, চালিয়া ইত্যাদি ঠিক ঠাককৈ লগোৱা হৈছে নে তাকে চাই ঘুমুটিয়াই ফুৰিছে।

"শুনা আৰু মই বেছি সময় নষ্ট নকৰো। এটা কথা কিন্তু জানি লবা লোকেল

লীডাৰ শাস্ত্ৰীৰ 'ছলাহ' নোলোৱাকৈ ইয়াত   আনৰ কথাই নকওঁ শ্ৰীৰাজ   "

যশোৱন্তই এটা বৰ ভয়ঙ্কৰ দৃষ্টিৰে মানুহটোৰ মুখলৈ চালে। কথা কোৱাৰ আৰু প্ৰয়োজন নহ'ল। লোকেল লীডাৰৰ এজেণ্টটোৱে শিল-বালিৰ ধূলিয়ে ধূসৰিত কৰি থোৱা 'কনভেয়ৰ বেল্টৰ' তলেৰে সংক্ষিপ্ত পথ এটিৰে গৈ 'ছাইটৰ' বাহিৰলৈ ঢাপলি মেলিলে। বনৰীয়া মেথোনৰ দৰে সি গো-গোৱাই আগুৱাই গ'ল। যেন সি প্ৰতিশোধ ল'ব। হৰিজন এটাৰ এনে অবিনয় ব্যৱহাৰ সি আৰু সহ্য নকৰে।

বলবীৰ স্বামীয়ে কৈছিল — "শুনিছো তুমি সৎ আৰু বিশ্বাসী কৰ্মী। ৰাতিৰ 'ডিউটিৰ' সময়ত তুমি আড্ডা দি সময় নষ্ট নকৰা। এতিয়া কিবা এটা মীমাংসা নোহোৱালৈ মাথো ভবা-চিন্তা কৰি থাকা। কোম্পানীক বিশ্বাসযোগ্য কাম কৰি দিয়াৰ কিছুদিনলৈ প্ৰয়োজন নাই।

"শুনা — এতিয়া ছাৰপ্লাছ কৰ্মীসকলৰ প্ৰথম তালিকাখন 'গোমতীত' আঁৰি দিয়াৰ সময় আহিছে। আৰু এই তালিকাখন অঁৰাৰ লগে লগে   "

● ● ●

যোৱা সপ্তাহ জুৰি চলিছে মাথো ধূলিৰ বতাহ। 'কনক্ৰিট'ত কাম কৰা মজদুৰহঁতৰ এতিয়া চেহেৰা চিনাৰ উপায় নাই। চাটাইৰ বেৰবোৰৰ পৰা এতিয়া অহৰহ শুনা যায় হৰ্ হৰ্ হৰ্ শব্দ। চাটাইৰ লাইনবোৰৰ যেন আয়ু সাং হৈ আহিছে। যি কোনো মুহূৰ্তত এইবোৰ যেন সাই নদীৰ বালিত উবুৰি খাই পৰিব। ধূলি, চাৰিওফালে মাথো ধূলি, এক ৰুক্ষ বাতাবৰণ।

সাই 'একুৱেডাক্টৰ' মেনেজাৰ চাহাবক কিছুদিনৰ পৰা যথেষ্ট আড়ষ্ট যেন দেখা গৈছে। — ধৰ্মঘট আৰম্ভ হ'লে কাম আৰু পিচুৱাই যাব, কোম্পানীৰ বিস্তৰ ক্ষতি হ'ব।

নাই নাই শ্ৰমিকসকলে এতিয়াও নোটিচ দিয়া নাই। নিয়ম মতে দহদিন আগেয়ে সিহঁতে নোটিচ দিব। ইতিমধ্যে হেড অফিচৰ পৰা দাবী আহিছে 'ডেইলী পেইড্' শ্ৰমিকক 'কেজুৱেল' বোৰক আঁতৰাব লাগে — তাৰ পাছতহে আহিব 'ৰেগুলাৰ' আৰু শেষত 'মান্থলি'।

বৰ সাহসেৰে ইঞ্জিনীয়াৰ ইনচাৰ্জে এই নোটিচ 'পুট-আপ্' কৰিব লাগিব — বৰ ভয়ঙ্কৰ কাম।

হালদীয়া ডক, ইদিকী ডেম, চাবেংখেৰা ব্ৰীজৰ শ্ৰমিকে ছাৰপ্লাছৰ নোটিচক জুই লগাই দিছিল। এয়া ডেইলী পেইড ৱৰ্কাৰৰ চাটাইৰ লাইনত জুই দিয়াৰ দৰে কথা আছিল।

হতাহতি, মৰামৰি, শেষত গুলীয়াগুলী

এতিয়াও তেনে এক ভয়ঙ্কৰ সময় আহিছে। ডি এম, লেবাৰ কমিছনাৰ ইত্যাদিক বিপদৰ সঙ্কেত জনাবলৈ প্ৰজেক্ট মেনেজাৰ সাজু হ'ল।

ক্ৰেছাৰ আৰু কনভেয়াৰ বেল্টৰ হৰ্ হৰ্ শব্দ চেৰ পেলাই এখন জীপ আগবাঢি অহাৰ শব্দ শুনা গ'ল।

জীপ আহি মেনেজাৰৰ দুৱাৰ মুখত থিয় হ'ল। লগে লগে অফিচ ৰুমৰ বাৰান্দাত অনেক জোতাৰ শব্দ শুনা গ'ল। 'ইউ পি'ৰ পুলিচৰ সাজেৰে সজ্জিত দল এটা মেনেজাৰৰ অফিচলৈ সোমাই গ'ল।

মেনেজাৰ চাহাবৰ লগত কৰমৰ্দন কৰি জবৰজং পুৰুষ এজনে ক'লে —

"আমি ভিজিলেন্স ব্ৰাঞ্চৰ পৰা আহিছো। আমাক কিছুমান কথাৰ উত্তৰ লাগে।

— 'কি কথা?'

জবৰজং পুৰুষে চাৰিওফালে চালে। অফিচৰ বাৰান্দাত ক্ৰম বন্ধা মানুহজাকক আঁতৰ কৰি দিবলৈ গাড়ীৰ ভিতৰত বহি অহা কনিষ্টবল কেইটাৰ তেওঁ আদেশ দিলে।

হুট্ হুট্ ভাগ্ ভাগ্ এক মুহূৰ্তৰ ভিতৰত হুৰমুৰ লাগি পৰিল।

এইবাৰ জবৰজং পুৰুষটিয়ে মেনেজাৰ চাহাবক প্ৰশ্ন কৰিলে — "আপোনালোকে শ্ৰীমতী গান্ধীৰ বাবে ইয়াত এটা ৰোষ্ট্ৰাম সজাইছিল? অৰ্থাৎ সাই এৰু প্ৰডাকটৰ ফাউনডেচন ষ্টোনৰ চেৰিমনিৰ বাবে?"

চাহাবে মূৰ দুপিয়ালে।

— "এই 'ৰোষ্ট্ৰামটি'ৰ বাবে কিমান চিমেণ্টৰ প্ৰয়োজন হৈছিল?"

— "এই প্ৰশ্নৰ উত্তৰ মই 'ষ্টোৰ কিপাৰ'ক সুধিহে দিব পাৰিম?"

— " এই চিমেণ্টৰ বাবে কোনে খৰচ দিছিল? চৰকাৰে নে কোম্পানীয়ে?"

কিছু সময় চিন্তা কৰি একপ্ৰকাৰ নিভীকভাবেই তেওঁ ক'লে।

"চিমেন্ট চৰকাৰে দিছিল, — আমাৰ শ্ৰমিকে সাজি দিছিল।"

— "খৰচ - পত্ৰৰ হিচাপ?"

— "ষ্টোৰ কিপাৰে দিব পাৰিব।"

জবৰজং পুৰুষটি উঠিল। (এইবাৰ তেওঁ) ষ্টোৰ কিপাৰৰ অফিচৰ পিনে আগুৱাই গ'ল। ফাইল কিছুমান লিৰিকি বিদাৰি চোৱা হ'ল। এটা সময়ত জবৰজং পুৰুষৰ পাকৈত হাতে এটা ফাইল টান মাৰি উলিয়াই আনিলে।

১৯৭৪ চনৰ ইচু ৰেজিষ্টাৰ এয়া বিদায় লোৱাৰ সময়ত তেওঁ কৈ গ'ল '১৯৭৪ চনৰ এই 'ইচু ৰেজিষ্টাৰ' বৰ্তমানে আমাৰ হাতত থাকিল।'

## (দুই)

নাৰায়ণ পূজা শেষ হোৱাৰপাছত হৰিজনৰ লাইনত সকলো ভক্তই বৃত্তাকাৰ হৈ বহিল। কোম্পানীৰ সকলোতকৈ বয়সস্থ হৰিজন শম্ভু পাছোৱানে যশোৱন্তৰ হাতত এটা কোকেকলৰ বাটি তুলি দি ক'লে —

'নাৰায়ণক উছৰ্গা কৰ!'

আম পাতেৰে সজোৱা মণ্ডপটিৰ ওচৰলৈ যশোৱন্ত আগবাঢ়ি গ'ল।

লগে লগে সকলোৱে যেন আৰ্তনাদহে কৰি উঠিল।

— জয় দেৱী দন্তেশ্বৰীৰ জয়।

'জয় নাৰায়ণৰ জয়!।'

যশোৱন্তই দেৱী দন্তেশ্বৰীৰ আসনত কোবোকাৰ দেশী মদিৰা ঢালি দিলে।

আকৌ সকলোৱে চিঞৰি উঠিল 'জয় দেৱী দন্তেশ্বৰীৰ জয়।'

ইতিমধ্যে সিহঁতৰ প্ৰসাদ লোৱাৰ পৰ্ব আৰম্ভ হ'ল। তিৰোতাজাকেও আহি মণ্ডপৰ এটা চুকত থিয় হ'ল। আজি সিহঁতে পৰিষ্কাৰ কাপোৰ পিন্ধি আহিছে। তেল - টেঙা ঘঁহি অহা সিহঁতৰ দেহৰ পৰা আজি ডাব নাৰিকলৰ পানীৰ দৰে গোন্ধ ভাহি আহিছে।

শম্ভু পাছোৱানে কিছু সময় ইফালে সিফালে চালে । গ্ৰামৰ বিভিন্ন লাইন সমূহক এই বৃদ্ধ পাছোৱানে নিজেই নিমন্ত্ৰণ কৰি আহিছিল।

কোনো নাহিল।

গোমতীৰ লীডাৰ এটাই এদিন এই দন্তেশ্বৰীৰ প্ৰাঙ্গণত আহি কৈ গৈছিল —

'এয়া সাই নদীৰ গ্ৰাম। এই গ্ৰামত কোনো আৰু অস্পৃশ্য হৈ নেথাকে। পোহৰ আহিছে পোহৰ।'

আৰু কিছু সময় শম্ভু পাছোৱানে সমদলটিৰ লগত বাট চালে। গোটেই জীৱন দলিত আৰু অবাঞ্ছিত হৈ থকাৰ পাছত শম্ভু পাছোৱানে জীৱনৰ এই গতিধাৰাক সহজ ভাবেই লৈছিল। কিন্তু উঠি অহা ডেকাবোৰে যেতিয়া মৌৰ দৰে মধুৰ আৰু ফুলৰ দৰে কোমল কথা কৈ গৈছিল যশোৱন্তৰ গৰ্জন শুনা গ'ল —

'কাৰ বাবে বৈ আছ তহঁতে প্ৰসাদ ভগাই দে .

গুড় সনা মুড়ি আৰু পকা কলৰ টুকুৰা শম্ভু পাছোৱানে ভগাই গ'ল। উলঙ্গ ল'ৰা-ছোৱালীজাকৰ মাজত খোৱা-কামোৰা লাগিল। বৃদ্ধ শম্ভু পাছোৱানকো সিহঁতে মানিব নোখোজে।

—"আঁতৰ হ' পিশাচহঁত আঁতৰ হ'। দন্তেশ্বৰীৰ প্ৰসাদো তহঁতে ৰাক্ষসৰ দৰে খাব খোজ — আঁতৰ হ' !"

শম্ভু পাছোৱানৰ কণ্ঠত এই উক্তি কিছু কাতৰ যেনহে শুনা গ'ল।

শেষত তিৰোতাসকলেও দন্তেশ্বৰীৰ প্ৰসাদ বিলাবলৈ প্ৰাঙ্গণৰ ভিতৰলৈ সোমাই আহিল।

এটা সময়ত দন্তেশ্বৰীৰ পূজাৰ বেলপাত ফুল ইত্যাদি পাচি এটাত ভৰাই শম্ভু পাছোৱানে সাই নদীত উটুৱাই দিবলৈ আগবাঢ়ি গ'ল। পিছে পিছে এজনে কাঁহ এখন বজাই গ'ল। যশোৱন্তয়ো শম্ভু পাছোৱানৰ পিছে পিছে খোজ ললে। পথৰ কাষে কাষে থকা

গৰুৰ অস্থি পুঞ্জৰ দৰে পৰি আছে 'চাটাৰিং প্লেটৰ' টুকুৰাবোৰ নাড়ী-ভুৰুৰ দৰে একাকাৰ হৈ পৰি আছে 'ছাক্রেন পাইপ' সমূহ।

শম্ভু পাছোৱানে যশোৱন্তৰ কাণৰ ওচৰলৈ আহি ক'লে —

"তেতিয়াহ'লে ধৰ্মঘট হব?"

"হব বুলিয়েই ধৰা।"

— "আমাৰ 'চাটাই' নহয় — আমি 'পাৰমেনেণ্ট' হম এই কথা মোৰ বুঢ়া হাড কেইডালে কেনেকৈ বিশ্বাস কৰে?"

আশা কৰা পূণ্যৰ কথা।

কিন্তু এই কুৰি বছৰ ধৰি ঠেকা খাই খাই গাৰ চামৰা ডাঠ হোৱা নাই নে? ব্ৰাঞ্চ ভঙা যোৱাৰ লগে লগে চুবনিৰ কুকুৰৰ দৰে অবস্থা হয। হৰেক নতুন চহৰ — হৰেক নতুন মুখ। কছাইৰ দৰে হৃদয়। মাথো হট্ হট্ ভাগ্ ভাগ্ হট্ হট্ ভাগ্ ভাগ্ ।।

শম্ভু পাছোৱানে দূৰলৈ থুই পেলাই দিলে।

— ইমান দিনে আমাৰ বেৰেকৰ মানুহক ইউনিয়নে লোৱা নাছিল। এই তোকেই প্ৰথম ললে। বৰ সন্মান হ'ল। মূৰ দাঙি কথা পাতিবি — আৰু চিধা বাটেৰে যাবি।

— 'শুন লাহে লাহে শ্ৰমিকহঁতে মানুহ চিনি পাবলৈ আৰম্ভ কৰিছে। আগৰ লীডাৰ কেইটাৰ উৰ্দি ছিঙি আনি তইঁতক সিহঁতে পিন্ধাই দিছে ।দিনত ছালাইঁতে আমাৰ লাইনত্ বহিবকে ঘিণ কৰে, কিন্তু ৰাতি মদ খাই আহি আমাৰ ব্লাউজ পিন্ধা তিৰোতাৰ লাইনত উত্তগুলি কৰে — 'কনভেয়াৰ বেল্টৰ' ৰাছিং প্লাণ্টৰ ওচৰত ইটোৰে সিটোৰ কথা নুশুনা হ'ল। ইয়াত হৰ্ হৰ্ ঘৰ্ ঘৰ্ শব্দ ।

— 'চা যশোৱন্ত' ঠিক এইখিনিতেই

পাইলৰ এই অস্থায়ী দলংখনৰ ওচৰতে আমাৰ 'পিচ ৱাৰ্কাৰৰ' শ্ৰমিকে মদ খাই উত্তগুলি কৰা লীডাৰ তিনটাক মাৰি হাড ভাঙি দিলে। পিছদিনাই গোমতীৰ লীডাৰ আহিল। ভঙা-পতা হ'ল। সেই দিনাই তই চাৰেংখেৰাৰ পৰা আহি পালি। আমাৰ মাজত পঢ়া-শুনা কৰা ল'ৰা ডিমৰুৰ ফুলৰ দৰে।

'ডিমৰুৰ ফুল?'

অ, যেন ডিমৰুৰ ফুল।'

— সাই নদীৰ বালিৰ ওচৰত সিহঁতে একে লাইনৰ আৰু দুযোৰ মানুহক লগ পালে — নতুনকৈ অহা অফিচ ঝাৰু দিয়া বুঢ়া জামাদাৰ গোপী। অহাৰ দিনাৰ পৰা তাৰ বেমাৰ। বেৰেকৰ মানুহ এটাই তাক ধৰি ধৰি আনিছে। কোনোবা এটা কোম্পানীৰ পৰা 'ফাইনেল' পাই অহাৰ পাছত শম্ভু পাছোৱানৰ জৰিয়তে সি এই কাম পাইছিল। বেচাৰাৰ ভয়ঙ্কৰ কাহ আৰু অস্থি চৰ্ম সাৰ দেহ। কিছুদিনৰ পৰা বেৰেকৰ মানুহৰ মনত সন্দেহে বাহ লৈছে ।এৰা তাৰ হয়তো বৰ বেয়া বেমাৰ আছে।

সি পূজাৰ বেলপাত সমূহলৈ চালে তাৰ পাছত সেই বালিতেই দীঘল দি পৰিল।

শম্ভু পাছোৱানে কিছু অসন্তুষ্ট হৈ ক'লে —

— 'হট্ হট্।'

সৌৱা আৰু এটা দল নদীৰ বালিত থিয় হৈ আছে। দত্তেশ্বৰীক শেষ প্ৰণাম জনাব সিহঁতে। শিবু বোলা সেই চাহাবৰ লাইনৰ পাইখানা চাফা কৰা জমাদাৰটোও আহিছে। আগেয়ে সি কনক্ৰিটত পানী দিছিল। 'কনক্ৰিটৰ বাকেট' পৰি হোৱা এক দুৰ্ঘটনাত ভৰি এখন হেৰুৱাইছিল। কামৰ ভাগ বটাওতে দয়া কৰি টাইম কিপাৰ বাবুৱে তাক চাহাবৰ লাইনত কাম দিছিল। তাৰ মাউৰা পুতেক জগন্নাথে আজি তাৰ পিছে পিছে ছাঁ হৈ ঘূৰি ফুৰিছে। শিবু লেঙেৰা আৰু জগন্নাথে শম্ভু পাছোৱানৰ ভৰিৰ ওচৰত দীঘল দি পৰিল। শম্ভুৱে দুয়োকো আশীৰ্বাদ দিলে।

ক্ৰেইনৰ লাইন শেষ হোৱা ঠাইতো ল'ৰা-তিৰোতাৰ সমদল এটা থিয় হৈ আছিল। সিহঁত আগুৱাই আহিল। বামু আৰু বামু নামৰ অঘাইতং ভাই-ককাই দুটাই আজি নতুন কাপোৰ পিন্ধি ক্ৰেইনৰ লাইনত থিয় হৈ সকলোৰে ৰেহৰূপ চাই আছে। লাইনৰ বসুমতী বুঢ়ীও আগুৱাই আহিল।

গোটেই গাতে তাইৰ ধৱল ৰোগৰ দাগ। মূৰৰ চুলিবোৰ বেমাৰত বগা হৈছে নে স্বাভাৱিক ভাৱেই তেনে ৰং ধৰিছে জনা নাযায়। জিৰাফৰ ডিঙিৰ দৰে বিচিত্ৰ হাত দুখন দাঙি তাই দত্তেশ্বৰীৰ ভগ্ন পূজাত জবা ফুলৰ মালা এডাল দিলে। শম্ভু পাছোৱানে ধুতি কোচাই পানীত নমাৰ লগে লগে — গোটেই জাক ল'ৰা-ছোৱালী পানীত নামিল। — সিহঁতৰ চিঞৰ-বাখৰত সাই নদীৰ ঘাট মুখৰ হৈ উঠিল।

হঠাৎ হুইছেলৰ শব্দ শুনা গ'ল।

ক্ৰেইনৰ লাইনত থিয় হৈ হৃষ্ট-পুষ্ট 'মেটে' গৰ্জন কৰি উঠিল।

"ডিউটি নিদিলি যেতিয়া আজিৰ হাজিৰা তহঁতৰ কটা গ'ল।"

শম্ভু পাছোৱানে আৰ্তনাদ কৰি উঠিল—

— "আমি ইউনিয়নক কাকুতি কৰি কৈছিলো — তহঁতৰ সেই দহটা ছুটিৰ দিনৰ লগত আমাৰ উৎসৱৰ এই দিনটো চামিল কৰি ল — নললি। আমি পূজা নকৰাকৈ থাকিম নে ?"

মেটে হাঁহি মাৰি ক'লে —

— "কৰ্ কৰ্, খুব পূজা কৰ।।"

বামু আৰু বামু বোলা ভাই-ককাই হালে চিঞৰি উঠিল —

— "যা যা কোম্পানীৰ দালালহঁত।।" সিহঁত দুটাই আৰু কিবা কব খুজিছিল কিন্তু শম্ভু পাছোৱানৰ কটমট্ দৃষ্টিত নিস্তুপ হৈ ৰ'ল। ক্ৰেইনৰ লাইনৰ পৰাই মেটে হাত ভৰি জোকাৰি গৰ্জি উঠিল —

— "আজিৰ হাজিৰা তইঁতে নেপাব? — মূৰ খুন্দিয়াই মৰিলেও তইঁতে আজিৰ হাজিৰা নেপাব ?"

● ● ●

এটা সময়ত এটা দুটাকৈ সিহঁতে বেৰেক অভিমুখে ঢাপলি মেলিলে। চেঙেলীয়াহঁতে নতুনকৈ কটা বান্ধৰ ওপৰলৈ উঠি গ'ল। এৰা কিজানি বান্ধৰ দাঁতিত টাঙ্গাবালা কেইটা বৈ আছেই ? কেনেবাকৈ পিছত ওলমি যাব পাৰিলেও 'ৰায়বেৰেলী চহৰত চিনেমা চাই আহিব পাৰিব সিহঁতে যদি টাঙ্গা নেপায় তেতিয়াহ'লে খোজ কাঢ়িয়ে যাব। আলিকেকুৰিৰ দোকানত সিহঁতে চাহ খাব।

কুৰি ফুট ওখ কেনেলৰ ওপৰত উঠি সিহঁতে তলৰ জীপ যোৱা আলিৰে ভুমুকিয়াই চালে। এখন ট্ৰেলাৰ লগোৱা জীপ দেখা পালে। কোনোবা নতুন চাহাব ট্ৰেন্সফাৰ হৈ আহিছে চাগে! ট্ৰেলাৰত মাল বস্তু ভৰি আহিছে। ভালদৰে জুমি চাই সিহঁত দুয়ো গম পালে সেয়া 'মেটেৰিয়েল ডিপাৰ্টমেণ্টৰ ছেক্সন ইন্‌চাৰ্জ' ঠাকুৰ চাহাব আহিছে।

ৰামু আৰু ৰামু জমাদাৰে কিৰিলি পাৰি উঠিল —

— "ঠাকুৰ চাহাব।"

— "তেতিয়াহ'লে আড্ডা জমি যাব।"

— "কচোন চাবেংখেৰাত তই কিমান পইচা মাৰিছিলি

হঠাৎ বান্ধৰ আনটো মূৰত টাঙ্গাৰ ঘোঁৰাৰ ডিঙিৰ ঘণ্টাৰ শব্দ শুনা গ'ল। টাঙ্গা গুচি যাব বুলি দুয়ো ভিৰাই লৰ ধৰিলে।

সাই নদীৰ বালিত শম্ভু পাছোৱান, যশোবন্ত, শিবু লেঙেৰা আৰু তাৰ গাতে গা লগাই বহি আছিল তাৰ একমাত্ৰ পুত্ৰ জগন্নাথ।

সিহঁত চক্ৰাকাৰ হৈ বহিল। শম্ভু পাছোৱানে বিড়ি এটা হুপি আছিল। এইবাৰ সি বিড়িটো শিবু লেঙেৰালৈ আগুৱাই দিলে।

শম্ভু পাছোৱানে লেঙেৰালৈ চাই ক'লে — "পইচা-পাতি কিছু সাঁচি থৈছ নে নাই?"

— "পইচা?"

সি এটা অদ্ভুত শব্দ কৰি হাঁহি মাৰিলে। যেন কিছুমান শুকান হাড় খৰখৰাই উঠিল।

শম্ভু পাছোৱানে নিজকে কোৱাৰ দৰে ক'লে —

— "পিচে বাৰ্কাৰৰ মজদুৰক সহায় কৰা ঠিকাদাৰ আছে। এমাহ ধৰ্মঘট চলি থাকিলেও সিহঁতৰ ভয় নাই। তইঁত মৰিবি। তইঁতৰ ল'ৰা-ছোৱালী মৰিব। তইঁতৰ হাতত পইচা নাই। নৈথাকে।"

শিবু লেঙেৰাই বিড়িত দীঘলকৈ হোপা এটা মাৰি ক'লে —

— "পইচা থাকিব কব পৰা — আমাৰ যশোৱন্ত লীডাৰ হৈছে। ভাল কথা হৈছে। সি আমাক তিনি নম্বৰ বেবেকত থকা মানুহৰ দৰে 'পাৰমেনেণ্ট' কৰিব!"

চাৰিও কিছু সময় নিশ্চুপ হৈ থাকিল। শিবু লেঙেৰাৰ মানস চকুত 'চাটাই' হৈ যোৱাৰ পাছৰ অৱস্থা এটিৰ চিত্ৰ ভাস্বৰ হৈ উঠিল। ক'লৈ যাব এইবাৰ?

— সক চহৰ মুদীগঞ্জলৈ? পায়খানা আৰু পি ডব্লিউ ডিৰ আলি পৰিষ্কাৰ কৰা মেথৰ কেইটাই এদিন এই ছুইপাৰৰ বেবেকলৈ আহি লম্ফ-জম্ফ কৰি কৈ গৈছিল —

— "চাটাই হৈ যোৱাৰ পাছত তহঁতে এই মুদীগঞ্জত কাম কৰি খাব পাম বুলি নেভাবিবি। ইয়াত মেথৰৰ অৱস্থা চুবনিৰ কুকুৰৰ অৱস্থাতকৈ কোনো গুণে ভাল নহয়।"

ক'লৈ যাব তেতিয়া হ'লে এইবাৰ? এই লেঙেৰা ভৰিখন লৈ ক'লৈ যাব? ছুইপাৰ বেবেকৰ প্ৰত্যেকটি মানুহৰ কথা শিবু লেঙেৰাৰ মনত পৰিল।

ক'লৈ যাব নাৰায়ণীয়ে তাইৰ সেই দুইমহীয়া কেচুৱাটি লৈ? গিৰীয়েকৰ যক্ষ্মা হৈছিল। এতিয়া ভাল হৈ উভতি আহিছে যদিও কাম কৰিব পৰা হোৱা নাই। চাৰেংখেৰা ব্ৰাঞ্চত ছুইপাৰবোৰক খেদি দিয়াৰ পাছত একপ্ৰকাৰ নিৰাশ্ৰয় অৱস্থাত তাইৰ পাঁচবছৰীয়া পুতেক এটা মৰিছিল। এতিয়া তাই তিনিমহীয়া শিশু এটি আৰু বেমাৰী গিৰীয়েকক লৈ কাম বিচাৰি ক'ত ঘূৰি ফুৰিব?

নাৰায়ণী এসময়ত ধৰ বাংগালী আছিল। আজি শিবু লেঙেৰাই তাইক পৰিত্যক্ত 'চাটাৰিং প্লেট' কিছুমানৰ ওচৰত মুখ ওন্দোলাই বহি থকা দেখি আহিছে।

পাঁচজনী ব্লাউজ পিন্ধা ছোৱালী লৈ বুঢ়া ছুইপাৰ ভুও ক'লৈ যাব?

অনেকৰ মুখৰ কাহিনী লেঙেৰাৰ মনত পৰিল।. ৰায়বেৰেলী টাউনতো সিহঁতৰ বাবে ঠাই নহ'ব। মুদীগঞ্জত? অসম্ভৱ।

একে ধৰণৰ ভাবনাতে যশোৱন্তও বিভোৰ হৈ আছিল।

শম্ভু পাছোৱানে ক'লে —

— "এইবাৰ ধৰ্মঘটৰ ফলাফল ভাল হ'ব।"

— "কেনেকৈ জানিলি?"

— "কাৰণ এইবাৰ লীডাৰহঁত ভয়ত পেপুৱা লাগি আছে।"

— "কেনেকৈ জানিলি?"

— "ইমান দিনে সিহঁতে এই ব্ৰাঞ্চৰ মজদুৰক ভেড়াৰ পাল বুলি ভাবি আছিল। সেইদিনা সিহঁতে দেখুৱাই দিলে নহয়?"

যশোৱন্তই প্ৰশ্ন কৰিলে —

— "কোন দিনা?"

— "পাৰ্ইনেল মেনেজাৰ দিবোদকৰক আমাৰ ইউনিয়নৰ লীডাৰ এটাই গুলীয়াই মৰাৰ কথা জান নহয়। সেই লীডাৰজনৰ পৰিয়াল ক্লাচে পঠিয়াবলৈ লাইনে লাইনে গৈ

মজদুৰইঁতে চান্দা সংগ্ৰহ কৰিছিল।

শিবু লেঙেৰাই আৰ্তনাদ কৰি উঠিল —

— "সেই হত্যাকাৰীটোক দিবলৈ চান্দা তুলিছিল নে?"

শম্ভু পাছোৱানে কটকটকৈ চাই ক'লে —

— "নিজৰ স্বাৰ্থৰ বাবে সি মৰা নাছিল। তাৰ পৰিয়ালবৰ্গক সহায় কৰাটো আমাৰ মজদুৰৰ কৰ্তব্য বুলি ভাবিছিল। জেলত সোমোৱাৰ লগে লগে তাৰ যি পাওনা আছিল কোম্পানীয়ে চব জব্দ কৰি থৈ দিছিল।"

যশোৱন্তই প্ৰশ্ন কৰিলে

— "চান্দা তুলিলে?"

— "অ। পিচ বাৰ্কাৰৰ গুদামত মিটিং বহিছিল।

— আমাৰ মজদুৰে ক'লে চান্দা আমি ইউনিয়নৰ লীডাৰৰ হাতত নিদিওঁ। আমি 'খুনীৰ' পৰিয়ালবৰ্গলৈ পোনে পোনে পঠিয়াই দিম।"

'বাৰ্ক ছাইট'ত যেনিবা জুইহে লাগিল। কোম্পানীৰ অফিচৰ নিম গছৰ তলত আকৌ মিটিং বহিল। তিনি হাজাৰ মজদুৰৰ সন্মুখত হাত জোৰ কৰি 'খাৰা' হ'ল ইউনিয়নৰ সভাপতি আৰু মেম্বাৰ সকলক।

— আঃ সেই হৈ-হাল্লা। কোনোবাই ফটা জোতা এপাত ওপৰলৈ দলি মাৰি পঠিয়ালে।

লেঙেৰাই ক'লে

— "মোৰ ভালকৈ মনত আছে শম্ভু পাছোৱান তই 'খাৰা' হৈছিলি আৰু সকলোকে হাত জোৰ কৰি কৈছিলি — লীডাৰইঁতে 'মাফ' বিচাৰিছে। 'মাফী' বিচৰা মানুহক মাফ নকৰা পাপ।"

সভাপতিয়ে আকৌ এবাৰ মুৰ দোৱাই কৈছিল —

— 'এই বিচাৰ আপোনালোকৰ। গতিকে আমি থাকিমনে?'

কিছু সময় নিস্তব্ধতা।

— আকৌ কলে সভাপতিয়ে

— "আমি থাকিম নে?

ভঙা-পতা আপোনালোকৰ হাতত!"

মাজে-সময়ে এই ইউনিয়নৰ মাতব্বৰ কেইটাৰ লগত পাণ খোৱা আৰু পানীয় সেৱন কৰি ঘূৰি ফুৰা ডেকা দলটিয়েই প্ৰথমে কিৰিলি পাৰি উঠিল।

— 'আমি আপোনালোকৰ লগত আছো।'

— 'মই ক'লো-আমি আপোনালোকৰ লগত থাকিম — কিন্তু আমাৰ এটা চৰ্ত্ত আছে।'

— 'চৰ্ত।'

-— আকৌ চাৰিওফালে নিস্তব্ধ পাত এটি পৰিলেও যেন শুনা যাব।।

—'মই ক'লো — আমাৰ মাজৰ পৰা এজন প্ৰতিনিধি আপোনালোকে লব লাগিব।'

— হৰিজনহঁতৰ প্ৰতিনিধি?

ছেক্ৰেটেৰী, সভাপতি আৰু ইউনিয়নৰ মেম্বাৰ সকলে এক গোট হৈ কিছুসময় গোপনে কিবা এটা মীমাংসা কৰিলে। সভাপতিৰ গদ-গদীয়া কণ্ঠ শুনা গ'ল—

— শম্ভু পাছোৱানৰ দাবী মানি লোৱা হব কিন্তু — গোমতীৰ পৰা আমাৰ জেনেৰেল ছেক্ৰেটেৰী আহিলেহে এই বিষয়ে সঠিক মতামত ব্যক্ত কৰা হ'ব।

আকৌ কিছু সময় সকলো মৌন হৈ পৰিল। ঠিক এনে এটা সময়তে নাৰায়ণ বোলা জামাদাৰটোৱে ইউনিয়নৰ লীডাৰ এটাৰ পিনে আঙুলিয়াই আৰ্তনাদ কৰি উঠিল—

— সৌ মদাহীটোক ইউনিয়নৰ পৰা বাহিৰ কৰি দে।

ইউনিয়নৰ লীডাৰ কেইটাক অহৰহ তেল মালিচ কৰি থকা চেঙেলীয়া ল'ৰাৰ দলটোৱে আৰ্তনাদ কৰি উঠিল।

— 'কি কৰিছিল সি?'

নাৰায়ণ জামাদাৰ কিছু সময় মৌন হৈ থাকিল। তাৰ পাছত সি কোব খোৱা কুকুৰৰ দৰে আৰ্তনাদ কৰি উঠিল —

— "সি মদ খাই মোৰ ছোৱালী কেইজনীৰ ওচৰলৈ আহিব খোজে। — অথচ দেৱীৰ প্ৰসাদ লবলৈ আমাৰ হৰিজনহঁতে নিমন্ত্ৰণ কৰি মাতিলেও সি নাহে।"

নিশ্চুপ। নিস্তব্ধ। সকলো যেন কিং কৰ্তব্যবিমূঢ়। ঠিক এনে সময়তে সভাপতিৰ ওচৰত ইউনিয়নৰ দুজন মেম্বাৰ থিয় হ'ল। — কিছু সময়ৰ বাবে সিহঁতে যেন আকৌ এক গোপন ষড়যন্ত্ৰত লিপ্ত হৈ পৰিল। এইখিনি সময়তে সভাপতি মহোদয়ে এটা অদ্ভুত কাণ্ড কৰি পেলালে।

কুকুৰেনেচীয়া বাঘৰ দৰে জাপ মাৰি গৈ সি মদাহী লীডাৰটোৰ কামিজত খামোচ মাৰি ধৰিলে। এক মুহূৰ্তৰ ভিতৰত সি তাৰ ইউনিয়নৰ 'উৰ্দি' ফালি ছিৰাছিৰ কৰি পেলালে।

আকৌ নিশ্চুপ। নিস্তব্ধতা। সকলো কিংকৰ্তব্যবিমূঢ়।

ইজ্জত, ধৰ্ম, সততা ইত্যাদি অনেক শব্দই বাঙময় হৈ এই শ্ৰমিক দলটোৰ হৃদয় তোলপাৰ কৰি তুলিলে।

— যশোৱন্তৰ কান্ধত হাত থৈ শম্ভু পাছোৱানে ক'লে —

— "তাৰ পাছত সেই 'উৰ্দি' তোৰ দেহলৈ অহা সেই কাহিনী তই নিজেই জান।"

শম্ভু পাছোৱানৰ সৈতে যশোৱন্তই এইবাৰ 'কনক্ৰিট' অভিমুখে আগবাঢ়ি গ'ল। পিছু লেঙেৰাই পুতেকক সৈতে নদীৰ বালিত বহি ৰ'ল।

যশোৱন্তৰ লগত খোজ কাঢ়োতে বৃদ্ধ শম্ভু পাছোৱানক যথেষ্ট গৌৰৱান্বিত যেন

দেখা গ'ল। এই ব্ৰাঞ্চত নেলাগে — কোম্পানীৰ আৰু কোনো ব্ৰাঞ্চতে মেট্ৰিক পাছ কৰা হৰিজন নাই।

'কনক্ৰিট' আৰম্ভ হৈছে। কনভেয়াৰ বেল্টৰ 'চিৰিৰ মালাকো' আজি ধূলিয়ে ঢাকি ধৰিছে। মিক্সাৰ ড্ৰাম চক্ৰাকাৰে ঘূৰি আছে। কনভেয়াৰ বেল্টত পানী নপৰিবলৈ দিয়া সৰু পৰ্টিক সদৃশ চালিখনৰ তলত দুয়ো আহি থিয় হ'ল।

— নাই ইযাত ধৰ্মঘটৰ কোনো উমঘাম নাই।

এইখিনিতে থিয় হৈ দুয়ো গোমতীৰ পৰা অহা জীপৰ বাবে অপেক্ষা কৰি ৰ'ল।

— "আজিৰ হাজিৰা তেতিয়াহ'লে কোনেও নেপায়।"

— "ওহো! — আজিকালি ধৰ্ম-কৰ্মক মানুহে ভয় নকৰা হৈছে।"

— "ইঞ্জিনীয়াৰ ইনচাৰ্জক যদি — "

— "নাই নাই সেইবোৰ কৰি একো লাভ নাই। কোনেও ধৰ্ম নেমানে।

— যশোৱন্তৰ মনত পৰিল। লক্ষ্ণৌৰ 'গৰবৰ ঝালাত' বক্তৃতা দিবলৈ অহা 'লীডাৰ' এজনে এবাৰ গান্ধীহত্যাৰ সময়ত কমিউনিষ্টসকলে কোৱা কথা সোঁৱৰাই দিছিল —

"গান্ধীৰ সামাজিক আৰু আৰ্থিক কাৰ্য্যক্ৰম এনে অন্তৰ বিৰোধেৰে ভৰা যে ইয়াৰ মিল অসম্ভৱ কথা। গান্ধী হিন্দুস্থানী জনতাৰ আধ্যাত্মিক গোলামী ৰক্ষক। এই দুনিয়াৰ সকলোতকৈ ঘৃণিত বস্তুটিয়েই হৈছে ধৰ্ম।"

বৰ স্পষ্টভাৱে যশোৱন্তৰ এই কথা মনত পৰিল। কিন্তু এই বিষয়ে শম্ভু পাছোৱানৰ সৈতে তাৰ তৰ্ক কৰাৰ ইচ্ছা নহ'ল। আৰু আচৰিত কথা এয়ে যে এই প্ৰশ্নটিৰ সঠিক উত্তৰ এতিয়াও সি নিজৰ হৃদয়ত বিচাৰি পোৱা নাই।

দুয়ো অনেক সময় এই 'কনভেয়াৰ বেল্টৰ তলত' শিল নপৰিবলৈ দিয়া পৰ্টিকটিত নীৰৱে বহি ৰ'ল।

## (তিনি)

দহটা দিন পাৰ হৈ গ'ল।

ধৰ্মঘটৰ উত্তেজনা কিছু শেঁতা পৰি আহিল?

ৱাৰ্ক ছাইটৰ জীৱনো কিছু সহজ হৈ পৰিল।

— অক্টোবৰ মাহ।

সাই নদীৰ দুয়ো পাৰে থকা কাঁইটীয়া জোপোহাবোৰত সৰু সৰু নীল বৰণীয়া ফুল ফুলিবলৈ আৰম্ভ কৰিছে।

মুন্সীগঞ্জত মহণ্ডৱালাইতে চৰাবলৈ নিয়া মহৰ পানীখোৱা ঘাটত নাৰায়ণীয়ে বেমাৰী গিৰীয়েকক গা-ধুৱাই আছিল। — কিছু আঁতৰত যশোৱন্তই কানি-কাপোৰ খৈ পানীত

নামিছিল। — হঠাৎ নাৰায়ণীয়ে চীৎকাৰ কৰি উঠিল। যশোৱন্ত চকিত হ'ল। — পানীৰ পৰা উঠি শিল এচটাত থিয় হৈ যশোৱন্তই দেখিলে গিৰীয়েকৰ দেহ নাৰায়ণীৰ বাহুত লেতু-সেতু হৈ বাগৰি পৰিছে।

যশোৱন্তই একপ্ৰকাৰ জাপ মাৰি গৈ নাৰায়ণীৰ হাতৰপৰা মানুহটোক তুলি ল'লে — ইতিমধ্যে আৰু দুই তিনিটা মানুহ আহি জমা হ'ল।

— নাই' নাই একো হোৱা নাই — সাইৰ চেঁচা পানীত গা-ধুই মানুহটো ঠৰঙা ল্যাগিছে"--

ভিৰৰ মাজত কোনোবা এটাই প্ৰশ্ন কৰিলে —

— "বেমাৰী মানুহটোক চেঁচা পানীত গা-ধুৱালি কিয় ?"

নাৰায়ণীৰ বিশৃঙ্খল কণ্ঠ শুনা গ'ল।

— "এক মাহ গা-ধোৱা নাই, দুৰ্গন্ধত মই ৰাতি শুব নোৱাৰো।"

শিবু, ধাছলাক ধৰি মেলি কেম্পলৈ লৈ যোৱা দৃশ্যটোও শোকাবহ আছিল। ভিৰৰ মাজৰপৰা কোনোবাই কোৱা শুনা গ'ল —

— "বেচেৰী নাৰায়ণী ? এসময়ত তাই বৰ ৰূপহী তিৰোতা আছিল হাত ভৰিবোৰ দেখা নাই নে ? অৰ্জুন গছৰপৰা সৰি পৰা মৌৰ বাহৰ দৰে "

— "এৰা লেদেনা উকটি জীয়াই আছে — তথাপিও হাত ভৰি শুকাই কাঁইট হৈ যোৱা নাই।"

ৰদত পাৰি থোৱা খাটিয়া এখনত যশোৱন্তই শিবু ধাছলাক শুৱাই দিলে।

এটা সময়ত শিবু ধাছলাই মূৰ তুলি চালে। ইঙ্গিতেৰে সি নাৰায়ণীক ওচৰলৈ মাতিলে।

বৰ বিস্ময়কৰ।

নৰ - কঙ্কালটিয়ে কুৰুকি কুৰুকি তাইৰ কোলালৈ সোমাই যোৱা দৃশ্যটো অত্যন্ত বিস্ময়কৰ । শুকাই কৰ্কশ হৈ যোৱা গছৰ ফেৰেঙনি এটাত নাৰায়ণী যেন এপাহ গোলাপ ফুল হৈ বজি ৰৈছে।

এক অনন্য উৎসাহ আৰু উত্তেজনাৰে যশোৱন্তই শিবু ধাছলাক তেল মালিচ কৰিব ধৰিলে

## (চাৰি)

এইদৰে মাজে-সময়ে যশোৱন্তই শিবু ধাছলাক শুশ্ৰূষা কৰিবলৈ আৰম্ভ কৰিলে। সি লাহে লাহে এক ধৰ্ষণৰ উত্তেজনাও অনুভৱ কৰিলে —

কিহৰ বাবে উত্তেজনা ? এৰা কিহৰ বাবে ?

ইউনিয়নৰ লীডাৰ সমূহৰ মাজত ইতিমধ্যে দুই-তিনিখন গুপ্ত মিটিং হৈ গ'ল, ৰাতি ডিউটিৰ পাছত সদায়ে দুটা দলে ওচৰে-পাজৰে থকা সৰু সৰু গাঁৱলৈ যাব আৰম্ভ কৰিলে। হুছেনগঞ্জলৈও মানুহ যাব ধৰিলে। গাওঁবাসীৰ ওপৰত ইতিমধ্যে কোম্পানীয়ে প্ৰভাব বিস্তাৰ কৰিলেই। বাৰীৰ তৰি-তৰকাৰীৰ পৰা আৰম্ভ কৰি 'সাই নদী'ত ধৰা পোণা মাছলৈকে সিহঁতে দুগুণ দামত কোম্পানীৰ মানুহক বিক্ৰী কৰিব পাৰিছিল। মুন্সীগঞ্জৰ দুই-এজন মানুহে আহি ইতিমধ্যে খা-খবৰ ললেহি।

দাম-দৰ হ'ল। কথা কটা-কটিও হ'ল। সিহঁতে প্ৰশ্ন কৰিলে —

— "কি প্ৰমাণ আছে এমাহৰ মূৰত এই ধৰ্মঘট ভঙ্গ হ'ব ?"

সভাপতিয়ে ক'লে — "এই কথাৰ প্ৰমাণ পাবলৈ তহঁতে আমাৰ গোপনীয় বৈঠকবোৰলৈ যাবি।"

ক'লা কোট, বগা পায়জামা পিন্ধা সভাপতিয়ে এদিন ঘোঁহৰ পথাৰত থিয় হৈ চক্ৰাকাৰে বহি থকা খেতিয়ক সকলক সম্বোধন কৰি ক'লে —

"তহঁতে নিজৰ সমস্যাৰ বিষয়ে সজাগ হৈ আছনে? — "চিলিঙৰ মাটিৰ সীমা ১৫০ বিঘাৰ ঠাইত ৬০ বিঘা হ'ব লাগে। উচ্ছেদ বন্ধ হওক। ইচ্ছাধীন প্ৰজা আৰু আধিযাৰক দখলী স্বত্ব দিব লাগে, খাজানা লোৱা ব্যৱস্থা ৰহিত, 'হোলছেল' ব্যৱসায়ৰ জাতীয়কৰণ, সুদখোৰী ব্যৱস্থা।" আহ আৰু আছিল সভাপতিয়ে ক'লা কোটটোৰ পকেটত হাত ফুৰাই কিবা বিচাৰিব ধৰিলে।

সভাপতিৰ লগত অহা দলটোৱে আৰ্তনাদ কৰি উঠিল — "জয় কৃষক মজদুৰৰ জয়।"

লগে লগে বৃত্তাকাৰে বহি থকা খেতিয়ক সকলে আৰ্তনাদ কৰি উঠিল —

"জয় কৃষক মজদুৰৰ জয়।।"

ক'লা কোটৰ পকেটত হাত ফুৰাই সভাপতিয়ে ক'লে —

"তহঁতে ভয় নকৰিবি। টকা সিকি আহিব। — ধৰ্মঘট আৰম্ভ হোৱাৰ লগে লগে আমি ইউনিয়নৰ ফাণ্ড মুকলি কৰি দিম। অন্ততঃ কুৰিটা ভঁৰাল তহঁতে সাজু কৰি ৰাখিবি "

যশোৱন্তই দূৰৈত বহি সকলোৱে বেহৰূপ চাবলৈ ধৰিলে। চাৰিওফালে শুকান বিৰিণাৰ খৰমৰণি ভাঁহি আহিছিল। এটা শুষ্ক বাতাবৰণে মনত পেলাই দিছিল ওচৰৰ কৰবাত যেন জুম বান্ধি আছে এদল শগুণ ।

দলটোৰ সৈতে সিহঁত আৰু আগুৱাই গ'ল। মুন্সীগঞ্জৰ ভগ্ন শিৱমন্দিৰৰ সন্মুখৰ বাকৰিত কিছুমান খেতিয়ক বহি আছিল।

ইউনিয়নৰ মানুহক দেখি সিহঁত থিয় হ'ল।

দাড়িত হাত ফুৰাই সভাপতিয়ে আৰ্তনাদ কৰি উঠিল —

"সৌকিটা কৃষকক মন্দিৰৰ পৰা বাহিৰ হৈ আহিবলৈ দে, — আমাৰ মহান

'কমৰেডে' কৈ গৈছে ধৰ্ম আৰু আফিঙৰ মাজত কোনো পাৰ্থক্য নাই।"

লগৰ কেইটায়ো হয়ভৰ দিলে —

মন্দিৰৰ পৰা এটা-দুটাকৈ সিহঁত ওলাই আহিল। মুন্সীগঞ্জৰ কৃষকৰ ৰাইজৰ ভিৰ বাঢি আহিল। মুখীয়া বৃদ্ধই থিয় হৈ ক'লে —

— "মানুহ আহিছিল। আমি কিং সঠিক উত্তৰ দিব পৰা নাই।"

আকৌ আধাপকা আধা কেঁচা দাড়িত হাত বুলাই শিয়ালমুৰা সভাপতিয়ে আৰ্তনাদ কৰি উঠিল—

— "আমাক বিশ্বাস কৰিব খোজা নাই নেকি তহঁতে? — তহঁতে গম্‌ পোৱা নাই আমাৰ শিপা সমগ্ৰ ভাৰতবৰ্ষত বিয়পি আছে। এটা ইউনিয়নৰ ফাণ্ড খতম হ'লে — আৰু এটাৰ দুৱাৰ মুকলি হ'ব।"

সমজুৱাৰ পৰা এটাই প্ৰশ্ন কৰিলে —

"ধৰ্মঘট কিমান দিন চলিব?"

সভাপতিয়ে উত্তৰ দিলে —

"পোন্ধৰ দিনৰ ভিতৰত সিহঁতে নিশ্চয় আমাৰ দাবী মানি ল'ব।"

"যদি নলয?"

ৰঙা পতাকা লৈ থকা যুৱক এটাই আৰ্তনাদ কৰি উঠিল —

—"আমি 'সাইৰ' বান্ধ বান্দদেৰে উৰাই দিম।"

সভাপতিয়ে কটমটকৈ তাৰ মুখলৈ চাই চিঞৰি উঠিল — "চুপ থাক।"

— "শুনহঁত — মজদুৰক বিপদত সহায় কৰা তহঁতৰ কৰ্তব্য হোৱা উচিত—। সময় আহিলে আমিও তহঁতৰ সৈতে হাত মিলাম। — কিন্তু তহঁতৰ সৰহভাগে মানি লোৱা 'গান্ধী ভগবানৰ' অহিংসা নীতি আমি মানি নলওঁ।"

চক্ৰাকাৰে বহি থকা কৃষকৰ দলটোৰ ইটোৱে সিটোৰ মুখলৈ মুৰ তুলি চালে। এযোৰ বিচিত্ৰ ধৰণৰ চছমা পিন্ধা বয়োবৃদ্ধ কৃষক এজনে এইবাৰ থৰক-বৰককৈ উঠি থিয় হ'ল। দুই-এটি কৃষকে গুণ গুণাই উঠিল —

"এয়া সংস্কৃত পঢিব জনা বৃদ্ধ কৃষক ব্ৰহ্মদেৱ। কি কয় বা এতিয়া সি?" হাত এখন ওপৰলৈ তুলি সি ক'লে—

"গান্ধীৰ হিংসা আৰু অহিংসাৰ নীতি বুজাত আপোনালোকৰ অলপ ত্ৰুটি হৈছে। 'নোৱাখালি'ৰ কাহিনীৰ কথা আপোনালোকৰ মনত নাই?"

সকলোৱে সমস্বৰে চিঞৰি উঠিল — "কি কাহিনী?"

— "গঙ্গাৰ পাৰত থিয় হৈ আছিল গান্ধী মহাৰাজ নোৱাখালিৰ মাটিত হিন্দু-মুছলমানৰ তেজৰ তৰপ পিয়াজৰ তৰপৰ দৰে গাপ খাইছিল। কি হৈছিল তেতিয়া?

— "কি হৈছিল?"

"গঙ্গাৰ বুকুত বঠাৰ চপ্ চপ্ শব্দ। উত্তেজিত যুবকৰ দল এটি নাৱেৰে আহি গান্ধী মহাৰাজৰ সন্মুখত থিয় হ'ল। সিহঁতৰ কাপোৰত তেজৰ দাগ, ৰুক্ষ চুলি, উত্তেজনাত ক্ৰুদ্ধ চেহেৰা। — সিহঁতে গান্ধী মহাৰাজক ভ্ৰূকুটি দেখুৱাই আৰ্তনাদ কৰি উঠিছিল—

—"কিয় আহিছা ইয়াত অহিংসাৰ মন্ত্ৰ শিকাব? আমাৰ চকুৰ আগত আমাৰ স্ত্ৰী-ভগ্নী ধৰ্ষিতা হৈ গ'ল — আমাৰ ভাই-ককাইৰ তেজৰ দাগ এতিয়াও শুকোৱা নাই "

গান্ধী ভগৱানে হাত এখন ওপৰলৈ তুলি ক'লে —

—"তোমালোকৰ ভাই-ভনী — তোমালোকৰ চকুৰ আগত ধৰ্ষিতা হ'ল আৰু তোমালোক তজবৰ্জীয়া যুৱকসকল এতিযাও জীৱিত —। মইতো এনেকুৱা মুৰ্খ লোকক অহিংসা মন্ত্ৰ দিব অহা নাই "

শিয়ালমুৱা সভাপতিয়ে আৰ্তনাদ কৰি উঠিল — "আমি কথা শুনিব অহা নাই। আমি মজদুৰ কৃষকৰ সহায় বিচাৰি আহিছো আমাৰ হাতত সময় কম।" কৃষকসকল দুভাগ হৈ পৰিল। পকী কুৱাটোৰ ওচৰত যি সকল বহি আছিল সেই সকলো আঁতৰি গ'ল।

যশোৱন্ত কিছুদূৰ পিচুৱাই আহি এই পকী পৰিত্যক্ত কুৱাটোৰ ওচৰত থকা শিলালিপি এখন পঢ়িবলৈ যত্ন কৰিলে। স্বাধীনতাৰ সংগ্ৰামত শ্বহীদ হোৱা অখ্যাত বীৰ কিছুমানৰ নাম তাত লিখা আছে। মকৰাৰ জাল আৰু কাঁইটীয়া জোপোহাই ছানি পেলোৱা মুন্সীগঞ্জৰ এই "শ্বহীদ স্মাৰকৰ" ওচৰত থিয় হৈ যশোৱন্তই নাম কেইটা পঢ়িবলৈ যত্ন কৰিলে —

অৰুণকুমাৰ ওৰ্ফে লাল আজাদ
সৰযু প্ৰসাদ
ভগৱান সিং
ৰমানাথ সিং
গৰীব হুছেইন

১৯২১ চনৰ ৩ জানুৱাৰী সাই নদীৰ দলঙত হোৱা গুলীয়া-গুলীত এই সকল অখ্যাত লোকৰ মৃত্যু হৈছিল।

যশোৱন্তই শিলালিপি পঢ়ি থকাৰ সময়ত হঠাৎ সভাপতিৰ এটা বিকট চিঞৰত সি থতমত খাই উঠিল। দুপাৰি জোৰা লগা দাঁতৰ ফাকেৰেহে যেন সভাপতিয়ে ক'লে —

"যশোৱন্ত তই ইউনিয়নৰ উৰ্দিৰ সন্মান ৰাখিবলৈ শিক।"

সি কিংকৰ্তব্যবিমূঢ় হৈ পৰিল।

— কিহৰ বাবে এই প্ৰশ্ন কৰা হ'ল — সি ধৰিব নোৱাৰিলে। তাত তেনেকৈ থিয় হৈ থকা বাবে সি নিজকে ধিক্কাৰ দিলে।

ইতিমধ্যে সভাপতিৰ লগত মুন্সীগঞ্জৰ খেতিয়ক ৰাইজ এটা মীমাংসালৈ আহিল।

ৰঙা পতাকা লৈ অহা পাঁচজন চাইকেলৰ আৰোহী কেইটা ইতিমধ্যে 'বাৰ্ক হাইট' অভিমুখে উভতি গ'ল।

কাঁইটীয়া বাবুল গছে আবৰি থকা সংক্ষিপ্ত পথেৰে সভাপতিৰ লগত অহা ইউনিয়নৰ মানুহবোৰো এটা-দুটাকৈ বাৰ্ক হাইট অভিমুখে যাবলৈ ধৰিলে।

সভাপতিৰ পিছে পিছে যশোৱন্তই চাইকেলেৰে আগবাঢ়িল।

এই কাঁইটীয়া বাবুল গছ আৰু শুকান মাটিৰ ওপৰত তাৰ দৃষ্টি বাৰে বাৰে যেন বজি ৰব ধৰিলে।

● ● ●

ফাইনেল বিলৰ কাম চন্তালিবৰ কাৰণে আৰু মেটেৰিয়েল ডিপাৰ্টমেণ্টৰ ষ্টেছন ইনচাৰ্জৰ পদ গ্ৰহণ কৰিবৰ বাবে ঠাকুৰ চাহাব আহিল।

ছুইপাৰ বেবেকৰ সন্মুখত এ টাইপৰ ঘৰ এটা তেওঁৰ বাবে পৰিষ্কাৰ কৰি থোৱা হৈছিল। ঘৰৰ সন্মুখত এজোপা অৰ্জুন গছো আছিল। দুই-এবাৰ ধুমুহাৰ ভয়ত এই গছজোপা কাটি পেলোৱাৰ কথা উঠিছিল। এডাল শকত শিকলিৰে গছজোপা বান্ধি থোৱা হৈছিল।

ঠাকুৰ চাহাব অহাৰ লগে লগে দুই তিনিটা নতুন ঠিকাদাৰে তেওঁৰ ঘৰৰ সন্মুখত পি-পিয়াই ফুৰিব ধৰিলে। বামু আৰু বামুৰে ঠাকুৰ চাহাবৰ মজিয়া আৰু বেবেকত টাকুৰি ঘুৰাদি ঘুৰি ফুৰিব ধৰিলে। ঠাকুৰ চাহাব অহাৰ পিছদিনাই সিহঁতৰ গাত নতুন কোট আৰু মূৰত নতুন কমাল জিলিকি উঠিল। সিহঁত দুয়ো এদিন ছুইপাৰ বেবেকলৈ গৈ ঢোল পিটি জনাই আহিল যে — ঠাকুৰ চাহাবে নিজৰ তৰফৰ পৰা ছুইপাৰ সকলক কম্বল বিলাব।

শিবু ধাছলাই আঁঠু যোৰ বুকুত গুজি নিমৰ তলত বহি বামু আৰু বামুৰ কথা শুনি আছিল। শেষৰ পিনে সি আৰ্তনাদ কৰি উঠিল।

— মানুহ বেয়া নহয় ।'

ওচৰত বহি থকা লিচু লেঙেৰাৰ পিনে চাই সি ক'লে — চাবেংখেৰা ব্ৰাঞ্চত নাৰায়ণীয়ে চাহাবৰ কাপোৰ ধুইছিল। আমি তেতিয়া দুসাজ পেট ভৰাই খাইছিলো।

পুতেকৰ লগত বহি থকা লেঙেৰীয়ো ক'লে—

— 'খুজিবলৈ গলে চাহাবে বিমুখ নকৰে। মোৰ আৰু এটা কথা মনত আছে।'

— কি কথা ?

— চাবেংখেৰাৰ কোম্পানীৰ স্কুলত আমাৰ হৰিজনৰ ল'ৰাইতক বস্তা পাৰি বহিব দিছিল। চাহাবে এদিন গৈ এই বস্তাবোৰ লণ্ড- ভণ্ড কৰি পেলাইছিল।

ধাছলাই হয়ভৰ দি ক'লে —

'হয় হয় সেই কথা মোৰ মনত আছে। সেইদিনাৰ পৰা আমাৰ হৰিজনইতে চাহাবৰ পুতেকহঁতৰ লগত একেলগে বহিব পৰা হৈছিল।'

লিচু লেঙেৰাই কলে—

'নাই নাই এতিয়াও বহিব পৰা হোৱা নাই । তই বেমাৰী মানুহ কোম্পানীৰ স্কুল কেতিয়াবা জানো দেখিছ ? মই কোম্পানীৰ স্কুলৰ পাযখানাও পৰিস্কাৰ কৰি আহিছো। এই ভৰি লেঙেৰা হোৱাৰ আগেয়ে মোক স্কুল আৰু অফিচতহে ডিউতি দিছিল।

—'শুনিছো বেৰেলীৰ 'পাচি' মুৰাদাবাদৰ 'চামাৰ' আৰু 'দুচাধহঁতে আজিকালি মন্দিৰৰ মজিয়াত পাত পাৰিব পৰা হৈছে। '

— আঃ সেই পাচি আৰু চামাৰহঁত । জাননে চামাৰহঁতৰ 'জাইচৱাৰ' 'লাৰিকৰ' কুৰাৰ, গাবালিয়া, ফাৰিকৰহঁতে নিজৰ মাজত নিজে কেনেকৈ মূৰ খুন্দিয়াই মৰে ।

— সিহঁতৰ কথা বাদ দে । আমাৰ মাঘায়া হৰহোৱাৰ ভাৰহোৱাৰ চিহ্ক টিযাহঁতৰ মূৰ ফলাফলি নহয়নে ?'

দুয়ো ঢেকঢেকাই হাঁহিব ধৰিলে।

ৰ'দৰ চোক বেছি নাছিল। আঁঠু বুকুত গুজি বহি থকা দুটি পঙ্গু মানুহক দুটি নৰকঙ্কাল যেন দেখা গৈছিল। লগৰ সকলো মানুহ ডিউটিত যোৱাৰ পাছত বুকুত ছটফট কৰি থকা যন্ত্ৰণাৰ পৰা উপসম পাবলৈ দুয়ো দুয়োৰে ওচৰ চাপি বহিছিল। এই সময়ত বসন্ত ৰোগত পৰি ছটফটাই থকা ঘৈণীয়েকৰ কথা লিচু লেঙেৰাৰ মনত নপৰা হ'ল।

শিবু ধাছলাই ক'লে—

'আজিকালি দিনকাল কিছু উন্নত হৈছে নহয় নে লেঙেৰা ?'

'এৰা । বগা চাহাবৰ বামুণ মুন্সি এটিৰ ঘৰুৱা জমাদাৰ লক্ষণ সিঙৰ কাহিনীটি সচ্চিদানন্দই কিতাপতো লিখি গৈছে — শুনা বামুণ মুন্সী আছিল বৰ চিক চাক । চফৰ কৰিবলৈ গলে 'কমোদ' এটা আৰু মাজে সময়ে লক্ষণ সিঙকো লগত লৈ গৈছিল।'

— 'হাঃ হাঃ সেইবোৰ দিন বেলেগ আছিল।'

— 'এৰা 'এক্কা' গাড়ীৰ 'কচোৱানৰ' ভৰিৰ ওচৰত লক্ষণ সিং বহি গৈছিল। তাৰ প্ৰকাণ্ড মোছ আছিল মূৰৰ পাগুৰিও পৰিস্কাৰ আছিল।'

— 'শুনা, এদিন এক কায়স্থৰ ঘৰলৈ লক্ষণ সিঙৰ নিমন্ত্ৰণ আহিল।'

—'কি কব ঐ কায়স্থৰ ঘৰলৈ লক্ষণ সিঙৰ নিমন্ত্ৰণ ?'

— 'অ,' মুন্সীৰ লগত তাকো মাতিলে।

মুন্সীৰ লগত সি পৰিস্কাৰ পাগুৰি মাৰি নিমন্ত্ৰণ খাবলৈ গ'ল। মুচি এটাৰ পৰা সি হেনো এজোৰ উটৰ চামৰাৰ জোতাও সেইদিনা ধাৰে আনিছিল।'

— 'উটৰ চামৰাৰ জোতা !!'

'শুন আৰু মজাৰ কাণ্ড ঘটিল।

মুন্সীৰ ভেনেই ওচৰত কাঠৰ চকী মেজত তাক কায়স্থ পৰিবাৰে বহিবলৈ দিলে। হঠাত মুন্সী আৰু লক্ষণ সিং চক খাই উঠিল ।'

— 'কিয় ?'

'মুন্সীক দিয়া বাটি কাঁহি আছিল পিতলৰ আৰু তাক দিয়া বাটি কাঁহি আছিল ৰূপৰ। ৰূপৰ কাঁহি বাটি দেখি বেচেৰাই থত মত খালে— মুন্সীয়ে ক'লে খা। কায়স্থয়ো ক'লে খা । উভতি আহি যেতিয়া সি আকৌ সেই 'কছোৱানৰ' ভৰিৰ তলত আশ্ৰয় ললে গাদীত বহি থকা মুন্সীয়ে ক'লে জীৱনত তই আজি প্ৰথমবাৰ ৰূপৰ কাঁহিত ভাত খালি নহয় নে ?

সি দুয়ো হাত মোহাৰি কলে, 'প্ৰভু মহাৰাজ এয়া আপোনাৰ কৃপা।' মুন্সীয়ে ঢেকঢেকাই হাঁহিব ধৰিলে—

শুন লক্ষণ সিং এয়া তোৰ সন্মান নহ'ল অপমানহে হ'ল ! অপমান ?

অপমানহে হ'ল।

এবাৰ পৰা নামি মুন্সীয়ে ক'লে —

হেৰৌ তইতে নেজাননে ? 'হৰিজনে স্পৰ্শ কৰিলে ৰূপ পৱিত্ৰ হয়। তই স্পৰ্শ কৰাত কায়স্থ ঘৰৰ ৰূপৰ কাঁহি বাচন পৱিত্ৰ হৈ গৈছিল। বজ্ৰ পৰা মানুহৰ দৰে একে ঠাইতে বেচেৰা থিয় হৈ থাকিল। তাৰ ভৰিত তেতিয়াও উটৰ চামৰাৰ জোতা গিলিপ খাই আছিল।

শিবু ধাছলাৰ কণ্ঠেৰে এটা অস্ফুট কাতৰ শব্দ বাহিৰ হৈ আহিল।

দুয়ো কিছু সময় নীৰৱে বহি ৰ'ল। দূৰৈৰ কনক্ৰিটৰ কেচ্ কেচ্ হেৰ্ হেৰ্ কেচ্ কেচ্ হেৰ্ হেৰ্ শব্দৰ বাহিৰে এতিয়া যেন পাত এটা পৰিলেও শুনা যাব।

এইবাৰ লিচু লেঙেৰাই এটা বেলেগ কথা উলিয়ালে।

'আমাৰ 'দুচাধ' সকলক কৌৰৱ মহাৰাজ দুৰ্যোধনৰ ভায়েক দুঃশাসনৰ বংশধৰ বুলি কায়স্থ সকলে আজিকালি ভাবিবলৈ এৰি দিছে।'

'ডেকাইতে আফিং খোৱা আৰু ধৰ্ম কৰা একে বস্তু বুলি কৈ ফুৰা শুনা নাই !'

— 'আজকালি 'ৰাহু' পূজা কৰাৰ সময় ক'ত আমাৰ হাতত ? আগে আমাৰ কানাউহিয়া, মাগাহিয়া, শিলহটীয়াইতে কৰা 'ৰাহুপূজাত' বামুণইতো আহিছিল।'

শিবু ধাছলাই কৈ উঠিল —

— 'আমাৰ ডেকাইতে কোৱা মেলা কৰিছিল বাবু জগজীৱন ৰামে আমাৰ পূজাপাতাল সমূহত বামুণ আনিবলৈ হেনো মানা কৰি গৈছে।'

লিচু লেঙেৰাই হুমভৰ দি ক'লে।

— 'সেইবাবেই এইবাৰ শম্ভু পাছোৱানে দেৱী দন্তেশ্বৰীৰ বাবে বামুণ পূজাৰী অনা নাছিল।'

— "নাই নাই সেইবাবে নহয়। মুন্সীগঞ্জৰ বামুণে ক'লে ভোগ ল'ব — দক্ষিণাও গধুৰ লাগিব— কিন্তু কামফেৰা মনে মনে কৰিব বাতে মুন্সীগঞ্জৰ আন বামুণে গম নেপায়।"

শত্ৰু পাছোৱান গুচি আহিল।

কিছু সময় আকৌ দুয়ো মনে মনে থাকিল।

ইতিমধ্যে ৰদৰ চোক বাঢ়ি আহিল। দুই পঙ্গু জামাদাৰে নিমৰ তলত ছাঁ বিচাৰি বগুৱা বাই আহি শিপা এডালৰ ওচৰত জুপুকা মাৰি বহিল।

লাইন পৰিষ্কাৰ কৰি ইতিমধ্যে দুই এটা জামাদাৰ উভতি আহিল। নিমৰ তলত সিহঁতে নিজৰ ঝাৰুবোৰ জোকাৰিব ধৰিলে। কিছুমানে কপালত বান্ধি থোৱা ৰুমাল খুলি লৈ বতাহ লব ধৰিলে। দুই একৰ মুখত কোনোবাই খাই এৰা বিড়িৰ টুকুৰাও দেখা গল।

— তাৰ পাচত এই দলটোৱে কল চোচনিৰে সজা অস্থায়ী চা হৰ দোকান এখনৰ পিনে আগুৱাই গল।

দুয়ো পঙ্গুয়ে এইবাৰ আকৌ ইটোৱে আনটোৰ মুখলৈ চাই কথাৰ উঘা ঘূৰাবলৈ ধৰিলে।

লিচু লেঙেৰাই ক'লে —

"আমাৰ মাটিবাৰী নোহোৱা 'মুচাহাৰ'হঁতে 'লেদেনা উকটি' থাকোতেই গ'ল, — এখন গাওঁৰ পৰা আন এখন গাওঁ —– এখন চহৰৰ পৰা আন এখন চহৰ — এটা কোম্পানীৰ পৰা আন এটা কোম্পানী "

— 'তহঁতে আগে বোধহয় মৰা গৰু- ম'হৰ হাড়ৰ বেপাৰ কৰিছিলি ?'

— "অ, এই হাড় মূৰ লৈ যিখন গাঁৱতেই বহিছো — সেইখন গাঁৱৰ পৰাই-লাঠি গোৰ খাই উভতি আহিছো।

— হাড-মূৰৰ ব্যৱসায়ৰ কোনো ভৰবা নাই। বাকৰিয়ে বাকৰিয়ে হাড়- মূৰ গোটাই গধুলি যেতিয়া আমি গাওঁৰ মাজেৰে আহিছিলো হাড -মূৰৰ টোপলা ধুতিৰে আঁৰ কৰিহে আনিব লগীয়া হৈছিল। এদিন পুজাৰীয়ে আঙুলি জোকাৰী কৈছিল —

— চান্দাইঁত গাঁৱৰ মাজত তহঁতে এনেকুৱা অমঙ্গলীয়া কাম কৰিবি ? তহঁতৰ চামৰা বখলিয়াম। সেই ব্যৱসায় এৰি চহৰলৈ যোৱা, চহৰৰ পৰা কোম্পানীলৈ অহা, তাৰ পাছত এই দুৰ্ঘটনাত পৰা কি যে বিড়ম্বনা নহয় নে লিচু ? নিজৰ দেহকে এতিয়া ভালুকৰ সাঙীৰ দৰে লগা হৈছে।"

কিছু দূৰৈত ফলি পেঞ্চিল লৈ লিচু লেঙেৰাৰ পুতেক জগন্নাথে নিজ নামটো লিখিবলৈ যুঁজি আছিল। এইবাৰ সি নামটো লিখি দুই নিৰক্ষৰ ব্যক্তি শিবু ধাছলা আৰু লিচু লেঙেৰাক দেখুৱালে। নাকত শেঙুনৰ সোতা কংকালৰ পৰা খহি খহি পৰা হাফ পেণ্ট, ভোলৰ সিঠাৰ দৰে ঠৰঙা চুলিৰে এটা অদ্ভুত ৰূপ লৈ থকা ল'ৰাটোলৈ মূৰ তুলি চালে শিবু ধাছলা আৰু লিচু লেঙেৰাই।

তাৰ পাছত দুয়ো খিকখিকাই হাঁহিবলৈ ধৰিলে। দুয়োৰো এই হাঁহি হাড়ে হাড়ে ঠেকা খালে হোৱা এক অস্বাভাৱিক শব্দৰ দৰে শুনা গ'ল।

শিবুৱে ক'লে —

— জীৱনত আমি দুয়ো নিজৰ নামটোকে লিখিব নিশিকিলো নহয় নে ?"

লিচুৱে ক'লে —

— "চাই থকিবি ই আমাৰ যশোৱন্তৰ দৰে হ'ব। অফিচত এদিন ই বাবু হৈ বহিব। মুন্সী হৈ হিচাপ নিকাচ কৰিব !"

ঠিক এনে এটা সময়তে ঠাকুৰ চাহাবৰ কোৱাৰ্টাৰৰ পৰা হেফাই - ফোপাই নাৰায়ণী ওলাই আহিল। কোলাত তাইৰ ছয়মহীয়া কেচুঁৱাটো পাখি গুছোৱা পাৰ চৰাইৰ দৰে লেতু-সেতু হৈ পৰি আছিল। তাই শিবু ধাছলাৰ ওচৰত থিয় হৈ কিছু অসন্তুষ্ট হোৱাৰ দৰে ক'লে—

"আহ এতিয়া নিমৰ তলত বহিব নেলাগে। বেবেকলৈ আহ ! চাহাবে দুই বান্টি কাপোৰ উলিয়াই দিছে — ইয়াৰ গাখীৰৰ বাবে এই পাঁচ টকা দিছে— নে লিচু লেণ্ডেৰাক লগত লৈ গাখীৰ আনিবি। মোৰ পলম হ'ব।"

কোবাকুবিকৈ ভিতৰলৈ গৈ তাই কেচুঁৱাটো শুৱাই থৈ আহিল। কঁকালৰ খোচনিৰ পৰা তাই পাঁচ টকীয়া নোট এখন উলিয়াই শিবু ধাছলাৰ কোলালৈ দলি মাৰি দিলে। ধুমুহাৰ দৰে যেনেকৈ আহিছিল ঠিক তেনেকৈ তাই চাহাবৰ কোৱাৰ্টাৰলৈ লৰ মাৰিলে।

পাঁচ টকীয়া নোটখন শিবু ধাছলাৰ হাতৰ মুঠিত খৰমৰাই উঠিল ।

লিচু লেণ্ডেৰাই বৰ লুভিয়া দৃষ্টিৰে নোটখনলৈ চালে। সি লাহেকৈ ক'লে —

— "কেচুঁৱাটিৰ বাবে গাখীৰ আনি আমি খালাচী 'লঙ্গৰ'লৈ যাব পাৰো ।"

— "খালচী লঙ্গৰ' !!"

শিবুৰ মুখ পোহৰ হৈ উঠিল।

— "আহ আজিকালিও সিহঁতে চাইকেলৰ টায়াৰত ভৰাই বেবেলী বজাৰত পঠিয়াই নেকি ঔ ?"

— 'পঠিয়ায় ! পঠিয়ায় !"

ধাছলাৰ কু বঙ্গত সোমোৱা দুয়ো নয়নৰ মাজত দুটি সূৰ্যহে যেন ভাস্বৰ হৈ উঠিল।

— 'সিহঁতে পচাবলৈ 'সাই' নদীৰ কেচু - কুমটি বেং চব ব্যৱহাৰ কৰে বোলে !"

শিবু ধাছলাই যেন বিশ্বাসেই কৰিব নোৱাৰিলে কাৰণ 'দন্তেশ্বৰী' 'মাচান' আৰু 'কাহাৰ ডাক' পূজাৰ দিনা চাইকেলৰ টিউবত অনা পানীয় সি এই শিবু লেণ্ডেৰাৰ সৈতে উপভোগ কৰিছে। সেই সোৱাদ এতিয়াও তাৰ জিভাত লাগি আছে।

— "শুন শিবু ! ৰাতিপুৱাই এটা খালাচীয়ে এখন বস্তা মূৰত লৈ চাহাবৰ মেচলৈ যোৱা দেখিছ নহয় ?"

—"সি আন্ধাৰে পোহৰে যায় !"

"সি মেছৰ বাবুচীৰ পৰা 'অংৰেজি বটল' গোটাবলৈ যায় !" — খালী বটল !

এই 'অংৰেজি বটলত' খালাচী লঙ্গৰত কুমটি বেঙেৰে পচোৰা— ঢেক ঢেকাই হাঁহি শিবু ধাছলাই ক'লে

— সেইবোৰে 'অংৰেজি বটল' হৈ ৰায়বেৰেলীৰ বজাৰত ৰম ৰম ঝম ঝম খেলা খেলে —

শিবু থিয় হ'ল। সি খুপি খুপি গৈ কেচুবাটিক ভূমুকিয়াই চালে। শুই আছে। গাখীৰৰ বটল এটা সি সেপিয়াই বিচাৰি উলিয়ালে। চাটাইৰ দুৱাৰ সি লাহেকৈ বন্ধ কৰি দিলে।

— "তোৰ তিৰোতাজনীয়ে বসন্ত বেমাৰত বোলে ছটফট্ কৰি আছে।"

লেঙেৰাই উত্তৰ নিদিলে।

— শিবু লেঙেৰাৰ কান্ধত হাত থৈ খুপি-খুপি খালাচী লঙ্গৰৰ পিনে আগুৱাই গ'ল।

বাটত সিহঁতে ডিউটি শেষ কৰি অহা দুই এটা জামাদাৰক লগ পালে। সিহঁতৰ মুখ শুকান। সিহঁতে ক'লে—

— "কি হ'ল ঔ ! আজি দেখোন লেঙেৰা আৰু বেমাৰী দুয়ো একেলগে ওলালি ?"

সিহঁতৰ অৱশ্যে-বুজিবলৈ বাকী নেথাকিল দুয়ো কোনপিনে আগবাঢ়িছে।

নদীৰ ওচৰত 'পিছ ৱাৰ্কাৰ'ৰ দুজন শ্ৰমিকে দুয়োকো লগ পাই ক'লে—

"মৰ কিয় ? ভয়ঙ্কৰ দিন আহিব লাগিছে। দুটামান পইচা সাঁচি থবলৈ শিক।"

পাইলছেৰে বন্ধা অস্থায়ী দলংৰ ওচৰত কোম্পানীৰ একাউণ্টেণ্ট কৃষ্ণস্বামীৰ সৈতে দেখা হ'ল। কৃষ্ণস্বামীৰ কপালত চন্দনৰ ৰেখা, টিকনিত ফুল, পৰিস্কাৰ ধুতি, ভৰিত কেনভাছৰ জোতা দুয়োকে দেখি কৃষ্ণস্বামীয়ে কৈ উঠিল —

"ঐ লেঙেৰা ! এই বেমাৰীটোক কলৈ নিয় ?

মনুৱেই তহঁতৰ ঠেং ভাঙি থৈছে পতিত চণ্ডালক ধৰ্ম আৰু ব্ৰতৰ উপকথা দিলেও হেনো নৰকত পচিব লাগিব। এয়া মনুৰে কোৱা কথা —"

সেই ভঙা ঠেং তহঁতৰ এতিয়াও ভঙা। পাঁচ হেজাৰ বছৰ এই ভঙা ঠেং লৈ ঘূৰি ফুৰিছ অথচ—

দুয়ো কৃষ্ণস্বামীৰ কথা বুজি নেপালে।

ক্ৰেন্সাৰ বেণ্ট পাৰ হৈ এইবাৰ দুয়ো সাই নদীৰ এনে এটা পাৰত উপস্থিত হ'ল, য'ত বন্ধ পানীৰ ডোঙা আৰু কাইটীয়া বাবুল গছৰ জোপোহাই এক ৰহস্যময় ৰূপ ধাৰণ কৰিছিল। ডোঙাত পেট্ৰল আৰু মবিল মিহলি হৈ এক অদ্ভুত ৰূপ ধাৰণ কৰিছিল। ডাউক জাতীয় দুই এটি চৰায়ে অ'ত- ত'ত ঘুমুটিয়াই ফুৰিছিল। এই পথেৰে যোৱা সেই ৰহস্যময় লঙ্গৰৰ পিনে দুয়ো আগুৱাই গ'ল —

● ● ●

নাৰায়ণীৰ প্ৰচণ্ড আৰ্তনাদত বেৰেকৰ প্ৰায় সকলোবোৰেই চমক খাই উঠিল। 'চি ক্লাছ' কোৱাৰ্টাৰলৈকে এই আৰ্তনাদ শুনা গ'ল।

এক মুহূৰ্তৰ ভিতৰতে নিম গছৰ তলত মানুহ ঠাহ খাই পৰিল। শিবু ধাছলা খাটিয়াৰ ওচৰত অচেতন হৈ পৰি আছিল।

মজিয়া বমিৰে ভাঁহি গৈছিল। আনহাতে মদৰ নিচাত লিচু উন্মত্ত হৈ আছিল যদিও, চেতনা হেৰুৱা নাছিল। নিমৰ তলত বহি সি ভোৰভোৰাই আছিল — "মই হাজাৰবাৰ মানা কৰিছিলো ! চাইকেলৰ টায়াৰটো সি চোবাই খাবলৈহে বাকী এৰিলে ।

খক্ ! ৰাক্ষস !! কয় বোলে মৰিবলৈ বেছিদিন নাই আৰু —"

কাকো ভয় নকৰে সি !

নাৰায়ণীকো ভয় নকৰে সি !!

ৰাক্ষস

হঠাৎ ভিৰ ঠেলি জবৰজং মানুহ এটা লিচু লেঙেৰাৰ ওচৰত থিয় হ'ল। হাতত লোৱা লাঠিডাল লিচু লেঙেৰাৰ মুৰৰ পিনে টোৱাই সি চিঞৰি উঠিল—

' মোক চিনি পোৱাৰ জোখেৰে হুচ আচেনে তোৰ ?"

লেঙেৰাই হাত দুখন ওপৰলৈ তুলি হুক হুকহুকাই কান্দিব ধৰিলে।

"হুচ আছে তেতিয়াহ'লে তোৰ ! লেঙেৰাৰ কাৰণে কেৱল তিনিটা চাহাবৰ পায় খানা ধোৱা কাম দিয়া হৈছিল,— তদুপৰি আজি চাহাবৰ ঘৰৰ কাষৰ নলা এটা চাফা কৰাৰ কথা আছিল। তোক কালি মেটে কোৱা নাছিল নে ?" কেম্প ছুপাৰভাইজাৰে আৰ্তনাদ কৰি উঠিল।

লেঙেৰাই ভৰিখন দেখুৱাই আকৌ এবাৰ হুক-হুকাই কান্দি উঠিল—

"খালাচী লঙৰলৈ গৈ মদ পি অহাৰ সময়ত তোৰ ভঙা ভৰিখনৰ কথা মনত নপৰিল ? বসন্তত ছটফটাই থকা ঘৈণীয়েৰাৰ কথাও মনত নপৰিল। উঠ। আহ মোৰ পিছে পিছে ।"

বিচিত্ৰ ভঙ্গী এটাৰে সি উঠিল। কোব খোৱা কুকুৰৰ দৰে সি ছুপাৰভাইজাৰৰ পিছে পিছে আগবাঢ়ি গ'ল।

চাহাব সকলৰ কোৱাৰ্টাৰৰ পাছফালে থকা লেতেৰা পানীৰ নৰ্দমাত নামি ইতিমধ্যে দুই তিনিটা জামাদাৰে নৰ্দমা পৰিষ্কাৰ কৰি আছিল। একেবাৰে ভিতৰলৈ নামি গৈ তলৰ জাবৰ-জোঁথৰ বাহিৰ কৰি খালটো আৰু দলৈ খান্দি অনাৰ প্ৰয়োজন হৈছিল।

লিচু লেঙেৰাৰ ভৰিখন একেবাৰে কাটি পেলাবলগীয়া হোৱা নাছিল সঁচা কথা, কিন্তু সেইখন নামতহে ভৰি হৈ শৰীৰৰ লগত ওলমি আছিল। অলপ পৰিশ্ৰম কৰিলে এনে ধৰণৰ এটি জিন্-জিননি সৰ্বশৰীৰত বিয়পী পৰিছিল, ভাব হৈছিল সি বাগৰি পৰিব— আৰু কোনোদিনে উঠিব নোৱাৰিব।

কেম্প ছুপাৰভাইজাৰে আঙুলি জোকাৰি কলে—"নাম নৰ্দমাত নাম বোকাবোৰ বাহিৰলৈ উলিয়াই আন— !"

সি নৰ্দমাত নামিল। কিছুসময়ৰ পাছত তাৰ সৰ্বশৰীৰ বোকাই ছানি ধৰিলে। দূৰৈৰ পৰা তাক এটা জন্তুৰ দৰে দেখা গ'ল। মদৰ নিচাত সি এক প্ৰচণ্ড উত্তেজনাৰে বোকা ঘেদালিব ধৰিলে।

নাৰায়ণীৰ চিএৰ তেতিয়াও তাঁহি আহিছিল।

—"ৰাক্ষসে মোৰ জীৱন শেষ কৰিলে ঔ— ভাইহঁত আহহঁত ঔ, ধৰ-ধৰ।"

"মৰ তই ! পোক লাগক তোৰ মুখত মৰ তই— মৰ- মৰ—"

শেষলৈ তাইৰ কণ্ঠস্বৰ এটা অদ্ভুত চিঁ-চিয়নিত পৰিণত হ'ল। তাই বুকুত চপৰিয়াই কিনাই-কিনাই কান্দিবলৈ ধৰিলে— ।

## (পাঁচ)

সাই নদীৰ পশ্চিম দিশেৰে অহা শগুণৰ জাক এটিয়ে এইবাৰ হৰিজনহঁতৰ বেৰেকৰ ওচৰলৈ আহি চিঁ-চিয়াব ধৰিলে। এইজাক শগুণে অলপতে এটি নৰদেহ ভক্ষণ কৰি আহিছিল। এই দেহটি আছিল 'পাচি' শাখাৰ বসন্তত মৰা শিবু লেঙেৰাৰ পত্নীৰ। 'পাচি' নিয়ম অনুসাৰে মহামাৰীত মৰা এই তিৰোতাজনীক মেনেজমেন্টৰ বাধা নেমানি প্ৰাচীন ৰীতিৰে সাই নদীত উটুৱাই দিছিল। কিন্তু নদীৰ কিছুমান ডাঙৰ বল্ডাৰত ঠেকা খাই মৰাশ কোম্পানীৰ গেৰেজ এটাৰ ওচৰত আহি বজি ৰৈছিল। — ইতিমধ্যে শগুণৰ ভোজ আৰম্ভ হৈছিল। নৈৰ পৰাহত মাছ সেপিয়াই যুৰা জামাদাৰৰ ল'ৰাৰ জাকটো এটা সময়ত আহি সেই ঠাইত উপস্থিত হৈছিল।

কোনোবা এটাই জগন্নাথক কৈছিল—"চা—সৌটো তোৰ মাৰৰ দেহ !!"

কিছু সময় জঠৰ হৈ সি সেই ভয়ঙ্কৰ দৃশ্য চাইছিল। তাৰ পাছত চিএৰ মাৰি সি দূৰলৈ লৰি গৈছিল।

একাউণ্টটেন্ট কৃষ্ণস্বামীয়ে সেইদিনা নিমৰ তলত বহি হৰিজন সকলক সম্বোধন কৰি কৈছিল—

"তহঁতে পুৰণা ৰীতি-নীতি এতিয়া সলনি কৰিব লগা হৈছে। কি দিছে এই ৰীতি-নীতিয়ে তহঁতক ? তহঁতে মেনেজমেন্টক এটি বাতিৰ স্কুল দাবী কৰ। —শিক্ষা আৰু সূৰ্যৰ মাজত কিবা পাৰ্থক্য আছেনে ?"

নিমৰ তলত বহি হৰিজনহঁতে কৃষ্ণস্বামীৰ কথা শুনিছিল। ঠিক একেদৰে সিহঁতৰ চামাৰ, মুচাহাৰ দুচাধ, পাচি জাতিৰ হৰিজনহঁতে বাল্মিকী মহাসভা, 'ধোবী পঞ্চায়ত'ৰ 'মানজান' আহিলে নাইবা 'জিপচ পীৰবাবাৰ' উৎসৱৰ জ্ঞানী লোকসকল আহিলে তেওঁৰ শুনিছিল। তাৰ পাছত ঘৰাঘৰি আঁতৰি গৈছিল। কথাবোৰ শীতৰ দিনৰ ৰতাহৰ দৰে

আছিল। নাইবা শিলত পৰা পানীৰ ৰেখাৰ দৰে আছিল। এক মুহূৰ্তৰ পাছত সেই ৰেখাবোৰৰ আৰু কোনো চিন-চাব নেথাকিছিল।

● ● ●

আকৌ এদিন 'লাউড স্পীকাৰ'ৰ আৱাজ শুনা গ'ল। সাইৰ বালিত কিছুমান পৰিত্যক্ত ড্ৰামৰ ওপৰত থিয় হৈ ইউনিয়নৰ সভাপতিৰ উদাত্ত কণ্ঠ শুনা গ'ল।

— লগে লগে 'ডেইলী পেইড বাৰ্কাৰ'ৰ পৰা আৰম্ভ কৰি 'পিচ-ৱাৰ্কাৰ'ৰ মজদুৰনৈকে সকলোৱে গৈ বালিত সিচঁৰিত হৈ পৰি থকা পৰিত্যক্ত ড্ৰামৰ চাৰিওফালে ভিৰ পাতিলে। এক মুহূৰ্তৰ ভিতৰত এই হৰিজনহঁতৰ লাইনো উদং হৈ পৰিল।

হৰিজনহঁতৰ কাৰণে এই সভা অৱশ্যে 'বাল্মিকী মহাসভা' নাইবা 'ধোবী পঞ্চায়ত'ৰ মানজানৰ বক্তৃতাৰ দৰে নাছিল।

ইউনিয়নৰ সভাপতিৰ উদাত্ত কণ্ঠ শুনা গ'ল। গোমতীৰ পৰা অহা ইউনিয়নৰ মানবোৰ সদস্যকো দেখা গ'ল। সিহঁত অহা জীপত ৰঙা পতাকা জিলিকি উঠিল।

পৰিত্যক্ত ড্ৰামত উঠি সভাপতিয়ে শ্ৰমিক মজদুৰক সম্বোধন কৰি ক'লে —

'ভাইসকল শুনা গৈছে অহা সপ্তাহত 'ছাৰপ্লাছৰ' লিষ্ট ওলমিব। আমাৰ ঠাইতো দুই এদিনৰ ভিতৰত নিশ্চয় এই লিষ্ট ওলমিব। মজদুৰ সকল সাজু আছে নে?"

এক অস্ফুট গুঞ্জনত সাই নদীৰ বালি মুখৰিত হৈ পৰিল।

'ডেইলী পেইড্' শ্ৰমিক এদল থিয় হ'ল। সিহঁতৰ হাতৰ ৰঙা পতাকা সাই নদীৰ বতাহত কঁপি উঠিল। ক'লে — "ধৰ্মঘটৰ ফলাফলৰ বিষয়ে তোমালোকে 'গেৰেণ্টি' দিব পাৰিবা নে?'

— দূৰৈত কলৰৱ কৰি থকা শগুণজাকৰ পাখিৰ কপ্ কপ-কলধপ শব্দ এতিয়া স্পষ্ট হৈ পৰিল।

— "কোৱা কিবা 'গেৰেণ্টি' দিব পাৰিবা নে?"

নিস্তব্ধ। সকলো যেন কিংকৰ্তব্যবিমূঢ়।

— "চোৱা আমি ডেইলী পেইড হকাৰ। আমি পেটত গাঠি দিব লাগিব। আমাৰ ল'ৰা-ছোৱালী ভোকত মৰিবলগীয়া হ'ব পাৰে — কি গেৰেণ্টি দিবা আমাক?"

জীপত বহি থকা ইউনিয়নৰ ছেক্ৰেটেৰীয়ে এইবাৰ জীপৰ পৰা নামি ভঙা ড্ৰাম এটাত জাপ মাৰি উঠিল। তাৰ কপালত এটি গভীৰ ক্ষত চিহ্ন। থুতৰিৰ তলত যত্নেৰে ৰখা দীঘল দাড়ি। চুটিকৈ কটা মূৰৰ চুলি।

আৰ্তনাদ কৰি উঠিল ইউনিয়নৰ ছেক্ৰেটেৰীয়ে।

— "ভাইহঁত' — বন্ধুহঁত। কোনে কৈছে আমি গেৰেণ্টি দিব নোৱাৰিম বুলি? আমি গেৰেণ্টি দিব পাৰিম। অনেক স্ৰোত আহিব— এই স্ৰোত আহি মহানদীত বিলীন হ'ব। — আমি গেৰেণ্টি দিব পাৰিম।"

আকৌ এবাৰ চৌদিশ নীৰৱ হৈ পৰিল। 'সাই' নদীৰ সেই মৃদু সান সন ধ্বনিত দূৰৈত জুম পাতি থকা শগুণজাকৰ পাখিৰ ধপ্ ধপ্ ধ্বনিও এই মুহূৰ্তত ক্ষীণ হৈ আহিছিল।

হঠাৎ তিনিটা ৰেইন্ডাৰ এইবাৰ থিয় হ'ল। লোহাৰ দৰে মজবুত দেহ। এটাই ক'লে —

— "আশা দিয়া মতে আমি ধৰ্মঘট কৰিম। কিন্তু ধৰ্মঘটৰ ফলাফল যদি বেয়া হয়?"

"কি হ'ব তেতিয়াহ'লে?"

উদ্ধত ৰেইন্ডাৰ এটাই আঙুলি টোৱাই চিএঞৰি উঠিল —

— "আমি তইঁতক জীয়াই জীয়াই সাই নদীৰ বালিত পুতি থম।"

## (ছয়)

ঠাকুৰ চাহাব অহাৰ পাছত বামু আৰু ৰামুৱে কোৱাৰ্টাৰৰ পাছফালৰ নিৰিবিলিত নিজৰ আড্ডা জমাই ললে। আগেযে চাহাবে গধূলি সময়ত দুই এটি বিচিত্ৰ চৰিত্ৰৰ বন্ধু-বান্ধৱৰ লগত বহি মদ খাইছিল। কিন্তু কিছুদিনৰ পৰা সেযা ব্যয়-বহুল বুলি ভাবি ঠাকুৰ চাহাবে অকলশৰেই বহি মদ খাই।

দুই সুপুত্ৰই এইখিনি সময়ত চাহাবক 'তালাপি' কৰি বৰ ভাল পাইছিল।

আজি এই সময়ত দুযো মজিয়াত বহি বোন্দা মেকুৰীৰ দৰে পৰ দি আছিল। মাজে মাজে ভজা মাছৰ টুকুৰা, বটলৰ আধা ভাগ সিহঁত দুযোৰো ভাগত পৰিছিল।

চাহাবে কাহ মৰাৰ লগে লগে সিহঁত দুয়ো পোহনীযা কুকুৰৰ দৰে তেওঁৰ ওচৰত হাজিৰ হৈছিল। সময়ে সময়ে দুযো খালাচী লঙ্গৰৰ পিনে লৰি গৈছিল। চাহাবক চৌদা, বৰফ ইত্যাদিৰ প্ৰযোজন হৈছিল। দুই তিনিটা ব্ৰান্সত চাহাবক লগ পোৱাৰ পাছত এই দুই সুপুত্ৰৰ বদ্ধমূল ধাৰণা হৈছিল যে, হেজাৰ বিপদ হ'লেও চাহাবৰ ছত্ৰ-ছাযাৰ তলত সিহঁতে আশ্ৰয় ল'ব পাৰিব।

চাহাবৰ গদ্-গদ্ কণ্ঠ শুনা গ'ল। বামু আৰু ৰামু দুয়ো হাত মোহাৰি মোহাৰি সন্মুখত থিয় হ'ল।

'ইউনিয়নৰ লগত তইঁতৰ গোপন মেল-মিটিং হৈ আছে নহয় নে বামু আৰু ৰামু?'

দুযো ইটিয়ে সিটিৰ চকুলৈ চালে।

— 'যা চুকত পেলাই থোৱা সৌটো বটল লৈ যা।'

দুয়ো বটলটোৰ ওপৰত হাামখুৰি খাই পৰিল।

'ৰবি বামু ৰামু শুন। ইউনিয়নে নিশ্চয় তইঁতক কিছুমান বিচিত্ৰ ধৰণৰ কাম দিছে।

মদৰ নিচাতেই হওক নাইবা কিবা কাৰণবশতেই হওঁক হঠাৎ চাহাবে ঢেকঢেকাই হাঁহিব ধৰিলে। এই হাঁহিয়ে সিহঁত দুযোৰে মনৰ সংশয় দূৰলৈ ওফৰাই পঠিয়ালে।

বামুয়ে নিসংশয় মনে ক'লে —

— "মেছিনাৰীৰ পুৰণা স্পেয়াৰ বিক্ৰী কৰিবৰ বাবে ইতিমধ্যে 'কোটেশ্বন' গৈছে নহয়।'

চাহাবে মূৰ দুপিয়ালে।

"পাৰ্টিবোৰ এতিয়া এটা দুটাকৈ আহিবলৈ আৰম্ভ কৰিব।"

— 'কি কৰিবি তইঁতে?'

—'সাইৰ বালিত উপস্থিত হোৱাৰ লগে লগে আমি কোবাই সিহঁতৰ মূৰ ফালিম।'

— 'বাঃ বাঃ বৰ বঢ়িয়া কাম দিছে।

— অতি উত্তম। অতি উত্তম।।'

দুয়ো এইবাৰ নিৰ্বিঘ্নে বটলটোৰ পিনে চোঁচা ললে।

ৰাতি এপৰলৈ দুয়ো চাহাবৰ ঘৰৰ বাৰাণ্ডাত পৰি থাকিল। ৰাতিৰ ডিউতি থকা সকলৰ বাহিৰে সকলোৱে নিঃপালি দি শুই পৰিল। এটা সময়ত দুয়ো থৰক্ বৰক্ খোজেৰে যাবলৈ উঠিল। নিচাত উন্মত্ত ঠাকুৰ চাহাবে এইবাৰ আঙুলি টোবাই আৰ্তনাদ কৰি উঠিল।

— 'ইউনিয়নৰ সকলোবোৰ ষড়যন্ত্ৰৰ কথা তইঁতে আমাক জনাবি মদ সদায়ে পাবি।'

● ● ●

ৰায়বেৰেলীৰ পুলিচ 'চৌকিৰ' ওচৰত আছিল শাখা প্ৰশাখাৰে ভৰপূৰ এজোপা আহত। এই আহত জোপাৰ তলত বহি ৰায়বেৰেলীৰ নেতা ৰাজনাৰায়ণে বৰ উদ্বিগ্নতাৰে ১৯৭৭ চনৰ ফলাফলৰ বাবে অপেক্ষা কৰিছিল। আজি এই ঠাইত এটা যুলাম 'ছামিয়ানা' দেখা গ'ল।

শকিলা বানু ভূপালীয়ে মন- প্ৰাণ মতলীয়া কৰা কাৱালীৰে আজি ৰায়বেৰেলীৰ ৰাতি মুখৰ কৰি তুলিব।

সাংবাদিকৰ দল, ফটোগ্ৰাফাৰৰ দল, আনকি কেতিয়াবা হিন্দী চিনেমাৰ ছুটিং হোৱা বিচিত্ৰ দল কিছুমানে সাই একুৱেডাক্টত উপস্থিত হৈছিল। সিহঁতে সাধাৰণতে জীপ আৰু ট্ৰাকত আহিছিল। শকিলা বানু ভূপালীৰ কাৱালীৰ টিকেট বিক্ৰী কৰিবলৈ এখন জীপ আহি সাইৰ বান্ধৰ কেঁচা আলিত থিয় হ'ল। মুহূৰ্তৰ ভিতৰত এক উন্মত্ত ভিৰে জীপখন বেৰি ধৰিলে। আগন্তুক বিপদৰ কথা সকলোৱে পাহৰি পেলালে। হেজাৰ টকাৰ টিকট এক মুহূৰ্তৰ ভিতৰত বিক্ৰী হৈ গ'ল। ইঞ্জিনীয়াৰৰ পৰা আৰম্ভ কৰি সাইপাৰৰ বেবেকলৈ কোনো বাদ নপৰিল।

আবেলিৰ পৰা এটা দুটাকৈ মানুহ যাবলৈ আৰম্ভ কৰিলে। চাৰিআলিৰ মূৰৰ টাঙ্গাবোৰ এখন দুখনকৈ উধাও হৈ গ'ল।

ছুইপাৰ বেৰেকৰ মানুহবোৰে আঠ অনীয়া টিকট কিনিছিল। চকীত নাইবা বেঞ্চত বহি চোৱা সিহঁতৰ আভ্যাস নাছিল।

ডিউতি শেষ হওঁতেই লাহে লাহে গধূলি হৈ আহিছিল। এখন দুখনকৈ ইঞ্জিনীয়াৰ সকলৰ গাড়ীবোৰ পাৰ হৈ যাব ধৰিলে।

ছুইপাৰহঁতৰ দল এটিয়ে অফিচৰ দুৱাৰ মুখত থিয় হ'ল। সিহঁতে লেবাৰ অফিচাৰক ক'লে —

'তহঁতে সকলোকে ৰায়বেৰেলীৰ কাৱালী চাবলৈ কোম্পানীৰ বাছ দিলি ট্ৰাক দিলি আমাক একো নিদিয? আমাৰ ল'ৰা-বুঢাহঁতে এই দহ মাইল বাট খোজ কাঢ়ি যাব লাগিব?'

'হেৰৌ কি কলি তহঁতে?'

— 'আমাক ৰায়বেৰেলীলৈ যাবলৈ বাছ লাগে।'

— চিঞৰি উঠিল লেবাৰ অফিচাৰে। 'প্ৰমোদ ভ্ৰমণৰ বাবে তহঁতক বাছ লাগে। কোম্পানীৰ বুৰঞ্জীত এনেকুৱা কথা কেতিয়াবা শুনিছিলি নে?'

— কেনেকুৱা কথা?

— পায়খানা চাফা কৰা জামাদাৰক প্ৰমোদ ভ্ৰমণৰ বাবে গাড়ী দিয়াৰ কথা।

লেবাৰ অফিচাৰৰ হুংকাৰ শুনি ওচৰে-পাজৰে বহি হিচাপ পত্ৰ লিখি থকা মুন্সী কেইটা চক্ খাই উঠিল। কিন্তু পিছ মুহূৰ্তত এটিয়ে আনটিৰ মুখলৈ চাই ঢেক্‌ঢেকাই হাঁহিব ধৰিলে।

এই হাঁহিৰ হিল্লোল বহু সময় ধৰি চলিল। এই হাঁহিয়ে এক অদৃশ্য শক্তি হৈ বেৰেকৰ দলটোক কিছু দূৰলৈ যেন হেচুকি লৈ গ'ল।

হৰিজনহঁতৰ এই দলটিত সৰহ সংখ্যক বৃদ্ধ আৰু ল'ৰা তিৰোতাহে আছিল। সিহঁতে মুখ খুলি কথা-বতৰা ক'ব নেজানিছিল। বামু আৰু বামুৰ দলটোৱে কথা ক'ব জানিছিল যদিও আজি এই মুহূৰ্তত সিহঁতে খালাচীহঁতৰ মদৰ ভাটিতহে আছিল।

এটি বৃদ্ধই থিয় হৈ ক'লে —

"আমাৰ সৰু সৰু ল'ৰা-ছোৱালী আছে — তিৰোতাও আছে — দহ বাৰ মাইল ৰাস্তা কেনেকৈ খোজ কাঢ়ি যাব?"

এটা বাক্সৰ মূৰা মুন্সীয়ে নথি-পত্ৰৰ পৰা মূৰ দাঙি ক'লে

'হেৰৌ কোনখন বাহনত উঠি তহঁত ডাঙৰ হৈছ? গোটেই জীৱন তহঁতে এই ভৰি দুখনত ভৰ দি চলা নাইনে? যা আৰ্তৰ হ।'

এটা সময়ত সাই নদীৰ বুকুত সূৰ্য অস্ত গ'ল। ৰঙা আৰু হালধীয়া ৰঙৰ ফুটুকা-

ফুটুকী পোহৰ এই মুহূৰ্ত্তত এখন ৰঙীন জাল হৈ সাই নদীৰ বুকুত উবুৰি হৈ পৰিল। দুয়ো পাৰৰ সেৰেঙা গছ-গছনিবে লঠা মুৰা যেন লগা এই নদীয়ে এক ৰহস্যময় ৰূপ ধাৰণ কৰিলে। দূৰৈৰ ওখ ওখ মাটিৰ ঢাপবোৰ উটৰ পিঠি হৈ পৰিল।

হৰিজনহঁতৰ এই দলটিয়ে 'বেৰেক'ৰ ওপৰৰ আলিৰে ৰায়বেৰেলী অভিমুখে ঢাপলি মেলিলে। ইতিমধ্যে আৰু দুটামান মজদুৰৰ দল আগবাঢ়ি আহিল। সিহঁত অধিক তজবজীয়া আছিল। এই লেৰেলা অৰ্দ্ধাহাৰী দলটোক চেৰ পেলাই সিহঁত আগুৱাই গ'ল।

ইতিমধ্যে এখন এখনকৈ ধূলি উৰুৱাই কোম্পানীৰ বাকী থকা গাড়ীবোৰ আগুৱাই যাবলৈ আৰম্ভ কৰিলে।

এটা সময়ত ৰঘুনাথপুৰৰ পৰা ৰায়বেৰেলীলৈ যোৱা এই পথ জনশূন্য হৈ পৰিল।

কোৱাৰ্টাৰৰ পাছফালৰ গেলা নৰ্দমাটোত কাম কৰাৰ পাছৰ পৰা লিচু লেঙেৰাৰ কটা ভৰিখনত এক ধৰণৰ জঠৰতা আহি পৰিছিল। আজি লেকেচিযাই খোজকঢাৰ সময়তো সি এক ধৰণৰ জঠৰতা অনুভৱ কৰিলে। কিছু সময়লৈ সি দলৰ সৈতে খোজ মিলাই আগবাঢ়ি গৈছিল। তাৰ গাত লিপিট খাই লাগি গৈছিল পুত্ৰ জগন্নাথ। কিন্তু চেগুণৰ হাবিত উপস্থিত হোৱাৰ লগে লগে হৰিজনহঁতৰ এই দলটিৰ খোজ খৰ হৈ গ'ল। পলম হোৱা মানে বহিবলৈও ঠাই নোপোৱাৰ দৰে কথা হ'ব। ছামিয়ানাৰ বাহিৰত নিয়ৰত তিতি বহিব লাগিব।

শেষলৈ লিচু লেঙেৰাই আটাহ পাৰিব ধৰিলে।

— 'লাহে লাহে যা থৰকাছুটি হেকৰাইছ কিয় ঐ!!'

শেষলৈ সি আৰ্ত্তনাদ কৰি উঠিল —

— লাহে লাহে যা — লাহে লাহে যা দেখা নাই লেঙেৰিযাই লেঙেৰিয়াই আহিছো।

শেষলৈ তাৰ ভৰিখন একেবাৰে জঠৰ হৈ পৰিল। সন্মুখলৈ আগবাঢ়ি যোৱা এইবাৰ একেবাৰে অসম্ভৱ হৈ পৰিল। এজোপা বাবুল গছৰ তলত বহি সি ফোপাবলৈ ধৰিলে। তাৰ গাত ছাঁৰ দৰে লাগি যোৱা জগন্নাথে কিছু দূৰলৈ তাক টানি নিবলৈ চেষ্টা কৰিলে। সি বিফল হৈ পৰিল।

কন্দনামুৱা হৈ সি ক'লে —

—'সৌবোৰ চব গ'ল। চব নেদেখা হৈ আহিল।'

— 'যা তই সিহঁতক লগ ধৰ। যা যা লৰ মাৰ।'

— 'তই?'

— 'মই এই বাবুল জোপাৰ তলত বহি থাকিম। তহঁত উভতি অহালৈ মই ইয়াত বহি থাকিম।'

এটা সময়ত অবশ্যে দুয়ো ছাইট অভিমুখে এখোজ দুখোজকৈ আগবাঢ়ি গ'ল।

● ● ●

# (সাত)

অক্টোবৰ মাহৰ পহিলা তাৰিখ। এটা ভয়ঙ্কৰ দিন আৰম্ভ হ'ল। 'ছাৰপ্লাছ' শ্ৰমিকৰ তালিকা এখন অফিচ ৰুমৰ বেৰত মাৰি দিয়া হ'ল।

দুদিনৰ আগৰ পৰাই 'ৱাৰ্ক টু ৰুল' আৰম্ভ হৈছিল। এই মুহূৰ্তত ভেনা মাখিৰ দৰে শ্ৰমিক মজদুৰৰ দল এটিয়ে এই লিষ্টখনৰ চাৰিওফালে জুম বান্ধিলে।

'ক্ৰেইন অপাৰেটৰ', মেশ্বন', 'ৰায়াৰ মেন', 'হেল্‌পাৰ'হঁতৰ কাম গ'ল।

যিটি দলৰ কাম গ'ল, সিহঁত সাজু হৈ আছিল যদিও — এই মুহূৰ্তত সকলো যেন কিংকৰ্তব্যবিমূঢ। অসহায়। সাইৰ বালি অভিমুখে যোৱা সমদলটিৰ লগত সিহঁতো আগবাঢ়ি গ'ল

সাইৰ বালিৰ ভঙা ড্ৰামৰ ওপৰত উঠি জইণ্ট ছেক্ৰেটেৰীযে বালিতে গোট খোৱা মজদুৰক সম্বোধন কৰি ক'লে —

'ভাইহঁত সাজু আছা নে?'

জমা হোৱা মজদুৰহঁতে আৰ্তনাদ কৰি উঠিল —

'মজদুৰ ইউনিয়ন' জিন্দাবাদ।'

এইবাৰ সভাপতিৰ কণ্ঠ শুনা গ'ল —

'আমি শান্তিপূৰ্ণ ভাবে ধৰ্মঘট আৰম্ভ কৰিম। সকলোৰে আত্মত্যাগৰ দ্বাৰাহে আমাৰ সৎ উদ্দেশ্য ফলৱতী হ'ব।"

আকৌ এবাৰ প্ৰতিধ্বনিত হ'ল —

"মজদুৰ ইউনিয়ন জিন্দাবাদ!"

সভাপতিয়ে ক'লে —

"আমি মুখ্যমন্ত্ৰী মহোদয়, জিলা অধিপতি, চীফ ইঞ্জিনীয়াৰক দিবলৈ 'নোটিচ'ৰ খচৰা তৈয়াৰ কৰি উলিয়াইছো। এই খচৰা আপোনালোকে শুনিব খুজিছে নেকি?

শ্ৰমিকসকলৰ মাজত গুণগুণনি উঠিল — "শুনিম।"

সভাপতিয়ে বুজাই ক'লে —

ৰায়বেৰেলী জিলাৰ ডানকান কনষ্ট্ৰাকচন কোম্পানীৰ হৈ সাই একুৱেডাকটত কাম কৰা ষ্টাফ আৰু শ্ৰমিকসকলে ১৯৭৬ চনৰ এপ্ৰিল মাহৰ পৰা ছিকিউৰিটি অৱ্ ছাৰ্ভিচৰ বাবে যুদ্ধ কৰি আহিছে। আমাৰ অনেক প্ৰতিনিধিয়ে ইতিমধ্যে কেন্দ্ৰীয় আৰু ৰাজ্যৰ মুখ্যমন্ত্ৰীৰ লগত সাক্ষাত কৰি আহিছে। এই সকলো প্ৰচেষ্টা খোলাকটিৰ তাল হৈ পৰিল। ইতিমধ্যে চৰকাৰ সলনি হ'ল। আমাৰ অৰ্দ্ধাহাৰী শ্ৰমিকসকলে আশাৰ ৰেঙনি দেখা পালে।

আমি ছয়মাহ অপেক্ষা কৰিলো। কেন্দ্ৰীয় লেবাৰ মিনিষ্টাৰ, ষ্টেটৰ মিনিষ্টাৰ, লেবাৰ কমিছনাৰ, এচিছটেণ্ট লেবাৰ কমিছনাৰ, চেণ্টাৰ আৰু ষ্টেটৰ মিনিষ্টাৰ সকলৰ সচিব সকলৰ ওচৰলৈ আমাৰ প্ৰতিনিধি সকলে বহুবাৰ অহা-যোৱা কৰিলে। সকলোবে ভৰিৰ জোতা ক্ষয় গ'ল। ডানকান কোম্পানীৰ কৰ্তৃপক্ষই ছাৰপ্লাছ ষ্টাফৰ তালিকা তৈয়াৰ কৰি উলিয়ালে। ডেইলী পেইড বাৰ্কাৰৰ মুৰত কুঠাৰাঘাত পৰিল। মৌখিক ভাবে লোকেল ইউনিয়নৰ সৈতে লোকেল মেনজমেণ্টৰ যি বুজা পৰা হৈছিল, — সেই বুজা-পৰাক মেনেজমেণ্টে ওফৰাই পেলালে। মেনেজমেণ্টে বিশ্বাসঘাতকতা কৰিলে। গতিকে কোনো পিনে উপায় নেদেখি একুৰেডাক্টৰ শ্ৰমিক মজদুৰে অনিৰ্দিষ্ট কাললৈ ধৰ্মঘট কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। — এই ধৰ্মঘট অহা কুৰি তাৰিখৰ পৰা আৰম্ভ হৈ উচিত মীমাংসা নোহোৱা পৰ্যন্ত চলি থাকিব।

খচৰা পঢ়া শেষ হ'ল।

মজদুৰৰ দল কিংকৰ্তব্যবিমূঢ়। আশা-নিৰাশাৰ এক দোদুল্যমান অৱস্থাই সিহঁতৰ মন চঞ্চল কৰি তুলিলে।

সভাপতিৰ কণ্ঠ আকৌ শুনা গ'ল।

— "আজি আমি এসপ্তাহৰ নোটিচ দিম। তাৰ পাছত আমি এই ধৰ্মৰ যুদ্ধত নামিম - জয় শ্ৰমিক মজদুৰৰ জয়!"

শ্ৰমিক মজদুৰৰ কণ্ঠত প্ৰতিধ্বনিত হ'ল।

"জয় শ্ৰমিক মজদুৰৰ জয়!"

এটা-দুটাকৈ শ্ৰমিকসকলে নিজৰ বেৰেকলৈ যাবলৈ আৰম্ভ কৰিলে। ব্যস্ত 'বাৰ্ক ছাইট' এই মুহূৰ্তত মৰিশালি হৈ পৰিল।

নাৰায়ণীয়ে শিবু থাছলাক এই সভা হোৱা ঠাইলৈ লৈ গৈছিল। ক্ৰেইনৰ খুলি থোৱা চক্ৰাকাৰ 'গীয়েৰ' এটাত বহি দুয়ো সভাপতিৰ ভাষণ শুনি আছিল। শিবু থাছলাৰ অৱস্থা নৈৰ পাৰৰ লেহেকা গছৰ দৰে আছিল যদিও, এই মুহূৰ্তত তাৰ দৃষ্টি উজ্জ্বল হৈ উঠিছিল।

সি নাৰায়ণীক ক'লে —

"এইবাৰ বতাহ ওভতা পিনে বলিছে — এইবাৰ আমি ডলাৰ বগৰি হৈ চলিওকালে আৰু ঘুমুটিয়াই কুৰিব নেলাগে। এই ব্ৰাঞ্চৰ পৰা আমি কোম্পানীৰ গাড়ীত উঠি আন এটা ব্ৰাঞ্চলৈ যাম। আমাৰ 'চাটাই' নহয়। আমি 'পাৰমেনাণ্ট' হম।"

নাৰায়ণীয়ে একো নকলে।

শিবু থাছলাৰ লগত বিয়া হোৱাৰ পাছত মাত্ৰ দুটা ব্ৰাঞ্চ তাই বগৰি আহিছে। চাবেংবেলা অৰ্থাৎ প্ৰথম ব্ৰাঞ্চটোত ছমাহ কাম কৰাৰ পাছত আনবোৰৰ লগত শিবু থাছলায়ো কাম গৈছিল। এটা বছৰ এক অৱৰ্ণনীয় কষ্টত জীৱন অতিবাহিত হৈছিল। তোজ নামৰ

চহৰত সিহঁতে কাম বিচাৰি ঘূৰ্মুটিয়াই ফুৰিছিল।

চিকাৰী কুকুৰৰ দৰে সেই নগৰতে কাম কৰা জামাদাৰহঁতে সিহঁতক খেদি পঠিয়াইছিল। অৱশেষত শিবু ধাছলাই 'মেন হোল' পৰিষ্কাৰ কৰা জামাদাৰ এটাৰ সহায়ক হৈ কিছুদিন কাম কৰিছিল। তাৰ বাবে সেয়া এক অনন্য অভিজ্ঞতা আছিল। 'মেন হোলৰ' মুখ খোলাৰ লগে লগে বিয়পি পৰিছিল সেই দুৰ্গন্ধ। গেৰেকানিত লেটি-পেটি হৈ যেতিয়া সি 'মেন হোলৰ' পৰা বাহিৰলৈ ওলাই আহিছিল, — তেতিয়া সি যেন এক বিচিত্ৰ 'জানোৱাৰ'লৈ ৰূপান্তৰ হৈছিল। অনেক সময় সি এটি জানোৱাৰৰ দৰেই আঁঠুকাঢ়ি বহি থাকিবলগীয়া হৈছিল। কাৰণ সি চকু মেলিব পৰা নাছিল।

সেই সময়ত সি এটা বেমাৰী মানুহৰো তেজ-পূঁজৰ কাপোৰ ধুইছিল। এই মানুহটোৱে এটা তিনতলীয়া 'বৰসাতীত' বাস কৰিছিল। বেচেৰাৰ বেয়া বেমাৰ থকাৰ বাবে সকলোৱে পৰিত্যাগ কৰিছিল। ৰুগীয়া মানুহৰ ক্ষুধা আৰু ৰাক্ষসৰ ক্ষুধা হেনো একেই হাতত পইচা-কড়িও তেনেদৰে নাছিল। এক অনন্য দৃষ্টিৰে মানুহটোৱে শিবু ধাছলাৰ মুখৰ পিনে চাইছিল। (এই ৰুগীয়া মানুহটোৰ এই দৃষ্টি শিবু ধাছলাই জীৱনৰ শেষ দিনলৈকে পাহৰা নাছিল।)

"মোৰ ঘৰত ৰুটী আছে — আনি দিম?"

নিৰুত্তৰ।

"কোনেও নেদেখাকৈ আনি দিম।"

"হৰিজন! পায়খানা চাফ কৰা হৰিজন।"

শিবু ধাছলাই মূৰ দুপিয়াইছিল।

ৰোগীয়ে কৈছিল —

—'মই ব্ৰাহ্মণ।'

দুয়ো আকৌ নিৰুত্তৰ। তেতিয়া শিবু ধাছলাৰ স্বাস্থ্য ভাল আছিল। তজবজীয়া ডেকা আছিল। ৰোগীৰ উত্তৰলৈ অপেক্ষা নকৰি সি ঘৰলৈ লৰ মাৰিছিল।

নাৰায়ণীৰ ভাগৰ ৰুটীৰ টোপোলা আনি সি মৃত্যুৰ দুৱাৰ মুখত থিয় হৈ থকা ব্ৰাহ্মণৰ ওচৰ চাপিল।

বৰ আগ্ৰহেৰে ব্ৰাহ্মণ ৰোগীয়ে ৰুটী খাই শেষ কৰিলে। তাৰ পাছত কিবা এটা ক'ব খুজিলে — মুখৰ ভিতৰত ভোৰ-ভোৰণিৰ শব্দ হ'ল। কিন্তু বেচেৰাই কোনো কথা উচ্চাৰণ নকৰিলে —

তেওঁ নিশ্চয় ক'ব খুজিছিল —

— "শিবু মই তোৰ ঘৰৰ ৰুটী খালো এই কথা যেন আৰু কোনেও নেজানে নে কিবা আশীৰ্বাদেই দিছিল। নাই — এবেলা জনা নেযায়।"

এমাহৰ পাছত মানুহটো মৰিল। মৰাৰ আগেয়ে বেচেৰাই এযোৰ কোট পেন্টলুন,

এটা লেম্প, এযোৰ কেনভাছৰ জোতা আৰু এটা শতছিন্ন ছাতি শিবুক দিছিল। দুখীয়া মানুহ আছিল। একপ্ৰকাৰ নিৰাশ্ৰয়ৰ দৰে আছিল। বস্তু কেইপদ শিবুক দি সি ফুচ-ফুচাই কৈছিল —

"এই বস্তু কেইপদ মনে মনে লুকাই থবি। নহ'লে 'ভেডলীয়া' জামাদাৰ কেইটাই একেবাৰে শগুণ হৈ তোৰ মূৰৰ ওপৰত পৰিব।"

মানুহটো মৰাৰ লগে লগে সিহঁত শগুণ হোৱা নাছিল — একোটা কুকুৰ নেচীয়ালৈ ৰূপান্তৰিত হৈছিল—। মানুহটোৰ খাটিয়াখন লৈ সিহঁতৰ মাজত খোৱা-কামোৰা লাগিছিল, — আনকি মৰাশই পিন্ধি থকা ধুতি-কামিজ যোৰৰ বাবে সিহঁতে দবৰা-দবৰি লগাইছিল। যেন এটাই আনটোক চোবাই খাব।

কোনোবাই বোধহয় খবৰ দিছিল। দুটা জামাদাৰ আহি তাৰ ঝুপুৰীটো তচনচ কৰি পেলালে—

"আন— বুঢ়াৰ কোট-পেণ্টলুন, কেনভাছৰ জোতা — একো নেথাকিল।

বুঢ়া মৰাৰ পাছত আকৌ সি কিছুদিন কাম বিচাৰি ঘূৰ্মুটিয়াই ফুৰিছিল। 'মেনহোল' পৰিষ্কাৰ কৰা কামটোও স্থায়ী নাছিল। নাৰায়ণীয়েও কাম বিচাৰি ঘূৰ্মুটিয়াই ফুৰিছিল। অস্পৃশ্য আছিল বাবে 'আখলৰ' কামৰ বাবে কোনেও সিহঁতক নিয়োগ নকৰিছিল। এবাৰ সিহঁতে পূব পিনে যোৱাৰ কথাও ভাবিছিল, — শুনিছিল পূবফালে স্পৃশ্য-অস্পৃশ্যৰ ভেদাভেদ হেনো কমি আহিছে। 'আখলৰ' কামৰ কাৰণেও মানুহে হেনো হৰিজন নিয়োগ কৰিব ধৰিছে।

পূবফালে সিহঁতৰ যোৱা নহ'ল। অভাৱত পৰি পৰিত্যক্ত বুঢ়াৰ তেজ-পূঁজৰ কাপোৰ সি ধুইছিল। এই কাৰ্যৰ ফলাফলে এক মাৰাত্মক ৰূপ ধাৰণ কৰিলে ; এমাহ জ্বৰ ভোগাৰ পাছত সি গম পালে — বুঢ়াই যি বেমাৰত ভুগিছিল — এতিয়া সিও একেই বেমাৰ ভোগ কৰিব লাগিব।

ইয়াৰ পাছৰ কাহিনী এক নিৰ্মম যন্ত্ৰণা আৰু পৰীক্ষাৰ কাহিনী আছিল। কেনেকৈ সি যন্ত্ৰণাৰ ভয়ানক হাতোৰাৰ পৰা বাচি আহিল। সেই কাহিনীও আশ্চৰ্যজনক। 'ডানকান' কন্ট্ৰাক্টৰত কাম পোৱাৰ আগলৈ — অৰ্থ কষ্টত পৰি সি একপ্ৰকাৰ মৃত্যুৰ লগত যুঁজিছিল। এই উত্তৰ প্ৰদেশৰ বায়ৰেৰেলীৰ এমপ্লয়মেণ্ট এক্সচেঞ্জৰ সন্মুখৰ চেগুণজোপাৰ তলত কেইবাদিনো শস্তু পাহোৱানৰ এই দলে প্ৰচণ্ড ৰ'দৰ চোক সহ্য কৰি অপেক্ষা কৰিছিল। ৰ'দ-বতাহত শিবু ধাঙলাৰ বেমাৰী শৰীৰে নৰকঙ্কালৰ ৰূপ ধাৰণ কৰিছিল। সি বেমাৰত পৰাৰ আগেয়ে নাৰায়ণী অন্তঃসত্ত্বা হৈছিল। সিহঁত দুয়ো অৱশ্যে এই সন্তানটি নেবাচিব বুলিয়েই ভাবিছিল। বায়ৰেৰেলীৰ কৈপাৰ গঞ্জৰ ৰাণী কৈথোলাৰ 'খণ্ডহৰ' ত্ৰে পৰা 'বাটঘৰ' এটাত এই হৰিজনহঁতৰ পাটিটোৱে এমপ্লয়মেণ্ট এক্সচেঞ্জৰ কাৰ্ড নোহোৱালৈ বাট চাইছিল।

পেটৰ ভোকৰ তাড়নাত সিহঁতে জাহানবাদৰ ভগ্নস্তূপৰে ভৰা পুখুৰীৰ পাৰৰ শাক, লতা সংগ্ৰহ কৰিছিল। অখাদ্য খাইছিল। লাজ ঢাকিবলৈ এটুকুৰা কাপোৰৰ বাবে হাহাকাৰ কৰি ফুৰিছিল। এমপ্লয়মেণ্ট একচেঞ্জৰ অফিচৰ দুৱাৰ মুখত বহি থকা সময়ত নাৰায়ণীয়ে দুটামান উঠি অহা ল'ৰাক দেখা পাইছিল। এটাই মুখ ওলোমাই চেগুণৰ তলত বহি আছিল। তাৰ ভৰিৰ কেনভাছৰ জোতা ধূলিৰে ধুসৰিত হৈছিল। ছাৰ্টৰ পকেটৰ এৰখলা ফাটি গৈছিল। শিবু ধাছলাই কৈছিল —

— "সৌটো দেখিছ নহয়। আমাৰ দৰে অস্পৃশ্য হৈ জন্মও লোৱা নাই, অথচ আমাৰ দৰে ৰ'দৰ চোক পিঠিত লৈ সদায়ে ইয়াত আহি বহি আছে— কামৰ আশাত?"

"সিহঁতে পঢ়া-শুনা কৰা নাই?"

"কিয় নকৰিব? সিহঁতৰ পকেটত বহুত প্ৰমাণপত্ৰ আছে।"

"তেতিয়াহ'লে এই ৰ'দত মুখ ওলোমাই বহি আছে কিয়?"

"বুৰ্বক। আজিকালি লাখ লাখ ল'ৰাই পকেটত প্ৰমাণ পত্ৰ লৈ ঘূৰি ফুৰিছে।"

নাৰায়ণীয়ে এটা শীতল হুমুনিয়াহ কাঢ়ি কোলাত লৈ থকা কেঁচুৱাটিক সাৱটি ধৰিছিল। আহ! কেনে ধৰণৰ দিন-কাল আহিছে এইবোৰ?

● ● ●

মেটৰ হুইছেলত দুয়োৰে চমক ভাঙিল।

"ঐ ধাছলাৰ বাচ্চা ধৰ্মঘট আজিৰ পৰা আৰম্ভ হোৱা বুলি ভাবিছ নেকি?"

নাৰায়ণীয়ে কোবাকুবিকৈ উঠি যাব খোজোতে মেটে ক'লে —

"শুন নাৰায়ণী। আজি তোৰ ডিউতি পশ্চিমৰ লাইনত পৰিছে। নৰ্দমাত নামিব লাগিব।!"

শিবু ধাছলাই ক'লে —

"তাই নৰ্দমা পৰিষ্কাৰ কৰোতে আনবোৰ ছুইপাৰৰ দৰে এযোৰ গামবুট পিন্ধি ল'ব পাৰিব নে ভাই? তাই ষ্টোৰত জমা দিব কিন্তু?"

মেটে অৱশ্যে তাৰ কথা শুনিবলৈ তাত অপেক্ষা কৰি থকা নাছিল। দুয়ো ছাইট অভিমুখে খোজ পেলালে।

লিচু লেঙেৰাই ডিউতিত যাবলৈ খেবো-গেথো কৰি আছিল। নাৰায়ণীয়ে ডিউতিলৈ যোৱাৰ লগে লগে শিবু ধাছলাৰ ওচৰত আড্ডা দিয়াৰ ইচ্ছা হ'ল। পুতেক জগন্নাথক সি ওচৰৰ ভেটা গাঁৱলৈ পঠিয়াইছিল। খেতিৰ সময় কিজানি সি লাচনি-পাচনি কিবা কৰিব পাৰেই। লিচু লেঙেৰাৰ দৃঢ় বিশ্বাস আৰু সাতটা বছৰ টানি-মুচি চলিব পাৰিলে তাৰ আৰু চিন্তা নাই। জগন্নাথে কোম্পানীত কাম কৰিব পৰা হ'ব।

এটা সময়ত সি শিবু ধাছলাৰ ওচৰত গৈ বহিল।

শিবু ধাছলাই ক'লে —

"মোৰ দৃঢ় বিশ্বাস আমি ভাল দিন দেখা পাম আমি 'পাৰমেনাণ্ট' হ'ম।"

"হয় হয় আমাৰ 'চাটাই' নহয়। আমি 'পাৰমেনাণ্ট হ'ম।"

দুয়ো সুহুৰি বজাই গীত গাবলৈ চেষ্টা কৰিলে।

হঠাৎ লিচু লেঙেৰা উঠিল। বিচিত্ৰ ভঙ্গী এটাৰে সি কাঁইটীয়া গাবুল গছৰ জোপোহা এটাৰপৰা এটা লেতেৰা বটল উলিয়াই আনিলে।

"ক'ত পালি?"

"ঠাকুৰ চাহাবে পেলাব দিয়া জাবৰ-জোথৰৰ লগত এইটো বটলো আছিল। বেচেৰাক 'অংৰেজি' মদে আমুৰাইছিল।"

শিবু ধাছলাই বটলটো সুঙি চাই ক'লে —

"আহ 'পেটাৰ স্কটছ'ৰ (পিটাৰ স্কচ) বটলত দেশী 'থাৰা' বাঃ কেনে সুন্দৰ।"

লিচু লেঙেৰাই ক'লে —

"হেৰৌ বেমাৰী। তই নাৰায়ণীৰ ভৰিত পৰি শপত খোৱা নাছিলি নে মদ আৰু নোছোওঁ বুলি।" ধাছলাই বুকু ফিন্দাই ক'লে —

"মই তিৰোতাক ভয় কৰি থকা ডেকা বুলি ভাব নেকি?"

"শুন তাই অহাৰ আগেযে মই কিন্তু উঠি যাম।"

"বটলটো মোক দি তই এতিয়াও উঠি যাব পাৰ।"

"বাঃ বেমাৰী বান্দৰ। মোৰ জনীও একে আছিল। আজিকালি পঢ়া-শুনা কৰা মেমহঁতে চাহাবৰ লগত বহি একেলগে পিয়ে: সেইদিনা 'অফিচাৰৰ ক্লাবত' মই চাহাব মেমৰ বমি এই দুই হাতেৰে চাফ কৰি আহিছো।"

"চব মেম একে নহয়। ঠাকুৰ চাহাবৰ মৈণীয়েকক দেখা নাই পূজা-পাতি লৈ ব্যস্ত থাকে, সেইদিনা খঙৰ ভমকত তিনটা 'অংৰেজি বটল' মেম চাহাবে মজিয়াত আফলিযাই ভাঙি পেলাইছিল।"

"শুন মই কোম্পানীৰ ভদ্ৰাচল ব্ৰাঞ্চত থাকোতে জগন্নাথৰ মাক নতুন। পেটত জগন্নাথ আমি 'ডেইলী পেইড'হঁতে ৰাতি খালাচী লঙ্গৰত বহি 'ফুৰ্ত্তি' কৰো। দোভাগ ৰাতিলৈ বেচেৰীয়ে মজিয়াত বহি অপেক্ষা কৰে। এদিন চুলি মেলি বহি থাকোতে পগলা কুকুৰে নে শিয়ালে কিহবাই কামুৰি তপিন্দাৰ একখলা একবাই লৈ গ'ল। তাই মস্ত্ৰ মূৰ্ত্তি ধৰি খালাচী লঙ্গৰত উপস্থিত হ'ল। আমাৰ আগত পাৰী পাতি থোৱা বটলবোৰ তাই আফলিয়াব ধৰিলে। খালাচীহঁত উফৰি পৰিল। আহ কি সাংঘাতিক দৃশ্য!!

বেচেৰীক গোটেই জীৱন কষ্ট দিলো। এতিয়া স্বৰ্গত শান্তিৰে আছে!"

শিবু ধাছলাই ক'লে —।

দুয়ো দুটা শিয়াল হৈ পৰিল। বটলটো লৈ দুয়োৰে মাজত যেন খোৱা-কামোৰাহে লাগি পৰিল।

লেঙেৰাই গুণগুণাই পাঞ্জাবী খালাচীহঁতৰ সেই প্ৰিয় গীতটি গাব ধৰিলে চিএৰি চিএৰি সুৰ লগাই সি সেই গীত গালে – গীতটিৰ অৰ্থ আছিল –- "হি সকলে জীৱনত আফিং আৰু মদিৰা পান কৰা নাই তেওঁলোক সাত পুৰুষৰ সৈতে নৰকলৈ যাব।"

দুয়ো এইবাৰ দাৰ্শনিক হৈ পৰিল।

কেঁচুৱা ল'ৰা-ছোৱালীৰ দৰে এবাৰ হাওঁ হাওঁকৈ কান্দিব ধৰিলে। দুই-এবাৰ ক'লে –

'মই নাৰায়ণীক একো দিব নোৱাৰিলো। মই মৰিম। মাৰ লিচু লেঙেৰা, মোৰ মুখত জোতা মাৰ।"

হঠাৎ দুয়ো মূৰ তলি চালে। দুয়োৰে পেটত হাত-ভৰি লুকাল। দুৱাৰ মুখত বৈ আছে থুলন্তৰ বপুৰ কেম্প-ছুপাৰভাইজাৰ। ডিউতি নকৰি পলাই ফুৰা ছুইপাৰৰ সাক্ষাত যম হৈ দুৱাৰ মুখত থিয় হৈ আছে।

● ● ●

নিমৰ তলত থিয় হৈ এদিন শম্ভু পাছোৱানে ছুইপাৰ সকলক নিজৰ ওচৰলৈ মাতিলে। ল'ৰা ছোৱালী মিলি প্ৰায় দুকুৰিমান ছুইপাৰে তাক ঘেৰি ধৰিলে।

শম্ভু পাছোৱানে ক'লে ---

"ধৰ্মঘটৰ বাবে আৰু মাত্ৰ সাতটা দিন বাকী আছে। মোৰ হাতত এটা টিং থাকিব। তহঁতে এই সাতদিনৰ মজুৰিৰ সমানে আধা ভাগ এই টিংটিত জমা থব লাগিব। এই কেইদিন কটী নিমখ খাবি— মোৰ এই টিংটি কিন্তু ভৰিব লাগিব। যিবোৰে এই টিংটোত দক্ষিণা আগবঢাব সেইবোৰহে 'চাটাই' (কাম যোৱাৰ পাছত) মোৰ পিছে-পিছে আহিব পাৰিব।"

উদণ্ড ডেকাৰ দলটোৱে অৱশেষ শম্ভু পাছোনৰ কথা শেষ হোৱালৈ বৈ থকা নাছিল। আকৌ শম্ভু পাছোৱানৰ গদ গদ কণ্ঠ শুনা গ'ল।

— "শুন কাইলৈ গধূলিৰ পৰা এই টিং লৈ মই এই ড্ৰামৰ ওচৰত থিয় হ'ম। তহঁতে পইচা জমা কৰিবি। কাম দিয়া দফ্তৰত খবৰ লৈ আহিছো। সিহঁতে সম্ভৱ আৰু ছয় মাহলৈ আমাক কোনো কামৰ খবৰ দিব নোৱাৰিব। ছয়মাহ কি কৰিবি তহঁতে?"

পাঁচজনী গাভৰু ছোৱালীৰ পিতাক ভৃগু জামাদাৰে পিচা বাৰ্কাৰৰ লগত কিছুদিন মাটি খন্দা কাম কৰিছিল। সি আগবাঢ়ি আহিল — আৰু টিংটোত এটা নগদ টকা দিলে। — ভৃগুক দেখি আৰু দুটামান আগবাঢ়ি আহি পকেটৰপৰা সিকি-আধলি উলিয়াই দিব ধৰিলে।

এটা সময়ত মেল ভাঙিল। শম্ভু পাছোৱানে টিংটো লৈ ঘৰমুৱা হ'ল।

নাৰায়ণীৰ বদ্ধমূল ধাৰণা আছিল এই ধৰ্মঘট হ'ব নোৱাৰে। আনবোৰ শ্ৰমিক মজদুৰৰ দৰে সিহঁতেও এটা ব্ৰাঞ্চৰ পৰা আন এটা ব্ৰাঞ্চলৈ যাব। এনেদৰে বছৰ বাগৰি যাব আৰু এদিন নতুন সূৰ্য উদয় হ'ব। আনবোৰ শ্ৰমিকৰ দৰে এদিন সিহঁতো 'পাৰমেনান্ট' হৈ পৰিব।

কিন্তু শম্ভু পাছোৱানৰ মুখৰ ভাব আৰু চাৰিওফালে বিৰাজ কৰা এক নীৰৱতাই তাইৰ বুকুত এক ভয়ঙ্কৰ ভাৱৰ জন্ম দিলে। দুবছৰ আগেয়ে মুখা-মুখি হোৱা সেই অভিশপ্ত দিনবোৰৰ লগত তেতিয়াহ'লে তাই আকৌ এবাৰ মুখামুখি হ'ব লাগিব। নাই নাই নাৰায়ণীয়ে আৰু বেছি ভাবিব নোৱাৰিলে। এক [illegible] ভাবে তাইৰ বুকুখন দুফাল কৰি যেন বাহিৰলৈ ওলাই অহাৰ চেষ্টাহে কৰিলে।

আবেলি ডিউতি দিয়াৰ পাছত নদীলৈ গৈ গা ধুই অহাটো নাৰায়ণীৰ এটি পুৰণি অভ্যাস। আজি নদীলৈ যোৱাৰ পথত তাই ৰঙা পতাকাধাৰী কেইবাটাও দলক লগ পালে।

কোনো পিনে ভ্ৰূক্ষেপ নকৰাকৈ তাই আগুৱাই গ'ল।

কাপোৰ-কানি সামৰি থৈ এটা সময়ত তাই পানীত নামিল। এইখিনি সময়তে তাইৰ মনত অনেক কল্পনাই লুকা-ভাকু কৰিছিল। শিবু ধাছলাৰ সৈতে বিয়া হোৱাৰ আগেয়ে তাই সাধু কথাত শুনাৰ দৰে কল্পনা কৰিছিল। ৰাজকুমাৰৰ দৰে কোনো এক ধনাঢ্য ব্যক্তি আহি তাইক উদ্ধাৰ কৰিব। অস্পৃতাৰ পৰা তাইক উদ্ধাৰ কৰিব চিনেমাত দেখা অভিনেত্ৰী সকলৰ দৰে তাই সেই ধনাঢ্য যুৱকৰ সৈতে এখন সোণালী দুৱাৰেদি সোমাই যাব। সোণালী দুৱাৰ?

শিবু ধাছলাৰ লগত বিয়া হৈ যোৱাৰ আগেয়ে এবাৰ চাবেংখেৰাত তাই এই সোণালী দুৱাৰৰ মৰীচিকা দেখা পাইছিল। আবেলি সময়ত সেইদিনাও তাই গা ধুব গৈছিল। পানীত নমাৰ পাছত তাই লক্ষ্য কৰিছিল দূৰৈৰ চাবেংখেৰাৰ আধা সজা দলঙৰ বুকুত সূৰ্য অস্ত গৈছে। সোণালী আৰু ৰঙা আভাই এই আধা সজা দলঙখনি সৰগলৈ যোৱা এটি খট্‌খটিলৈ ৰূপান্তৰ কৰিছে।

ঠিক এনে এটা সময়তে কাঁইটীয়া বাবুল গছৰ জোপোহা এটি কঁপি উঠিল। লগে লগে বালিৰ বুকুত খেলি থকা দুটা বগলী যেন দূৰলৈ উৰুৰিহে পৰিল।

"কোন?"

"ভয় নাই — ভয় নাই যোৱা আৰু দূৰলৈ যোৱা সৌ একেকাল পানীত নামা। মই কিছুমান ফটো লওঁ!"

কাঁইটীয়া বাবুল গছৰ জোপোহাৰ মাজৰ পৰা ওলাই আহিল এটি পুৰুষ মূৰ্তি। মূৰত টুপী। কান্ধত কেমেৰা। তেনেই কোমল বয়সীয়া ইঞ্জিনীয়াৰ। কোম্পানীৰ এয়ে চাগৈ প্ৰথম ব্ৰাঞ্চ।

— "চাওঁ গাৰ কাপোৰ তেনেকৈ থাকিব দিয়া। অলপো লৰচৰ নকৰিবা এয়া ক্লিক্ ক্লিক্ — ক্লিক্ বিউটি ফুল!"

আহ কি এক উত্তেজনা এয়া? তাই পানীৰ পৰা উঠি আহিব পৰা নাছিল।

চাহাবে হাত এখন আগবঢ়াই দি কৈছিল — আহা আগবাঢ়ি আহা মোৰ হাতত ধৰা (হয় হয় এয়ে সেই ৰাজকুমাৰেই আহিল। ভয় জুপুৰীৰ পৰা ৰাজমহললৈ; — দুৱাৰৰ পৰা পোহৰলৈ যোৱাৰ সপোন আহিল এয়া।)

বেৰেকলৈ উভতি গৈ এখন শাৰীকে তাই কেইবাবাৰো পিন্ধি চাইছিল। অনেক ধৰণে তাই চুলিকোছা মোকলাই চাইছিল। মানুহে কবলৈ আৰম্ভ কৰিছিল তাই এতিয়া আধা মেল খোৱা গোলাপ ফুলৰ কলিলৈ ৰূপান্তৰ হৈছে। তাইৰ চিকুণ চুলিত মৰুভূমিৰ বুকুত জিৰণি লোৱা উটৰ ছাঁ আৰু তাইৰ নাকৰ আকৃতি গার্ডাৰৰ কোণত লগোৱা ত্রিভুজ আকাৰৰ এখনি সুন্দৰ চাটাৰিং প্লেটৰ দৰেই

আহ আৰু তাইৰ ওঠ? জোনৰ পোহৰ পৰি তিৰ্‌বিৰাই থকা শেলুৱৈ কোনোবাই দেখিছে নে? কাঁইটীয়া বাবুল গছৰ জোপোহাৰ আঁৰত সদায় এটা সময়ত ছান্ কেপ আৰু কেমেৰা কান্ধত লৈ অহা চাহাবক দেখা গ'ল।

সম্বন্ধ ঘটিল।

কাঁইটীয়া বাবুল গছৰ জোপোহাৰ ওচৰলৈ এদিন চাহাবে তাঁইক মাতি নিলে।

— বাবুলৰ কাঁইটে ক্ষত-বিক্ষত কৰি পেলালে দুয়োৰে দেহ। সেইপিনে দুয়োৰো ভ্ৰূক্ষেপ নাই। হঠাৎ কি হ'ল এয়া? কি হ'ল এযা? এদিন চাটাৰিং প্লেটৰ টুকুৰা এটা কোনোবাই মাৰি পঠিয়ালে বাবুলৰ জোপোহালৈ।

কিছু আঁতৰত দেখা গ'ল মেনেজাৰ চাহাব আৰু দুই-তিনিটা লগুৱা ইয়াৰ পাছত এক অন্য কাহিনী

এটা শ্ৰমিকে এদিন আহি তাইক কৈছিল — "তোক মৰম কৰা সেই চাহাবটোৰ ট্ৰান্সফাৰ হৈ গৈছে। চা সৌৱা কোৱার্টাৰ খালী কৰি দি চাহাব 'জুঙ্গাত' বহিছে মেনেজাৰ চাহাবৰ ভায়েক আছিল।"

সাম্ৰাজ্য হেৰুৱা সম্ৰাজ্ঞীৰ দৰে অৱস্থা হৈছিল তাইৰ। কনক্রিটৰ সময়ত সেই ডেকা দলটোৱে টিত্‌কাৰি দি কৈছিল:

"হেৰৌ নাৰায়ণী— মেমচাহাব হব খুজিছিলি নেকি? — চাহাবে 'জুঙ্গাত' বহোতে এবাৰো দেখোন উভতি নাচালে।"

— "বেচেৰীক কুঁহিয়াৰৰ সিঠাৰ দৰে চোবাই এৰিলে। পেটত এতিয়া তাই চাহাবৰ বীজ কঢ়িয়াই লৈ ফুৰিব!"

"নাই নাই তাইৰ কপাল ভাল। কুঁহিয়াৰৰ সিঠাৰ দৰে দলিয়াই পেলাবলগীয়া নহ'ল। মেনেজাৰ চাহাবে ৰক্ষা কৰিলে "

আবেলি ডিউটিৰ পাছত নদীত গা ধুবলৈ যোৱা তাইৰ বাবে মাৰাত্মক কথা হৈ পৰিল। জোপোহাৰ আঁৰত বহি চিকাৰলৈ চোপ লৈ থকা কুকুৰনেচীয়াৰ দৰে ডেকা এদলে চোপ লৈ থকা হ'ল। এৰা চাহাবক সুযোগ দিছিল, সিহঁতক কিয় নিদিব?

. অৱশেষত এনে এটা সময় আহিল যি সময়ত এই মোলায়ম চুলিৰ যত্ন লোৱাৰ ইচ্ছা আৰু তাইৰ নেথাকিল। বিভিন্ন ভঙ্গীৰে কাপোৰ পিন্ধাৰ হেপাহো তাইৰ আৰু নেথাকিল।

এই তিক্ত অভিজ্ঞতাৰ দোমোজাত পৰি থাকোতেই শিবু ধাছলাৰ সৈতে তাইৰ বিয়া হৈ গৈছিল। 'চাটাইৰ' সেই ভয়ঙ্কৰ অভিজ্ঞতাৰ পাছত নাৰায়ণীৰ বুকুত এক কৰ্কশ বিদ্ৰোহৰ ভাবে এক প্ৰকাৰ ঘৰেই বান্ধি ললে।

আজি এই তাই নদীত গা ধোৱাৰ সময়ত তাইৰ বুকুত সেই বিদ্ৰোহৰ ভাব নাছিল। কিন্তু এক ভয় আৰু হতাশাৰ ভাবত তাই একপ্ৰকাৰ জঠৰ হৈ পৰিল।

— তেতিয়াহ'লে আকৌ সেই অৱস্থা হ'ল। ক'ত যাব সিহঁত? বেমাৰী মানুহটো আৰু এই পানী কেঁচুৱাটো লৈ কেনেকৈ তাই এই প্ৰচণ্ড গৰমত ভলৌ-ভলৌকৈ ঘূৰি ফুৰিব?

পানী, এয়া বুকুৰ ওচৰলৈ পানী? আৰু আগুৱাই যাব নেকি তাই? আৰু দলৈ য'ত তাইৰ আৰু কোনো চিনচাব নেথাকিব  হঠাৎ ফেঁটী সাপৰ দৰে ফোঁচ ফোচ কৰি উঠিল তাইৰ এই চুলিটাৰিয়ে। বৰ আলফুলকৈ তাই চুলিটাৰি ডিঙিত মেৰুৱাই ললে। লাহে লাহে তাই পানীৰ পৰা উঠি আহিল।  আজি সাই নদী পানীৰ পৰা উঠি আহোতে তাই মনে মনে এটা সংকল্প লৈযে যেন উঠি আহিল।

## (আঠ)

পুলিচ পেট্ৰলিং আৰম্ভ হ'ল। ধৰ্মঘট আৰম্ভ হোৱা আজি সাতদিন পাৰ হ'ল। একুৱেডাক্টৰ কাষেৰে গাড়ী অহা-যোৱা কৰা বাটত এদল শ্ৰমিকে পহৰা দি বহি থকা হ'ল। 'এছেনছিয়েল ছাৰ্ভিচৰ' বাবে কোম্পানীৰ পুৰণা 'জুঙ্গা'খনৰ বাহিৰে কোনো গাড়ী-ঘোঁৰা ছাইটৰ ভিতৰত সোমাবলৈ দিয়া নাই।

ইতিমধ্যে কোম্পানীৰ মেনেজমেণ্টৰ তৰফৰ পৰাও লেবাৰ কমিচনাৰ, ডি এছ পি, এছ ই, এ জি এম, আদিলৈ নোটিচ গ'ল। নোটিচত উল্লেখ কৰা হ'ল যে কাম শেষ হৈ অহাৰ লগে লগে 'একুৱেডাক্টৰ' অনেক বিভাগ বন্ধ কৰি দিব লগীয়া হ'ব — মেনেজমেণ্টে এই বিষয়ে লোকেল ইউনিয়ন আৰু ডিপাৰ্টমেণ্টেল অথৰিটিৰ সৈতে আলোচনা কৰিছে। ১৯৭৫ চনৰ জানুৱাৰী মাহত মেনেজমেণ্ট আৰু অল ইণ্ডিয়া ডানকান ৱৰ্কাছ ইউনিয়নৰ মাজত হোৱা চুক্তি অনুসৰি আৰু 'ইণ্ডাষ্ট্ৰিয়েল ডিচপিউট এক্ট'ত থকা 'প্ৰভিশ্যন' অনুসৰি 'ডেইলী পেইড'ৰ ৰিট্ৰেন্সমেণ্ট আৰম্ভ কৰা হ'ব। 'স্থায়ী' হোৱা 'মাষ্টাৰ ৰোলেড' শ্ৰমিকহঁতে ইতিমধ্যে দীঘলীয়া ছুটিত ঘৰলৈ প্ৰস্থান কৰিব।  কিন্তু বৰ্তমান লোকেল ইউনিয়নে ১৯৭৫ চনৰ চুক্তি ওফৰাই দিয়াৰ আয়োজন কৰিছে। 'ডেইলী পেইড' শ্ৰমিকৰ 'ছিকিউৰিটি অব্ ছাৰ্ভিচ' দাবী কৰি এই অক্টোবৰ মাহৰ বাৰ তাৰিখৰ পৰা তেওঁলোকে অনিৰ্দিষ্ট কাললৈ ধৰ্মঘট আৰম্ভ কৰিছে। ৱৰ্ক ছাইটত হিংসাত্মক কাৰ্যৰ আভাস পোৱা গৈছে। ট্ৰাক আৰু

অফিচাৰ সকল বাৰ্ক ছাইটৰ মেটেৰিয়েল সমূহ আৰু সমাপ্ত হৈ অহা 'একুৱেডাকটৰ' নিৰাপত্তাৰ ব্যৱস্থা লোৱা হওক ।

একুৱেডাক্টৰ আশে পাশে থকা ভূমি খণ্ডত জীৱন একপ্ৰকাৰ স্থবিৰ হৈ পৰিল। শাৰী পাতি নিশ্চল হৈ থকা ক্ৰেইনবোৰক মৰুভূমিত জিৰণি লৈ থকা উটৰ দৰে দেখা গ'ল।

ক্ৰেছাৰৰ শব্দ নাই, ভাইব্ৰেটাৰৰ শব্দ নাই। পাঞ্জাবী খালাচীৰ চিঞৰ-বাখৰ নাই।

ইতিমধ্যে কোনো কোনো গোপন স্থানত লীডাৰ সকলৰ মাজত দুই এখন গোপন মিটিং বহিল। এই গোপন মিটিংবোৰত যশোৱন্ত উপস্থিত আছিল। মিটিঙৰ আগেযে সকলোৱে খালাচী লঙ্গৰৰ মদ খাই লৈছিল। লীডাৰ সকলক কিছু অন্যমনস্ক দেখা গৈছিল। সকলোৰে যেন কিছু সন্দেহ হৈছিল। লীডাৰহঁতে আশা কৰিছিল মেইন ফেডাৰেচনৰ প্ৰতিনিধি দুই - এগৰাকী আহি সকলোকে উৎসাহিত কৰিব। কিন্তু এতিয়ালৈকে কোনো নাহিল। মিটিং শেষ হোৱাৰ পাছত অনেক সময় ধৰি সিহঁতে মদ খাইছিল। তাৰ পাছত ঘৰাঘৰি গুচি আহিছিল। অহৰহ যেন সকলোৰে হৃদযত ডেইলী পেইড বাৰ্কাৰ হঁতৰ এটি কণ্ঠই প্ৰতিধ্বনিত হৈছিল —

'তহঁতে আশা দিছ --- আমি ভোকেৰে থাকিবলৈ সাজু হৈছো। কিন্তু কিবা কাৰণে যদি আমাৰ আশা পূৰণ নহয় তেতিযাহ'লে সাই নদীৰ বালিত জীযাই জীযাই পুতি থম।'

গধূলি সময়ত এই লীডাৰ কেইটাৰ ঘৰৰ সন্মুখত এটা সমদল গোট খাইছিল, এই সমদলটিয়ে এই প্লেকাৰ্ডবোৰ লৈ এটা শোভাযাত্ৰা আৰম্ভ কৰিছিল। এই শোভাযাত্ৰা 'কনভেয়াৰ বেল্টৰ' তলৰ সৰু পটিকৰ পৰা আৰম্ভ হৈ ডেইলী পেইড বাৰ্কাৰ, মাহ্নলি পেইড বাৰ্কাৰ ইত্যাদিৰ লাইন পাৰ হৈ গেষ্ট হাউছৰ ওচৰত থিয় হৈছিল। — এইখিনিৰ পৰা সিহঁত ইঞ্জিনীয়াৰ সকলক তিৰস্কাৰ কৰি চিঞৰিবলৈ আৰম্ভ কৰিছিল —

'কোম্পানীৰ দালাল মুৰ্দাবাদ।'

"জো হামসে তকৰায়েগা চূড চূড জায়েগা "

"গলি গলি মে চাকু হ্যায়, — মেনেজাৰ চাহাব চোৰ হ্যায়।"

'এম্বেকমেণ্ট'ৰ বাবে খান্দি উলিওৱা মাটিৰ ওপৰেৰে এই সমদলে আৰু আগুৱাই গ'ল। সিহঁতৰ ভৰিৰ খোজত নতুনকৈ খন্দা মাটি উৰিব ধৰিলে। গেষ্ট হাউছৰ ওচৰলৈ গৈ সিহঁতে আকৌ চিঞৰিব ধৰিলে।

— "কোম্পানীৰ দালাল মুৰ্দাবাদ।"

এক গোপন বৈঠকত ইউনিয়নৰ লোক সকলে এবাৰ লোকেল লীডাৰৰ পৰামৰ্শ লোৱাৰ কথা ভাবিলে। ছবিজনৰ লীডাৰ যশোৱন্তই হঠাৎ কিবা এটা ক'ব বুলি থিয় হব খুজিছিল। কিন্তু নিজকে সি সংযত কৰি ৰাখিলে। বাঙ্ময় হৈ সকলোৰে ভাব গতি লক্ষ্য কৰা আৰু এক ৰুদ্ধ বেদনাত ছাটি-ফুটি কৰা — এয়ে হৈ পৰিছিল কোম্পানীৰ ইউনিয়নৰ

প্ৰথম হৰিজন মেম্বাৰ যশোৱন্তৰ মনৰ অৱস্থা।

লোকেল মেম্বাৰজনৰ ওচৰলৈ যোৱা-নোযোৱাৰ বিষয়ে ইউনিয়নৰ মেম্বাৰৰ কথা কটা-কটি হ'ল। অৱশেষত যশোৱন্তয়ো সিহঁতৰ পিছে পিছে মুখীগজৰ পিনে আগুৱাই যাবলগীয়া হ'ল। শিয়াল বুদ্ধিৰ লোকেল লীডাৰ শাস্ত্ৰী মহাশয়ে অৱশ্যে এই সুযোগৰ বাবে অপেক্ষা কৰি আছিল। খুতুৰিত দাড়ি, দীঘল চুলি, চকুত ৰূপৰ ফ্ৰেমৰ চছমা আৰু গালৰ প্ৰকট হনুৱে সোঁৱৰাই দিছিল যে তেওঁৰ কু-বুদ্ধিয়ে তেওঁৰ সমস্ত ধৰ্ম-বুদ্ধিক ধৰাশায়ী কৰি থৈছিল।

হঠাৎ যশোৱন্তৰ পিনে আঙুলিয়াই শাস্ত্ৰীয়ে ক'লে —

—"এইটোৱেই তহঁতৰ নতুন লীডাৰ নহয়নে?"

সকলোৱে মূৰ দুপিয়ালে।

—" হৰিজন — অৰ্থাৎ ভগৱানৰ পুত্ৰ — আমাৰ জাতিৰ পিতা মহাত্মা গান্ধীয়ে দিয়া নাম। ডক্টৰ আম্বেদকৰৰ শিষ্যসকলে এই নামটো উঠাই দিব লাগে বুলি অভিযোগ কৰিছিল, — পিছে সিহঁতৰ বাগাড়ম্বৰ খোলাকটিৰ তাল হ'ল।" সচ্চিদানন্দই তেওঁৰ গ্ৰন্থত লিখি গৈছে— দক্ষিণৰ এক বিশেষ স্থানত এই জাতিৰ স্পৰ্শৰ পৰা নিম্ন জাতিয়ে ৩৩ ফুট, উচ্চ জাতিয়ে ৬৬ ফুট, আৰু ব্ৰাহ্মণে ৯৯ ফুট আঁতৰত থিয় হ'ব লাগে। — চামাৰ সকলে ৰাজপুতৰ দৰে সাজ-পোছাক পিন্ধা কাৰণে এঠাইত সিহঁতক কোবাই হাড় ভাঙি দিছিল। মধ্য প্ৰদেশৰ চৰকাৰে মূৰত পায়খানাৰ বাল্টি কঢ়িয়াই নৈ যোৱাটো এটা প্ৰচণ্ড অপৰাধ বুলি গণ্য কৰিছে। পায়খানাৰ বাল্টি মূৰত ললে তিনিমাহ হাজোতত যাব লাগিব নাইবা পাঁচশ টকা 'ফাইন' দিব লাগিব। প্ৰাইভেট ঘৰত কাম কৰা ছুইপাৰ সকলক হেনো ঠেলা গাড়ীও দিয়া হ'ব।

শুনা, আটাইতকৈ হাস্যকৰ কথা কি জানানে? সকলো নিৰুত্তৰ।

"ইউ-পিৰ অস্পৃশ্য সকলে পাঞ্জাবৰ অস্পৃশ্য সকলক নিম্ন স্থানীয় বুলি ভাবে?"

শাস্ত্ৰীয়ে নিজৰ বসত মজি নিজেই হাঁহিব ধৰিলে।

—"এইবোৰৰ বাবে কাক 'দফনা' দিব লাগে জানানে? মনুৰ মনুস্মৃতিক যি ইহঁতৰ ছায়া পৰ্যন্ত ।"

ইউনিয়নৰ সভাপতি কবীৰ স্বামীয়ে কৈ উঠিল —

— "মহোদয় আমি এটা বেলেগ কামৰ বাবেহে আহিছিলো "

— "তোমালোকে কি কামৰ বাবে আহিছা মই জানো! কিন্তু মোক কথাখিনি শেষ কৰিবলৈ দিয়া "

—"শুনা তোমালোকে হৰিজনক ইউনিয়নত স্থান দি বৰ ভাল কাম কৰিছা . আজিকালি হৰিজনক টো ৰাজনীতিৰ পথাৰত কেনেদৰে টনা-আজোৰা হৈছে লক্ষ্য কৰিছানে? দিল্লী এডমিনিষ্ট্ৰেচনে প্ৰত্যেক হৰিজনকে ৬৫ বৰ্গফুট মাটি আৰু পোন্ধৰশ টকা দান

কৰিছে। পঞ্জাব চৰকাৰে হৰিজন নামটিকে উঠাই দিয়াৰ যো জা কৰিছে। হৰিজনৰ বাবে এক বিশেষ মন্ত্ৰীসভা লাগে আৰু ''

সভাপতি বলবীৰ স্বামীয়ে একপ্ৰকাৰ আৰ্তনাদ কৰি কৈ উঠিল —

— "মহোদয় আমি আমাৰ ষ্ট্ৰাইক সম্বন্ধে আপোনাৰ মূল্যবান উপদেশ লবলৈ আহিছো।"

গুডগুডিটোত কিছু সময় সোহা মাৰি এটি নাটকীয় ভংগীৰে থিয় হৈ ক'লে—

— ' তোমালোকে মোৰ 'ছলাহ' লব আহিছা। সাত দিন পাৰ হ'ল, এতিয়া ফেডাৰেচনৰ চুক্তি দলিয়াই পেলাব নোৱাৰিম বুলি ভাবি মোৰ ওচৰলৈ আহিছা?"

ইউনিয়নৰ লীডাৰ সকলে তলমূৰ কৰিলে। ওচৰত থকা টেবুল এখনত এটা বজ্ৰ ভুকু মাৰি শাস্ত্ৰীয়ে ক'লে —

—"মই ফেডাৰেচনৰ চুক্তি দলিয়াই পেলাব পাৰিম। তোমালোকে কিন্তু মোৰ কথা মানিব লাগিব। শুনা ইমাৰজেন্সীত জবৰ-দস্তি কৰি এই চুক্তি লিখাই লোৱা বুলি প্ৰমাণ কৰি দেখুৱাব পাৰিম।"

সভাপতি বলবীৰ স্বামীয়ে ক'লে —

—"আমাৰ হাতত ফাণ্ড নাই, মেইন ফেডাৰেচনৰ' কোনো প্ৰতিনিধি এতিয়ালৈকে আহি নেপালে। 'ডেইলী পেইড ৱাৰ্কাৰ'বোৰৰ ভিতৰত অনেক বেমাৰীও আছে। সিহঁত এটা এটাকৈ মৰিবলৈ আৰম্ভ কৰিব।"

— এই বিষয়ে কিহৰ চিন্তা? সিঙঘীয়াঘাটৰ গগুক ব্ৰীজৰ বিস্ফোৰণ কাৰ অনুপ্ৰেৰণাত হৈছিল তোমালোকে কিবা খবৰ ৰাখিছিলা নে?

— শুনা তোমালোকে বুকু ডাঠ কৰিব লাগিব। ফাণ্ডৰ যদি টকা শেষ হয় কোম্পানীৰ ষ্টিল, ৰড, চিমেণ্ট, ডিজেল অয়ল, পেট্ৰল, টিম্বাৰ ইত্যাদিৰ ওপৰত জপিযাই পৰিব লাগিব। ইঞ্জিনীয়াৰসকলক 'টেৰ'ৰাইজ কৰিব লাগিব। শুনা মই লীগেল ফাইট কৰোৱাই দিম তোমালোকৰ পৰাজয় নাই। স্ক্ৰেপ অল্ড স্পেয়াৰ পাৰ্টছ পুৰণা ট্ৰাকৰ টায়াৰ, পুৰণা জীপ বাছুৰ 'কোটেশ্বন' কোম্পানীয়ে বিচাৰিছিল — কোটেশ্বন দিয়া বেপাৰীয়ে ধৰ্মঘটৰ ভিতৰত সেইবোৰ থুমুটিয়াই চাবলৈ আহিব। সিহঁতক কোবাই মূৰ ভাঙি দিম। আৰু সেইবোৰ চুপচাপ বিক্ৰী কৰি 'ডেইলী পেইড ৱাৰ্কাৰহঁতৰ মাজত বিলাই দিবা।

ইতিমধ্যে গধূলি হৈ আহিছিল।

লীডাৰ সকলে উঠি যাবলৈ উচপিচ লগাই দিলে —

— "শুনা। মই লীগেল ফাইট কৰোৱাই দিম। এই 'চাটাই' কেতিয়াও হ'ব নোৱাৰে। কিন্তু মোৰ এটা 'ফিক্সড্ ৰেট' আছে মোৰ এজেণ্টসকলৰপৰা এই বিষয়ে নিশ্চয় গম পাইছা। শুনা তেতিয়াহ'লে মই শ্ৰমিক সকলৰ মাজলৈ যাম।'

সভাপতি বলবীৰ স্বামীয়ে ক'লে —

—"এই বিষয়ে আপোনাক আমি খবৰ দিম।"

অস্থায়ী কাঠৰ লাইনৰ দলঙেৰে এটি সংক্ষিপ্ত পথেৰে সকলো আগবাঢ়িল। এই পথছোৱাত কোনেও এটি শব্দও উচ্চাৰণ নকৰিলে। লাইনৰ দলঙৰ ওচৰত দুইপাৰিইতৰ এদল উলঙ্গ ল'ৰা-ছোৱালীক একেকাল পানীত নামি তুৰীমাছ খেপিয়াই থকা দেখা গ'ল।

জীপ অহা-যোৱা কৰা পথেৰে বৰ আগ্ৰহেৰে সিহঁতে মূৰ দাঙি চালে। নাই খুলি উৰুৱাই কোনো জীপ আগবাঢ়ি অহা নাই। অথচ কোম্পানীৰ মেইন ফেভাৰেচনৰ পৰা সহায় আহিব বুলি সকলোৱে বাট চাই আছে।

● ● ●

ধৰ্মঘটৰ এটা সপ্তাহ পাৰ হ'ল।

ধৰ্মঘটৰ মীমাংসা কৰিবলৈ হেড অফিচৰ পৰা 'এ জি এম' আহিল। নিচেই ওচৰৰ ব্ৰাঞ্চ — গোমতীৰ পৰাও ইউনিয়নৰ এই শাখাৰ প্ৰধান সচিব আৰু বাকী সভ্য কেইজন আহি সাইৰ অফিচত হাজিৰ হ'ল।

পাঁচ ঘণ্টা জুৰি তৰ্ক-বিতৰ্ক চলিল। এ জি এমে, নিশ্চিত হৈ আহিছিল। ১৯৭৫ 'এগ্ৰিমেণ্ট' ঢাল তৰোৱাল লৈ তেওঁৰ ৰক্ষা কৱচ হৈ আছিল।

কথা কটাকটি, তৰ্কা-তৰ্কিৰ পাছত এ জি এম এটা সিদ্ধান্তত উপনীত হ'ল।

— এয়ে তেওঁৰ শেষ সিদ্ধান্ত' সাইৰ ইউনিয়নক সম্বোধন কৰি তেওঁ ক'লে —

— মোৰ শেষ কথা আমি বাঠিটা 'ডেইলী পেইড ৱাৰ্কাৰ' এবজৰ্ব কৰি ল'ম।

আৰ্তনাদ কৰি উঠিল লীডাৰ সকলে —

— 'মাত্ৰ বাঠিটা!'

— 'হয়, মাত্ৰ বাঠিটা। ইয়াৰ বেছি অসম্ভৱ।'

কিছু সময় ধৰি আকৌ কথা কটাকটি চলিল।

উত্তেজনাৰে এ জি এমে থিয় হৈ ক'লে—

'আমাৰ হাতত লীগেল এগ্ৰিমেণ্ট আছে।'

— 'ইউ আৰ ফাইটিং উইথ এম্পটি এয়াৰ'। দেখা দেখিকৈয়ে এই কাম 'ইল্‌লীগেল' হৈছে। আমি বাঠিটা মানুহ ল'ম। সিহঁতেও অৱশ্যে ফাইনেল ডিউজ লৈ যাব লাগিব।

শেষত ইউনিয়নৰ এই দুই ব্ৰাঞ্চৰ প্ৰধান সচিবে থিয় হৈ ক'লে —

— 'ঠিক আছে — এই প্ৰস্তাৱ আমাক লিখিত ভাৱে দিয়া হওঁক।'

অসম্ভৱ কথা।

— কোম্পানীৰ হেজাৰটা ব্ৰাঞ্চ আছে। এইদৰে লিখিত ভাৱে দিয়া 'ডেলিকেট' কথা।

এটা হুলস্থূল চলিল। এই হৈ হাল্লাৰ মাজত এ জি এমৰ এটা প্ৰচণ্ড কণ্ঠস্বৰ শুনা গ'ল।

'কৰ ষ্ট্ৰাইক কৰ এক বছৰ দুই বছৰ। আমাৰ কিহৰ ক্ষতি? শেষত আমি এই কেছ চৰকাৰক চমজাই দিম ।'

সকলোৰে চকুত পৰিল বাহিৰত সশস্ত্ৰ পুলিচ বাহিনী থিয় হৈ আছে।

এটা দুটাকৈ সিহঁতে বাহিৰলৈ ওলাই আহিল। এটা সময়ত কোম্পানীৰ টাঙ্গাই ধূলি উৰুৱাই কোম্পানীৰ নতুন আলিৰে অদৃশ্য হৈ গ'ল।

লীডাৰ সকলে আহি সাইৰ বালিত ভৰি দিলে ইতিমধ্যে শ্ৰমিক সকলৰ ল'ৰা-ছোৱালীহঁতক পিয়াপি দি ফুৰা দেখা গৈছে। যশোৱন্তৰ কণ্ঠ শুনা গ'ল।

— "আমি এ জি এমৰ কথা মানি ল'ব লাগিছিল।"

সকলোৱে যেন আকাশৰ পৰাহে পৰিল —

গোমতীৰ পৰা অহা প্ৰধান সচিবে ক'লে —

— তই কুমলীয়া বাঁহ—ভাঙি ল'ব লাগিলে এই সময়তে লবি ।।

সিহঁতে আৰু কিছুদূৰ আগবাঢ়ি গ'ল। যশোৱন্তৰ চকুত পৰিল লিচু লেঙেৰাৰ পুতেকে সাই নদীৰ গৰাহৰ ওচৰত তুৰী মাছ বিচাৰি আছে সকলোৰে দৈনিক হাজিৰা বন্ধ হৈ গৈছে। এই ব্ৰাঞ্চত ইউনিয়নৰ হাতত যি ফাণ্ড আছিল, সেয়াও লাহে লাহে শেষ হৈ আহিছে। এছেন্সিয়েল ছাৰ্ভিচত নথকা ছুইপাৰহঁতক সাইৰ বালি আৰু মুলীগঞ্জত পিয়াপি দি ফুৰা দেখা গৈছে।

লিচু লেঙেৰাই যশোৱন্তক হাত বাউল দি মাতিলে। দলৰ পৰা ফালৰি কাটি সি গৈ লিচু লেঙেৰাৰ ওচৰত থিয় হ'ল। যশোৱন্তই দেখিলে লেঙেৰাই তুঁহ জুইৰ দৰে জুই একুৰা ধৰি নদীৰ মাছৰ বাবে আশা কৰি বোন্দাপৰ দি বহি আছে। জগন্নাথে একমনে এক্‌কাল পানীত নামি মাছ খেপিয়াই আছে। লেঙেৰাই তাৰ কাণৰ ওচৰলৈ আহি ফুচফুচাই ক'লে—

—"ভয়ঙ্কৰ দিন আহিব। তহঁতক জীয়াই জীয়াই সাই নদীৰ বালিত দফনা দিব - মীমাংসালৈ আহ আজি মুলীগঞ্জত ধাৰ কৰি খেঁচ আনিবলৈ যাওঁতে সিহঁতে টঙনিয়াই দুটা ছুইপাৰৰ পিঠি ফালি দিলে সিহঁতে আৰু সহাগ নকৰে কাৰণ এই ধৰ্মঘট হেনো আইন সম্মত নহয়?"

হঠাৎ জগন্নাথৰ আৰ্তনাদ শুনা গ'ল।

— চা এই ভাল কি পালো চা?

গাতৰ পৰা সি উলিয়াই আনিলে এটা দীঘল বামী জাতীয় মাছ।

বছা নাইবা পৰিষ্কাৰ কৰাৰ আৰু প্ৰয়োজন নহ'ল। জীয়াই জীয়াই মাছটো জুইত সুমুৱাই দি লিচু লেঙেৰাই জুই ফুৱাব ধৰিলে।

যোৱা দুদিন ধৰি বাপেক পুতেকৰ পেটত খুদ এটাও পৰা নাই। ইউনিয়নে ফাণ্ডৰ পৰা যি কেইটা টকা দিছিল লেঙেৰাই সেই টকা খালাচী লঙ্কত শেষ কৰি থৈ আহিছে।

এই ঠাইত আৰু বহি থকাৰ ইচ্ছা নহ'ল যশোৱন্তৰ। এ জি এমৰ সৈতে মিটিং

হোৱাৰ আগেয়ে সি লীডাৰহঁতৰ সৈতে খালাচী লঙ্গৰত পেট ভৰাই ৰুটি আৰু চাহ খাই আহিছে।

কিছুদূৰ গৈ যশোৱন্তই আৰু এটা মাৰাত্মক দৃশ্য দেখা পালে। মুৰ্গীগঞ্জৰ কচাইৰ দোকানৰ পৰা ছাগলীৰ ভুৰু, ছাল কিছুমান আনি ছুইপাৰৰ লʼৰা ছোৱালী এজাকে সাইৰ বুকুত দ ৰৰা- দ ৰৰি লগাই দিছে।

যোৱা কিছুদিন ধৰি সাইৰ বুকুত বাহ লোৱা শগুণ জাক আৰু সিহঁতৰ মাজত এই মূহুৰ্ত আৰু যেন কোনো পাৰ্থক্য নাই।

পেটৰ ক্ষুধাৰ এক মাৰাত্মক ৰূপ এতিয়া সাইৰ বালিৰ অʼত তʼত একেবাৰেই উলংগ হৈ পৰিছে।

ধৰ্মঘটকাৰীহঁতৰ শোভাযাত্ৰা এটিয়ে এতিয়া ছাইটৰ চাৰিওফালে বিশেষকৈ কোম্পানীৰ দালাল বুলি গণ্য কৰা ইঞ্জিনীয়াৰহঁতৰ কোৱাৰ্টাৰৰ সন্মুখত 'নাৰা' লগাবলৈ আৰম্ভ কৰি দিছে।

— গলি গলিমে চাকু হ্যায় মেনেজাৰ চাহাব ডাকু হ্যায়।

— হামাৰা মাংগ পুৰী কৰ, জো হামসে তকৰায়েগী।

চুড চুড হো জায়েগী।

সিহঁতৰ ভৰিৰ খোজত ধুলি উৰিব ধৰিলে। অজস্ৰ ৰঙা পতাকা বতাহত উৰিব ধৰিলে।

সভাপতিয়ে কʼলে —

মেইন ফেডাৰেচনৰ পৰা কোনো নাহিল যেতিয়া আমাৰ প্ৰতিনিধি ফেডাৰেচনৰ ওচৰলৈ যোৱা উচিত।"

সকলোৱে মুৰ দুপিয়ালে, সিহঁতে এক গোপন বৈঠকৰ বাবে খালাচী লঙ্গৰৰ পিনে আগবাঢ়ি গʼল।

● ● ●

ৰামু আৰু ৰামু ছুইপাৰে ঠাকুৰ চাহাবৰ ঘৰৰ সন্মুখৰ চেগুণ গছ এজোপাত উঠি চাহাবৰ কোৱাৰ্টাৰৰ পিনে সজাগ দৃষ্টিৰে চাই আছিল। দুবৈত দুই এটি কনিষ্টবলৰ হুইছেলৰ শব্দৰ বাহিৰে 'ছাইট'ৰ চাৰিওফালে মৰিশালীৰ নিস্তব্ধতা।

ৰামু আৰু ৰামুৱে যোৱা ৰাতিয়েই খবৰ পাইছিল ঠাকুৰ চাহাবৰ কোৱাৰ্টাৰলৈ ৰাতি তিৰোতা এজনীয়ে অহা যোৱা কৰে। শ্ৰমিক সকলে ৰঙা চকু দেখুৱাই ৰামু আৰু ৰামুক আদেশ দিলে "ধৰ্মঘট চলি থকা সময়ত যি তিৰোতাই বিশ্বাসঘাটকতা কৰি কোম্পানীৰ দালালৰ ওচৰ চাপিছে তাইক মাৰি হাড় ভাঙি দিবি। এয়া তহঁতৰ কৰ্তব্য। ইয়াৰ বাবে তহঁতক খালাচী লঙ্গৰত মদৰ বটল দিয়া নহব। এয়া কৰ্তব্য।

বোম্দা মহ আৰু ওৰি পৰুৱাৰ কামোৰত দুয়ো অতীষ্ঠ হৈ পৰিছিল।

ৰামুৰে ৰামুক ক'লে—

—"আমি এই মহৰ কামোৰত বাৰোৱাৰী তিৰোতা পহৰা দি থাকিম—আৰু সিহঁতে নাক বজাই শুই থাকিব—?"

ৰামুৰে ক'লে —

— আমিও ওভোতা নাচোন দিম

"চুপ— চুপ—সৌৱা কোৱাৰ্টাৰৰ পিছ পিনে বাবুলৰ জোপোহা লৰি উঠিছে ।"

পিচ বাৰ্কাৰৰ লগত অহা পাৰ্বতী বোলা ছোৱালীজনী দেখিছ নহয়, তাই বোলে কোম্পানীৰ বাবুবোৰক নষ্ট কৰিছে।"

"এদিন সাইৰ বালিত অকলে পাই মই হাতত ধৰিব খুজিলো, তাই ছালীয়ে ভেকাহি মাৰি উঠিল। নিশ্চয় তায়ে আহিছে। আজি তাইক মই নেৰো।"

ৰামুয়ে ক'লে —

"তাইক চোঁচোৰাই সাইৰ বালিলৈ লৈ যাম।"

"কেনেকৈ নিবি?"

"কিয়?"

"দেখা নাই বন্দুকধাৰী পুলিচে কেনেকৈ পহৰা দি ফুৰিছে। সাই পাৰ হৈ মুন্সীগঞ্জলৈ অহা- যোৱা কৰা পথ সিহঁতে জব্দ কৰিছে।"

হাৰামজাদীক তেতিয়াহলে ছুইপাৰ কেম্পৰ পাছফালৰ কাঁইটীয়া জোপোহাৰ মাজলৈ টানি নিম।"

—চুপ, চুপ বন্দুকধাৰী চিপাহীয়ে 'পেট্ৰলিং' আৰম্ভ কৰিছে। কি ঠিক ইউনিয়নৰ মানুহে কিজানি বালিত গোলা বাৰুদ গোটাই থৈছে।"

বুকুৰ ওচৰলৈ আঁঠু গুজি দুয়ো গছৰ ডালত জুপুকা মাৰি বহিল।

● ● ●

কাঁইটীয়া বাবুলৰ জোপোহাৰ ওচৰত হঠাৎ কিবা এটাই খৰ মৰাই উঠিল। লগে লগে অন্ধকাৰৰ মাজতো এটি ছায়ামুৰ্তি জিলিকি উঠিল। নৰখাদকৰ দৰে চোপ লৈ থকা দুয়ো বন্ধুৰে এইবাৰ গছৰ পৰা জপিয়াই তললৈ নামিল—

"ধৰ ধৰ পলাল পলাল ।"

তাই পিছ দুৱাৰেদি পাম্প হাউছৰ পিনে পলাব খুজিছিল কিন্তু অসম্ভৱ কথা হৈ পৰিল। নতুনকৈ কটা মাটিৰ চপৰাত উজুটি খাই পৰিল।

তাইৰ দেহৰ কাপোৰ সিহঁতে ফালি পেলালে। কিন্তু জুইশলা জ্বলাই যেতিয়া মুখৰ ওচৰলৈ পোহৰ নিয়া হ'ল— দুয়ো ভূত দেখা মানুহৰ দৰে আৰ্তনাদ কৰি দূৰলৈ উফৰি পৰিল। পাৰ্বতী নহয়, - নাৰায়ণীহে।

বিস্ময়ত অভিভূত হৈ কিছু সময় দুয়ো স্তব্ধ হৈ ৰল।

নাৰায়ণীৰ উলংগ দেহটি মৰাশৰ দৰে তেতিযাও দুযোৱে সম্মুখত পৰি আছিল।

পুলিচৰ হুইছেল এইপিনে আগবাঢ়ি আহিছে। হঠাৎ ৰামুৱে তাইৰ একাষে পৰি থকা কাপোৰৰ টোপোলাটো টানি আনিলে

কিছুমান ভঙা পইচা আৰু এজাপ কটী চাৰিওফালে সিচঁৰিত হৈ পৰিল।

দুয়ো ততাতৈয়াকৈ ভঙা পইচাবো'ৰ পকেটত ভৰাব ধৰিলে—

নাৰায়ণীয়ে ভয়ঙ্কৰ ৰূপ ধাৰণ কৰিলে। উলংগ দেহেৰেই তাই থিয় হ'ল,— দুযোৰে পিনে আঙুলিটোৰাই আৰ্তনাদ কৰি উঠিল—

"ছু ৱৰৰ বাচ্চা— দে মোৰ পইচা।"

"নাৰাযণী তযো এনেকুৱা কাম কৰ ।।"

"দে— দে মোৰ পইচা।"

"চুপ থাক — বেছি হাল্লা কৰিলে কোবাই হাড ভাঙি দিম।

ছালী আমাৰ ছুইপাৰইঁতৰ মুখত ছাই সনা নাইনে তই?"

— "ধাছুলাৰ বেমাৰৰ সময়ত মই নিমখৰ বস্তাৰ দৰে পেটটো লৈ ঘুৰি ফুৰোতে তইঁতে মোক এটা পইচা দি সহায় কৰিছিলি নে? এতিয়া ধৰ্মঘট কৰি তইঁতে পেটৰ ভাত মুঠি কাঢ়ি লোৱা নাই নে ছালাইঁত ।"

— "চুপ থাক হাৰামজাদী।"

এইবাৰ তাই পোৱালী হেৰুৱা বাঘিনীৰ ৰূপ ধাৰণ কৰিলে—

"মোৰ খুটী মই বাণ্ডীগিৰি কৰি খাম। — দে মোক পইচা "

বাবুল গছৰ কাঁইটৰ জোপোহাৰ ওচৰত সিহঁতৰ দবৰা—দবৰি লাগিল। কাঁইটে বিন্ধি, ক্ষত —বিক্ষত কৰি পেলালে সিহঁতৰ শৰীৰ।

এইখিনি সময়তে সিহঁতৰ তেনেই ওচৰত জোতাৰ শব্দ শুনা গ'ল। নাৰায়ণীয়ে মূৰ তুলি চাই দেখা পালে — তাইৰ নিচেই ওচৰত যশোৱন্ত থিয় হৈ আছে। ইউনিয়নৰ মিটিং শেষ কৰি সি এই বাটেৰে যেৰেকলৈ আহিছিল। ৰামু আৰু ৰামুৱে পলাবলৈ চেষ্টা নকৰিলে।

যশোৱন্তই টৰ্চটো মাৰি দুয়োৰে চকুলৈ চালে। এইখিনি সময়ত দুয়োৰে চকু নাহৰফুটুকীয়া বাঘৰ দৰে জিলিকি উঠিল—

— "তাইৰ পৰা কি আনিছ তাইক চমজাই দে । আৰু তাইক যেৰেকত থৈ আহগৈ ।"

ইতিমধ্যে আৰু তিনিটা ইউনিয়নৰ মানুহে জোপোহাৰ আৰ হৈ এই দৃশ্য চাই আছিল। তাৰে এটাই চিএৰি উঠিল —

— "তাইক যাব নিদিবি । আহ! মোৰ পিছে পিছে সকলো আহ।"

মেম্বাৰজন ঠাকুৰ চাহাবৰ কোৱাৰ্টাৰৰ পিনে আগবাঢ়ি গ'ল। কাঠৰ বন্ধ দুৱাৰত —

সি লাঠিয়াব ধৰিলে।

ঠাকুৰ চাহাবে দুৱাৰ খুলি দিলে। মেম্বাৰে কলে —

"ঠিক ঠিক উত্তৰ দিয়ক। তাই নিজে আহিছিল নে— আপুনি মতাই আনিছিল।"

আন এজন মেম্বাৰে চকু ৰঙা কৰি সুধিলে —

"ঠিক ঠিক উত্তৰ লাগে। নহলে কোৱাৰ্টাৰত জুই লগাই দিম।"

ঠাকুৰ চাহাবে ভয় নেখালে। তেওঁক আতঙ্ক হোৱা যেনো দেখা নগল। নাৰায়ণীৰ পিনে আঙুলি টোৱাই তেওঁ চিঞৰি উঠিল—

"তাই দোভাগ ৰাতি মোক পইচা খুজিব আহিছিল। — এইবোৰ মানুহৰ কথা ভবা চিন্তা নকৰাকৈ কেনেকৈ ধৰ্মঘট কৰিছা? আৰু চাৰিদিন পাছত সিহঁতে খাব নেপাই ''

"চুপ চাহাব, আমি 'ছালাহ' লবলৈ অহা নাই —"

নাৰায়ণীৰ পিনে চাই এটা লীডাৰে গৰ্জন কৰি উঠিল —

"ক চাহাবে সচা কথা কলে নে?"

কি উত্তৰ দিব নাৰায়ণীয়ে ? এই মুহূৰ্তত তাই বান অহা নদীৰ সোলোক ঢোলোক গৰাত থিয় হৈ আছে।

আকৌ গৰ্জন কৰি উঠিল লীডাৰে —

—"দে উত্তৰ দে?"

নাৰায়ণীয়ে উত্তৰ নিদিলে। শ্ৰমিকহঁত অতিষ্ঠ হৈ উঠিল। শেষত কোনোবা এটাই আৰ্তনাদ কৰি উঠিল— "মাৰ! মাৰি তাইৰ হাড় ভাঙি দে ।"

সাইৰ বালিত অনেক সময়লৈ নাৰায়ণীৰ হৃদয় বিদাৰক চিৎকাৰ শুনা গৈছিল। এই গোটেই ঘটনাটো অৱশ্য একেবাৰে চুপ-চাপ ভাবে সংঘটিত হৈছিল। নাৰায়ণীৰ বিননীত বেৰেকৰ দুই এটি মানুহ সাৰপাই উঠিছিল যদিও, এনে বিননি কোনো নতুন কথা নাছিল। ছুইপাৰ বেৰেকত মদ-ভাং খাই তিৰোতাৰ ওপৰত কৰা অত্যাচাৰ কোনো নতুন কথা নাছিল। ঘৰাঘৰি যোৱাৰ সময়ত হঠাৎ যশোৱন্তই সকলোকে সম্বোধন কৰি ক'লে—

— আমি এই পাঁচটা মানুহৰ বাহিৰে এই কথা যাতে কোনেও নেজানে।"

সকলোৱে একেলগে কৈ উঠিল।

— "এই কথা কোনেও নেজানিব?"

. পেটত কথা ৰাখিব পৰা সংযমী পুৰুষ ৰামু আৰু ৰামু অৱশ্যে কোনো দিনেই নাছিল। সিহঁতে দুৱাৰ মান গৈ শিবু খাছলাৰ দুৱাৰ মুখত থিয় হৈ ভুমুকিয়াই চাইছিল। —এটি জীৱন্ত নৰকঙ্কালৰ দৰে সি পৰি আছিল। — তাৰ বুকুত বান্দৰৰ দৰে লিপিট খাই আছিল কেঁচুৱাটো। এনে এটা দৃশ্য যি দৃশ্য দেখিলে হয়তো পৃথিৱীৰ নিষ্ঠুৰতম মানুহটোৱেও এবাৰলৈ বাঙ্ময় হৈ পৰিব। শক্তিকে নাৰায়ণীৰ কথাকে লাভ কৰিম বুলি ভৱা পাশৱিক আনন্দৰ পৰা বঞ্চিত হৈ দুয়ো মনে মনে থাকিল। ... কনিষ্ঠবলৰ হইছেল আৰু বুট জোতাৰ

শব্দ ছুইপাৰৰ লাইনলৈ আওৱাই আহিল। 'বাবুল' গছৰ কাঁইটীয়া জোপোহাৰ ওচৰত থিয় হৈ যশোৱন্তই নাৰায়ণীক ক'লে —

।। যা মই চাই আছো --- তই বেবেকলৈ যা .. ।"

● ● ●

শম্ভু পাছেৱানে বহু চেষ্টা কৰিও অৱশেষে খালী টিংটো মুদ্ৰাৰে পূৰ্ণ কৰিব নোৱাৰিলে।

ধৰ্মঘটৰ আজি পোন্ধৰ দিন পাৰ হ'ল। দুৰ্ভিক্ষৰ সমকক্ষ এক ভয়ঙ্কৰ অৱস্থাই সকলোৰে অজানিতে এখোজ দুখোজকৈ ছাইটলৈ যেন আওৱাই আহিছে।

এই খিনি সময়তে পিচ বাৰ্কাৰৰ লগত অহা "ডেইলী পেইড" শ্ৰমিকহঁতো ভয়ত পেপুৱা লাগিল। অফিচলৈ চাহাবহঁত আছে — যিহেতু পিছ বাৰ্কাৰহঁতে ধৰ্মঘটত ভাগ লোৱা নাই। কোম্পানীয়ে পিচ বাৰ্কাৰৰ শ্ৰমিকহঁতক 'পে-মেণ্ট'ৰো ব্যৱস্থা কৰিছিল। এই ঠিকাদাৰসকলে যি সময়ত পিচ বাৰ্কাৰৰ শ্ৰমিকক পাৰিতোষিক বিলাব ধৰে সেই সময়ত 'বাৰ্ক ছাইট' আৰু অফিচাৰ সকলৰ ঘৰৰ সন্মুখেৰে আগবাটি যোৱা মোৰ্চাই সাইৰ বালিত গোট খোৱা শগুণ এজাকৰ ৰূপ ধাৰণ কৰে। কোন মুহূৰ্তত এই শগুনে পিচবাৰ্কাৰ শ্ৰমিকৰ ওপৰত জপিয়াই পৰে কোনো ঠিক নাই।

'ছাইট'ৰ মাজত থকা কোম্পানীৰ অফিচ ঘৰটো ইতিমধ্যে মুখ নেলাগিবলৈ খেতি পথাৰত দিয়া নকল ভূতটিৰ দৰে হৈ পৰিছে। চাৰিওফালে ৰঙা পতাকা, বেৰত এঙাৰেৰে লিখি থোৱা অলেখ শ্লোগান

ডানকান কোম্পানীয়ে ইতিমধ্যে দৈনিক কেইবা হাজাৰো টকা লোকচান ভৰিব লগীয়া হ'ল। তদুপৰি এতিয়া মনচুন আৰম্ভ হ'ব। কনট্ৰেক্ট কৰাও লাহে লাহে অসম্ভৱ কথা হৈ পৰিব।

হেড অফিচৰ পৰা আকৌ খবৰ আহিল। মেম্বাৰ সকলৰ এটি দলে মীমাংসালৈ অহাৰ চেষ্টা কৰিব। হেড অফিচলৈ পঠোৱা ইউনিয়নৰ প্ৰতিনিধিৰ দলটোৱে 'ফেডাৰেচনক' লগ ধৰি তেতিয়াও উভতি অহা নাছিল। বাকী 'বিং লীডাৰ' কেইটাই অৱশেষে হেড অফিচৰ পৰা অহা এই দলটিক লগ ধৰাৰ আগেয়ে লোকেল লীডাৰ শাস্ত্ৰীক এবাৰ লগ ধৰাৰ কথা ভাবিলে।

● ● ●

এটা সময়ত যশোৱন্তই শাস্ত্ৰী মহোদয়ৰ দুৱাৰ মুখত উপস্থিত হ'ল।

গুড়গুড়ি হুপিব এৰি শিয়ালমুৱা শাস্ত্ৰীয়ে কলে " কোম্পানীৰ প্ৰতিনিধিক আহিব দিয়া। কিন্তু তোমালোকে কিয় লগ ধৰিবা সিহঁতক ?"

এজন লীডাৰে ক'লে — "অৱস্থা বেয়া হৈ আহিছে। ছুইপাৰ সকলৰ অৱস্থা সাংঘাতিক। মুনীশহঁতৰ খেতিয়ক সকলে খেহ দিব নোৱাৰো বুলি খেদো - খেদো কৰিছে।

পিচ বাৰ্কাৰ আৰু আমাৰ শ্ৰমিক সকলৰ মাজত যি কোনো সময়তে খকা -খুন্দা লাগিব পাৰে। খুন হব পাৰে — তেজৰ নদী বব পাৰে, মেইন ফেডাৰেচন আগবাঢ়ি অহা নাই যেতিয়া —– আমি কোনো আশা দেখা নাই। ১৯৭৬ চনৰ 'বোনাচ ' ৰেট কংগ্ৰেছ চৰকাৰে পাছ কৰা নাছিল। জনতা চৰকাৰে এই বিল পাছ কৰিলে। কিন্তু কোম্পানীয়ে ১৯৭৭ চনত দিম বুলি কোৱা এই বোনাচ এতিয়ালৈকে দিয়া নাই। তদুপৰি আমাৰ তৃতীয় দাবী অৰ্থাৎ অহা মাৰ্চ মাহলৈ 'চাটাই' বন্ধ কৰাৰ দাবীৰ মীমাংসা এখন মিটিঙত হোৱা নাছিল। দ্বিতীয় মিটিঙত ইয়াৰ এটা মীমাংসা হব পাৰে।"

শাস্ত্ৰীয়ে ৰ্ভৎসনা কৰি উঠিল —

"তোমালোকৰ আত্মবল নাই? —– পাবত গজা লীডাৰ হবলৈ গ'লে সদায় এনে হয়।"

মোৰ 'ছালাহ' নিব আহিছা যেতিয়া, এই ধৰ্মঘট চলি থাকিব। হেড অফিচৰ পৰা মীমাংসা কৰিব অহা পাৰ্টিৰ সৈতে তোমালোকৰ মিটিং কেতিয়াও হব নোৱাৰে। 'আহম্মক' নহবা। তোমালোকৰ তেজৰ জোৰ কিমান হেড অফিচে জানক। মই লীগেল ফাইট কৰোৱাই দিম। প্ৰয়োজন হ'লে 'জ'লুস' বাহিৰ কৰাই দিম। ওচৰে- পাজৰে থকা আন আন ফেক্টৰীবোৰেও 'টোকন্ ষ্ট্ৰাইক' আৰম্ভ কৰিব।

— "আমাৰ ফাণ্ডত একেবাৰেই টকা নাই। বাহিৰ ৰ পৰা কোনো সহায় অহা নাই। আৰু বেছি দূৰলৈ যোৱা অসম্ভ ব একেবাৰে অসম্ভব।

গুড়গুড়িৰ পাইপডাল একাষে থৈ শাস্ত্ৰীয়ে হুংকাৰ কৰি উঠিল —

— "কোম্পানীৰ টকা খাই পেটুৱা হোৱা সেই লেবাৰ ইন্সপেক্টৰটোৱে গাৱেঁ গাৱেঁ গৈ খেতিয়ক সকলক ভাবুকি দি ফুৰিছে —–এই ধৰ্মঘট হ'ল লীগেল, তহঁতে ঘেহু চাউল ধাৰলৈ নিদিবি, —খাব নেপাই পেটে পিঠিয়ে লাগিলে সিহঁতৰ ধৰ্মঘটৰ নিচা উৰি যাব। এই শ্ৰমিকহঁতে নেছনেল ট্ৰিবিউনেললৈ লৈ গৈ খবৰ কৰি একেবাৰে বেণ্টামুৱা হৈ আহিছে। পেটুৱাই তিনিটা আঙুলি এই নিৰীহ খেতিয়কৰ মেলা মুখৰ পিনে টোৱাই কৈছিল "কোম্পানীয়ে আনবোৰ কনষ্ট্ৰাকচন কোম্পানীতকৈ থাৰ্টি পাৰচেণ্ট বেছি পে কৰে। দি ৱেজছ অব বাৰ্কাৰছ আৰ লিঙ্কড ইউথ দি প্ৰাইজ ইনদেক্স।" ইনস্পেক্টৰ বাবুৱে তেওঁৰ বিচিত্ৰ ইংৰাজীৰে কোৱা শেষৰ কথাকেইষাৰ অৱশ্যে খেতিয়কহঁতৰ কোনেও বুজি নেপালে। কিন্তু এই কথা সিহঁতে ভালকৈ বুজি পালে যে শ্ৰমিকক এই সময়ত শস্য দিয়া বৰ ভয়ঙ্কৰ কথা হ'ব।"

শাস্ত্ৰীয়ে গৰ্জন কৰি উঠিল — শত্ৰুৰ সম্মুখীন হ'বলৈ শিকা। ফাণ্ড শেষ হৈ আহিছে যেতিয়া, এতিয়া বুদ্ধিৰে কাম লোৱা। শুনিছো এখন বাগানত কোম্পানীৰ চিমেণ্ট আহি 'ৰায়বেৰেলী' ষ্টেচন পাব। —– বুদ্ধিৰে কাম লোৱা।"

— ভয়ঙ্কৰ কাণ্ড হ'ব পাৰে। পুলিচে পিটপিটাই ফুৰিছে — । গুলিয়াগুলি হব পাৰে। শেষত যদি লক আউট . "

---- তোমালোকক মই ধিক্কাৰহে দিয়া কৰিম। এই কামৰ বাবে উপযুক্ত লোক তোমালোক নোহোৱা।।"

সভাপতি বলবীৰ স্বামীয়ে সাই একুৰেডাক্টৰ প্ৰতিনিধিৰ হৈ মেইন ফেডাৰেচনক লগ ধৰিব লৈ যোৱা নাছিল। সি কিছু বিমৰ্ষ হৈ পেণ্টৰ পকেটৰ পৰা কিছুমান ৰঙা কাগজ উলিয়াই আনিলে। লোকেল লীডাৰ ৰ পিনে আঠ পৃষ্ঠাৰ কাগজৰ পেকেট এটা আগবঢ়াই দি সি ক'লে —

---- "মেনেজমেণ্টৰ তৰফৰ পৰা এইবোৰ অফিচৰ নোটিচ বোৰ্ডত আৰি দিছে। কিছুমান কপি শ্ৰমিক সকলৰ মাজতো বিলাইছে।"

লোকেল লীডাৰে কাগজবোৰ পঢ়িবলৈ চেষ্টা কৰিলে ----

-- লীডাৰহঁত তোমালোকে শ্ৰমিকসকলক ভ্ৰান্তিমূলক পথেৰে নিয়াৰ যো-জা কৰিছা। তোমালোকৰ যুক্তিহীন দাবী পূৰণ কৰিবলৈ কোম্পানীক ভাবুকি দিছা। কাম সমাপ্ত হোৱাৰ পাছত ক্ৰমান্বয়ে ডেইলী পেইড ৱাৰ্কাৰক 'চাটাই' কৰা হব। এই কথা কোম্পানীৰ বাবে আইন সন্মত কথা। 'চুপ্ৰিম কোৰ্টেও' এই কথা মানি লব।

যোৱা আগষ্ট মাহতে ডেইলী পেইড ৱাৰ্কাৰৰ এটি বুজন সংখ্যক বৰ্খাস্ত কৰা হব বুলি নোটিচ দিয়া হৈছিল। কাৰণ তেওঁলোকক দিব পৰা কোনো কাম কোম্পানীৰ হাতত নাছিল। জিলাৰ এক্সজিকিউটিভ ইঞ্জিনিয়াৰৰ সন্মুখত মেনেজমেণ্ট আৰু ইউনিয়নে এই প্ৰথাৰ লিখিত ভাবে সমৰ্থন জনাইছিল। তদুপৰি এই ধৰ্মঘট একেবাৰেই আইন সন্মত হোৱা নাই এই বাবেই যে, ১৯৭৫ চনত মেনেজমেণ্ট আৰু ফেডাৰেচন অব অল ইণ্ডিয়া ডানকান কোম্পানীৰ (সাই একুৰেডাক্টৰ ইউনিয়ন ইয়াৰ এটা শাখা মাত্ৰ) মাজত যি চুক্তি পত্ৰত চহী কৰা হৈছিল, সেই চুক্তি পত্ৰ মতেও এই ধৰ্মঘট আইন সন্মত হোৱা নাই।

দুমাহ আগেয়ে ১৯৭৭ চনত ইউনিয়ন আৰু মেনেজমেণ্টৰ মাজত এখন মিটিং হৈছিল। সমাপ্তিৰ পথলৈ অহা এই প্ৰজেক্ট আৰু শ্ৰমিকৰ 'চাটাই' সম্বন্ধে এই মিটিংত আলোচনা কৰা হৈছিল। কিন্তু এই মিটিঙৰ বিবৰণী তৈয়াৰ কৰা আৰু চহী দিয়াৰ সময়ত ইউনিয়ন মেম্বাৰসকলে শিয়ালৰ দৰে ধূৰ্তালি কৰি এটা দুটাকৈ আঁতৰি গল। শেষত প্ৰজেক্ট মেনেজাৰে নিজে বিবৰণ তৈয়াৰ কৰি ইউনিয়ন আৰু প্ৰজেক্ট অথৰিটিলৈ পঠিয়ালে। এই চিঠিকে কেন্দ্ৰ কৰি নিৰীহ শ্ৰমিকহঁতক ভুল পথেৰে পৰিচালিত কৰি ইউনিয়নে এক বে-আইনী আন্দোলন আৰম্ভ কৰিছে। ইউনিয়নে মেনেজমেণ্টৰ লগত কিছুমান ভিত্তিহীন বিষয় লৈ অহৰহ টনা-আজোৰা কৰি আছে।

উদাহৰণ স্বৰূপে 'মান্থলি ৰেটেড' শ্ৰমিক আৰু 'ৰেগুলাৰ' কেটিগৰীৰ শ্ৰমিকৰ ছাৰ্ভিচ ছিকিউৰিটি বিচৰা হৈছে। কিন্তু ১৯৭৫ চনত হোৱা চুক্তি মতে কোম্পানীৰ হাতত কাম নেথাকিলে মান্থলি ৰেটেড শ্ৰমিকক ছুটিত যাব দিয়া হয়। ডেইলী পেইড শ্ৰমিকক বৰ্খাস্ত কৰা হয়।

— ১৯৭৫ চনৰ এই চুক্তিলৈ ভ্ৰূক্ষেপ নকৰি ইউনিয়নে আইন বিৰোধী কাম কৰিছে।

ইউনিয়নৰ আন এটা দাবী যেনে "ছিনিয়ৰিটি টু বি মেইনটেইনড ইন অল ইণ্ডিয়া বেচিছ" ভিত্তিহীন। ১৯৪৭ চনৰ ইণ্ডাষ্ট্ৰিয়েল ডিচপিউট এক্ট' মতে কোম্পানীৰ হাতত কাম নেথাকিলে আৰু ইউনিয়নৰ সৈতে কোনো এগ্ৰিমেণ্ট নেথাকিলে ছিনিয়ৰিটিৰ বেচিছত ৰিট্ৰেন্স কৰা হব। এই বিষয়ে কোম্পানীৰ আইন সম্মত ৰেজিষ্টাৰ্ড এগ্ৰিমেণ্ট আছে। এই এগ্ৰিমেণ্ট ১৯৭৫ চনতে কৰা হৈছিল। এই ক্ষেত্ৰত 'ইণ্ডাষ্ট্ৰিয়েল ডিচপিউট এক্ট'ক কোনো ক্ষেত্ৰতে অমান্য কৰা হোৱা নাই।

১৯৭৫ চনৰ চুক্তি মতে যিবোৰ শ্ৰমিক কোম্পানীৰ 'মাষ্টাৰ ৰোল'ৰ অন্তৰ্ভূক্ত সেই সকলক নতুন ব্ৰাঞ্চত লগে লগেই কামৰ সুবিধা দিয়া হব। কিন্তু তেওঁলোকে লোকেল 'এম্পলয়মেণ্ট এক্সচেঞ্জ'ৰ জৰিয়তে আহিব লাগিব। তেওঁলোকৰ চাৰ্ভিছ কণ্ডিচন, পাৰিতোষিক 'ষ্টেট ল' 'কনট্ৰেক কণ্ডিচন' 'লোকেল কণ্ডিচন' ইত্যাদিৰ ওপৰত নিৰ্ভৰ কৰিব।

জিলা আৰু কেন্দ্ৰৰ আইন অনুসাৰে ডেইলী আৰু মাহুলি ৰেটেড শ্ৰমিক যি সকলক একোটা ব্ৰাঞ্চত একেবাৰে নতুনকৈ নিয়োগ কৰা হয় সেইসকলকো কাম সম্পূৰ্ণ হোৱাৰ সময়ত বৰ্খাস্ত কৰা হয় যদিও, এই কোম্পানীয়ে তেওঁলোকৰ বাবেও জিলা আৰু কেন্দ্ৰীয় আইন অনুসাৰে প্ৰাপ্য অৰ্থ মঞ্জুৰ কৰে। নিয়ম অনুসৰি তেওঁলোকক 'ৰেলৱে ফেয়াৰ', বাছ ফেয়াৰ' ছুটিৰ বিনিময়ত প্ৰাপ্য পাৰিতোষিকো দিয়া হয়।

১৯৭২ চনলৈকে বাহাল থকা পুৰণা ডেইলি পেইড ৱাৰ্কাৰক (এই সকলৰ কোনো কোনোৱে বাৰ বছৰৰো অধিক কাল কোম্পানীত কাম কৰিছিল) 'বি কেটেগৰী'ৰ কোম্পানীৰ মাধুপুৰ ৱৰ্কছৰ সময়তে এবলিছ কৰা হৈছিল। এই কেটেগৰী এবলিছ কৰা হ'ল যদিও এই সকল লোক এতিয়াও বিভিন্ন ব্ৰাঞ্চত সিচৰিত হৈ আছে। এই সকলক যেতিয়া বৰ্খাস্ত কৰা হয়, আইন সম্মত ভাবে তেওঁলোকৰ পাওনাৰ উপৰিও তিনিশ টকা উপকৰাকৈ দিয়া হব।

'ডানকান কোম্পানী'ৰ বাহিৰে ভাৰতৰ আন আন কোম্পানীয়ে 'মাহুলি পেইড' সকলকো বৰ্খাস্ত কৰা দেখা যায়। কিন্তু ফেডাৰেচনৰ অনুৰোধ মতে—কোম্পানীয়ে নতুন কাম পালে নতুন ব্ৰাঞ্চত এই সকল লোকক আকৌ প্ৰয়োজন হয়।—এঠাইত বৰ্খাস্ত হোৱাৰ পাছত অহৰহ নতুন ব্ৰাঞ্চত এই সকল লোকক কোম্পানীয়ে কাম দি আহিছে।

মনচুনৰ সময়ত যেতিয়া কামত বাধা আহে 'মাহুলি ৰেটেড' শ্ৰমিক সকলক তেওঁলোকৰ নিজৰ নিজৰ প্ৰাপ্য ছুটি সম্পূৰ্ণ কৰিবলৈ দিয়া হয়।

নতুন কাম পোৱাৰ লগে লগে এই সকল শ্ৰমিকক মাতি পঠোৱা হয়।

'চি' কেটেগৰীৰ শ্ৰমিক সকল— অৰ্থাৎ 'টেম্পৰেৰী মাহুলি ৰেটেড' শ্ৰমিক সকলক

চাৰি মাহলৈকে আধা দৰমহা দি ছুটি দি বহুৱাই ৰখা হয়। নতুন কাম পালে এই সকল লোকক 'এবজৰ্ব' কৰি লোৱা হয়।

'ডি' আৰু 'ই' কেটিগৰীৰ শ্ৰমিক সকল অৰ্থাৎ 'অল ইণ্ডিয়া ট্ৰান্সফাৰেবল মাছলি ৰেটেড' শ্ৰমিক সকলক পাঁচ মাহলৈকে পুৰা দৰমহা দি ছুটী অতিবাহিত কৰিবলৈ দিয়া হয়।

'ডানকান কোম্পানী'য়ে পুৰণা শ্ৰমিকৰ প্ৰতি সদায়ে সহানুভূতি প্ৰকাশ কৰি আহিছে। যি সকল পুৰণা শ্ৰমিক কুৰি বছৰৰো অধিক কাল কোম্পানীত আছে তেওঁলোকক 'ভলেণ্টিয়াৰী ৰিটায়াৰমেন্ট'ৰ কিছুমান সুবিধা দিয়া হৈছে।

বৰ্খাস্তৰ ক্ষতিপূৰণৰ দৰে তেওঁলোকক 'এক্সগ্ৰেটিয়া' দিয়া হয়। 'গ্ৰেচিউটি স্কীম'ৰ সকলোবিলাক সুবিধাও এওঁলোকক দিয়া হয়।

এই কোম্পানীয়ে এনে কিছুমান সুবিধা শ্ৰমিক মজদুৰক দিছে যিবোৰ সুবিধা ভাৰতৰ আন কোনো কোম্পানীয়ে নিশ্চয় নিদিয়ে। যিবোৰ মাছলি পেইডক 'চাৰপ্লাছ' কৰা হয়, সেইসকলে ভলেণ্টিয়াৰী ৰিটায়াৰ কৰিব পাৰে। এই ক্ষেত্ৰত তেওঁলোকক কিছুমান এক্সগ্ৰেটিয়া অৰ্থাৎ ৰিট্ৰেন্সমেন্ট কম্পেনছেচনৰ সমান সুবিধা দিয়া হব। কোনোবাই যদি কুৰি বছৰ কাম কৰিছে প্ৰত্যেক বছৰে ১৫ দিনলৈ অৰ্থাৎ ৩০০ দিনৰ দৰমহা দিয়া হব।

যি সকল সুদক্ষ লোকৰ ৰিট্ৰেন্সমেন্ট গ্ৰহণ কৰা নহয়, সেই সকলক আকৌ কামত নিয়োগ কৰা হব। কোম্পানীয়ে তৎক্ষণাতে যদি এই সকল লোকৰ চাকৰিৰ ব্যৱস্থা কৰিব নোৱাৰে নতুন কামত প্ৰতিষ্ঠিত নোহোৱালৈ তেওঁলোকক পুৰা দৰমহা দি ৰখা হব।

যি বৰ্দ্ধিত ডি এ ইতিমধ্যে ঘোষণা কৰা হৈছে, ফেডাৰেচনে এই ডি এ তৎক্ষণাতে ৰিলিজ কৰিব লাগে বুলি দাবী কৰিছে। কিন্তু 'কনজিউমাৰ প্ৰাইচ ইনডেক্স নাম্বাৰ' পোৱা যাব তিনি মাহৰ পাছতহে। গতিকে ফেডাৰেচনে তৎক্ষণাতে এই ডি এ ৰিলিজ কৰিব লাগে বুলি কৰা দাবী ভিত্তিহীন।

১৯৭৬ আৰু ১৯৭৭ৰ বোনাচ তৎক্ষণাতে ৰিলিজ কৰিব লাগে বুলি ফেডাৰেচনেও দাবী কৰিছে। কিন্তু শ্ৰমিক সকলক কোম্পানীয়ে ইতিমধ্যে জনাই দিছে যে বোনাচ এক্ট মতে ১৯৭৬-৭৭ ৰ বোনাচ ১৯৭৮ চনৰ মাৰ্চ মাহতহে মুকলি কৰা হব। কাৰণ তেতিয়াহে ইয়াৰ বেলেন্স ছিট্ লাভ লোকচানৰ খতিয়ান তৈয়াৰ কৰা হব।

ফেডাৰেচনে গ্ৰেচিউটিৰ বাবে যি দাবী কৰিছে—সেই দাবী একেবাৰে ভিত্তিহীন কাৰণ চৰকাৰৰ গ্ৰেচিউটি এক্ট কনট্ৰাকচন কোম্পানীৰ বাবে 'এপ্লিকেবল' নহয়।

কি কাৰণে এই গ্ৰেচিউটি এক্ট কোম্পানীৰ কাৰণে এপ্লিকেবল নহয়, ইয়াৰ এক সদীৰ্ঘ বিৱৰণ তলত দিয়া হ'ল। ..

এই সুদীৰ্ঘ নোটিচখনি লকেন্দ্ৰ লীড়াৰে মনোযোগেৰে পঢ়িলে যদিও, তেওঁক

চিন্তাক্লিষ্টযেন দেখা নগ'ল। শেষত তেওঁ গুডগুডিত এটা প্ৰচণ্ড হোপা মাৰিলে। তাৰ পাছত সকলোকে সম্বোধন কৰি ক'লে----

"মই লক্ষ্য কৰিছো তোমালোকে কোম্পানীৰ দালালইঁতে বিলাই ফুৰা এই গুলপীয়া কাগজবোৰ দেখি থেৰো-গেৰো লগাইছা। কোনো আত্মবিশ্বাস নাই তোমালোকৰ ?"

কিছু সময় মনে মনে থাকি আকৌ ক'লে শাস্ত্ৰীয়ে---

"আজি পুৱা এজন শ্ৰমিক আহিছিল। সি ক'লে-- কোম্পানীত কুৰি বছৰ কাম কৰিছে এতিয়াও 'ফাইনেলৰ' ভয়ত পেপুৱা লাগি আছে। — এবাৰ সি কোম্পানীৰ মেনেজাৰ এজনক সোধোতে কলে অশিক্ষিত একোটাক কুৰি বছৰলৈকে চাকৰিত ৰখা হৈছে সেয়া কোম্পানীয়ে মহান কাম কৰিছে। কিন্তু বৰ্খাস্ত হোৱাৰ পাছত কাম পাব নে নেপাব এই অস্থিৰতাত সিহঁত বুঢ়া হৈছেগৈ, তদুপৰি যিকোনো মুহূৰ্তত কোনো এক ব্ৰাঞ্চে কোম্পানীক খাটি দিয়াৰ পাছতো কৈ দিব পাৰে যে কাম নাই।

কুৰি বছৰ তেজক পানী কৰিও সিহঁত কোম্পানীৰ এক অপৰিহাৰ্য অঙ্গ হৈ পৰা নাই। ইযাতকৈ ডাঙৰ কথা আৰু কিবা আছে নে ?

তোমালোকৰ ৰঙা ঝাণ্ডা উৰুৱাই থাকা। শ্ৰমিকৰ তেজেৰে লপ থপ হোৱা ৰঙা ঝাণ্ডা কেতিযাও তললৈ নামিব নিদিবা।"

লীডাৰহঁতে এটাই আনটোৰ মুখলৈ চালে। দুটামানে লোকেল লীডাৰৰ কথাত কিছু তজবজীয়া হৈ উঠিল। যশোৱন্তৰ মুখত অৱশ্যে— কোনো ধৰণৰ আশাৰ ৰেঙনি দেখা নগ'ল । লীডাৰসকলে মুন্সীগঞ্জৰ পিনে পথ ধৰিলে—

যশোৱন্তই কলে—

"এইপিনে কিয় ?"

সভাপতি বলবীৰে কলে---

"লক্ষ্য কৰা নাই নে লাহে লাহে তুঁহ জুই জ্বলি আহিছে — এতিয়া খালাচী লঙ্গৰত বহা দেখিলে সিহঁতে চকু ৰঙা নকৰিবনে নে ?"

"কিন্তু এতিয়া আমি ক'লৈ যাম ?"

'মুন্সীগঞ্জৰ ভাটিখানালৈ।'

"কথাটো ভাল নহব।"

"তোৰ যদি ইচ্ছা নাই 'পাইলৰ' দলঙেৰে চমু পথ ধৰ।"

সকলোৰে পিনে মুৰ তুলি চাই যশোৱন্তই পাইলৰ দলঙৰ পিনে খোজ দিলে।

এজন মেম্বাৰে ক'লে—

—"বেচেৰা বৰ গোঁৱাৰ অথচ সৎ।।"

—"কিন্তু বেচেৰাই বৰ লেকেটা মাটিত খুটি পুতি আছে, শেষত "উটাৰোকা ভকতহে হব লাগিব।"

লীডাৰহঁতে গৈ মুন্সীগঞ্জৰ চেগুণৰ পাতৰে কৰা অস্থায়ী ভাটিখানাত বহিল। এটা লীডাৰে ক'লে—

—"ঠোঙাবোৰ দেখোন খালী। পিয়াজৰ টুকুৰাও অলপ থব নোৱাৰ নেকি?"

সকলোৱে হেপাহ পলুৱাই মদ খাবলৈ ধৰিলে। ঠিক এনে সময়তে খিৰিকীৰ মুখত বলৰীৰে মুন্সীগঞ্জৰ গাঁওবুঢ়াক দেখা পালে। মূৰত টিলা পাগুৰী, বনিয়ন নোহোৱা উদং বুকু, খদ্দৰৰ ধুতি, হাতত এগছি মাটিৰ চাকি। গধুলি সময়। বুঢ়াৰ শ্বহীদৰ স্মাৰকত বন্তি জ্বলোৱাৰ সময় এয়া। বুঢ়াই খিৰিকীৰে ভুমুকিয়াই চালে। বলৰীৰৰ চকুত পৰাৰ লগে লগে এক ঘৃণাৰ ভাৱ বুঢ়াৰ চকু-মুখত বিযপি পৰিল। বুঢ়াৰ এই চকু-মুখৰ ভাৱে যেন ধিক্কাৰ দি কৈছিল—

—তহঁতে ধৰ্মঘট কৰিছ। ল'ৰা তিৰোতা ভোকত আছে। আমাৰ কৃষক সকলৰ খোৱা পাততো চকু দিছ। আৰু নিজে মদ খাইছ। এই মন লৈ তহঁতে কিবা মহৎ-কাম কৰিব পাৰিবিনে? --- তহঁত এটাৰো মনত ত্যাগৰ বীজ মন্ত্ৰ নাই। — কেনেকৈ কৰিবি মহৎ কাম তহঁতে?

বুঢ়াই অৱশ্যে মুখ ফুটাই একো নকলে। শ্বহীদ স্মাৰকৰ পিনে তেওঁ গোঁ গোঁৱাই আগবাঢ়ি গ'ল।

## (ন)

সেইদিনাৰ সেই ভয়ঙ্কৰ অভিজ্ঞতাৰ পাছত ছাইটত মুকুলি মুৰীয়াকৈ ওলাই সোমাই ফুৰিবলৈ নাৰায়ণীৰ এক প্ৰকাৰ অসম্ভৱেই হৈ পৰিল।

টিতকাৰি, ঠাট্টা-মস্কৰা, আনকি দুই একে দেখাদেখিকৈ তাইক অশ্লীল গালি দিবলৈ কুণ্ঠাবোধ নকৰিলে। ধৰ্মঘটৰ লগে লগে এৰাল পোৱা গৰুৰ দৰে অ'ত ত'ত ঘূৰ্মুটিয়াই ফুৰা ডেকাজাকৰ মাজৰ পৰা এটাই এটা শিল গুটি মাৰি পঠিয়ালে এদিন।

নীৰৱে তাই সহ্য কৰিলে। জীৱনৰ প্ৰতি উদাসীনতা আহিল। শিবু খাছলাৰ দৰৱৰ খৰচ, কেচুৱাটিৰ বাবে গাখীৰৰ খৰচ উলিওৱা এক প্ৰকাৰ অসম্ভৱেই হৈ পৰিল। কত গ'ল তাইৰ সেই কেশ বিন্যাসৰ হেপাহ? ধৰ্মঘট আৰম্ভ হোৱাৰ পাছত 'ছাইটত' কামো নোহোৱা হ'ল। কেঁচুৱাটিক কোলাত লৈ তাইক সাই নদীৰ পাৰে পাৰে ঘূমুটিয়াই ফুৰা দেখা গ'ল।

উন্মুক্ত চুলি। মলিয়ন শাৰী, কোলাত অস্থিপুঞ্জ স্বৰূপ এই শিশুটি লৈ বেতিয়া তাই সাই নদীৰ পাৰে পাৰে ফুৰে, 'খালাচী লজৰ'ত খাই বৈ নোদোকা হোৱা কুকুৰ জাকে ভুকিব ধৰে। এই জাক কুকুৰে সাধাৰণতে পাঁচজনী ব্লাউজ পিন্ধা গাভৰু ছোৱালী থকা ছুইপাৰ ভৃগুৰ মাক বসুমতীকহে ভুকিছিল। কুটকুৰা চুলি, গোটেই গাত ধবল কুষ্ঠৰ দাগ, উদং দেহত মেৰুয়াই লোৱা শাৰীৰ শতচ্ছিন্ন টুকুৰা। কাম কৰিব নোৱাৰা হোৱাৰ পৰা খৰৰ মানুহে তাইক কুকুৰ মেকুৰীৰ দৰে ব্যৱহাৰ কৰিছিল। 'খালাচী লজৰ'ত তাই কুকুৰৰ বাবে দলিয়াই দিয়া ৰুটি খাবলৈ লোৱাৰ সময়ত, এই কুকুৰ জাকে তাইক বেৰি ধৰি ভুকিছিল।

চ'ত বহাগ মাহত জন্ম পোৱা পোৱালীজাকে ভুকি ভুকি একেবাৰে হাবাথাড়ি হৈ পৰিছিল।

ধৰ্মঘট আৰম্ভ হোৱাৰ পাছৰ পৰা ছুইপাৰ বেবেকৰ ল'ৰা ছোৱালীজাকে এই খালাটী লগবত কুকুৰৰ বাবে দিয়া কাটিৰ আশাত বোন্দাপৰ দি বহি থাকে। মাজে মাজে কুকুৰ আৰু মানুহৰ দৰবা -দৰবি লাগে।

দুদিন আগেয়ে নাৰায়ণীয়ে সাই নদীয়ে ভাঁজ লোৱা স্থানৰ বালিত এজোপা তৰমুজেৰে ভৰি থকা লতা দেখি আহিছিল। কাঁইটীয়া বগৰী আৰু 'বাবুল' গছৰ শুকান জেং কিছুমান তাই কেঁচা তৰমুজ গছজোপাৰ ওপৰত ঢাকি থৈ আহিছিল যাতে কোনেও এইজোপা গছ দেখা নেপায়।

তাই তৰমুজৰ এই গছজোপাক উদ্দেশ্য কৰিয়েই আগবাঢ়ি গ'ল। শুকান কৰ্ক বালিত খোজ দিয়াৰ লগে লগে ভৰি-হাত দেই -পুৰি যোৱাৰ দৰে লাগিল। কিন্তু তৰমুজজোপাৰ ওচৰত থিয় হৈ তাই একপ্ৰকাৰ আৰ্তনাদ কৰি উঠিল — সৌজনী বসুমতী? কেঁচা তৰমুজবোৰ চোবাই চোবাই ঠাইডোখৰ একাকাৰ কৰি পেলাইছে।

এই মুহূৰ্তত পশুৰ দৰে লগা বুঢ়ীলৈ কিছু সময় নাৰায়ণীয়ে চাই ৰ'ল। তাৰ পাছত তাই চিৎকাৰ কৰি উঠিল—

"ৰাক্ষসী জেং জাবৰ দি লুকুৱাই থৈ গৈছিলো। তথাপি চকুত পৰিল।"

কিছু সময়ৰ পাছত মাত্ৰ ঠাৰি পাত আৰু মাংসৰ টুকুৰাৰ দৰে খাই এৰা তৰমুজৰ বাকলিৰ বাহিৰে এই ভৰপূৰ লতাজোপাৰ আৰু একোৱেই বাকী নেথাকিল।

বুঢ়ীৰ চুলিকোছাত ধৰি জোকাৰিবৰ মন গ'ল নাৰায়ণীৰ। কিন্তু কিয়? এয়াতো তাইৰ বোপা -ককাৰ মাটিত হোৱা তৰমুজ নহয়? সৌ সিদিনা 'বন জিলেবী' বোলা ফল কিছুমান লৈ ছুইপা ।হঁতৰ দুটা দলৰ মাজত মূৰ ফলাফলি হৈ গ'ল।

ধৰ্মঘটে সকলোকে এভিয়া বাক্সস কৰি তুলিলে। কাৰো হাতত পইচা নাই। শম্ভু পাছোৱানে বিপদৰ সময়ত প্ৰয়োজন হব বুলি টিংটোত যি চান্দা সাঁচিব খুজিছিল, সেই টিং উদং হৈয়ে থাকিল। নিজে নেখায়ো এইকেইদিন শম্ভু পাছোৱানে অনেকক সহায় কৰিছে। পাঁচজনী ব্লাউজ পিন্ধা ছোৱালী থকা ভৃগু ছুইপাৰৰ এজনী ছোৱালীক অন্ততঃ বায়বেৰেলীৰ এটা প্ৰাইভেট নাৰ্ছিং হোমত ৰোগীৰ কাপোৰ ধোৱাকৈ থব পাৰি নেকি চেষ্টা কৰি আছে। ইয়াত এম্প্লয়মেন্ট এক্স চেঞ্জৰ লক্ষণা নাই। কিন্তু ধৰ্মঘট হোৱাৰে পৰা মুকুলিমূৰীয়াকে সি আৰু ক'লৈকে যাব পৰা নাই। কাৰণ নতুনকৈ মাটি দিয়া বাঙ্কৰ মুৰৰ পৰা ৰায়বেৰেলী চহৰলৈ টাঙ্গাত গলেও তিনি চাৰি টকা খৰচ হয়। ধৰ্মঘটৰ লগে লগে পইচা অহাৰ সকলো বাট বন্ধ হৈ গৈছে। বসুমতী বুঢ়ীয়ে তৰমুজেৰে পেট ভৰাই নদীৰ পানীৰ ওচৰলৈ আগবাঢ়ি গ'ল। হেপাহ পলুৱাই পানী খালে।

পানীৰ ওচৰৰ শিল এছটাত নাৰায়ণী কিছু অসন্তুষ্ট হৈ বহিল।

বসুমতীয়ে খোৱাই খোৱাই অহাৰ দৰে আহি নাৰায়ণীৰ ওচৰত থিয় হ'ল। কাল

"বেৰেকৰ বান্দৰ সোপাই এই গছজোপা দেখাই নাছিল। সিইতৰ চকু জগদীশপুৰৰ সেই কছাই কেইটাই দলিয়াই পেলোৱা নাডী ভুৰুবোৰৰ ওপৰতহে পিপিয়াই ফুৰে।" হঠাৎ তাই ক'লে — কি হ'ল ঔ নাৰায়ণী ! তই দেখোন মুখ ওলোনাই বহি আছ। নাৰায়ণী মই তোৰ দুখ বুজি পাওঁ । চেহেৰা দেখোন একেবাৰে পোকে খোৱা অমিতা গছৰ দৰে ঢিলা হৈ গৈছে । পেটত বাচ্চা তাচ্চা কিবা আছে নেকি?

নাৰায়ণী নিৰুত্তৰ —

— " শুন মই ছমহীয়া পেট কাটি একেবাৰে পৰিষ্কাৰ কৰি পেলাব পাৰো একেবাৰে বনৰীয়া বাগী ডিমক কটাৰ দৰে।"

এইবাৰো নাৰায়ণী নিৰুত্তৰ।

শুন, 'জঙ্গলী জিলেবী'ৰ ৰসেৰে কৰা ঔষধৰ কথাও মই জানো। 'কবৰ বেদত' থাকোতে উটৰ মুখেৰে ওলোৱা ফেনেৰেও ঔষধ কৰিব শিকিছিলো। বৰ জবৰদস্ত ঔষধ ফেঁটি সাপৰ বিষতকৈও মাৰাত্মক। অলপ ইফাল সিফাল হ'লেই খেল খতম। শুন সেইদিনা ৰাতি তই ঠাকুৰ চাহাবৰ 'কোৱাৰ্টাৰৰ পৰা আধা ম ৰা হৈ বেৰেককৈ অহাৰ পাছত মই তোক সাই নদীৰ বালিলৈ টানি আনিবলৈ ছেগ চাই আছিলো।

নাৰায়ণীয়ে মূৰ তুলি বসুমতীৰ মুখলৈ চালে।

" কোবৰ বেদত" থাকোতে এজনী প্ৰেতনীৰ পৰা আৰু এটা দৰৱ শিকিছিলো — - ব্যভিচাৰ কৰি অহাৰ পাছত তিৰোতাজনীক যদি শ্মশানলৈ লৈ গৈ "

আৰ্তনাদ কৰি উঠিল নাৰায়ণীয়ে,

"চুপ থাক বুঢ়ী। ডিঙিত চেপা মাৰি থবিম।"

বসুমতী চুপ হৈ গ'ল।

ঘামেৰে তিতি থকা অৰ্দ্ধনগ্ন দেহ। মূৰত মৰাপাতৰ বৰণ লোৱা কুটকুৰা চুলি। ধবলগ্ৰস্ত জিৰাফৰ ছাল এক ভয়ঙ্কৰ ৰূপ বসুমতীৰ। তাই ক'লে —

— 'নাৰায়ণী মই জানো তোৰ পেট চাফা কৰাৰ দৰ্কাৰ নাই। ঠাকুৰ চাহাবৰ ধ্বজ ভঙ্গ ৰোগ আছে । চব কথা মনত আছে। বেকী নদীৰ ওপৰত আছিল সেই দলং। আঃ সেই ভয়ঙ্কৰ বৰষুণ, বিজুলী ঢেৰকনি। পাঁচ দিন ধৰি চলিছিল বৰষুণ। যেতিয়াই বৰষুণ কমিছিল তেতিয়াই কাম 'চালু' হৈছিল। মই তেতিয়া চাহাবৰ পাইখানা ধুইছিলো ভৃগুৰ তেতিয়া বিয়া হোৱা নাছিল। বৰষুণৰ মাজতো কাম হৈছিল। ভৃগু গৈছিল 'কনক্ৰিটলৈ'। মই বৰষুণত লপ থপ হৈ ভৃগুক ৰুটি দিবলৈ গৈছিলো। 'ফাট্টাৰ' ওপৰত (এশ ফুট ওখ এপ্ৰোচশ্লেবৰ কনক্ৰিট) ঢালাই হৈ আছিল। সেইবাৰ আমাৰ ছুইপাৰ বেৰেকৰ বাৰ বছৰীয়া ল'ৰাকো এঁকৈশ বছৰীয়া বুলি কৈ 'পিচবাৰ্কাৰে কামত সুমুৱাই দিছিল, ভৃগুৰ তেতিয়া ওঠৰ বছৰহে হৈছিল। বেচেৰা লেৰলেৰিয়া চেহেৰা, ওজন থকা গামলা লৈ 'ফাট্টাৰ' (স্কাফ'ফিল্ডৰ) ওপৰত কাম কৰোতে তাৰ ঠাঁঠু কঁপিছিল। মই তলত থিয় হৈ চাই আছিলো। মোৰ বুকু

ঢপঢপাইছিল। ডেৰকুৰি হাত ওপৰৰ পৰা ঢালাইৰ গামলা লৈ পৰিবলগীয়া হোৱাহেঁতেন সি মৰিলহেঁতেন। বৰষুণত 'ফাট্টাৰে' কাম কৰা কি ভয়ানক কথা জান নহয়।— দেও লগা দিনেই আছিল সেইদিনা। নৰখাদক বাঘৰ হুঙ্কাৰ আৰু মেটৰ হুইছেল সেইদিনা একেই আছিল। কোনোবা এটাই ইফাল সিফাল কৰিলেই সেই দেওলগা হুইছেল বাজি উঠিছিল হুহু —হুহু। হুহুচ ।।

"মই তিতি জুৰুলি জুপুৰি হ'লো। চকু আৰু নাকৰ পানীৰে একাকাৰ হ'ল। ভাব হ'ল মোৰ এই পেটৰ পোৱালীটি — এই হেৰাল— এই হেৰাল।

ডেৰকুৰি হাত ওপৰত বৰষুণ পৰি পিছল হৈ থকা চালিয়া আৰু তলত সৌৱা লোহা শিলৰ নৰক — পৰিব লাগিলে নেফা-নেফ হৈ যাব।"

"বৰষুণ। চকুৰ পানী। নাকৰ পানী। আৰু সেই ৰাক্ষস মেটৰ হুইছেল —"

"চিৰিৰিৰি হুহুহুহু চিৰিৰিৰি বাৰ বছৰীয়া ল'ৰাক একৈশ বছৰীয়া বুলি দেখুওৱা খকুৰা মেট। পিচ বাৰ্কাৰৰ ৰাক্ষস দালাল। সপ্তাহৰ মূৰত বুঢ়া আঙুলিৰ টিপত কুৰি টকাৰ চহী দিয়াই মাত্ৰ দহ টকা গালৈ দলি মাৰি দিয়া ৰাক্ষস — চিৰিৰিৰি —হুহুহু — চিৰিৰিৰি শেলুৱৈয়ে ধৰা পিচল 'ফাট্টা' সাপৰ পিঠিৰ দৰে চকচকাই আছিল —"

'পৰিব পৰিব, কোনোবা এটা নিশ্চয় পৰিব দেওলগা দিন। হৰ হৰ বৰষুণ - তদুপৰি সেই চিৰি ৰি ৰি — চিৰি ৰিৰি "

বিজুলি ঢেৰকনি। কিন্তু কাম বন্ধ হব নোৱাৰে — পগলা ঘোঁৰাৰ দৰে মানুহবোৰ দৌৰিছে। মানুহ জানোৱাৰ হৈ গৈছে — বৰষুণকো ভয় নকৰে, জানোৱাৰকো ভয় নকৰে - — হুৰ হুৰ হুৰ হুৰ হুৰাৎ — "

চিৰাৰাৎ—

কি হ'ল? কি হ'ল এয়া? বৰষুণত তিতি থকা 'ফাট্টা' দুই টুকুৰা হৈ ফাটি গ'ল। লগে লগে তিনিটা খালাচী ছিটিকি পৰিল তলৰ লোহালক্কৰ আৰু শিলগুটিৰ ওপৰত। পচি যোৱা ফাট্টাই ঢালাইৰ বাল্টিৰ ভৰ সহ্য কৰিব নোৱাৰিলে।

আহ দোহাই ভগৱান— দোহাই মোৰ বাপ। ভৃগু ফাট্টাৰ পৰা নামি আহিছিল তেতিয়া?

হৰা দুৰা চিএৰৰ বাখৰ পিচ বাৰ্কাৰৰ খালাচী এটাৰ লোহাৰ ৰ'দ পেটেৰে সোমাই পিঠিয়েদি বাহিৰ ওলাই আহিল। বেচেৰা পিচ বাৰ্কাৰৰ খালাচী।! দুটা হাস্পাতালত মৰিল। শিল গুটিৰ দম এটিৰ ওপৰত চাহাব এটা পৰাৰ কথা আমি পিছতহে গম পাইছিলো। সেই হুৰ হুৰণি, ভিৰ ভিৰণি, চিএৰৰ বাখৰৰ মাজত চাহাবক কোনোবাই সাউৎ কৰে উঠাই লৈ গৈছিল। মানুহে কয় ফাট্টাৰ তলৰ শিলগুটিয়ে চাহাবৰ অণ্ডকোষ ফালি থেন-থেনীয়া কৰি পেলালে। তেতিয়াৰ পৰা চাহাবৰ ধ্বজ ভঙ্গ।

— " মোৰ চব কথা মনত আছে। হাস্পাতালত মৰা খালাচীহঁতৰ লাছ পুৰিবলৈ

'হুইট'ৰ বাঁহ কাঠ আহিছিল। বৰা চাহাব, ছোটা চাহাব সকলোকে পুলিচে গ্ৰেপ্তাৰ কৰিছিল। বৰষুণত তিতি থকা 'বন্দী' ফাট্টাৰ ওপৰেৰে ঢালাইৰ চিমেণ্ট লৈ যোৱা ভালুকৰ দৰে খালাচীহঁতৰ জীৱনলৈ পোৱোৱাই নাই?

পুলিচে গ্ৰেপ্তাৰ কিয় নকৰিব?

শুনা যায় চাহাবহঁতক খালাচ কৰিবলৈ কোম্পানীয়ে পুলিচক কুৰি হাজাৰ টকা ঘোঁচ দিছিল।"

বৰ মনোযোগেৰে নাৰায়নীয়ে বুঢ়ীৰ কথা শুনি আছিল। বুঢ়ীক দেখিলেই সকলোৱে ছেই ছেই লেই লেই কৰে। বেচেৰীৰ মনৰ মাজত অনেক স্মৃতিৰ কথা গিলিপ খাই থাকে - — এবাৰ মুখ মেল খালে বয়লাৰৰ সাফৰ মেল খোৱাৰ দৰে হয়।

মূৰ তুলি চাই নাৰায়নীয়ে দেখিলে সাইৰ বালিত কিচিৰ মিচিৰ কৰি থকা শগুণ জাকৰ দুই এটা ঠিক দুয়োৰে মূৰৰ ওপৰত উৰিব ধৰিছে।

বুঢ়ীয়ে ক'লে —

"কিয় উৰিছে এইবোৰ? — খাই এবা তৰমুজবোৰক মৰাশ বুলি ভাবিছে নেকি?"

"ইনক্লাবীহঁতৰ আৱাজ শুনা নাই?"

ধৰ্মঘট আৰম্ভ হোৱাৰ দিন ধৰি বাৰ্ক-হুইটত পৰিক্ৰমা দিয়া মোৰ্চাৰ 'নাৰা' (শ্লোগান) শুনা গৈছে। অলেখ ৰঙা নিচান বতাহত উৰিছে।

"জো হামসে থক যায়েগী, চুড় চুড় হো যায়েগী !"

"হামাৰা মাঙ্ পুৰি কৰো !"

এই প্ৰচণ্ড চিংকাৰত ওচৰে - পাজাৰে থকা গছবোৰৰ কাউৰীবোৰেও কা কা কৰি উঠিল। বালিত কিচিৰ - মিচিৰ কৰি থকা শগুণ শগুণ জাকৰ দুই এটা এইবাৰ আকাশৰ পিনে উৰি গ'ল।

বুঢ়ীয়ে মনোযোগেৰে সিহঁতৰ 'নাৰা' শুনিলে। তাৰ পাছত নাৰায়ণীক ক'লে 'হুছিয়াৰ' হৈ থাকিবি। বৰ বেয়া দিন আহিছে। এই 'নাৰা'বোৰ চৰ খোলাকটিৰ তাল হব। মুদ্ৰাৰ ঝন ঝননিত এই 'নাৰা' কবৰৰ তললৈ সোমাই যাব। এই নাৰাই মাথোঁ কবৰৰ তললৈ সোমাই যাব পাৰে, উঠিব নেজানে। চা এয়া মোৰ গাৰ ছাল কনগুইৰ ছালৰ দৰে খহটা হৈ গৈছে। পিঠিৰ কুজটো দেখিছ? আৰু এই চুলিবোৰ? কুকুৰে ভুকে, মানুহে ছেই ছেই লেই লেই কৰে। মৰিবলৈ আৰু সৰহ দিন নাই। মই চাৰা জীৱন এনেকুৱা নাৰা শুনি আহিছোঁ। — শুন বিবোৰ লীভাৰে আমাৰ ডেইলী পেইডহঁতক অতদিন ভোকত ৰাখি ধৰ্মঘট কৰিছে সিহঁতে মুৰ্গীগঞ্জৰ 'চালিৰ' তলত বহি মদ খাই থাকে আৰু মোৰ্চাই ৰঙা ঝাণ্ডা লৈ 'হুইটে হুইটে' ঘূৰি ফুৰে।

হঠাৎ নাৰায়ণীয়ে প্ৰশ্ন কৰিলে—

"কেনেকৈ জানিলি?"

'হুছিয়াৰ' — নেজান কি মাৰাত্মক দিন আহিছে। মই মুন্সীগঞ্জ আৰু জগদিশপুৰত ঘৰে ঘৰে গৈ উমঘাম ললো — বেয়া বেমাৰ হোৱা মানুহ কৰবাত আছে নেকি। মই কাপোৰ কানি আৰু পায়খানা ধুব পাৰিলোহেঁতেন। কলো পাঁচমহীয়া পেটো পৰিস্কাৰ কৰিব পাৰো। কিন্তু চাল্লাহঁতে পানী এটোপা খোজোতে নঙলাৰ বাহিৰতহে ঢালি দিয়ে আৰু গাঁৱৰ সেই কুকুৰ জাক — আহ একেবাৰে বখলিয়াই খাব যেন লাগিল। — মুন্সীগঞ্জৰ সীমালৈকে ভুকি ভুকি একেবাৰে হায়ৰান।

— জগদীশপুৰতো সেই একেই অৱস্থা। চাল্লাহঁতে নঙলাৰ বাহিৰতহে পানী দিযে। — আমি যেন জন্তু জানোৱাৰহে। সিহঁতে কি বুজিব স্বয়ং গান্ধী ভগৱানে এবাৰ মোৰ - আইৰ হাতেৰে পানী পিছিল।

আৰ্তনাদ কৰি উঠিল নাৰায়ণীয়ে

—'ক'ত?

— 'চাহেব গঞ্জত। হিন্দু মুছলমানৰ দাঙ্গাৰ সময়ত।'

এই কথাটি কাৰোবাৰ আগত কব পাৰিলে বুঢীযে বৰ গৌৰব অনুভব কৰে। পশুলৈ ৰূপান্তৰিত হোৱা এই চেহেৰা, অন্তৰ্দ্ধান হৈ পৰে। মনৰ আকাশত মহামূল্যবান মানিকৰ দৰে উজ্জল হৈ উঠে সেই অনন্য কাহিনী।

কিছু সময় তাই নীৰব হৈ ৰল। অনাহাৰী পেট তৰমুজেৰে পৰিপূৰ্ণ হৈ পৰিছিল। তদুপৰি নাৰায়ণীৰ দৰে শ্ৰোতা পাই বুঢী বসুমতী একপ্ৰকাৰ আত্মাহাৰা হৈ উঠিছিল। - এটা বৰ প্ৰয়োজনীয় কথা আছিল নাৰায়ণীৰ সৈতে। সেই কথাটি এতিযাহে মনত পৰিল। তাই এইবাৰ নাৰায়ণীৰ একেবাৰে ওচৰলৈ উঠি আহিল।

— "শুন নাৰায়ণী, খুব দৰকাৰী কথা। দুদিন ধৰি তোক এইদৰে অকলশৰে পাবলৈ ফুৰিছো। আজি ওচৰত পাযো কথাধাৰ এতিযাহে মনত পৰিল।"

— কি কথা?

—"পেটত বাচ্চা নাই ভাল কথা। কিন্তু গাখীৰ খোৱা কেচুঁৱা এটাটো আছে। কামৰ পৰা খেদা খোৱাৰ পাছত জেঠ মাহৰ 'লু'ৰ কোব খাই যেতিয়া ৰাযবেৰেলীৰ বাটে বাটে ফুৰিবলগীয়া হব আৰু তোৰ সেই বেমাৰী ধাছলাই যেতিয়া সেই খা-খা কৰা ৰ'দৰ চোক সহ্য কৰি তোৰ পিছে পিছে ফুৰিবলগীয়া হব তেতিয়া কি কৰিবি?"

নাৰায়ণীয়ে তলমুৰ কৰিলে। কিয়েই বা উত্তৰ দিব তাই?

"শুনিছো সেইদিনা গোটোৱা টকা-পইচাৰ ওপৰত বামু আৰু ৰামু গুণ্ডা উবুৰি খাই পৰিল। কিবা বচাব পাৰিলিনে?"

নাৰায়ণীয়ে এইবাৰো কোনো উত্তৰ নিদিলে। "মই জানো সেই দুটা ৰাক্ষসৰ হাতৰ পৰা তই একো বচাব নোৱাৰিলি। নেজান মিছা সাক্ষী দিবলৈ বাহিৰৰ পৰা মানুহ আহি সিহঁতক ভাৰা কৰি নিয়ে।

কতবাৰ হাজোতৰ ভাত আৰু পুলিচৰ চাবুকৰ কোব খাই আহিছে সিহঁতে?"

এইবাৰো নাৰায়ণীয়ে কোনো উত্তৰ নিদিলে ।

'শুন তোক এটা ডাঙৰ কথা কবলগীয়া আছে?"

"কি কথা?"

"ৰায়বেৰেলী টাউনলৈ সেই লডি খাৰপিট" (লোডী কাপেট) আৰু কচ আইৰণ (কাষ্ট আইৰণ) কোম্পানী আহিছে। 'একচিন' (এম্প্লয়মেণ্ট এক্সচেঞ্জ) পাৰ হৈ নতুন ছুই পাৰ আহি পাবলৈ অনেক দিন লাগিব। --- তদুপৰি গৰ্ন্সহঁতে কেম্প পাতি জগদিশপুৰৰ সীমাতে থাকিব।"

— "কোনে ক'লে?"

ইউনিয়নৰ মেম্বাৰ এটাই। সেই ৰঙা টুপি পিন্ধা হাণ্টাৰ লৈ ফুৰা লিঙুৰিয়া মেম্বাৰটো দেখা নাই? সেইদিনা জগদীশপুৰৰ পৰা উভতি আহোতে পিছে পিছে কুকুৰ এজাকে খেদি আহিছিল। নেফা-নেফ কৰি পেলালেহেঁতেন মোক। ৰঙা টুপী পিন্ধা এই মেম্বাৰটো নহাহেঁতেন।

কুকুৰ জাকক খেদি দি ৰঙা টুপীয়ে ইফালে সিফালে চাই কৈছিল - -

"উঠ বুঢ়ী উঠ। তই জগদীশপুৰত সোমোৱাৰ পৰা ওলাই অহালৈকে মই তোৰ পিচ লৈ ফুৰিছো — কামৰ খবৰ কতো নেপালি নহয়?"

আকৌ এবাৰ ইফালে সিফালে চালে সি, যেন চুৰ কৰিহে মোৰ লগত কথা পাতিছে "হেৰৌ ৰাক্ষসী ধৰ্মঘট চলি আছে মনে মনে তহঁত 'ডেইলী পেইডহঁতে 'মোৰ্চাত' ভাগ নলৈ কাম বিচাৰি ফুৰিছ। 'মেটক' কৈ তহঁতৰ চাটাই কৰাম ।"

মই চুচুৰি গৈ ৰঙা টুপীৰ ভৰিখন সাবটি ধৰি কলো —

"মইতো 'নাৰা' লগাব নোৱাৰো।"

'ইউনিয়নৰ ওপৰত তহঁতৰ বিশ্বাস নাই তহঁত নিমখ হাৰাম। ইউনিয়নে ফাগু শেষ কৰি তহঁতক বিলাই দিয়া নাইনে?"

— ৰঙা টুপীয়ে আকৌ এবাৰ ইফালে সিফালে চালে। তাৰ পাছত একেবাৰে হাউলী আহি 'হাণ্টাৰ'ডাল মোৰ মূৰৰ ওপৰত থলে।

"তহঁতৰ নাৰায়ণীয়ে আজিকালি ঠাকুৰ চাহাবৰ কাপোৰ ধুবলৈতো নেযায়। নহয় নে?"

মই কলো —'নাযায়'।

"তেতিয়াহ'লে শুন: কাৰ্পেট কোম্পানীয়ে 'সাহৰ বালিত' তম্বু টানিব। বিল্ডিং নসজালৈ সিহঁতে টম্বুত থাকিব। তহঁতে শুনিছ নহয় যোৱা সপ্তাহৰ পৰা ঠাকুৰ চাহাবৰ বেমাৰ? কোম্পানীৰ গাড়ী ৰায়বেৰেলীৰ হাস্পাতালত অহা যোৱা কৰিব নোৱাৰে। ধৰ্মঘট। ৰাতি চাহাবৰ চাটাইৰ বেৰত ঠেকছিগা দলে শিলগুটি দলিয়াই খকা-সৰকা কৰিছে। এতিয়া

লীডাৰহঁতে 'ইমাৰজেন্সিত' ব্যৱহাৰ কৰা গাড়ী খনো শ্ৰমিককহে দিব। কোনোবা চাহাব যদি বেমাৰত পৰি মৰিও যায় পুলিচৰ গাড়ীয়েহে সিহঁতৰ লাছ উঠাব। গাড়ী অহা যোৱা কৰা পথত ধৰ্মঘটকাৰীয়ে আৰু এটা দাগুধাৰীক 'খাৰা' কৰাই থৈছে। গেটৰ ৰঙা পতাকাত এইবাৰ এটা ভয়াবহ চিহ্ন লগাই থৈছে। শুন বুঢী মই আচল কথালৈ আহো ঃ কাৰ্পেট কোম্পানীৰ চাহাবৰ লগত ঠাকুৰ চাহাবৰ হলি গলি আছে। আমি কেইদিনমানৰ কাৰণে ঠাকুৰ চাহাবক এই টম্বুত আনি থম। তেওঁৰ চিকিৎসা হব, তদুপৰি ছাইটত কোন মুহূৰ্তত বাৰুদৰ গোন্ধ আহি পৰে ঠিক নাই।

এইবাৰ সি আকৌ এবাৰ ইফালে সিফালে চাই উঠি ক'লে—

"বসুমতী শুন তই নাৰায়ণীক লগ ধৰিবি। কবি তাই ইয়ালৈ আহি চাহাবৰ কাপোৰ ধুই যাব। মনে মনে আহিবি। পুৰণা গাডী যোৱা পথেৰে মনে মনে আহিবি।"

'ইউনিয়নৰ মানুহে যদি মাৰধৰ কৰে।'

— 'নাই নাই কোনো ভয় নাই।' কাৰ্পেট কোম্পানীৰ গেটত বন্দুকধাৰী চিপাহীয়ে পহৰা দিব। কাৰ্পেট কোম্পানীত পায়খানা ধোৱা কামৰ পকা ব্যৱস্থা হৈ যাব।

নাৰায়ণীয়ে মনোযোগেৰে বসুমতীৰ কথা শুনিলে। কিন্তু এইবাৰো তাই নিৰুত্তৰ হৈ বহি থাকিল।

— ক নাৰায়ণী কি কম মই ?

নাৰাযণীয়ে আকাশৰ পিনে চালে।

এটা মোৰ্চা এইপিনেই আগবাঢি আহিছে। সৌৰা ধুলি উৰিছে। —চেগুন গছত বহি থকা কাউৰীজাকে কা কা কৰি দূৰলৈ উৰি যাব ধৰিছে বসুমতীয়ে ক'লে আহ তললৈ নাম। সৌ শিল দুচটাৰ আৰ হৈ থাকিলে সিহঁতে আমাক ধৰিব নোৱাৰিব।

দুয়ো বগুৱা বাই নমাৰ দৰে শিল দুছটাৰ তললৈ নামি গ'ল।

বসুমতীয়ে ক'লে—

—লীডাৰহঁত দুটা ভাগত ভাগ হৈ গৈছে দেখা নাই। এটাই মীমাংসালৈ আহিব খোজে। ৰঙাটুপিয়ে কিন্তু যুদ্ধ কৰিব খোজে। শুনিছো দুয়োটা দলৰ থকা খুন্দা, খুন খাৰাবীও হব পাৰে

মোৰ্চা অৱশ্যে এই পিনে নাহিল। অফিচাৰৰ মেচৰ পিনেহে গ'ল।

দুয়ো উঠিল। 'সাইৰ তলত বালিৰ ওপৰেৰে এই বাৰ দুয়ো লৰিব ধৰিলে। এইবাৰ দুয়োৰে মাজত যেন প্ৰতিযোগিতাহে চলিল — কোন আগবাঢিব। এৰা কোনে আগবাঢি গৈ মোৰ্চাৰ নেগুৰ স্পৰ্শ কৰিব ?

● ● ●

ফেডাৰেচনৰ পৰা কোনো প্ৰতিনিধি নাহিল। সাই বাৰ্কৰ পৰা যিকেইটা প্ৰতিনিধি গৈছিল সেইকেইটাইও অন্ধকাৰত মুখ লুকুৱাইহে ঘূৰি আহিবলগীয়া হ'ল। ফেডাৰেচনৰ পৰা শ্ৰমিকসকলৰ বাবে কিছু অৰ্থ সাহায্য পাব বুলি ইউনিয়নৰ বদ্ধমূল ধাৰণা আছিল। ফেডাৰেচনে সোঁৱৰাই দিলে কোম্পানীৰ তিনি কুৰি ব্ৰাঞ্চ অসময়ৰ পৰা আৰম্ভ কৰি কাশ্মীৰলৈ বিয়পি আছে। ফেডাৰেচনৰ অনুমতি নোলোৱাকৈ এই তিনি কুৰি ব্ৰাঞ্চে যদি অহৰহ এনেদৰে ধৰ্মঘট আৰম্ভ কৰে — কৰ পৰা অৰ্থ – কড়িৰ ব্যৱস্থা কৰিব?

ফেডাৰেচনে অৱশ্যে শান্তনা নিদিয়া নহয়। ১৯৭৫ চনৰ আগষ্ট চুক্তি যে এক ভুল বুজাপৰাৰ মাৰাত্মক কাহিনী এই কথা ফেডাৰেচনে অত্যন্ত দুখেৰে স্বীকাৰ কৰিছে। ফেডাৰেচনে এই চুক্তিৰ ম্যাদ শেষ হোৱালৈ অধীৰ আগ্ৰহেৰে বাট চাই আছে।

ৰাতি দুটা বজাত কাশী বিশ্বনাথ এক্সপ্ৰেছ লক্ষৌ হৈ বায়বেৰেলী ষ্টেচনত উপস্থিত হয়। ইউনিয়নৰ পাঁচজন মেম্বাৰে নবেম্বৰ মাহৰ ৰাতি এইখন ট্ৰেইনৰ পৰাই এটা দুটাকৈ নামিল। প্ৰায় গোটেই কেইজনে পিন্ধিছিল খদ্দৰৰ পায়জামা আৰু ঢিলা পাঞ্জাবী। মূৰত টুপী। কান্ধত ওলমি আছিল খদ্দৰৰ বেগ।

প্লেটফৰ্ম পাৰ হৈ পাঁচোজনে বাহিৰৰ মুকলি চৌহদত উপস্থিত হ'ল। ৰিক্সাবালাবোৰৰ প্ৰায়বোৰেই চৌহদৰ মাটিৰ য'তেই সুবিধা পাইছে ততেই কুচি মুচি শুই আছে। ৰেল অহা সময়ৰ আগেয়ে দুই এখন টেক্সি আহি উপস্থিত হৈছিল। আজি নাই। ৰাস্তাৰ দাঁতিলৈ ওলাই গৈ সিহঁতে এখন টাঙ্গাকে বন্দোবস্ত কৰিলে। টাঙ্গা অৱশ্যে একেবাৰে বান্ধৰ ওচৰলৈ নেযায়। জগদীশপুৰৰ বেছিক স্কুলৰ ওচৰৰ পৰা টাঙ্গা উভতি আহিব বৰবেচি চুঙ্গি কৰ আদায় কৰা কেম্পৰ ওচৰলৈ যাব—ইমানেই।

পিছৰছোৱা ৰাস্তাৰে অহা যোৱা কৰিবলৈ দিনতেই মানুহে ভয় কৰে। সৌ সিদিনা মাথো তিনিকুৰি বদ চৰিত্ৰৰ মানুহক জগদীশপুৰৰ পৰা চালান দিয়া হৈছে।

টাঙ্গা চলিল। ৰাতিৰ ভয়াবহ নিস্তব্ধতা ভঙ্গ কৰি ঘোঁৰাৰ ডিঙিৰ ঘণ্টাৰ আৱাজ শুনা গ'ল।

এটা কুকুৰ পৰ্যন্ত এইছোৱা পথত দেখা নগল। আহিবৰ সময়ত সিহঁতে ট্ৰেইনত পেট ভৰাই খাই আহিছে — ভাত,মাংস,বৰফৰ চৰবৎ। মাত্ৰ এজন মেম্বাৰে একো খোৱা নাই। বেচেৰাৰ স্বাভাৱচিত্ত যশোৱন্তৰ দৰে। কথাই কথাই কয়—

"ইউনিয়নৰ ফাণ্ডৰ পইচা শ্ৰমিকৰ তেজেৰে গোটোৱা ব্লাড বেংকৰ দৰে। ভাবি-চিন্তি খৰচ কৰা উচিত। এই ফাণ্ডৰ টকাৰে মই মুৰ্গীৰ মাংস আৰু ভাত কেতিয়াও খাব নোৱাৰো।"

খল খল খল! টক টক টক। বাওঁহাতে হাইবে বেঁটুৱা' থকা চাৰিআলিটো সিহঁতে পাৰ হ'ল। এই মুকলি বেঁটুৱাৰ খেৰৰ চালি কেইখন এতিয়া একোটা উদং বাটিৰহৰ দৰে দেখা গ'ল। কেইটামান নিষ্প্ৰভ বাল্‌ব অ'ত ত'ত জ্বলি আছে— আৰু একো নাই।

টক টক খল খল — টক টক টক। টাঙ্গাৰ ভিতৰত এই পাঁচোটা প্ৰানীয়ে এইবাৰ এটা কথাই ভাবিলে— যোৱা তিনি বছৰৰ ভিতৰত ৰায়বেৰেলী চহৰৰ এক অভিনৱ পৰিবৰ্ত্তন হৈছে। এচাম ব্ৰীৰ ছিট কংগ্ৰেছীয়ে লাভ কৰা বুলি শুনি ৰাজনাৰায়ণে ৰায়বেৰেলীৰ জনতাক সেইদিনা চিধা চিধিকৈয়ে ভৰ্ৎসনা কৰা নাছিল নে —

— আহ্ বৰ চঞ্চল ছিট

ইন্দিৰা গান্ধীক পৰাজিত কৰি সৌ সিদিনা এইখিনিতেই ৰাজনাৰায়ণে নাৰ্জি ফুলৰ মালা পিন্ধা নাছিল নে ? হয় হয় এইখিনিতেই ৰায়বেৰেলীৰ জনগণে তেওঁক লৈ শোভাযাত্ৰা কৰিছিল।

ৰাজনাৰায়ণে 'নাৰ্জি ফুলৰ' মালা পিন্ধাৰ কিছুদিন আগেয়ে এবাৰ ইন্দিৰা গান্ধীয়ে এইপিনে পদযাত্ৰা কৰিবলৈ আহিছিল। খদ্দৰৰ শাৰী, হাত দীঘল ব্লাউজ। চকুত কলা চছমা— আগে পিছে কনিষ্টবলৰ ভিৰ, আলিৰ দুয়োকাষে নাৰ্জি ফুলৰ মালা। মাজে মাজে তেওঁ ডিঙি পাতি দিছিল — সিহঁতে হৰ্ষধ্বনি কৰি শ্ৰীমতী গান্ধীৰ ডিঙিত মালা পিন্ধাই দিছিল।

ফটোগ্ৰাফাৰৰ ক্লিক্ ক্লিক্ উৰুলিকৃত জনতাৰ হাত চাপৰি। খল খল খল খল। টক টক টক।।

'পি ডব্লিউ ডি' আলিৰ এই লাইটপোষ্টবোৰত কিছুমান কাগজৰ মালা ওলমি থকা দেখা গ'ল। প্ৰাচীৰ সমূহতো কিছুমান 'নেমপ্লট' আঠা মাৰি থোৱা দেখা গ'ল। ফিৰোজগান্ধী কলেজৰ ছাত্ৰ ইউনিয়নৰ ইলেকচন চাগৈ !

খল খল খল খল। টক টক টক।।

মাত্ৰ চাৰিবছৰ আগেয়ে বেলিগঞ্জত, সৎ নগৰ কাযফৰগঞ্জৰ ভগ্ন দালান, আৰু ৰাণী কৈথোলাৰ 'খণ্ডহৰত' পৰিণত হোৱা ৰাজভৱন এইবোৰ দেখি ভাব হৈছিল কোনো ভয়ঙ্কৰ যুদ্ধ — নাইবা ধুমুহাই এৰি থৈ যোৱা চহৰ এয়া — নাইবা প্ৰাগ্ ঐতিহাসিক যুগৰ চহৰ এই ৰায়বেৰেলী — শামুকৰ খোলাৰ দৰে ৰং খা - খা আৱাহাৱ—

খল খল খল খল। টক টক টক।

এই চাৰিবছৰৰ ভিতৰতে কি এক অভিনৱ পৰিবৰ্তন? নতুন ষ্টেচন জকমকাই উঠিল — ইন্দিৰা গান্ধীয়ে এই ষ্টেচন মুকলি কৰাৰ দিনা হেনো ছয় হেজাৰ জনতা উপস্থিত আছিল।

আই টি আই আহিল।

স্বদেশী কটন এণ্ড স্পীনিং মিল আহিল।

কাষ্ট আইৰণ আহিল।

মোডী কাৰ্পেট আহিল।

ৰায়বেৰেলী টাউন 'দহৰম-মহৰম' হৈ উঠিল। একেবাৰে ভালমৌৰ পিপাৰ পুললৈ এই দহৰম - মহৰমৰ আৱাজ শুনা গ'ল।

খল খল খল খল। টক টক টক।

জগদীশপুৰৰ নতুনকৈ বন্ধা দলঙৰ 'ডাইভাৰচন'ৰ ওচৰত আহি টাঙ্গা ৰ'ল।

ফটফটীয়া সুন্দৰ জোনাক। চিমেণ্টৰ দম এটিৰ ওচৰত ক্ৰেইন এখন পৰি আছে। যেন কপালী বালিত বহি আছে এটা উট।

সৌৱা জগদীশপুৰৰ বেছিক স্কুল।

এটা এটাকৈ পাঁচোটা মেম্বাৰ টাঙ্গাৰ পৰা নামিল। টাঙ্গাৱালাক বিদায় দি সিহঁত ডাইভাৰচনৰ পিনে আগুৱাই গ'ল

কিছু দূৰত কেনেল দেখা গৈছে। কেনেলৰ নতুনকৈ কটা মাটিৰ চপৰাবোৰত জোনাক পৰাত মঙহৰ টুকুৰা যেন লাগিছে।

এই 'কেনেলে'ই বেহটা গাঁৱক সমানে দুফাল কৰি থৈছে।

মেম্বাৰ কেইজনে চেগুণ এজোপাৰ তলত থিয় হৈ কোৱা-মেলা কৰিলে —

"কি কৰা যায় এতিয়া?"

বান্ধৰ ওপৰেৰে সিহঁত আগুৱাই গ'ল।

ৰাতি আঠে বজাত এই গাঁও মৰিশালীলৈ ৰূপান্তৰিত হৈছে। গাঁৱৰ সীমা পাৰ হৈ সিহঁতে মুকলি মাটিডৰা পালে। তাৰ পৰা মাটি কাটি বেৰেজত ঢলা হৈছিল।

কি কৰিব ঠেক ছিগা এই দলটোৱে? শাস্ত্ৰীৰ দৰে সিহঁতক 'গাইড' কৰিবলৈ কোনো নাই।

পাঁচোটা মেম্বাৰৰ কাণত অহৰহ বাজিল শাস্ত্ৰীৰ কণ্ঠস্বৰ —"মই 'লীগেল ফাইট' কৰোৱাই দিম। আইনৰ সুক্ষ্ম কঠিন জাল কেনেকুৱা ৰহস্যময় নেজাননে? মাখিও বন্ধ হ'ব পাৰে অথচ তিমি মাছো ফাকেৰে ওলাই যাব পাৰে —মই ইণ্ডাষ্ট্ৰিয়েল ডিচপিউট এক্টৰ দফা — "

ধপ!!

"আৰে, কি পৰিল এইটো!!"

"ধপ! ধপ! ধপ! ধপ!!"

ইটা! পাথৰ! পলা পলা

"পলা পলা পলা — বাবুলৰ কাঁইটীয়া হাবিৰে পলা — চালা নিমখ হাৰামহঁত, কোম্পানীৰ দালালহঁত, চুৰৰৰ বাচ্চাহঁত "

কাঁইটীয়া হাবিৰে পাঁচোজন মেম্বাৰে তৰা নৰা ছিঙি লৰিব ধৰিলে। এজনৰ কান্ধৰ খদ্দৰৰ বেগ কাঁইটীয়া জোপোহাত লাগি ধৰিলে। পায়জামা ফাটি ভৰিৰ মঙহ ছিৰা ছিৰি হোৱাৰ উপক্ৰম হ'ল।

পৰিল — পৰিল — এটা পৰিল।

ইটা গাত লাগিল চাগৈ — কপালত — মূৰত — বুকুত

নাই নাই উভতি চোৱাৰতো আৰু সময় নাই।

● ● ●

ইউনিয়নৰ দুটা দলৰ মাজত চলা এই হতাহতিৰ ফলস্বৰূপে যিটি প্ৰাণী গভীৰ ভাবে আহত হ'ল সেইটিয়ে আছিল সেই সৰল হৃদয়ৰ নিষ্ঠাবান মেম্বাৰ — যিয়ে ইউনিয়নৰ ফাণ্ডক "ব্লাড বেঙ্কৰ" লগত তুলনা কৰিছিল। এই ফাণ্ডৰ টকাৰে ৰেলত মুৰ্গীৰ মাংস খোৱাৰ পৰা বিৰত আছিল।

এই ঘটনা বাৰ্ক ছাইটৰ পৰা বাহিৰত ঘটিছিল। ধৰ্মঘটৰ বাতাবৰণত এই ঘটনাই কোনো প্ৰকাৰৰ ৰেখাপাত কৰিব নোৱৰিছিল।

## (দহ)

"লাল ঝাণ্ডা কৰে পুকাৰ।"

"ইনক্লাব জিন্দাবাদ।"

"হামাৰা মাঙ্গ পুৰী কৰো, নহীতো গান্দী ছোড দো।"

"মেনেজমেণ্ট কা ধোকাবাজী নহী চলেগী — নহী চলেগী।"

"লাল ঝাণ্ডা "

হঠাৎ এই সুদীৰ্ঘ মোৰ্চা গৈ ছুইপাৰৰ বেৰেকৰ সেই পাঁচ গৰাকী গাভৰু ছোৱালী থকা ছুইপাৰ ভৃগুৰ চাটাইৰ চালিৰ ওচৰত থিয় হ'ল।

ভৃগুৱে আঁঠুত মূৰ গুজি দুৱাৰৰ ওচৰত বহি আছিল।

ৰঙা পতাকা লৈ থকা লীডাৰহঁতৰ দুটামানে গৈ তাক আগুৰি ধৰিলে।

পাঞ্জাবী খালাচী কেইটাৰ লগত তাৰ গাভৰু জীয়েক দুগৰাকীৰ লেটি পেটি অনেক দিনৰ পৰা আছিল। ধৰ্মঘটৰ সুযোগ লৈ কটী বিচাৰি যোৱাৰ চেলু লৈ সিহঁতে সঘনে খালাচীহঁতৰ ওচৰলৈ গৈছিল।

বনৰীয়া মহৰ দৰে শৰীৰ খালাচীহঁতৰ।

আৰু ভৃগু ছুইপাৰৰ গাভৰু জীয়েক দুজনী গোমধানৰ পুলিৰ দৰে কোমল হাতভৰি। পূৰঠ অমিতাৰ দৰে বুকু।

ৰঙা নিচানধাৰী নেতা কেইটাই হাতৰ ঠাৰেৰে মোৰ্চাক আগুৱাই যাবলৈ ইঙ্গিত দিলে।

মোৰ্চা আগুৱাই গ'ল।

নেতাই ক'লে — "এই কাপুৰুষ গাভৰু জীয়েকহঁতৰ চকিদাৰ হৈ পহৰা দি থাকিব নোৱাৰিলি। ধৰ্মঘটৰ 'ইমাৰজেন্সি' ডিউটিতটো তোক লগোৱা হোৱা নাছিল। — কি কৰি আছিলি?"

ভৃগুৱে মূৰ নেদাঙিলে। ওচৰত থিয় হৈ থকা শম্ভু পাহোৱানে ক'লে —

"ধৰ্মঘটে সিহঁত দুজনীক আৰু সুযোগ দিলে। দেখা নাই আমাৰ ছুইপাৰৰ ল'ৰা-ছোৱালীহঁতে গাৰেঁ গাৰেঁ নদীয়ে নলাই পিয়াপি দি ফুৰিছে। কটী বিচাৰি সিহঁতো গৈছিল।"

— "কেতিয়া গ'ল?"

— "যোৱা ৰাতি।"

— "খালাচী কেইটা গ'ল?"

সিহঁতৰ 'জামাদাৰৰ' মতে পাঁচটা খালাচী নাই।

"পুলিচ চৌকিত ৰিপৰ্ট লিখিলি?"

"নাই।"

"সিহঁতে নিশ্চয় দোভাগ ৰাতিৰ সেই পেছেঞ্জাৰ ট্ৰেইনখনতে পলাইছে। বাৰ্ক ছাইটত পিয়াপি দি ফুৰা কনিষ্টবল কেইটাৰো চাঁগে হাত আছে। যা 'মধাই' পুলিচ থানালৈ গৈ ৰিপৰ্ট লিখাই আহগৈ।

ভিতৰত ছোৱালীহঁতৰ মাকে তেতিয়াও বাউচি জুৰি কান্দি আছিল। বেচেৰীয়ে বৰ আশা কৰিছিল এবাৰ কোম্পানীত "পাৰমানেন্ট" হ'ব পাৰিলে খোৱা পিন্ধাত কষ্ট নহ'লহেঁতেন। খোৱা পিন্ধাত কষ্ট হ'লে সিহঁতে পাঞ্জাবী খালাচীৰ লগত বেশ্যা হ'বলৈ নগ'লহেঁতেন।

তাইৰ এই বাউচিয়ে পৰিস্থিতি গম্ভীৰ কৰি পেলালে।

হিংস্ৰ পশুৰ দৰে এইবাৰ বুঢ়ী বসুমতীয়ে বেবেকম ভিতৰৰ পৰা ওলাই আহিল। তাইৰ কঁকালত তেতিয়াও মহাত্মা গান্ধীয়ে পানী খোৱা লোটাটো ওলোমাই থোৱা আছিল।

তাই ক'লে — মূৰ্খহঁত আৰু কিমান দিনলৈ চলিব তহঁতৰ ধৰ্মঘট? গান্ধী মহাত্মাৰ দিনৰ পৰা তহঁতৰ নাৰা বাজী (শ্লোগান) শুনি শুনি মোৰ এই কাণ যুগুলা হৈ গ'ল। দুকুৰি বছৰ ধৰি চাহাবহঁতৰ পায়খানা ধুই আহিছো। কাম শেষ হ'লে সদায়ে চুৰনিৰ কুকুৰৰ দৰে খেদা খাইছো। আৰু সোমাইছো আৰু খেদা খাইছো। কোনো দিনতো পাৰমানেন্ট হোৱা নাই।

তাইৰ কণ্ঠৰ সুৰ সলনি হ'ল। প্ৰচণ্ড গৰ্জন তুলি এইবাৰ তাই শীতাৰ কেইটাৰ মুখৰ পিনে আঙুলি টোৱাই ক'লে —

"আজি আমাৰ ঘৰৰ ছোৱালীয়ে পেটৰ ভোকতে পেছেঞ্জাৰ ট্ৰেইনত উঠিব লগীয়া হ'ল। কালি আৰু 'খুন খাৰাবী' হ'ব। তেজৰ নদী বব। — তহঁতে একো কৰিব নোৱাৰিবি। তহঁতৰ গাত বীৰ ভগত সিঙৰ তেজ নাই — তহঁতে এই তৰহৰ দিনতো গৈ মুনীমজুৰ চেৰাবখানাত চেৰাব খাব!"

— "চুপ থাক বুঢ়ী।"

শম্ভু পাহোৱানৰ গৰ্জন শুনি বুঢ়ীয়ে থত্ মত খালে। ইতিমধ্যে ছাইটত ঘুমুটিয়াই

ফুৰা পুলিচৰ দল এটিয়ে হুইছেল বজাই উপস্থিত হ'ল।

এক মুহূৰ্তৰ ভিতৰতে সকলোৱে ছত্ৰভঙ্গ দিলে।

ভূগুৰ ওচৰত এইবাৰ পুলিচ পাৰ্টি থিয় হ'ল। সিহঁতৰ মাজত চিভিল ড্ৰেছত থকা চি আই ডি অফিচাৰটোৱে নোটবুক উলিয়াই ঘটনাৰ বিৱৰণ টুকি ললে।

● ● ●

ব্যবহাৰ হোৱাৰ পাছত দমাই থোৱা ক্ৰেইনৰ বিভিন্ন পাৰ্টি, চাটাৰিং প্লেট, ৰড পাইপ ইত্যাদিৰে ভৰা বাকৰিখন অস্থি পুঞ্জৰে ভৰি থকা এখন মৰিশালীৰ দৰে দেখা গৈছিল। ঠায়ে ঠায়ে তাতে আজি ৰঙা পতাকাই শোভা কৰিছে। লোকেল লীডাৰ শাস্ত্ৰীয়ে আহি ভাষণ দিব।

প্ৰচণ্ড হুলস্থূলৰ মাজতো লোকেল লীডাৰ শাস্ত্ৰীৰ কণ্ঠস্বৰ শুনা গ'ল —

— "ভাইহঁত তোমালোকৰ জি এম এ ক'লে -- পুঁজিবাদ পুঁজিবাদ বুলি চিঞৰা, ইয়াত লীডাৰ হ'ব পাৰিবা! ডেমক্ৰেচিত ট্ৰেড ইউনিযন কৰিব পাৰিবা। — মজদুৰক ভুলাই চান্দা তুলি খাব পাৰিবা।'

লোহা লক্কৰৰ ওপৰত বহি থকা ইউনিয়নৰ আনটো দলে (এই দলটিয়ে অতি শীঘ্ৰে মেনেজমেণ্টৰ সৈতে এটা ,‿ৰা শৰালৈ আহিব খুজিছিল) শিয়ালাৰ দৰে খেক খেকাই উঠিল।

শাস্ত্ৰী এই বিষয়ত অভ্যস্ত। তেওঁ হাত এখন ওপৰলৈ তুলি দুগুণ উৎসাহেৰে ক'লে —

— "ভাইহঁত মজদুৰে যেতিয়া যুদ্ধত নামে ফলাফল জানিয়েই নামে। যি ডেমক্ৰেচিৰ দোহাই তোমালোকৰ জি এমে দিছে সি কি বস্তু? সেই ডেমক্ৰেচি সকলোৱে কোৱাৰ দৰে 'হোৱাইট কালাৰবালা'হঁতৰ হ'ব পাৰে। এচাম ছাত্ৰৰ হ'ব পাৰে, — মজদুৰৰ কেতিয়াও হ'ব নোৱাৰে। ইয়াত ডেমক্ৰেচি পাৰ্লামেণ্ট আৰু 'এচেম্বেলী'ত য'ত লুটৰ মাল লৈ খোৱা-কামোৰা হয়, য'ত —

লোহা লক্কৰৰ ওপৰত বহি থকা এটি বিশেষ দলে হুলস্থূল কৰি উঠিল। কোনোবা এটাই ইটাৰ টুকুৰা এটা মাৰি পঠিয়ালে — লগে লগে পি এ চি পুলিচৰ হুৰমুৰণি লাগি পৰিল।

শাস্ত্ৰীয়ে ভাষণ বন্ধ নকৰিলে।

"ইংৰাজৰ হুকুমৰ" আৰু আজিৰ গণতন্ত্ৰৰ মাজত কোনো পাৰ্থক্য নাই। যি সকলে আৰাম কৰিছিল আজিও কৰে। যি সকলে গাধৰ দৰে বোজা বৈছিল আজিও বৈ আছে। পণ্ডিতে কয় ইংৰাজ 'মুলুকত' বন্দী ভাৰতে সতী প্ৰথা বন্ধ কৰিছিল, — কিন্তু আজি স্বাধীন ভাৰতে সেই নাৰীক স্বাধীন কৰিব পাৰিলে নে?"

দল এটাই চিঞৰি উঠিল —।

"একেবোৰ কথা লীডাৰবোৰৰ মুখত শুনি শুনি আমাৰ কাণ ঘুণলা হৈছে।"

শাস্ত্ৰীয়ে হাত এখন ওপৰলৈ দাঙিলে। নাৰ্জিফুলৰ মাল্যজাল ডিঙিৰ পৰা খুলি টেবুলৰ ওপৰত থলে।

"ভাইহঁত তোমালোকৰ মাজত দুশ চল্লিশ দিন কাম নকৰা 'লীগেল ডিউজ' নোপোৱা — 'কেজুৱেল' আছে। দুশ চল্লিশ দিন কাম কৰি ৰেগুলাৰ হোৱা লোক আছে, যি সকল পাৰমানেণ্ট হ'ব নোৱাৰে। বৰ্ক চাৰ্জত মাহুলি এম্প্লয়ি আছে যি সকলক কোম্পানীয়ে কামৰ চাহিদাৰ খাতিৰতহে কামৰ মিয়াদ বঢ়াই দিয়ে। কোম্পানীত চাৰি বছৰ কাম কৰি ব্ৰাঞ্চে ব্ৰাঞ্চে ট্ৰান্সফাৰ হৈ ঘুৰি ফুৰা পাৰমানেণ্ট মাহুলিহঁতেও 'প্ৰভিডেণ্ট' ফাণ্ডৰ' বেনিফিট নেপায়। আৰু সৌ 'পিচ বাৰ্কাৰ'ৰ লগত অহা মজদুৰহঁত? কোম্পানীত বিহ মেটেকাৰ দৰে ভৰি পৰা মজদুৰহঁত, সুদখোৰৰ ধাৰ ৰখাৰ হতাশেৰে আহি পিচ বাৰ্কাৰৰ জালত পৰা মজদুৰহঁত ইহঁতে কেতিয়াবা ট্ৰেড ইউনিয়ন কৰিব পাৰিব নে?"

উদণ্ড দলটিয়ে এইবাৰ হট্টগোল আৰম্ভ কৰি দিলে। এই হুলস্থুলৰ মাজত কোনোবাই এছটা ইটা মাৰি পঠিয়ালে শাস্ত্ৰীক উদ্দেশ্য কৰি।

ধপ্ ধপ্ ধপ্ — সেই এছটা ইটাই অজস্ৰ ইটা হৈ পৰিল। প্ৰচণ্ড হুলস্থুল লাগি পৰিল। — পি এ টি পুলিচে বক্তৃতামঞ্চ বেৰি ধৰিলে।

## (এঘাৰ)

ছাইটত বন্দুকধাৰী পি এ চি পুলিচৰ ভিৰ লাহে লাহে বাঢ়ি আহিল। এই সময়তে মুন্সীগঞ্জৰ কছায়ে দলিয়াই পেলোৱা নাড়ী ভুৰু খাই ছুইপাৰৰ ল'ৰা এটাই এদিন তেজ বতিয়াই মৰিল।

কোম্পানীৰ 'ডেইলী পেইড'হঁতৰ মাজত দুই এটি গুণ্ডা প্ৰকৃতিৰ শ্ৰমিক আছিল। বামু আৰু ৰামুৱে এই বদ চৰিত্ৰহঁতৰ লগ লাগি কোম্পানীৰ লোহা-লক্কৰ চুৰ কৰাত লাগিল। ধৰ্মঘটৰ আগেয়ে বামু আৰু ৰামুৱে ষ্টোৰলৈ মাল অনা-নিয়া কৰা কুলি কেইটাৰ সৈতে লগ হৈ কেইডালমান ভয়ঙ্কৰ 'জিলেগনাইট ষ্টিক' চুৰ কৰি নিছিল। চৰকাৰে 'এক্সপ্লোছিভ' ৰখাৰ অনেক নীতি নিয়ম কৰিছিল। এই নিয়ম মতে 'বাৰ্ক ছাইট'ৰ পৰা আঁতৰত সুকীয়াকৈ কৰা 'মেগাজিন'তহে এইবোৰ ৰখাৰ নিৰ্দেশ দিয়া হৈছিল। অহৰহ ব্যৱহাৰ কৰিবলগীয়া হোৱা বাবে কোম্পানীয়ে ষ্টোৰৰ এচুকত এই 'জিলেগনাইট ষ্টিক'বোৰ ৰখাৰ ব্যৱস্থা কৰিছিল। চিলিণ্ডাৰৰ আকৃতিৰ কাঁহৰ দৰে কটকটীয়া আছিল তাৰ ৰং।

মোৰ্চাৰ পিছে পিছে বন্দুকধাৰী পুলিচৰ দলটো যোৱাৰ সময়তে বামু আৰু ৰামুৰ লগৰ দুটা বদ চৰিত্ৰ মুন্সীগঞ্জৰ পৰা আহি কেইট্ৰমান 'বটল' খৈ গৈছিল। কিন্তু এই বটলৰ

লগত ভাল নাস্তাৰ প্ৰয়োজন। পিছে আন শ্ৰমিকহঁতৰ দৰে বৰ্তমান সিহঁতৰো জেপ উদং। — এই সময়তে হঠাৎ দুয়োৰে মনত পৰিল 'জিলেগনাইট ষ্টিক'ৰ কথা। এৰা ব্লাষ্টিং কৰি মাছ মৰা যাওক। ভোজ-ভাত খোৱাৰ দৰে কথা হ'ব।

মোৰ্চা শেষ হৈছিল। সকলোৰে ঘৰাঘৰি গৈছিল। মোৰ্চাই ছাইটৰ পথেৰে গতি কৰাৰ সময়তে এটি ধূলিৰ ধুমুহা পাৰ হৈ গৈছিল। এই সময়ত আকাশে এখন পুৰণি মুগাৰ কাপোৰৰ বৰণ লৈছিল। দুয়ো চাৰি পাঁচডাল 'জিলেগনাইট ষ্টিক' বাণ্ডিল কৰি ভিতৰত 'ডিটৰনেটৰ' লগাই সাইৰ পাৰৰ দীঘল দীঘল কাঁচিদীয়া ঘাঁহ আৰু কাঁইটীয়া বাবুল গছৰ জোপোহাবোৰৰ পিনে গ'ল। এইখিনিত পুলিচৰ হাই-উৰুমি নাই। হঠাৎ সিহঁতৰ চকুত পৰিল কিছুমান উলঙ্গ ল'ৰা-ছোৱালীয়ে সাই নদীৰ গৰাত তুৰী মাছ বিচাৰি আছে।

বামুৱে আৰ্তনাদ কৰি উঠিল —

"আঁতৰ হ! আঁতৰ হ! ক্ৰেছাৰত গুড়ি হোৱা শিলৰ দৰে গুড়ি হৈ মৰিবি!"

বামুৱে ইটা এটুকুৰা সিহঁতৰ মাজলৈ মাৰি পঠিয়ালে। পাৰলৈ উঠি আহি সিহঁতে বালিয়ে বালিয়ে লৰিব ধৰিলে।

জাৰ্মান বনৰ দৰে লগা বনৰীয়া গছৰ জোপোহা কিছুমানক উদ্দেশ্য কৰি দুয়ো আগুৱাই গ'ল। — সকলো সা-সৰঞ্জাম ঠিক ঠাক কৰি লৈ সিহঁতে দূৰলৈ ডিঙি মেলি চালে। নাই কোনো নাই।

চাৰিওফালে নিস্তব্ধতা।

মাথোঁ হেণ্ডেলৰ চেপা ভয়াবহ আৱাজ। উত্তেজনাময় এটি মুহূৰ্ত।।

হুৰ হুৰ হুৰ। হুৰ হুকম্।। পানীৰ ফোৱাৰা এটাই যেন আকাশ স্পৰ্শ কৰিবলৈ ওপৰলৈ উঠি গ'ল।

কিন্তু হঠাৎ এটি প্ৰচণ্ড আৰ্তনাদ শুনি চক খাই উঠিল সিহঁত।

পানীৰ ওচৰলৈ লৰি গ'ল।

পানীৰ পৰা পাৰলৈ ছিটিকি আহিছিল এটি শিশুৰ প্ৰাণহীন দেহ।

পগলা মানুহৰ দৰে দুয়ো লৰিবলৈ ধৰিলে — পুলিচৰ হুইছেলে তিনিওৰে পিছে পিছে খেদি আহিল।

● ● ●

এক মুহূৰ্তৰ ভিতৰত 'ডানকান কোম্পানী'ৰ চাৰি হাজাৰ মজদুৰে এটি মৰাশ আগত লৈ থিয় হৈ ৰ'ল।

সকলো নিস্তব্ধ। কিংকৰ্তব্যবিমূঢ়।

পি এ চিৰ পুলিচে লাঠী হাতত লৈ এটা দুটাকৈ সকলোকে আঁতৰাব ধৰিলে।

"কাৰ ল'ৰা? কাৰ ল'ৰা?"

সকলোৰে জানে সি কাৰ ল'ৰা। কিন্তু এইখিনি সময়ত সকলো নীৰৱ।

হঠাৎ ভিৰ ঠেলি আহি বসুমতী বুঢ়ীয়ে মৰাশৰ ওচৰত আছাৰখাই পৰি চিএৰিবৰ ধৰিলে —

"বাছা জগন্নাথ, তই নিজেতো গলিয়েই, লিচু লেঙেৰাকো মাৰি থৈ গলি।"

এই মুহূৰ্তত ধৰ্মঘটৰ 'এছেনছিয়েল ছাৰ্ভিচৰ' ভিতৰত লিচু লেঙেৰাৰ ডিউতি পৰিছিল। সি কোম্পানীৰ হাস্পাতালৰ পাছফালৰ নলা এটা পৰিষ্কাৰ কৰি আছিল। বোকা-মাটি আৰু মানুহ একাকাৰ হৈ পৰিছিল।

মূৰ তুলি চাই লিচু লেঙেৰাই দাৰোগা, শম্ভু পাহোৱান, ছুইপাৰ লাইনৰ আৰু চাৰি-পাঁচটা মানুহক থিয় হৈ থকা দেখিলে।

দাৰোগা চাহাবক দেখি সি তাৰ বোকাৰে লেটি-পেটি হৈ থকা হাত দুখন কপাললৈ তুলি নমস্কাৰ কৰিব খুজিলে।

— "আহ, আমাৰ পিছে পিছে আহ " শম্ভু পাহোৱানে তাক ধৰা-মেলা কৰি নৰ্দমাৰ পৰা ওপৰলৈ তুলিলে।

সি এই সমদলটিৰ পিছে পিছে লেঙেৰিয়াই লেঙেৰিয়াই আগবাঢ়ি যাবলৈ ধৰিলে?

এবাৰ সি শম্ভু পাহোৱানৰ পিনে চাই সুধিলে —

"ক'লৈ নিয় ঐ মোক?"

শম্ভু পাহোৱানে মূৰৰ-পাগুৰিটো খুলি দাঁতেৰে কামুৰি ধৰিলে।

● ● ●

ক'ত ইমান শক্তি পাইছিল লিচু লেঙেৰাই? পুত্ৰৰ মৰাশ পথালি কোলাকৈ লৈ সাইৰ বালিয়ে বালিয়ে সি লৰিব ধৰিলে।

সুৰুযৰ সমস্ত ৰশ্মি যেন তললৈ নামি আহিছে চকু ছাৎ মাৰি ধৰিছে। আকাশলৈ মূৰ তুলি চোৱা এতিয়া অসম্ভৱ হৈ পৰিছে — এয়া মূৰৰ ওপৰৰ সকলো ঘূৰিছে, গছ-লতা, আকাশ-বতাহ

এক প্ৰচণ্ড আৰ্তনাদত মনৰ অজস্ৰ দুৱাৰ যেন মেল খাই গৈছে। আত্মাৰ পৱিত্ৰ পোহৰ এই দুৱাৰেদি গৈ ক'ত যে উধাও হৈ গ'ল। কোনেও লিচু লেঙেৰাক বাট ভেটি ধৰিব নোৱাৰিলে।

বসুমতী বুঢ়ীৰ চিএৰ শুনা গ'ল —

"ভাইহঁত কি চাই আছ? ধৰ, ধৰ তাক। মূৰত পানী দে।

● ● ●

ধৰ্মঘট চলিয়েই থাকিল।

'ফেডাৰেচনৰ' পৰা সহায় নাহিলেও 'ষ্ট্ৰীগেল কাইট'ৰ দ্বাৰা এই ধৰ্মঘট কৃতকাৰ্য

কৰিব পাৰিম বুলি লোকেল লীডাৰ শাস্ত্ৰীয়ে লম্ফ-জম্ফ কৰি থাকিল।

ব্লাষ্টিং কৰি মাছ খোৱাৰ হেপাহ কৰা ৰামু আৰু ৰামুক পুলিচে গোমতীৰ ওচৰত ধৰা পেলালে। 'ভাদোগৰ' পুলিচ চৌকিত দুয়োকো চালান দি পুলিচ পাটীয়ে ষ্টোৰ খানাতালাচ কৰিবলৈ আহিছিল। বে-আইনীভাৱে ষ্টোৰৰ এচুকত দমাই থোৱা এক্সপ্লোছিভ আৰু সুকীয়াকৈ এক্সপ্লোছিভৰ বাবে 'মেগাজিন' নসজা এই দুটা অপৰাধৰ বাবে কোম্পানীয়ে দহ হাজাৰ টকা পুলিচক দিহে কোনোমতে সাৰিব পাৰিলে।

দহ হাজাৰ টকাত সকলো পৰিষ্কাৰ হৈ পৰিল। ৰামু আৰু ৰামুৱে ভাবিছিল ঠাকুৰ চাহাবে দুয়োকো ৰক্ষা কৰিব। সিহঁতে ঠাকুৰ চাহাবক দেখা কৰিবলৈ যত্নও কৰিছিল। কিন্তু ঠাকুৰ চাহাবে নিৰাপদ দূৰত্ব বাছি ললে।

● ● ●

পৰিস্থিতি লাহে লাহে যেন অন্ধকাৰৰ বুকুলৈ আগুৱাই যাবলৈ ধৰিলে।

কোম্পানীৰ আৰু এটা দল আহিল মীমাংসা কৰিবলৈ।

কি কৰিব?

ইউনিয়নে লগ ধৰিব নে?

এজনে ক'লে —

'ফেডাৰেচনৰ' আইনসম্মত চুক্তিক আমাৰ এই এমুঠি ইউনিযনৰ মেম্বাৰে ওফৰাই পেলাব নোৱাৰিম বুলি সিহঁতৰ ধাৰণা হৈছে।"

আন এজনে হয়ভৰ দি ক'লে —

"চাৰি হাজাৰ শ্ৰমিকে আমাক সাহিৰ ৰালিত 'দফনা' দিব বুলি প্ৰতিজ্ঞা কৰি গৈছে। — দেখা নাই সিহঁতৰ চকুমুখত হিংসা দৃষ্টি।"

চক্ৰাকাৰে বহি থকা লীডাৰহঁতৰ মুখ শুকাই গ'ল। হতাশা আৰু গ্লানিৰ ভাবে সকলোৰে হৃদয় স্পৰ্শ কৰি গ'ল।

"তেতিয়াহ'লে লোকেল লীডাৰ শাস্ত্ৰীৰ পৰামৰ্শ লৈ অহা উচিত "

সকলোৰে মনত পৰিল — ইউনিয়নৰ ভাইচ প্ৰেছিডেণ্টে এটা সন্দেহজনক কাম কৰি গৈছে। সকলোৱে জানে লোকেল লীডাৰ 'পাণ্টু' গুণ্ডাহঁতৰ মাৰপিটৰ ভয়ত ভাইচ প্ৰেছিডেণ্টে ছুটী লৈ যোৱাৰ সময়ত নিজৰ পোষ্টটিত লোকেল লীডাৰ শাস্ত্ৰীৰ নাম দাখিল কৰি গৈছে।

জেনেৰেল বডীৰ মিটিং নহ'ল। এক্‌জিকিউটিভ বডীৰো মাত্ৰ দুজনহে মেম্বাৰ উপস্থিত আছিল।"

এই কথা শুনাৰ পৰা মীমাংসালৈ আহিবলৈ সাজু থকা দলটো হিংস্ৰ পশুৰ ৰূপ ধাৰণ কৰিছে। লোকেল লীডাৰ শাস্ত্ৰীৰ প্ৰতি সিহঁতৰ কোনো প্ৰকাৰৰ সদ্ভাব নাছিল।

— বাহিৰৰ মানুহ এটাক এইদৰে ইউনিয়নৰ ভিতৰত সুমুৱাই লোৱাটো এয়ে প্ৰথম। ঠিক নাই কোন দিনা তেজৰ নদীয়ে এই সাই নদীৰ বালি চপচপীয়া কৰি তোলে?

● ● ●

গুডগুডি হুপি আছিল লোকেল লীডাৰ শাস্ত্ৰী।

ইউনিয়নৰ মেম্বাৰসকল কাঠৰ বেঞ্চিত সহজ হৈ বহিল। প্ৰেছিডেন্ট বলবীৰ স্বামীয়ে ক'লে —

— "যোৱাবাৰ আমি কোম্পানীৰ প্ৰতিনিধিক লগ নধৰিলো।

এইবাৰ পৰিস্থিতি সলনি হৈছে। আমি প্ৰতিনিধিক লগ ধৰিব লাগিব।"

শাস্ত্ৰীয়ে উত্তৰ নিদিলে।

"কি কৰিম তেতিয়াহ'লে?"

"শুনা তোমালোকক লীডাৰ বুলি সম্বোধন কৰাই লাজৰ কথা। হাড় গুড়ি হৈ যাওক — দেহৰ মাংসে খহি পৰক, কিন্তু শ্ৰমিকক দিয়া বচন " বাক্যটি শেষ নকৰি শাস্ত্ৰীয়ে আকৌ গুডগুড়িৰ নলীডাল মুখত সুমুৱাই ললে।

বলবীৰ স্বামীয়ে আকৌ প্ৰশ্ন কৰিলে—

"আমি কি কৰিম তেতিয়াহ'লে?"

"মই কিছুদিন মুলীগঞ্জৰ বাহিৰত থাকিম। জানা নহয় দুবৈৰ ডালমৌৰ মানুহেও মোৰ 'ছালাহ' বিচাৰি আহে।"

"কিন্তু আমি কি কৰিম?"

শাস্ত্ৰীয়ে হঠাৎ গুডগুড়িৰ পাইপডাল দুৰলৈ আঁতৰাই চিএঞৰি উঠিল।

"এইবাৰ তোমালোকে লগ ধৰা।"

বেঞ্চিত বহি থকা লীডাৰহঁতে উচপ খাই উঠিল।

— "লগ ধৰিম।"

● ● ●

সাইৰ বালিৰ সংক্ষিপ্ত পথেৰে সিহঁতে কোৰাকুৰিকৈ আগবাঢ়িল। দুবৈত মোৰ্চাৰ আৱাজ।

— মোৰ্চাৰ আৱাজত প্ৰথমৰ দৰে উৎসাহ এতিয়া নাই। কিন্তু এক হিংস্ৰ উন্মাদনা আছে।

লীডাৰহঁতৰ বুকু কঁপি উঠিল।

যোৱা এমাহ ধৰি এই শ্ৰমিকহঁতে কোনো ধৰণৰ বানচ পোৱা নাই।

গোটেই কেইটা ইউনিয়নৰ মেম্বাৰৰ কাণত একেলগে সেই বজ্ৰৰ প্ৰতিধ্বনিহ হ'ল।

— "আমি তোকেৰে থাকি ধৰ্মঘট কৰিম। তইঁতে কিন্তু একো কৰিব নোৱাৰিলে আমি সাইৰ বালিত তইঁতক 'দফনা' দিম।"

সাইৰ বালিৰে সিইঁতে আগবাঢ়িব ধৰিলে। দৃষ্টিও অহৰহ সাইৰ এই ৰুক্ষ খহটা বালিত পৰি ৰ'ল। মূৰৰ ওপৰৰ আকাশলৈ চোৱাও যেন এতিয়া ভয়ৰ কথা।

এজনে সাইৰ বালিত খোপনি পুতি বোৱা শগুণ জাকলৈ এটি ফম্মুটি মাৰি পঠিয়ালে।

● ● ●

শিবু ধাঙ্গলায়ো শোৱাপাটী ললে। নাৰায়ণীয়ে ইউনিয়নৰ মেম্বাৰ কেইটামানক হাতে-ভৰিয়ে ধৰি 'এছেনেছিয়েল ছাৰ্ভিচ'ত কিছুদিন কাম কৰিছিল। হাস্পাতালৰ পায়খানা পৰিষ্কাৰ কৰা আৰু ভৰি অহা নলাবোৰত ডি ডি টি দিয়া আছিল তাইৰ কাম। তাই ডিউতিত অহা সময়ত শিবু ধাঙ্গলাই কেঁচুৱাটিৰ দায়িত্ব লৈছিল। এইখিনি সময়ত লিচু লেঙেৰাই কেতিয়াবা কেতিয়াবা তাক সঙ্গ দিছিল। পুতেক মৰাৰ পাছত লিচু লেঙেৰাই ছুইপাৰ বেৰেকলৈ অহাই বাদ দিলে। যি ঠাইত ল'ৰাটো দাহ কৰিছিল তাৰ পৰা সি আৰু উঠি নহা হ'ল। গাৰ ছাল শুকাই কঠিন হৈ পৰিল। বুকুৰ কামি-হাড় স্পষ্ট হৈ পৰিল। কেতিয়াবা কোনোবাই দয়া কৰি খোৱা বস্তু দি আহিছিল। শোৱাপাটী লোৱাৰ আগেয়ে শিবু ধাঙ্গলাই কেইবাদিনো নিজৰ ভাগৰ ৰুটী তাক দি থৈ আহিছিল।

মুন্সীগঞ্জৰ ল'ৰা-ছোৱালী আকে পগলা বুলি তাৰ গালৈ ফমুটি মাৰিছিল—। কোনো পিনে ভ্ৰুক্ষেপ নাই লিচু লেঙেৰাৰ। তাৰ ওচৰেৰে 'নাৰা' লগাই মোৰ্চা আহে, — মোৰ্চা যায়, কেতিয়াবা মন গ'লে চিঞৰি উঠে —

— "ভুখা মজদুৰ কৰে পুকাৰ — ইনক্লাব জিন্দাবাদ।"

## (বাৰ)

বসুমতী বুঢ়ীৰ হাতত সিকি এটা গুজি দি নাৰায়ণীয়ে কেঁচুৱাটি থৈ হাস্পাতালত এছেনেছিয়েল ছাৰ্ভিচৰ ডিউতিত হাজিৰ হ'ল।

কম্পাউণ্ডাৰে তাইক ফটা বেণ্ডেজ কিছুমান সাইৰ বালিত পুতি থৈ আহিবলৈ ক'লে। লগতে ময়লা বেডপেন কেইটাও ধুই আনিবলৈ উলিয়াই দিলে।

. সাইৰ বালিলৈ আহিবলৈ পালে নাৰায়ণীৰ বৰ আনন্দ হয়। সকলো কথা যেন সহজ হৈ যায়। এই বিশাল নদী, বিস্তীৰ্ণ বালি, মূৰৰ ওপৰৰ সীমাহীন আকাশ— এই সকলোৰে তাই যেন এটি অঙ্গ হৈ পৰে।

ভৰিৰ তলৰ বালি আজিও তাইৰ বৰ কোমল কোমল লাগিল। হাতত লৈ থকা পুৰণি বেণ্ডেজৰ পৰা ভাঁহি অহা দুৰ্গন্ধও আজি সহ্য কৰিব পৰা যেন লাগিল।

বহুত সময় ধৰি খুপীৰ বালিত গাঁত এটা খান্দিলে। আনদিনা হোৱা হ'লে এনেদৰে তেজ-পূঁজৰ বেগেজ পুতিবলৈ গাঁত খান্দিবলৈ তাইৰ ভাল্‌ নেলাগিলহেঁতেন। আজি বেয়া নেলাগিল। আজি একেবাৰেই বেয়া নেলাগিল। হঠাৎ নাৰায়ণীয়ে দেখিলে এটি পুৰুষ মূৰ্তি আগবাঢ়ি আহিছে — সৌৱা তাইক উদ্দেশ্য কৰিয়েই যেন মানুহটি এইপিনে আগবাঢ়ি আহিছে। গাৰ কাপোৰখন নাৰায়ণীয়ে ঠিক কৰি ল'লে। পুৰণা শাৰী, ভালদৰে টানি-টুনি লোৱাই টান।

— নাৰায়ণী।

নাৰায়ণীয়ে দেখিলে এয়া যশোৱন্ত। সেইদিনাৰ সেই লজ্জাজনক ঘটনাৰ পৰা তাই যশোৱন্তলৈ মূৰ তুলি চাব পৰা নাছিল।

— "দে মই গাঁতটো খান্দি দিওঁ।"

— তই ইউনিয়নৰ মেম্বাৰ। তোৰ কাপোৰ পৰিষ্কাৰ।

সি খুপীখন নাৰায়ণীৰ হাতৰ পৰা লৈ প্ৰচণ্ড উন্মাদনাৰে গাঁত খান্দিবলৈ ধৰিলে। নাৰায়ণী কিছু আড়ষ্ট হৈ পৰিল।

মুহূৰ্তৰ ভিতৰতে সি এহাত দ গাঁত এটি খান্দি উলিয়ালে।

— "দে কাপোৰবোৰ।"

বৰ নিয়াৰিকৈ মৰাশ পোতাৰ দৰে সি এই দুৰ্গন্ধ বেগেজবোৰ গাঁতত ঢালি দিলে। এইখিনি সময়তে নাৰায়ণীয়ে গৈ বেড পেন কেইটা নদীত পৰিষ্কাৰ কৰি ধুই আনি, তাৰ ওচৰত থিয় দিলে।

যশোৱন্তই প্ৰশ্ন কৰিলে,

"ফাইনেল (বৰ্খাস্ত) হৈ গ'লে কি কৰিবি নাৰায়ণী?"

নাৰায়ণীয়ে উত্তৰ নিদিলে।

"সঁচাকৈয়ে ক নাৰায়ণী, সেইদিনা তই নিজ ইচ্ছাৰে সেই পাপ কামত লিপ্ত হৈছিলিনে?"

এইবাৰো নাৰায়ণীয়ে কোনো উত্তৰ নিদিলে। উত্তৰেই বা দিব কি? কোনোবাই এই কথা বিশ্বাস কৰিব নে? বসুমতী বুঢ়ীৰ বাহিৰে বুকু ফালি দেখুৱালেও এই কথা কোনোবাই বিশ্বাস কৰিব নে?

কিছু সময় যশোৱন্ত মৌন হৈ থাকিল।

"নাৰায়ণী — মই তোক কিবা সহায় কৰিব পাৰিম নে?"

"আমি কোম্পানীৰ পৰা একেলগেই 'ফাইনেল' লৈ ওলাই যাম। বাচিত বলি মোৰ ল'ৰাটোৰ পিতাক মৰে —

— "নাৰায়ণী।।"

যশোৱন্তই আৰ্তনাদ কৰি উঠিল।

— "নমৰে। তোৰ গিৰীয়েৰ নমৰে। চব ঠিক হৈ যাব। দুদিনমান কষ্ট সহ্য কৰাৰ পাছত চব ঠিক হৈ যাব।"

— "কেনেকৈ জানিলি চব ঠিক হৈ যাব — দেখা নাই লিচু লেঙেৰাৰ কি হ'ল? বসুমতীৰ নীতিনীয়েকহঁতে পেটৰ ক্ষুধাত খালাচীহঁতৰ লগত 'পেছেঞ্জাৰ' ট্ৰেইনত উধাও হ'ল— আৰু দুটামানে পেটৰ ক্ষুধাত মুন্সীগঞ্জৰ কছাইহঁতৰ পৰা গেলা মঙহ খাই হাস্পাতালত বতিয়াই আছে — শুন?"

নাৰায়ণীয়ে তাৰ কাণৰ ওচৰলৈ হাউলী আহিল। যশোৱন্তই তাইৰ দেহৰ এটা মিঠা সুবাস পালে, নতুনকৈ পেৰা কুঁহিয়াৰৰ ৰসৰ দৰে সুবাস।।

— "শুন কালি মই পাইলৰ দলঙৰ ওচৰত তহঁতৰ লগ এৰা মেম্বাৰহতঁৰ লগত মজদুৰে মিটিং পাতি থকা দেখিছো। আন্ধাৰে মুন্ধাৰে মিটিং বহিছিল। তহঁতে তেতিয়া লোকেল লীডাৰৰ ঘৰত বহি আছিলি। সিহঁতে ফুচফুচাই কথা পাতিছিল। ইউনিয়নৰ টকাৰে তহঁতে মদ খোৱা কথাও মই শুনা পাইছিলো।"

নাৰায়ণী এইবাৰ একপ্ৰকাৰ আৰ্তনাদ কৰি উঠিল—

— "শুন তই মোক সহায় কৰিব নেলাগে — তহঁতে নিজৰ প্ৰাণ বচাই পলাই যোৱা উচিত। অন্ধকাৰৰ মাজত ক'লা ম'হৰ পালৰ দৰে বহি মিটিং পতা এই মজদুৰহঁতে তহঁতক সাইৰ বালিত 'দফনা' দিব। 'খুন-খাৰাবী' হ'ব। সেই অজস্ৰ মজদুৰে তহঁতক নেফানেফ কৰি পেলাব?"

যশোৱন্তই উত্তৰ নিদিলে —

ঘৃণা আৰু বিৰক্তিৰে তাই ক'লে —

— তহঁতে সকলোকে বিশ্বাসঘাতকতা কৰা নাইনে?

— কি বিশ্বাসঘাতকতা? কেনে বিশ্বাসঘাতকতা?। নিৰুত্তৰ হৈ ৰল নাৰায়ণী।

হঠাৎ হাত এখন ওপৰলৈ তুলি যশোৱন্তই ক'লে —

— 'চেষ্টা কৰিও সকলোৰে মঙ্গল কৰিব নোৱাৰিলেও অন্ততঃ' এটি প্ৰাণীৰ মঙ্গল কৰিব পৰাৰ জোখেৰে শক্তি নিশ্চয় আমাৰ আছে। গাঁতত লুকাই থকা সাপৰ দৰে শৰীৰৰ কোনখিনিত এই শক্তি লুকাই আছে তয়ো নেজান, ময়ো নেজানো।'

নাৰায়ণীয়ে বালিৰ বুকুত আঁঠুকাঢ়ি বহিল। এই মানুহটোৰ ওচৰত বহি কিছু কান্দি ল'ব পাৰিলে যেন তাই কিছু সকাহ পাব

— 'নাৰায়ণী?'

— 'শুন নাৰায়ণী মই জানো জীৱনত তই বহুতো কষ্ট সহ্য কৰি আহিছ। চব কথা মই জানো। কিন্তু এনেকৈ ভাঙি পৰিবি নে? সেই পুৰণি কালৰে পৰা কষ্ট সহ্য কৰি কৰি আমি আমাৰ হাড়ক চিমেন্টৰ গম্বুজ কৰি তোলা নাই নে? গান্ধী মহাত্মাই এদিন কৈছিল — তেওঁ যদি আকৌ জনম ল'ব লগা হয় তেতিয়াহ'লে ঈশ্বৰক প্ৰাৰ্থনা জনাব তেওঁক

যেন হৰিজনৰ ঘৰত জন্ম দিয়ে । তই কান্দিছ নাৰায়ণী?'

কিছু সময় মৌন হৈ ৰ'ল দুয়ো।

— 'ক যশোৱন্ত কি কৰিম মই?' চৰকাৰী হাস্পাতালৰ বাৰাণ্ডাতো তাক পৰি থাকিবলৈ নিদিব। ইয়াত কেম্প ভঙাৰ কাম আৰম্ভ হ'ব। কেনেকৈ মই এই মানুহটোক সাঙি বান্ধি লৈ ফুৰাও। তদুপৰি বুকুৰ গাধীৰ খোৱা কেঁচুৱা এটা আছে। আমি মৰিম। মই ভালকৈ জানো আমি মৰিম। মই ভালকৈ জনো আমি মৰিম।

— 'নাৰায়ণী?'

যশোৱন্তলৈ তাই মূৰ তুলি চালে।

— 'নাৰায়ণী বিশ্বাস আন মনলৈ।। আত্মপ্ৰত্যয় হেৰুৱা মানুহ আৰু মৰা মানুহৰ মাজত কোনো পাৰ্থক্য নাই।"

তেজ-পূঁজেৰে ভৰা পুৰণি বেণ্ডেজবোৰত ৰড এডালেৰে খুচি খুচি যশোৱন্তই পুতি থবলৈ আৰম্ভ কৰিলে।

নাৰায়ণীয়ে প্ৰশ্ন কৰিলে।

— "মোৰ প্ৰতি এই দৰদ কিয় তোৰ?"

যশোৱন্তই উত্তৰ নিদিলে। "তোৰ এই দৰদ শম্ভু পাছোৱান, বসুমতী বুঢ়ী, লিচু লেঙে ৰা এইবোৰৰ প্ৰতিও আছে নে?"

যশোৱন্তই এইবাৰো উত্তৰ নিদিলে —

— "শুন মোলায়েম কথা বহুত শুনিছো। এবাৰ শুনিলে আকৌ শুনিবৰ মন যায়। এইবোৰ কথা পৰিষ্কাৰ কাপোৰ পিন্ধা মানুহেই কয়। পৰিষ্কাৰ কাপোৰ পিন্ধিলে কি হ'ব ভিতৰত সিহঁত চৰ নাণ্ডঠ।"

এখোজ দুখোজকৈ নাৰায়ণীয়ে বেডপেন দুটা হাতত লৈ সাইৰ বালিৰে আগুৱাই গ'ল। তাইৰ পিঠিৰ অবিন্যস্ত মুক্ত চুলি বতাহত উৰিবলৈ ধৰিলে। খোজৰ ভৰত নাচি থকা তাইৰ তপিনা নদীৰ বুকুত নাচি থকা দুখন নাৱৰ দৰে দেখা গ'ল।

● ● ●

কিছু সময় আঁঠুৰ ওপৰত হাত থৈ একে ঠাইতে সি বহি ৰ'ল।

— শেষত এয়ে হ'ল। একেবাৰেই বিশ্বাস ভঙ্গ হৈ গ'ল? লীভাৰহঁতে এতিয়া পলাই ফুৰিব ধৰিছে। আপোনজনৰ ওচৰৰ পৰা এনেকৈ পলাই ফুৰিবলগীয়া অৱস্থা বৰ আতঙ্কজনক!!

যশোৱন্ত দৃঢ় প্ৰতিজ্ঞ হ'ল। নাই নাই মনলৈ গ্লানি নাইবা হতাশা আনিব নোৱাৰি। এয়া অভিজ্ঞতাৰ প্ৰথম সপোন। এনেকুৱা বহুতো সপোন আহিব। প্ৰত্যেকটি জীৱনৰ বাবে মূল্যবান হৈ পৰিব। এয়া প্ৰথম সপোন। এই সপোনত সি দৰ্শক হৈ থকাই মঙ্গল। অভিজ্ঞতাৰ এই ক্ষুদ্ৰ ক্ষুদ্ৰ কণিকা গোটাই সঞ্চয় কৰা শক্তিহে প্ৰকৃত শক্তি; বাকী সকলো মিছা।

যশোৱন্ত থিয় হ'ল। সি 'মোৰ্চাৰ' আৱাজ শুনা পালে।

আগেয়ে শ্ৰমিক মজদুৰৰ সৰু সৰু ল'ৰা-ছোৱালীজাকেও এই মোৰ্চাত ভাগ লৈছিল। আজিকালি সিহঁতৰ আৱাজ আৰু শুনা নেযায়।

● ● ●

পাইলৰ দলঙৰ ওচৰত যশোৱন্তই শম্ভু পাছোৱানক দেখা পালে।

"আহ আমি সৌ বালিৰ ওচৰত বহোঁ।"

যন্ত্ৰচালিত মানুহৰ দৰে যশোৱন্তই শম্ভু পাছোৱানৰ পিছে পিছে আগবাঢ়িল।

এঠাইত দুয়ো বহিল।

প্ৰিয়জনৰ দৰে শম্ভু পাছোৱানে যশোৱন্তৰ কান্ধে মূৰে হাত ফুৰাই দিলে।

"এয়া পৰীক্ষা-নিৰীক্ষাৰ সময়। এনে হ'ব বুলি মই জানো।

ইউনিয়নৰ উৰ্দি কেতিয়াবাই মই তোক খুলি পেলাব কলোহেঁতেন — কিন্তু আকৌ বহুত সময় দুয়ো নীৰৱ হৈ বহি ৰ'ল।"

কিছুদিনৰ পৰা শম্ভু পাছোৱানে কান্ধত দাঙা এডাল লৈ ফুৰিবলৈ ধৰিছে। এই দাঙাত সদায়ে উদং টিংটো ওলমি থাকে। 'চাটাইৰ' দিনত টিঙটিত সি পইচা গোটাব পাৰিব বুলি আশা কৰিছিল।

শম্ভু পাছোৱানৰ সঙ্গ এই সময়ত যশোৱন্তৰ বৰ ভাল লাগিল।

"নাৰায়ণী!"

হঠাৎ নাৰায়ণী চক খাই উঠিল।

লিচু লেঙেৰা। তাইক হাত বাউল দি মাতিছে। ভয়ঙ্কৰ চেহেৰা। ধূলি বালিৰে একাকাৰ হোৱা হাত ভৰি।

এখোজ দুখোজকৈ তাই লিচু লেঙেৰাৰ ওচৰত থিয় হ'ল।

"কিয় মাতিলি?"

"শিবু ধাছলা নাহে কিয়?"

"সি শোৱাপাটী এৰিব নোৱাৰে।"

"মোলৈ দুখন ৰুটী আনিব নোৱাৰ? চা পেট শুকাই গৈছে। সাইৰ পানী তিতা লগা হৈছে।"

নাৰায়ণীৰ দুয়ো নয়ন ভৰি আহিল। লেঙেৰাৰ হাত এখনত মুঠি মাৰি ধৰি ক'লে—

"আহ্ মোৰ লগত আহ — ইয়াত এনেকৈ বহি থাকিলে তোৰ মৰা ল'ৰা উভতি আহিব নে?"

সি লৰালৰিকৈ ওঠৰ ওচৰলৈ আঙুলি নি ক'লে —

চুপ থাক, চুপ, তেনেকৈ নকবি

আজি এসপ্তাহ হ'ল কোনেও তাক আঁতৰাব পৰা নাই। — তাই কেনেকৈ আঁতৰাব?

সি মৰিব — সি ইয়াতেই মৰিব?

শগুণজাকে আজিকালি তাৰ গিৰ্চেই ওচৰত খুটি পুতি লৈছে।

শুকান বালিৰ ওপৰত আকৌ তাই খোজ পেলালে। উদ্মুক্ত চুলি : গালত শুকাই যোৱা চকুলোৰ ৰেখা —

আহ্ শেষত এয়ে হ'ল। বৰ হঃসাকৰ কথা এয়ে যে এইখিনি সময়ত নাৰায়ণীৰ পূৰণি কথা কিছুমান মনত পৰিল। বায়োস্কোপ চাই অভিনেত্ৰী সকলৰ দৰে জীৱন এটা তাই কল্পনা কৰিছিল।

ৰবাৰ্টগঞ্জৰ ৰবাৰ্ট চাহাবেও হৰিজনৰ তিৰোতা এজনীক মেম চাহেব কৰা নাছিল নে? আহ সেই মেম চাহেববোৰ? গাধীৰৰ ফেনৰ দৰে কাপোৰ পিন্ধে, গাড়ীভটি ফুৰিবলৈ যায়।

চামেলী ফুলৰ দৰে ৰঙীন জীৱন —

এৰা, ৰবাৰ্টগঞ্জৰ ৰবাৰ্ট চাহেব হৰিজন তিৰোতা বিয়া কৰাইছিল। বৰ সুখত ৰাখিছিল তাইক — ৰবাৰ্টগঞ্জত ৰবাৰ্ট চাহাব আৰু এই হৰিজনৰ তিৰোতাজনীক লৈ ক'ত গান আছে।

বায়োস্কোপতো ক'ত চাহাবে ক'ত হৰিজনৰ তিৰোতাক মেমচাহেব কৰিছে

লিচু লেতেৰা আৰু শব্দ পাছোৱানে কয় — সেইবোৰ চব মিছা কথা?

চাবেংখাবা ফ্ৰান্সৰ চাহাব?

বাবুলৰ কাঁইটে চিৰাচিৰি কৰি পেলোৱা দুয়োটা দেহ।

বালিৰ বুকুত কহতো দলেকে যেন খোজবোৰ সোমাই যাব ধৰিলে।

মূৰ আচন্দ্ৰাই কৰা যেন লাগিল। হাতৰ বেড়্পেন দুটাও গধূৰ গধূৰ ভাৰ হ'ল। .

'নাৰায়ণী? নাৰায়ণী?'

এটা কৰ্কশ চিএৰত তাইৰ চমক ভাঙিল।

তাই দেখিলে হাস্পাতালৰ বাৰাণ্ডাত চকু বডা কৰি ডপালুৰা কম্পাউণ্ডাৰ থিয় হৈ আছে। দুইপাৰ বেবেকৰ এজাক নতুন ল'ৰা-ছোৱালীয়ে ডিচপেনচেৰীৰ বাৰাণ্ডাত ভিৰ পাতিছে।

সিহঁতৰ চকু হাসধীয়া।

বোধহয় বমি কৰি কৰি হাৰবান হৈ গৈছে।

মুদীগঞ্জৰ কন্দাৰি দোকানৰ পচা নাৰী-ভুক।

'সাহিব' লেতেৰা পানী।।

● ● ●

পি এ চি পুলিচৰ সমদল আৰু বাঢ়ি আহিল। ভাদোগৰ পুলিচ থানাৰ দাৰোগাৰ মটৰ চাইকেলৰ ধপধপনি এতিয়া ৰাতি যি কোনো সময়তে শুনা যায়।

বন্দুকধাৰী পুলিচৰ সংখ্যাই শ্ৰমিক মজদুৰৰ সংখ্যাকো লাহে লাহে চেৰ পেলাবলৈ আৰম্ভ কৰিলে। আগেয়ে ধৰ্মঘটকাৰী মজদুৰৰ ক্ষোভ আৰু দ্বেষ কিছু পৰিমাণে কোম্পানীৰ 'পিচ ৱাৰ্কাৰ'বোৰৰ ওপৰত আছিল। পানী মেটেকাৰ দৰে ভৰি আহিছিল 'পিচ ৱাৰ্কাৰ' শ্ৰমিক। 'টাস্কৱৰ্ক' বেছিচত 'পে' কৰা এই 'পিচ ৱাৰ্কাৰ'বোৰে চাটাৰিং, ৰিংফৰ্চমেণ্ট, মাটি কটা, কনক্ৰিটৰ কাম, ষ্টীল ফেব্ৰিকেচন ইত্যাদি কাম এক প্ৰকাৰ দখল কৰিয়ে লৈছিল। কোম্পানীৰ ৰিলিফ এলাউন্স, বোনাচ আদিৰ লগত ইহঁতৰ কোনো সম্বন্ধ নাছিল। গতিকে ধৰ্মঘট কৰাৰো সিহঁতৰ কোনো প্ৰয়োজন নাছিল।

ধৰ্মঘটকাৰীয়ে ইহঁতক কোম্পানীৰ নিকিনা গোলাম বুলি ঢিতকাৰী কৰিছিল। দুই -এটাই ঠেং দাঙিব খুজিলেও গাধৰ দৰে নিৰ্জ্জু হৈয়ে চলা-ফিৰা কৰিছিল। বাৰুদৰ গোন্ধত মতলীয়া হৈ আছে শ্ৰমিকহঁত — কি ঠিক কোনদিনা মূৰৰ ওপৰত জপিয়াই পৰে?

পি এ চি পুলিচ সকলকো সিহঁতে এতিয়া দুৰ্গন্ধময় শগুণৰ দৰে জ্ঞান কৰিব ধৰিছে। এৰা আকাশ বতাহ সকলোতে এতিয়া যেন বাৰুদৰহে গোন্ধ বিয়পি পৰিছে।

● ● ●

পুৱাৰ পৰা কিন্‌কিন্‌কৈ বৰষুণ দি আছিল। ৰেইন কোট পিন্ধা 'পি এ চি'ৰ পুলিচ কেইটাই ডিউতি দি থকাৰ বাহিৰে ৱাৰ্ক ছাইটত এক মৰিশালীৰ নিস্তব্ধতা বিৰাজ কৰিছিল।

হঠাৎ গামবুট আৰু ৰেইন কোট পিন্ধা চুটি-চাপৰ মানুহ এটাক বেহটা গাৰ্ডেৰে অফিচাৰ সকলৰ কোৱাৰ্টাৰৰ পিনে আগবাঢ়ি যোৱা দেখা গ'ল।

অফিচাৰৰ কোৱাৰ্টাৰৰ দেৱালবোৰত মেনেজমেণ্টৰ বিৰুদ্ধে ৰঙা চিয়াহীৰে লিখা পোষ্টাৰ বৰষুণৰ পানীয়ে বিবৰ্ণ কৰি তুলিছে। তেজৰ সোঁতৰ দৰে পোষ্টাৰৰ পৰা বৈ অহা ৰঙা ৰঙে প্ৰাচীৰবোৰ বিবৰ্ণ কৰি তুলিছে। গামবুট আৰু পানীকোট পিন্ধি অহা ভদ্ৰলোক গৰাকীয়ে পোষ্টাৰবোৰ কিছুপৰ চালে। তাৰ পাছত গো-গোৱাই নিজৰ লক্ষ্য স্থানৰ পিনে আগবাঢ়ি গ'ল।

ভদ্ৰলোক মেনেজাৰৰ কোৱাৰ্টাৰৰ দুৱাৰ মুখত উপস্থিত হ'ল।

মেনেজাৰে যেন তেওঁৰ বাবেই অপেক্ষা কৰি আছিল। পৰ্টিকৰ খিৰিকীবোৰ বন্ধ কৰি তেওঁ পৰ্দাবোৰ টানি দিলে। মেনেজাৰৰ পৰিয়াল তেওঁৰ লগত নেথাকে। মানুহে কয় কোম্পানীয়ে কাম কৰোৱাই কৰোৱাই 'খাহী' কৰি পেলোৱা এমুঠি চাহাবৰ ভিতৰত এই চাহাবজন প্ৰধান। প্ৰভুভক্তিৰ চিন স্বৰূপে কোম্পানীয়ে এই চাহাবজনক হাতৰ মুঠিত ৰাখিবলৈ বদ্ধপৰিকৰ।

ভিতৰৰ পৰা লগুৱা এটাই ট্ৰে' এখনত বৰফ, গিলাচ আৰু বটল লৈ আহিল।

দুয়ো নীৰৱে কিছুসময় গিলাচত সোহা দিব ধৰিলে?

চাহাবে প্ৰশ্ন কৰিলে —

— তেতিয়াহ'লে চিন্তাৰ আৰু কোনো কাৰণ নাই।

"শুনক! নাড়ী নক্ষত্ৰৰ উমান আমি পাওঁ। তদুপৰি এইটো বাঘ যেনেই লুভীয়া। চিকাৰৰ কানি কাপোৰ পৰ্যন্ত চেলেকি খোৱা লুভীয়া বাঘ।"

"তেতিয়াহ'লে লোকেল লীডাৰ শাস্ত্ৰী আপোনাৰ পুৰণি চিনাকি?"

"চাহাব। 'লেবাৰ ইন্‌পেক্টৰ'ৰ এচিছটেণ্টে চহৰৰ প্ৰত্যেকটি লীডাৰ আৰু গুণ্ডাৰ পিতা-পিতামহৰ নাম গোত্ৰ পৰ্যন্ত ক'ব পাৰে। কাৰ তলত কেন গুণ্ডাই কাম কৰে, এই গুণ্ডাবোৰক কোন কোন প্ৰদেশৰ পৰা অনা হয়, এইবোৰৰ নথি-পত্ৰও আমাৰ হাতত আছে।"

— কিমান মাত্তি হ'ল সি।

— "মই আপোনাক কৈছো নহয় — বৰ 'খাটিয়া কিচিমৰ' মানুহ। শুনক তাৰ তলত তৰ্ক কৰি থাকোতে মোৰ ঘামত তিতি যোৱা বনিয়ন তিনিবাৰ সলনি কৰিবলগীয়া হৈছিল। একেবাৰে বেশ্যাৰ দালালৰ দৰে দামদৰ। সি ট্ৰেড ইউনিয়নৰ পকা মানুহ। চাৰি হাজাৰ মজদুৰৰ এই ধৰ্মঘটত কোম্পানীৰ দৈনিক কিমান লোকচান হৈছে — এই হিচাপ তাৰ আঙুলিৰ মূৰত! এই ধৰ্মঘট আৰু বহুত দিনলৈ সি যে বাহাল ৰাখিব পাৰিব এই বিষয়েও তাৰ কোনো সন্দেহ নাই। গতিকে মই একেবাৰে তলৰ পৰা ওপৰলৈ গুটি খেলিবলগীয়া হ'ল।"

"তেতিয়াহ'লে আমাৰ প্ৰস্তাৱত সি মাত্তি হ'ল?" একে সোহাই লেবাৰ 'এচিছটেণ্ট'জনে এইবাৰ গিলাচটি সাং কৰি পেলালে। আঙুলি চাৰিটা মেনেজাৰ চাহাবৰ পিনে টোৱাই সি ক'লে —

— "বচ, ইমানবিনিৰ হেৰফেৰ হ'ল। কোনোমতেই সি মাত্তি নহয়। কয় ইমান ডাঙৰ কোম্পানী সমগ্ৰ ভাৰতবৰ্ষত এই কোম্পানীৰ "

মেনেজাৰ চাহাবে আৰু একো শুনিব নুখুজিলে। কোম্পানীৰ এটা পইছাৰ ইফাল সিফাল হ'লেও তেওঁ নিজৰ ব্যক্তিগত জমা পুঁজিৰ লোকচান হোৱা বুলি ভাবে। গতিকে তেওঁ লোকেল লীডাৰ শাস্ত্ৰী মাত্তি হোৱা বুলি শুনি যি আনন্দ পাব লাগিছিল সেই আনন্দক চাৰি হাজাৰ টকা সৰহকৈ দিব লগীয়া হোৱাৰ দুখে যেন একেবাৰে গিলিহে পেলালে।

হঠাৎ তেওঁ থিয় হ'ল। কোঠাটোৰ ইফালে সিফালে কিছুসময় টহল দিলে, তাৰ পাছত ক'লে —

— "ঠিক আছে ভালমৌৰ খাটলৈ আমাৰ মানুহ যাব। পিপাৰ পুৰসৰ ওচৰত নাও বৰ তাতেই হিচাপ-নিকাচ হ'ব।"

● ● ●

দোভাগ ৰাতি।

অনিশ্চিত ভৱিষ্যতৰ চিন্তা আৰু উদং পেটৰ বেদনা লৈ প্ৰায়বোৰ মজদুৰেই নিজৰ নিজৰ 'চাটাইৰ' বেৰেকত শুই পৰিল। — মাথো দুই এটা মজদুৰে ৰঙা নিচানেৰে ঘেৰাও কৰি ৰখা মিটিং কৰা ছত্ৰীৰ তলত তেতিয়াও বহি আছিল। 'পি এ চি' পুলিচৰ হুইছেলৰ শব্দই এই ভয়াবহ ৰাতিৰ নিস্তব্ধতা আৰু বঢ়াই তুলিছিল।

বসুমতী বুঢ়ীয়ে পুতেক ভৃগুৰ লগত ভাদোগৰ পুলিচ থানাত গোটেই দিনটো বহি আছিল, কোনোবাই খবৰ দিছিল ভাদোগৰ পুলিচ চৌকিত পলাই যোৱা জীয়েক আৰু খালাচীহঁতৰ খবৰ আহিছে। ভাদোগৰ পুলিচ থানালৈ বাটকুৰি বাই গৈ সিহঁতে নিৰাশ হৈয়ে উভতি আহিছিল।

শোৱাপাটীত পৰিলেও আজিকালি বসুমতী বুঢ়ীৰ টোপনি নাহে। ইকাটি-সিকাটি কৰি থাকোতে হঠাৎ বসুমতী বুঢ়ীয়ে দুৱাৰত কোনোবাই ঢকিওৱাৰ দৰে শব্দ শুনা পালে। এটা বিচলিত কণ্ঠও শুনা পালে —

—"বুঢ়ী আই! বুঢ়ী আই??"

ধৰফৰকৈ উঠি বুঢ়ীয়ে দুৱাৰ খুলি দিলে। ধুমুহাৰ দৰে সোমাই আহিল মানুহ এটা।

আঁঠুৰ মূৰত ধুতি, বোকাৰে লেটি-পেটি হোৱা উদং ভৰি, হাতত কেৰাচিনৰ চাকি।

"সেইদিনা মুন্সীগঞ্জলৈ গৈ তই কৈছিলি নহয় প্ৰসূতি হোৱা মানুহৰ আপডাল কৰিব পাৰো বুলি?"

বুঢ়ীয়ে হয়ভৰ দিলে।

— "দুৱাৰ ডাক্তৰখানাত দুটা নষ্ট হৈ আহিছে। এতিয়া তাই তেজ-পূঁজৰ বিছনাত পৰি আছে। আহ মোৰ লগত।"

— "এই দোভাগ ৰাতি বৰষুণত তিতি যাম নে? শুনিছো মুন্সীগঞ্জৰ মানুহবোৰৰ লাওলোৱা অৱস্থা?"

তাৰ হাতৰ কেৰাচিনৰ চাকি কঁপি উঠিল। সি একপ্ৰকাৰ অধৈৰ্য্য হৈয়ে ক'লে —

— "টকা সিকি নেথাকিলেও ঘটি-বাটি লোটা আছে। আহ, আহ!" যিখন শতছিন্ন চাদৰ তাই শোৱাপাটীত পাৰি থৈছিল, সেইখনকে গাত মেৰবাই জঙ্গলী লুংলুঙীয়া পথেৰে দুয়ো আগবাঢ়িল।

বসুমতী বুঢ়ীৰ পেটত খুদকণ এটিও পৰা নাছিল। দুটা পইচা পোৱাৰ আশাত তাই বলিয়া মানুহৰ কাণ লৈছিল। গোটেই পথছোৱা তাই বকবকাই গৈছিল।

— "দুইপাৰ বেৰেকৰ বিমানবোৰ ল'ৰা ছোৱালী দেখিছ তাৰ আধা ভাগকেই মোৰ এই দুই হাতেৰে তুলিছো। বাহিৰৰ ধাইক জুতা, শাৰী, ধুতি লাগে—"

এইবাৰ কলহৰ কাণে ঢলা বৰষুণ আহিল। সন্মুখলৈ আগবাঢ়ি যোৱাই অসম্ভৱ হৈ পৰিল। ৰঙা আলতীয়া মাটিত খুপি খুপি খোজ দিলেও পিচল খাই পৰাৰ ভয় মানুহটোৰ

লগত তাল দিয়া বুঢ়ীৰ একপ্ৰকাৰ অসম্ভৱ হৈ পৰিল। বুঢ়ীক এইবাৰ সি হাতত ধৰি একপ্ৰকাৰ চোঁচৰাই নিয়াৰ দৰে টানি নিলে।

জীৱন মৰণ সমস্যা।

চিকিৎসালয়লৈ বিশ্বাস নাই। ডাক্তৰক বিশ্বাস নাই। এটা সময়ত দুয়ো গৈ নঙলাৰ মুখত উপস্থিত হ'ল। ভিতৰত প্ৰসৱ বেদনাত কাতৰ তিৰোতাৰ চিঞৰ স্পষ্ট শুনা গ'ল।

● ● ●

'লোডী কাৰ্পেট' কোম্পানীৰ তম্বুবোৰ সিচৰতি হৈ পৰিল সাইৰ বুকুত। বিচিত্ৰ কাৰুকাৰ্য্য খচিত তম্বু।

ধৰ্মঘটে ক্ষুধাতুৰ কৰি পেলোৱা ল'ৰা-ছোৱালীজাকে কেম্পৰ চাৰিওফালে পি পিয়াই ফুৰিব ধৰিলে। প্ৰকাণ্ড পাগুৰী বন্ধা চকিদাৰ এটাক অহৰহ প্ৰৱেশ পথত থিয় হৈ থকা দেখা গ'ল। ল'ৰা-ছোৱালীজাকৰ এটা দলে একেবাৰে পিপাৰ পুল পাৰ হৈ ডালমৌৰ ঘাটতো উপস্থিত হোৱা কৰিছে। ডালমৌৰ ঘাটৰ বাগালী বালিত এতিয়া তৰমুজৰ শুকান ডালপাতে সোণালী সূতাৰ কাৰুকাৰ্য আৰম্ভ কৰি দিছে। পকা তৰমুজবোৰ নিজে নিজে ফালি দুফাল হৈ পৰাৰ সময় এয়া।

এমাহ আগেয়েই কনক্ৰিটৰ 'কনভেয়াৰ বেল্টৰ' ওচৰত কৰ্কাল খাই পৰা শ্ৰমিক এটাৰ আঁঠুৰ ঘিলা তেতিয়াও শুকোৱা নাছিল।

নাৰায়ণীয়ে তেজ পূঁজৰ বেণ্ডেজ পুতিবলৈ আজিও সাইৰ বালিত গাত খান্দিছিল।

খন্দা আৰু নাকমছা কাম কিছু সময় দ্ৰুত গতিৰে চলিল। হঠাৎ তাই মূৰ তুলি চালে। দূৰৈত মুন্সীগঞ্জৰ পুৰোহিতৰ কণ্ঠস্বৰ শুনা গ'ল। তেওঁৰ গংগা প্ৰাৰ্থনা ধ্বনি স্পষ্ট হৈ আহিল —

"হে মা মই অনাথ আৰু তুমি স্নেহময়ী। মই গতিহীন নিৰাশ্ৰয় — তুমি পুণ্যময়ী, তুমি সকলোকে আশ্ৰয় দিয়া — মই পতিত, তুমি বিশ্ব উদ্ধাৰ কৰা। মই ৰোগাগ্ৰস্ত তুমি সমস্ত ৰোগৰ ঔষধি স্বৰূপ। মই তৃষ্ণাৰ্ত্ত। সন্তপ্ত হৃদয়। হে মহানদী তুমি যি উচিত বুলি ভাবা তাকেই কৰা ."

— 'হে মা। মই নিজৰ যোগক্ষেমৰ সমস্ত চিন্তা তোমাক সপি দিছো। গতিকে সৰ্বস্ব সমৰ্পণ কৰা মোৰ দৰে দীনক যদি এনে কঠিন সময়ত তুমি এৰি দিয়া এই ত্ৰিভুবনৰ পৰা তোমাৰ প্ৰতি তোমাৰ শৰণাগত বৎসলা আৰু শৰণাগতক ৰক্ষা কৰাৰ খ্যাতিৰ প্ৰতি মানুহৰ বিশ্বাস নোহোৱা হৈ যাব। তোমাৰ নিস্বাৰ্থ কৰুণাও নিৰাধাৰ অৰ্থাৎ নিৰৰ্থক হৈ পৰিব!'

নাৰায়ণীয়ে পৃথিৱীৰ সকলো নদীকে গংগা নদী বুলি প্ৰাৰ্থনা জনোৱা — মুন্সীগঞ্জৰ

বৃদ্ধ বামুণৰ মন্ত্ৰধ্বনি কাণপাতি শুনিলে।

জবাফুলৰ মালা সাই নদীৰ বুকুত অৰ্পণ কৰি মুন্সীগঞ্জৰ বৃদ্ধ পুৰোহিতে অহা বাটেৰে উভতি গ'ল।

লেতেৰা বেগুেজবোৰ পোতা হ'ল। হঠাৎ তাইৰ চকুত পৰিল এটি পুৰুষ মূৰ্তি তাইৰ পিনে আগুৱাই আহিছে।

মূৰত ৰঙা টুপী ডিঙিত শেঁতা ৰঙা ৰঙৰ কমাল।

— মানুহটো থিয় হ'ল।

— কি লাগে?

— 'তোৰ নাম নাৰায়ণী?'

— ওঁ '

বিজুলীৰ দৰে এক তড়িৎ প্ৰবাহ তাইৰ দেহৰ ওপৰেৰে বাগৰি গ'ল। তেতিয়াহ'লে এইটোৱেই সেই বিশ্বাসঘাতক? ৰঙা টুপী পিন্ধি যশোৱন্তইতৰ লগত কাম কৰে আৰু পিছ দুৱাৰেদি গৈ চাহাবক তেল মালিচ কৰে।

— "কি লাগে?"

সি একো নেমাতিলে।

কিন্তু ঘৰচিৰিকাই খুটি খুটি খুদ চাউল খোৱাৰ দৰে এপিনৰ পৰা সি যেন তাইৰ সৰ্বশৰীৰ খুটি খুটি চাবলৈ ধৰিলে।

— "কি হ'ল? একেবাৰে দেখোন কছায়ে গৰু চোৱা দিছ?"

ধূৰ্ত শিয়ালৰ দৰে সি খিক কৰি উঠিল। তাৰ পাছত আপোন মনে সি তাইৰ চকুলৈ চাই এইবাৰ গুণগুণাই গাব ধৰিলে —

ফণীশ্বৰ নাথ ৰেণুৰ এটা পুৰণা কবিতা —

— "হে মহান সতগুৰুৰ সেৱিকা।

গায়িকা পবিত্ৰ ধৰ্মগ্ৰন্থৰ।

হে মহান মাৰ্ক্সৰ দৰ্শনৰ দৰ্শিকা,

সুদৰ্শনে প্ৰিয়দৰ্শিনী।

তুমিয়েই স্বয়ং দ্বন্দ্বযুক্ত ভৌতিকবাদৰ ছিলখিছিহ।

'শুনা নেকি বাৰু?'

কিন্তুৰে পিছুৱাই গ'ল তাই।

মূৰৰ পৰা সি টুপীটো খুলিলে। শুকান বিলাৰ দৰে চকচকীয়া তপা মূৰ এটা ৰ'দৰ পোহৰত তিৰ্‌বিৰাই উঠিল।

— বসুমতী বুঢ়ীয়ে তোক 'লোডী কাৰ্পেট' কোম্পানীৰ কথা নিশ্চয় কৈছিল।

— "কৈছিল।"

"ঠাকুৰ চাহাবৰ বেমাৰ, ইয়াত ধৰ্মঘট? চিকিৎসাৰ অভাৱ। আৰু — আৰু তইতো চাহাবৰ নতুন মানুহ নহয়?"

নাৰায়ণীয়ে উত্তৰ নিদিলে।

"— শুন চাহাবে নিজেই তোৰ বিচাৰ লৈছে। কেম্পৰ বাট দেখুৱাই দিবলৈ আমাৰ মানুহ আহিব।"

এইবাৰো নাৰায়ণীয়ে নিৰুত্তৰ। তাইৰ লগত এইদৰে থিয় হৈ কথা পাতি থকাৰ সময় তাৰ নাই। মানুহৰ সন্দেহ হ'ব।

"তেতিয়াহ'লে মই আহো।"

— তপাই তাইৰ উত্তৰলৈ আৰু বাট নেচালে।

এৰা কোন মুহূৰ্তত মোৰ্চা আছে কোন মুহূৰ্তত মোৰ্চাই ভয়ঙ্কৰ ৰূপ লয়? কি ঠিক? বন্দুকধাৰী পি এ চি পুলিচৰ সংখ্যা আৰু বাঢ়ি আহিছে।

সি উভতি গ'ল।

কি কৰিব তাই?

এৰা কি কৰিব?

হঠাৎ 'পি এ চি' পুলিচৰ হুইছেল শুনা গ'ল। কৰবাত আকৌ গণ্ডগোল লাগিছে চাগে। হয়তো ইউনিয়নৰ দুয়ো দলৰ মাজত।

আকৌ হুইছেল

গধপা জোতাৰ ধপ ধপ আৱাজ ! তাইৰ 'এছেন্সিয়েল ছাৰ্ভিচ'ত ডিউতি পৰিছে। 'ডিচপেনচেৰীৰ' পিনে আগুৱাই যোৱা উচিত। কিন্তু তাই ওলোটা মুৱা হৈহে খোজ দিলে। সাইৰ বুকুত খুটি পোতা শগুণৰ ভিৰ ঠেলি তাই 'লোডী কাৰ্পেটৰ' তম্বুৰ ওচৰ পালে। 'পি এ চি' পুলিচৰ হুইছেল তাই আৰু শুনা নেপালে।

তাইৰ চকুত পৰিল গেটৰ ওচৰত দাণ্ডাধাৰী চকিদাৰটিৰ সৈতে তপাই কথা পাতি আছে। হঠাৎ দুয়োৰে দৃষ্টি তাইৰ ওপৰত পৰিল। তপা আগবাঢ়ি আহিল।

— 'তই এতিয়াই আহিলি নাৰায়ণী?'

— 'ওঁ, মই আজিৰ পৰা কাম কৰিম।'

— 'তোক আমি গোপনে আনিলোহেঁতেন।'

— 'শুনা নাই 'পি এ চি' পুলিচৰ হুইছেল। তহঁতৰ লীডাৰৰ মাজত ধকা-খুন্দা লাগিছে চাগে! উভতি গৈ কিজানি তেজৰ ডোঙা দেখা পাম।'

তপাই মূৰৰ টুপীটো খুলি জেপত ভৰাই ল'লে, আৰু ব্যস্ত হৈ ক'লে —

'তই এইখিনিতে অলপ ৰ, মই এতিয়াই আহিম।'

তাঁৰেৰে দিয়া অস্থায়ী বেৰৰ নিচেই ওচৰৰ শিল এটাত তাই বহি পৰিল। মূৰটো আচন্দ্ৰাই কৰিব ধৰিলে। ভাল হ'ল নে বাৰু এনেকৈ গুচি অহাটো?

কি হৈছে তাইৰ?

দুয়ো হাতেৰে মূৰটো হেঁচা মাৰি ধৰিলে। কিছু সময়ৰ পাছত যেতিয়া মূৰ তুলি চালে, দেখিলে মূৰৰ ওপৰৰ আকাশ সেই খুটি পুতি থকা শগুণেৰে ভৰি পৰিছে 'ৱাৰ্ক ছাইটত' নিশ্চয় কিবা ঘটিছে 'পি এ চি' পুলিচে গুলী চলাব নেকি ?'

তপা উভতি আহিল। ব্যস্ত হৈ ক'লে —

— 'আহ। ঠাকুৰ চাহাব কালি পুৱাই আহি পাব — কাপোৰ ধোৱা, গৰম পানী কৰা, ফল মূল কাটি দিয়া প্ৰয়োজন হ'লে তেল মালিচ কৰি দয়া তইটো চব জান। আহ মোৰ পিছে পিছে।'

বহুত তম্বু। শাৰী শাৰীকৈ সজা। দুই এটা তম্বুৰ ওপৰত ৰেছমৰ পৰ্দা। যেন নিয়াৰিকৈ সজাই থোৱা বিয়াৰ বাহৰহে। এটি আহল-বহল তম্বুৰ ওচৰত আহি তপা থিয় হ'ল। তাৰ পাছত দুয়ো তম্বুৰ ভিতৰ সোমাল।

● ● ●

এটা সময়ত তম্বুৰ ভিতৰৰ পৰা নাৰায়ণী আৰু তপাৰ কণ্ঠস্বৰ ভাহি আহিল।

— 'বহ নাৰায়ণী চাহ খা।'

— 'শুন চৌধুৰী চাহাব আহিছে — কোম্পানীয়ে কিবা এক 'ইনভেষ্টিগেচন'ৰ কামত তেওঁক ইয়ালৈ পঠিয়াইছে। ছাইটৰ ধৰ্মঘটৰ বাবে তেওঁ এই তম্বুতে আছে তোৰ আৰু চৌধুৰীৰ এসময়ৰ সেই সম্বন্ধ '

গুলী খোৱা চৰাইৰ দৰে এটি চিৎকাৰ ভাহি আহিল তম্বুৰ ভিতৰৰ পৰা। তাৰ পাছত সুদীৰ্ঘকাল এক অন্তহীন নিস্তব্ধতা।

● ● ●

তাইৰ মূৰৰ ওপৰৰ আকাশত এটি পকা তৰমুজ বৰণীয়া চন্দ্ৰ ওলমি আছিল। নদী, বালি, তম্বু, মুৰ্গীগঞ্জৰ মানুহে অহা-যোৱা কৰিবলৈ দিয়া অস্থায়ী বাঁহৰ দলং, সকলোতে এই তৰমুজৰ ৰং সিঁচৰিত হৈ পৰিছে কাঁইটীয়া বগৰী জোপোহা এটাৰ পিনে নাৰায়ণী আগুৱাই গ'ল। জোপোহাৰ আঁৰ হৈ চৌধুৰীয়ে তাইৰ বাবে অপেক্ষা কৰি আছে

দুয়ো দুয়োলৈ মূৰ তুলি চালে।

(এটা সময় আছিল যি সময়ত দুয়ো দুয়োৰে সৈতে মুখা-মুখী হ'লেই এক অদমনীয় শাৰীৰিক ক্ষুধাই দুয়োকে উতলা কৰি তুলিছিল। এই ক্ষুধা এই মুহূৰ্ত্ততে ছাই হৈ গৈছে। বাস্তৱৰ কৰ্কশ ওৰণি গাত মেৰিয়াই এয়া দুয়ো আঠ বছৰৰ পাছত মুখামুখীকৈ থিয় হৈ আছে।)

নাৰায়ণীৰ বিশেষ ভাৱৰ পৰিবৰ্তন দেখা নগ'ল। কিন্তু চৌধুৰী কিছু আড়ষ্ট হৈ উঠিল। তেওঁৰ কপালত ঘামৰ কণিকা স্পষ্ট হৈ পৰিল।

'শুন নাৰায়ণী তোক এনেদৰে এই ব্ৰাহ্মতো লগ পাম বুলি ভবা নাছিলো।'

— 'ময়ো ভবা নাছিলো।'

— 'তোক দেখি আৰু ঠাকুৰ চাহাবৰ মুখে তইতৰ দুৰবস্থাৰ কথা শুনি

চৌধুৰীয়ে বাক্যটি শেষ কৰিব নোৱাৰিলে। নাৰায়ণীৰ চকুলৈ চাই তেওঁ স্তব্ধ হৈ গ'ল।

এটা অদ্ভুত প্ৰশ্ন কৰিলে নাৰায়ণীয়ে — 'চাহাব তোমাৰ মানুহজনীয়ে গঙ্গা প্ৰাৰ্থনা কৰে নে?'

— 'গঙ্গা প্ৰাৰ্থনা?'

— 'পূজা-পাতল?'

'কৰে কৰে পূজা-পাতল কৰে। মই তোৰ কথা তেওঁক কৈছিলো। তেওঁ কৈছিল যদি কোনো ব্ৰাহ্মত কেতিয়াবা মই তোক লগ পাওঁ মই যাতে তোৰ খবৰ বাখোঁ। তই বিপদত পৰিলে মই যাতে তোক সহায় কৰো।'

শাৰীৰ আচলটো তাই দাঁতেৰে কামুৰি ধৰিলে। এৰা এইটোৱেই মানুহ যি এসময়ত তাইৰ সমস্ত সুখ হৰণ কৰি নিছিল। এনে এটা ভয়াতুৰ মানুহৰ ওচৰত তাই আত্মসমৰ্পণ কৰিছিল ।।

আকৌ দুয়ো নীৰৱ। নিস্তব্ধ।

'নাৰায়ণী মোৰ পৰা কিছু সহায় ল। শুনিছো তোৰ গিৰীয়েকৰ বৰ অসুখ। এনেয়ে ধৰ্মঘট তোৰ শিশুটি নাৰায়ণী?'

নাৰায়ণীয়ে আকৌ এবাৰ চকু তুলি চালে। এই দৃষ্টিৰ সৈতে মুখামুখী হৈ চৌধুৰী কিছুদূৰ পিছুৱাই গ'ল।

আকৌ কিছু সময় এক অনন্য নীৰৱতাই বিৰাজ কৰিলে।

— "নাৰায়ণী চব কথা খুলি কোৱাৰ জোখেৰে সাহস মোৰ সঁচাকৈয়ে নাই। তই মোৰ লগত সঁচাকৈয়ে সুখী হলিহেঁতেন নে? আমাৰ ল'ৰা-ছোৱালীয়ে এই সমাজত ."

তাই আৰ্তনাদ কৰি উঠিল —

— "চুপ থাক চাহাব চুপ থাক . !"

এৰা এইটোৱেই সেই মানুহ যি এদিন তাইৰ গাত 'বাবুলৰ কাঁইটৰ' আঁচোৰ খৈ পলাই গৈছিল। ইয়াৰ বাবেই তাই আকাশৰ পৰা নৰকলৈ সৰি পৰা নাই নে? তাইৰ সন্মুখত সি থিয় হৈ আছে। বাক্সীৰ দৰে গৈ তাৰ ডিঙিত চেপি ধৰিব নেকি? আহ সেই বাবুলৰ কাঁইটৰ আঁচোৰ এতিয়াও যেন এই আঁচোৰৰ যন্ত্ৰণা

"নে নাৰায়ণী— এইটো টকাৰ টোপোলা। মোৰ মানুহজনীয়ে বাবে বাবে সোঁৱৰাই আছিল কেতিয়াবা কোম্পানীৰ কোনো ব্ৰাহ্মত মই যদি তোক লগ পাওঁ — মই যাতে তোক সহায় কৰো।"

নাই নাই নাৰায়ণীৰ আৰু শুনাৰ সময় নাই  দলঙৰ ভগ্নাৱশেষৰ ওচৰত বসুমতী বুঢীৰ আৰ্তনাদ শুনা গৈছে। কেঁচুৱাটি ৰখি ৰখি তাই চাঁগে ভাগৰি পৰিছে।

নাৰায়ণী উভতি গ'ল। ধনৰ টোপোলা চৌধুৰীৰ হাততে ৰ'ল।  ভঙা দলঙৰ সংক্ষিপ্ত পথেৰে যোৱাৰ সময়ত তাইক প্ৰেতনীৰ দৰে দেখা গ'ল। জোপোহাৰ ওচৰত বসুমতী থিয় হৈ আছিল।

"ইমান সময় সেই চাহাবটোৰ লগত কি কথা পাতিলি? মই তোক বিচাৰি বিচাৰি হায়ৰান।"

— "চৌধুৰী চাহাব আহিছিল।" আৰ্তনাদ কৰি উঠিল বসুমতীয়ে। এখন হাতেৰে কেঁচুৱাটি লৈ আনখন হাত তাইৰ পিনে টোৱাই চিএৰি উঠিল।

"সেই চৌধুৰী? তোৰ লগত লেন-দেন থকা সেই চৌধুৰী।"

"অ, সেই চৌধুৰী!"

— "আৰু তই দিব খোজা টকাৰ টোপোলাটো নললি? ক নেমাত কিয়? গাৰ ছাল - বাকলিও একেবাই আনিব লাগিছিল।"

বসুমতীয়ে উত্তেজিত হৈ তাইৰ নাকৰ ওচৰত কেঁচুৱাটি জোকাৰি ক'লে —

— "গাখীৰ খাব নেপাই এইটো মৰিব।।'  আৰু তোৰ গিৰীয়েৰ ধাছলা  ।"

— "চুপ্ থাক, চুপ্ থাক!!"

— "চুপ্ থাকিম? বৰ বাহাদুৰী দেখুৱালি নহয় নে?  টকাৰ টোপোলা গোৰ মাৰি থৈ আহিলি?'

কিছুদূৰলৈ আঁতৰি গৈ নাৰায়ণীয়ে হুকহুকাই কান্দিব ধৰিলে।

বহু সময় তাই এই কান্দোন দমাই ৰাখিছিল।

'পি এ চি' পুলিচৰ আকৌ হুকমুৰণি লাগি পৰিছে।

— "উঠ — উঠ  ল তোৰ কেঁচুৱা। মাটিত থলে আতাহ পাবে। কোলাত ললে জোকৰ দৰে লাগি লাগি থাকে  উঠ উঠ।"

বসুমতীয়ে হাউলী গৈ কেঁচুৱাটি তাইৰ কোলাত দিলে।

"ঠাকুৰ চাহাব আৰু তপাই নিশ্চয় তোক পইছা কিছু দিছে।"

"নাই দিয়া।"

"নাই দিয়া বুলি কলেই বিশ্বাস কৰিম নে?"

নাৰায়ণীৰ উত্তৰলৈ অপেক্ষা নকৰি তাই নাৰায়ণীৰ গা সেপিয়াব ধৰিলে। দুখ আৰু গ্লানিত ম্ৰিয়মান নাৰায়ণীয়ে আৰ্তনাদ কৰি উঠিল —

— 'আঁতৰ হ ৰাক্ষসী আঁতৰ হ ।"

নাৰায়ণীৰ মুখৰ পৰা এনে ধৰণৰ শব্দ শুনিব বুলি বেচেৰী বসুমতী বুঢীয়ে বোধহয় আশা কৰা নাছিল।

তাই 'গা-গোৱাই সাইৰ বালিৰে আগবাঢ়ি যাবলৈ ধৰিলে।

কোলত কেঁচুৱা লৈ নাৰায়ণীয়ে বসুমতীৰ পিছে পিছে আগবাঢ়ি যাব ধৰিলে। হঠাৎ নদীৰ আনটো পাৰত এটা হুঙ্কাৰ শুনা গ'ল .... ...

— "ৰবি বুঢ়ী।"

বসুমতী বঢ়ীয়ে উভতি চালে। তাৰ পাছত চিঞৰিলে "নাৰায়ণী পলা পলা

এক ভয়ঙ্কৰ বিপদৰ আভাস পাই দুয়ো লৰিব ধৰিলে।

কিন্তু নৰখাদকৰ হাতৰ পৰা দুজনী তিৰোতাই কেনেকৈ সাৰে?

"পলা পলা, মুলীগঞ্জৰ মানুহটোৰ তিৰোতাজনী মৰিল চাগে —। এতিয়া মোক খাব আহিছে।"

"পলা। পলা।।'

আহিল আহিল সেইটো। নাৰায়ণীক ঠেলা মাৰি সি বসুমতী বুঢ়ীক উদ্দেশ্য কৰি চোচা ললে।

— "আহ্ হাঃ হাঃ হাঃ।" দুৰ্বল, ৰুগীয়া বুঢ়ী লোহাৰ চিপৰাঙৰ আঘাতত বাগৰি পৰিল।"

— "চালী ৰাক্ষসী পানী খোৱা লোটা এটাৰ বাবে তই মানুহজনীক খালি মৰ ৰাক্ষসী মৰ।'

তেজেৰে লুতুৰ-পুতুৰ বুঢ়ী সাইৰ বালিত বাগৰি পৰিল। অহৰহ কঁকালত বান্ধি থোৱা মহাত্মা গান্ধীয়ে পানী খোৱা লোটাটো দূৰলৈ ছিটিকি পৰিল।

● ● ●

'পি এ চি' পুলিচৰ হুইছেল আকৌ শুনা গ'ল। সাইৰ বালিত হৰিজন বেৰেকৰ মানুহ ভৰি পৰিল। পুলিচৰ লণ্ঠনৰ পোহৰত সাইৰ বালি দিনৰ পোহৰৰ দৰে উজ্জ্বল হৈ উঠিল।

বাবুলৰ কাঁইটীয়া জোপোহাটিৰ ওচৰত সকলো থিয় হ'ল। হতভম্ব কিংকৰ্তব্যবিমূঢ়।

হঠাৎ বন্দুক আৰু দাণ্ডাধাৰী পুলিচৰ হুঙ্কাৰত মানুহবোৰ চাৰিওফালে ছিটিকি পৰিল।

— "হট্ হট্ — কোনো নাহিবি বুঢ়ীৰ ওচৰলৈ!"

বুঢ়ীৰ মূৰৰ ওপৰত গোট খোৱা তেজৰ বৰণে পকা পুঁই গুটিৰ বৰণ লৈছে।

পুলিচ এটাই চিঞৰিলে,

— "পানী আন। পানী আন। বুঢ়ী জীয়াই আছে।"

নদীৰ ওচৰলৈ দুটা 'পি এ চি' পুলিচ লৰি গ'ল।

ভিৰৰ মাজত আকৌ গুণ-গুণনি উঠিল — "বুঢ়ী জীয়াই আছে — বুঢ়ী জীয়াই আছে "

আকৌ সিহঁতে বুঢ়ীৰ ওচৰত উবুৰি হৈ পৰিব খুজিলে।

— "হট্! হট্! হট্!!"

ৰাতি ভূতৰ দৰে লগা এই কঙ্কালসাৰ ভিৰ চাৰিওফালে ছিটিকি পৰিল।

এইবাৰ ভিৰৰ মাজত আকৌ গুণ-গুণনি উঠিল — "কোনে মাৰিলে — কোনে মাৰিলে বুঢ়ীক?"

— "চুৰ কৰিবলৈ গৈছিল চাগে।"

-- "হয় হয় মুন্সীগঞ্জত চুৰ কৰিবলৈ গৈছিল।"

— "সৌৱা নাৰায়ণীয়ে সঁচা কথা কৈছে "

— "তাই দেখোন কান্দি কাটি বাউলি হৈছে "

— "শুন শুন তাই কৈছে — কৰবাত জৰা-ফুকা কৰিবলৈ গৈছিল।"

— জ্বৰা ফুকা কৰি মানুহজনীক খতম কৰি থৈ আহিছে।

অকল মানুহজনীক নহয় পেটৰ পোৱালীকো খতম কৰি থৈ আহিছিল।"

— "খতম হাঃ হাঃ খতম একেবাৰে খতম ।"

— "দেখা নাছিলি মুন্সীগঞ্জৰ সেই মানুহটোৱে আজি হৰিজনৰ বেৰেকলৈ গৈ ঘুমুটিয়াই ফুৰিছিল।"

— "তাৰ হাতত এখন মাটি খন্দা চিপৰাং আছিল।"

— "নহয় নহয় চিপৰাং নাছিল — সেইখন কুঠাৰহে আছিল।"

— "পি এ চি পুলিচে দেখা নাছিল?"

— "দেখিছিল। শুনা নাছিলি হুইছেলৰ আৱাজ ।"

পি এ চি পুলিচে হৰিজনৰ বেৰেকৰ মানুহবোৰক ছত্ৰভঙ্গ দিয়াবলৈ সৰু-সুৰা লাঠী চালনা কৰিবলগীয়া হ'ল? পুলিচ ভ্যান আহিল। বুঢ়ীক পথালি কোলা কৰি ভ্যানত উঠাই দিয়া হ'ল।

বুঢ়ীৰ পিঠিত চিপৰাঙৰ আঘাত লাগিছিল। বহুতৰ ধাৰণা হ'ল বুঢ়ী ভাল হ'ব। বোৱাৰীয়েক আৰু নীতিনীহঁতে ভাবিলে — "বুঢ়ী মৰক — বুঢ়ী মৰক।"

● ● ●

ঠাকুৰ চাহাবৰ 'চাটাইৰ কোৱাৰ্টাৰ'ৰ সন্মুখত মুন্সীগঞ্জৰ আটাইতকৈ সুসজ্জিত টাঙ্গাখন থিয় হ'ল। বৰযাত্ৰীক নিবলৈ অহাৰ দৰে সুসজ্জিত টাঙ্গা। ঘোঁৰাৰ মূৰত ময়ুৰ পাখিৰ শিৰস্ত্ৰান , ডিঙিত কড়ি আৰু পোৱালমণিৰ মালা।

ধৰ্মঘটৰ বাতাবৰণৰ লগত খাপ নোখোৱা সাজ-সজ্জা।।

'পিচ বাৰ্কাৰ'ৰ দুটা মাটি কটা শ্ৰমিকে ঠাকুৰৰ বস্তুবাবী তুলি মেলি দিয়াত সহায় কৰিলে।

ৰঙা পতাকা লৈ মোৰ্চাই কেইবাবাৰো তেওঁৰ দুৱাৰ মুখেৰে পাৰ হৈ গ'ল। কোম্পানীৰ দালালৰ ঘৰত 'পিচ বাৰ্কাৰৰ শ্ৰমিকক দেখি চিএগৰ বাখৰ নকৰিলে।

ধৰ্মঘটৰ আবহাৱাত এতিয়া বাৰুদৰ গোন্ধ উৰি ফুৰিছে। ইউনিয়নৰ দুটা দলৰ মাজত যোৱা ৰাতিও খকা খুন্দা হৈ গৈছিল।

কেৰকেৰ শব্দ কৰি টাঙ্গা আগুৱাই যাব ধৰিলে—। 'হাইটৰ সীমা কৰি ৰখা তাৰৰ বেৰৰ ওচৰত হঠাৎ ঠাকুৰ চাহাবে এটা তেজৰ ডোঙা দেখিবলৈ পালে।

-'ইউনিয়নৰ দুটা দলৰ মাজত লগা খকা-খুন্দাৰ শেষ স্মৃতি আছিল সেয়া।

আৰু জোৰেৰে টাঙ্গা চলাবলৈ হুকুম দিলে।

খট খট খট খট ।

ঘণ্টাৰ আবাজ ফোপোলা বাঁহ বজোৱাৰ দৰে শুনা গ'ল। বন্দুকধাৰী 'পি এ চি' পুলিচে পিপিয়াই ফুৰিছে চাৰিওফালে। কোম্পানীৰ চোৰাংছোৱাইতো এক্ষো একোটা ভয়ঙ্কৰ খবৰ দি গৈছে।

"সকলোৱে এটা মীমাংসালৈ আহিব। "

'মীমাংসা ?"

'তেজৰ ডোঙা ?"

"তাৰৰ বেৰ ?"

কেনে ধৰণৰ মীমাংসা ?

খাৰ বাৰুদ, তেজ

খট খট খট

বেহটা গাঁৱক দুফাল কৰি উ লিওৱা শিল দিয়া নতুন পথেৰে টাঙ্গা চলিব ধৰিলে।

সৌজনী নাৰায়ণী সাই নদীৰ পিনে আগুৱাই গৈছে তাই। গাত মলিয়ন শাৰী, উন্মুক্ত চুলি। সৌৰা তাইৰ চকুৰ ৰঙৰ সৈতে ঠাকুৰ চাহাবৰ ভালদৰে পৰিচয় আছে। জহি খহি যোৱা মন্দিৰ ৰ চুৰ্ণীকৃত ইটাৰ দৰে বৰণ তাইৰ দেহৰ। ক'লৈ গৈছে তাই ?

এছেনছিয়েল ছাৰ্ভিচত লগোৱা হৈছে চাগৈ তাইক । হয় হয় তাই তেজ পুজেৰে ভৰা পুৰণি বেগুেজবোৰ পুতিবলৈ গৈছে।

নাৰায়ণী। না ৰায়ণী!। মুখৰ ভিতৰত কেইবাবাৰো এই নামটো তেওঁ গুনগুনালে।

খট খট খট।

টাঙ্গাই পমা গছৰ হাবিৰ পথ ধৰিলে। কাইটীয়া জোপোহাবোৰত পকা বিলাহী বৰণীয়া এবিধ সৰু সৰু ফুলেৰে ভৰি পৰিছে। দুই এজোপা ধনবীয়া ডিমৰু গছো চকুত পৰিল।

'পিচ বাৰ্কাৰে' কেনেলৰ কাম বন্ধ কৰি থৈছে। 'পিছ বাৰ্কাৰ'ৰ শ্ৰমিকৰ লগত কোম্পানীৰ শ্ৰমিকৰ খকা-খুন্দা সদায়ে লাগি আছে।— যোৱাবাৰ গোমতীত বহা মেনেজমেণ্টৰ সভাত ঠাকুৰে নিজেই ভাগ লৈছিল পিচ বাৰ্কাৰ লাগে . এৰা কোম্পানীক পিচ বাৰ্কাৰ লাগে. চাটাৰিং, ৰিংকৰ্চমেণ্ট, মাটি কটা, কনক্ৰিটৰ কাম টীল কেৱীকেচনত ইইতক নিয়োগ কৰাৰ সমান সুবিধা কোম্পানীয়ে ক'ত পাব ? টাস্ক বাৰ্ক বেছিচত কাম।

তদুপৰি ৰিলিফ এলাউন্স বোনাচ আদিৰ 'লফৰা' নাই। ধৰ্মঘটৰ ভাবুকি নাই । কোনো দিনেই ইহঁতৰ ইউনিয়ন হ'ব নোৱাৰে। পানী মেটেকাৰ দৰে ইহঁতৰ ভিৰ বাঢ়ি আহিছে। গাড়ীৰ ঠিকাও এতিয়া পিচ বাৰ্কাৰৰ হাতলৈ গৈছে। পেট্ৰলৰ দাম বাঢ়িল। প্ৰডাকচন বেচিছত ড্ৰাইভাৰে কাম নকৰে। 'ৰোড টেক্স' বঢ়াৰ লগে লগে 'বাৰ্ক ছপ ৰখাও কোম্পানীৰ বাবে মস্কিল হৈ পৰিল।

খট খট খট।।

এইবাৰ কেনেলত মাটি কাটি থকা এবিধ নতুন শ্ৰমিক দেখা গল। সিহঁত 'পি ডব্লিউ ডি'ৰ মানুহ।

হঠাৎ ঠাকুৰ চাহাবৰ পুৰণা কথা এটা মনত পৰিল। ১৯৬০ চনৰ কথা। বেত্ৰাৱতী নদীৰ শুভ উদ্বোধনৰ দিন আছিল সেইটো। বেত্ৰাৱতীৰ 'ছাইট ইনচাৰ্জ' আছিল তেওঁ। 'ডাম্পাৰ' ড্ৰাইভাৰহঁতে ষ্ট্ৰাইক কৰা বাবে প্ৰজেক্টৰ শেষৰ লাংখা লিংখি সঁজুলিৰে বাৰ্ক ছাইট ভৰি পৰিছিল। ডিছমেণ্টেল কৰি ৰখা ক্ৰেইনৰ পাৰ্ট, চাটাৰিং প্লেট, কমপ্ৰেছাৰ পাম্প আদি 'ৱাগন' ট্ৰাকেৰে বিভিন্ন ব্ৰাঞ্চলৈ পঠোৱাত সেইবাৰৰ দৰে বিশৃঙ্খল এবাৰো হোৱা নাছিল। — 'শুভাৰম্ভ' আৰু 'ট্ৰায়েল' একে লগেই হৈছিল। জলসিঞ্চন বিভাগৰ উপমন্ত্ৰী ৰামবিলাস শৰ্মাক উদ্‌ঘাটনৰ বাবে নিমন্ত্ৰন কৰি অনা হৈছিল।

একুৱেডাক্ট পাৰ হৈ মণ্ডপলৈ যাবলৈ 'স্কাফল্ডিঙ'ৰ ওপৰত ৰেম্প কৰি দিছিল। ৰেগুলেটৰ খুলি দিয়াৰ লগে লগে দুশ মাইল দীঘল কেনেলেৰে পানী আহিব।

শ্ৰমিকহঁতে ভালৰ ভাল সাজ-পোছাক পিন্ধি একুৱেডাক্টৰ চাৰিওফালে পিয়াপি দি ফুৰিছিল।

হোম হৈছিল। আমখৰিৰ ধোঁৱা আৰু জ্বলি যোৱা গৰু ঘিউৰ সুবাসে মঙ্গলময় দিনৰ শুভাৰম্ভৰ কথা সোঁৱৰাইছিল। বেত্ৰাৱতীৰ পাৰত এপ্ৰিল মাহৰ প্ৰখৰ ৰদলৈ সেইদিনা কোনেও ভ্ৰূক্ষেপ কৰা নাছিল।

মন্ত্ৰী মহোদয় সময় দিয়া মতে অৱশ্যে আহি পোৱা নাছিল।

কোনো কথা নাই।

ডি জি এম, জি এম, পি ডব্লিউ ডিৰ চীফ ইঞ্জিনিয়াৰ। এৰা সকলোৰে সেইদিনা খুব মেজাজ।

আহিল। পুলিচৰ সমদল আগেয়ে আহিল। জি এম, ডি জি এমে লৰি গৈ মন্ত্ৰী মহোদয়ক ফুলৰ মালা পিন্ধাই দিলে। খদ্দৰৰ সাজপাৰ পিন্ধা মন্ত্ৰী মহোদয় বুকু ফিন্দাই আগবাঢ়ি আহিল।

হায় হায় হায় কি কাণ্ড ! কি কাণ্ড? বিস্ময়ত হতবাক ঠাকুৰ চাহাবে একে ঠাইত কিছু সময় থিয় হৈ ৰল। কোনোবা এটাই ঠেলা মাৰি আগুৱাই নিদিয়াহেতেন অনুষ্ঠানৰ শেষলৈকে ঠাকুৰ চাহাব একে ঠাইতে ভেনেদৰে থিয় হৈ থাকিলহেঁতেন।

এয়ে ৰামবিলাস শৰ্মা।

মাত্র কেইবছৰ মানৰ আগতে বাগমতী নদীৰ ওপৰত দিয়া ব্ৰীজখনত তেওঁক লগ পোৱা নাছিল নে?

অকল লগ পোৱাই নে?

বাগমতী নদীত তেওঁ আৰ্থৱাৰ্কৰ কনটেক্টৰ নাছিল নে?

পাঁচটা বছৰৰ ভিতৰত এই পৰিবৰ্ত্তন? বিস্ময়কৰ।

ঠাকুৰ চাহাবৰ ব্যক্তিগত জীৱনত এনেকুৱা বিস্ময়কৰ ঘটনা আৰু হোৱা নাছিল।

এসময়ৰ পিচ বাৰ্কাৰ মন্ত্ৰী মহোদয় হোৱাৰ ঘটনাই ঠাকুৰ চাহাবৰ কৰ্মময় জীৱনক এক প্ৰকাৰ থৰকবৰক কৰি থৈ গল। সৌৱা হস্তিনীৰ মাজত গজেন্দ্ৰৰ ৰূপ ধাৰ কৰি লয়লাস গতিৰে ৰামবিলাস শৰ্মা আগবাঢ়ি আহিছে

আৰ্থৱাৰ্কৰ কনটেক্টৰ হৈ থাকোতে তেওঁৰ গাত অহৰহ এটা পহুৰ চালৰ বেল্ট কোটে শোভা কৰি আছিল। ঢিলা পঞ্জাবী মলিয়ন পায়জামা মূৰত তুৰ্কী টুপি মুখত বিড়ি। সদায়ে গণ্ডগোল

সেই ৰামবিলাস শৰ্মা ?

হয়, এৱেই সেই ৰামবিলাস শৰ্মা।

টক টক টক!

সদায়ে কামত গণ্ডগোল আছিল।

আৰ্থৱাৰ্কৰ মাটি ঠিকমতে ৰোলিং নাই হোৱা।

ঠিকমতে 'কমপেক্চন' হোৱা নাই বুলি 'পেমেন্ট' কৰা হৈছিল

হাঃ হাঃ বিলৰ ২½ অংশ ঠাকুৰ চাহাবে তেওঁৰ পৰা ভেটি লৈছিল।

তদুপৰি মাহিলী 'কিস্তত' আছিল

ঠাকুৰে তেওঁৰ মুখৰ পিনে মূৰ তুলি চাই কোনো দিনে কথা কব নোৱাৰিছিল।

দুটা ব্যক্তিত্বৰ এক অদ্ভুত দ্যুতি তেওঁৰ মুখৰ অভিব্যক্তিৰ মাজেৰে প্ৰখৰ হৈ পৰিছিল।

বিস্ময়কৰ ব্যক্তিত্ব!!

ঋষি ভাৰদ্বাজ আৰু ৰাৱনৰ ব্যক্তিত্বৰ সংমিশ্ৰন!!

মিশ্ৰিত ব্যক্তিত্ব !!

তেওঁ যিবোৰ মজদুৰ আনিছিল সেইবোৰো অদ্ভুত আছিল — কুজা, লেঙেৰা, বুকুৰ কামিহাড় ওলোৱা।

কোনোবাই কৈছিল 'আৰ্থৱাৰ্কৰ ঠিকাদাৰ' কোনোবা এটা এনেকাৰ লীডাৰ।

মিশ্ৰিত ব্যক্তিত্বৰ দ্যুতি।

ৰহস্যময় ব্যক্তিত্ব।

হায় হায় হায়। তেওঁৰ হাতত্তেই আছে ফুলৰ মালা, তেৱেঁই আগবাঢ়ি যাব লাগিব

জুনিয়ৰ ইঞ্জিনীয়াৰ কেইটা উত্তেজিত হৈ পৰিল।

— "ইনচাৰ্জ চাহাব আগবাঢ়ি যাওক। মালা পিন্ধাওক ।"

—"আহ্ কি হৈছে কি হৈছে মৃগী বেমাৰীৰ দৰে হাত ভৰি খৰক-বৰক দেখোন।"

হাত চাপৰিৰ শব্দ। এখোজ দুখোজকৈ ঠাকুৰ চাহাব আগবাঢ়ি গ'ল।

যন্ত্ৰচালিতৰ দৰে গৈ তেওঁ মালা পিন্ধাই দিলে।

এক মুহূৰ্তৰ বাবে দুয়ো দুয়োৰে চকুলৈ চাইছিল। যেন ওচৰা ওচৰিকৈ বাস কৰা দুটা কুকুৰনেচীয়াই এটিয়ে আনটিলৈহে চালে।

বেত্ৰাৱতীৰ চাৰি কুৰি মাইল দূৰৈৰ আন এটি বান্ধৰ পানী দুৱাৰ খোলা হব। হব মানে হৈছেই। সিপিনৰ পৰা খবৰ আহিছে খোলা হৈ গৈছে। দুই কিলোমিটাৰ দূৰৈৰ 'ৰেগুলেটৰো' খুলি দিয়া হৈছে। এৰা যিকোনো মুহূৰ্তত এতিয়া পানী আহি পাব। হিচাব কৰা মতে ভৰিৰ সৰু গাঠিহে তল যাব লাগে । কি ঠিক?

এৰা কি ঠিক? বৰ ভালকৈয়ে মনত আছে ঠাকুৰ চাহাবৰ সেই মুহূৰ্তত তেওঁ কিবা এটা বিঘিনি হোৱাকেই বিচাৰিছিল।

এৰ কিবা এটা বিঘিনি হওক

কিবা এটা বিঘিনি??

সকলোৰে দৃষ্টি দূৰৈৰ বিন্দু এটিত স্তব্দ। ৰূপালী ৰেখাৰ জিলিঙনি দেখা গৈছে।

দুয়ো পিনৰ পাহাৰ সদৃশ বেৰেজৰ বেৰে ঠাকুৰ চাহাবক যেন হেচি ধৰিব।

কোনোবাই ঠাকুৰ চাহাবৰ হাতত এটি নাৰিকল তুলি দি কলে —

" দিয়ক দিয়ক মন্ত্ৰী মহোদয়ৰ হাতত তুলি দিয়ক। এতিয়াই পানী আহিব। পানী অহাৰ লগে লগে মন্ত্ৰী মহোদয়ে নাৰিকল ভাঙি বেত্ৰাৱতীক সন্মান জনাব লগে লগে মজদুৰ বাইজে জয়ধ্বনি দিব।"

—" দিয়ক দিয়ক নাৰিকলটি তুলি দিয়ক।"

ঠাকুৰ চাহাবে নাৰিকলটি লৈছিল আৰু এটা সময়ত মন্ত্ৰী মহোদয়ৰ হাতত তুলি দিছিল। বৰ বেয়াকৈ মনত আছে ঠাকুৰ চাহাবৰ ঠিক এই খিনি সময়তে মন্ত্ৰী মহোদয়ৰ গৰ্জন কৰি উঠিল--

—" নিয়া, মোৰ ভৰিৰ জোতাযোৰ খুলি নি এটি নিৰাপদ স্থানত থৈ আহা ।"

পানী আহিল – পানী আহিল

জয় বেত্ৰাৱতী মাইৰ জয়।।

জয় বেত্ৰাৱতী মাইৰ জয়।।

ফটোগ্ৰাফাৰৰ ক্লিক্ ক্লিক্, পুলিচৰ হুইছেল, মজদুৰৰ চিএৰ -বাখৰ

মন্ত্ৰী মহোদয়ৰ জোতাযোৰ লৈ তেওঁ কি কৰিছিল? এসময়ৰ আৰ্থবাৰ্কৰ কন্‌ট্ৰেক্টৰৰ জোতা?

কোনোবাই হেচুকি তেওঁক চিৰিৰ ওচৰলৈ ঠেলি নপঠোৱাহেঁতেন সেই প্ৰচণ্ড পানীৰ ধাৰাই নিশ্চয় তেওঁক কিছু দূৰলৈ উটুৱাই নিলেহেঁতেন। মন্ত্ৰী মহোদয়ৰ জোতাযোৰ অৱশ্যে তেতিয়াও তেওঁৰ হাতত আছিল।

টক। টক। ঠক।

টাঙ্গা আহি আলি কেকুৰীত উপস্থিত হ'ল।

নতুন দলং এখনৰ ওপৰেৰে টাঙ্গা পাৰ হৈ গল ।

টক টক টক

জগদীশপুৰৰ আলি কেকুৰীৰ বাওঁহাতে টাঙ্গা আগুৱাই গ'ল। আলি কেকুৰীত এটি জ ৰাজীৰ্ণ পুলিচ চৌকি আছে । চৌকিৰ এখন কলা বোৰ্ডত লিখা আছে — "ইয়াত চুঙ্গি আদায় কৰা হয়।"

টক টক টক।

হৈছে নে বাৰু কাৰোবাৰ এনেকুৱা অৱস্থা? প্ৰপাইটাৰৰ' লগত সনা পিঠা আৰু গাধৰ দৰে খাটিব লগা এই দুটি গুনৰ বাবেই 'এই যায় এই যায়' চাকৰি বৈ গ'ল। কিন্তু চাইট ইনচাৰ্জ হোৱাৰ সৌভাগ্য তেতিয়াৰ পৰা শেষ হৈ গ'ল। তাৰ পাছত পৌৰুষত্ব ক্ষুন্ন কৰা সেই দুৰ্ঘটনা

সুৰাক তেওঁ যিমান সংগ দিলে বিবাহিতা ভাৰ্যা ক সিমান সময় দিব পাৰিছিল নে? সতি সন্ততি নাই। বেছিভাগ সময় আজিকালি তেওৰ ভাৰ্যাই মঠ মন্দিৰত কটায়।

দসেৰী আমাৰ বাগিচাখনৰ কেঁচা আলিটোৰে এইবাৰ টাঙ্গা আগুৱাই যাব ধৰিলে

টক টক টক টক

মানুহে কয় ঠাকুৰ চাহাবৰ ক্ৰুৰতাৰ অন্ত নাই। ক্ৰুৰ? ক্ৰুৰ?

পৌৰুষত্বহীন হোৱাৰ পাছৰ পৰা সেই ৰহস্যময় চিন্তা? সচাকৈয়ে তেওঁ পৌৰুষত্বহীন হৈছিলনে? আৰু অসন্তুষ্টিৰ ফলস্বৰূপে দেখা দিয়া উন্নত আকাঙ্ক্ষা। সেয়া নেকি ক্ৰুৰতা?

কিছু দিনৰ আগেয়ে ইচ্ছা হৈছিল, — জীপ চলাই যাওতে সকলোকে মাৰি থৈ যাব। কুকুৰ, মেকুৰী। আনকি এটি মজদুৰকো তেওঁ এদিন খুন্দিয়াইছিল।

আৰু নাৰায়ণী?

তাই পৰিকাৰ্য্য কৰাৰ সমময়ত তাইৰ দেহৰ কোনোবা অংশ তেওঁ চেপি ধৰিছিল, অক্টোপাচৰ হাতোৰাৰ দৰে হৈ পৰিছিল তেওঁৰ হাত

ঝাকস। ঝাকস।!

এই আৰ্তনাদ শেষলৈ মিনতি মিশ্ৰিত উচুপনিলৈ ৰূপান্তৰিত হয়—

— "চাহাব এই মাংসপিণ্ড লৈ কি মন যায় তাকে কৰা। মই জানো মোৰ দেহলৈ তাৰ বীজ যাব নোৱাৰে।"

টক টক্ টিক ।।

"লোডী কাৰ্পেট কোম্পানীৰ চিত্ৰ বিচিত্ৰ তম্বুবোৰ দেখা গ'ল। পঁৰিয়ালৰ দৰে স্থিৰ হৈ পৰি আছে। সাই নদী এতিয়া মৰাশৰ ওপৰত দিয়া কাপোৰৰ দৰে নিশ্চল হৈ পৰি আছে।

তম্বুৰ চকীদাৰ কেইটাই ধৰামেলা কৰি ঠাকুৰ চাহাবক টাঙ্গাৰ প ৰা নমালে। হাতৰ লাখুটিত ভৰ দি ঠাকুৰ চাহাবে এটি নিৰ্দিষ্ট তম্বুৰ পিনে আগুৱাই গ'ল।

নাৰায়ণী?

বালিত বহি থকা লিচু লেঙেৰাৱে মূৰ তুলি চাই তাই কলে—

—"কি লাগে?"

—"এখন ৰুটি দিব নোৱাৰ?"

নৰায়ণীয়ে এইবাৰ জাঙুৰ খাই উঠিল—

—"লেঙেৰা মৰা পুতেৰাৰ চিতাৰ জুই কিমান পুৱাই থাকিবি? যা শম্ভু পাছোৱানে 'ইছছেনশ্যাল' ডিউতিত ভৰাই দিব। ৰাতি হাস্পাতালৰ চিৰিত পহ ৰা দিলে হব।"

ক'ত শক্তি পালে এই উপবাসীয়ে গো-গোৱাই আগবাঢ়ি আহিবলৈ?

—"দে ছালী বেগুেজবোৰকে দে?"

—"কি?"

আৰ্তনাদ কৰি উঠিল নাৰায়ণীয়ে —

—"বেগুেজবোৰকে দে?"

—"তেজ পুঁজেৰে ভৰা এইবোৰ বেগুেজ কি কৰিবি। " দেখা নাই — নাঙঠ হৈ আছো।

এয়া এয়া সি যেন তাইৰ গাতে উবুৰি হৈ পৰে এতিয়া নাৰায়ণীয়ে দৌৰিব ধৰিলে

● ● ●

মোৰ্চাৰ শ্লোগানৰ শব্দ তেতিয়া নাছিল।

অৱশ্যে এয়া আগ্নেয়গিৰি উদ্গীৰণৰ আগেয়ে হোৱা নীৰৱতাৰ দৰেহে আছিল।

গধুলি মুন্সীগঞ্জৰ পৰা এযোৰ মানুহ আহি নাৰায়ণীক হাস্পাতালৰ দুৱাৰ মুখত লগ ধৰিলে।

কিছু — সময়ৰ পাছত নাৰায়ণী আৰু মানুহযোৰক সাইৰ বালিৰে আগবাঢ়ি যোৱা দেখা গল।

'পি এ চি' পুলিচে হুইছেল বজাই বজাই কিছু সময় সিহঁতৰ পিছে পিছে খেদি আহিছিল—

একেবাৰে তাৰৰ বেৰৰ ওচৰলৈকে সিহঁত আহিছিল। নাৰায়ণীৰ লগত ফুচফাচ কৰি সিহঁত কিছু সময় বৈ আছিল।

এয়া তাই বাৰু ভাল কৰিলে নে? যোৱা ৰাতিৰ পৰা সকলোৱে ফুচফাচ কৰি ফুৰিছিল ভয়ঙ্কৰ দিন আহি পৰিছে। বলিয়াৰ দৰে যোৱা ৰাতিৰ পৰা তাই কাম বিচাৰি ঘূৰি ফুৰিছিল।

এইবাৰ কোম্পানীৰ পৰা এৰা খাই এই প্ৰচণ্ড ৰ'দ আৰু লুৰ অত্যাচাৰত শিবু ধাছলা নিশ্চয় মৰিব।

বাৰাণ্ডাৰ এচুকত তাই বহি আছিল। তেজ পুঁজৰ বেগেঞ্জ সাহঁ নদীত পুতি অহাৰ ভাৰ আন এটা জামাদাৰৰ হাতত পৰিছিল। তাই জুপুকা মাৰি একে ঠাইত বহি আছিল। তাইৰ সম্মুখেৰে মোৰ্চা পাৰ হৈ গৈছিল।

হুতা হুতা মাত। আঃ কি যে চেহেৰা মোৰ্চাৰ?? ইউনিয়নৰ মানুহে টকা বিলাব এৰি দিছে। ফাগু সাং। মজদুৰতকৈও পি এ চি পুলিচ সৰহ। আজি বন্দুকধাৰী চিপাহী সতৰ্ক।

শেষত এয়ে হ'ল।

এয়ে হ'ল।।

কিন্তু কাৰ বীজ তাই কটিয়াই ফুৰিছে? এৰা কাৰ বীজ?

● ● ●

মাজ ৰাতি শিবু ধাছলাই কোনোবাই দুৱাৰত গোৰ মাৰা শুনিলে। নাৰায়ণীক বিচাৰি নেপাই সি হাবাথুৰি খাই আহি বিছনাত পৰিছিল।

দুৱাৰ খুলি মানুহটোৱে কিছুদুৰ পিছুৱাই গ'ল। দুৰ্গন্ধ। দুৰ্গন্ধ।।কোন থিয় হৈ আছে ধৰিব নোৱাৰি।

সি জুই শলাৰ বাহ এটি খেপিয়াব ধৰিলে

—শিবু মই লিচু লেঙেৰা?"

—"এই ৰাতি?"

—'ভয় নকৰিবি— মই কটি পুজিবলৈ অহা নাই।"

—"কিয় আহিলি?"

—"চাবলৈ আহিলো।"

শিবুৱে ক'লে—

—"তাই এতিয়াও উভতি অহা নাই। পাত পাতকৈ বিচাৰি ফুৰিলো। শিয়াল মুৱা পুলিচ কেইটা? সিহঁতেও একো নেজানো বুলি ক'লে তাই পিছে এতিয়া কেনেকৈ এন্ধাৰে -মুন্ধাৰে থিয় হৈ থাকিবি নে?"

অন্ধকাৰৰ মাজত সি কেচুৱাটিৰ পিনে আঙুলি টোৱাই ক'লে—

—তাক কোলাত ল আৰু মোৰ পিছে পিছে আহ? দা বা খুৰ্পী কিবা আছেনে?

—"কি কব?"

—"আহ, মোৰ পিছে পিছে আহ! কেঁচুৱা আৰু কুঠাৰ লৈ ধাছলা ওলাই আহিল।"

—"তাই ক'ত আছে তেতিয়াহলে তই গম পাইছ ? কোন পিনে যাম? মোৰ ভৰি কঁপে। তোৰো কঁপে নহয় নে?"

—"ভৰি বাঁহৰ কামি হৈ গৈছে। আ হ আহ, সময় কম।"

দুটি নৰকঙ্কাল যেনিবা নদীৰ পাৰে পাৰে আগুৱাই গৈছে। সীমা ৰক্ষা কৰি থকা কাঁইটৰ বেৰ ৰ ওচৰৰ পি এ চি পুলিচে এবাৰ দুয়োৰে বুকুৰ পিনে বন্দু ক টোৱাইছিল। সিহঁতৰ মাজ ৰ কোনোবা এটাই কিৰিলি পাৰি উঠিছিল—

—"প্ৰেতাত্মাৰদৌৰ চা। ভূত ভূত?"

--শিবু ধাছলাৰ কান্ধত হাত থৈ আকৌ লিচুৱে ক'লে,"আমাৰ হাতত সময় কম আহ দৌৰিব পাৰিবি নে ? ছাল্লা চুৰৰহঁতে কৈছিল ধৰ্মঘটৰ সময়ত সিহঁতে চাউল বিলাব।"

লিচু লেঙেৰাৰ হাতৰ স্পৰ্শ শুকান আছিল। কোলাত লৈ অহা কেচুৱাটিয়ে দুই এবাৰ ফেকুৰি উঠিছিল। সি তাৰ সৰু সৰু আঙুলি কেইটাৰে শিবু ধাছলাৰ বুকুৰ হাড এডাল লিৰিকি বিদাৰি আছিল। ছাইটৰ আনটো সীমাৰ তাঁৰৰ বেৰৰ ওচৰত কোনো পুলিচ পাৰ্টি থিয় হৈ থকা নাছিল। সংক্ষিপ্ত পথেৰে দুযো আগবাঢ়িল। আঠুঁৰ ঘিলাই কট কট শব্দ কৰিলে। কিছুদুৰ গৈ এচটা শিলৰ ওচৰত লিচু লেঙেৰা হামখুৰি খাই ছিটিকি পৰিল।।

"কি কৰিম? যাব পাৰিম নে?"

—"ধৰ, মোৰ হাতত ধৰ আমি পাইছোহি। সৌবোৰ তম্বু দেখিছ? তাই তাতেই আছে।"

এক নতুন উৎসাহেৰে এইবাৰ দুয়ো আগবাঢ়িল।

ৰাতি পুৱাবৰ সময় হৈছে নেকি বাৰু? খানহাঁহ কিছুমানে কিচিৰ মিচিৰ কৰা যেন ভাব হ'ল।

—"কোন পিনে?" গেটৰ ওচৰৰ চন্তৰী দুটাই মুখামুখীকৈ বহি টোপনিয়াই আছে।

দুয়ো কুচি মুচি কাঁইটৰ বেৰ পাৰ হ'ল। শিবু ধাছলাৰ গাত বনিয়ন আছিল। লিচু লেঙেৰাৰ গা উদং, কাঁইটৰ আঁচোৰত তাৰ গাৰ চাল চিঙি গৈছিল।

—"কোনটো তম্বু?"

হঠাৎ যেন দুয়ো প্ৰচণ্ড শক্তি লাভ কৰিলে। দুয়ো এটা নিৰ্দিষ্ট তম্বুৰ পিনে আগুৱাই [illegible]ল। লি[illegible] মনত আছে। আজি যেন সি দিব্যদৃষ্টিও লাভ কৰিছে। পেটৰ যন্ত্ৰনাত [illegible]দন।- তাৰ পিছে পিছে ঠিক এই খিনিলৈ আগুৱাই আহিছিল।

হয় হয়। তাৰ ঠিক মনত আছে এইটো তম্বু। . তম্বুৰ ভিতৰত এটি শেঁতা পোহৰ।

হঠাৎ লিচুৱে সুধিলে—

—"কুঠাৰখন আনিছ নহয়। দে এই খিনিতে ঘাপ মাৰি দে।.. তম্বু ফালি লগে লগে দেখিবি তোৰ নাঙঠ ঘৈনীয়েৰ চাহাবৰ কোলাত বহি আছে।"

—"চুৰৰ চুপ থাক—

"ঘাপ মাৰ আৰু সোমাই যা। দে কেচুবাটো মোক দে।"

"তাইক তই বিয়াত দিয়া চাদৰখনকে লৈ আছে নে? কেইটা চাহাবৰ বীজে তাত কিলবিল কিলবিল কৰি আছে ।"

—"চুপ থাক। চুৰৰৰ বাচ্চা।"

কেঁচুৱাটি লিচু লেঙেৰাৰ হাতত তুলি দি সি কুঠাৰেৰে তম্বুটো ঘপিয়াব ধৰিলে।

সি যেন এই মুহূৰ্তত ভীমৰ বল লাভ কৰিছে। দুয়ো হাতেৰে আজুৰি সি তম্বুটোৰ এটি খণ্ড ফালি পেলালে।

ভিতৰত দুটি নাঙঠ প্ৰাণী। সৌৱা চাহাবটোৱে নাঙঠ হৈ কুম্ভকৰ্ণৰ দৰে শুই আছে। তম্বুত পৰা কুঠাৰৰ ঘাপতো সাৰ পোৱা নাই। মদ খাই একাবাৰে বেহুচ।

এগছি শৈতা বন্তি সম্মুখত লৈ কুচি মুচি এজনী উলঙ্গ তিৰোতা বহি আছে। ভাঙি পৰা মন্দিৰৰ দৰে চেহেৰা।

— "নাৰায়ণী। নাৰায়ণী তই নাঙঠ হৈ বহি আছ। তোৰ সম্মুখত সৌবোৰ উদং বিছনা। কাৰ্পেট কোম্পানীৰ চাহাবৰোৰ আহিছিল চাগৈ। . এজা ক চাহাব আৰু এজনী তিৰোতা।। হাঃ হাঃ

লিচু লেঙেৰা যেন উন্মত্ত হৈ উঠিল। ভঙা মদৰ বটলৰ টুকুৰা আৰু নাৰায়ণীৰ নাঙঠ দেহ জলমল কৰি আছে।

তাই থিয় হ'ল। কাপোৰ এখন তুলি লৈ গাত তুলি লবলৈ চেষ্টা কৰিলে।

শিবু ধাছলাৰ পিনে আঙুলি টোৱাই তাই ক'লে —"তই আহিবি বুলি মই জানো। মে'ৰ বিবেকেই তোক মাতি আনিছে।"

"চুপ থাক। চুপ থাক।।"

নাৰায়ণীয়ে অগ্নি- পুত্তলিকাৰ ৰূপ ধাৰন কৰিলে

অগ্নি পুত্তলিকাৰ চুলি খুলি পৰিল। কঁকালত যি সামান্য বস্ত্ৰ আছিল সেইখিনিও মাটিত সৰি পৰিল।

তাই লৰি গৈ শিবু ধাছলাৰ হাতৰ পৰা কুঠাৰ খন কাঢ়ি ললে। আৰু অগ্নি-পুত্তলিকাই কুম্ভকৰ্ণৰ দৰে শুই থকা উলঙ্গ চাহাবটিৰ মুৰত এটি প্ৰচণ্ড ঘাপ বহুৱাই দিলে।

খুন তেজৰ নদী

লিচু লেঙেৰা যেন বলিয়া হৈ গ'ল। সি লেকেচিয়াই লেকেচিয়াই গৈ নাৰায়ণীৰ গাতধৰি জোকাৰিবলৈ ধৰিলে।

—"কিয় মাৰিলি? সি তোক দুখন কটি দিয়া নাছিল?"

হাতত তেজেৰে ৰাঙলি কুঠাৰ, উস্মুক্ত চুলি। একেবাৰেই নাঙঠ দেহ।।

ভয়ঙ্কৰ। ভয়ঙ্কৰ ৰূপ।।

—"তাই ৰাক্ষসী হৈছে। ধৰ ধৰ তাইক।"

লাছটিৰ ওচৰলৈ গৈ তাই হাতত ধৰি টানিব ধৰিলে।

"ৰাতিপুওৱাৰ আগেয়ে লাছ বাহিৰত থব লাগিব। চবে জানিব মোৰ্চাই মাৰিছে. ।"

লেঙেৰাই আকৌ লেকেচিয়াই লেকেচিয়াই আগবাঢি আহি কলে ।

—"লোডী কাৰ্পেটৰ চাহাবহঁতে তই আছিলি বুলি নেজানিবনে? গিৰীযেকক এৰি যি এটাৰ লগত শোৱে—"

—"চুপ থাক চুৱৰ।"

—ঢং ঢং ঢং ঢং

—"কৰ ঘণ্টা বাজিল? কৰ ঘণ্টা বাজিল?"

"মূলীগঞ্জৰ পূজাৰীৰ ঘণ্টা।"

—"আহ আহ ধৰ ধৰ "

তিনিও চোচোৰাই — চোচোৰাই লাছটো তাঁৰৰ বেৰৰ ওচৰলৈ গ'ল। কাঁইটীয়া জোপোহা এটাৰ ওচৰৰ পৰা এজাক শিয়ালে খচ মচ খচ মচ কৰি দুৰৈৰ —'শিচপ গছৰ হাবিৰ পিনে লৰ দিলে। তিনিওৰে মূৰৰ ওপৰত কিছুমান শুকান ছালে ঘঁহনি খোৱাৰ দৰে শব্দ শুনা গ'ল। মূৰ তুলি চাই সিহঁতে দেখা পালে সাহিৰ বালিত খোপনি পুতি বহি থকা শগুণবোৰে গছ সলাইছে। সিহঁতে নদীৰ পাৰৰ গছ এজোপাত বহিছেহি।

তাঁৰৰ বেৰৰ ফাকেৰে লাছটো পাৰ কৰাৰ সময়ত সিহঁতে বহুপৰ যুঁজিব লগীয়া হ'ল।

ভৰিত তেজ? কাপোৰত তেজ? কোনো কথা নাই।

হাতৰ কুঠাৰ?

কোনো কথা নাই।

তিনিটা প্ৰেতাত্মা যেন আগুৱাই যাব ধৰিলে —

কোনো ভয় নাই।

কোনো চিন্তা নাই।

জীৱনৰ সকলো কৰ্তব্য — সকলো আকাঙ্ক্ষা শেষ কৰি সিহঁতে যেন এক সোণালী পথত ভৰি দিছে

. ৰাতি পুৱাল। পুলিচৰ জিৰৰ ধূলিয়ে 'কাৰ্পেট কোম্পানী'ৰ তম্বুবোৰ যেন লুকুৱাইহে পেলালে।

● ● ●

"পাইলৰ দলং" পাৰ হৈ এটা দলে লোকেল লীডাৰ শাস্ত্ৰীৰ ঘৰৰ পিনে ঢাপলি মেলিছিল।

আজিয়েই শেষ। — ৰক্ত ক্ষয় কৰি হ'লেও আজিয়েই এটা শেষ মীমাংসালৈ আহিব লাগিব।

এই ইউনিয়নৰ মজদুৰৰ বিক্ষোভৰ বিষয়ে কোম্পানীয়ে ভালদৰেই জানিছে। এই সুযোগৰ বাবেই কোম্পানীয়ে অপেক্ষা কৰি আছিল।

চোৰাংচোৱাই আহি কৈছিল।

এয়ে কোম্পানীৰ শেষ মিটিং।

এই ধৰ্মঘটৰ ফলাফল স্বৰূপে মাত্ৰ যাঠিটা মানুহক ট্ৰান্সফাৰ কৰা হব। এই ব্ৰাঞ্চৰ পৰা ফাইনেল লৈ যোৱাৰ লগে লগে সিইতক নতুন ব্ৰাঞ্চত দিয়া হব। যিহেতু ই আইন সন্মত ধৰ্মঘট নাছিল সেইমতে ইণ্ডাষ্ট্ৰিয়েল ডিচপিউট এক্ট মতে 'নো বাৰ্ক নো পেজ'

'কেজুৱেল বাৰ্কাৰ সকলৰ বাহিৰে বাকী মজদুৰক আৰু দুমাহ এই কামতে ৰখা হব। বৰ্খাস্ত কৰাৰ সময়ত 'ডেইলী পেইড' বাৰ্কাৰইতক সেই একেই সুবিধা দিয়া হব, যি সুবিধা 'মানেৰী ভেলীৰ' মজদুৰইতকো দিয়া হৈছিল। তদুপৰি সময়মতে কাম শেষ হ'লে বিশেষ 'ইনচেনটিভৰ' ব্যৱস্থা কৰা হব।

সুযোগ বুজা কুকুৰনেচীয়াৰ দৰে কাম।

সিহতৰ পিছত পি এ চি পুলিচো আছিল। পাইলৰ দলঙেৰে যোৱা ইউনিয়নৰ দলটিয়ে শব বাহকৰ দলৰ দৰে নিশ্চুপ হৈ আগবাঢ়িছিল।

ইউনিয়নৰ মেম্বাৰ এটা সময়ত গৈ লোকেল লীডাৰৰ ঘৰত উপস্থিত হ'ল।

লোকেল লীডাৰ শাস্ত্ৰীৰ ঘৰৰ চাৰিওফালে ইতিমধ্যে বন্দুকধাৰী 'পি এ চি' পুলিচৰ ভিৰ দেখা গৈছে।

লোকেল লীডাৰ শাস্ত্ৰীৰ দুৱাৰত এটা প্ৰকাণ্ড তলা ওলমিছে।

—'তলা?'

যশোৱন্তই অনুভৱ কৰিলে তলাই এইবাৰ জীয়া বাঘৰ মুখৰ আকৃতি গ্ৰহণ কৰিছে। পিছ হুহকি আহিল ইউনিয়নৰ মেম্বাৰ সকল।

পি এ চি পুলিচ এটাই আৰ্তনাদ কৰি উঠিল - 'মুৰ্খইত, চৰাই উৰি গৈছে।'

চেক্ৰেটেৰীয়ে দুৱাৰৰ ওচৰলৈ আগুৱাই গৈ বন্ধ দুৱাৰত এটা প্ৰচণ্ড গোৰ বহুৱাই দিলে।

মজবুত কাঠৰ দুৱাৰ – কোনো কাটকুটৰ শব্দ শুনা নগ'ল।

হঠাৎ মেঘৰ গৰ্জনৰ দৰে এক গৰ্জন শুনা গ'ল। পি এ চি পুলিচে গুলিবৰ্ষণ লগাই দিলে।

—"উঠ উঠ উঠ আমাৰ ব্ৰেক ভানত উঠ । সিহঁতে পুলিচৰ গুলিকো এই মুহূৰ্তত ভয় নকৰে। উঠ উঠ সিহঁত আগবাঢ়ি আহিছে। চাৰি হাজাৰ মজদুৰে তহঁতক সাইৰ বালিলে টানি নি নেফানেফ কৰি পেলাব।"

চিঞৰৰ বাখৰ স্পষ্ট হৈ আহিল। ধপ্ ধপ্।।

দুটা ইটাৰ টুকুৰা আহি লোকেল লীডাৰৰ টিনৰ চালৰ ওপৰত পৰিল।

হুৰমুৰকৈ গৈ গোটেইজাক পুলিচৰ ব্ৰেক ভ্যানত জপিয়াই পৰিল।

বন্দুকধাৰী পি এ চি পুলিচে নিজৰ নিজৰ পজিচন লৈ সাজু হ'ল। বন্দুকৰ খট খট আবাজ আৰু গুম গুম শব্দই গোটেই খন মুখৰ কৰি তুলিলে।

মুন্সীগঞ্জৰ কেঁচা আলিৰে তুফান গতিৰে পুলিচৰ ব্ৰেক ভান আগুৱাই যাব ধৰিলে।

মুন্সিগঞ্জৰ পুলিচ চৌকিৰ পৰা ইউনিয়নৰ মেম্বাৰহতে জুইৰ ধোঁৱা দেখা পালে।

জুই! লোকেল লীডাৰৰ ঘৰত জুই!!

ইউনিয়নৰ মানুহ কেইটাই এটিয়ে আনটিৰ মুখলৈ চালে—

"কোনোবা থাকি আহিল নেকি বাৰু?

সেই চুটি চাপৰ ঘুটমুটিয়া মেম্বাৰজন ক'লৈ গ'ল?"

অসহায় ভাবে ইটোৱে সিটোৰ মুখলৈ চালে।

"ভালুকাডোবাৰ ব্ৰাঞ্চত সি ট্ৰেজাৰাৰৰ কাম কৰিছিল।"

—"এটা পইছাও সি ইফাল সিফাল নকৰিছিল বেচেৰা "

"কি নাম আছিল।"

"জগদীশ প্ৰসাদ।"

"বিয়া বাৰু হৈছিল নে?"

—"হৈছিল। বাচ্চা এটি লৈ অহৰহ খেলি থকা দেখা নাছিলি নে?"

"কি ঠিক 'পি এ চি পুলিচে প্ৰটেক্ট কৰিবও পাৰে ।"

—"মূৰ কৰিব দেখা নাই ঘৰ জ্বলিছে।"

"গুলীৰ আৱাজো আহিছে নেকি বাৰু !!"

বৃটিছৰ দিনতে গুলি খাই কিস্তুত কিমাকাৰ ৰূপ লোৱা ৰেলেৰে দলঙৰ কাষেৰে পাৰ হৈ যোৱা এটি নতুন আলিৰে তুফান গতিৰে ব্ৰেক ভ্যান চলিব ধৰিলে।

কিংকৰ্ত্তব্যবিমূঢ় এই দলটিৰ মাজৰ পৰা এজনে আৰ্তনাদ কৰি উঠিল।

"আমি উভতি যাওঁ মানে তাৰ চাগৈ হাড মাংস বাকী নাথাকিব।"

"তেজৰ ডোঙাহে পাম।"

"আমি ছাইটলে উভতি আহিব পাৰিম নে?"

● ● ●

পুলিচৰ 'প্ৰটেক্টচনত' দলটি আহি বায়ৰেৰেলী' চহৰৰ 'পুলিচ চৌকিত' নামিল।

পুলিচ চৌকিৰ ওচৰৰ পুৰণা বিচাৰ 'ছত্ৰী'ত ইতিমধ্যে কোম্পানীৰ সভ্যসকল সাজু হৈ আছিল। মানুহতকৈও পুলিচৰ ভিৰ সৰহ।

মেম্বাৰ সকল এটা এটাকৈ ব্ৰেক ভ্যানৰ পৰা নামিল।

ইৰিগেচনৰ চীফ ইঞ্জিনীয়াৰে আগবাঢ়ি গৈ সিহঁতক অভিনন্দন জনালে।

ঘূৰণীয়া টেবুল এখনৰ চাৰিও ফালে কাগজ কলম লৈ বহি থকা ভদ্ৰলোকসকলে কোৱা মেলা কৰা শুনা গ'ল—

—"কেজুৱেলিটি?"

—"তিনিটা।"

—"পৰিস্থিতি আয়ত্বাধীন।"

সিহঁত সোমাই আহিল। ভাৰাক্ৰান্ত চেহেৰা। সকলো কথা, সকলো শ্লোগান শুকাই হৃদয়ৰ মাজত বৰফ হৈ গৈছে। এই মুহূৰ্তত সিহঁত ভাই-ককাইলৈ ৰূপান্তৰিত হৈ গৈছে।

ভাই-ককাই।

হয়, হয়, ভাই-ককাই!!

চাহাবী পোছাক পিন্ধা 'ইৰিগেচনৰ' চীফ ইঞ্জিনীয়াৰে কোম্পানীৰ ৰেগুলেচন পঢ়ি শুনালে। সেই একেই কথা—

মাত্ৰ বাঠিটা মানুহক ট্ৰান্সফাৰ কৰা হ'ব। ডেইলী পেইড ৱাৰ্কাৰহঁতে এই ব্ৰাঞ্চৰ পৰা ফাইনেল লৈ গৈছে আন ব্ৰাঞ্চত সোমাব লাগিব, ইত্যাদি।

সকলোৱে চুক্তি পত্ৰ খন আকৌ এবাৰ চকু ফুৰাই চালে।

চীফ ইঞ্জিনীয়াৰৰ উদাত্ত কণ্ঠ আকৌ এবাৰ শুনা গ'ল—

"এইবোৰ ফেচিলিটি কোম্পানীয়ে অৱশ্যে মৌখিক ভাৱেহে দিব।"

মানুহ কেইটাৰ মুখেৰে এটা অস্ফুট শব্দ বাহিৰ হ'ল।

মূৰৰ হেট খুলি চীফ ইঞ্জিনীয়াৰে ক'লে—

"মই নিজেই এই বিষয়ে 'গেৰেন্টি' হৈ থাকিম "ভায়া মিডিয়াম" লেখডত কন্ফিডেন্চিয়েল চিঠি ইৰিগেচনলৈ লিখি এই বিষয়ে এক প্ৰকাৰ পকা বন্দোবস্ত কৰা হৈ গৈছে। গুনা তোমালোকৰ ভবা চিন্তা কৰাৰ সময় নাই।"

চহী কৰা পৰ্ব শেষ হ'ল।

যুদ্ধ ক্ষেত্ৰত পলাই অহা সৈনিকতকৈ লজ্জাজনক কথা আৰু কিবা আছে নে?

দাড়িয়ে-গোঁফে ভোৰাকাৰ কোম্পানীৰ পাৰ্ছনেল অফিচাৰ এইবাৰ থিয় হ'ল—

"লীডাৰ সকল তোমালোকতো এতিয়া ছাইটলৈ উভতি যাব নোৱাৰিবা। কোম্পানীয়ে প্ৰত্যেককে পুলিচ প্ৰটেক্টচন দি ৰাখিব নোৱাৰিব?"

নিস্তুপ হৈ পৰিল সিহঁত।

"তোমালোকৰ ভিতৰত কেইজন মাস্থলি আছা?"

যশোৱন্তৰ বাহিৰে সকলোৱে হাত দাঙিলে

-- কিছু চিন্তা কৰি পাৰ্ছনেল অফিচাৰে ক'লে —

"তোমালোকৰ যদি আপত্তি নাই এই মুহূৰ্ততে তোমালোকে ফাইনেল লৈ 'মানেৰি ভেলী' লৈ পলাই যোৱা। অৰ পৰা প্ৰত্যেকজনকে বেলেগ বেলেগ ঠাইলৈ পঠোৱাৰ বন্দোবস্ত কৰা হ'ব। তেতিয়ালৈ মজদুৰহঁত এটা এটা হৈ পৰিব। কোনো ভয় নেথাকিব।'

কি উত্তৰ দিব সিহঁতে?

উত্তৰ দিবলৈকে বা কি বাকী আছে?

আৰু কাগজ-পত্ৰ আহিল। আৰু চহী কৰা পৰ্ব চলিল। খচ খচ খচ।। চব কথাই যেন পানীৰ দৰে সহজ। মালিকহঁত চব কথাৰ বাবেই যেন সাজু।

হৰিজনৰ প্ৰতিনিধি যশোৱন্তই একে ঠাইত কুচি-মুচি বহি ৰ'ল।

কোম্পানীয়ে এই পৰাজিত লীডাৰসকলৰ কাৰণে সকলো কৰিবলৈ সাজু আছে।

এদিনৰ ভিতৰতে সিহঁত মহামূল্যবান আলহী হৈ পৰিল। সি কি কৰিব এতিয়া?

হঠাৎ চীফ পাৰ্ছনেল অফিচাৰৰ চকু যশোৱন্তৰ ওপৰত পৰিল। তেওঁ আঙুলি টোৱাই ক'লে --

— "তই নতুন লীডাৰ যশোৱন্ত নহয় নে?"

সি মূৰ তুলি চালে।

— "তই ফিটাৰহঁতৰ হেল্পাৰ আছিলি নহয় নে? সকলোৱে তোক জ্ঞানী পুৰুষ বুলি কৈছিল।"

সি তলমূৰ কৰিলে।

— "তহঁতৰ দলত থকা গোটেইবোৰ ছুইপাৰক 'ফাইনেল' দিয়া হৈছে।

বুকুৰ ভিতৰত লুকাই থকা এক ভয়ঙ্কৰ আৰ্তনাদে বুকু চুডমাৰ কৰি বাহিৰলৈ ওলাই অহাৰহে যেন চেষ্টা কৰিলে।

প্ৰচণ্ড শব্দ কৰি পুলিচ চৌকিৰ ওচৰৰ ৰেলৰে লাইনেৰে ৰেল এখন পাৰ হৈ গ'ল।

মূৰ তুলি যশোৱন্তই দেখিলে কোম্পানীৰ পাৰ্ছনেল অফিচাৰটিয়ে তাৰপিনে আঙুলি টোৱাই আৰু কিবা কৈছে। —

"যশোৱন্ত' বেৰেকত থকা তহঁতৰ দলটিক সাই নদীৰ বালিৰ ওচৰতে লগ পাবি। সিহঁতে 'ফাইনেল' লৈ গৈছে। ফিটাৰৰ হেল্পাৰহঁতলৈকো ফাইনেলৰ নোটিচ গৈছে। লীডাৰহঁতৰ সকলো কথাই আমি পকা কৰি থৈ আহিছো। শুন ফিটাৰ হেল্পাৰ যশোৱন্ত' ৰিট্ৰেন্সমেন্ট কম্পানচেচন এলাউন্স, গ্ৰাচুইটি পে, নোটিচ পে সকলো সুযোগ দিয়া হ'ব তদুপৰি তোৰ ক্ৰিয়াৰেন্সৰ বাবে চিন্তা কৰিব নেলাগে — কিবা বিশেষ বস্তু আছিল নেকি?"

— "চকী মেজ?"

— "চকী মেজ!!"

বহি থকা দলটোৱে মুখৰ ভিতৰত গুণগুণালে।

পাৰ্ছনেল অফিচাৰৰ চকুৱে আৰু এটি ধূৰ্ত চাৱনি টো খেলাই গ'ল। ক'লে —

— "টৌৰ ক্ৰিয়াকেলৰ বাবে একো চিন্তা কৰিব নেলাগে। নে এইটো থাম। ইয়াত সকলো 'ডিউ' আছে। তই গৈ শম্ভু পাছোৱানৰ দলটোক লগ ধৰগৈ — সিহঁতে বোধহয় সাইৰ বালি এতিয়াও পাৰ হোৱা নাই।

সাৱধান! সাইৰ বালিৰ পৰা আৰু এখোজো আগ নেবাঢ়িবি। জীয়াই জীয়াই সাইৰ বালিত দফনা দিব।"

এখোজ দুখোজকৈ সি অফিচাৰ আৰু পুলিচৰ ভিৰ ঠেলি বাহিৰলৈ ওলাই গ'ল।

ৰ'দৰ চোক বাঢ়ি আহিল। এটা সময়ত যশোৱন্ত আহি সাইৰ উত্তপ্ত বালিত ভৰি দিলে। এৰা, পাৰ্ছনেল অফিচাৰে ঠিকেই কৈছিল — শম্ভু পাছোৱানৰ দলটিয়ে সাইৰ বালি অতিক্ৰম কৰা নাই।

সি চিঞৰিলে —

— "পাছোৱান ভাই।"

সিপিনৰ পৰা আৱাজ আহিল —

— "কোন?"

— "যশোৱন্ত!!"

আগবাঢ়ি গ'ল যশোৱন্ত।

বালি পাৰ হৈ চেণ্ডৰ হাবি একনৰ ওচৰত শম্ভু পাছোৱানৰ দলটি থিয় হ'ল। এই দলত এতিয়া আৰু সৰহ মানুহ বাকী নাছিল।

— শম্ভু পাছোৱানৰ কান্ধৰ ওপৰত এডাল 'দাণ্ডা' আছিল। লাংখা-লিংখি বস্তুৰ টোপোলা এটা — এয়ুৰে বন্ধা আছিল। আনটো মূৰত এটি খালী টিং ওলমি আছিল। এইটো টিনতে শম্ভু পাছোৱানে চান্দা তুলি পইচা জমাবলৈ চেষ্টা কৰিছিল।

— তাৰ উদ্দেশ্য সৎ আছিল।

'ফাইনেল' হৈ যোৱাৰ পাছত এই দলটিয়ে এটি ভয়ঙ্কৰ বিপদৰ সন্মুখীন হোৱাৰ বিষয়ে শম্ভু পাছোৱান সজাগ আছিল।

কিন্তু টিং তাৰ খালী হৈয়ে থাকিল?

যশোৱন্তই ওচৰলৈ আহি দেখিলে দলটিৰ মানুহ কমি একেবাৰে নোহোৱাৰ দৰে হৈছে। যি কেইটা আহিছে এইকেইদিন দুৰ্ভিক্ষত ভুগি অস্থি পুঞ্জহে বাকী আছে।

ভূতৰ গাভৰু জীয়েক দুজনী? নাই। — সিহঁতে পাঞ্জাবী খালাচীৰ সৈতে, 'পেছোৱাৰত' উধাও হৈ যোৱাৰ পাছত দুখৰ ভাগোপৰ থানাৰ পুলিচে ধৰা বুলি উৰা বাতৰি দি ফুৰিছিল।

লিচু লেঙেৰাৰ তজবজীয়া ল'ৰাটোও নাই? বেচেৰা খাৰ বাৰুদৰ বলি হ'ল।

লিচু লেঙেৰা?" — যশোৱন্তই সুধিলে।

— কোনোবা এটাই উত্তৰ দিলে, —

— "ঠাকুৰ চাহাবক কুঠাৰেৰে ঘপিওৱাৰ দিনাই সি 'সাইৰ' বুকুত পৰি আত্মহত্যা কৰিছে!"

ছুইপাৰৰ বেৰেকৰ আৰু মানুহ নাই" — এটাই আকৌ উত্তৰ দিলে —

— "লোকেল লীডাৰৰ ঘৰত জুই দিয়াৰ অপৰাধত বহুত মানুহ গ্ৰেপ্তাৰ হ'ল।"

— "নাৰায়ণী আৰু শিবু থাছলা?"

— "নাৰায়ণী? আৰু বসুমতী?"

সকলোৱে তলমূৰ কৰিলে।

— "বসুমতী বুঢ়ী। — ৰায়বেৰেলী জিলা হাস্পাতালত মৰণৰ ক্ষণ গণিছে।"

বুকুৰ মাজত এক সংজ্ঞাহীন বেদনাই যেন হাহাকাৰ কৰি উঠিল।

শম্ভু পাছোৱানে তাৰ ওচৰলৈ আহি ক'লে — "আমাৰ হাতত সময় কম। ডালমৌৰ ঘাটলৈ গৈ আমি খবৰ ল'ব লাগিব। আজিকালি টকা পইচা দি লোকেল নেতাই কোম্পানীত লোকেল জামাদাৰক নিয়োগ কৰে। দুই তিনিখন ডাম্পাৰ ৰখাবলৈ চেষ্টা কৰিলো — কোনো নৰখিল। চা, মই কোম্পানীত বাৰ বছৰ চাকৰি কৰিছো আজি মোৰ হাতত এয়া ফাইনেলৰ নোটিচ। তই গুচি আহিলি বৰ ভাল কৰিলি — নহ'লে মাৰাত্মক কথা হ'লহেঁতেন।"

— "সিহঁত নৰখাদক হৈ আছে — দফনা দিব সাইৰ বালিত!!"

হঠাৎ উভতি চালে শম্ভু পাছোৱানে। তাৰ পাছত দলটোৰ পিনে চাই সি চিঞৰি উঠিল।

— আগবাঢ়! আগবাঢ়!!

দলটো আগুৱাই যাব ধৰিলে।

ভাৱাক্ৰান্ত চেহেৰা।

অৰ্থশূন্য দৃষ্টি।

আকৌ এবাৰ যশোৱন্তই হৃদয়ৰ মাজত এটা প্ৰতিধ্বনি যেন শুনা পালে।

শ্মশান যাত্ৰাত বজোৱা ঢোলৰ শব্দৰ দৰে এই শব্দ।

কিয় এনে হ'ল?

যোৱা দহ বছৰৰ কোনো ঠাইতে সত্য আৰু নীতিৰ পোহৰ সি কিয় দেখা নেপালে?

এই দল অস্থি চৰ্ম সাৰ দল। দহ-বাৰ বছৰ কোম্পানীত কাম কৰিও 'পাৰমানেন্ট' হ'ব নোৱাৰা এই দলে — এতিয়াও নিৰ্বিবাদে সৌৱা আগুৱাই গৈছে।

বুঢ়াই তাৰ কাণৰ ওচৰত ফুচফুচাই কোৱাৰ দৰে ক'লে —

"তই নাৰায়ণীৰ বিচাৰ নৈৰিছিলি নহয় নে?"

— সি মূৰ দুপিয়ালে।

— "তই তাইৰ দায়িত্ব লম বুলিও বোধহয় সংকল্প কৰিছিলি নহয় নে?"

সি উত্তৰ নিদিলে।

ভাৰখন নমাই থৈ শম্ভু পাছোৱানে হাতৰ দাখন জোকাৰি মূৰৰ পাগুৰিটো ঠিক কৰি ল'লে — "চাহাবটোক কিয় মাৰিলে তাই?"

— "তাইৰ পেট কলহৰ দৰে বাঢি আহিছিল। মূৰৰো গণ্ডগোল হৈছিল।"

— "মানে?"

"সেইবোৰ বহুত কথা

সেই এটা ব্ৰাহ্মণ ঠাকুৰ চাহাব 'ফাট্টাৰ' পৰা কাহিনী শুনিছিলি নহয়?"

যশোৱন্তই মূৰ দুপিয়ালে?

— "চাহাবৰ অঙ্গচ্ছেদ হোৱাৰ কাহিনীও শুনিছিলি নহয়?"

— "শুনিছিলো।"

— "সেই কাহিনী মিছা আছিল। চাহাব পৰিছিল সঁচা কথা — কিন্তু চাহাবৰ তেনে হোৱা নাছিল।'

"কি কলি?"

"যশোৱন্ত — তই চাধাচিধা মানুহ। এইবোৰ কথা তই বুজি নেপাবি।"

ঘৰ ঘৰ শব্দ কৰি কোম্পানীৰ ডাম্পাৰ এখন 'কোৱাৰী'ৰ পিনে আগুৱাই গ'ল। সকলোৱে হাত দাঙিলে।

'ডাম্পাৰ' নৰখিল।

যশোৱন্তই বুকুৰ মাজত আকৌ এবাৰ সেই প্ৰতিধ্বনি শুনা পালে।

এই দলৰ লগত আকৌ আগবাঢি যোৱাৰ ইচ্ছা নহয়।

শম্ভু পাছোৱানে প্ৰশ্ন কৰিলে —

— "কি কৰিবি এতিয়া?"

যশোৱন্তই উত্তৰ নিদিলে।

'পাৰ্ছনেল এছিষ্টেণ্টে' দিয়া টকাৰ খামটো ঠিকে আছে নে নাই চাবলৈ এবাৰ সি পকেটত হাত দি চালে —।

— "কিছু টকা তোৰ প্ৰয়োজন হব নহয়নে শম্ভু পাছোৱান? তোৰ দলত দুজনীমানে গুৰৰ কল্তাৰ দৰে পেট লৈও আহিছে নহয়।"

পকেটৰ পৰা খাম উলিয়াই সি দুখনমান নোট শম্ভু পাছোৱানৰ হাতত গুজি দিলে।

— "কি কৰ? — তই তয়ো আমাৰ লগে লগে আহ...। তই আহিলে আমাৰ বুকুত সাহ বাঢ়ে। মই বুঢ়া হৈ গৈছো। ছাল সাপৰ মোট কেন হৈছে।"

— "সাপৰ মোট?"

— "ও সকলোৱে সাপৰ দৰে মোট সলাবলগীয়া হৈছে।"

বুকুৰ মাজত আকৌ সেই প্ৰতিধ্বনি।

হঠাৎ যশোৱন্তই শম্ভু পাছোৱানৰ হাত এখন মুঠি মাৰি ধৰিলে।

যশোৱন্তই প্ৰশ্ন কৰিলে —

— "তাইক মই বচাব পাৰিম নে?"

— 'তই নাৰায়ণীৰ কথা কৈছ?'

— "তেতিয়াহ'লে তাইৰ প্ৰতি তোৰ ভাব গভীৰ আছিল?"

উত্তৰ সি নিদিলে। শম্ভু পাছোৱানৰ পৰা বিদায় লৈ সি বাৰ্ক ছাটিৰ পিনে খোজ দিলে।

কিংকৰ্তব্যবিমূঢ় শম্ভু পাছোৱানে আৰ্তনাদ কৰি উঠিল।

"সিহঁতে পুতি থব তোক।"

গোটেইজাক যাত্ৰীয়ে সমস্বৰে চিঞৰি উঠিল —

— "পুতি থব!"

— "পুতি থব।"

যশোৱন্তই উভতি নেচালে।

উত্তপ্ত বালিৰ ওপৰেৰে সি খোজ পেলালে।

যোৱা বছৰ এই বালিতে এগৰাকী সাধুৱে সমাজ পাতি বহিছিল। তেওঁ সকলোৱে চাই চিঞৰি উঠিছিল।

— "উহ! জাগ এইদৰে থোঁৱাই থাকিব নে? ইয়াতকৈ এবাৰ জ্বলি শেষ হৈ যোৱা বেছি মঙ্গলময়।"

— "মঙ্গল! মঙ্গল!!"

ৰুক্ষ উত্তপ্ত বালিৰে সি আগুৱাই গ'ল।

বিড়ি চিগাৰেটত ৰাপ নাছিল। আন আন মজদুৰৰ দৰে 'হুইটৰ বজাৰৰ' চেগুণৰ চালিৰ তলত বহি চাহ তামোল খোৱাৰো তাৰ চখ নাছিল। খালাচী 'লঙ্গৰ' নাইবা চাটাৰিং প্লেটৰ ওপৰত বহি আড্ডা দিয়াৰো তাৰ অভ্যাস নাছিল।

গোমতীৰ পৰা লীডাৰ সকল আহি যেতিয়া 'চামিয়ানা' টানিব আৰম্ভ কৰে মাজে সময়ে সি উঠি আহি সিহঁতক সহায় কৰি দিছিল।

সাই নদীৰ বালিত অৱশ্যে অকলেই তাক ঘূৰি ফুৰা দেখা যায়।

এবাৰ সাই নদীৰ বালিতেই সি চুলতানপুৰৰ পৰা অহা এজন সাংবাদিকক লগ পাইছিল। সিহঁতে কৈছিল — "হৰিজন শ্ৰমিক? বাঃ বৰ ভাল কথা . বাৰাণসীত হৰিজন মন্ত্ৰীয়ে উদ্‌ঘাটন কৰা সম্পূৰ্ণ নন্দৰ মূৰ্তিটিক গঙ্গাৰ পানীৰে পবিত্ৰ কৰাৰ পাছত প্ৰটেষ্টচন অব চিভিল ৰাইটছ এক্ট মতে চৰকাৰে কি কৰিলে জানা নে?"

যশোৱন্তই মূৰ জোকাৰিলে।

"বিহাৰত হৰিজনৰ বাবে ৰখা ২৪ পাৰ্চেণ্ট জব ফেচিলিটিৰ শেষ মীমাংসা কি হ'ল জানা নে?"

যশোৱন্তই সাংবাদিক কেইটালৈ চালে।

কোমল বয়সীয়া সাংবাদিক এজনে ক'লে —

— "ইউ পি চৰকাৰে অত্যাচাৰৰ বলি হোৱা হৰিজনক পাঁচ হাজাৰ টকাকৈ অৰ্থ সাহায্য দিয়াৰ বিষয়ে ঘোষণা কৰিছে।"

যশোৱন্তই আকৌ এবাৰ এক অন্তৰ্ভেদী দৃষ্টিৰে সাংবাদিকটিলৈ মূৰ তুলি চালে আৰু ক'লে —

"আমাৰ কোনো শিপা নাই আমি 'ইউ পি' চৰকাৰৰো নহয়, অন্ধ্ৰৰো নহয়, অসমৰো নহয়। আমি সেই সুবিধা নেপাম।"

সাংবাদিক কেইজনে একেলগে কৈ উঠিল।

— "কোনো শিপা নাই?"

"বিস্ময়কৰ! বিস্ময়কৰ!!"

বয়স্থ সাংবাদিক এজনে ক'লে —

— "বিহাৰৰ হৰিজনইঁতে যোৱা বছৰ বাৰাণসীত একত্ৰিত হৈছিল। তইঁতৰ কোনোবা প্ৰতিনিধি গৈছিল নে?"

যশোৱন্তই মূৰ জোকাৰিছিল।

হঠাৎ ফুলাম ছাৰ্ট আৰু 'টাইট পেণ্ট' পিন্ধা সাংবাদিক এজনে প্ৰশ্ন কৰিছিল —

—"তইঁতৰ লেবাৰ ৰেট এগ্ৰিকিউটিভ কাউন্সিলাৰে হৰিজন ৱেলফেয়াৰৰ বাবে এশ চাৰি লাখ টকা মঞ্জুৰ কৰাৰ খবৰ জাননে?"

"মধ্যপ্ৰদেশত লেবাৰ ৰেট সৌ সিদিনালৈ মাত্ৰ ডেৰ টকা আছিল জাননে?"

— "ৱেষ্ট বেঙ্গলত এতিয়া লেবাৰ ৰেট ন টকালৈ উঠিছে আৰু পাঞ্জাবত "

কথা শেষ নহ'ল। দূৰৈত ধূলি উৰুৱাই কোম্পানীৰ 'জুঙ্গা' আওবাই যোৱা দেখা গ'ল।

— "সৌৱা অফিচাৰইঁত গৈছে মই অৱশ্যে অফিচাৰইঁতৰ ইণ্টাৰভিউ লোৱাতকৈ এই মজদুৰইঁতৰ ইণ্টাৰভিউ লোৱাহে পছন্দ কৰিম।"

কিন্তু আনবোৰ সাংবাদিকে 'জুঙ্গাৰ' পিছে পিছে আওবাই যাব ধৰিলে।

ফুলাম ছাৰ্টৰ সাংবাদিকজনে যশোৱন্তক লৈ ব্যস্ত হৈ পৰিল। যশোৱন্তই গম পালে এই মানুহটো বোধহয় কমিউনিষ্ট। মাজে সময়ে কমিউনিষ্ট সকল এনেদৰে আহে। আৰু হৰিজনৰ বেৰেক কলৈ সিহঁত ব্যস্ত হৈ পৰে।

সি বেৰেক, খালাচী লঙৰ বাবুৰ মেচ চালে। কিছু সময় 'ৱাৰ্ক ছাইট'তো ঘূৰিফুৰিয়াই

ফুৰিলে।

চেগুণৰ ঢালি দিয়া চাহ দোকানত মুখামুখীকৈ বহি দুয়ো চাহ খাইছিল।

যশোৱন্তৰ ভাব হৈছিল এইবোৰ মানুহ বৰ আপোন।

ইহঁতে কিবা এটা বুজা পৰা কৰিব পাৰিব।

কিন্তু ৰাতি কোম্পানীয়ে এক অভিনৱ ভোজ সভাৰ আয়োজন কৰিলে। সাংবাদিকৰ দলটি ভোজ সভাত উবুৰি হৈ পৰিল। একেবাৰে শেষ ৰাতিলৈ যিটো মানুহে মদৰ বটল লৈ ৰাক্সৰ দৰে মছগুল হৈ থাকিল — সেইটিয়েই আছিল তাৰ সঙ্গী সাংবাদিকজন, যি লেবাৰ বেট লৈ

ছিঃ ছিঃ কাৰো প্ৰতিয়েই আৰু বিশ্বাস নাই। চব অচিনাকি। ভৰিৰ তলৰ বালি উত্তপ্ত হৈ পৰিছে

— এইখিনিতেই বহি মুন্সীগঞ্জৰ পণ্ডিত এগৰাকীয়ে ভক্ত কিছুমানক কোৱা যশোৱন্তই শুনিছিল

"কথাৰ জালৰ কি প্ৰয়োজন ওঁকাৰৰ প্ৰদীপ লৈ নিজৰ স্থিতি বিচৰা। দেহৰ সূক্ষ্মতাক বুদ্ধি আৰু জ্ঞানেৰে বিচাৰ কৰা। বাহিৰৰ দুৱাৰ বন্ধ কৰা। শ্বাস-প্ৰশ্বাস শুদ্ধ কৰি ইন্দ্ৰিয়ৰ নায়ক মনৰ লেকাম ধৰা। কি প্ৰয়োজন বাকজালৰ? তোমাৰ স্থিতিৰ দেবতাক চোৱা, শাস্ত্ৰৰ জ্ঞানক লোভ কৰি শাস্ত্ৰৰ মাজত ঘুমুটিয়াই ফুৰা জনেও অন্ধকাৰৰ মাজতহে ঘূৰি ফুৰে।"

আহ ভৰিৰ তলৰ এই উত্তপ্ত বালি।।

এখোজ দুখোজকৈ আগুৱাই গ'ল যশোৱন্ত দূৰৈত এদল হিংস্ৰ মানুহ আছে। নাই কোনো ভাৱনা নাই।

সিহঁতৰ মনত ইউনিয়নৰ মেম্বাৰহঁত এতিয়াও পগলা কুকুৰলৈ ৰূপান্তৰিত হৈছে।

মাৰ সিহঁতক।

পুতি থ সাইৰ বালিত।

পুতি থ। পুতি থ।

এই বালি — এইখিনিতেই সেই সাধুজনে কণীৰ খোলাত বন্ধ হৈ থকা পাখিৰ গীতটি গাইছিল।

এইখিনিতে এটি অনন্য দলে গাইছিল — পৰাজয়ৰ কলঙ্ক তিলক আমাৰ কপালৰ বাবে নহয়। আমি অজেয়। মৃত্যুৱে আমাক ক্লিষ্ট নকৰে। এই উৰ্বী পৃথিবী আমাৰ লীলাভূমি ।।

● ● ●

দুটা বছৰ পাৰ হৈ গ'ল। এই দুটা বছৰে বায়ৰেঙ্কেলী জিলাৰ বহুত পৰিবৰ্তন ঘটালে।

নতুন ৰেল ষ্টেচন। তেগ বাহাদুৰ বজাৰ, হাইৱে ৰেষ্টুৰা, নতুন পষ্ট অফিচ আৰু বিভিন্ন ইণ্ডাষ্ট্ৰিৰ কোলাহল আজিকালি দূৰলৈ শুনা যায়।

মূৰত সেউজীয়া কমাল বান্ধি ৰাজনাৰায়ণে এতিয়াও কাছাৰীৰ সন্মুখৰ ময়দানত বহি ৰাজনীতি আলোচনা কৰে।

মানুহৰ ভিৰ হয় ইন্দিৰা গান্ধী আহিলেও এই ময়দানত বহে। মানুহৰ ভিৰ হয়।

সাই একুৰেডাক্টৰ 'ফীডাৰ' চেনেলেৰে আহি একুৰেডাক্টত পৰি ডিচট্ৰিবিউটৰ চেনেলেৰে পানী গৈ বহুত খেতি পথাৰ জাতিস্কাৰ কৰি তুলিলে। জগদীশপুৰৰ মানুহে ফীডাৰ চেনেলত সাঁতুৰি-নাদুৰি গা ধোৱে।

দুই এজাক বনৰীয়া হাঁহেও চেনেলৰ পানীত গা-ধুবলৈ আৰম্ভ কৰি দিছে।

ফিৰোজ গান্ধী কলেজৰ ছাত্ৰসকল এতিয়া আগতকৈ বেছি সজাগ হৈ উঠিছে। সৌ সিদিনা ছাত্ৰসকলৰ এটি মোৰ্চাই গৈ 'মোডী কাৰ্পেট' কোম্পানীৰ দুৱাৰ-খিৰিকী ভাঙি থৈ আহিছে।

সেই একেই প্ৰতিধ্বনি — "লোকেল মানুহক কোম্পানীয়ে কামত নিয়োগ কৰিব লাগে।"

ৰায়বেৰেলীৰ আলিত এতিয়া সঘনেই ছাত্ৰসকলৰ মোৰ্চা বাহিৰ হয়। ৰঙা পতাকা, সেউজীয়া আৰু গেৰুৱা পতাকাৰ ভিৰ হয়। কাছাৰীৰ সন্মুখৰ ময়দানত বিভিন্ন লীডাৰে ভাষণ দিয়ে। মালাৰ পৰা সৰি পৰা নাৰ্জি ফুলে পথ আতিস্কাৰ কৰি তোলে। এই দুবছৰৰ ভিতৰত আৰু এখন অত্যন্ত সুন্দৰ কলনীয়ে ৰায়বেৰেলী চহৰ মুখৰ কৰি তুলিলে।

এয়া ফিৰোজ শ্বাহ কলনী। ইয়াৰ এটি এটি দালান কিনি ল'ব পৰা ৰায়বেৰেলীৰ লোকেল বাসিন্দাৰ মনত সৌভাগ্যৰ কথা হৈ পৰিল।

লোকেল লীডাৰ শাস্ত্ৰী ইতিমধ্যে উভতি আহিছিল। ফিৰোজশ্বাহ কলনীত তেওঁ এটি দালান কিনি লৈছিল।

অক্টোবৰ মাহ। দোভাগ ৰাতি হঠাৎ সাৰ পাই শাস্ত্ৰীয়ে শুনিছিল দুৱাৰত কোনোবাই টুকিয়াইছে। ফিৰোজশ্বাহ নগৰত চুৰি ডকাইতি হোৱা শুনা নেযায়। .. শাস্ত্ৰীয়ে উঠি গৈ দুৱাৰ খুলি দিলে। অন্ধকাৰৰ আঁৰত এটা মানুহ থিয় হৈ আছে।

— "কোন?"

— "মই যশোৱন্ত!"

— "কি লাগে?"

— "মই বহুত প্ৰশ্ন লৈ আহিছো

— মোক উত্তৰ দিব লাগে!"

শাস্ত্ৰীৰ সন্মুখলৈ এটা ক'লা হটঙা মানুহ আগবাঢ়ি আহিল। ৰাতিৰ অন্ধকাৰৰ বুকুত তাৰ হাতৰ তৰোৱাল এখন চিকমিকাই উঠিল। এই তৰোৱাল মামৰে ধৰা নাছিল।

# নাওঠ চহৰ

*[দিল্লী মহানগৰৰ ৰুক্ষ কৰ্কশ বাতাবৰণৰ মাজত হেৰাই যোৱা মানবীয়তাৰ এক চাক্ষুস অভিজ্ঞতাৰ কাহিনী ইয়াত বৰ্ণনা কৰা হৈছে। 'সংজ্ঞা' নামৰ আলোচনী খনিত এই সৰু উপন্যাস খনি প্ৰথম প্ৰকাশ হওঁতে বহুতেই উপন্যাস খনিক মৰমৰ চকুৰে চাইছিল। পাঠকৰ আগ্ৰহেই আমাৰ প্ৰেৰণা।]*

প্ৰকাণ্ড কোঠাটোৰ এচুকত থিয় হৈ ল'ৰাটো দেখি উৰ্মিলা ভট্টাচাৰ্যৰ বন্ধু মহলে চিঞৰি উঠিল।

"আহ্ একেবাৰে প্ৰেত যেন লাগিছে?"

"ক'ৰ পৰা অহা হ'ল পিছে?"

এইবোৰ প্ৰশ্নই অৱশ্যে ল'ৰাটোৰ মনত কোনো প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিব পৰা নাছিল।

দিল্লীৰ প্ৰখ্যাত সাংবাদিক ৰূপচন্দ্ৰই প্ৰশ্ন কৰিলে —

"কালি 'ওখলালৈ' গৈ তুমি তেতিয়াহ'লে কিছু সমাজ সেৱা কৰি আহিলা?"

উৰ্মিলাই ক'লে,

"আপুনি কেনেকৈ জানিলে?"

"কফি হাউছত তুমি ডক্টৰ ইছমাইলি আৰু কৃষ্ণ কাপুৰ বোলা মহিলা গৰাকীক চিনাকি কৰি দিছিলা। সিহঁতৰ নিজৰ ছাত্ৰ-ছাত্ৰীহঁতৰ লগত 'গ্ৰাম'লৈ যোৱাৰ কথা আছিল। তুমিও সিহঁতৰ লগত যাবলৈ সাজু হৈছিলা।"

উৰ্মিলাই মূৰ দুপিয়ালে। কিছু গম্ভীৰ হৈ তাই ক'লে —

"শুনা যায় ভাৰতৰ লোক সংখ্যাৰ হেনো শতকৰা পঁচিশ ভাগ হৰিজন। মোৰ দৃঢ় বিশ্বাস আমি প্ৰত্যেকেই যদি একোটা ক্ষুদ্ৰ উপকাৰ কৰোঁ!"

"ক্ষুদ্ৰ উপকাৰ!"

সাংবাদিক ৰূপচন্দ্ৰই ক'লে —

"শুনক ৰূপচন্দ্ৰ মহোদয়, আপুনি সদায়ে কয় এইবোৰ কৰি দেখুওৱা মানুহ কম, কথা কোৱা মানুহ বহুত। আপুনি চাই থাকক মই কৰি দেখুৱাম! অৰ্থাৎ মই ল'ৰাটোক পঢ়ুৱাম আৰু মানুহ কৰি দেখুৱাম!"

অধ্যাপক ঠাকুৰে চিঞৰি উঠিল।

"মানুহ কৰি দেখুৱাবা? কিন্তু তুমি আমাক দিয়া সময় কণৰ যাতে কৃপণালি কৰা নহয় .. !"

উৰ্মিলাই খিলখিলাই হাঁহিলে।

"নাই নাই সেই বিষয়ে ভয় কৰিব নালাগে দুদিনৰ পিছত সিয়েই সকলোকে 'মিঠা পাণ—' চিগাৰেট আনি দিয়া কৰিব—।"

সাংবাদিক ৰূপচন্দ্ৰই নিজৰ স্বাভাৱিক কৌতূহলেৰে ক'লে —

"এতিয়া কোৱাচোন ক'ত পালা বস্তুটি?" দক্ষতাৰে কথা বৰ্ণনা কৰিব পৰা তোমাৰ এটা বিশিষ্ট গুণ আছে পিছে।"

"শুনক, তাক আনিবলৈ অনুপ্ৰেৰণা মই বহুদিনৰ আগেয়ে পাইছিলোঁ।"

"বহুদিনৰ আগেয়ে?"

"এৰা বহুদিনৰ আগেয়ে পাইছিলোঁ।" — সেই সময়ত মোৰ দেউতা হাইস্কুলৰ প্ৰধান শিক্ষক আছিল। এদিন গধূলি খেলি আহি দেখিলোঁ মজিয়াত দেউতাৰ পুৰণি বন্ধু ডি, আই, তৌফিক হুছেইন বহি আছে। মজিয়াৰ এচুকত আমাৰ লগুৱা লক্ষণে এঙাৰ কিছুমান লৈ কিবাকিবি লিখি আছিল। দেউতাৰ মই বৰ আদৰৰ জীয়েকক আছিলোঁ। সেইদিনা দেউতাৰ ডিঙিত সাবটি ধৰি কৈছিলোঁ,

সৌটো লক্ষণলৈ চোৱা দেউতা, এঙাৰ কিছুমান লৈ সি কিবা কিবি লিখি আছে। আজিলৈকে সি তাৰ নামটোকে ভালদৰে লিখিব পৰা হোৱা নাই, দেখিছা কেনেদৰে যুঁজি আছে।"

তৌফিক হুছেইনে মোৰ পিনে মূৰ তুলি চাই হাত এখন আগবঢ়াই দি কলে

"আইজনী আহা এইপিনে আহা এতিয়াই তুমি কি কৈছিলা সৌ লগুৱাটোৱে নিজৰ নামটোকে লিখিব নোৱাৰে নহয় নে?"

"হয়।"

'এইটো তোমাৰহে দোষ, আইজনী।"

"মোৰ দোষ?"

"এৰা তোমাৰ দোষ।"

চৈধ্য পোন্ধৰ বছৰ বয়সত তৌফিক হুছেইনৰ কথা ভালদৰে বুজি পোৱা নাছিলো যদিও তেওঁৰ কথা মই পাহৰিব নোৱাৰিলো।

সাংবাদিক ৰূপচন্দ্ৰই কলে—

"আজিকালি আইনে এনেকৈ ল'ৰা ছোৱালী ৰখা নিষেধ কৰিছে।"

অধ্যাপকে ক'লে—

"এৰা সেইখন আইনবো কিছু সালসলনি হব লাগে। পিছে তুমি ল'ৰাটো কত পালা?"

উৰ্মিলাই কলে,

"কালি মই ইংৰাজী বিভাগৰ অধ্যাপিকা কৃষ্ণাৰ লগত ওখলাৰ গ্ৰামত কাম কৰিবলৈ

গৈছিলোঁ। আপোনালোকে জানে নহয় আজৰি সময়বোৰ কেতিয়া মোৰ বাবে ভয় লগা হৈ পৰে। আনকি কেতিয়াবা মই নিচা সেৱন কৰাৰ কথাও ভাবো। যোৱাকালি এটা সময়ত ল'ৰা ছোৱালিবোৰে কাম কৰি ঘৰা ঘৰি গল। কৃষ্ণা আৰু মই এখন 'ঢাবাৰ' পিনে আগবাঢ়ি গলোঁ। হাৰিয়ানালৈ অহা যোৱা কৰা ট্ৰাক ড্ৰাইভাৰবোৰৰ ঢাবা আছিল সেইখন। কাঠৰ বেঞ্চএখনত আমি দুকাপ চাহৰ অৰ্ডাৰ দি আমি বহি পৰিলোঁ এটা সময়ত চাহ আহিল। আমি দুয়ো নিচিন্ত মনে চাহ খাবলৈ ধৰিলোঁ। ঠিক এনে এটা সময়তে আমাৰ সন্মুখত এজনী প্ৰেতনী আহি থিয় হ'ল।"

প্ৰেত?

চিঞৰি উঠিল সাংবাদিক ৰূপচন্দ্ৰই।

"এৰা তাইক মানুহ বুলি কবলৈ এক ধৰনৰ লজ্জাবোধ হৈছিল।"

জনকপুৰি, নিজামুদ্দিন ষ্টেচনৰ আশে পাশে আৰু 'ডাবল ডেকাৰেৰে'—গুৰুদ্বাৰা ৰ'দলৈ যোৱা আলিত এনে ধৰনৰ অস্থিপুঞ্জৰ বহুতো সমাবেশ দেখিবলৈ পোৱা যায় কিন্তু আমাৰ সন্মুখত উপস্থিত হোৱা প্ৰেতাত্মাটো এটা অন্যবস্তু আছিল ।

"কেনে ধৰনৰ বস্তু?"

ৰূপচন্দ্ৰৰ পিনে মুখ তুলি চাই উৰ্মিলাই ক'লে—

"তাইৰ এটা অদ্ভুত ৰূপ আছিল। হাত ভৰি ইকৰাৰ দৰে অথচ সন্মুখলৈ বাঢ়ি অহা এটা কুৎসিত পেট গুৰৰ বস্তা এটাৰ দৰে পেট । শৰীৰৰ ক'তো মাংস নাই অথচ সেই ঠাইত

"ছিঃ ছিঃ!"

অকল সেয়ে নহয় তাইৰ লগত আৰু দুটা প্ৰেত আছিল। দুয়ো ক্ষুধাৰ্ত আছিল। তাই আমাৰ ওচৰলৈ আহি পেনপেনাবলৈ ধৰিছিল।

"ইহঁতৰ দেউতাক হাৰিয়ানা ৰডৱেৰ ড্ৰাইভাৰ আছিল, বৌশানাৰা ৰ'ডত মানুহ এটা খুন্দিয়াই 'গায়েব' হৈ গৈছে. দুটামান পইছা দিয়া ।"

দুটামান পইছা লাগে?"

কৃষ্ণাই খেঙখেঙাই উঠিল। কৃষ্ণাক কি দোষ দিম—আজি কালিৰ পণ্ডিতসকলে চিঞৰি থকা নাইনে ভিক্ষা দি পৃথিৱীৰ আটাইতকৈ ঘৃণনীয় আৰু লজ্জাজনক ব্যৱসায় এটাক শিক্ষিত সকলে জীয়াই ৰখা উচিত নহয়। কিন্তু চকুৰ সন্মুখত এনেকুৱা ভূত আহি উপস্থিত হ'লে কি কৰা যায়? . এই আমৰা গুটিৰ দৰে চকু' গুৰৰ বস্তাৰ দৰে পেট।

গুনক মই মানুহ জনীৰ মুখলৈ কিছুসময় চাই ৰলো। তাই ইতিমধ্যে বাছ ড্ৰাইভাৰ বোৰৰ বাবে পাৰি থোৱা কাঠৰ বেঞ্চি এখনত বহি পৰিল। নাকৰ পাহি ঘাঁমেৰে তিতি গৈছিল, তাই কোপাবলৈ আৰম্ভ কৰিছিল। আন দিনা হোৱা হলে ঢাবাৰ মালিকে তাইক কুকুৰ খেদা দি খেদি প'লহেতেন, কিন্তু এই মুহূৰ্ত্তত কোনেও তাইৰ ওচৰলৈ যোৱাৰ ইচ্ছা

নকৰিলে। এৰা এই কনক্রিটৰ নগৰত য'ত সমব্যথা দুৰহ বস্তু হৈ পৰিছে, য'ত মানুহ একক আৰু ক্রুৰ হৈ পৰিছে সেইবোৰ ঠাইতে কেতিয়াবা একোটা দৃশ্যই মানুহক বাঙ্ময় কৰি থৈ যায়। তাই এটি ঠিক তেনেধৰণৰে দৃশ্য আছিল।"

সাংবাদিক ৰূপচন্দ্রই আৰ্তনাদ কৰি উঠিল—"তাৰ পাছত?"

তাই এইবাৰ ফোপাবলৈ এৰি আমাৰ দুয়োৰে মুখলৈ চাই চিঞৰি উঠিল—"তোমালোকৰ হাতত কিতাপ, কান্ধত বেগ— নিশ্চয় তোমালোকে ল'ৰা-ছোৱালী পঢ়ুৱা নহয় নে? নিয়া, মোৰ এই ল'ৰাটোক নিজৰ নামটো লিখিব পৰা কৰি দিয়া। তোমালোক শিক্ষিত মানুহ, আমি হৰিজনহঁতৰ হাতেৰে নিশ্চয় তোমালোকে পানী খাবলৈ কুণ্ঠাবোধ নকৰিবা। ৰাষ্ট্রভাষা শিকাবলৈ অহা খাদী কাপোৰ পিন্ধা মানুহটোৱে মোৰ হাতেৰে গৰমপানী খাইছিল নিয়া, সি তোমালোকক গা-ধোৱা গৰমপানীখিনিকে কৰি দিব পাৰিব।"

চেকচেকাই হাঁহিবলৈ ধৰিলে 'ঢাবাৰ' মালিক আৰু লগুৱা লিকচৌহঁতে। তাই জাতুৰ খাই উঠিল। কোব খোৱা বেমাৰী কুকুৰৰ দৰে তাই খেংখেঙাই উঠিল—"তহঁতক মানুহ বুলি কবলৈ লাজ লাগে।

তহঁত মানুহ নে সঁচাকৈয়ে?. তহঁতৰ বাই-ভনী নাই নে? বাই-ভনী যদি আছে আৰু সিহঁতে যদি এই নিমখৰ বস্তা একোটা লৈ ঘুৰি ফুৰিবলগীয়া হয় তেতিয়াহ'লে কি কৰিবি? তহঁত নপুংখক। তহঁত মানুহ হ'ব নোৱাৰ।"

কথাখিনি কৈ কিছু সময় তাই আকৌ ফোপাবলৈ ধৰিলে। তাৰ পিছত তাই বহাৰ পৰা উঠিবলৈ চেষ্টা কৰিলে।

আমি সকলো নীৰৱ হৈ বহি আছিলোঁ। ঠিক এইখিনি সময়তে মই প্ৰশ্ন কৰিলোঁ—-"দিয়া ল'ৰাটো মোক দিয়া আন একো কৰিব নোৱাৰিলেও মই তাক 'ৰাষ্ট্রভাষা' শিকাম, 'কিংছৱে কেম্পৰ' হৰিজনহঁতৰ লগত বহি সি পৰীক্ষা দিব পাৰিব।"

কৃষ্ণাই আৰ্তনাদ কৰি উঠিল — "কি কথা? ৰাস্তাৰ পৰা এনেকৈ মানুহ বুটলি অনা দিল্লীৰ দৰে চহৰত কি মাৰাত্মক কথা নাজানা নে? নিজামউদ্দিনৰ সেই শিক্ষয়িত্রী গৰাকীক কেনেকৈ মাৰিলে দেখা নাই নে?"

কৃষ্ণাৰ কথা শুনিবলৈ মই তেতিয়া সাজু নাছিলোঁ। মই আগবাঢ়ি গৈ ল'ৰাটোৰ হাতত খাপ মাৰি ধৰিলোঁ। সি মাকৰ আচলত মুখ লুকুৱাবলৈ চেষ্টা কৰিলে। মই ভবাৰ দৰে সি অৱশ্যে তেনেই কমবয়সীয়া ল'ৰা নাছিল। ঢাবাৰ মালিক জবৰজং পাঞ্জাবী এটাই ক'লে — "ওচৰতে 'পুলিচ চৌকি' আছে। লিখা পঢ়া কৰি নিয়কগৈ। ৰাস্তাৰ পৰা এনেকৈ মানুহ বুটলি নিনিবি।"

পুলিচৰ নাম শুনি তাই ক'লে; "বগা চাহাবে হৰিজন বুলি মৰম কৰি গাড়ী শিকাইছিল। মানুহ খুন্দিয়াই সি উধাও হৈছে। পুলিচে 'জুগ্গি'লৈ গৈ তিনিবাৰ দুৱাৰ খুন্দিয়াই খবৰ লৈ গৈছে।"

পঞ্জাবী 'ঢাবাবালাই' চিএগৰি চিএগৰি কলে – 'হাঠ হাঠ তাইৰ কথা আপোনালোকে নুশুনিব। শেষত তাক ইয়ালৈ অনা — সেয়া এটা অন্য কাহিনী।"

ৰূপচন্দ্ৰ আৰু ঠাকুৰে আকৌ এবাৰ মূৰ তুলি ল'ৰাটোলৈ চালে।

সাংবাদিক ৰূপচন্দ্ৰই কলে —"অকল কলিকতা চহৰত এক লাখ কুৰি হাজাৰ মানুহ ফুটপাথত শোৱে। আপুনি 'দালিত সাহিত্য' পঢ়িছে নে?"

ঠাকুৰে মূৰ জোকাৰিলে—।

উৰ্মিলা তুমি নিশ্চয় হৰিজন কবি নাৰায়ণ চুৰভে, অৰুণ কামবে আৰু নামদেও ধাছলাৰ কবিতা পঢ়া নাই । সিহঁতে এতিয়া উদিত সূৰ্যৰ স্বপ্ন দেখিছে । সেয়ে হৰিজন কবিয়ে গাইছে--

"How will they stop minds
gone ablaze?
No more reasoning now,
unreason helps a lot
once the horizon is red
What's wrong in keeping doors open?"

অধ্যাপক ঠাকুৰ আৰু সাংবাদিকৰ কথা বতৰা বহুত সময়লৈ চলি থাকিল।

● ● ●

অধ্যাপক ঠাকুৰ, সাংবাদিক ৰূপচন্দ্ৰ, আৰু উৰ্মিলাৰ ব্যক্তিগত জীৱন সুখৰ নাছিল। মানুহে কয় 'শ্ৰীনিবাস মিলত' কাম কৰা সেই ৰূপহী তিৰোতা গৰাকী ছালছিগা ভিকহু সাংবাদিক জনৰ যোগ্য নাছিল। পাহাৰগঞ্জৰ 'বৰসাতী' আৰু 'মিযানীত' থকা সময়ত তাইৰ ফুলতকৈও কোমল শৰীৰ সূৰ্য্যৰ তাপে ক'লা কৰি পেলালে। মাচ মাহৰ ধুলিয়ে তাইৰ 'চেম্পোৰে' মোলায়েম কৰি ৰখা চুলি আহ বেচেৰা সাংবাদিক।

অধ্যাপক ঠাকুৰেও বৌশানাৰা ৰ'ডৰ এটি 'বৰসাতীত' বাস কৰে। ল'ৰা-ছোৱালীৰ সৈতে দুটা কোঠাত তেওঁ গাহৰিৰ গড়ালৰ দৰেই থাকিব লাগে তদুপৰি মাক-বাপেকলৈও নিয়মিত খৰচ পঠিয়াব লাগে। এই চহৰত অধ্যাপকসকলৰ প্ৰতি সমীহৰ ভাব দেখাদেখিকৈ কমি আহিছে। ঘৰৰ বৃদ্ধ মালিকৰ মৃত্যুৰ পিছত নতুন মালিকে তেওঁক উঠি যাবলৈ সদায়ে সোঁৰবাই আছে। পুৰণা ঘৰ ভাঙি নতুন ঘৰ সজাত সিহঁত উত্ৰাৱল হৈ উঠিছে। দালালৰ ওচৰলৈ ঘৰ বিচাৰি যো ৱাৰ সামৰ্থ্য অধ্যাপকৰ নাই। ঘৰ বিচাৰি দিল্লী চহৰত তলৌতলৌকৈ ঘুৰি ফুৰাৰ সময়ত সুযোগ বুজি এবাৰ উৰ্মিলাৰ ওচৰত বহিবলৈ পালে তেওঁ এক অনন্য সুখ অনুভৱ কৰিছিল। এইখিনি সময়তে তেওঁ লক্ষ্ণৌ বিশ্ববিদ্যালয়ত প্ৰথম স্থান পাওঁতে

যি সপোন দেখিছিল --সেই সপোন যেন এজোপা গছ হৈ পৰিছিল। বিচিত্ৰ ছায়া দিয়া এই গছৰ তলত তেওঁ যেন একেবাৰে সহজ হৈ পৰিছিল। ক্লাছত সদায়ে তেওঁ এদল অমনোযোগী ছাত্ৰৰ সৈতে মুখামুখী হয়। সিহঁতে তেওঁৰ ক্লাছত চুৰুট হুপি বহি থাকে। অথচ কিছুবছৰৰ আগেয়ে ছাত্ৰসমূহে তেওঁৰ লগত কামুৰ দাৰ্শনিক তত্ত্বৰ সাংকেতিক শব্দৰ অৰ্থহীনতাৰ বিষয়ে প্ৰচণ্ড তৰ্ক কৰিছিল। আজি কালিৰ এইটো দলে তেওঁৰ লগত কোনো বিষয়ে আলোচনা নকৰে। তেওঁৰ অস্তিত্বকেই সিহঁতে স্বীকাৰ কৰিবলৈ এৰি দিছে। এদিন ক্লাছৰ দুৱাৰ মুখত এটা বিয়েৰৰ বটলত অধ্যাপকে উজুতি খাইছিল। শুনা যায় ফ্ৰাচট্ৰেচন, এনজাইটি, প্ৰেজেণ্ট এক্সপেৰিয়েন্স আৰু হেনো "to be in with friends and fashion" এইবোৰ কাৰণৰ বাবেই সিহঁতে নিচা সেৱন কৰে।

উৰ্মিলাৰ দিল্লীলৈ অহা তিনি বছৰহে হৈছে। তাই বিশ্ববিদ্যালয়ৰ হিন্দী বিভাগত লেক্‌চাৰাৰ কাম কৰে। এতিয়াও তাইৰ 'প্ৰবেশন পিৰিয়ড' শেষ হোৱা নাই। এক ভয়ঙ্কৰ দুৰ্ঘটনাই তাইৰ জীৱন ওলট-পালট কৰি দিলে। বিশ্ববিদ্যালয়ত ইংৰাজী বিভাগত কাম কৰা গিৰীয়েক উচ্চ শিক্ষা লাভ কৰিবলৈ বিদেশলৈ গৈ আৰু উভতি নাহিল। একে ঠাইৰ পৰা উভতি অহা দুই এক বন্ধুৱে এগৰাকী ফৰাচী মহিলাৰ সৈতে তেওঁৰ লেনদেনৰ এক কুৎসিত কাহিনী বিশ্ববিদ্যালয়ত প্ৰচাৰ কৰিছিল। বৰ মনোমোহাভাৱে সাজি লোৱা সংসাৰ ছাৰখাৰ হৈ যোৱাৰ পিছত ভায়েক ভনীয়েকহঁতৰ ঘৰে ঘৰে তাই ডলাৰ বগৰীৰ দৰে কিছুদিন ঘূৰি ফুৰিছিল। মাক দেউতাক কেতিয়াবাই স্বৰ্গগামী হৈছিল।

শেষত পঢ়া-শুনা কৰি দিল্লীত চাকৰি আৰম্ভ কৰা — সেয়া আছিল অন্য এক কাহিনী।

— বহুত তিক্ত অভিজ্ঞতাৰে ভাবাক্ৰান্ত হৈ শেষত উৰ্মিলা এটা সিদ্ধান্তলৈ আহিছিল? যি কোনো উপায়েৰে তাই ছাৰখাৰ হৈ যোৱা এই সংসাৰক নতুন কৰি তুলিব। তাইৰ মন এটা চিকাৰীৰ মনলৈ ৰূপান্তৰিত হৈছিল। লগ পোৱা প্ৰত্যেকজন পুৰুষৰ মাজত তাই নিজৰ প্ৰিয় জনক বিচাৰি হাবাথুৰি খাই ফুৰিছিল।

বহুত সময়লৈ সাংবাদিক ৰূপচন্দ্ৰই ভাবিছিল অধ্যাপক ঠাকুৰ উঠি যাব, ঠাকুৰে ভাবিছিল ৰূপচন্দ্ৰ উঠি যাব। কিন্তু কোনো উঠি নগ'ল। এই সময়ত যেন দুয়ো দুয়োৰে প্ৰচণ্ড শত্ৰু হৈ পৰিল। এনেয়ে দুয়ো দুয়োৰে বন্ধু যদিও সদায় এইখিনি সময়ত দুয়ো দুয়োৰে শত্ৰু হৈ পৰে। ৰাতি চাৰে আঠ বজালৈ গল্প গুজৱ চলিল। পঞ্চম জৰ্জৰ দিল্লী দৰবাৰৰ পৰা আৰম্ভ কৰি যশপাল, চাদাত হুচেইন, মাণ্টু আৰু শমশেৰ বাহাদুৰৰ কবিতা লৈ বহুতো তৰ্ক-বিতৰ্ক চলিল। তাৰ পিছত দুয়ো একেলগে তললৈ নামি গ'ল।

এয়া ১৯৭৪ চনৰ দিল্লী। ইতিমধ্যে দিল্লীক এক কুখ্যাত চহৰ বুলি আহিব লগা হৈছে। দুয়োকো আগবঢাই দিবলৈ তললৈ নামি আহি উৰ্মিলাই আকৌ ওপৰলৈ উঠি গৈ দুৱাৰ বন্ধ কৰি দিলে।

এদিন উৰ্মিলা 'কিংছৱে কেম্পৰ' হৰিজন বিদ্যালয়লৈ জগন্নাথৰ পঢ়া-শুনাৰ বন্দোবস্ত কৰিবলৈ যাবলৈ সাজু হ'ল। তাই কিছুদিন জগন্নাথৰ মাকে খবৰ লবলৈ আহিব বুলি আশা কৰি আছিল। কিন্তু তাৰ খবৰ লবলৈ কোনো নাহিল।

গ্ৰামসমূহলৈ গৈ ৰাষ্ট্ৰভাষা শিকোৱা হিন্দী ভাষাৰ পণ্ডিত বিষ্ণু প্ৰভাকৰৰ লগত উৰ্মিলাৰ চিনাকি হৈছিল। কিংছৱে কেম্পলৈ গৈ দুয়ো এই হিন্দী পণ্ডিত গৰাকীক লগ ধৰিলে।

পণ্ডিতে ক'লে — "বৰ ভাল কথা। আমি শিক্ষিত মহিলাৰ পৰা ঠিক এনে ধৰণৰ কাম বিচাৰোঁ। সৌ সিদিনা ভৱনগৰৰ হৰিজন মহাসভাত প্ৰধান মন্ত্ৰীয়ে কৈ গ'ল তেওঁ হৰিজনহঁতৰ দাবী পূৰণৰ বাবে সিহঁতৰ সৈতে সত্যাগ্ৰহ কৰিবলৈ সাজু আছে ।"

"মই সপ্তাহত দুদিনলৈ গৈ তাক পঢ়ুৱাই আহিম। তুমি কিতাপ পত্ৰ সাজু কৰা। চোৱা, এয়া মোৰ হাত ভৰি চোৱা। গ্ৰামসমূহলৈ গৈ হৰিজন বালকক শিক্ষা দিয়াৰ চেষ্টা কৰোঁতে কৰোঁতে মোৰ হাত ভৰিত এযা চোৱা এক বিচিত্ৰ চামনি বান্ধিবলৈ আৰম্ভ কৰিছে। তুমি ভয় নকৰিবা তোমাৰ গাত অৱশ্যে এনেধৰণৰ চামনি নাবান্ধে।" বিষ্ণু প্ৰভাকৰে এইবাৰ ঢেক্‌ঢেকাই হাঁহিবলৈ ধৰিলে। উৰ্মিলাই বিষ্ণু প্ৰভাকৰৰ কথাৰ অৰ্থ ভালদৰে বুজি নাপালে।

একান্ত বাধ্য ছাত্ৰৰ দৰে জগন্নাথে পঢ়িবলৈ আৰম্ভ কৰিলে। বিষ্ণু প্ৰভাকৰে সপ্তাহত দুবাৰ আহি তাক পঢ়ুৱাই যাবলৈ ধৰিলে। এক অনন্য উৎসাহেৰে উৰ্মিলায়ো তাক আজৰি সময়ত পঢ়ুৱাবলৈ আৰম্ভ কৰিলে। বিস্ময়কৰ কথা যে এই এমাহলৈ তাৰ খবৰ লবলৈ কোনো নাহিল। উৰ্মিলাই সিহঁতৰ এই নিৰ্লিপ্ততাক অৱশ্যে বেয়া নাপালে।

এদিন অধ্যাপক ঠাকুৰে ক'লে, "মোৰ দৃঢ় বিশ্বাস হৈছে তুমি তাক মানুহ কৰিব পাৰিবা। আমাৰ এই সৰু সৰু দেহবোৰত এনে কিছুমান দুৰ্দমনীয় শক্তি লুকাই থাকে জানানে, যাক আমি নিজেও নাজানো।।"

উৰ্মিলাই অলপ ৰসিকতা কৰাৰ দৰে কৈ উঠিল; "আলিবাটৰ সোণক সোণ বুলি চিনি পাবলৈ বহুত সময় লাগিব। যেতিয়া সি আমাক ভালদৰে চিনি পোৱা হ'ব তেতিয়া এই ঘৰলৈ সি আপুনি অহাতো ভাল নোপোৱা হ'ব।"

.. অধ্যাপকে এক গভীৰ দৃষ্টিৰে উৰ্মিলাৰ মুখলৈ মুৰ তুলি চালে। দুয়োৰো এই অন্তৰ্ভেদী চাৱনিয়ে দুয়োৰে হৃদয়ৰ এক গভীৰ ক্ষতস্থান স্পৰ্শ কৰি স্তব্ধ হৈ ৰ'ল।

দুমাহৰ মূৰত এদিন ক্লাছলৈ আহি উৰ্মিলাই চিৰিৰ ওচৰত জগন্নাথৰ মাকক বহি থকা দেখা পালে। — একপ্ৰকাৰ চিঞৰি ক'লে উৰ্মিলাই — "ইমান দিন ক'ত আছিলা? জগন্নাথ তোমাৰ পেটৰ সন্তান নহয় নে?"

"কিয় নহব মেমচাহাব!"

"তেতিয়াহ'লে তাক নিবলৈ আহিছা?"

"নিবলৈ আহিম কিয় মেমচাব।"

উত্তৰ শুনি উৰ্মিলা যথেষ্ট আশ্বস্ত হ'ল।

উৰ্মিলাই লক্ষ্য কৰিলে এই ছমাহৰ ভিতৰত মানুহজনীৰ যথেষ্ট পৰিবৰ্তন হৈছে। সাজপাৰ শতচ্ছিন্ন যদিও পৰিচ্ছন্ন। সেইদিনাৰ হাহাকাৰৰ কোনো স্মৃতিয়েই এতিয়া নাই। পেট খালী। ল'ৰা-ছোৱালীও চাগে কিবা হৈছে। "জগন্নাথৰ বাপেক উভতি আহিল নে?"

তাই মূৰ জোকাৰিলে। — তেতিয়াহ'লে কি সুধিব?"

"ক'ত থাকা? ক'ত থাকা আজিকালি?"

"মিণ্টুব্ৰীজত কাম হৈছে। মই ঠিকাদাৰৰ 'আওাৰত' থাকোঁ।"

ব্যস্ত মানুহৰ দৰে তাই ক'লে।

"মোৰ টাইম নাই। ফটা-চিতা চাদৰ-তাদৰ কিবা আছে নেকি? তদুপৰি টকা-পইছাও কিছু দিয়ক।"

উৰ্মিলাৰ পৰা বিদায় লৈ তাই প্ৰধান আলিত ভৰি দিলে। তাইৰ পাছে পাছে জগন্নাথেও গাখীৰৰ 'বুথৰ' ওচৰলৈ আগবাঢ়ি গ'ল। চ'টৰ ওপৰত থিয় হৈ উৰ্মিলাই লক্ষ্য কৰিলে তাই জগন্নাথক কানি-কাপোৰবোৰ দেখুৱাবলৈ যত্ন কৰিছে। তাই যেন তাক বিশ্বাস নিয়াবলৈহে চেষ্টা কৰিছে। "এয়া মই কিবা সুখত আছোনে?"

"গাত এয়া শতচ্ছিন্ন সাজ।"

এটা সময়ত জগন্নাথ উভতি আহিল। তাৰ পাছত সি উৰ্মিলাৰ বাবে চাহ জলপান কৰাত ব্যস্ত হৈ পৰিল।

চ'টত বহি দুয়ো চাহ জলপান খালে।

তাৰ পাছত সি প্ৰশ্ন কৰিলে — "আপোনাৰ সেই আলহীবোৰ আহি পাব। তাৰ আগেয়ে আপুনি মোক কিছু সময় পঢ়াওক।"

চ'টত বহি দুয়ো চাহ জলপান খালে।

চ'টত এয়া মুক্ত আকাশৰ তলত দুয়ো কিতাপ-পত্ৰ লৈ বহিল। ... ... বৰ সুন্দৰ লাগিল উৰ্মিলাৰ এই পৰিবেশ। 'টেলিভিশনৰ' এৰিয়েলবোৰত এতিয়া পাৰ চৰাই কিছুমান বহি আছে। 'বৌশানাৰা' বাগিচাৰ পৰা এতিয়া বাদুলি এজাক ওলাই আহি সৌৱা উৰ্মিলাৰ মূৰৰ ওপৰৰ আকাশখন একপ্ৰকাৰ ক'লা কৰি পেলাইছে।

হঠাৎ উৰ্মিলাই শুনিলে কোনোবাই যেন দুৱাৰ টুকিয়াইছে। জগন্নাথে উঠি গৈ দুৱাৰখন খুলি দিলে।

— দুয়োৰে সন্মুখত থিয় হ'ল উৰ্মিলাৰ পুৰণি বন্ধু অজয় গবেষক যশোৱন্ত। এসময়ত এই বন্ধুজনৰ লগত এক অভিনৱ সম্পৰ্ক উৰ্মিলাৰ গঢ়ি উঠিছিল। এই বন্ধুৱেই উৰ্মিলাক এনে ধৰণে অভিভূত কৰিছিল যে উৰ্মিলাই নিজৰ ভাঙি-ছিঙি চুৰ্ণ-বিচুৰ্ণ হৈ

যোৱা সংসাৰক আকৌ থানথিত লগাই নতুন কৰাৰ স্বপ্নও দেখিছিল।

'আৰ্টচ ফেকাল্টিতেই' এই অঞ্চৰ গবেষকজনৰ লগত তাইৰ চিনাকি হৈছিল। সিইত লাহোৰৰ ৰিফিউজি আছিল। উৰ্মিলাৰ মনত আছে, তেতিয়া আছিল এপ্ৰিল মাহ। দিল্লীক গুলমোহৰ ফুলে সুবাসিত কৰি তোলা মাহ আছিল সেইটো। এদিন 'লেডী শ্ৰীৰাম কলেজত' চেমিনাৰ এটাৰ পেপাৰ এখন পঢ়ি আহি গল্প গুজব কৰি যেতিয়া অই ৰাজআলিত ভৰি দিছিল তেতিয়া গধূলি হৈছিল। বাছ ছাৰ্ভিচ সেৰেঙা হৈ আহিল। তাই ভাবিলে লিফ্‌ট লব লাগিব। আজিকালি সকলোৱে লিফট লয়। লিফ্‌ট লোৱা ছাত্ৰীইঁতৰ বহুত ৰোমাঞ্চকৰ আৰু লোমহৰ্ষক কাহিনী দিল্লীৰ বাটে-ঘাটে শুনা যায়। কিন্তু বাটত থিয় হৈ তাই দিল্লীৰ অন্ধকাৰ ৰাতিৰ ভযাবহতাৰ কথা ভাবি ভয়ত পেপুৱা লাগিল।

এখন 'ফিয়েট' তাইৰ আগেৰে পাৰ হৈ গ'ল। তাই হাত দাঙিলে। নৰ'ল।

সৌৱা আৰু এখন গাড়ী আগবাঢ়ি আহিছে। ৰখাব নেকি? ৰখাব?

উৰ্মিলাই হাত দাঙিলে। চালকে ব্ৰেক মাৰি গাড়ীখন তাইৰ নিচেই ওচৰত ৰখালে। ক'লা ফ্ৰেমৰ চছ্মা পিন্ধা, ঘন চুলিৰে ৰুচিবান ভদ্ৰলোক।

আগফালৰ দুৱাৰ খুলি ভদ্ৰলোকে প্ৰশ্ন কৰিলে "ক'ত যাব?"

—"মাল ৰ'ড !"

"ঘৰ ক'ত? কোন আছে ঘৰত?" — নাই নাই এইবোৰ কোনো প্ৰশ্ন নাই। মহানগৰৰ এই বাতাবৰণৰ সৈতে ভালদৰে পৰিচয় আছে উৰ্মিলাৰ। মানুহৰ মনত আগ্ৰহ অনুভূতি— এৰা, সকলো শুকাই যেন কৰ্কশ হৈ আছে। এই মুহূৰ্তত অস্ত যোৱা সূৰ্যৰ সৈতে সকলোৰে মন এক হৈ আছে।

আই টি অ' আৰু ইণ্ডিয়া গেটৰ সেই প্ৰচণ্ড ভিৰ অতিক্ৰম কৰি গাড়ী ৰিং ৰ'ডেৰে যাবলৈ ধৰিলে। হঠাৎ ভদ্ৰলোকে এবাৰ পোন হৈ উৰ্মিলাৰ বাহুটোলৈ চাই পঠিয়ালে। ঘামেৰে তিতি আছে এটি নিপোটল বাহু। ভদ্ৰলোকে সঘনে এই বাহুটোলৈ চাব ধৰিলে। উৰ্মিলাই ভাবিলে এইখিনিতে নামি যাব বুলি ক'ব নেকি? "কিন্তু এই প্ৰচণ্ড ভিৰত বাছ ধৰাও অসম্ভৱ কথা হৈ পৰিব।"

"কি কৰিব তেতিয়াহ'লে?"

"ম্যাডাম।"

"হয় হয় এইখিনিতে ৰখাওক!"

ঘামত এইবাৰ তাইৰ শৰীৰৰ কিছুমান নিৰ্দিষ্ট অংশ একেবাৰে চপ্‌চপীয়া হৈ পৰিল।

"চুড আই ড্ৰপ ইউ হিয়াৰ।"

'হয় হয়' বুলি তাই প্ৰচণ্ডভাৱে মূৰ জোকাৰি উঠিল।

"কিন্তু?"

"কিন্তু?"

ব্ৰেক মৰাৰ লগে লগে উৰ্মিলাই জাপ মাৰিহে গাড়ীৰ পৰা নামিবলগীয়া হ'ল।

অচিনাকী মানুহজনেও বোধহয় গাড়ীৰ পৰা নামি কিছুদুৰ আগুৱাই আহিছিল। কাৰণ বহুত দূৰলৈ সেই উত্তেজিত কণ্ঠই তাইক এক প্ৰকাৰ খেদিয়েই আহিছিল।

মহাৰাণা প্ৰতাপৰ মূৰ্ত্তিটোৰ ওচৰত থিয় হৈ কিছুসময় তাই ফোপাবলৈ ধৰিলে। নাই নাই গাড়ীয়ে আৰু তাইৰ পাছ লোৱা নাই । সৌৱা তাইৰ মূৰৰ ওপৰত অখণ্ড দৰ্পেৰে ৰাণা প্ৰতাপে পহৰা দি আছে —নাই কোনো ভয় নাই। কোনো চিন্তা নাই!!. আকৌ আহি যেতিয়া তাই বাছ খেণ্টাৰত থিয় দিলে দুই তিনিজন মানুহৰ সৈতে থিয় হৈ থকা এটা পুৰুষ মূৰ্ত্তি তাই দেখা পালে। আৰ্টচ ফেকালটি, কফি হাউচ, বিচাৰ্চ ক্লব সকলোতে যোৱা দুবছৰ ধৰি তাই এই মানুহ জনক দেখা পাই আহিছে।

আগবাঢ়ি গৈ চিনাকী হোৱা সিও এক নাটকৰ দৰে কথা আছিল। বৰ আগ্ৰহেৰে সি তাইক আগবঢ়াই থবলৈ গাত লৈছিল। দুয়ো একে লগে বাছত উঠিছিল। পূৰণি চিনাকী মানুহৰ দৰে তেওঁ ৰসিকতা কৰি কৈছিল— "বাছৰ পৰা নামিয়েই তুমি তোমাৰ ঘৰলৈ যোৱাৰ পথত এখন ভয়ঙ্কৰ বেট্টুৱা পোৱা নহয় নে?

"আজিলৈকে পথত কি আছে ভালদৰে মূৰ তুলি চোৱা নাই।"

"সেই ব্ৰহ্ম বেট্টুৱা তাতেই 'প্ৰতাপ সিং কাইৰণৰ' হত্যাৰ ষড়যন্ত্ৰ আৰম্ভ হৈছিল।"

উৰ্মিলাই চিৎকাৰ কৰি উঠিল।

"সেইখন বেট্টুৱাৰ দুৱাৰ মুখেদি মই সদায় অহা যোৱা কৰোঁ।"

ইয়াৰ পিছত দুয়োৰে মাজত এক আন্তৰিক সম্বন্ধ স্থাপন হৈছিল। লাইব্ৰেৰী, চেমিনাৰ হল, বিচাৰ্চ ক্লব, কফি হাউচ, ইণ্টাৰনেচনাল চেণ্টাৰ ইত্যাদি সকলোতে দুয়োকো একেলগে দেখা গৈছিল।

এদিন বিয়াৰ কথা সোধোতে তেওঁ কৈছিল, "খৃষ্টানসকলৰ ধৰ্মগ্ৰন্থত আছে কিছুমান মানুহ মাতৃৰ গৰ্ভতে নপুংসক হৈ আহে—- কিছুমান মানুহক স্বয়ং মানুহেই নপুংসক কৰি তোলে। এই কথা যিয়ে যেনেদৰে বুজে বুজি লওঁক।

কথাখিনি কৈ যশোৱন্তই ফেকফেকাই হাঁহিছিল। তাৰ তেতিয়া ডেৰকুৰি বছৰ পাৰ হৈছিল। অথচ তেতিয়াও তাৰ মূৰৰ ওপৰত দুজনী ভনীয়েকক নগদ টকা দি উলিয়াই দিয়াৰ দায়িত্ব আছিল।

সুদীৰ্ঘ দুটা বছৰ পৰীক্ষা-নিৰীক্ষা কৰাৰ পিছত উৰ্মিলা এটা সিদ্ধান্তত উপনীত হৈছিল— যশোৱন্ত একমাত্ৰ পুৰুষ যি তাইৰ ভাঙি যোৱা সংসাৰক আকৌ নতুন কৰি তুলিব পাৰিব। যশোৱন্তৰ মুখৰ পৰা এই কথা শুনিবলৈ তাই বহুত দিন ধৰি অপেক্ষা কৰি থাকিল। এই অপেক্ষা লাহে লাহে হতাশালৈ ৰূপান্তৰ হ'ল।

নিজৰ মনৰ লগত একপ্ৰকাৰ যুদ্ধ কৰিয়েই যশোৱন্তক লগ পোৱাৰ পৰা বিৰত হৈ আছিল তাই।

গতিকে এই মুহূৰ্তত দুৱাৰ মুখত যশোৱন্তক দেখি কিছু হতাশ হ'ল উৰ্মিলা। কন্তেকলৈহে। এই হতাশাক এক আশাৰ ঢৌৱে উটুৱাই লৈ গ'ল।

"থিয় হৈ আছা কিয় । আহা ভিতৰলৈ সোমাই আহা।"

"আগেয়ে চাহ একাপ দিয়া। 'ডিফেন্স কলনী'ৰ পৰা 'পেলেচ' চিনেমা হৈ 'বৌশালাবা ব'ডেৰে' এইখিনি স্কুটাৰ চলাই অহা আৰু যুদ্ধত জিকি অহা একেই কথা।" উৰ্মিলা চাহ কৰিবলৈ ভিতৰলৈ উঠি গ'ল। জগন্নাথে তাইক সহায় কৰি দিলে।

দুয়ো মুখা মুখিকৈ বহি চাহ খোৱাৰ সময়ত উৰ্মিলাই লক্ষ্য কৰিলে যশোৱন্ত যেন কিছু চিন্তিত। কিবা কব নেকি সি?

হঠাৎ উৰ্মিলা বহাৰ পৰা উঠিল।

তাৰ পিছত চিঞৰি ক'লে —"জগন্নাথ এতিয়া দুৱাৰ নঢকিয়াবি আমাৰ প্ৰয়োজনীয় কথা আছে।"

চাহত সোহা মাৰি বহুত সময় যশোৱন্তই উৰ্মিলাৰ মুখলৈ চাই ৰ'ল। এই মুখ, এই চুলি, নিপোটল স্বাস্থ্য চকুৰ গুৰিত বয়স আৰু যাতনাৰ স্পষ্ট প্ৰমাণ ।

বহুত সময় দুয়ো মৌন হৈ ৰ'ল। লাহে লাহে বাহিৰৰ হাই উৰুমি কমি আহিল। তলৰ দোকান-পোহাৰ বন্ধ কৰাৰ শব্দ শুনা গ'ল। উৰ্মিলা যেন কিছু অধৈৰ্য হৈ পৰিল। তাইৰ ভাগি পৰা জীৱনক নতুনকৈ তুলি ধৰিব খোজা, এই স্বপ্ন আজিয়েই চাৰখাৰ হৈ যাওঁক নাইবা আজিয়েই উজ্জ্বল হৈ উঠক। কিবা এটা হওঁক —আজি এই মুহূৰ্তত কিবা এটা হওঁক।

সি কলে—"আমাৰ দুয়োৰে এইদৰে পৰিচয় হোৱা বহুত দিন হব নহয় নে?"

উৰ্মিলাই কোনো উত্তৰ নিদিলে।

"এটা কথা, আমি দুয়ো আৰু কিছু ওচৰ চাপি আহিব নোৱাৰো নে?"

তীক্ষ্ণ দৃষ্টিৰে উৰ্মিলাই যশোৱন্তৰ মুখলৈ মুৰ তুলি চালে । তাৰ পাচত তাই ক'লে — "তেতিয়া হ'লে চৰ কথা ফৰকাল হৈ পৰিছে নহয় নে? আমি তিৰোতা মানুহ যিমানেই খটখটি নবগাও আমাৰ বুকুৰ ভাবাই কয় আমাক আশ্ৰয় দিয়া।! আমাক ভৰষা দিয়া?"

"উৰ্মিলা!! উৰ্মিলা!!"

নাই নাই উৰ্মিলাৰ আজি আৰু একো শুনাৰ যেন অৱকাশ নাই। প্ৰবল উত্তেজনা কিছু শামকটাৰ পিছত উৰ্মিলাৰ নয়ন সজল হৈ আহিল।

যশোৱন্তই তাইৰ ওচৰলৈ চকী খন টানি আনিলে; তাইৰ পিঠিত বৰ মৃদুভাবে হাত বুলাব ধৰিলে।

"শুনা উৰ্মিলা, মই ঠিক এই কাৰণে অহা নাই।" দুহাত দুৰলৈ যেন উৰ্মিলা উফৰি পৰিল। সহজে এৰি দিয়া মানুহ যশোৱন্ত নহয়। সি আগুৱাই আহিল।

"মই তোমাৰ ওচৰৰ পৰা আতৰি যাম বুলি কোনে ক'লে? মই এই বান্ধোন আৰু সুদৃঢ় কৰিবলৈ আহিছোঁ।"

"সুদৃঢ়!!"

হৃদয়ৰ এক গভীৰ গহ্বৰ নিনাদিত কৰি এই বাণী যেন বাহিৰলৈ ওলাই আহিল।

"কেনেদৰে এই বান্ধোন দৃঢ় কৰিবা?"

হিংস্র পশুৰ দৰে জপিয়াই উঠিল যশোৱন্তই।

"ইউ গিভ মি চেন্স।"

"চেন্স? ——অনলি চেন্স ইমৰট্যালাইজ ইট।"

মুহূৰ্তৰ ভিতৰত উৰ্মিলাৰ কি হৈছিল এতিয়া যেন ভালদৰে মনত নাই। যেতিয়া তাই চকু মেলি চাইছিল — টেবুলৰ ওচৰত এটা আইনাৰ ফুলদানী ভাঙি চাৰখাৰ হৈ পৰি আছিল। কোন মুহূৰ্তত জগন্নাথ সোমাই আহি এই ভঙা কাচৰ টুকুৰাবোৰ বুটলিবলৈ আৰম্ভ কৰিছিল উৰ্মিলাৰ মনত নাই— তাৰ হাত কাটি তেজ বৰলৈ আৰম্ভ কৰিছিল, কিন্তু সি সেই পিনে ভ্ৰূক্ষেপ কৰা নাছিল। এটা সময়ত এই তেজৰ ধাৰ আৰু কোবাল হৈ উঠিল। উৰ্মিলাই বলিয়া মানুহৰ দৰে শাৰীৰ আচলেৰে তাৰ কটা আঙুলিটো চেপা মাৰি ধৰিলে। তাইৰ চকু দুটা ইতিমধ্যে সজল হৈ পৰিছিল। এই সক ল'ৰাটোৰ ওচৰত চকুলো লুকোৱাৰ আৰু কোনো প্ৰচেষ্টা তাই নকৰিলে। এই মুহূৰ্তত এই ল'ৰাটি যেন তাইৰ মাতৃৰ দৰে মমতাময়ী হৈ পৰিল। এই মাতৃৰ ওচৰত তাই যেন বৰ নিঃসংকোচে কন্দা কটা কৰিব পৰা হ'ল।

এক আত্মগ্লানি আৰু বিদ্ৰোহৰ ভাবে তাইৰ অন্তৰৰ গোপন কক্ষত বাহ লোৱা দুঃসহ যন্ত্ৰণাক একপ্ৰকাৰ হেঁচা মাৰি ধৰি ৰাখিলে। এই হৰিজন ল'ৰাটিয়েই এই মুহূৰ্তত যেন তাইৰ মনৰ ভাৱ প্ৰকাশৰ মাধ্যম হৈ পৰিল।

"আহ জগন্নাথ লৰি আহ। কফি কৰ আমি দুয়ো আকৌ এবাৰ এই বেলকনিতে বহি কফি খাওঁ। আহ। এইখন বৰ লেতেৰা জগত। তথাপিও আমি জীয়াই থাকিম . আহ ওচৰলৈ আহ।" এটা সময়ত দুয়ো মুখামুখীকৈ বেলকনিত বহি কফি খাবলৈ ধৰিলে।

এৰা একো যেন হোৱা নাছিল। সিটো মহানগৰীত ঘটা কোনো এটা এক্সিডেণ্টৰ দৰেই যেন কথা আছিল। এই সময়ত আলিবাটৰ লাইটৰ পোহৰৰ সমাৰোহৰ মাজত দূৰৈৰ বৌশানাৰা বাগিচাখনি যথেষ্ট অন্ধকাৰ হৈ পৰা দেখা গ'ল।

হঠাৎ কোনোবাই চিএৰি কোৱা শুনা গ'ল —!

"মেডাম আমি গৈছো — দুৱাৰ খুলি দিয়া।"

ৰাতিখাটি ব .ই সাংবাদিক ঠাকুৰ আৰু অধ্যাপক সোমাই আহিল।

আকৌ কফি আহিল। গল্প-গুজৰ চলিল। আজি উৰ্মিলাক উৎসাহিত দেখি

সিহঁতৰ কোনেও আৰু সহজে উঠি যাব নুখুজিলে। অধ্যাপক ঠাকুৰে তেওঁৰ অতীতৰ কাহিনী আৰম্ভ কৰিলে।

"এৰা 'গযাৰ' যেতিয়া ভাইচ চেন্সেলৰ আছিল দিল্লী বিশ্ববিদ্যালয়ৰ বাতাবৰণেই অন্য আছিল। মোৰ ইন্টাৰভিউ লোৱাৰ পিছত গয়াৰে বৰ্ডৰ আন এজন সদস্যলৈ আঙুলিয়াই চিঞৰি উঠিছিল — "ইউ ওণ্ট বাৰগেইন উইথ হিম।"

চুটি চাপৰ মানুহজনৰ সেই টেক্‌টেকীয়া খেক্‌খেকীয়া হাঁহি সাগৰৰ সমান গভীৰ পাণ্ডিত্য আৰু শিশুৰ দৰে এই সৰলতাৰ কি মণিকাঞ্চন সংযোগ। আহ্‌, এটা যেন যুগেই পাৰ হৈ গ'ল।

১৯৫৮ চনৰ সেই 'ছায়েন্স কংগ্ৰেছ'।

আইছেনহাৱাৰ আহিল। ডিউক অব এডেনবাৰ্গ আহিল। বিশ্ববিদ্যালয়ৰ বৰ্তমান ৰেজিষ্ট্ৰাৰৰ অফিচৰ সম্মুখত 'খামিয়ানা' তৰা হৈছিল। এতিয়া তাত বিশ্ববিদ্যালয়ৰ খেলপথাৰেই হৈ গৈছে। লক্ষ্য কৰিছে নে? আৰু 'ডি, ইউ, টি, এৰ জনসঙ্ঘী আৰু কংগ্ৰেছ দলে 'ডি ইউ এছ ইউ,' ইলেকচনত জিকিবলৈ এবাৰ কি কাণ্ড কৰিলে জানা নহয়। কমিউনিষ্টইঁতে ধৰটোকোলাৰ দৰে ভৰা চিন্তা কৰি থাকোতেই গ'ল! অথচ 'পাৰ্টিশনৰ' সেই ভয়ঙ্কৰ দিনবোৰ কোনোবাই যদি নিৰ্মল হৃদয়েৰে কিবা কৰিছিল সেই সকল আছিল -- কমিউনিষ্টসকল। নিজৰ জীৱন বিপন্ন কৰি আনক ৰক্ষা কৰাৰ ক'ত উদাহৰণ আছে। সাংবাদিক ৰূপচন্দ্ৰৰো যেন কথাৰ ৰথযাত্ৰাহে চলিল।

"এই 'লেংগুৱেজ লেছ' চহৰ দিল্লী এসময়তো এনেকুৱা নাছিল। দিল্লীৰ বুদ্ধিজীৱি গ্ৰুপটো আছিল মথুৰাৰ মাথুৰ উপাধিধাৰী লোকসকল। অভিজাত ব্যৱসায়ী শ্ৰেণীটোৰ হাতত। সিহঁতে পণ্ডিতৰ মূল্য বুজি পাইছিল। সেই 'মুছাইয়াৰাবোৰ' ক'ত বহিছিল জানে নে?

আঃ সেই লক্ষ্ণৌৰ আতৰ, মুখত দিলেই গলি যোৱা পাণ আৰু মাথুৰ উপাধিধাৰী ৰমণীইঁতৰ সেই 'কবিতা প্ৰীতি'।।"

ৰূপচন্দ্ৰ আৰু কিছু উত্তেজিত হৈ উঠিল।

"আহ্‌ সেই চিফন আৰু জৰিৰ কাৰুকাৰ্য কৰা শাৰী, হীৰাৰ নথ, ৰূপৰ পাণদান?"

"ক'ত যে উধাও হৈ গ'ল। সেইবোৰ দিন?"

ঠাকুৰেও চিৎকাৰ কৰি উঠিল—

"এৰা ক'লৈ উধাও হৈ গ'ল সেইবোৰ দিন। ৰাজনীতিৰ দুৰ্গন্ধৰ মাজত ক'ত যে নিঃশেষ হৈ গ'ল সেই আতৰৰ সুগন্ধ! প্ৰচণ্ড শব্দ কৰি তলৰ বাকী থকা দোকানৰ দুৱাৰবোৰ বন্ধ হৈ গ'ল। ৰাতি পহৰা দিয়া চকিদাৰটোৰ লোহাৰ খিলা লগোৱা লখুৰে আলিবাটত থুকুৰিয়াই যোৱাৰ শব্দ হ'ল, আৰু কিছুসময়ৰ পিছত গোটেইখন মৰিশালীৰ

দৰে নিস্তব্ধ হৈ পৰিব।  এইবাৰ সাংবাদিক ৰূপচন্দ্ৰ আৰু ঠাকুৰৰ আগৰ দৰে প্ৰতিযোগিতা চলিল। কোন বাৰু আগে উঠি যায়। এই মুহূৰ্তত দুয়ো দুয়োৰে প্ৰচণ্ড শত্ৰু হৈ পৰিল। ঠাকুৰ অৱশ্যে কিছু অধৈৰ্য্য হৈ পৰিল। তেওঁৰ পৰিবাৰ আছে। ল'ৰা ছোৱালী আছে। কিছু পলম হ'লে হয়তো ইয়ালৈকে বিচাৰি পঠিয়াব। আজিকালি পৰিবাৰৰ মুখ আখৈ ফুটাদি ফুটে —

"সেই অকলশৰে দং দণ্ডকৈ থকা তিৰোতাজনীৰ ওচৰলৈ যোৱাতকৈ দেখোন গধূলি গধূলি ল'ৰা-ছোৱালী কেইটাৰ পঢ়া শুনাকে চাই দিব পাৰে।

ধেৎ তেৰী! কি প্ৰয়োজন — এৰা কি প্ৰয়োজন এই মুহূৰ্তত সেই কথা ভবাৰ?

"শুনা উৰ্মিলা মই সেই মৰিচ গয়াৰৰ কথা কৈ আছিলোঁ নহয় নে?"

"হয় -- হয়!!"

"দিল্লী বিশ্ববিদ্যালয়ৰ সেই সময়ৰ উপকুলপতি মৰিচ গয়াৰে 'অনাৰ্য্যৰিছে' কাম কৰিছিল। চুটি চাপৰ ঋষিতুল্য মানুহ আছিল। উঃ আৰু যে জীয়েক মীৰাতা ।

সাংবাদিক ৰূপচন্দ্ৰই ক'লে —

"আপুনি 'অল্ড ইচ্‌ট্যাবলিচমেণ্টৰ' সম্মুখৰ 'খামি আনাব' কথাহে কৈ আছিল?"

"এৰা এৰা সেই কথা আছিল 'ভি কে আৰ ভি ৰাও' উপাধ্যক্ষ থকাৰ সময়ৰ কথা ডিউক অব এডিনবাৰ্গ আহিছিল, আইজেন হাৱাৰ আহিছিল আহ আৰু একাপ কফিৰ অৰ্ডাৰ দিব নোৱাৰি নে তোমাৰ সেই টেটেৰা ল'ৰাটিক?"

ৰূপচন্দ্ৰই অধ্যাপকৰ এই প্ৰস্তাৱ বৰ ভাল নাপালে। কাৰণ এই মুহূৰ্তত ৰূপচন্দ্ৰই দুৰ্বাৰভাৱে উৰ্মিলাক অকলে পাবলৈ ইচ্ছা কৰিলে।

আজি প্ৰথমবাৰৰ বাবে উৰ্মিলাৰ এই মানুহ দুটাক অত্যন্ত কুৎসিত যেন লাগিল। যেন দুটা শগুণ তাইৰ সম্মুখত বহি আছে আৰু তাই এই মুহূৰ্তত এচপৰা উদং মঙহ হৈ পৰিছে। তাই একপ্ৰকাৰ আৰ্তনাদ কৰি উঠিল —

"জগন্নাথ যা আৰু একপট চাহ কৰি আন।"

ঠাকুৰে এইবাৰ আকৌ পৰম উৎসাহেৰে আৰম্ভ কৰিলে —

"সেইখিনি সময়ত মই 'হাউজ্জন ৰ'ডত' আছিলোঁ।"

ৰূপচন্দ্ৰই চিঞৰি উঠিল।

"সেই হাউজ্জন! সেই ভয়ঙ্কৰ হাউজ্জন!!"

এৰা এৰা সেয়ে জেনাৰেল হাডচন ভাৰতৰ শেষ সম্ৰাট বাহাদুৰশাহক তেওঁ গ্ৰেপ্তাৰ কৰিছিল দিল্লী গেটৰ ওচৰত সেই 'খুনী দৰজাৰ' নাম শুনিছা নহয় তোমালোকে সেইখিনিলৈকে মুমূৰ্ষ সম্ৰাট বাহাদুৰশাহক মাতি অনা হৈছিল।

এৰা আশা দিয়েই মাতি অনা হৈছিল নহয় নে কিম্বা এটা কুকুৰ পৰা হ'ব বুলি?

এবা বৃদ্ধ সম্ৰাটে বুকুত আশা বান্ধি আহিছিল ছৈ দিয়া উটৰ গাড়ীত আহিছিল। লাল কিল্লাৰ পৰা বৰ্তমানৰ মৌলানা আজাদ কলেজৰ সন্মুখলৈ বৃদ্ধ সম্ৰাট আগুৱাই আহিছিল। এইখিনিতেই জেনেৰেল হাডশ্বনে সম্ৰাটলৈ এটি উপহাৰ পঠিয়াই দিছিল।

সোণৰ থালৰ ওপৰত ৰেশমৰ চাদৰ সম্ৰাটে সেই চাদৰ আঁতৰাই কি দেখিছিল?

ঠাকুৰে উৰ্মিলা আৰু ৰূপচন্দ্ৰৰ মুখলৈ চালে। সকলোৱে কৌতূহলেৰে শুনি আছে।

"সেইটো এটা লোমহৰ্ষক উপহাৰ। মৃত পুত্ৰৰ কটা মূৰ!"

উৰ্মিলা নীৰব হৈ ৰ'ল। ৰূপচন্দ্ৰও।

ৰেঙ্গুনৰ সদৰ বজাৰৰ আঠাৱন নম্বৰ বঙলাৰ একোণত এতিয়াও জফৰৰ কবৰ পৰি আছে, —আগেয়ে এই বঙলাটোত হেনো কোনোবা ইংৰাজ কেপ্তেইন আছিল কফি আহিল। লগে লগে এই আড্ডালৈও যেন নতুন উৎসাহ আহিল। জফৰৰ শোকাবহ কাহিনীক কফিৰ উত্তাপেৰে দূৰলৈ ঠেলি পঠোৱাৰ আয়োজন চলিল?

এইবাৰ আকৌ বিশ্ববিদ্যালয়ৰ কাহিনী আৰম্ভ হ'ল। এডুইনে মাউণ্টবেটেনক বিয়াৰ প্ৰস্তাৱ দিয়া হ'ল ঘৰটোৰ কথা ওলাল। বৰ্তমান এই ঘৰটো ফাইনাল ফাইভ হিচাপে ব্যৱহাৰ হোৱাৰ কথা ওলাল।

ঠাকুৰে হাত এখন ওপৰলৈ তুলি ঢেক্‌ঢেকাই হাঁহিবলৈ ধৰিলে।

"তোমালোকে ফাইনাল ফাইভলৈ কেতিয়াবা গৈছা নে? লাঞ্চ আৱাৰত এখন টেবুলৰ পৰা আন এখন টেবুলত জপিয়াই ফুৰা বোন্দা মেকুৰী দুটা লক্ষ্য কৰিছা নে?"

"ফাইনাল ফাইভৰ বোন্দা মেকুৰী??" সকলোৱে ঢেক্‌ঢেকাই হাঁহিব ধৰিলে।

উৰ্মিলাৰ এই হাঁহি কিছু অট্টহাস্যৰ দৰে শুনা গ'ল। ৰাতি দহ বজালৈ ঠাকুৰ আৰু ৰূপচন্দ্ৰৰ মাজত প্ৰতিযোগিতা চলিল। কোনো উঠি নগ'ল।

ঠিক এইখিনি সময়তে কোনোবাই দুৱাৰত প্ৰচণ্ড জোৰেৰে এটা গোৰ মাৰি দিলে। এটা বিকট শব্দ কৰি দুৱাৰখন মেল খাই গ'ল। বুলেট এটা অহাৰ দৰে আহি সি তিনিওৰে মাজত থিয় হ'ল। তাৰ পিছত উৰ্মিলালৈ আঙুলি টোৱাই ক'লে —

"তলৰ দোকানত মানুহবোৰে তোমাৰ কথা বেয়াকৈ কয়। মোৰ আয়ে পেটৰ ভোকত সেই 'জেজেলপন্নেন্টৰ ঠিকাদাৰ কেইটাৰ' লগত বহি চাহ কটী খায়! তোমাৰতো পেটত ভোক নাই। তুমি কিয় এই হাবামজাদাইতৰ লগত ৰাতি দুপৰলৈ আড্ডা দিব লাগে? কিয়? — 'জুপিল জুপৰিত' বাস কৰা সেই বেয়া তিৰোতাবোৰৰ আৰু তোমাৰ মাজত পাৰ্থক্য কত?"

... ইয়াৰ পিছত যি হৈছিল সি আছিল এক অন্য কাহিনী।

জগন্নাথ গ'ল।

উৰ্মিলাৰ পুৰুষ বন্ধুসকলে এই ঘটনাটো লৈ বৰ বেছি মূৰ ঘমালে

অধ্যাপক ঠাকুৰে মাত্ৰ প্ৰশ্ন কৰিছিল —

"তুমি শেষলৈ কি কৰিলাহেঁতেন? — আৰু অলপ দূৰলৈ চকু মেলি চোৱা লাহে লাহে সি ডাঙৰ হ'লহেঁতেন এদিন, সি যুৱক হ'লহেঁতেন তাৰ পিছত?"

এই প্ৰশ্নটোৰ সৈতে মুখামুখী হৈ উৰ্মিলাও কিংকৰ্তব্যবিমূঢ় হৈ পৰিল।

"এৰা শেষলৈ তেতিয়াহ'লে কি কৰিলেহেঁতেন?"

ৰূপচন্দ্ৰই একপ্ৰকাৰ বিদ্ৰূপ কৰাৰ দৰেই ক'লে —

"তুমি মোজাইক কৰা মজবুত থকা মানুহ গ্ৰামৰ ভয়াবহতাৰ কথা কি বুজিবা?"

শুনা, জনকপুৰি টাৰ্কমান গেট ইত্যাদিৰ গ্ৰামত ঘূৰি ফুৰোঁতে মোৰ জোতাৰ চোল ক্ষয় গৈ একাকাৰ হৈ গ'ল মই চব কথা ভালদৰে জানো। গ্ৰাম যৰ ভয়াবহ বস্তু তদুপৰি সেই ঠাইৰপৰা বুটলি অনা ল'ৰা ।

অসহায় হৈ উৰ্মিলাই সকলোৰে কথা শুনিলে। সঁচা কথা। কিন্তু মনে মনে ভাবিলে দিল্লীৰ কৰু বাতাবৰণৰ মাজত থাকি ৰূপচন্দ্ৰই মহানগৰৰ কৰ্কশতাক আকোৱালি লৈছে। এই বাতাবৰণে যেতিয়া শতকৰা নব্বৈজন মানুহক সামৰি ল'ব পাৰিছে — এওঁলোক কিয় থাকি যাব?"

জগন্নাথ যোৱাৰ পিছত এক অন্য ধৰণৰ নিঃসঙ্গতা অনুভৱ কৰিলে উৰ্মিলাই। এই নিঃসঙ্গতাৰ কথা পাহৰিবলৈ তাই 'চেণ্ট্ৰেল' লাইব্ৰেৰীত সৰহ সময় কটাবলৈ আৰম্ভ কৰিলে। তাইৰ সহকৰ্মী দুজনমানে এদিন তাইক সোঁৱৰাই দিলে।

"তোমাৰ প্ৰবেশন পিৰিয়ড শেষ হৈ আহিছে। ডিপাৰ্টমেণ্টৰ হেডক লগ ধৰি কথা বতৰা হোৱা উচিত।"

এদিন উৰ্মিলাই ডিপাৰ্টমেণ্টৰ হেড গৰাকীক লগ ধৰিলে। ফাইলৰ পাহাৰ এটিৰ পৰা মূৰ তুলি চাই ডিপাৰ্টমেণ্টৰ হেডে প্ৰশ্ন কৰিলে —

"তুমি উৰ্মিলা ভট্টাচাৰ্য? ডিপাৰ্টমেণ্টৰ চেমিনাৰবোৰত কেতিয়াবা ভাগ লৈছা নে?"

"বহুতবাৰ ছাৰ?"

"বহুতবাৰ?"

কপাললৈ চকু তুলি হেডে তাইৰ মুখলৈ চালে। যেন বিশ্বাসেই কৰিব নুখুজিলে।

"কি কাম কৰি আছা এতিয়া?"

"বাম সাহিত্যত নাৰী?"

"এইবোৰ কাম বহুতেই কৰিছে —!"

বহুতেই কৰিছে সঁচা কথা, প্ৰত্যেকৰে নিজৰ নিজৰ ক'বলগীয়া কথা আছে . ।

তদুপৰি সেই সময়ত ভাৰতবৰ্ষত নাৰীৰ ওপৰত হোৱা বৰ্বৰ নিৰ্যাতনৰ উদাহৰণ

পৃথিৱীৰ আৰু । হেডে কিছুমান নতুন ফাইল উলিয়াই ললে তাইও আৰু সৰহ সময় তাত বহি থকা নিৰৰ্থক বুলি ভাবিলে। এটা সময়ত তাই বাহিৰলৈ ওলাই আহিল।

ডিচেম্বৰ মাহ। ধূলিৰে ধুসৰিত দিল্লীৰ ৰথ প্ৰধান আলিত থিয় হ'ল তাই। ভাব হ'ল ভৰিবোৰ যেন শুকাই কৰ্কশ হৈ গৈছে। অথচ সৌ সিদিনালৈ নানা ধৰণৰ প্ৰসাধন সামগ্ৰীৰে নিজকে সজাই পৰাই ৰখাত ক'ত যে যত্ন নাছিল তাইৰ। ক'ত গ'ল সেই আগ্ৰহ? সেই সৌন্দৰ্যবোধ? অসংলগ্ন সাজপাৰ, পুৰণা জোতা, ৰুক্ষ মূৰৰ চুলি। লাহে লাহে যেন নিজৰ ওচৰত নিজেই অচিনাকি হৈ আহিছে।

এৰা ক'লৈ যাব? এই মুহূৰ্তত ক'লৈ যাব তাই? লাহে লাহে তাই ওখলাৰ বাছ ষ্টপেজৰ পিনে আগবাঢ়ি গ'ল।

ভিৰৰ মাজত বহি উৰ্মিলাৰ ভাব হ'ল তাই একক, তাই ভয়লগা ধৰণে নিঃসঙ্গ। অহৰহ তাইৰ কাণত মাত্ৰ এটা কথাহে যেন প্ৰতিধ্বনিত হয়। এৰা জগন্নাথে কৈছিল--

"জুপুৰি জুপৰিত বাস কৰা সেই বেযা তিৰোতাবোৰৰ সৈতে তাইৰ কোনো পাৰ্থক্য নাই।"

চেণ্ট্ৰেল ছেক্ৰেটেৰীয়েটত বাচ সলনি কৰাৰ সময়তো উৰ্মিলাৰ নিজকে বলিয়া মানুহৰ দৰে লাগিল। কিহৰ এই উদ্মা? তাই যেতিয়া শিশু আছিল দেউতাকে তাইক ৰাস্তা পাৰ হ'ব দিবলৈ ভয় কৰিছিল — আৰু আজি ? আৰু আজি? ক'ত যে ৰাস্তা তাই পাৰ হোৱা নাই।। নিঃসঙ্গতাই দুৰাৰোগ্য ৰোগৰ দৰে অহৰহ তাইক অনুসৰণ কৰি আহিছে।

নাম ঠিকনা তাইৰ ভেনিটী বেগতে আছিল। এটা সময়ত তাই 'ওখলাৰ' সেই অবৰ্ণনীয় শ্লাম সাম্ৰাজ্যত ভৰি দিলে। ভূত প্ৰেতৰ দৰে লগা দল এটাই এটা সময়ত তাইক বেৰি ধৰিলে। সেইটো এনে এটা সময় আছিল যি সময়ত পৰিষ্কাৰ পৰিচ্ছন্ন কাপোৰ পিন্ধি শ্লামত টহল দি ফুৰা মানুহবোৰক শ্লামবাসীয়ে চোৰাংচোৱা বুলি ভাবিবলৈ বাধ্য হৈছিল। টাৰ্কমান গেট আৰু ওখলাৰ শ্লামত বাস কৰা এই ছালছিগা ভিকহুইতে মূৰৰ ওপৰৰ চালখন যোৱাৰ ভয়ত পেপুৱা লাগি আছিল।

এটা সময়ত এজন নিশকতীয়া বৃদ্ধই নি উৰ্মিলাক এখন কাঠৰ দুৱাৰৰ ওচৰত থিয় কৰাই দিলে। বুঢ়া ভিতৰলৈ সোমাই গ'ল আৰু কিছু সময়ৰ পিছত তিৰোতা এজনী লগত লৈ বাহিৰলৈ ওলাই আহিল। উৰ্মিলাৰ বুজিবলৈ বাকী নাথাকিল। সেইজনীয়ে জগন্নাথৰ মাক।

গ্লানি আৰু লজ্জাই উৰ্মিলাক কিছু সময় যেন বিব্ৰত কৰি পেলালে। অথচ নিজেই তাই বুজি নাপালে কি কাৰণে আহিল এই গ্লানি।

তাই ক'লে — "আপুনি মোৰ ল'ৰাটো পঢ়াম বুলি নিছিল নহয় নে? ভিতৰলৈ যাব নে? নে বাহিৰত এইদৰে থিয় হৈ থাকিব?"

উৰ্মিলাই ক'লে— "নবহো। সি আৰু আকৌ যাব নে?"

"কেনেকৈ কওঁ সি যাব নে নাযায়? আপোনালোকে খোৱা শপত আৰু মদাহী মানুহে মদ খাই খোৱা শপতৰ মাজত কিবা পাৰ্থক্য আছে নে বাৰু?"

নিশকতীয়া বৃদ্ধই গল খেকাৰি মাৰি ক'লে — "শপত খোৱাটোও এইসকল লোকৰ বিলাসহে। বহুত তিতা কেহা অভিজ্ঞতাই বোধহয় মানুহজনীক কৰ্কশ কৰি তুলিছিল। তদুপৰি ল'ৰাটো এনেদৰে আঁতৰি অহাৰ পিছত কোনো প্ৰকাৰৰ ভাবানুভূতি আৰু বাকী নাছিল।"

তাই ক'লে, "ভিতৰত বহি বলৈ দিবৰো কোনো ব্যৱস্থা নাই!"

উৰ্মিলাই ব্যস্ত হৈ ক'লে — "জানো তোমালোকৰ বৰ্তমানৰ অৱস্থা বৰ বেয়া। ল'ৰাইতৰ বাপেকো বোধহয় উভতি অহা নাই।"

শাৰীৰ আচলটো চকুৰ ওচৰলৈ নিব খুজি তাই ক'লে — "আপোনাৰ ওচৰৰ পৰা অহাৰ পিছত সি 'ঝুপ্‌গি ঝুপুৰিৰ' অসৎ ল'ৰাবোৰৰ সঙ্গ ললে। এই ওঁঠ চেপিলে গাখীৰ ওলোৱা ল'ৰাটোৱে কয়, পৃথিৱীৰ হেনো চব মানুহেই বেয়া। যিবোৰক ভাল মানুহ বুলি কোৱা হয় সেইবোৰে অভিনয়হে কৰি গৈছে মাত্ৰ।"

দূৰৈৰ এক বিশৃঙ্খল দিগন্তত সূৰ্য অস্ত গ'ল। 'ওখলাৰ' এই গ্ৰাম খণ্ডৰ তালি-তাপলি মৰা ঝুপুৰিসমূহক এতিয়া কোনো এক মাৰাত্মক ধুমুহাই এৰি থৈ যোৱা ধ্বংসে প্ৰায় ভূমি একখণ্ডৰ দৰে দেখা গ'ল।

"এনেদৰেই বাহিৰতেই বৈ থাকিব নে?"

মই যাওঁ — সি যদি যাব খোজে পঠিয়াই দিবা, তুমি তাৰ বাবে মোৰ ঘৰৰ দুৱাৰ সদায়ে খোলা থাকিব।"

তাৰ পিছত উৰ্মিলাই মানুহজনীৰ চকুলৈ আঙুলি টোৱাই একপ্ৰকাৰ আৰ্তনাদ কৰি উঠিল —

"তোক মই পঢ়ুৱাম বুলিয়েই নিছিলো — 'শপত খোৱা' মোৰ বাবে কোনো দৰণৰ বিলাসৰ কাম নাছিল।"

ডিচেম্বৰ মাহৰ সেই অকতবীয়া বৰষুণ আৰম্ভ হ'ল। ... এদিন পুৱা উৰ্মিলাই দুৱাৰ খুলি দেখিলে দুৱাৰ মুখত জগন্নাথ থিয় হৈ আছে। যোৱা চাৰিটা মাহৰ ভিতৰত তাৰ বয়স যেন বহুত বাঢ়ি গৈছে। কক্ষ চুলি। বহুটা গাৰ ৰঙ। শতচ্ছিন্ন সাজপাৰ। মুখত বিক্ষিপ্ত গোঁফ।

"কিয় এনে অৱস্থা হ'ল তোৰ?" সি কোনো উত্তৰ নিদিলে। তাৰ কান্দোনৰ ভৰাল টোপোলাটো দেখি উৰ্মিলাৰ অৱশেষে বুজিবলৈ বাকী নাথাকিল সি থাকিম বুলিয়েই আহিছে।

কিন্তু এই হৰিজন বালকটি আৰু তাইৰ মাজত যি এখন প্ৰাচীৰৰ সৃষ্টি হৈছিল — সেই প্ৰাচীৰ অৱশ্যে খহি জহি নগ'ল! বৰং এই প্ৰাচীৰে যেন চূণ তেল ঘঁহি আকৌ জাতিষ্কাৰ হৈ উঠিল।

"তেতিয়াহ'লে আকৌ পঢ়া-শুনা কৰিম বুলিয়েই আহিলি?"

সি উত্তৰ নিদিলে।

"ইমান দিন ক'ত আছিলি?"

"নিগমবোধ ঘাটত।"

বিজুলী এছাটিৰ দৰে এটা ভাবনাই উৰ্মিলাৰ মনত দগমগাই গ'ল। সেই নিগমবোধ। ভাৰতবৰ্ষৰ একমাত্ৰ ঠাই য'ত সাত মোন ওজনৰ কাঠেৰে একোটা নৰদেহক পুৰি ছাই কৰি পেলোৱা হয়। এৰা ভাৰতবৰ্ষৰ সেয়ে একমাত্ৰ ঠাই য'ত আধা পোৰা দেহ্‌পানীত আৰু পেলাই দিব লগা নহয়। তাতেই জগন্নাথে ঠেকছিগা ল'ৰা এজাকৰ লগত দিন অতিবাহিত কৰি আহিছে।

উৰ্মিলাই অনুভৱ কৰিলে — তাইৰ ডিঙিটো শুকাই যেন কাঠ হৈ গৈছে।

কি কৰিব? খেদি দিব নেকি?

নাই নাই কোনোবা থাকক নিজৰ ওচৰত।

এই নিৰ্মম চহৰত উৰ্মিলাই যেন কাকো চিনি নাপায়। বিদেশত পঢ়িবলৈ গৈ উধাও হোৱা গিৰীয়েক নিজক লৈ ব্যস্ত হৈ পৰা ভাই ককাই বন্ধুত্বৰ দাবীলৈ আওৰাই ৰূপচন্দ্ৰ আৰু ঠাকুৰ আৰু যশোৱন্ত? দুয়ো নয়ন সজল হৈ আহিল উৰ্মিলাৰ। তাইৰ পিতৃ মাতৃ সৎ আছিল। এক সুসংস্কৃত পৰিবেশত তাই ডাঙৰ হৈছিল।

নাই নাই কি প্ৰয়োজন তাক পঠিয়াই দিয়াৰ? সঁচাকৈয়ে কিজানি এই কক্ষ মহানগৰত তাই সোণ বিচাৰি পাইছে।

সি মুখ হাত ধুলে। আগেয়ে থোৱা ঠাইত নিজৰ কাপোৰ কানি পৰিপাটিকৈ থলে। কোঠাবোৰ নিৰীক্ষণ কৰি সি যেন হুমুনিয়াহ কাঢ়ি উঠিল?।

"আপুনি ঘৰ দুৱাৰ পৰিষ্কাৰ কৰিবলৈ চাগৈ এৰিয়ে দিছিল।"

আপোন মনেৰে সি ঘৰ দুৱাৰৰ ধূলি বালি গুচাবলৈ আৰম্ভ কৰি দিলে।

দুয়োৰে মাজত গঢ়ি উঠা সেই অদৃশ্য প্ৰাচীৰখন কিন্তু একেভাৱেই থাকিল।

দিল্লীৰ এই অৱতৰীয়া বৰষুণ তিনি দিনলৈ চলিল। এই তিনিদিন উৰ্মিলাৰ কৰৰ লবলৈ অৱশ্যে কোনো নাহিল। গোটেই দিনটো কিতাপ পঢ়া আৰু গধূলি সময়ত খোলকনীত বহি বৌশানাৰা বাগিচাৰ পৰা পাখি লগা গধূৰ গধূৰ কাপোৰৰ টোপোলাৰ দৰে মছৰ পত্তিৰে উৰি যোৱা বাদুলিবোৰ চোৱা আৰু একপ্ৰকাৰ শ্মশানৰ ৰূপ ধাৰণ কৰা চিন্তা সাম্ৰাজ্যত তহল দি ফুৰা— এয়ে আছিল তাইৰ কাম।

সি মাজে মাজে ওচৰত আহি থিয় হৈছিল। তাইৰ ভাতৰ সময় তাইৰ চাহৰ সময়

সকলো কথাই সি জানিছিল। উৎসাহেৰে সি কৈছিল, এইবাৰ সি পৰীক্ষাত সকলোকে চমক লগাই দিব।

চতুৰ্থ দিনা তাক কিছু অধৈৰ্য দেখা গ'ল। এই চতুৰ্থ দিনাও এই অৱতাৰীয়া বৰযুণে দিল্লী চহৰক পঙ্গু কৰি ৰাখিছিল।

এটা সময়ত যেতিয়া ৰোশানাৰা বাগিচাৰ বাদুলিবোৰে উৰিবলৈ আৰম্ভ কৰিলে ঠিক তেতিয়াই সি গপগপাই বাহিৰৰ বেলকনিলৈ ওলাই আহিল।

কৰ্কশ কণ্ঠেৰে সি কলে —

"নিগমবোধত" বাস কৰা আমাৰ হৰিজনৰ ল'ৰা কেইটাৰ হিন্দী শিকাবলৈ অহা বিষ্ণুপ্ৰভাকৰক মাৰি হাড ভাঙি দিব খুজিছিল।"

চিঞৰি উঠিল উৰ্মিলাই।

"হৰি হৰি কি কৰিলে সেই নিৰীহ মানুহটোৰে তইতৰ?" নিৰক্ষৰৰ মাজত সি দেৱতাৰ দৰে কাম কৰা নাই নে? বেচেৰাৰ সেই ক্ষয় যোৱা জোতা — শতছিন্ন খদ্দৰ সাজ।। নিস্বাৰ্থ সেৱা নহয় নে এয়া? "

জগন্নাথে একপ্ৰকাৰ গৰ্জনি কৰিয়ে উঠিল।

"টাৰ্কমান গেট আৰু নাজফগড়ত সি পঢ়ুৱাই যোৱা ল'ৰাবোৰে এতিয়াও কাম বিচাৰি ঘুমুটিয়াই ফুৰিছে, হাতত সিহঁতৰ ৰাষ্ট্ৰভাষা পাছ কৰাৰ প্ৰমাণ পত্ৰ।"

তাৰ নাকৰ পাতি দুটা ফুটি উঠিল। বিড়ি হুপি ক'লা কৰা ওঁঠ দুটা এই সময়ত অত্যন্ত কুৎসিত দেখা গ'ল।

নিশ্চুপ হৈ ৰ'ল উৰ্মিলা। এৰা কিয়েইবা উত্তৰ দিব তাই? এইখিনি সময়ততো কোনো উত্তৰ পোৱা নাযায়।

উৰ্মিলাৰ ভাব হ'ল সি যেন এটা ভয়ঙ্কৰ পুৰুষৰ ৰূপ ধাৰণ কৰি কোঠাৰ মাজত দপদপাই ফুৰিব ধৰিছে? বিস্ময়কৰ। বিস্ময়কৰ।

সি আকৌ কলে——

"এই তিনি দিন আপুনি ঘৰৰ ভিতৰত সোমাই আছে, কোনো অহা নাই আপোনাক সঙ্গ দিবলৈ। বৰ বেয়া কথা হৈছে নহয় নে?

কি কয় সি? ওঁঠ চেপিলে গাৰ্মীৰ ওলোৱা এই ফুকনীয়া বালকটোৰে আজি অভিজ্ঞ মানুহৰ দৰে কিয় কথা কয়? দিল্লীৰ নিগমবোধত সি শিক্ষা পাই আহিল নেকি বাৰু? —এৰা সেই ৰহস্যময় 'নিগমবোধ'? গধুলি এটা সময়ত সি অন্তৰ্ধান হৈ পৰিল।

ৰাতি এপ ৰলৈ সি উভতি নহা বাবে উৰ্মিলা কিছু অধৈৰ্য হৈ পৰিল। চটৰ ওপৰলৈ উঠি গল তাই, কিনকিনীয়া বৰষুণ। ষ্ট্ৰীট লাইটবোৰক এতিয়া বৃদ্ধৰ ছানি পৰা চকুৰ দৰে

দেখা গৈছে। বৌশানাৱা বাগিচাৰ বাদুলি জাকে — এইখিনি সময়ত আকাশ ছানি ধৰিছে, সিহঁতক একোচপৰা ডাৱৰৰ দৰে দেখা গৈছে এয়া যেন এক ভয়াবহ পৰিৱেশ। —হঠাৎ উৰ্মিলাৰ চকুত পৰিল দুটি ছায়ামূৰ্ত্তি। পাৰ্কৰ আলি কেঁকুৰিটো পাৰ হৈ সিহঁতে এইপিনেই আগুৱাই আহিছে। এই ৰাজ আলিৰ বুকুত আৰু কোনো নাই মাথো এই দুটি ছায়ামূৰ্ত্তি।

উৰ্মিলা চটৰ পৰা তললৈ নামি আহিল। দুৱাৰত টোকৰ পৰিল।

দুৱাৰ খুলি উৰ্মিলা আৰ্তনাদ কৰি উঠিল, দুৱাৰৰ ওচৰত অঙ্কৰ গৱেষক যশোৱন্ত থিয় হৈ গাৰ 'ৰেইন কʼটটো' খোলাৰ যো-জা কৰিছে আৰু এয়া জগন্নাথ? ওঁঠত বিড়িৰ গোন্ধ।

আগবাঢ়ি আহি জগন্নাথে ক'লে —

"নিগমবোধত ঘূৰি ফুৰোতে মই যশোৱন্ত চাহাবক লগ পাইছিলোঁ। আজি মই কয়দী ধৰাৰ দৰে ধৰি আনিছোঁ যাতে আৰু পলাব নোৱাৰে কলো এই তিনি দিন আপুনি ভূতৰ দৰে বহি আছে।"

শুনক আপুনি মজা কৰক।

আপুনি ফুৰ্টি কৰক এই চিৰিত বহি পহৰা দি থাকিম। মাত্ৰ যাবৰ সময়ত আপোনাৰ ওচৰলৈ অহা পুৰুষবোৰে মোৰ ভঙা টিং এটাত দুই এটি টকা সিকি ঢালি থৈ যাব লাগিব।

মই চিৰিত বহি পহৰা দি থাকিম কিন্তু।"

# বুদ্ধসাগৰ ধসৰ গাইসা আৰু মহম্মদ মুছা

*[দক্ষিণ পূব এচিয়া আৰু জাপান ভ্ৰমণৰ অভিজ্ঞতাৰে এই উপন্যাস লিখা হৈছে। যাত্ৰাপথত লগ পোৱা চৰিত্ৰসমূহক ইয়াত অঙ্কিত কৰা হৈছে যদিও দুই এটি চৰিত্ৰ সম্পূৰ্ণ ৰূপে কাল্পনিক।]*

বতৰ ভাল হ'লে আকাশীযানৰ পৰা দেখা সাগৰৰ কিছুমান অককণীয়া দ্বীপক একোটা পেট পেলাই পৰি থকা ঘৰিয়ালৰ দৰে যেন দেখা যায়। মালেছিয়াৰ ওচৰলৈকে এনেকুৱা জনবসতিহীন অসংখ্য দ্বীপ।

কুৱেলালামপুৰৰ ওচৰ পোৱাৰ লগে লগে লহপহাই থকা তাল গছবোৰ দেখিলে ভাব হয় এইবোৰ যেন বেলুৰ হালেৰীত অঙ্কিত ৰমণীৰ কাৰুকাৰ্য্য খচিত কবৰী। কুৱেলালামপুৰ বিমান বন্দৰত টি - চি - আইৰ প্ৰতিনিধি এগৰাকীয়ে দলটিৰ আন কেইগৰাকীমান সদস্যৰ লগত চিনাকি কৰি দিলে। শ্ৰীমানৰাজ প্ৰফুল্ল চিত্তৰ উদীয়মান ছাত্ৰ। কোটিপতি পিতৃয়ে পুত্ৰেকক দেশ-বিদেশ ভ্ৰমি জ্ঞান সঞ্চয় কৰিবৰ বাবে পঠিয়াই দিছে। মিষ্টাৰ কাম্মাৰ এজন আদবয়সীয়া ভদ্ৰলোক। মহাৰাষ্ট্ৰৰ গড়কাপ্তানি বিভাগৰ ইঞ্জিনীয়াৰ। দেশ-বিদেশ ভ্ৰমি ফুৰালে এই গৰাকী ভদ্ৰলোকৰ চখ। কিছুদিনৰ আগেয়ে তেওঁ আমেৰিকা ভ্ৰমণ কৰি আহিছে। কাম্মাৰ কথা চহকী ভলভলীয়া মানুহ। মিষ্টাৰ আৰু মিছেছ শৰ্মাৰ সৈতে পৰিচয় হ'ল। দুয়ো 'বি-বি-চিৰ' ফটোগ্ৰাফাৰৰ কাম কৰে। কোপেনহেগেনৰ পৰা আৰম্ভ কৰি জাপানৰ ওসাকাৰ 'আণ্ডাৰগ্ৰাউণ্ড' মাৰ্কেটলৈকে ক'ত কেইখন চকুত লগা কেমেৰাৰ দোকান আছে তাৰ হিচাপ দুয়ো অলপো খেলিমেলি নলগাকৈ কৈ দিব পাৰে। দক্ষিণৰ পৰা অহা দলটোৰ কুমাৰস্বামী আৰু সুন্দৰমৰ লগতো পৰিচয় হ'ল। এওঁলোকে এটা কাপোৰৰ মিলত কাম কৰে।

'ইমিগ্ৰেচন' 'কাষ্টমছ'ইত্যাদিৰ আহুকাল পাৰ হৈ লাউঞ্জত ভৰি দিলো। দেখিলো বাহিৰত ধুমুহা বৰষুণৰ তাণ্ডৱ-লীলা আৰম্ভ হৈছে। আধাঘণ্টা আগেয়ে বতৰ ফৰকাল আছিল, আকাশীযানৰ ওপৰৰ পৰা ঘৰিয়ালৰ দৰে পেট পেলাই পৰি থকা ক্ষুদ্ৰ ক্ষুদ্ৰ দ্বীপবোৰ দেখি সকলোৱে মুগ্ধ হৈছিল। পঢ়াশালিত ভূগোল পঢ়োতে এইবোৰ ঠাইৰ কথা পঢ়া মনত পৰে। এইবোৰ ঠাইত মাথোঁ এটাই ঋতু। ৰ'দ আৰু বৰষুণ। বসন্ত নাই — হেমন্ত নাই — শৰতো নাই। চাৰিওফালে সেউজীয়া বতৰ এক অপূৰ্ব সমাৰোহ।

কুৱেলালামপুৰৰ আন্তৰ্জাতিক বিমান বন্দৰৰ পৰা চহৰ প্ৰায় দহ মাইল দূৰৈত। টেক্সীৰ ব্যৱস্থা আছে। প্ৰায় সকলোবোৰ টেক্সীয়ে শীত-তাপ নিয়ন্ত্ৰিত।

টেক্সীত উঠিবলৈ গৈ দেখিলো ৰাজ নামৰ ছাত্ৰজনে তেতিয়াও 'ইমিগ্ৰেচন'ৰ লেঠা পাৰ হ'ব পৰা নাই। 'কাষ্টমছ' কাউণ্টাৰত তেওঁৰ বাকচ-পত্ৰবোৰ লণ্ড-ভণ্ড কৰি চোৱা হৈছে। দাড়ি-গোফে ভোৰোকাৰ মুখ আৰু বিশৃঙ্খল সাজপাৰৰ সৈতে এই ডেকা ছাত্ৰটিয়ে মানুহৰ মনত সন্দেহৰ ভাব জন্মোৱা একো আচৰিত কথা নহয়। দক্ষিণ পূব এচিয়াৰ প্ৰায় সকলোবোৰ ঠাইৰে বিমান বন্দৰসমূহ কিছুদিনৰ পৰা অত্যন্ত সজাগ হৈ আছে। কাৰণ ইতিমধ্যে কেইবাটাও বিমান অপহৰণৰ ঘটনা ঘটি গৈছে। জাপানৰ 'ৰেড আৰ্মি' আৰু 'টেৰ'ৰিষ্ট' সকলৰ বহুত মুখৰোচক কাহিনী ইতিমধ্যে প্ৰচাৰিত হৈ পৰিছে। আমি সকলোৱে প্ৰায় অধৈৰ্য হৈ ৰাজৰ বাবে অপেক্ষা কৰিলো।

প্ৰায় এঘণ্টা অপেক্ষা কৰাৰ পাছত গম পালো ৰাজৰ পাছপৰ্টত মালেছিয়া 'এণ্ডৰছমেণ্ট' কৰা হোৱা নাই।

কি কৰা যায় এতিয়া?

'টি-চি-আই'ৰ প্ৰতিনিধি ৰাজাই ক'লে —

— 'আপোনালোক হোটেললৈ যাওঁক — ৰাজৰ ব্যৱস্থা মই কৰিম!'

মই গম পালো পাছপৰ্টত এখন নতুন ঠাই এণ্ডৰছমেণ্ট কৰা বৰ সহজ কথা নহয়। মোৰ পাছপৰ্টত 'হংকঙৰ' নাম উল্লেখ নাছিল। বম্বেৰ ৰিজিঅ'নেল পাছপৰ্ট ইমিগ্ৰেচন অফিচলৈ গৈ এইখন ঠাইৰ নাম 'এণ্ডৰছমেণ্ট' কৰাৰ সময়ত এক বিচিত্ৰ অভিজ্ঞতাৰ সম্মুখীন হৈছিলো। এই প্ৰকাণ্ড অফিচটোৰ প্ৰচণ্ড ভিৰৰ মাজত সোমাই পৰাৰ সময়ত ভাব হৈছিল কোনো দিনে আৰু এই নামটো পাছপৰ্টত 'এণ্ডৰ্ছ' কৰিব পৰা নেযাব। একোটা 'কিউৰ' নেজ বাটি গৈ একেবাৰে ৰাজআলিৰ ওচৰ পাইছেগৈ। সৰহ ভাগেই 'মিড্‌ল ইষ্টৰ' মানুহ। ফিটফাট সাজপাৰ পৰিহিত চাহাবৰ পৰা আৰম্ভ কৰি কিউত থিয় হৈ আছে বোৰ্খাধাৰী মহিলা শতচ্ছিন্ন সাজ-পাৰেৰে পৰিশ্ৰান্ত মুছাফিৰৰ দল।

হংকঙৰ 'এণ্ডৰ্ছ' কৰাবলৈ গৈ প্ৰায় প্ৰতিদিন ঘূৰাফিৰা কৰি একেবাৰে পৰিশ্ৰান্তই হ'ব লগা হৈছিল। যিদিনা 'এণ্ডৰ্ছ' কৰা হ'ল সেইদিনা ৰাজআলিত ভৰি দিয়াৰ সময়ত 'ট্ৰেভেল এজেণ্ট' গৰাকীয়ে ক'লে —

আপোনাৰ কাম কেৰা হ'ল নহয় নে?'

— 'হয় হ'ল!'

— কিন্তু আপুনি জানে সেই বিৰয়াজনক মই চিগাৰেটৰ পেকেট এটাৰ ভিতৰত

সেইদিনা এজেণ্ট গৰাকীৰ কথা শুনাৰ আৰু ধৈৰ্য নাছিল।

টি-চি-আইৰ প্ৰতিনিধি গৰাকীয়ে আমাক চিন্তিত দেখি আকৌ সৌৰৰাই দিলে।

— 'যাওক আপোনালোক আগবাঢ়ক!

আকৌ বৰষুণ আৰম্ভ হ'ল। বিমান বন্দৰৰ পৰা একেবাৰে কুৰেলোলামপুৰ চহৰত উপস্থিত হোৱালৈকে বতাহ-বৰষুণৰ তাণ্ডৱ লীলা চলি থাকিল। বৰষুণৰ এই পৰ্যায়

মাজেৰেও আলিৰ দাঁতিৰ 'ডানহিল' চিগাৰেটৰ প্ৰকাণ্ড বিজ্ঞাপন কেইখনমান জকমকাই থকা দেখা গ'ল।

চহৰত উপস্থিত হোৱাৰ সময়ত অৱশ্যে বৰষুণৰ তাণ্ডব-লীলা কমি আহিল। এক পৰিচ্ছন্ন সুন্দৰ চহৰ চকুৰ আগত ভাহি উঠিল।

'স্কাই স্ক্ৰেপাৰ' আছে যদিও বৰ পৰিকল্পিত ভাবে সজা হৈছে এইবোৰ ঘৰ। আহল-বহল পাৰ্ক সমূহত বুনগাৰায়া ফুলৰ জোপোহা। ফুলবোৰ কছাই দোকানত ওলমাই থোৱা মণ্ডহৰ দৰে লাগিল। অ'ত-ত'ত দুই এজোপা কৰবী ফুলৰ গছো দেখা গ'ল।

আমি আমাৰ নিৰ্দিষ্ট হোটেলত উপস্থিত হোৱাৰ সময়ত গধূলি হ'ল। কুৱেলালামপুৰ চহৰ এতিয়া এক অন্য সপোন পুৰীলৈ ৰূপান্তৰিত হৈছে। দিনত বন্ধ হৈ থকা চীনা খাদ্যৰ 'ধাবা' সমূহৰ দুৱাৰ এতিয়া মুকলি হৈ পৰিছে। শুনা যায় দিনত বন্ধ হৈ থকা এই দোকানবোৰত বিশেষকৈ ছাত্ৰসকলৰ ভিৰ হয়। উত্তৰ প্ৰদেশ নাইবা দিল্লীৰ ধাবাবোৰৰ দৰে সস্তীয়া অথচ সুস্বাদ খোৱা ইয়াত বিক্ৰী হয়। তদুপৰি এই দোকান শাৰীৰ গাতে লাগি আছে এটা জনপ্ৰিয় চিনেমা হ'ল তাত কেৰেটে ষ্টাইলৰ শাওলাইন এডভেনচাৰ (শাওলিন মন্দিৰৰ বিশ্বাসঘাতক) নামৰ চীনা ছবি এখন প্ৰায় এমাহ ধৰি চলি আছে। চিনেমা হলৰ আশে পাশে চীনা ছবি কিছুমানৰ বিজ্ঞাপন সিচৰতি হৈ পৰি থকা দেখিলো। মালেছিয়াৰ ছাত্ৰসকলৰ মাজত এনেকুৱা কেৰেটে ষ্টাইলৰ ছবি অত্যন্ত জনপ্ৰিয়।

২৮ ছেপ্তেম্বৰ চীনা প্ৰাতঃ সংগীতৰ ধ্বনিত সাৰ পাই উঠিলো। কুঁৱলীয়ে আবৰি আছে কুৱেলালামপুৰ চহৰ। ওপৰ মহলৰ পৰা তললৈ চাই দেখিলো হোটেলৰ সন্মুখত আলিৰ দাঁতিত ঠাহ খাই আছে টয়টা পিগৰাট, মাজদা, মাৰ্চিডিচ গাড়ীৰ শাৰী।

● ● ●

পুৱা টুৰিষ্ট ডিপাৰ্টমেণ্টৰ পৰা খবৰ আহিল তেওঁলোকে এজন ভাৰতীয় গাইডৰ সৈতে হিলটন হোটেললৈ টুৰিষ্ট বাছ পঠিয়াই দিব। আমি কুৱেলালামপুৰ চহৰ পুঙ্খানুপুঙ্খভাৱে চাব পাৰিম।

কুৱেলালামপুৰৰ আটাইতকৈ প্ৰখ্যাত হোটেল 'হিলটন'। বম্বেৰ তাজ নাইবা দিল্লীৰ অশোকাৰ লগত বিশেষ তুলনা নহয়। ভাব হয় এইখন এখন সম্পূৰ্ণ ভিন্ন পৃথিৱী। কাৰ পাৰ্কত থিয় হৈ দেখিলো চীনা ল'ৰা-ছোৱালী কিছুমানে অটোগ্ৰাফ হাতত লৈ মহিলা এগৰাকীক বেৰি ধৰিছে। বুজিবলৈ বাকী নেথাকিল সেই গৰাকী হলিউডৰ এগৰাকী প্ৰখ্যাত চিত্ৰাভিনেত্ৰী। প্ৰথম মহলৈ উঠি যোৱা চিৰি কেইটাৰ ওচৰত ফুল-লতাৰে আবৃত এটি জলপ্ৰপাত দেখিলো। এই প্ৰথম মহলত ভৰি আছে— কিছুমান বিচিত্ৰ দোকান। সুদূৰ ওৰেগোৰ পৰা আৰম্ভ কৰি চীনলৈ বিয়পি থকা দেশসমূহৰ পৰা অনা কাঠৰ বিভিন্ন হস্তশিল্প আৰু আতৰৰ সমাবেহ এইবোৰত। ইণ্ডোনেচীয়াৰ 'কৰু উডৰ' মাছুৰে, চীনৰ ম'হৰ ওপৰত উঠি থকা বালক আৰু বালি দ্বীপৰ লেগঙ নৃত্যৰ তালে তালে নাচি থকা ৰমণীবিলাকৰ কাঠৰ

মূৰ্তিসমূহৰ পৰা চকু আঁতৰাই অনাই মন্থিল হৈ পৰিল।

মিষ্টাৰ কামাৰে ক'লে —

— "পছন্দ হৈছে যদি নিকিনে কিয়?"

আগবাঢ়ি গৈ লেগঙ্গ নৃত্যৰতা ৰমণীৰ মূৰ্তিটিৰ তলত লিখি থোৱা দামটি পঢ়িবলৈ চেষ্টা কৰিলো। চীনা মহিলা এগৰাকীয়ে উধাতু খাই আহি ক'লে —

— 'ফৰ হানড্ৰেড মালেছিয়ান ডলাৰ লেডী।'

মনে মনে ভাবিলো —

— 'তাৰ মানে সাতশ টকা।'

আকৌ আগবাঢ়ি গলো —

— 'লাওছ'ৰ সেই কঙ্কালৰ দৰে লগা 'ৰজ উডৰ' বৃদ্ধসমূহ

— 'আপুনি থেৰোগেথো কৰিছে কিয়? সময় থাকোতেই লৈ থওক পিছলৈ আৰু সময় নেপাব।'

— মই ক'লো —

— ভাৰতবৰ্ষ এৰি আহোতে সিহঁতে আমাক মাত্ৰ এশ ডলাৰহে আনিব দিলে

— 'মই আপোনাক ধাৰে দিব পাৰিম'

— 'ধাৰে দিব?'

কিন্তু আপোনাৰ হাততো সেই এশ ডলাৰ হে আছে।

মিষ্টাৰ কামাৰ আৰু ৰাজ নামৰ ছাত্ৰটিয়ে ঢেকঢেকাই হাঁহিব ধৰিলে।

— 'আমি দুয়ো 'ছিকিউৰিটি' পাৰ হৈ অহাৰ সময়ত আপুনি লক্ষ্য কৰিছিল নে?'

— 'নাই।'

— 'আমাৰ জোতা কেইযোৰ তেতিয়াহ'লে আপুনি লক্ষ্য কৰা নাই।'

ইতিমধ্যে বাহিৰত টুৰিষ্ট বাছ ৰৈ আছে বুলি খবৰ আহিল। আমি কোবাকুবিকৈ তললৈ নামি গলো। শীত-তাপ নিয়ন্ত্ৰিত সুসজ্জিত বাছ। গাইডজন শিখ ছাত্ৰ। সকলোকে সম্বোধন কৰি সি মালয় ভাষাত ক'লে — 'চেলামত ডাটাং'। (স্বাগতম)

আমিও মূৰ দুপিয়াই ক'লো —

— 'চেলামত ডাটাং।'

তাৰ পাছত ইংৰাজীত সি নিজৰ পৰিচয় দি ক'লে — মোৰ জন্ম এই কুৱেলালামপুৰতেই। পূৰ্বপুৰুষসকল ভাৰতীয় যদিও মই নিজকে মালেছিয়াৰ সন্তান বুলিয়ে ভাবিব আৰম্ভ কৰি দিছো—

— শুনক মালেছিয়াৰ লোকসংখ্যা এক কোটি দহ লাখ। আমি ভাৰতীয়সকলে এই শতিকাৰ আৰম্ভণিতে আহিছিলো। আমাৰ পূৰ্বপুৰুষ সকলে ইয়াত কি কৰিব আহিছিল — আপোনালোকে নিশ্চয় জানে।

ৰাজ নামৰ ছাত্ৰটিয়ে ক'লে —

— ৰবৰৰ ব্যৱসায়ৰ লগত জড়িত হৈ আমাৰ বংশৰ লোক এজনো আহিছিল। আহিবৰ সময়ত আয়ে মোক তেওঁৰ মকবৰত বত্তি এগছি জ্বলাই আহিবলৈ অনুৰোধ কৰিছিলো —

— গাইডে সুধিলে

— 'তেওঁৰ মকবৰা ক'ত আছে?'

— জালাল হিছামুদ্দিনৰ ওচৰত।

মুৰৰ পাগুৰিটো ঠিক কৰি লৈ শিখ গাইডে আকৌ ক'লে —

— শুনক মুঠ জনসংখ্যাৰ চৌত্ৰিশ ভাগ হৈছে চীনা লোক।

প্ৰায় ডেৰশ বছৰৰ আগেয়ে এইসকল লোক ভাগ্যৰ অন্বেষণত আহিছিল। প্ৰায়বোৰেই আছিল কুলি। বিবৰ্ণ মুখ, হুটঙা চেহেৰা' গোঁৱাৰ। কৰ্মপটু। বিশ্বৰ আটাইতকৈ ৰহস্যময় জাতি এই চীনাসকল

কুমাৰ স্বামী বোলা দক্ষিণৰ ভদ্ৰলোকজনে ক'লে — 'তেওঁলোকৰ আত্মবিশ্বাসৰ তুলনা নাই।'

মই প্ৰশ্ন কৰিলো —

— 'এই মালয় সকলৰ বিষয়ে কওঁক'

মৌ ৰৰণীয়া মিহি দাড়িকোছাত হাত বুলাই সুশ্ৰী যুৱকটিয়ে আকৌ ক'বলৈ আৰম্ভ কৰিলে —

— 'সম্পূৰ্ণ লোকসংখ্যাৰ শতকৰা ছাপন্ন ভাগেই হৈছে পুৰণি বাসিন্দা। এই মালয়সকল লৌহ যুগতেই দক্ষিণৰ সাগৰৰ গাঁওসমূহত বাস কৰিব আৰম্ভ কৰিছিল ইয়াৰ বাহিৰেও আছিল 'কাদাজানছ', 'ডায়ক' আদি বিভিন্ন জাতি।

— 'ইছলাম, বৌদ্ধ, খৃষ্টান, হিন্দু আৰু কনফিউচিয়ান বিভিন্ন ধৰ্মী লোকসকল ইয়াত নিৰ্বিঘ্নভাবে বাস কৰে — মালেছিয়া এখন ধৰ্মনিৰপেক্ষ ৰাষ্ট্ৰ।'

ৰেলৱে ষ্টেচন পাৰ হৈ গাড়ী আগুৱাই যাব ধৰিলে। সুন্দৰ মসৃণ আলি। পৰিষ্কাৰ পৰিচ্ছন্নতাৰ যেন তুলনা নাই। কোনোবাই কৈছিল ইয়াৰ পথত এটুকুৰা কাগজ পেলালে দুশ মালেছিয়ান ডলাৰ (ছয়শ টকা) জৰিমনা ভৰিব লাগে।

মুকলি ঠাইসমূহত সেউজীয়া ঘাঁহনিৰ এক বিচিত্ৰ শোভা দেখা গ'ল। বহুতত এশ ইঞ্চি বৰষুণ। এই সেউজীয়া বং কেতিয়াও নিষ্প্ৰভ নহয়।

আমি আগুৱাই যাব আৰম্ভ কৰিলো আমাৰ উদ্দেশ্য 'জাতীয় স্মৃতি'। অৰ্থাৎ নেচনেল মনুমেণ্ট'। চহৰৰ পৰা কিছু দূৰৈত অৱস্থিত এই স্মাৰক কেন্দ্ৰ। আকৌ আৰম্ভ হ'ল বিচিত্ৰ সেউজীয়া বৰণৰ উন্মত্ত প্ৰকাশ।

দক্ষিণৰ সহযাত্ৰী মহম্মদ মুছাই প্ৰশ্ন কৰিলে — 'গাইড মহাশয় কুৱেলালামপুৰ

শব্দটিৰ অৰ্থ?'

মৌ বৰণীয়া দীঘল দাঢ়ি কোছাত হাত বুলাই মূৰৰ পাগুৰিটো আকৌ এবাৰ ঠিক কৰি লৈ গাইডে ক'লে —

— 'সাধু কথাৰ দৰে কাহিনী এয়া। এশ বছৰৰ আগেয়ে অন্বেষণকাৰীৰ এটা দল ক্লাঙ্গ নদী পাৰ হৈ আহিছিল টিনৰ অন্বেষণত। এই ক্লাঙ্গ আৰু গোমবাক নদীৰ মোহনাত উপস্থিত হৈ তেওঁলোকে পাৰৰ সুবিস্তাৰিত ভূমিখণ্ডলৈ গতি কৰিলে। আমপাঙ্গৰ ওচৰত আবিষ্কৃত হ'ল টিনৰ সেই মূল্যবান খনি। লগে লগে এই কুৱেলালামপুৰৰ জন্ম হ'ল আৰু এই নামৰ অৰ্থ হ'ল বোকা মাটিৰ সন্ধিস্থল

পাহাৰ অকোৰা-পকোৰা আলি পাৰ হৈ বাছ আহি ৰাজ প্ৰসাদৰ দুৱাৰ মুখত উপস্থিত হ'ল। ৰাজকীয় চিহ্নেৰে জাতিষ্কাৰ সিংহ দুৱাৰ। অস্ত্ৰ-শস্ত্ৰেৰে সুসজ্জিত দুগৰাকী প্ৰহৰীয়ে দুৱাৰৰ ওচৰত থিয় হৈ আছে। আমাৰ উদ্দেশ্য অৱশ্যে ৰাজ প্ৰসাদ নহয়।

শিখ গাইডে আকৌ এবাৰ সকলোকে সোঁৱৰাই দিলে —

—'শুনক মালেছিয়াতেই আছে পৃথিৱীৰ একমাত্ৰ 'ৰ'টেটিং' সিংহাসন। মালেছিয়াৰ ন'জন চুলতানে ক্ৰমানুসাৰে এই সিংহাসন গ্ৰহণ কৰে।'

বাটৰ কাষৰ দুই এখন কাফে'ড মালেছিয়াৰ এসময়ৰ প্ৰিয় প্ৰধানমন্ত্ৰী টুঙ্কু আব্দুৰ ৰহমানৰ ছবিৰে সৈতে বৰ্তমানৰ প্ৰধানমন্ত্ৰী দাটুক হুছেইন ওনৰ ছবি দেখা গ'ল।

এবাৰ ক্ৰিষ্টিফাৰ লুকাছে লিখা এটা প্ৰবন্ধত পঢ়া মনত পৰে

(Cristapher Lucas)

- Malaysia is that rarest of phenomena – a Third World nation unsecarred by military coups, developing (despite an annoying communist terror campaign in some remote areas) with purpose and intelligence It is a giltedged commodity rich country moving confidently into a scrupulously planned future

পামগছ আৰু কনবীয়া নেমুৰে ভৰি থকা মসৃণ ভূমি পিছ পেলাই গাড়ী আগবাঢ়িল। এটা সময়ত আমি 'নেচনেল মনুমেন্ট'ৰ ওচৰত উপস্থিত হলো। টিলা এটিৰ ওপৰত অৱস্থিত এই স্মাৰকৰ বাটচৰাত উপস্থিত হোৱাৰ লগে লগে খাপ পাতি বৈ থকা ফটোগ্ৰাফাৰৰ দল এটা লৰি আহিল। সিহঁতৰ কান্ধত ওলমি আছে একোটা 'পলৰয়দ' কেমেৰা। এক মুহূৰ্তৰ ভিতৰতে সিহঁতে ৰঙীন ফটো তুলি দিব পাৰে। ইয়াৰ বাবে লাগিব মাত্ৰ পাঁচটো মালেছিয়ান ডলাৰ। দক্ষিণৰ মানুহ জাক ফটো তোলাত ব্যস্ত হৈ পৰিল। এই অপূৰ্ব ৰম্যভূমিক 'বেকগ্ৰাউণ্ড' হিচাপে লৈ ছবি তোলাৰ হাবিয়াস বাৰু কাৰ নহব? দূৰৈৰ পৰ্বতমালাৰ মৌন সৌন্দৰ্য আৰু এই খেজুৰ গছৰ জোপোহাসমূহ যাক ভাৰতীয় কবিয়ে উঠি অহা গাভৰু ছোৱালীৰ লগতহে তুলনা কৰি গৈছে। এই নীৰৱ ভূমিৰ মাজত সাজি

থোৱা হৈছে সাতোটা দৈত্যাকৃতিৰ পিতলৰ মূৰ্তি। তলৰ ভেটিটো চুইডেনৰ গ্ৰেনাইটৰ দ্বাৰা নিৰ্মিত। শুনা যায় এই মূৰ্তিসমূহৰ নক্সা আঁকিছিল ৱাশ্বিংটনৰ জিমা মেম'ৰিয়েল সজা একে গৰাকী শিল্পীয়ে। বাৰ বছৰ 'টেৰ'বিষ্টসকলৰ সৈতে যুদ্ধ কৰি নিহত হোৱা ছিকিউৰিটি ফ'ৰ্চৰ সৈনিকসকলৰ নামেৰে এই স্মাৰক উৎসৰ্গিত হৈছিল।

এইবাৰ কাষত কেমেৰা ওলমাই ফটোগ্ৰাফাৰ কেইটা আমাৰ পিনে আগুবাই আহিল।

— আমাৰ মালেছিয়ান বীৰসকলৰ সৈতে ফটো তোলক। নাইবা সৌ পুখুৰীৰ ওচৰলৈ যাওক, — সৌ শিলেৰে বন্ধাই থোৱা পদুমৰ শোভা চাওঁক।

— 'আহক আহক ফটো তোলক।'

— মাত্ৰ পাঁচটা মালেছিয়ান ডলাৰ আহক

সহযাত্ৰী মিষ্টাৰ কাইকাউছে মোক একপ্ৰকাৰ টানি নিয়াৰ দৰেই নি শ্বহীদ সকলৰ ওচৰত থিয় কৰাই দিলে।

মই আৰ্তনাদ কৰি উঠিলো —

— 'নাই নাই বন্ধ কৰক, মোৰ হাতত বিদেশী মুদ্ৰা বৰ কম।' ফটোগ্ৰাফাৰ কেইটাই ক'লে —

— আমি ইণ্ডিয়ান 'কাৰেন্সি' গ্ৰহণ কৰিম। তদুপৰি এই কাপোৰযোৰৰ সৈতে আপোনাৰ এখন বৰ ভাল ছবি হ'ব

অলপ আঁতৰত বৰ আগ্ৰহেৰে কামাৰক থিয় হৈ থকা দেখিলো। যেন এতিয়াই তেওঁ মোক ক'ব — 'ভয় কৰিছে কিয়? মোৰ হাতত অযুক্ত বিদেশী মুদ্ৰা আছে আপুনি বম্বেলৈ গৈ মোক ওভতাই দিলেই হ'ব — মোৰ কিন্তু এটা 'ফিল্মড্ৰবেট্' আছে সেই হিচাপ মতেহে মই ভাৰতীয় কাৰেন্সি গ্ৰহণ কৰিম।' শিখ গাইডৰ হুইছেলৰ শব্দ শুনি এইবাৰ গোটেইজাক মানুহে বাছমুৰকৈ তললৈ নামি গ'ল।

আমাৰ যাত্ৰা আকৌ আৰম্ভ হ'ল।

বাছত বহি মই চিন্তা কৰিলো — মধ্যপ্ৰদেশ আৰু উৰিষ্যাৰ সীমান্ত বাস কৰো বুলি কোৱা মিষ্টাৰ কামাৰে কেনেকৈ ইমানখিনি বেদেশী মুদ্ৰা লগত আনিব পাৰিলে।

বম্বেৰ জাভেৰী বজাৰত বাস কৰা এক বন্ধুৱে কৈছিল — 'বিদেশী মুদ্ৰাৰ প্ৰয়োজন হ'লে মোক ক'ব আৰু শুনক এই সময়ত বৃটিছ পাউণ্ডৰ বজাৰ বৰ বেয়া— 'পাউণ্ড' নি ঠগ নেখাব আৰু শুনক

— 'শুনক আপুনি বিপদত পৰিব কিন্তু বিমান বন্দৰৰ সৌই টেক্সসমূহ ভৰিব লাগিব— সেইবোৰ আপোনাৰ 'ট্ৰেভেল এজেণ্ট' ভৰিব নেখায়। কেনেকৈ নিব শুনক ..

বম্বেৰ জাভেৰী বজাৰৰ এক প্ৰচণ্ড ভিৰ ঠেলি এটা সময়ত সেই নিৰ্দিষ্ট বন্ধু

গৰাকীৰ দুৱাৰ মুখত থিয়ও হৈছিলো। কিন্তু চিৰিত ভৰি দিয়াৰ লগে লগেই মই ঘামি-জামি উভতি আহিছিলো এৰা বন্ধুৱে দুৱাৰ খুলি দিয়াৰ আগেযে উভতি আহিছিলো।

'ছাউথ চাইনা' সাগৰৰ বালিৰ দৰে মসৃণ এক সুন্দৰ পথেৰে বাছ চলিব ধৰিলে।

শিখ গাইডৰ উদাত্ত কণ্ঠ শুনা গ'ল।

— ভাৰতবৰ্ষৰ 'ৰেলৱে নেটৱৰ্কৰ' বাবে সমগ্ৰ এচিয়া মহাদেশত যি সুখ্যাতি আছে ঠিক তেনে ধৰণৰ এটি সুখ্যাতি মালেছিয়াৰো আছে। প্ৰায় তেৰ হাজাৰ মাইলৰ বিস্ময়কৰ এই ৰাজপথলৈ মালেছিয়াবাসীৰ গৌৰবৰ অন্ত নাই।

আলি কেৰুৰি এটি ঘুৰাৰ সময়ত ওঠৰ মহলীয়া পাৰ্লিয়ামেণ্ট হাউছৰ চুড়া দেখা গ'ল। আমি ইতিমধ্যে লেক গাৰ্ডেনো পাৰ হৈ আহিলো। বিচিত্ৰ বৰণীয়া 'বিলাসী নৌকা'সমূহে পোনা মাছৰ দৰে লেকৰ পানীত ছটফটাই থকা দেখা গ'ল। লেকৰ পাৰ শোভা কৰি থকা পাম গছ নাইবা বনৰীয়া নেমুৰ জোপোহাৰ ছায়াত কিছু সময় জিৰণি লোৱাৰ ইচ্ছা হ'ল। কিন্তু, সময় ক'ত? জালান কেৰুশ বুঙ্গা পাৰ হৈ 'নেচনেল মিউজিয়ামৰ' পিনে বাছে গতি কৰিলে।

যোৱা মহাযুদ্ধত ধ্বংসস্তুপত পৰিণত হোৱা পুৰণি 'মিউজিয়াম'টোৰ ধ্বংসস্তুপত মূৰ দাঙি উঠা এই নতুন মিউজিয়ামটোৰ বিষয়ে নানা মুখৰোচক কথা শুনিছিলো। শুনা যায় এনিক হ' ক'ক' হ' নামৰ শিল্পী গৰাকীয়ে প্ৰাচীন মালয়ৰ গৃহ নিৰ্মাণ কলাৰ বিষয়ে জ্ঞান লাভ কৰিবৰ বাবে দক্ষিণ মালয়ত সুদীৰ্ঘকাল ভ্ৰমণ কৰি ফুৰিছিল।

বাছৰ পৰা নামি দেখিলো ইউনিফৰ্ম পিন্ধা ছাত্ৰ-ছাত্ৰীৰ ভিৰ। স্কুলৰ ধ্বজা সমূহেৰে শোভিত হোৱা বাছৰ শাৰী।

পশ্চিম গেলেৰীৰ দুৱাৰমুখৰ কফি হাউছটোত ছাত্ৰ-ছাত্ৰীৰ প্ৰচণ্ড ভিৰ দেখা গ'ল। সম্ভৱ কফি হাউছ বন্ধ হোৱাৰ সময় হৈছে।

এটা সময়ত আমিও বৃত্তাকাৰ টেবুল এখন অধিকাৰ কৰি বহি পৰিলো। মোৰ ওচৰত দক্ষিণৰ কুমাৰ স্বামী জেকব আৰু বাৎসায়ন বহিছিল।

কুমাৰ স্বামীয়ে ৰসিকতা কৰি ক'লে — 'এইবোৰৰ প্ৰতি মোৰ বিশেষ আকৰ্ষণ নাই। মোৰ আকৰ্ষণ হৈছে এই টেক্সফ্ৰী দোকান সমূহৰ পানীয়বোৰৰ প্ৰতিহে।' দক্ষিণৰ কবি মহম্মদ মুছাই ঢেক ঢেকাই হাঁহি মাৰি ক'লে —

— 'ইয়াত বনাফাইড ইণ্টাৰনেচনেল ভিজিটৰ টু কুৱেলালামপুৰ কেন পাৰচেজ অ'নলি ওৱান কোৱাৰ্টাৰ বটল অব লিকাৰ অ'ৰ টু হানড্ৰেড ষ্টিক অব চিগাৰেট এণ্ড।'

কুমাৰস্বামীয়ে ক'লে —

— 'আহিবৰ সময়ত পত্নীয়ে দঢ়াই দঢ়াই কৈ পঠিয়াইছিল যাতে গিলাচত মুখ নিদিও এই মূল্যবান বিদেশী মুদ্ৰা কেইটাৰ যাতে সদব্যৱহাৰ হয়।'

মই ৰসিকতা কৰি প্ৰশ্ন কৰিলো

— তেতিয়াহ'লে কি নিব কৈছে তেওঁ?

মাৰা আৰ্ট আৰু ক্ৰাফ্‌ট চেণ্টাৰৰ কথা আপুনি শুনা নাই?

মহম্মদ মুছাই ক'লে

— 'জালান টুঙ্কু আব্দুৰ ৰহমান' ইয়াৰ এখন বৰ প্ৰসিদ্ধ বজাৰ। ইযাৰ মালেছিয়ান টিনৰ 'পেটেৰৰেব' সমূহ বৰ মনোমোহা কুমাৰ স্বামীয়ে ক'লে —

— 'মোৰ পত্নীয়ে চাৰঙ্গ ব্ৰকেডসমূহৰ বাবেহে আশা কৰি আছে।'

— পেটালিং ষ্ট্ৰীট আৰু জালান টুঙ্কু আব্দুৰ ৰহমানৰ বিপনি সমূহ সেই বাবেই বিখ্যাত ।

কুমাৰ স্বামীয়ে মূৰ দুপিয়াই ক'লে।

— 'কিন্তু মোৰ সেই পুৰণা নিচা খোৱা স্বভাৱটিক এইবোৰ ঠাইত বান্ধি ৰখা অসম্ভৱেই হ'ব। শুনিছো লা কাভেৰণা আৰু ক'কটেইল লাউঞ্জসমূহত 'পক আবাৰ'ত আধা দামতে 'ড্ৰিঙকছ' বিক্ৰী হয়।

শিখ গাইডৰ হুইছেলৰ শব্দ আকৌ শুনা গ'ল। আমি কফিৰ পৰ্ব শেষ কৰি লৰালৰিকৈ বাহিৰলৈ ওলাই গলো।

গাইডে ক'লে

– 'আপোনালোকে এই ৰেষ্ট উইঙৰ গেলেৰী' হে চাব পাৰিব। আমাৰ হাতত সময় বৰ কম ইয়াত বিশেষকৈ-মালেছিয়া, থাইলেণ্ড, কাম্বোডীয়া, ভাৰত, ইন্দোনেচীয়া আৰু চীনৰ শ্বেডো প্লেসমূহ আছে। এইবোৰক মুবিন শ্বেপাডে ১৯৬০ চনৰ পৰা ১৯৬৮ চনৰ ভিতৰত সংগ্ৰহ কৰিছিল।

— 'যাওক ভিতৰলৈ সোমাই যাওঁক

ভিতৰলৈ সোমাই গৈ দেখিলো কিছুমান মূৰ্ত্তি বাঁহৰ বেকগ্ৰাউণ্ডত ৰখা হৈছে। কিছুমানক বগা কাপোৰ এখনৰ পাছফালে লাইটৰ সৈতে ৰখা হৈছে, যাতে কাপোৰত এই ছাঁয়াসমূহৰ প্ৰতিবিম্ব স্পষ্ট ভাবে পৰা দেখা যায়।

মিষ্টাৰ কামাৰক চীনৰ 'শ্বেডো প্লে'ৰ ওচৰত থিয় হৈ থকা দেখিলো। হাতত তেওঁৰ দামী 'ডানহিলৰ' পেকেট। মিচিকিয়া হাঁহি মাৰি তেওঁ ক'লে —

— 'এই ডানহিল চিগাৰেটবোৰ ছোৱালীৰ বাবেহে তৈয়াৰ কৰা যেন লাগে।'

মই মূৰ দুপিয়াই তেওঁৰ পৰা আঁতৰ হোৱাৰ চেষ্টা কৰিলো। তেওঁ অৱশ্যে আঁতৰ নহ'ল। এই জবৰজং হুটঙা মানুহটোৱে এইবাৰ হাত এখন ওপৰলৈ তুলি ক'লে —

— 'চীনৰ এই 'শ্বেডো প্লে' প্ৰায় ডেৰ হাজাৰ বছৰৰ পুৰণি। মালয়, জাভা, নাইবা কাম্বোডিয়া খেমৰ শ্বেডো প্লেৰ দৰে ভাৰত নাইবা জাভাৰ মহাকাব্যসমূহৰ পৰা সিহঁতে ইয়াৰ কাহিনীভাগ গ্ৰহণ কৰা নাই। এইবোৰৰ কাহিনীভাগ লোৱা হৈছে চীনৰ প্ৰাচীন

ক্লাছিকেল সাহিত্যৰাজিৰ পৰাহে। চাওক সৌবোৰ থিয় হৈ থকা চৰিত্ৰ দেখিছে নহয়, সেইবোৰ হৈ ছে সৈনিক, শিক্ষক, জেনেৰেল আৰু বেপাৰীৰ চৰিত্ৰ। এসময়ত চীনা সমাজত এইবোৰ চৰিত্ৰই দপদপাই ফুৰিছিল।'

সুধিলো

— 'আপুনি তেতিয়াহ'লে ইয়ালৈ আগেয়ে আহিছিল?'

— 'এবাৰ কিয়? বহুতবাৰ। আহক এইপিনে আগবাঢ়ি আহক — সৌৱা কাম্বোডিয়াৰ খেমৰ খেডোপ্লেৰ ছবি চাওক

অনুগত ছাত্ৰীৰ দৰে মই তেওঁৰ পিছে পিছে আগবাঢ়ি গ'লো।

—"সৌবোৰ চৰিত্ৰ চাওক - প্ৰায়বোৰেই ৰামায়ণৰ, মাত্ৰ দুটা কমিক চৰিত্ৰ লক্ষ্য কৰিছে নে আপুনি ?'

— 'শুনা যায় 'খেমৰ খেডো প্লে' প্ৰায় এহেজাৰ বছৰ পুৰণি। আহক এইপিনে আহক - এই খেডো প্লেৰ দুটা ফৰ্ম নাগ স্বেক আৰু অয়গ। 'নাগ স্বেক'বোৰে প্ৰধান চৰিত্ৰ কেইটাৰ প্ৰতিনিধিত্ব কৰে।

ওচৰলৈ গৈ লক্ষ্য কৰিলো। নিখুঁত কাৰুকাৰ্যৰ দ্বাৰা গঢ়ি তোলা হৈছে মূৰ্তিসমূহ। মিষ্টাৰ কামাৰ উৎসাহিত হৈ পৰিল।

— 'শুনক এই মূৰ্তি সমূহৰ উচ্চতা চাৰি ফুট আঠ ইঞ্চি। ওজন ত্ৰিশ পাউণ্ড। কিন্তু আয়ং নাগ স্বেকৰ মূৰ্তিবোৰৰ উচ্চতা দুই ফুটহে হ'ব। আৰু ওজন

বীৰ দৰ্পেৰে মিষ্টাৰ কামাৰ আৰু কিছুদূৰ আগবাঢ়ি গ'ল।

— এইয়া চাওঁক - মালয়ৰ কেলানটান খেডো প্লে। ছিয়ামীজ ষ্টাইলৰ কেলানটান প্লে কাম্বোডিয়াত আৰম্ভ হৈ থাইলেও আৰু পাটানিৰ মাজেৰে কেলেটানলৈ আহিছিল। ইয়াত মহাভাৰতৰ কাহিনী প্ৰদৰ্শিত হয়;

গাইডৰ হুইছেলৰ শব্দ শুনা গ'ল। মিষ্টাৰ কামাৰ কিছু বিব্ৰত হৈ পৰিল। অলপ আঁতৰত মই কবি মহম্মদ মুছাক থিয় হৈ থকা দেখিলো। তেওঁ মোৰ মুখলৈ চাই কিবা এটা কথা কব খুজিলে।

— 'কি হ'ল মহম্মদ কিবা কব নেকি?'

— সেই ছায়া মূৰ্তিবোৰৰ ওচৰত আৰু কিমান সময় অপব্যয় কৰে? আহক এইপিনে আহক — এইবাৰ 'পাগুৰিৰ' প্ৰদৰ্শনী চাওক —

ওচৰলৈ গৈ দেখিলো ৰাজকীয় পাগুৰিবোৰ সঁচাকৈয়ে চাবলগীয়া। মূল্যবান মুক্তা খচিত প্ৰত্যেকটি পাগুৰিৰ তলত একোটা নাম অঙ্কিত কৰি থোৱা আছে।

— মহম্মদ মুছাই চিঞৰি উঠিল

— সৌৱা চাওক

— দি কৰুচ কমৰ

— দি হুকব্রেছটিং দি উইংও

— দি সিপ্লিট কোক'নাট

— দি চিকেন উইথ ব্র'কেন উইংছ

— কিন্তু, আহক আহক এইপিনে আগবাঢ়ি আহক সকলোতকৈ প্ৰখ্যাত হ'ল নেগৰি চেমবিলানৰ য়াগ ডি পেৰ্টুৱান বেচাৰে পিন্ধা 'আন এণ্ডিং লঙ্গিং' নামৰ পাগুৰিটো - ৰামায়ণৰ মালয় সংস্কৰণটিৰ ৰামৰ মাতৃয়ে ৰামৰ বাবে নিজ হাতেৰে বোৱা পাগুৰিটোৰ নামৰে নামাকৰণ কৰা হৈছিল।

— শুনক ইয়াতকৈও মন কৰিবলগীয়া কথা এয়ে যে এই পাগুৰি মালেছিয়াৰ সম্রাট 'হিজ মেজেষ্টি দা য়াং দি পেৰটুৱান আগঙ্গৰ' 'অফিচিয়েল ষ্টাইল' হৈ পৰিছিল। মহম্মদে ক'লে 'আহ্ বৰ সুন্দৰ অনুভৱ — মুছলমান সম্রাটৰ শিৰস্ত্ৰাণত ৰামৰ মাতৃৰ হাতৰ স্পৰ্শ!!'

মহম্মদ মুছাই এইবাৰ সজাই থোৱা 'পাৰ্ক সিংহাসন'খনৰ পিনে আগবাঢ়ি গ'ল। চুলতান ইদ্রিছ আৰু চুলতান আব্দুল জালিলে ব্যৱহাৰ কৰা কুৱালা কাঙসাৰৰ এইখন প্ৰখ্যাত সিংহাসন —

মিষ্টাৰ কামাৰে সিংহাসনখনৰ কাঠৰ খুটা কেইটা স্পৰ্শ কৰি ক'লে —

— ৰাজ পৰিয়ালৰ এজনে এই সিংহাসনখনৰ ডিজাইন তৈয়াৰ কৰিছিল কিন্তু এইবোৰ কাঠৰ কাৰুকাৰ্য চাওক 'বজ্ৰ উডৰ' এই অনুপম কাৰুকাৰ্যসমূহ কৰিছিল — চীনৰ শিল্পী বুকিট মেৰটা জামে আৰু সৌ বাপৰ অলংকাৰ সমূহ আৰু আৰবীয় লিপি সমূহ কোনে অংকন কৰিছিল জানে নে?

মই ক'লো —

— ওহো, নেজানো!

— মালয় প্ৰসাদৰ এক অনামী শিল্পীয়ে

মহম্মদ মুছা কিছু অন্য মনস্ক হোৱা দেখা গ'ল।

মই মুছাৰ পিছে পিছে আগুৱাই গ'লো। এটুকুৰা অকলশৰীয়া ঠাইত মালয়ৰ লাটুম খেলৰ দৃশ্য সজাই থৈছিল। যেতি চপোৱাৰ পাছত পথাৰত হোৱা এই খেলৰ দৃশ্য আছিল অপূৰ্ব। বিভিন্ন আকৃতিৰ প্ৰায় কুৰি পাউণ্ড ওজনৰ লাটুম এইবোৰ। শুনা যায় পাকেত কেলানটান খেলুৱৈৰ হাতত এই লাটুমে প্ৰায় ডেৰ ঘণ্টালৈকে ঘূৰিব পাৰে। এই লাটুম সমূহৰো আছে বিভিন্ন নাম —

— গেছিং জানটং অৰ্থাৎ হৃদয়ৰ আকৃতিৰ লাটুম। গেছিং টেলৰ অৰ্থাৎ কণীৰ আকৃতিৰ লাটুম। গেছিং বেবেৰান অৰ্থাৎ সাগৰৰ পাৰৰ জোপোহাৰ ফল। আৰু এই লাটুম খেলৰ পথাৰখন কি নাম কি নাম ইয়াৰ এৰা কং গেছিং ..

মহম্মদ মুছাই ক'লে —

যাওক সৌ সিংহ নৃত্যটি চাই আহক তাৰ পাছত আমি চেণ্ট্ৰেল হলৰ কাফেত বহি কিছু সময় কথা পাতিব পাৰিম।

— 'কি কথা পাতিব?'

— 'আৰু আগুৱাই যোৱাৰ বিষয়ে।'

— যাওক সৌৱা সিংহ-নৃত্যৰ দৃশ্য চাওক। সমগ্ৰ মালেছিয়াতে এই নৃত্য অত্যন্ত জনপ্ৰিয়।

কামাৰ ইতিমধ্যে আহি নৃত্য দৃশ্যৰ সম্মুখত থিয় হৈ এখন হাত ওপৰলৈ তুলি চিঞৰিব ধৰিলে —

— 'চীনা ছাত্ৰসকলে নতুন বছৰৰ দিনা এই নৃত্য কৰি আত্মহাৰা হৈ উঠে, ভাৰতবৰ্ষৰ পৰা চীন আৰু তিব্বতলৈ এই নৃত্য কেতিয়া আহে জানে নে?'

— 'নেজানো।'

— 'টেঙ্গ ডাইনেষ্টিৰ সময়ত অৰ্থাৎ ছয়শ ওঠৰ শতিকাত।' সিংহৰ অবিহনে সিংহৰ মুখা আৰু শুভ্ৰ কাপোৰ বৰ প্ৰখ্যাত হৈ পৰিছিল লাহে লাহে বুদ্ধৰ লগত এই নাম সংযোজিত হ'বলৈ ধৰিলে। সেযেহে তথাগতক কোৱা হয় 'হি উইথ দি লায়ন ভয়ছ' আহক আহক এইপিনে আগবাঢ়ি আহক মালেছিয়াৰ ঢোল জগত বিখ্যাত ৰেবানা উবি সেৰি জেমুৰুহ, কোমপাঙ্গ, দা টাৰ গেনদাঙ্গ আহ্ বিচিত্ৰ সাজ-সজ্জা।

নাই নাই আৰু সময় নাই। গাইডৰ হুইছেলৰ শব্দ শুনা গ'ল। মালয়ৰ বিবাহৰ দৃশ্য এটিৰ পৰা মই চকু আঁতৰাই আনিলো। এই বিবাহত এৰাতিৰ বাবে দৰা-কইনা ৰজা ৰাণীলৈ পৰিণত হয় আৰু পেৰাকৰ চুলতানে অভিষেকৰ সময়ত পিন্ধা অংলকাৰ সমূহো।

কোবাকুবিকৈ আমি তললৈ নামি গ'লো। চিৰিৰ ওচৰলৈ গৈ দেখিলো কুমাৰস্বামী আৰু এটা দলে বিয়েৰৰ বটল হাতত লৈ সুবিধাজনক ঠাই বিচাৰি আছে।

## (দুই)

ত্ৰিশ অক্টোবৰ এজাক বৰষুণ অলপ আগেয়ে পাৰ হৈ গৈছে। কুৱেলালামপুৰ চহৰক এইজাক বৰষুণে ধুই - মচি নিকা কৰি থৈ গৈছে। চিকুণ ৰ'দ এজাকে খেজুৰ গছ বগাবলৈ আৰম্ভ কৰি দিছে।

জালান মাৰ্ৰ্ষব্ৰিকফিল্ডৰ সুপ্ৰশস্ত আলিত ভৰি দিলো। যোৱা ৰাতি আমি লিডো হোটেলত আছিলো। হোটেলৰ লাউঞ্জত অৱশ্যে, দলৰ আনবোৰ সভ্যক দেখা পোৱা নাছিলো। কুমাৰস্বামীয়ে বোধহয় ডিউটি-ফ্ৰী দোকানসমূহৰ পানীয় বিচাৰি উধাও হৈছে। দক্ষিণৰ দলটোৱে নিশ্চয় কুৱেলালামপুৰৰ পৰা আঠ মাইল আঁতৰৰ বাটু গুহালৈ গতি কৰিছে।

সেই প্ৰখ্যাত বাটু গুহা, — সেই স্বচ্ছ 'লাইমষ্টোনৰ' সুৰংগ সদৃশ গুহা। শুনা যায় হিন্দু ধৰ্ম উৎসৱ 'থাইপুসাম'ৰ সময়ত এই গুহাত এক বিচিত্ৰ ভক্তৰ সমদলৰ আবিৰ্ভাব

হয়। কেতিয়াবা কোনো এেকোটা ভক্তৰ দেহত খুছি থোৱা হয় দুকুৰিতকৈও অধিক মাছ মৰা বৰশীৰ 'হুক'। *বিভিন্ন সূক্ষ্ম অস্ত্ৰৰ দ্বাৰা সমস্ত দেহ ক্ষত বিক্ষত কৰা হয়। এই দেহেৰেই সি দুশ বাসস্তৰটা চিৰি পাৰ হৈ পূজাৰীৰ ওচৰত উপস্থিত হয়।

পূজাৰীৰ কৰ্পূৰৰ ছাই ভক্তৰ মূৰত ছটিয়াই দিয়ে। দৈহিক কষ্টৰ কোনো চিহ্নই আৰু বাকী নেথাকিব। লগে লগে থাইপুসাম উৎসৱ শেষ কৰি উভতি যাব হেজাৰতকৈও অধিক হিন্দু ভক্ত

জালান মাৰশ্বব্ৰিকফিল্ডত ভৰি দিলো হয় — কিন্তু ক'লৈ যাম?

মিমালেগুলৈ? মালয়-কামপেংগৰ ফুলৰ হাবিলৈ??

নাইবা পাহাৰৰ বনৰীয়া নেমুৰ সুবাস লৈ নদীৰে নাওত উঠি ঘূৰি ফুৰিম নেকি?

— নে সেই ৰবৰৰ হাবিত ঘূৰি ফুৰিম? ভাগ্যৰ অন্বেষণত এবাৰ এজাক ভাৰতীয় আহি কেনেকৈ নিজক হেৰুৱাই পেলাইছিল — সেই কাহিনী উদঘাটন কৰিম নেকি?

এসময়ৰ মালেছিয়াৰ প্ৰিয় প্ৰধান মন্ত্ৰী টুঙ্কু আব্দুৰ ৰহমানে এই ৰবৰ আৰু টিনৰ গৌৰৱত গৌৰৱান্বিত হৈ কোৱা কথা এবাৰ মনত পৰিল —

"We want peace, harmony and good business and the hell with hifalutin political ideas"

—"তেতিয়াহ'লে বাৰু কলৈ যাম?"

বিশ্ববিদ্যালয়। এৰা মালেছিয়া বিশ্ববিদ্যালয়ে ভাল হব। জালান মাৰশ্বব্ৰিকফিল্ডৰ একাষে 'চিটি শ্বাটল'ৰ বাবে অপেক্ষা কৰিলো। এই বাছবোৰত ভিৰ নাই। নিমাওমাও, সুশৃঙ্খল চহৰ। উনৈশ শ সত্তৰ চনৰ দিল্লীৰ চিটিবাছ, বম্বেৰ 'ছাবাৰবান ৰেলেৰে' আৰু কলিকতাৰ ট্ৰামৰ কিছুমান ভয়ঙ্কৰ অভিজ্ঞতাৰ কথা মনত পৰিল। ভাব হ'ল এয়া যেন অত্যন্ত পৰিচিত চিটিবাছৰ 'চেণ্টাৰ'।

ভুপাল, পুণা, আহমদাবাদ, ৰায়পুৰ, লক্ষ্ণৌ নাইবা নাইবা এয়া যেন গুৱাহাটী —! অত্যন্ত পৰিচিত গুৱাহাটীত আমি যেন চিটিবাছৰ বাবে অপেক্ষা কৰিছো।

চিটি শ্বাটলৰে মোক আৰু মোৰ সহযাত্ৰী কাইকাউছক আনি এটা সময়ত বিশ্ববিদ্যালয়ৰ প্ৰাঙ্গনত নমাই দিলে। আমি দুয়ো বিভিন্ন ডিপাৰ্টমেণ্টবোৰ চাই কিছুসময় ঘূৰি ফুৰিলো। সেউজীয়া বাহনি। গুলপীয়া বগন্‌ভিলীয়াৰ জোপোহাৰ ফাকে ফাকে 'দিৱান টুঙ্কু হল' দেখা গ'ল। শুনা যায় ইয়াতেই কুৱেলালামপুৰৰ পৰীক্ষামূলক থিয়েটাৰ মঞ্চস্থ কৰা হয়।

টিলা এটাৰ ওপৰত বহি বিশ্ববিদ্যালয়ৰ শোভা চাই থাকোতে দেখিলো এগৰাকী চীনা ছাত্ৰী আমাৰ পিনে আগবাঢ়ি আহিছে। গাৰ বৰণ উজ্জ্বল। দক্ষিণ চীনা সাগৰৰ বালিৰ দৰে বৰণ। কান্ধত এটা কাপোৰৰ বেগ। ভৰিত বন্ধ জোতা।

—"কিবা সহায় কৰিব পাৰিম নেকি?"

ভঙা ভঙা ইংৰাজীতে তাই সুধিলে। —— আগ্ৰহেৰে কলো——

—"ইণ্ডিয়ান ষ্টাডীজৰ বিভাগলৈ মোক এবাৰ লৈ যাব পাৰিবানে?"

—"নিশ্চয়— কিন্তু আজি শনিবাৰ। আপুনি তাত কাকো লগ নেপাব।"

মই আৰ্টচ ফেকালটিলৈ তাইৰ পিছে পিছে আগবাঢ়ি গলো। ডিপাৰ্টমেণ্ট বন্ধ হৈ আছে। সৰহ ভাগেই চীনা ছাত্ৰ ছাত্ৰী। 'মালয় মুছলিম' আৰু 'ডায়ক ছাত্ৰ ছাত্ৰী'ও দেখা গল। লক্ষ্য কৰিলো এক শান্ত পৰিবেশ! নিকা, সুন্দৰ প্ৰাচীৰ

সৌ সিদিনালৈ দিল্লী বিশ্ববিদ্যালয়ৰ প্ৰাচীৰ সমূহ ছাত্ৰ -ছাত্ৰী আৰু নাগৰিকৰ বিক্ষোভ প্ৰকাশৰ মাধ্যম হৈ পৰিছিল। এতিয়া এই প্ৰচাৰ সমূহ নিকা হৈ পৰিছে। এতিয়া যিবোৰ পোষ্টাৰ দেখা যায় বেছি ভাগেই কেম্পাছ কলেজ সমূহৰ বছেৰেকীয়া উৎসব সমূহৰ তালিকাহে আৰু সেই ছাত্ৰ-ছাত্ৰীৰ ভিৰকো চেৰ পেলাই পিয়াপি দি ফুৰা কনিষ্টবলৰ জাক!! পুলিচৰ বায়াৰলেছ ভ্যান।

নাই নাই এই বাতাবৰণ ইয়াত নাই। যেন দক্ষিন চীনা সমুদ্ৰৰ নিৰ্মল বতাহ আৰু অমিতাৰ ছাঁয়াইহে ইয়াক ইয়াক আবৰি ৰাখিছে।

—"তোমাৰ নাম?"

—" কহ বি হং।"

ডিমৰুৰ দৰে পুৰঠ ওঁঠত কহ বি হঙৰ হাঁহি ফুটি উঠিল।

—"ক'ত থাকা?"

—"পেটালিং জায়া —সেলাঙ্গোৰ পশ্চিম মালেছিয়া।"

—"শিক্ষাৰ মাধ্যম?"

—"ভাষা মলেছিয়া।"

—১৯৮০ চনলৈ ইংৰাজী থাকিব। তাৰ পাছত আমাৰ এই মাতৃভাষা

—"ইয়াৰ দ্বাৰা সৃষ্টি হোৱা সমস্যা?"

আকৌ সেই ডিমৰুৰ দৰে ওঁঠত এটি প্ৰশ্নবোধক চিহ্ন ফুটি উঠিল। নাই নাই এই তৰ্ক আজি থাকক!

—"মালেছিয়াৰ ছাত্ৰ-ছাত্ৰী সকলোৰ প্ৰিয় কলাগুৰু টুঙকু শামছুল বাহৰিণৰ কথা কোৱা।"

তাই মুৰ দুপিয়ালে। . এইবাৰ আমি দুয়ো এজোপা প্ৰকাণ্ড আহত গছৰ তলত বহিলো। কেচমী সুতাৰ দৰে কোমল চুলিবোৰ তাইৰ কান্ধত বিশৃংখল হৈ বাগৰি পৰিল।

—"শামছুল বাহৰিণ—" ডিন অব দি ফেকালটি অব আৰ্টচ". ছাত্ৰ সকলোৰ মাজত বৰ প্ৰিয় অধ্যাপক। তেওঁ ফিলিপাইনছ আৰু ইণ্ডোনেচীয়াত 'লেও ডেভালপমেণ্ট'ৰ

বিষয়ে প্ৰায় চৈধ্য বছৰ গৱেষনা কৰিছিল। ছাত্ৰসকলৰ বিষয়ে তেওঁৰ অভিমত কি জানে নে?

মই বৰ আগ্ৰহেৰে সুধিলো—

—"কি?"

—তেওঁ কয়—

"I don't want them to tell me what they have read up , I want them to think about what they have read up "

কহ বি হুঙে এইবাৰ খিলখিলাই হাঁহিবলৈ ধৰিলে। মই বুজিলো এই মানুহ গৰাকীৰ প্ৰতি তাইৰো যথেষ্ঠ সমীহ ভাব আছে।

এই হাঁহিৰ হেন্দোলনিত তাই ডিঙিত ওলোমাই থোৱা ক্ৰুছবিদ্ধ যীচুৰ ছবি বাহিৰ ওলাই আহিল।

—শুনক টুঙ্কু শামছুলে ভাবে

"religious education is important"

—ধৰ্ম শিক্ষাৰ এক অভিন্ন অংগ।

আকাশত মেঘে দেখা দিলে। খেজুৰ গছৰ ছা অদৃশ্য হৈ আহিল। টুঙ্কু শামছুলক লগ ধৰাৰ ইচ্ছা থাকিলেও, এতিয়া আৰু সময় নহব। এইজাক বৰষুণ অহাৰ আগেয়ে জালান ব্ৰিকফিল্ডলৈ উভতি যাব লাগিব।

—"চীনলৈ নোযোৱা?"

কহ্ বি হুঙৰ ওঁঠ দুটি ভৰপূৰ হৈ উঠিল। এক অৰ্থপূৰ্ণ দৃষ্টিৰে তাই মোৰ মুখলৈ মুৰ তুলি চালে। তাৰ পাছত কলে—

—"এতিয়া বয়স হোৱা নাই। সম্ভৱ আমাক এতিয়া যাবও নিদিব?"

—"যাব নিদিয়ে?"

ডিমৰুৰ দৰে ওঁঠত আৰু এটা বিচিত্ৰ ভাবৰ প্ৰকাশ দেখা গ'ল। বুজিবলৈ বাকী নেথাকিল—চীনক মাতৃভূমি বুলি ভাবি এতিয়াও তাই অতিশয় গৌৰব অনুভব কৰে। শুনা যায় তিনি কোটি চীনালোক দক্ষিণ পূব এচিয়াত সিচৰিত হৈ আছে। সৰহ সংখ্যকেই ব্যবসায়ী। এক অদৃশ্য মায়াজালে এই দক্ষিন সমুদ্ৰত বাস কৰা চীনা সকলোক বান্ধি ৰাখিছে —অহৰহ সিহঁতে শ্লোগান দিয়ে—

—"মই চীনৰ মানুহ! মই দক্ষিন সমুদ্ৰত বাস কৰো—মই চীনক ভাল পাওঁ।"

("Who shih Chung ---Kuo jen.Wo chu tsai Nanyang. Wo ai Chung kuo.")

এইখিনি সময়তে আৰু এজন ভদ্ৰলোক আপৰাটি অহা দেখা গ'ল। শেঁতা চেহেৰা। চুলিবোৰ ঠৰঙা। বুদ্ধিদীপ্ত চকু। কহ বি হুঙে বৰ আগ্ৰহেৰে পৰিচয় কৰি দিলে—

"এয়া আমাৰ 'এনথ্ৰপলিজি'ৰ অধ্যাপক টান কেঙ্গ চুই।"

কৰমৰ্দন কৰিবলৈ টান কেঙ্গ চুই হাত এখন আগবঢ়াই দিলে।

এতিয়া টান কেঙ্গ চুইৰ লগত কথা কোৱাৰ আৰু সময় নাই। দুই এটোপ বৰষুণৰ পানী গাত পৰিবলৈ আৰম্ভ কৰিছে। চীনা অধ্যাপক গৰাকীয়ে ক'লে—

—"মোৰ ঘৰলৈ বলক। এই জাক বৰষুণ পাৰ হৈ যাব দিয়ক।"

— "সময় যে নাই!"

— "আপুনি দিল্লীৰ পৰা আহিছে। এটা কথা মাত্ৰ কৈ যাওঁক।"

— "কি কথা?"

— "সতীশ অৰোৰাক যদি লগ পায় মোৰ কথা ক'ব।"

— "কোন সতীশ আৰোৰা?"

— "প্লেনিং কমিশ্বনত কাম কৰে, আপুনি নিশ্চয় লগ ধৰিব। কব কুৰেলালামপুৰৰ টান কেঙ্গ চুৱে তেওঁৰ কথা পাহৰা নাই।"

মই মুৰ দুপিয়াই সম্মতি জনালো।

কহ্ বি হুঙে কিছু উৎফুল্ল হোৱাৰ দৰে ক'লে —

— "শুনক আপুনি অলপ আগেয়ে মোক চীনলৈ উভতি যোৱাৰ কথা সুধিছিল নহয় 'হুনান প্ৰভিন্স'ত মোৰ প্ৰিয় বন্ধু থাকে। পহুৰ ছালৰ ব্যবসায় কৰে আৰু কিছু বছৰ পাছত ময়ো যোৱাৰ আশা কৰিছো।"

মই বুজিলো তাইৰ প্ৰেমিক বন্ধুৱে চীনৰ হুনান প্ৰদেশত পহুৰ ছালৰ ব্যৱসায় কৰে। তাইৰ প্ৰেমিক বন্ধু চীনত থাকে বাবে তাই গৌৰবান্বিত।

'ছাউথ ভিয়েটনাম' নৰ্থ ভিয়েটনাম, লাওছ, নৰ্থ বৰ্ণিও কম্বোডিয়াত বাস কৰা চীনা সকলেও হেনো ভাবে পৃথিবীৰ সকলোৰে হাতত অপমানিত, লাঞ্চিত হ'লেও এখন দেশে এদিন তেওঁলোকক সাৱটি ল'ব। সেয়ে হ'ল চীনদেশ। মাতৃভূমি চীন।

হুৰহুৰাই বৰষুণ পৰিবলৈ আৰম্ভ কৰিলে। আমি তিনিও লৰি আহি বিশ্ববিদ্যালয়ৰ বাছ -শ্বেল্টাৰত থিয় হ'লো। কানি-কাপোৰ তিতি একেবাৰে জুৰুলি-জুপুৰি হোৱাৰ দৰে হ'ল।

কহ্ বি হুঙে বৰ আগ্ৰহেৰে মোৰ নাম ঠিকনা লিখি ললে। চুয়ে আকৌ এবাৰ প্লেনিং কমিশ্বনৰ কথা মনত পেলাই দিলে।

কাইকাউছে তেতিয়াও বৰষুণত তিতি তিতি বাছ-শ্বেল্টাৰত মোৰ বাবে অপেক্ষা কৰি আছিল। বাছ আহিল। চুই আৰু হুঙে হাত জোকাৰি বিদায় দিলে। প্ৰচণ্ড গতিৰে বৰষুণৰ পানী পৰিবলৈ ধৰিলে বাছৰ 'উইণ্ড শ্বিল্ড'ত পানী পৰি ধূসৰ হৈ পৰিল। মনটো গধুৰ হৈ আহিল। ইমান কম সময়ৰ চিনাকি, তথাপিও কিয় এনে হয় মন ?

## (তিনি)

এক নির্জন দ্বীপ — পেনাং

মালেছিয়াৰ পৰা আমাৰ উভতি যোৱাৰ সময় হৈ আহিল। মছজিদ নেগাৰাও যোৱা হ'ল। বগা টেৰাজো প্লেবেৰে গঠিত এই মছজিদৰ মজিয়াত নিজৰ মুখৰ প্ৰতিবিম্ব চাই অবাক হৈছিলো। ইয়াত আইনাৰ প্ৰয়োজন নাই। মজিয়াৰ দুয়োপিনে থকা পানীৰ ফোৱাৰাতে সেই একেই ৰং। এনেকুৱা মজিয়া আগে-পিছে কতো দেখা মনত নপৰে। — এই প্ৰশস্ত মজিয়াত বহি পঢ়ি থকা মুছলিম ছাত্ৰৰ দল এটিক দেখা পাইছিলো। বাৰাণ্ডাৰ কোনো কোনো অংশত মেলি থোৱা ছাতিৰ আকৃতিৰ কাৰুকাৰ্য দেখি ভাব হয়, সেইবোৰ যেন পাখি মেলি থকা বাদুলি। — এই ছাতিৰ তলতো দুই এটি ছাত্ৰই পঢ়া-শুনা কৰি আছিল। মহম্মদ মুছাই কিছু সময় সিহঁতৰ ওচৰত গৈ বহাৰ কথাও মোৰ মনত পৰিল। মালেছিয়াত বিস্তাৰিত হৈ থকা 'মূৰীয়া' শিল্প-কলাৰ নিদৰ্শন নাইবা বৃটিছ শিল্পকলাৰ নিদৰ্শন এই জাতীয় — মছজিদত দেখা নগ'ল। সেই চৈধ্য-পোন্ধৰ শতিকাত ইউৰোপৰ পৰা খেদা খাই আহি 'মুৰ' সকলে মালেছিয়াত বসতি কৰি বহুত স্মৃতি চিহ্ন থৈ গৈছে মালেছিয়াৰ ৰেলৱে ষ্টেচন আৰু সেই প্ৰাচীন অট্টালিকা সমূহত 'মূৰী' শিল্প-কলাৰ অপূৰ্ব নিদৰ্শন এতিয়াও দেখা যায় মহম্মদ মুছাই ক'লে।

— "সুমাত্ৰাত 'ডাউছ', ফিলিপাইন 'স্পেনিছ' আৰু আমেৰিকান, বৰ্ণিয়ত পৰ্টুগীজ আৰু এই মালয়ত বৃটিছসকলে কি এৰি থৈ গৈছে বুলি ভাবিছে? অকল কটা জোতা, মদৰ বটল আৰু ভঙা গ্লাছৰ টুকুৰাহে এৰি থৈ যোৱা বুলি ভাবে নেকি? ডাচ্‌ছসকলে জাভাত এদল সাগৰ বণিক তৈয়াৰ কৰি থৈ গৈছে। স্পেনিছসকলে ফিলিপাইনক মাত্ৰ সাগৰ দস্যু কৰা বুলিহে ভাবে নেকি?"

— 'কি কৰিছে তেতিয়াহ'লে?'

— 'ফিলিপাইনৰ বাটে-ঘাটে স্পেনিছ সঙ্গীতৰ মুহুৰ্মুহু ধ্বনি এতিয়াও শুনা পাব। বৰ্ণিয়ত পৰ্টুগীজসকলে এৰি থৈ যোৱা গীৰ্জা ঘৰৰ কাৰুকাৰ্য দেখি আপুনি ভাবিবলৈ চেষ্টা কৰিব আবিষ্কাৰৰ চেষ্টাত সাগৰে সাগৰে ঘূৰি ফুৰা এই জাতিটো সঁচাকৈয়ে ইমানেই ধৰ্মভীৰু আছিল নে?'

—'এৰা তেতিয়াহ'লে সিহঁতে মাত্ৰ মদৰ বটল আৰু ভগা গ্লাছৰ টু কুৰা এৰি থৈ যোৱা নাই।'

মহম্মদ মুছাই হাঁহিবলৈ চেষ্টা কৰিলে।

● ● ●

নৱেম্বৰৰ পাঁচ তাৰিখ পুৱা মুখ-হাত ধুই হোটেলৰ লাউঞ্জলৈ নামি গৈ দেখিলো দক্ষিণৰ পৰা অহা দলটোৱে মালাক্কালৈ যাবলৈ সাজু হৈছে।

— 'কি আছে মালাক্কাত?'

— 'এপিনে ছাউথ চাইনা সাগৰ, আনপিনে ষ্ট্ৰেইট অব মালাক্কা।'

ৰাজ নামৰ ছাত্ৰজনে একপ্ৰকাৰ আৰ্তনাদ কৰি উঠিল।

কামাৰে টেবুলত ভুকু এটা মাৰি নিজৰ মত বজাই ৰাখিবলৈ ক'লে

—'টি-চি-আই'য়ে এই একে খৰচতে আমাৰ মালাক্কা ভ্ৰমণো অন্তৰ্ভুক্ত কৰিব লাগিছিল। আমি মালাক্কালৈ গ'লে এতিয়া নিজৰ খৰচত যাব লাগিব।'

বৰ কম কথা কোৱা কুমাৰস্বামীয়ে হোটেলৰ মালিকৰ সৈতে ডিউতি ফ্ৰী দোকানৰ পৰা উভতি অহা দেখা গ'ল। দুয়োৰে পিছে পিছে এটা পঙ্গু লিগিৰাই পানীয়ৰ বটল কিছুমান কঢ়িয়াই আনিলে। জাক-জমককৈ সজোৱা বটলবোৰত মোৰ চকু পৰিল।

— 'কেপ্টেইন মোৰাগান গোল্ড লেবেল ৰাম' বাকাৰ্ৰডি গোল্ড, বিফিটাৰ ড্ৰাইভদ্কা স্মিৰনফ্, ভেট ছিক্সটি নাইন আৰু হোৱাইট হৰ্চ হুইস্কি কেমাছ নেপলিয়ান, হেনেছি এক্সট্ৰা, প্ৰিন্স দ্যা ছেবট' — আহ্ ক'ত যে বিচিত্ৰ নাম, ক'ত যে বিচিত্ৰ বটল। হোটেলৰ মালিকে টুৰিষ্টৰ সহায়ত আধা দামতে এইবোৰ পানীয় কিনি আনিব পৰা সুবিধা গ্ৰহণ কৰিলে।

দক্ষিণৰ ভদ্ৰলোক সকলে কঢ়া-আজোৰা কৰি পানীয়ৰ বটল কিছুমান হাত কৰি লোৱাত ব্যস্ত হৈ পৰিল।

তাৰ পাছত আকৌ মালাক্কাৰ বিষয়ে তৰ্কাতৰ্কি চলিল।

ৰাজে হুইস্কিৰ বটল এটা পকেটত ভৰাই ক'লে —

— 'মালাক্কাৰ বজাৰ কিন্তু চাবলগীয়া। চীনৰ মিঙ্গ সম্ৰাটসকলৰ বণিকসকলে মালাক্কাৰ বালিত বেহা-বেপাৰ কৰিবলৈ এসময়ত পিয়াপি দি ফুৰিছিল।'

কামাৰে ক'লে —

— 'চীনাসকলৰ প্ৰাচীন মন্দিৰ চেন হুন টেং মালাক্কাত অৱস্থিত। ইয়াত চীনা শিল্পৰ এক অ পূৰ্ব নিদৰ্শন দেখা যায়।'

ৰাজে ক'লে

—'আৰু এটা বৰ আচৰিত বস্তু আছে তাত।'

— 'কি?'

সকলোৱে আগ্ৰহেৰে ৰাজৰ মুখলৈ মূৰ তুলি চালে।

— 'এশ বাঠি একৰ মাটি জুৰি তাত প্ৰাচীন চীনা কবৰস্থান এখন আছে। এই মাটিৰ সীমাত থিয় হৈ আছে সেই প্ৰখ্যাত 'বুকিট চাইনা' টিলা। শুনা যায় ইয়াতেই চীনাসকলৰ সোতৰটা বংশ নিঃশাল দি চিৰদিনৰ বাবে শুই আছে। বনৰীয়া নেমুৰ জোপোহা আৰু কাঁইটীয়া লতাই আৱৰি আছে এই চীনা সন্তানসকলৰ মকৰৰাসমূহ !'

হোটেলৰ মালিক সিয়াও পিঙে — বাকী থকা পানীয়ৰ বটল কেইটা 'বাৰ'

কমত সজাই থৈ আহি, হাত দুখন জোকাৰি ক'লে —

— 'আপোনালোকে মালাক্কালৈ যোৱাৰ প্ৰয়োজন নাই। পেনাগলৈ যাওঁক টেক্সি লৈ গ'লে একেদিনাই উভতি আহিব পাৰিব।'

— 'পেনাগ? কি আছে তাত?'

— 'হনলুলুতকৈ কোনো গুণে কম নহয়। 'ষ্ট্ৰেইট অব মালাক্কা' পাৰ হ'বলৈ বাটাৰ বৰ্থলৈ যাব লাগিব। ছব্বিশ ঘণ্টা নিৰবচ্ছিন্ন 'ফেৰী ছাৰ্ভিচ' আছে।'

সিয়াও পিঙ্গক প্ৰশ্ন কৰিলো।

— 'পেনাগৰ কিবা ৰোমাঞ্চকৰ ইতিহাস আছে নেকি?'

— 'তামোলৰ অৰণ্যৰে ভৰা পেনাগ এসময়ত লানানছুসকলৰ ঘাটি আছিল।'

— 'লানানছু?' কুমাৰস্বামীয়ে প্ৰশ্ন কৰিলে।

— 'ভাৰত মহাসাগৰৰ প্ৰাচীন জলদস্যু সিহঁত। ১৭৮৬ খৃষ্টাব্দত কেপ্তেইন ফ্ৰান্সিছ লাইটে এই পোতাশ্ৰয়টিক 'বৃটিছ ইষ্ট ইণ্ডিয়া কোম্পানী' বিস্তাৰৰ বাবে এটি আউটপ'ষ্ট কৰি ল'ব খুজিলে। কেদাহৰ চুলতান আব্দুল্লাৰ লগত পৰামৰ্শ কৰি এই দ্বীপ লিজলৈ লোৱা হ'ল। এইদৰে ১৭৮৬ চনৰ আগষ্ট মাহৰ বাৰ তাৰিখৰ পৰা 'ষ্ট্ৰেইট অব্ মালাক্কা'ত প্ৰথমবাৰৰ বাবে বৃটিছৰ বসতি আৰম্ভ হ'ল।'

বাজে কৌতুহলেৰে প্ৰশ্ন কৰিলে —

— 'এতিয়াও তাত জলদস্যুসকলৰ বংশধৰসকল আছেনে?'

সিয়াও পিঙ্গে ঢেকঢেকাই হাঁহিবলৈ ধৰিলে। তেওঁৰ হালধীয়া দাঁত আৰু মুখৰ কিছুমান বিচিত্ৰ ৰেখা প্ৰকট হৈ পৰিল।

— 'নাই নাই এতিয়া তাত বনৰীয়া নেমু আৰু তামোলৰ অৰণ্যও নাই। 'ইট ইজ এ পাৰ্ল অব অৰিয়েণ্ট নাও।' চীনা আৰব আৰু ভাৰতীয়সকলৰ কলৰৱৰ দ্বাৰা মুখৰ এই দ্বীপ। সকলোৱে নিজৰ নিজৰ সংস্কৃতিক মহান কৰি তোলাত বদ্ধ-পৰিকৰ। সৰ্প মন্দিৰলৈ যাব। বিষাক্ত সৰ্পসমূহক মন্দিৰৰ মজিয়াত ঘূৰি ফুৰা দেখিব। ডেৰশ বছৰ পুৰণা মন্দিৰ। এই মন্দিৰৰ শিখৰত ক্ষুদ্ৰ ড্ৰেগনৰ মূৰ্তি দেখা পাব। নাইবা কুইন ষ্ট্ৰীটৰ মাৰি আম্মাৰ মন্দিৰলৈ যাব। নাইবা নাইবা নিশ্চয় আপোনালোকে দক্ষিণ পাৰৰ বাটুফেৰিঙ্গি বিচলৈ গৈ হাহকণী বৰণীয়া বালিত বহি জীৱন উপভোগ কৰিব

কুমাৰস্বামী আৰু মহম্মদ মুছাই আৰ্তনাদ কৰি উঠিল —

— মালাক্কালৈ যোৱাৰ প্ৰয়োজন নাই। এইবাৰ আমাৰ লক্ষ্য হ'ব এই নিৰ্জন দ্বীপ ভাৰত মহাসাগৰত ত্ৰাসৰ সৃষ্টি কৰা জলদস্যুৰ দ্বীপ।

এখন প্ৰকাণ্ড মাৰ্চিদিছ টেক্সিত আমি পাঁচজনে কুৱেলালামপুৰৰ পৰা পেনাগ অভিমুখে ৰাওনা হ'লো। যোৱা ৰাতিয়েই আন এটা দলে মালাক্কা অভিমুখে ৰাওনা হৈছিল। সিয়াও পিঙ্গৰ বৰ্ণনাৰ পাছত পেনাগলৈ যোৱাৰ লোভ মহো সামৰিব নোৱাৰিলো।

পুবাৰ সূৰ্যই পাম গছৰ হাবিত অপূৰ্ব কাৰুকাৰ্য সৃষ্টি কৰাত ব্যস্ত আছিল। দুই এটা চাং বঙলা দেখা গ'ল। দূৰৈত কেইখনমান গছ-লতাহীন পাহাৰ। লাহে লাহে লোকবসতি সেৰেঙা হৈ অহাৰ দৰে দেখা গ'ল। কিছুদূৰ আগুৱাই গৈ আমি ৰবৰ খেতিৰ ওচৰ পালো। ৰবৰৰ আঠা গোটাবলৈ যোৱা শ্ৰমিক এজাকক অ'ত ত'ত দেখা গ'ল। প্ৰথমবাৰৰ বাবে দুই এটি চাইকেল যাত্ৰীকো দেখা গ'ল। বন্দৰৰ পৰা অহা ট্ৰাক আৰু বিভিন্ন গাড়ীৰ ভিৰ আৰম্ভ হ'ল। দুই এখন পাব আৰু ধাবা জাতীয় চাহ আৰু কফিৰ দোকান চকুত পৰিল। ফিটফাট সাজ-সজ্জা কৰা চীনা যুৱতী কিছুমান কৰ্মৰত অৱস্থাত দেখা গ'ল।

চাহৰ দোকান এখনৰ সন্মুখত ড্ৰাইভাৰ পী লিয়ে টেক্সি ৰখালে। ভাব হৈছিল পী-লিয়ে বিয়েৰ জাতীয় কিবা এটা খাব। কিন্তু দেখিলো সি গাড়ীৰ পৰা উদং বটল এটাহে উলিয়াই আনিলে আৰু বটলটোত পানী ভৰাই দিবলৈ পৰিচাৰিকা এগৰাকীক আদেশ দিলে।

আমি সকলোৱে চাহৰ কাপ হাতত লৈ মুকলিত সজাই থোৱা চকী মেজ কিছুমান অধিকাৰ কৰি বহিলো। কুমাৰ স্বামীয়ে পানীয়ৰ গোন্ধ লৈ ইফালে - সিফালে কিছু সময় ঘুমুটিয়াই ফুৰিলে। কিন্তু কোনেও লগ দিয়াৰ ইচ্ছা নকৰাত বেচেৰাই ওঁঠ মুখ চেলেকি আকৌ কফিৰ টেবুলৰ ওচৰত আহি বহিল।

মহম্মদ মুছাই ড্ৰাইভাৰ পী-লিক প্ৰশ্ন কৰিলে —

— 'আমি দুপৰীয়াৰ লাঞ্চ ক'ত খাম?'

পী-লিয়ে এটা অদ্ভুত ভংগী কৰি মূৰটো জোকাৰিব ধৰিলে।

আমি বুজি পালো বেচেৰাই ইংৰাজীও একেবাৰে নেজানে।

দোকানৰ মালিক গৰাকী এইবাৰ বাহিৰলৈ ওলাই আহিলে। পিন্ধনত লুঙি আৰু তুৰ্কী টুপী।

— 'আপোনালোক পেনাংলৈ যাব নহয়নে?' আমি সকলোৱে মূৰ দুপিয়ালো।

— আকাশত সৌৱা আকৌ মেঘে দেখা দিছে। যি কোনো সময়ত বৰষুণ আহিব পাৰে। সোনকালে যাওঁক — আগলৈ ৰাস্তা ঠেক আপোনালোকে ইপুত দুপৰীয়াৰ সাজৰ ব্যৱস্থা কৰিব পাৰিব।

পী-লিয়ে ইপুৰ নাম শুনি এক বিচিত্ৰ ভঙ্গীৰে কিবা এটা কৈ উঠিল। আমি অৱশ্যে কোনেও একো বুজি নেপালো। হোটেলৰ মালিকে বুজাই দিলে — 'ইপুত তাৰ পৰিবাৰ থাকে।'

জিনজিনকৈ বৰষুণ পৰিবলৈ ধৰিলে। দক্ষিণ চীনা সমুদ্ৰৰ বালিৰ দৰে ক্ষুদ্ৰ ক্ষুদ্ৰ বৰষুণৰ টোপাল। কোনো কোনো ঠাইত গাড়ী ৰখাবলগীয়া হ'ল কাৰণ সন্মুখৰ বন্দৰৰ পৰা বৰ দ্ৰুত গতিৰে ট্ৰাক সমূহ আহিবলৈ আৰম্ভ কৰিছে। সৰু সৰু অমিতাৰ গছ আৰু হেলনীয়া পাম গছ সমূহক এই বৰষুণৰ সাজেৰে বৰ বিচিত্ৰ দেখা গ'ল।

ইপুৰ এখন মালয় ৰেষ্টুৰাত ৰাজ কামাৰ মহম্মদ মুছাই প্ৰসিদ্ধ ছাটাই অৰ্থাৎ বাদামৰ ছচৰ লগত কাঠি একোডালত খুচি থোৱা পোৰা মাংসে লৈ ব্যস্ত হৈ পৰিল। মই কাইকাউছক লৈ ভাৰতীয় হোটেল এখনলৈ ঢাপলি মেলিলো।

আধাঘণ্টাৰ পাছত আকৌ আৰম্ভ হ'ল সেই বিস্তীৰ্ণ পথ। এইবাৰ যেন সাগৰৰ গোন্ধ আহি নাকত লাগিল। পুৰঠ নাৰিকলৰ পানীৰ দৰে টেঙা গোন্ধ। আৰু সেই বেঁকা বেঁকা হৈ বালিয়া মাটি স্পৰ্শ কৰিবলৈ উত্ৰাৱল হৈ পৰা পাম গছসমূহ ঘন হৈ আহিব ধৰিলে। আমি মালাক্কা ষ্ট্ৰেইটৰ ওচৰ পালোহি এয়া বাটাৰৱৰ্থ। এই বাটাৰৱৰ্থৰ পৰা ফেৰীৰে মালাক্কা হৈ আমি পেনাগত উপস্থিত হম। প্ৰতি দহ-পোন্ধৰ মিনিটৰ মূৰে মূৰে একোখন ফেৰীয়ে সস্তৰ-আশীখনকৈ গাড়ী পাৰ কৰি আছে ফেৰীৰ লাউঞ্জলৈ গৈ দূৰৈৰ সমুদ্ৰৰ দৃশ্য দেখি নয়ন স্থিৰ হৈ গ'ল। এতিয়া আৰু আকাশত ভাৰৰৰ আড়ম্বৰ নাই। ফটফটীয়া সুন্দৰ পানী অ'ত ত'ত দুই এখন বংচঙীয়া জাহাজ। বিলাস ভ্ৰমণৰ বাবে সাজু কৰি ৰখা জাহাজ হয়তো।

আৰক্ষী বিভাগৰ পুলিচে গাড়ীৰ ওচৰলৈ আহি জুমি জুমি চাবলৈ ধৰিলে। এইখিনি ঠাইৰ পুলিচ ব্যৱস্থা অত্যন্ত কঠিন। কি ঠিক কিজানি 'স্মাগল্' কৰা মাল গাড়ীৰ কৰৰবাত কোনোবাই লুকুৱাই ৰাখিছে। মই লক্ষ্য কৰিলো ৰাজৰ ওপৰত আকৌ সিহঁতৰ চকু পৰিছে। এক সন্দেহ সূচক দৃষ্টিৰে সিহঁতে ৰাজৰ মুখৰ ভাব পঢ়াবহে যেন চেষ্টা কৰিছে। এৰা এই দীঘল চুলি ফুলাম কাপোৰ বিচিত্ৰ মুখভঙ্গী এই সকলোবোৰেই ৰাজৰ প্ৰতি সন্দেহৰ ভাব জগাই তোলা স্বাভাৱিক।

সাগৰ পাৰ হৈ এটা সময়ত আমি পেনাগত উপস্থিত হ'লো।

অনন্য দৃশ্য এয়া! ৰবি বৰ্ম্মাৰ চিত্ৰৰ দৰে ৰং-ৰূপৰ বাহাৰ। বুদ্ধ বট, পাম গছ আৰু জুপুকা মাৰি বহি থকা অশোক গছৰ সমাৰোহ ভাব হয় বহুত দিনৰ পুৰণি এই গছ। ভাৰত মহাসাগৰত বিচৰণ কৰা জলদস্যু সমূহক ছাঁ দি ৰখা নাইবা ইষ্ট ইণ্ডিয়া কোম্পানীৰ ফিৰিঙ্গীহঁতক ?

'মানি চেঞ্জাৰ'ৰ দোকান এশাৰীৰ ওচৰত পী-লিয়ে গাড়ী ৰখালে।

কামাৰে ক'লে —

— 'ভাৰতৰ পৰা, টকা-পইচা কিবা যদি আনিছিল ইয়াতেই সলাই লওক। পাউণ্ড মলৰ। এই সময়ত পাউণ্ডৰ অৱস্থা ভাল নহয়। মালেছিয়ান ডলাৰ লোৱাৰো প্ৰয়োজন নাই। আমি ছিঙ্গাপুৰলৈ যাম যেতিয়া ছিঙ্গাপুৰী ডলাৰ ল'ব পাৰে।'

ৰাজে ক'লে —

— "আমি জাপানত কিছুদিন থাকিম যেতিয়া, 'ইয়েন' লোৱাই ভাল হ'ব।"

অভিজ্ঞ কামাৰে আৰ্তনাদ কৰি উঠিল—

—"নাই নাই আপোনালোকে ছিঙ্গাপুৰ, হংকং. মেকক ইত্যাদিত এয়াৰপৰ্ট টেক্স দিব লাগিব। গতিকে আমেৰিকান ডলাৰ লৈ ইণ্ডিয়ান মানি কনভাৰ্ট কৰক।"

মই ক'লো,

- - "সকলোবোৰ বিমান বন্দৰত দেখোন মানি চেঞ্জাৰ আছে "

কামাৰে এটা ধূৰ্ত হাঁহি মাৰি ক'লে

— "আপোনাৰ একো অভিজ্ঞতা নাই। সকলোৰে এটা সীমা আছে মুখৰ ভিতৰত আৰু এটা কথা কামাৰে ক'লে — বুজি নেপালো "

কিন্তু এই মুহূৰ্তৰ পৰা মানুহটোৰ প্ৰতি মোৰ এটা সন্দেহৰ সৃষ্টি হ'ল।

আমি গাড়ীৰ পৰা নামিলো, আৰু মানি চেঞ্জাৰৰ দোকানশাৰীৰ সন্মুখলৈ আগুৱাই গ'লো। কামাৰে কালৈকো ভ্ৰুক্ষেপ নকৰি জোতাৰ ফিটা খুলিলে। ইণ্ডিয়ান কাৰেন্সিৰ জাপ কিছুমান দেখা-দেখিকৈয়ে জোতাৰ ভিতৰৰ পৰা উলিয়াবলৈ ধৰিলে।

কপালত গোট খোৱা ঘামৰ কণিকা মই কমালেৰে মচি লোৱাৰ চেষ্টা কৰিলো।

চীনা আৰু মুছলমান মানি চেঞ্জাৰ কেইটাই কামাৰক বৰ আগ্ৰহেৰে হাত বাউল দি মাতিবলৈ ধৰিলে। সাগৰেৰে অহা নিত্য-নতুন নাবিকৰ ৰহস্যময় অৰ্থ-ভাণ্ডাৰৰ লগত পৰিচিত এই বণিক সকলেও যেন কামাৰক চিনি পালে।

এই বিচিত্ৰ দোকানলানীৰ চাৰিওফালে মই টহল দি ফুৰিবলৈ ধৰিলো। সকলোবোৰ দোকানৰ সন্মুখত একোটাকৈ 'শোকেছ' আছে। এই 'শোকেছ' সমূহত বিভিন্ন দেশৰ কাৰেন্সিসমূহ সুন্দৰকৈ সজাই থৈছে দোকানৰ সন্মুখৰ আলিটোত কিছুমান ধূপকাঠি শুকুৱাবলৈ দিছে। শুকুৱাবলৈ দিয়া ধূপকাঠিবোৰ কোনো কোনো ঠাইত ময়ূৰৰ পাখিৰ দৰে দেখা গ'ল। আৰু সেই বিচিত্ৰ ধৰণৰ ৰিক্সাসমূহ পিছফালে চকা আগফালে ছিট। চালকৰ মূৰৰ ওপৰত ছাঁ দিয়াকৈ স্থায়ীভাবে লগোৱা আছে একোটা বাৰ্মীজ ছাতি। প্ৰায়বোৰেই চীনা চালক। এইবাৰ আমি আনচন ৰ'ডৰ 'থাইবুদ্ধ'ৰ মন্দিৰ অভিমুখে ৰাওনা হলো। এইটোৱেই বুদ্ধৰ সৰ্বাধিক মন্দিৰ।

গাড়ীৰ পৰা নামি দেখিলো কিছুমান বৃটিছ নাবিকে সেই কাৰুকাৰ্য খচিত ৰিক্সা সমূহত উঠি আনচন ৰ'ডত পিয়াপি দি ফুৰিব ধৰিছে। মন্দিৰৰ সন্মুখলৈ আগবাঢ়ি গ'লো। পদূলিৰ মুখত সজাই থোৱা আছে ড্ৰেগন আৰু ভক্তৰ কিছুমান বিস্ময়কৰ মূৰ্তি। সুউচ্চ পেগোদাৰ (সাতমহলীয়া) দৃশ্য মনোমোহা। মন্দিৰৰ ভিতৰত সোমাই গম পালো — ফটো লোৱা নিষেধ। আৰু কিছু আগুৱাই গৈ শায়িত বুদ্ধৰ এক প্ৰকাণ্ড মূৰ্তি দেখি স্তম্ভিত হৈ পৰিলো। এনেকুৱা শায়িত বুদ্ধৰ ছবি এখন ৰেঙ্গুনৰ শ্বিউ ডাগন পেগোদাত দেখাৰ কথা মনত পৰিল।

কামাৰে টকাৰ টোপোলা এটা হাতত লৈ মোৰ ওচৰত আহি থিয় হৈ ক'লে —

— "সৌ চীনা ৰিক্সাচালকসকলৰ লগত পিয়াপি দি ফুৰা কিৰিলীবোৰক দেখিছে নহয়? যোৱা বছৰো মই সেইবোৰক ঠিক এইখিনি ঠাইতে লগ পাইছিলো। সেইবাৰ সিহঁতে এই মন্দিৰৰ চেকোস্লোভেকিয়াৰ পৰা দিয়া 'চাণ্ডেলীয়েৰ'টো লৈ তৰ্ক কৰিব আৰম্ভ কৰিছিল।"

মন্দিৰৰ ভিতৰত ইটালীৰ 'কাৰাৰা মাৰ্বলে'ৰে কৰা বিভিন্ন কাৰুকাৰ্য চাবলৈ মই আগুৱাই গ'লোঁ। বুদ্ধৰ জীৱনৰ বিভিন্ন ছবি চিত্ৰিত কৰা আছে। এক অনন্য বাতাবৰণ। চাৰিওফালে বুদ্ধৰ ধ্যানমগ্ন অজস্ৰ মুখ। অহৰহ ধ্বনিত সেই বাণী —

'চোৱা আৰু হৃদয়ৰ গভীৰতম কক্ষলৈ যাবলৈ চেষ্টা কৰা। এটা খোজৰ পাছত আনটো খোজ দিয়াৰ সময়তো

ধূপৰ ধোঁৱাই কুঁৱলীৰ দৰে আহি মোৰ দুয়ো নয়ন ঢাকি ধৰিলে। এই ধোঁৱাৰ মাজেৰে বাওঁহাতৰ এখন প্ৰাচীৰত মই থাইলেণ্ডৰ ৰজা ভূমিবল আৰু ৰাণী সিৰিকিটৰ ছবি এখন দেখিলোঁ।

বাহিৰলৈ ওলাই আহি দেখিলোঁ বৃটিছ নাবিকসকলে ফটো তোলাত মগ্ন হৈ পৰিছে। আৰু সেই চীনা ৰিক্সাচালকসকল? সিহঁতকো যথেষ্ট প্ৰফুল্লিত যেন দেখা গৈছে।

এই বহু প্ৰশংসিত বুদ্ধ মন্দিৰটিৰ সন্মুখত ব্ৰহ্মদেশৰ বুদ্ধ মন্দিৰ এটাও মোৰ চকুত পৰিল। এই মন্দিৰটিৰ তুলনাত ব্ৰহ্মদেশৰ মন্দিৰটি যথেষ্ট নিষ্প্ৰভ। দুৱাৰ মুখত থিয় হৈ লক্ষ্য কৰিলোঁ কুমাৰস্বামীয়ে বৃটিছ নাবিক দুজনমানৰ সৈতে ব্ৰহ্মদেশৰ মন্দিৰটিৰ দীৰ্ঘ কৰিডৰৰ পিনে আগুৱাই গৈছে। মোৰ বুজিবলৈ বাকী নেথাকিল কি কাৰণে কুমাৰস্বামীয়ে সিহঁতৰ লগ লাগিছে। এজোপা কৰবী জাতীয় ফুল গছৰ তলত বহি কুমাৰস্বামীয়ে সেই নাবিকসকলৰ লগত পানীয় সেৱন কৰিবলৈ আৰম্ভ কৰি দিলে কুমাৰস্বামীক তাতে এৰি এইবাৰ আমি পেনাগৰ বিখ্যাত সৰ্প মন্দিৰলৈ বাওনা হ'লোঁ। দিল্লী বিশ্ববিদ্যালয়ৰ চীনা বান্ধৱী এগৰাকীয়ে কৈছিল — পেনাগত একো চাব নোৱাৰিলেও সৰ্প মন্দিৰটি চাবা মন্দিৰৰ চাৰিওফালে বিষাক্ত সাপ কিছুমানে পিয়াপি দি ফুৰে। অথচ ইচ্ছা কৰিলে এই সাপবোৰ তুমি হাতৰে তুলি ধৰিব পাৰিবা। ইয়াত থকা চীনা সিদ্ধৰ মূৰ্তিৰ ওচৰত ধূপকাঠি জ্বলাই দিবা।

'সকলো দুখৰ পৰা মুক্ত হবা।'

মালেছিয়ালৈ গ'লে পেনাগৰ সৰ্প মন্দিৰৰ কথা কেতিয়াও নেপাহৰিবা কিন্তু।

মন্দিৰটিৰ সন্মুখত টুৰিষ্ট বাছ কিছুমান দেখা গ'ল। বৃটিছ নাবিকসকলৰ বাহিৰেও বৃটিছ ভ্ৰমণকাৰী কিছুমানকো দেখা পালোঁ।

মন্দিৰৰ দুয়োপিনে কিছুমান বিচিত্ৰ দোকান।

কান্ধত মোনা লোৱা কৌতূহলী ছাত্ৰৰপৰা আৰম্ভ কৰি দুই-তিনিটা লগুৱা লৈ যোৱা ফৰাচী মহিলা কেইগৰাকী মানকো এই দোকানবোৰত বস্তুৰ দাম-দৰ কৰি থকা দেখিলোঁ।

আমাৰ দলৰ সভ্যবোৰে ফটো লবলৈ চাৰিওফালে ছিটিকি পৰিল। এই চীনা মন্দিৰটিৰ সন্মুখৰ ছাইনবৰ্ডখনৰ ওচৰলৈ মই আগুৱাই গ'লোঁ। এশ বছৰৰ আগেয়ে

কেনেকৈ চীনৰ সিদ্ধ এগৰাকীয়ে চুৰসু কাঙ্গৰ মূৰ্তি আনি এই মন্দিৰত স্থাপন কৰিলে আৰু ১৮৭৩ চনত গুলুগাৰৰ জমিদাৰ ডেভিড ব্ৰাউনে এই চীনা সিদ্ধৰ আশীৰ্বাদ আৰু 'চুৰসু কাঙ্গৰ' পূজা কৰি কিদৰে ৰোগমুক্ত হৈ পেনাগত মন্দিৰৰ বাবে এই মাটি দান কৰিলে তাৰো এক সুদীৰ্ঘ ইতিহাস 'ছাইনবৰ্ডত' লিখি থোৱা হৈছে।

আগুৱাই গলো। এইবাৰ মন্দিৰৰ সন্মুখত দুটা প্ৰকাণ্ড ঘণ্টা চকুত পৰিল। কোনোবা ভক্তই দান কৰা ঘণ্টা। সকলোৰে জোতা পিন্ধিয়েই একেবাৰে মন্দিৰৰ ভিতৰলৈ যোৱা দেখিলো। 'চুৰসু কাঙ্গৰ' মূৰ্তিৰ ওচৰত থিয় হৈ সঁচাকৈয়ে এটা বিস্ময়কৰ দৃশ্য দেখা পালো। সাপ, চাৰিওফালে সাপ, টেবুলত সাপ, সজাই থোৱা ফুলদানিত সাপ, চুকে-কোণে কুণ্ডলী পকাই থকা সাপ

আৰ্তনাদ কৰি উঠিলো। এডাল প্ৰকাণ্ড বিষাক্ত সাপ মোৰ ভৰিৰ ওপৰেৰে পাৰ হৈ গ'ল।

চীনা সাধু এটাই ক'লে —

— 'ভয় কৰিব নেলাগে। চাওক এয়া মই হাতেৰে তুলি ডিঙিত মেৰুৱাই ললো।'

সঁচাকৈয়ে সাধুজনে সাপ এডাল তুলি লৈ ডিঙিত মেৰুৱাই ঢেকঢেকাই হাঁহিবলৈ ধৰিলে।

হঠাৎ এখন ছাইনবৰ্ড চকুত পৰিল।

— 'এই বিষাক্ত 'ৰেগলাৰ পিট ভাইপাৰ'বোৰ লৈ খেলা-ধূলা কৰোতে যদি কাৰোবাৰ কিবা দুৰ্ঘটনা হয়, তাৰ বাবে মন্দিৰৰ কৰ্তৃপক্ষ দায়ী নহয়।'

আন এজন ভক্তক প্ৰশ্ন কৰিলো —

— 'এই বিষাক্ত সাপবোৰৰ পৰা কেতিয়াবা কাৰোবাৰ কিবা অপকাৰ হৈছিল নে?'

তেওঁ মূৰ জোকাৰি ক'লে –

— 'নাই কেতিয়াও কোনো অপকাৰ হোৱা নাই। এই সাপবোৰক ৰুগ্নী খুৱাই ৰোগমুক্ত হোৱাৰহে বহুত কাহিনী আছে।'

মোৰ সহযাত্ৰী কাইকাউছে ক'লে —

— 'তুমিও চেষ্টা কৰি নোচোৱা কিয়? কিজানি তুমিও সাপডাল তুলি ল'ব পাৰা?'

ওচৰৰ জখলা এডালত বগাব খোজা সাপ এডাল মোৰ চকুত পৰিল। সোণালী সেউজীয়া আৰু ক'লা ৰং।

মন্দিৰ প্ৰাঙ্গণত সিঁচৰতি হৈ পৰি আছে এই ৰং।

কিহৰ ভয়?

এৰা কিহৰ ভয়?

চীনা সিদ্ধৰ ভৰিৰ ওচৰত ধূপ এডাল জ্বলাই দি মই সেই জখলা বগাব খোজ

সাপ এডাল তুলি ধৰিলো। শুকাই খৰখৰীয়া হোৱা ছাল এখন হাতত থঁহনি খোৱাৰ দৰে ভাব হ'ল। বাহুৰ ওপৰলৈকে উঠি সি মোৰ হাত এখন গুছিব ধৰিলে। তাৰ পাছত আৰু এডাল তুলি ল'লো তাৰ পাছত আৰু এডাল

— 'কি কাৰণে সিহঁতে ভক্তৰ সৈতে এইদৰে খেলা কৰে?'

বুদ্ধ ভিক্ষু এজনে উত্তৰ দিলে —

— 'মেডাম, কেনেকৈ কওঁ আপোনাক? ভক্ত আৰু নাবিক বণিকৰ কথাৰতো কোনো মিল নাই। ভক্তই কয় — ই এক অলৌকিক বিষয়। নাবিকে কয় ধূপৰ ধোঁৱাই সাপবোৰক অচেতন কৰি ৰাখে সেইবাবে সিহঁত পানীয় সেৱন কৰা মানুহৰদৰে চাৰিওফালে মাথোঁ ভ্ৰম অনুভৱ কৰে '।

পী-লিয়ে গাড়ীৰ হৰ্ণ দিয়া শুনিলো। আমি কোৱা কোৰিকৈ তললৈ নামি গ'লো।

— 'আমি কলৈ যাম এতিয়া?'

পী-লিয়ে মেপ্ এখন দেখুৱাই বুজাই দিলে — 'এইখিনি সময়ৰ ভিতৰত দুকুৰি মাইল জোৰা এই দ্বীপটোৰ চাৰিওফালে আমি মটৰেৰে পাক এটা মাৰি আহিব পাৰো। ইচ্ছা কৰিলে আমি দহ হাজাৰ বুদ্ধ থকা বান হুড পেগোডাও চাব পাৰো' পূব সীমান্তৰ প্ৰখ্যাত পেগোডা এইটি ।

বাজে প্ৰশ্ন কৰিলে —

— 'ইষ্ট ইণ্ডিয়া কোম্পানীৰ পৰিত্যক্ত ৰণতোপসমূহো আমি দেখা পাম নিশ্চয়।'

পী-লিয়ে ঢেক্‌ঢেকায় হাঁহি মাৰি ক'বলৈ চেষ্টা কৰিলে —

— 'সেইবোৰক এতিয়া মানুহ আৰু বনবীয়া নেমুৰ জোপোহাই আবৰি ধৰিছে

কুৱেলালামপুৰৰ দৰে পেনলাঙৰ ৰাজআলিৰ দুয়ো পিনে কিছুমান বিশ্ববিদ্যালয়ৰ আহল-বহল প্ৰাঙ্গণত মুকলি মনেৰে ঘূৰি ফুৰা ছাত্ৰ-ছাত্ৰীৰ ভিৰ।

চহৰ পাৰ হৈ আমি আৰু কিছুদূৰ আগুৱাই গ'লো। তেতেলী, বট, আৰু বনবীয়া নেমুৱে আবৰি থকা কিছুমান সৰু সৰু গাঁও চকুত পৰিল। এইবোৰ ঠাইতে জালুক আৰু লঙৰ খেতিৰ সন্ধান কৰিবলৈ প্ৰাচীন কালতেই হেনো পৰ্তুগীজ আৰু আৰবৰ বণিকসকলে ঘুমুটিয়াই ফুৰিছিল।

দুই এজোপা কঠালৰ গছ দেখা পালো। কেটেলা পৰুৱে দৰে জোঙা জোঙা কাঁইটে কঠালবোৰক এক অদ্ভুত ফলৰ আকৃতি দান কৰিছে।

কামাৰক সুধিলো —

— "ইয়াত কঠালবোৰ এনেকুৱাই নেকি?"

তেওঁ মূৰ দুপিয়াই ক'লে —

— "হয় সেইবোৰ কেটেলা পৰুৱ দৰেই।"

এখন মাছমৰীয়া গাঁও পাৰ হলো। শুকাবলৈ দিয়া সিহঁতৰ জালবোৰৰ লগত দুপৰৰ এই প্ৰৌঢ় ৰ'দে যেন জোটাপুতি খাই উমলিবলৈ আৰম্ভ কৰিছিল।

এইবাৰ আমি উত্তৰৰ 'বাটু ফেৰিনঙ্গী বিচ্' অভিমুখে ৰাওনা হলো।

এয়া বাটু ফেৰিনঙ্গী।

ইলিছ মাছৰ কণীৰ দৰে ক্ষুদ্ৰ ক্ষুদ্ৰ বালি। দুপৰৰ প্ৰৌঢ় ৰ'দে ধেমালি কৰি এৰি থৈ যোৱা বাটু ফেৰিনঙ্গীৰ বালি ছুইমিং 'কষ্টিউম' পিন্ধি ৰ'দ লৈ থকা চীনা আৰু মালয যুৱক-যুৱতীৰ দল কিছুমানক ঘৰিয়ালৰ দৰে পেট পেলাই পৰি থকা দেখা গ'ল। আমাৰ লগত ভ্ৰমণ কৰা দক্ষিণৰ দলটোও ইতিমধ্যে আহি পাইছিল।

বাটু ফেৰিনঙ্গী কলৰব মুখৰ হৈ পৰিল। এইবাৰ ভাগৰুৱা সূৰ্যই দূৰৈৰ পাম গছ সমূহক শেষ আলিঙ্গনেৰে মুগ্ধ কৰি ৰাখিছে। — এই আলিঙ্গন যেন কিছু বিকৃত, -- প্ৰৌঢ় নাবিকৰ কপালৰ ৰেখাৰ দৰে কম্পমান।

ভিৰৰ পৰা আঁতৰি আহিলোঁ। এটুকুৰা অকলশৰীয়া ঠাই বিচাৰি মই কিছুদূৰ আগবাঢ়ি গলো।

সাগৰৰ পাৰত অকলশৰে বহি পোৱা আনন্দ — প্ৰাৰ্থনা কৰি পোৱা আনন্দৰ দৰেই ভাব হয়।

কিন্তু কিছুদূৰ আগবাঢ়ি গৈ অনুভৱ কৰিলো এক অন্য ব্যক্তিৰ ভৰিৰ খোজ। কাইকাউছ নহয়তো?

মই উভতি চালো —

মহম্মদ মুছাক দেখা পালো। কৰ্ণাটকৰ কোনো এক স্কুলৰ শিক্ষক আৰু কবি মহম্মদ মুছা — । ভাবুক চিন্তাশীল ব্যক্তি। জমা পুঁজি উদং কৰি 'টি চি আইৰ' এই ব্যয বহুল ভ্ৰমণত কি কাৰণে মহম্মদ মুছা চামিল হৈছিল — একো গম নেপালো।

— "শুনক — মই কুৱেলালামপুৰৰ 'মিউজিয়াম নাগেৰাত' আপোনাক এটা প্ৰশ্ন কৰিম বুলি ভাবিছিলো —

— "মনত আছে?"

— "আছে।"

— "আপুনি অকলশৰে থাকি বৰ ভাল পায় নহয় নে?"

— "হয় অভ্যাসত পৰিণত হৈ গৈছে।"

— "ময়ো তেনে ধৰণৰে আছিলো, কিন্তু ইয়ালৈ আহি কিয় জানো — অকলশৰে থাকিবলৈ ভয় লগা হৈছে।"

— "ভয়?"

মই উচপ খোৱাৰ দৰে ক'লো।

—"নাই — নাই আপুনি আচৰিত নহব। এয়া মোৰ একান্ত ব্যক্তিগত কাৰণ।

বাটু ফেৰিনঙ্গীৰ সোনালী বালিত শিক্ষক কবি মহম্মদ মুছাই এটি অসহায় বালকৰ দৰে আঁঠু কাঢি বহিল। মূৰৰ কেকোৰা চুলি, হনু ওলোৱা দুয়ো গাল আৰু কি জিং ভাজ খোৱা থুতুৰীটোৰে সৈতে মহম্মদ মুছাক এটি কম বয়সীয়া ছাত্ৰৰ দৰে লাগিল।

—"কি কম বুলিছিল আপুনি?" মই প্ৰশ্ন কৰিলো।

—"শুনক মই মোৰ জমা পুজি ধ্বংস কৰি ইয়ালৈ অহাৰ এটা কাৰণ আছে। মই বি হঙক বিচাৰি আহিছো।"

—"বি হং? কোন বি হং নামটি সুনা যেন লাগে।"

—"শুনিব পাৰে— উত্তৰৰ অৰণ্যাতপিয়াপি দি ফুৰা কমিউনিষ্ট টেৰৰিষ্ট সকলৰ মাজতো এই বি হং নামটো বৰকৈ প্ৰচলিত হোৱা বুলি শুনিছো।"

—"কিন্তু কোন এই বি হং?"

—"তাই 'কথাকলি' শিকিবলৈ গৈছিল। এই বিষয়ে তাই গৱেষনাও কৰি আছিল । আমি একেলগে ঘৰ ভাৰাও কৰি আছিলো। তাই চীনা ছোৱালী। নিজকে তাই 'অভাৰ ছিৰ চীনা সকলে পৰিচয় দিয়াৰ দৰে 'হোৱা চিয়াও' বুলি পৰিচয় দিয়ে। চিঙ্গাপুৰৰ পৰা গৈ তাই হংকঙৰ জেদ মাৰ্কেটত গিৰিয়েকৰ সৈতে কিছুদিন বাস কৰিছিল। গিৰিয়েকে দক্ষিণৰ সেই টেৰৰিষ্ট সকলৰ লগ লাগিছিল বিচ্ছেদ, অশান্তি— শেষত ভাৰতবৰ্ষ। তাই শান্তি বিচাৰি ভাৰতবৰ্ষলৈ আহিছিল—! আমি একেলগে এটা ঘৰত আছিলো।

আমি একে লগে কাম কৰিছো। একে লগে ভ্ৰমণ কৰিছো।

কৰ্ণাটকৰ বেলুৰ হালেবী, অন্ধ্ৰৰ কণক দুৰ্গা মন্দিৰ, চিত্ৰকূটৰ শবৰী আশ্ৰম, আগ্ৰাৰ তাজ, আলিগড়ৰ মুছলিম বিশ্ববিদ্যালয় আহ্ আমি যে ক'ত ঠাই ঘূৰা নাই শেষত বম্বেৰ মুম্বা দেৱীৰ ওচৰত অৰ্থাৎ জাভেৰী বজাৰত তাই মোক ক'লে——

——"হোৱাই কাণ্ট ইউ লিভ্ লাইক মেন এণ্ড ৱাইফ!"

——"হঠাৎ।"

——"হঠাৎ কি হ'ল?" মই প্ৰশ্ন কৰিলো।

——এদিন এখন চিঠি আহিল। লগে লগে তাই উত্তেজিত হৈ টালি টোপোলা বান্ধিবলৈ ধৰিলে। মই সুধিলো কলৈ যোৱা বি হং?

তাই ক'লে—

——"হংকং। সৌখন চিঠি চোৱা মোৰ স্বামী দক্ষিণৰ অৰণ্যৰ বাতিত বাস কৰা টেৰৰিষ্ট সকলৰ কৱলৰ পৰা উভতি আহিছে। মোক মাতি পঠিয়াইছে।"

—কিন্তু তুমি মোক কৈছিলা

——"উই কাণ্ট লিভ্ লাইফ মেন এণ্ড ৱাইফ।"

——"স্বামীৰ পৰা আইন সম্মতভাবে বিচ্ছেদ লৈ মই তোমাৰ ওচৰলৈকে আহিম!"

মহম্মদ মুছা কিছু সময় মৌন হৈ থাকিল।

মই প্ৰশ্ন কৰিলো

---"তাৰ পাছত?"

---এদিন চিঠি আহিল। বি হঙৰ চিঠি। তাই মাত্ৰ এটা কথাই লিখিছে

"তাইৰ স্বামী ৰ গুলিবিদ্ধ দেহ চিঙ্গাপুৰৰ ডকত কোনোবাই পেলাই থৈ গৈছে।"

—"তাৰ পাছত?"

—"তাৰ পাছত আৰু কোনো খবৰ নাই।"

—"এতিয়া কি কৰিব আপুনি?"

---"এইবোৰ ঘটনা হৈ যোৱা বেছি দিন হোৱা নাই। এইখিনি সময়ত নিশ্চয় তাই মোক ওচৰত বিচাৰিব।"

মই কলো—

—"এই উত্তৰ— পূব সীমান্তত সিচৰিত হৈ থকা চীনাসকলৰ বৰ বিচিত্ৰ জীৱন। বণিয়াৰ চীনা স্মাগলাৰসকল কম্বোডিয়াৰ চীনা ধানৰ বেপাৰীহঁত জাভাৰ সুদখোৰ কষ্টত কেকোৰা খাই কি যে পথ লোৱা নাই আৰু ক'তেই যে শেষ হৈ যোৱা নাই সিহঁত ?"

মহম্মদ মুছাৰ দুয়ো নয়ন ভৰি আহিল। ধাৰণা হ'ল বৰ স্পৰ্শকাতৰ মানুহ মহম্মদ মুছা।

—"হংকঙৰ জেদ মাৰ্কেটত তুমি যদি তাইক বিচাৰি নোপোৱা?

সি মূৰ তুলি চালে।

তাৰ সুন্দৰ চকুযোৰত 'মালাক্কা ষ্ট্ৰেইটত' ডুব যাব খোজা সূৰ্য্যৰ শেষ ৰশ্মিৰ কিৰণ দেখা পালো।

কি সান্ত্বনা দিম এই মানুহটোক? মোৰ সন্মুখৰ সৌৱা বাটু ফেৰিঙ্গীৰ বালিয়ে এতিয়া পকা ডিমৰুৰ দৰে বৰণ লৈছে। সৌৱা পীলিয়ে গাড়ীৰ হৰ্ণ বজাবলৈ আৰম্ভ কৰিলেই।

—"আমাৰ উভতি যোৱাৰ সময় হ'ল মহম্মদ মুছা ?"

—"হয় মেডাম, আমি আজি ৰাতিয়েই তিনিশ মাইল অতিক্ৰম কৰিব লাগিব।"

হাতত কেমেৰা লৈ ৰাজে অৰ্তনাদ কৰি উঠিল।

—"আমাৰ অসংখ্য বস্তু চাবলগীয়া আছে— সেই 'বিচ অৱ পেছ'নেট লাভ' (বৃটিছ সৈনিকসকলে দ্বিতীয় মহাযুদ্ধত এই নাম দিছিল।) —আৰু তাৰ আশে পাশে থকা মালয় গাওঁবোৰ, য'ত মানুহে তিমি মাছৰ দৰে চিলা উৰুৱাই আনন্দ কৰে—আৰু এই চিলাবোৰ উৰাবলৈ য'ত দহটা মানুহৰ প্ৰয়োজন হয়। এনে ধৰণৰ অসংখ্য ঠাই আছে।

"মই তাক সোঁৱৰাই দিলো—

—"ছাউথ চাইনা সাগৰৰ সেই দৈত্যাকৃতিৰ কাছবোৰে এতিয়া কণী পাৰিবলৈ সাগৰৰ পূব পাৰলৈ আহিব। টুৰিষ্টৰ ভিৰ হ'ব। দৈত্যাকৃতিৰ কাছবোৰ চাবলৈ নোযোৱা নেকি?"

ৰাজৰ মুখ উদ্ভাসিত হৈ উঠিল।

আমি তিনিও এইবাৰ 'বাটু ফেৰিঙ্গীৰ ডিমক ৰৰণীয়া বাদিত খোজ দিলো। পীলিক টেক্সিৰ হৰ্ণে সময় পাৰ হৈ যোৱাৰ সংকেত দিলে।

## (চাৰি)

### (ছিঙ্গাপুৰ)

একত্ৰিশ অক্টোবৰ।

— এম এইছ ৬৫১ ব'য়িঙে আমাক ছিঙ্গাপুৰৰ আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰত নমাই দিলে।

টি চি আইৰ একুৰি পাঁচজন ভ্ৰমণকাৰীয়ে বিমান বন্দৰৰ 'ডিউটি ফ্ৰী' দোকানবোৰত পিয়াপি দি ফুৰিব ধৰিলে।

শুল্ক নলগোৱা — এক বটল মদিৰা।

পঞ্চাশটা 'চিগাৰ'।

দুশ পঞ্চাশ গ্ৰাম ধপাত। দুশটা চিগাৰেট এক বটল 'স্পিৰিট' আৰু এক বটল আতৰৰ বাবে দলৰ মানুহবোৰে ঘুমুটিয়াই ফুৰিবলৈ ধৰিলে। দুই এগৰাকী ভ্ৰমণকাৰীয়ে এয়াৰ পৰ্ট লকাৰত নিজৰ সা-সম্পত্তি সুমুৱাই থলে। কাৰণ ছিঙ্গাপুৰত আমি মাত্ৰ দুদিনহে থাকিম।

বিমান বন্দৰৰ বাহিৰত চীনা টুৰিষ্ট গাইড মিষ্টাৰ কেনীয়ে আমাক সম্ভাষণ জনালে। অতি আধুনিক টুৰিষ্ট বাছ এখনত উঠি আমি কাৰ্বুং পাৰ্কৰ সন্মুখৰ এম্বেছেডৰ হোটেললৈ আগবাঢ়িলো। ট্ৰাফিকৰ জামৰ বাবে পূৰ্ণ গতিৰে বাছ আগবাঢ়িব নোৱাৰিলে।

মিষ্টাৰ কেনীয়ে গাইডৰ ছিটৰ পৰা উঠি সকলোকে সম্বোধন কৰি ক'লে —

— ট্ৰাফিক 'কণ্ট্ৰল' ছিঙ্গাপুৰত এটি ডাঙৰ সমস্যা হৈ পৰিছে বৰ শুদ্ধ ইংৰাজীত কেনীয়ে ক'লে —

"Under the area Licence scheme, designed to alleviate traffic cangestion, cars including taxis entering the Restricted Zone during the morning peak hours are required to purchase and display area Licences "

দক্ষিণৰ পৰা অহা ভদ্ৰলোকসকলৰ মাজৰ পৰা এজনে প্ৰশ্ন কৰিলে —

— 'ইয়াত চাবলগীয়া ঠাই কি আছে?'

কেনীয়ে প্ৰফুল্লিত চিত্তেৰে কলে চাবলগীয়া ঠাই বহুত আছে—

— পৃথিবীৰ এই দ্বিতীয় বৃহত্তম পোতাশ্ৰয়টি ভালদৰে চাবলৈ বিলাসী নৌকা ভ্ৰমণ আছে। প্ৰাচীন 'চীনা জাহৰ' আৰ্হিৰে সজা এই নৌকা ভ্ৰমণৰ বাবে 'ডাচ্' আৰু 'নৰৱেৰ' টুৰিষ্টসকলে ডকৰ কাষত ভিৰ কৰে।

চাঙ্গিঘৰীচ আছে মাছ মৰা কেলং জালৰ দৃশ্য দেখা পাব, ঘৰিয়ালৰ ফাৰ্ম, জেদ হাউছ, 'জাপানীজ গাৰ্ডেন' 'কাৰাঞ্জ বাৰ-মেমৰিয়েল', লেব্ৰাডৰ পাৰ্ক, 'মাউণ্ট ফেবাৰৰ কেবল - কাৰ', টাইগাৰ বাম গাৰ্ডেন', টেম্পল অব থাউজেণ্ড লাইট, চাইনা টাউন আৰু বহুত আছে চাবলগীয়া ঠাই — আমি হোটেলৰ লাউঞ্জত এই বিষয়ে আলোচনা কৰিম

কাৰটুং পাৰ্ক অভিমুখে আমাৰ বাছ আগবাঢ়িল। চকচকীয়া ৰাস্তা-ঘাট। ৰ'দ পৰি চিতল মাছৰ পিঠিৰ দৰে জকমকাই উঠিছে। সুপৰিকল্পিতভাৱে সজোৱা স্কাই স্কেপাৰসমূহ — দূৰৈৰ পৰা ভাৱ হয় জুইশলাৰ বাহিৰেহে যেন সজা হৈছে।

আমাৰ উৎসাহলৈ লক্ষ্য কৰি মিষ্টাৰ লিয়ে ক'লে —

"In once decade 700,000 people have been moved from dirty tenements and perimeter shanties to new flat complexes - and the Government is still building them - at the rate of one flat completed every thirty minutes "

এই পয়োভৰ আৰু স্বচ্ছ বাতাবৰণৰ মাজত হঠাৎ এখন প্ৰকাণ্ড পোষ্টাৰত চকু পৰিল।

হাড়ছাল ওলোৱা এটি বালকৰ ছবি। মদৰ বিৰুদ্ধে চলোৱা এক সংগ্ৰামৰ ছবি।

এই স্বচ্ছতাৰ মাজত এই পোষ্টাৰখন খাপ নোখোৱা যেন ভাৱ হ'ল।

● ● ●

গধূলি মুখ-হাত ধুই হোটেলৰ কাৰটুং পাৰ্কৰ পিনে মুখ কৰি থকা খিৰিকী কেইখন খুলি দিলো।

. কিন্তু লগে লগে এটা অদ্ভুত দৃশ্য দেখা গ'ল। টুৰিষ্ট গাইড বেনীয়ে এই কাৰটুং পাৰ্কখন প্ৰেমিক-প্ৰেমিকাইতৰ বিলাসৰ কেন্দ্ৰ বুলি কৈছিল।

কিন্তু এয়া কি দৃশ্য?

খোলাখুলি ভাৱে পাব্লিক পাৰ্ক এখনত এনে দৃশ্য সম্ভৱ নে?

এয়া প্ৰেমেই নে?

এয়া যে মাংসৰ হাট?

খিৰিকীখন বন্ধ কৰি দি আচলেৰে মুখ মচি ললো। লগে লগে ধপ ধপ শব্দ কৰি আৰু কিছুমান খিৰিকী বন্ধ হৈ গ'ল। মই বুজিলো মোৰ দাৰ্শনিক বন্ধু কাইকাউছেও হয়তো কোঠাৰ খিৰিকী বন্ধ কৰি দিছে। বাজ বোলা ছাত্ৰটি মোৰ কোঠাৰ ওচৰতে আছিল। সিও চাগে খিৰিকী বন্ধ কৰি দিলে।

দক্ষিণৰ ভদ্ৰলোকসকলেও বোধকৰো নিজৰ নিজৰ কোঠাৰ খিৰিকী বন্ধ কৰি দিলে . ..?

● ● ●

নৱেম্বৰৰ পহিলা তাৰিখ।

আমাৰ হাতত সময় কম।

মিষ্টাৰ বেনীয়ে হোটেলৰ লাউঞ্জত আমাৰ বাবে অপেক্ষা কৰি আছে।

ডাইনিং হলৰ ওচৰত 'ননয়া ফুড'ৰ বিজ্ঞাপন দেখিলো। বিজ্ঞাপনখনত লিখা আছে— এই 'ননয়া'সকল সাগৰৰ পাৰৰ চীনা তিৰোতা আৰু এই প্ৰখ্যাত ননয়া ব্যঞ্জন মালয় ব্যঞ্জনৰ লগত সামঞ্জস্য ৰাখি ৰন্ধা হয়।

মিষ্টাৰ বেনীক লাউঞ্জৰ কাষত ইতিমধ্যে দক্ষিণৰ ভ্ৰমণকাৰী সকলে বেৰি ধৰিছিল। বেনীয়ে আৰ্তনাদ কৰি উঠা শুনিলো—'কি খাব আপোনালোকে?'

ৰাজে ক'লে—

Cantonese Tim Sum, Peking , Shanghainese Szechuan Hunan-- Hokkien, Teochew or Taiadaness food etc

—"মই সেই ছানছুই অৰ্থাৎ কাছৰ চুপ পাম নে?"

● ● ●

এটা সময়ত আমি ছাৰ ষ্টেফৰ্ড ৰাফেলছৰ প্ৰথম পদাৰ্পণ ভূমিত উপস্থিত হ'লো। ছিঙ্গাপুৰ নদীৰ পূব দিশত অৱস্থিত এই ভূমি। ৰাফেলৰ সুবৃহৎ 'ব্ৰঞ্জৰ' মূৰ্তিটি স্পৰ্শ কৰাৰ সুযোগ পালো কামাৰ আৰু মহম্মদ মুছাই চীনা 'জাঙ্ক'বোৰৰ পিনে আপবাটি যোৱাৰ চেষ্টা কৰিলে। প্ৰত্যেকখন নাৱঁতেই একোযোৰ সুবৃহৎ চকু আঁকা আছে। চীনাসকলৰ ধাৰণা এনেদৰে চকু আঁকি ললে পানীৰ শত্ৰুৱে অপকাৰ কৰিব নোৱাৰে।

বহুত ৰং, বহুত চকু।

কুমাৰস্বামীয়ে দক্ষিণৰ দল এটা লৈ চীনা জাঙ্কৰ এখনৰ ভিতৰলৈ সোমাই গ'ল। কি কাৰণে তেওঁ চীনা জাঙ্কৰ ভিতৰত সোমাল মোৰ বুজিবলৈ বাকী নেথাকিল। এৰা সেই প্ৰিমিয়াম স্কচ হুইস্কি, নেপোলিয়ান কণ্যাক কানাডিয়ান চব শুষ্ক শূন্য। চব শুষ্ক শূন্য। মানুহ কেইটা বাৰু উভতি যাব পৰা অৱস্থাত থাকিব নে?

মিষ্টাৰ বেনীয়ে হুইছেল বজালে।

আমি কোৱাকুৰিকৈ গৈ বাছত উঠিলো।

আজি মিষ্টাৰ বেনীয়ে ছিঙ্গাপুৰৰ বিষয়ে আমাক বহুত জ্ঞান দিবলৈ সাজু হৈ আহিছে। এই জ্ঞান গ্ৰহণ কৰিবলৈ মনে মনে উত্ৰাৱল হৈ আছো।

গাইডৰ ছিটৰ ওপৰত থিয় হৈ বেনীয়ে ক'লে —

— 'সকলো আহিল নে?'

উভতি চাই দেখিলো

প্ৰায় সকলোৱেই আহিছে। মহম্মদ মুছা আৰু ৰাজ যোৱা জয়জনো চীনা 'জাঙ্ক'বোৰৰ ভিতৰলৈ জুমাজুমি কৰি এতিয়া উভতি আহিছে।

কিন্তু কুমাৰস্বামী?

দক্ষিণৰ আৰু দুখনমান চিনাকি মুখো দেখোন নাই?

বেনীয়ে আকৌ হইছেল বজালে।

নাই, আহি পোৱাৰ কোনো লক্ষণ নাই।

নাই বেনীয়ে আৰু অপেক্ষা কৰিব নোৱাৰে। সময় পাখি লগা কাডৰ দৰে আমি আগবাঢিলো। আমাৰ উদ্দেশ্য 'টায়গাৰ বাম গাৰ্ডেন'।

এই পৰিচ্ছন্ন মহানগৰৰ মাজেৰে যোৱাৰ সময়তো বেনীয়ে সময়ৰ অপব্যয় নকৰিলে।

গাইডৰ ছিটত বহি মাকক হাতত লৈ কবলৈ আৰম্ভ কৰিলে।

— 'আপোনালোকে মনত ৰাখিব ছিঙ্গাপুৰ মেলেৰীয়া ফ্ৰী নগৰ আৰু ইয়াৰ আধা ভাগ লোকসংখ্যাই কুৰি বছৰতকৈও কম বয়সৰ বালকৰ দল। প্ৰত্যেক বৰ্গ মাইলত প্ৰায় ন হাজাৰ মানুহ বাস কৰে। লোকসংখ্যা দুই 'মিলিয়নতকৈ' অলপহে বেছি আৰু ইয়াৰ ১,৫১২,০০০ চীনা লোক। প্ৰায় ৫২৫, ০০০ মাইনৰিটি গ্ৰুপ, প্ৰায তিনি লাখ মালয় আৰু ইন্দোনেচীয়ান। ইয়াৰ বাহিৰেও বহুত সংখ্যক জাপান-ফিলিপাইন- আৰব ইত্যাদি দেশৰ লোক আছে।'

— ১৮১৯ খৃষ্টাব্দত যেতিয়া ৰাফেলে এই ভূমিত প্ৰথম পদাৰ্পণ কৰিছিল, প্ৰায় দুকুৰিমান চীনা ব্যৱসায়ী পঞ্চাশটামান মালয় আছিল। অলপ সময়ৰহে কথা হিলদল ভাঙি আহিল ফুকিন প্ৰভিন্সৰ হোকিনছসকল উত্তৰ কোৱানটাঙ্গৰ টেওচিয়াছসকল আৰু সেই হাকাছসকল। 'মঙ্গোলৰ' আক্ৰমণৰ সময়ত দক্ষিণ চীনৰ পৰা পলাই অহা অজস্ৰ লোকে ছিঙ্গাপুৰত পিয়াপি দি ফুৰিবলৈ ধৰিলে সিহঁতে লগত আনিছিল নিজৰ সংস্কৃতি অন্ধবিশ্বাস

ৰাজ নামৰ ছাত্ৰটিয়ে প্ৰশ্ন কৰিলে —

— 'শুনিছিলো নাৰায়ণ পিল্লাই নামৰ ভাৰতীয় ঠিকাদাৰ এজন ছাৰ ৰাফেলৰ অন্তৰঙ্গ বন্ধু আছিল।'

বেনীয়ে ক'লে —

— 'হয় হয়, সঁচা কথা সেই ১৮১৯ খৃষ্টাব্দত ৰাফেলৰ লগত আহি পিল্লায়ে ছিঙ্গাপুৰ ভূমিত পদাৰ্পণ কৰিছিল — তেৱেঁই প্ৰথম ইটাৰ ভেটি তৈয়াৰ কৰি ছিঙ্গাপুৰবাসীক ইটা 'ছাপ্লাই' কৰিছিল। শুনা যায় তেওঁৰ বংশধৰ সকল 'জালান আহমদ ইব্ৰাহিম ৰ'ড' 'চুৰা চাউ কাঙ ৰ'ড'ত এতিয়াও আছে

গাড়ীৰ পিছৰ ছিটত বহি অহা দক্ষিণৰ ভদ্ৰলোক এজনে প্ৰশ্ন কৰিলে —

— "শুনিছো ছিঙ্গাপুৰৰ চাৰিটা নাম আছিল — টুমাচিক, ছিঙ্গাপুৰা, ছিঙ্গাপৰ আৰু ছেলোন।

— শুনিছো চোল বংশৰ ৰজা ৰাজেন্দ্ৰই টুমাচিক নাম সলনি কৰি ছিঙ্গাপুৰ নাম ৰাখিছিল ''

— হয় হয় এই বিষয়ে বহুত কাহিনী আছে। আমাৰ হাতত সময় কম, এয়া আমি 'টায়গাৰ বাম' বাগিচাত উপস্থিত হৈছো। আমি সময় উলিয়াব পাৰিলেহে এই বিষয়ে আলোচনা কৰিম।

## মালিছ বেচি কোটিপতি

আউকুন হাৱৰ বিষয়ে বহুত কিম্বদন্তি দক্ষিণ পূব এচিয়াত প্ৰচলিত আছে। 'টায়গাৰ বাম' নামৰ এবিধ 'মালিছ' বেছি কোটিপতি হোৱা এইজন চীনা পুৰুষৰ জন্ম হৈছিল ৰেঙ্গুনত। মৃত্যু হৈছিল ১৯৫৪ খৃষ্টাব্দত — হনলুলুত।

বেনীয়ে গাড়ীৰ পৰা নামি পৰিচয় কৰি দি ক'লে —

— "অকল 'টায়গাৰ বাম' বোলা মালিছটিয়েই নহয় 'হেডিক কিঅ'ৰ পাউদাৰ' — বালাশিন সাই আৰু চিনকাউইনচ মিক্সাৰ নামৰ বহুত বিচিত্ৰ ঔষধ আউকুন হাৱে নিজে তৈয়াৰ কৰিছিল। এই ব্যৱসায় মালয়, ইন্দোনেচীয়া, হংকং, ফুকিয়েন, ছাংহাই, ফিলিপাইন, ভিয়েটনাম, থাইলেণ্ডলৈ বিয়পি পৰিছিল। তেওঁৰ ব্যৱসায়ৰ শতকৰা ষাঠি ভাগ জনতাৰ বাবে তেওঁ দান কৰি গৈছে।"

দক্ষিণৰ ভদ্ৰলোক এজনে ক'লে —

— "শুনিছিলো চীনৰ এক ভয়ানক বানপানীৰ সময়ত তেওঁ অজস্ৰ টকা দান কৰিছিল।"

— "অকল চীনকেই তেওঁ সহায় কৰা নাই জাতি - ধৰ্মনিৰ্বিশেষে বহুত দেশক তেওঁ মুক্তহস্তে দান কৰি থৈ গৈছে। প্ৰায় তিনিশ কোটি টকাৰো অধিক ধন তেওঁ সিঁচৰিত কৰি থৈ গৈছে — । তেওঁৰ প্ৰখ্যাত উক্তি আছিল — মই জনতাৰ পৰা টকা লৈছিলো — এই টকা মই আকৌ তেওঁলোকক ওভতাই দিছো। যাওঁক আপোনালোক, আগবাঢ়ি যাওঁক । হাৱা পাৰ ভিলা অৰ্থাৎ 'টায়গাৰ বাম' গাৰ্ডেনলৈ আমি আগবাঢ়ি গ'লো স্বাগতম জনোৱা গেটত এটি টেকীয়াপতীয়া বাঘৰ প্ৰতিমূৰ্তি দেখা পালো। . . . তাৰ পাছত এয়া আমাৰ চকুৰ আগত উদ্ভাসিত হৈ পৰিল এক স্বপ্নময় সাম্ৰাজ্য! চীনা আৰু বৌদ্ধ কাহিনীৰ প্ৰতিমূৰ্তি বিদ্যমান যেন জীৱন্ত হৈ আছে চাৰিওফালে —

কি ক'ব বিচাৰিছে 'আউকুন হাৱে' এই অজস্ৰ অশেষ প্ৰতিমূৰ্তিৰ মাজেৰে? — এৰা কি ক'ব বিচাৰিছে?

"সেই পৰমজ্যোতিৰ বাহিৰে বৃথা এই সংসাৰ!" দক্ষিণ-পূব এচিয়াত এক কিংবদন্তি ভিক্ষুৰ পৰা ৰজা হোৱা আউকুন হাৱে ক'ত যে বিচৰা নাই সেই পৰমজ্যোতিক?

হংকঙত মই তেওঁৰ দ্বিতীয়খন 'টায়গাৰ বাম গাৰ্ডেন' দেখিছো। চীনা কিম্বদন্তি

আৰু বুদ্ধৰ জাতকৰ কিছুমান অপূৰ্ব প্ৰতিমূৰ্তিৰ মাজতো মই 'আউবুন হাৱক' সেই পৰমজ্যোতিৰ অন্বেষণত ব্ৰতী হোৱা দেখিছো।

— "এৰা কি বিচাৰে আউবুন হাৱে?" হংকঙৰ 'টায়গাৰ বাম'ত 'লুক চু' নামৰ বৌদ্ধ ভিক্ষুৰ অস্থি চৰ্মসাৰ দেহৰ প্ৰতিমূৰ্তিৰ ওচৰত কি বিচাৰিছিল — আউবুন হাৱে?

টঙ সাম্ৰাজ্ঞী য়াঙ কোৱাই ফিয়ে উলংগ হৈ গা ধুই থকা দৃশ্য এটিও দেখিছিলো। সেই সময়ৰ চীনৰ যি চাৰি গৰাকী সৌন্দৰ্য ৰাণী আছিল, তাৰে কোৱাই ফি' আছিল অন্যতম। কিন্তু, আউবুন হাৱৰ মানস প্ৰতিমা কোৱাই ফিৰ চকুত সেযা কিহৰ ছাঁ?

এটা অদ্ভুত দৃশ্যও চকুত পৰিছিল — চীনা ভিক্ষু টং শাম চুঙৰ ভাৰত যাত্ৰাৰ এক অপূৰ্ব দৃশ্য। বগা ঘোঁৰাৰ ওপৰত ভিক্ষু টং শাম চুঙ। হাতত শাস্ত্ৰৰ পুথি দুয়ো কাষে সৈনিকৰ ভিৰ। উদ্দেশ্য সেই একেই পৰমজ্যোতিৰ অন্বেষণ।

চকী এখনত বহি থকা লাম চেক প্ৰতিমূৰ্তি এটাও হংকঙৰ টায়গাৰ বামত দেখিছিলো। চীনৰ কানিৰ যুদ্ধৰ নেতা লাম চেক চিউ। ইংৰাজী ব্যৱসায়ৰ পৰা কানি আনি জুই লগোৱা লাম চেক চিউয়ে আৰম্ভ কৰিছিল এই 'কানি যুদ্ধ'। এই যুদ্ধত জয়ী কোন হৈছিল? লাম চেক চিউ জয়ী হৈছিল নে? শুনা যায় বৃটিছৰহে জয় হৈছিল।

এটা সময়ত মাউণ্ট ফাবেৰৰ 'কেবল কাৰ'ত উঠি দক্ষিণ সমুদ্ৰৰ এই পোতাশ্ৰয়ৰ অপূৰ্ব দৃশ্য লক্ষ্য কৰিলো। 'কেবল কাৰ'ৰ এটা ষ্টপেজৰ প্ৰাচীৰ এখনত 'পোষ্টাৰ প্ৰতিযোগিতা'ৰ বিজ্ঞাপন এখন দেখা পালো। ছাত্ৰ-ছাত্ৰীসকলৰ বাবে আছিল এই প্ৰতিযোগিতা।

'আউবুন হাৱে' কৰি থৈ যোৱা পৃথিৱী বিখ্যাত 'হাউছ অব জেদ'ত চাঙ আৰু চিঙ বংশৰ মূল্যবান জেদ সমূহ চাই যেতিয়া হোটেললৈ উভতি আহিলো, গধূলি হৈছিল। কাৰটুং পাৰ্কৰ বিচ্ গছ এজোপাৰ ওপৰত চন্দ্ৰৰ দেহৰ এবখলা ওলমি আছিল।

## ক'ত সেই ছাংহাই গাউন?

ৰাতি খোৱা-বোৱা কৰি উঠি ম-. লাইকাউছৰ সৈতে হোটেলৰ সন্মুখৰ কাৰটুং পাৰ্কত বহিলো। কুমাৰস্বামীয়ে ৰাজ আৰু কামাৰকো পাৰ্কত টহল দি থকা দেখিলো। দেশ-বিদেশৰ টুৰিষ্টৰ ভিৰে মুখৰ কৰি ৰাখিছে হোটেলৰ প্ৰাঙ্গণ।

মিষ্টাৰ কামাৰ আগবাঢ়ি আহিল। তেওঁ আমাৰ লগতে বেঞ্চৰ এটা মূৰত বহিলহি। এইখিনি সময়ত কামাৰৰ সহচৰ্য বেয়া নেলাগিল।

— কালি ৰাতিপুৱা কলৈ যাব? ক'লো,

— "চীনা জাঙ্কেৰে মই পোতাশ্ৰয় ভ্ৰমিম অৰ্থাৎ সেই প্ৰখ্যাত 'ৱাটাৰ টুৰ'লৈ যাম।"

— "তেতিয়াহ'লে আপুনি জাপানী সৈন্যৰ আত্মা বিচৰণ কৰি ফুৰা সেই ক্ষুদ্ৰ

ক্ষুদ্ৰ দ্বীপকেইটা দেখা পাব?"

কাইকাউছে প্ৰশ্ন কৰিলে —

— "আপুনি কলৈ যাব?"

— "চাইনা টাউন!"

— "চাইনা টাউনৰ বিষয়ে বহুত লোকৰঞ্জক কথা শুনা যায়!"

— "লোকৰঞ্জক কথা শুনা যায় এইবাবেই যে বহুত চীনা লোকৰ ককাক আৰু আজোককাকৰ অস্থিচৰ্ম সেই ভূমিত লিপিট খাই আছে। সিহঁতৰ সৰহ ভাগেই শ্ৰমিক বনুৱা! — ভাগ্যৰ অন্বেষণত ছিন্নমূল হোৱা ব্যক্তি।"

কাইকাউছে প্ৰশ্ন কৰিলে —

— 'শুনিছো তাত একোটা কিউবিকল ঘণ্টা হিচাবে ভাৰা লৈ থকা মানুহো আছে — '

কামাৰে বিজ্ঞৰ দৰে ক'লে।

— "ছিঙ্গাপুৰৰ আটাইতকৈ ৰহস্যময় ঠাই সেইবোৰ! ৰ'পাল্ড মেৰ্কীয়ে তেওঁলোকৰ কথা কি লিখিছিল জানানে?

"They are even more pragmatic than Australians The only thing that stirs them emotionally is to make a handsome profit on any deal They see little merit in preserving anything from the past - no matter how historically important or beautiful, since, history to them means poverty, hunger and exploitation " শুনক — সেই

"Nanyang" চীনা কুলিসকলে এই দক্ষিণ-পূব এচিয়াত বৃটিছৰ বাবে হেনো সীমাহীন অৰ্থভাণ্ডাৰ মুকলি কৰিছিল।

হঠাৎ আমাৰ আগেৰে তিনিজন ভ্ৰমণকাৰীৰ লগত এগৰাকী তিৰোতাক আগবাঢ়ি যোৱা দেখিলো।

মহিলা গৰাকীৰ সাজ-পাৰত কোনো শালীনতা নাই। ভৰি দুখন উদং। চকুট ৰুপি ৰুপি বে-পেবোৱা ভাৱে তাই তিনিওজন ভদ্ৰলোকক সমানে আকৰ্ষিত কৰাৰ চেষ্টাত মগ্ন হৈ আছে।

কামাৰে ক'লে —

— "ছাংহাই গাউন অৰ্থাৎ চীনা তিৰোতাৰ চেনগাছম এতিয়া অদৃশ্য হৈ গৈছে— সেই চান্দু অৰ্থাৎ চিলা ব্লাউজবোৰো এতিয়া সিহঁতৰ 'চপষ্টিক'ৰ লগত একেপ্ৰকাৰ উধাও হৈ গৈছে।"

এটা সময় আছিল — যেতিয়া চীনা মহিলা সকলৰ 'চেনগাছম'ৰ উন্নততাৰ লগত আমি কোন গৰাকী মহিলা কিমান সভ্য গম পাইছিলো

জোনাকৰ পোহৰত বিচ্ গছৰ তলত আৰু দুটামান ছাঁয়ামূৰ্তি দেখা পালো। লগে লগে 'খৃষ্টিনা ডায়ৰ' নামৰ সেই প্ৰখ্যাত আতৰটিৰ সুবাস চাৰিওফালে বিয়পি পৰিল!

কামাৰে ক'লে —

- "সৌ ছাঁয়ামূৰ্তি কেইটাক এতিয়া ভূত যেন লগা নাই নে। শুনক — সেই চিন চিউ' 'আপাৰ নানকিন ষ্ট্ৰীট' আৰু 'ইউ টংগ সেন ষ্ট্ৰীটৰ' চামচুইছৰ পৰা অহা চীনা কুলিৰ তিৰোতাবোৰে ক'লা চাম্ফু ঢিলা ব্লাউজ, পিন্ধি ডকলৈ গৈ সাগৰৰ বতাহ উপভোগ কৰিছিল। সিহঁতৰ ছাংহাই গাউনে সাগৰৰ বতাহৰ লগত জোট-পোট খাইছিল।"

লাহে লাহে 'কাৰটুং পাৰ্ক'ত 'ৰাতিৰ সাম্ৰাজ্য'ৰ সৃষ্টি হ'ল। নগ্ন দৃষ্টিৰে বহি থকা আৰু অসম্ভব হৈ পৰিল।

আধা পোহৰ আধা আন্ধাৰত দেখা প্ৰায় অৰ্দ্ধ উন্মুক্ত এই নাৰী দেহবোৰক একো একোটা জিৰাফৰ দেহৰ দৰে ভাব হ'ল।

এই নিচা কৰা জিৰাফৰ দেহবোৰৰ হাঁহি-খিকিন্দালি।। আঃ।

এৰা ক'ত সেই 'ছাংহাই গাউন' আৰু ঢিলা 'চাম্ফু ব্লাউজ'?"

আমাৰ ওচৰৰ বেঞ্চি এখনত মহম্মদ মুছা বহি আছিল। তেওঁক উঠি যোৱা দেখিলো। মুছাই ইতিমধ্যে দক্ষিণৰ ভ্ৰমণকাৰী সকলৰ লগত অহা ফটোগ্ৰাফাৰ ছাত্ৰ এটিৰ লগত বন্ধুত্ব আৰম্ভ কৰিছিল।

হঠাৎ কামাৰে আৰ্তনাদ কৰি উঠিল —

-- "চাওঁক সৌজনী তিৰোতা চাওঁক।"

আমাৰ নিচেই ওচৰৰ বেঞ্চ এখনত এজন যুৱকৰ সৈতে অন্তৰঙ্গভাৱে বহি থকা তিৰোতা এজনী চকুত পৰিল।

কামাৰে ক'লে —

-- কেনে ভৰপূৰ দেহ দেখিছেনে। যেন নবেম্বৰ মাহৰ ছিন্নাপুৰ নদী "

মই মূৰ দুপিয়ালো।

কামাৰে ঢেকুঢেকাই হাঁহিবলৈ ধৰিলে—

মই প্ৰশ্ন কৰিলো —

-- "হাঁহিছে কিয়?"

— "হাঁহিবলগীয়া কথা হৈছে — অৰ্থাৎ সেই গৰাকী আপুনি ভাবি অহাৰ দৰে তিৰোতা নহয়। সেইবোৰ 'বুগিছ ষ্ট্ৰীটৰ' 'মেন গাৰ্ল'। অৰ্থাৎ পুৰুষ-তিৰোতা।"

কাইকাউছে ক'লে —

— "ইন্দোনেচীয়াৰ সুলাৱেছিৰ জলদস্যু আৰু নাবিকসকলৰ নামেৰে নামকৰণ কৰা সেই 'বুগিছ ষ্ট্ৰীট'?"

— হয় হয় সেয়ে 'বুগিছ ষ্ট্ৰীট' ? এইবোৰ নপুংসকসকলৰ দল দেখিছে আধা

আন্ধাৰ আধা পোহৰত জিৰাকৰ দৰে লগা সৌ নপুংসকৰ দলটোলৈ চাওক। তিৰোতাৰ দেহ এটি পাবৰ বাবে সিহঁতে পৃথিৱীৰ সকলো কষ্ট নীৰৱে সহ্য কৰিব পাৰে!

দোভাগ ৰাতি এই 'বুগিছ ষ্ট্ৰীটত' 'হাৱাইআন কিছ্‌ ছাৰ্ট' পিন্ধা আমেৰিকান টুৰিষ্টক জাপানী ব্যৱসায়ীৰ লগত মহগুল হৈ থকা দেখিব। আৰু সেই বৃটিছ সৈনিক সকল? সিহঁতৰ কথা থাকক বাৰু   ষ্ট্ৰীট ফটোগ্ৰাফাৰৰ দলসমূহৰ বিচিত্ৰ ভাৱভঙ্গী,   এটা মুহূৰ্তৰ ভিতৰত হেজাৰ গেলন শীতল বীয়েৰ শেষ হৈ যাব . আৰু সেই ভঙা গ্লাছৰ টুকুৰাৰ দৰে লগা 'কেন্‌টনিজ স্নেক্‌ছবোৰ'   ?

কাইকাউছে প্ৰশ্ন কৰিলে —

— ব'শাল্ড মেকিয়ে কৈ যোৱা কথা আপোনাৰ মনত আছে নে মানে চাইনা টাউনৰ সেই 'ছিক্ৰেট ছ'চাইটি'বোৰৰ বিষয়ে তেওঁ ৰহত কথা কৈছে মনত আছে নে আপোনাৰ?

কামাৰে ক'লে —

These societies have played a disruptive role in Singapore's social history and are pale descendants of the Triad Society of Hung League of South China, which was formed in the seventeenth century to help overthrow the "Ching and restore the Ming "

— শুনক এনে ধৰণৰ ৰহস্যময় 'ছিক্ৰেট ছ'চাইটি'ৰ লগত প্ৰায় পাঁচ হেজাৰ মানুহ জড়িত হৈ আছে। প্ৰায় এহেজাৰতকৈ অধিক সভ্যই নানা অপৰাধমূলক কামত লিপ্ত হৈ কাৰাগাৰত বাস কৰিছে। . চাইনা টাউনৰ এক ৰহস্যময় গহ্বৰত এইবোৰ ছ'চাইটিয়ে কেনেদৰে শিপা মেলি আছে জানেনে?

খিলখিলনীয়া হাঁহিৰে আকৌ এই কাবাটুং পাৰ্ক মুখৰ হৈ উঠিল। আমি উভতি চালো   তিনিগৰাকী তিৰোতা আমাৰ নিচেই ওচৰৰ বেঞ্চ এখনত আহি বহিল। ৰাতিৰ অন্ধকাৰ আৰু পোহৰৰ মাজত সিহঁতৰ দেহবোৰ আকৌ জিৰাকৰ দেহৰ দৰে লাগিল

কামাৰ কিছু উৎসাহিত হৈ পৰিল। কাইকাউছ উঠি গ'ল।

কামাৰে ক'লে —

— "এই শতিকাৰ আৰম্ভণিত ছিঙ্গাপুৰৰ এই মালয় ষ্ট্ৰীট বৰ কেলেংকাৰীৰে ভৰা আছিল। ইউৰোপীয়ান বাৰবনিতাবোৰৰ মনৰ শিপা আছিল .. ৰভাৱে পতৰ দৰেই আছিল। শুনা যায় দিন দুপৰতে সিহঁতে বাজ আনিলে ওলাই গৈ কাজিয়া কৰিছিল, চুলিয়া-চুলি, দৰৰা-দৰবি! . চীনাসকলে ভয় খালে আৰু বৃটিছে যেনো বগা তিৰোতাবোৰক চাইনা টাউনৰ মালয় ষ্ট্ৰীটৰ পৰা গতিয়াই পঠিয়ালে! শেষত এওঁলোকৰ ঠাই ললে জাপানৰ শিক্ষিত বাৰ বনিতাইতে।"

আমাৰ ওচৰত বহি থকা তিৰোতা কেইগৰাকীৰ হাঁহি - অনকা বাঢ়ি আহিল। সম্ভৱ যি কেইজন পুৰুষৰ বাবে সিহঁতে অপেক্ষা কৰিছিল সিহঁত আহি পালে   ! মই

উঠিব খুজিলো। কামাৰে কিন্তু নেৰিলে

— "শুনক দ্বিতীয় মহাযুদ্ধৰ সময়ত এই তিৰোতাবোৰে মহানগৰত পিয়াপি দি ফুৰিছিল — বিশেষকৈ লাভেণ্ডাৰ ষ্ট্ৰীটত সিহঁতৰ আড্ডা আছিল তেতিয়া 'ছাংহাই গাউন' পিন্ধি সিহঁতে নিজৰ নিজৰ বিস্নাত বহি গ্ৰাহকৰ বাবে অপেক্ষা কৰিছিল।"

— "বিস্নাত?"

— এৰা ৰাতিৰ সেই 'বিস্না পেৰেড' বৰ বিচিত্ৰময় কথা আছিল সেইবোৰ

— "কিন্তু কি শুনা যায় জানে?"

— "কি?"

— "ৰ'ণাল্ডে কোৱা মতে ছিঙ্গাপুৰৰ সেই হালধীয়া সভ্যতাৰ সময়ত পি-এ-পি চৰকাৰে এই বাৰবনিতা আৰু মগনীয়াবোৰক আলিবাটৰ পৰা খেদি পঠিয়ালে। এতিয়া কমিউনিষ্ট পাৰ্টিৰ লগতে সেই লেভেণ্ডৰ ষ্ট্ৰীটৰ 'ছাংহাই গাউন' পিন্ধি গ্ৰাহকৰ বাবে ৰিস্নাত বহি অপেক্ষা কৰা তিৰোতাবোৰো উধাও হৈ গৈছে।

● ● ●

এদিন 'বি-বি-চি'ৰ ফটোগ্ৰাফাৰ মিষ্টাৰ আৰু মিছেছ শৰ্মা আৰু মই ছিংগাপুৰৰ বিখ্যাত বজাৰ 'চেঞ্জ-এলে' উদ্দেশ্য কৰি ৰাওনা হলো। সমগ্ৰ পৃথিৱী ঘূৰি ফুৰা শৰ্মাৰ সেই ঠাইৰ বিষয়ে বহুত বিচিত্ৰ অভিজ্ঞতা আছে। আহিবৰ সময়ত তেওঁ কৈছিল —

— "আপোনাৰ ইণ্ডিয়ান কাৰেন্সি ইত্যাদি কিবা যদি আছে লগত লওক। মাণি 'চেঞ্জাৰ'বোৰ চুকে-কোণে পিয়াপি দি দি ফুৰে সিহঁতে বহুতক বিপদৰ পৰা উদ্ধাৰ কৰে।"

ঘ'ৰৰ বন্ধু এজনে ছিঙ্গাপুৰত জমা ৰখা কিছু ছিঙ্গাপুৰী ডলাৰ ড্ৰাফট্ এখন দিছিল। অসুবিধাত পৰিলে সেইখন ভঙাই লব পাৰিম বুলি কৈছিল। কিন্তু বহুত ঠাইত ঘূৰিও কেইটামান ক্ৰটীৰ বাবে মই সেইখন ভঙাব পৰা নাছিলো। এই 'হুণ্ডী'খন মই ভেনিটি বেগৰ ভিতৰত সুমুৱাই লৈছিলো।

এটা সময়ত পৃথিৱীৰ আটাইতকৈ ঠেক — অথচ আটাইতকৈ আকৰ্ষক এই গলিত ভৰি দিলো!

মানুহৰ ভিৰত ভিতৰত সোমোৱাই একপ্ৰকাৰ অসম্ভৱ। বিচিত্ৰ বস্তুৱে ঠাহ খাই আছে।

— "কি নাই ইয়াত? চেঞ্জ এলেত চব আছে আৰবৰ উটৰ গাদীৰ পৰা আৰম্ভ কৰি কেনিয়াৰ ড্ৰাম ব্ৰহ্মদেশৰ কৰী শান প্ৰদেশৰ হাতৰ কাম কৰা জোলোঙা, গিয়েনো আৰু চীনৰ ৰ'ঙ উডৰ গৰখীয়া আৰু ম'হগুৱালৰ প্ৰতিমূৰ্তি, কেলেটানৰ মাছমৰীয়াৰ প্ৰতিমূৰ্তি আৰু জাপানৰ সেই পুতলাবোৰ?"

কি নাই ইয়াত?

দৰ্শকৰ ৰেহৰূপ চাই থকা মানি চেঞ্জাৰ কিছুমান দেখা পালো। তাম বৰণীয়া দেহা ধূৰ্ত চকুৰ দৃষ্টি। ভাৰতীয় নে আৰবৰ মানুহ ভালদৰে ধৰিব নোৱাৰিলো।

এটাৰ ওচৰলৈ আগবাঢ়ি গ'লো।

সি বৰ আগ্ৰহেৰে সুধিলে

— "কিবা সহায় কৰিব পাৰিম নে?"

— এইখন 'হুণ্ডী' মই ক'তো ভঙাব নোৱাৰিলো একাউণ্ট থকা মানুহৰ নামতহে জমা হ'ব।

এটা দুটাকৈ মৰাশৰ গোন্ধ লৈ ফুৰা শগুণৰ দৰে আৰু কেইটামান 'মানি চেঞ্জাৰে' আহি মোক বেৰি ধৰিলে। সকলোৱে হুণ্ডীখন পৰীক্ষা কৰি চালে।

— "আমি 'হুণ্ডীখন' ভঙাই দিম — কিন্তু আমাক অলপ সৰহকৈ কমিচন দিব লাগিব।"

মই মান্তি হলো। বাকীখিনি কামৰ বাবে সিহঁতৰ এক মুহূৰ্ত্তও সময় নেলাগিল।

চেঞ্জ এলেৰ এই পৃথিৱী বিখ্যাত গলিলৈ আমি আগবাঢ়ি গ'লো। আহ্ কিহৰ গোন্ধ এয়া সিজোৱা গাহৰীৰ মাংসৰ গোন্ধ কেঁচা আদাৰ গোন্ধ জলকীয়াৰ 'চচ'ৰ এক অনন্য সংমিশ্ৰিত সুবাস। কি নাই ইয়াত?

এৰা কি নাই ইয়াত?

'ডিপাৰ্টমেণ্টল ষ্টৰ' এখনলৈ গৈ নিজকে একপ্ৰকাৰ হেৰুৱাই পেলোৱাৰ দৰে হ'ল।

এৰা কি নাই ইয়াত?

আফগানিস্থান দক্ষিণ পাৰ্ছিয়াৰ যাযাবৰ সকলৰ হাতী আৰু ঘোঁৰাৰ চিহ্ন অঙ্কিত পৃথিৱীৰ আটাইতকৈ প্ৰাচীন বুখাৰা, দলিচা, চীনৰ প্ৰখ্যাত টিয়েণ্টচিন দলিচা। 'প্ৰিলেছ থাই' 'কোৱান ইন,' চুলতান, 'ছিঙ্গাপুৰ গাৰ্ল মে লিঙকে' আদি কৰি ছিঙ্গাপুৰত তৈয়াৰী হুপবো অধিক আতৰ! নানা বিচিত্ৰ 'উইগ' কিন্তু ক'ত সেই 'হ্যাংহাই গাউন' ?

এৰা ক'ত সেই হ্যাংহাই গাউন?

লাহে লাহে মানুহৰ কলৰৱ বাঢ়ি আহিছে। পেট টিপি দিলে খিলখিলকৈ টেকটেকৈ হাঁহা লাফিং বুদ্ধৰ অট্টহাস্যৰ ধ্বনিক চেৰ পেলাই বিভিন্ন জাতি উপ জাতিৰ কলৰৱত এতিয়া 'চেইঞ্জত প্ৰলে' মুখৰ হৈ উঠিল।

ডিপাৰ্টমেণ্টল ষ্টৰ' এখনলৈ গৈ মই চীনত কৰা ষ্ট্ৰাণ্ডিষ্টৰ কিছুমানৰ দাম সুধিলো

— "পাঁচ ডলাৰ!"

— পাঁচ ছিঙ্গাপুৰী ডলাৰ অৰ্থাৎ কুৰি টকা! এই হাত ঘড়ীবোৰ ..

— 'চীনত কৰা এই ঘড়ীবোৰ আৰু সস্তা দুকুৰি টকাতেই আপুনি এটা সুন্দৰ

হাত ঘড়ী কিনিব পাৰিব।'

— "আৰু সৌবোৰ কেমেৰা? যাচিকা ইলেকট্ৰো থাটি ফাইভ, আছাহি পেনটেক্স, নিকন, পলাৰইড, মিনলটা, ফুজিকা, ব্ৰাউন নিক্ৰো আৰু অজস্ৰ নাম। বি বি চিৰ ফটোগ্ৰাফাৰ মিষ্টাৰ আৰু মিছেছ শৰ্মাই কেমেৰাৰ দোকান এলানিৰ মাজত সোমাই ক'ত যে অদৃশ্য হৈ গ'ল মই একো গম নেপালো।"

কিন্তু 'ছাংহাই গাউন' ক'ত পাম মই? কেইবাখনো দোকানত বিচাৰ লোৱাৰ পাছত এটি বেপাৰীয়ে ক'লে —

— "আপুনি হাই ষ্ট্ৰীটলৈ যাওক নাইবা ৰাফেল প্লেচ — আৰু চেৰানগুণ ট্ৰডলৈ যাওঁক সেইবোৰ ঠাইত 'এছকেলেটৰ'বোৰে সাপৰ দৰে ক'ত গৈ আঁক-পাক খাইছে জানে নে? আপুনি নিশ্চয় 'ছাংহাই গাউন' তাত বিচাৰি পাব!"

'হুণ্ডী ভঙোৱা' টকাৰে মোৰ জোলোঙা পৰিপূৰ্ণ হৈ আছিল। মই 'ছাংহাই গাউন' বিচাৰি আগবাঢ়ি গ'লো।

## পোতাশ্ৰয়ত মালয় সৈনিকৰ আত্মাৰ প্ৰতিধ্বনি

অক্টোবৰ মাহৰ দুপৰীয়া। প্ৰাচীন 'চীনা জাঙ্কৰ' আৰ্হিৰে সজা বিলাস-নৌকা এখনত উঠি আমি পৃথিবীৰ এই চতুৰ্থ বৃহত্তম পোতাশ্ৰয়টি ঘূৰি - পকি চাবলৈ সাজু হ'লো। আমাৰ লগত স্কাণ্ডিনেভীয়া আৰু আমেৰিকাৰ টুৰিষ্ট এদলো আছিল।

পশ্চিমীয়া সাজ-পাৰ পিন্ধা দুজনীমান জাপানী ছোৱালীকো মেৰুৰাই থোৱা সুবৃহৎ পালৰ তলত বহি থকা দেখিলো। সিহঁতৰ কান্ধত কাৰুকাৰ্য কৰা টুৰিষ্ট বেগ। আৰ্মেনিকান যুবক টুৰিষ্ট কেইজনমানৰ সংগী হৈ আহিছে সিহঁত।

ওখ প্লেটফৰ্মৰ ওপৰত এটা মাইক সজাই থোৱা আছে।

আমি কাঠৰ বেঞ্চ বোৰৰ ওপৰত সহজ হৈ বহিলো। অলপ আঁতৰত মহম্মদ মুছা আৰু তেওঁৰ ছাত্ৰ বন্ধুটিক বহি থকা দেখিলো। ছাত্ৰটি তেনেই কোমল বয়সীয়া যেন ভাব হ'ল।

মাইকৰ ওচৰলৈ এজনী হৃষ্ট-পুষ্ট চীনা ছোৱালী উঠি গ'ল। এই 'ফেয়াৰ উইণ্ড' নামৰ 'ৱাটাৰ টুৰ'টি তায়েই চাগৈ পৰিচালনা কৰিব।

'চাইনিজ জাঙ্ক' খন ইতিমধ্যে টুৰিষ্টেৰে ভৰি পৰিল।

সকলোকে স্বাগতম জনাই চীনা ছোৱালীজনীয়ে ক'লে —

" The Fairwind is an authentic junk, modelled on traditional Chinese junks equipped with auxiliary engines, full safety facilities and modern comforts. The deck is specially laid out and converts for dancing

সাগৰৰ এই পৰ্যটন পালেগৈ বৰণীয়া পানীৰে 'ফেয়াৰ উইণ্ড' আগবাঢ়ি গ'ল। চীনা পৰিচালিকাই মাইকৰ ওচৰত থিয় হৈ নানা ধৰণৰ বাতৰি দিব ধৰিলে —

- - পৃথিৱী বিখ্যাত এই পোতাশ্ৰয়ত প্ৰায় দহ হেজাৰ পাঁচশ মানুহে দিনে-নিশাই কাম কৰে। আমি দক্ষিণৰ দ্বীপসমূহ আৰু এয়া-পোলাউ কুচু নামৰ দ্বীপৰ পিনে চাপলি মেলিছো

"সৌটো দ্বীপ দেখিছে নহয়? দুটা দ্বীপ জোৰা লাগি থকাৰ দৰে সৌৱা কুচু পোলাউ দ্বীপ ।

মই কাছৰ দৰে আকৃতিৰ এই দ্বীপটিলৈ মূৰ তুলি চালো।

— "শুনক চীনাসকলৰ মাজত এটা কিম্বদন্তি আছে — এইখিনিতে এবাৰ সাগৰৰ জাহাজ এখন ডুব গৈছিল। এটি ডাঙৰ কাছই নাবিক সকলক উদ্ধাৰ কৰি এইখিনিতে শিলাময় দ্বীপ এটি হৈ পৰি আছে। প্ৰাচীন 'হকিন্‌ছ সকলে' সেই ঠাইত এটা মন্দিৰ সাজি দিলে। চীনাসকলে তেওঁলোকৰ উৎসৱ সমূহত কাছৰ আকৃতিৰ পিঠা কৰি এই মন্দিৰত উৎসৰ্গা কৰে "

অস্তগামী সূৰ্যৰ পোহৰে সাগৰক পকা ডিমৰুৰ দৰে ৰহন সানি দিলে । বৰ ব্যস্ত এই পোতাশ্ৰয়। নানা বিচিত্ৰ বৰণৰ 'চি টেক্সি' নাওবোৰে নাবিক সকলক তদাৰক কৰি সাগৰৰ বুকুৰে দ্ৰুত গতিৰে অহা-যোৱা কৰি থকা দেখা গৈছে। 'ড্ৰাই ডক'ত বহুত জাহাজ পৰি থকা দেখিলো — মেৰামতিৰ কাৰণে বোধকৰো সেইবোৰ জাহাজৰ তেনেকৈ পেলাই থৈছে। সাগৰৰ মাজত মই ভাৰতীয় জাহাজ 'জল-জ্যোতি'কো স্থিৰ হৈ থকা দেখা পালো।

চীনা মহিলাই মাইকৰ ওচৰলৈ গৈ বৰ মনোমোহা ইংৰাজী উচ্চাৰণেৰে ক'লে--

- "সৌৱা সম্মুখৰ ফালে চাওক — সৌটো 'ছেইন্ট জন' দ্বীপ। এই সৰু সৰু দ্বীপবোৰক এতিয়া ভ্ৰমণকাৰীৰ স্বৰ্গ কৰি তুলিবলৈ সকলো ধৰণৰ প্ৰচেষ্টাকে হাতত লোৱা হৈছে।

এতিয়া তাত আফিং সেৱন কৰা লোকসকলৰ চিকিৎসাৰ কেন্দ্ৰ খোলা হৈছে। আপোনালোকে আমাৰ প্ৰখ্যাত চাইনা টাউনলৈ যদি গৈছে নিশ্চয় আফিঙৰ সুবাস উপভোগ কৰিছে।"

জাপানী ছোৱালী লগত লৈ অহা আমেৰিকান টুৰিষ্ট কেটাই ঢেকঢেকাই হাঁহিবলৈ ধৰিলে —

— আকৌ চাওঁক — সৌৱা ছেন্টচা বাওঁহাতৰ পিনে মূৰ তুলি চাওঁক ! দ্বিতীয় মহাযুদ্ধৰ মানুহে ধৰা কামান কিছুমানো আপোনালোকৰ চকুত পৰিব। এই কামানবোৰ 'ছেন্টচাত' সাজু কৰি ৰখা হৈছিল। কিন্তু জাপানী সৈন্যৰ কথা আপোনালোকক তো আৰু নতুনকৈ কোৱাৰ প্ৰয়োজন নাই। সেই দ্বিতীয় মহাযুদ্ধৰ সময়ত জাপানী চোৰাংচোৱাই চাইনা টাউন'ত পিয়াপি দি ফুৰিছিল। শুনা যায় ক্লাব ষ্ট্ৰিটৰ সেই প্ৰখ্যাত জোতা ভাল কৰা

মুছিয়াৰটোও জাপানী চোৰাংচোৱা আছিল। পিছলৈ সি হেনো সেনাধ্যক্ষ হৈছিলগৈ আমেৰিকান টুৰিষ্ট কেইটাই আকৌ ঢেকঢেকাই হাঁহিবলৈ ধৰিলে।

—"শুনক — ছেন্টচাৰ পুৰণি নাম আছিল 'ব্লাকাঙ্গ মাটি' অৰ্থাৎ মৃত্যুৰ গহ্বৰ। সেই নামেৰেই সোতৰ শতিকাত এই দ্বীপটি প্ৰখ্যাত আছিল। সোতৰ শতিকাৰ পৃথিৱীৰ মানচিত্ৰত আপোনালোকে 'ব্লাকাঙ্গ মাটি' বোলা এই দ্বীপটি স্পষ্টভাৱে দেখা পাব। মানুহৰ তেজ আৰু অস্থি-পুঞ্জেৰে অহৰহ এই দ্বীপটি ৰক্তাক্ত হৈ পৰিছিল।"

আমেৰিকান টুৰিষ্টে প্ৰশ্ন কৰিলে —

— "কি কাৰণে ?"

— "ব্লাকাঙ্গ মাটি জলদস্যুৰ আড্ডা আছিল। নানয়াঙ্গৰ পিনে আগবঢ়া চীনা বনিকৰ জাহাজবোৰৰ ওপৰত সিহঁতে জপিয়াই পৰিছিল — জলদস্যুহঁতে ক্ষুদ্ৰ ক্ষুদ্ৰ অজস্ৰ নাৱেৰে গৈ এই মন্থৰ গতিৰে আগবাঢ়ি যোৱা চীনা বনিকৰ বৃহৎ জাহাজবোৰ আক্ৰমণ কৰিছিল। সেই বাবে বেছি ভাগ বনিকে এই 'ব্লাকাঙ্গ মাটি'ৰে যাবলৈ সাহ্ নকৰিছিল — সিহঁতে জহোৰ ষ্ট্ৰেইটেৰেহে দীঘলীয়া বাট ধৰি বানিজ্যলৈ গৈছিল। জলদস্যুহঁতৰ হাতত বলি হোৱা মানুহৰ লাওখোলা আৰু জকাবোৰ সৌ সিদিনালৈ প্ৰদৰ্শনৰ বাবে থোৱা হৈছিল।"

আমেৰিকান টুৰিষ্ট এজনে প্ৰশ্ন কৰিলে —

— " প্ৰথম চৰকাৰী জলদস্যু চিকাৰী কোন আছিল ?"

বৰ উৎসাহিত হৈ চীনা মহিলাই ক'লে —

— "কেপল চাহাব আছিল প্ৰথম চৰকাৰী জলদস্যু চিকাৰী পিছলৈ তেওঁ 'ফ্লিট ছাৰ হেৰি কেপল' নামৰ জাহাজৰ এডমিৰেল হৈছিল। ১৮৪৩ খৃষ্টাব্দত তেওঁ চীনৰ 'কানিৰ যুদ্ধ' সমাপ্ত কৰি এই ছিঙ্গাপুৰ আৰু বৰ্ণিয়ৰ পানীত সন্ত্ৰাসৰ সৃষ্টি কৰা জলদস্যু চিকাৰৰ বাবে বদ্ধ পৰিকৰ হৈছিল। পিতলৰ কামান ব্যৱহাৰ কৰা এজাক জলদস্যু তেওঁৰ জালত পৰিছিল। কেপল চাহাবে পোতাশ্ৰয়ক এটি আধুনিক ৰূপদান কৰিছিল — তেওঁৰ নামেৰেই এই পোতাশ্ৰয় নামাকৰণ হৈছিল।"

দক্ষিণৰ ভদ্ৰলোক এজনে প্ৰশ্ন কৰিলে —

— "শুনা যায় দ্বিতীয় মহাযুদ্ধৰ সময়ত এই দ্বীপটিৰ যথেষ্ট মহত্ব আছিল ?"

— বহুত অষ্ট্ৰেলিয়ান, বৃটিছ আৰু ভাৰতীয় সৈনিক ১৯৪৫ চনলৈ তাত যুদ্ধ-বন্দী ৰূপে বাস কৰিছিল।

সৌ সিদিনাহে অৰ্থাৎ ১৯৬৭ চনৰ আগষ্ট মাহতহে যুদ্ধৰ স্মৃতিৰূপে বাকী ৰোৱা বন্দুক দুটা ইংলণ্ডৰ 'উল উইচ আৰ্ছেনাল'লৈ জাহাজত তুলি লৈ যোৱা হ'ল। দুয়োটা বন্দুক তাৰ মিউজিয়ামত ৰখা হ'ব! যুদ্ধত এই দ্বীপত বোমা পেলোৱা হৈছিল। গুলীবৰ্ষণেৰে ক্ষত-বিক্ষত হৈ পৰিছিল 'ব্লাকাঙ্গ মাটি'ৰ দেহ।

আমি ছেন্টচাৰ ওচৰ পালোহি। 'ব্লাকাঙ্গ মাটি'ৰ নাম সলনি কৰি কেতিয়াবাই ছেন্টচা ৰখা হ'ল। 'ছেন্টচাৰ' অৰ্থ হ'ল প্ৰশান্তিৰ দ্বীপ। এসময়ত জলদস্যু আৰু যুদ্ধই ৰক্তাক্ত কৰা 'ব্লাকাঙ্গ মাটি'ৰ নাম ছেন্টচা ৰাখি প্ৰাচীন ভয়ঙ্কৰ ইতিহাসক ছিঙ্গাপুৰবাসীয়ে পাহৰি থকাৰে প্ৰযত্ন কৰা দেখা গ'ল।

আমি ছেন্টচাৰ ওচৰ পালোহি — কেঁচা অমিতা ৰঙ্গীয়া এক অপূৰ্ব সেউজীয়া ৰঙে ছাতি এটি হৈ দ্বীপটিক শান্তিৰ ছাঁ'যা দি আছে। সাগৰৰ পিনে মুখ কৰি থকা কামানবোৰ শেলুৰৈ আৰু ৰনৰীয়া লতাই যেন লুকুৱাই ৰখাৰহে প্ৰচেষ্টা কৰিছে।

এই দ্বীপটিক টুৰিষ্টসকলৰ আকৰ্ষণৰ কেন্দ্ৰ কৰি তুলিবৰ বাবে ছিঙ্গাপুৰ চৰকাৰে কোনো প্ৰচেষ্টাকে বাদ দিয়া নাই। ছুইমিং লাগুন শামুকৰ প্ৰদৰ্শন আৰু সৌ ২৯০ হেক্টাৰ মাটিৰ সেউজীয়া ঘাঁহনি আৰু সেই হাহকণী বৰণীয়া বালি ওহো, কোনেও আৰু অতীতৰ ভয়ঙ্কৰ স্মৃতি ৰোমন্থন নকৰে।

ফেয়াৰ উইণ্ড' জাহ্ন আকৌ আগবাঢ়ি গ'ল। নিজীৱ চিতল মাছৰ পিঠিৰ দৰে লাগিল এই সময়ৰ সাগৰৰ বুকু! কোকাক'লা ছেভেন আপ (দক্ষিণ- পূব এচিয়াৰ প্ৰত্যেকখন ঠাইতে এই কোকাক'লা জাতীয় ছেভেন আপ ড্ৰিঙ্কটি ৰৰ জনপ্ৰিয় যেন ভাব হ'ল) বটলৰ ঠুংঠাং শব্দেৰে চীনা জাহ্ন মুখৰ হৈ উঠিল।

ইতিমধ্যে আধুনিক ছিঙ্গাপুৰৰ এক অপূৰ্ব দৃশ্য উন্মোচন হৈ উঠিল। মাইক হাতত লৈ চীনা মহিলাই ক'লে —

— "চাওক আপোনালোকৰ সম্মুখত সৌখন মালয় মাছমৰীয়া গাঁও।"

মূৰ তুলি চাই দেখিলো সৰু সৰু নাও কিছুমান মাগুৰ মাছে গড়িৰে অহা-যোৱা কৰি আছে। নাৰিকল গছৰ ছাঁ পৰা বালি এইখিনি সময়ত এখন মাছ মৰা জালৰ দৰে তল-মল কৰি আছে।

— চীনা মহিলাৰ কণ্ঠত আকৌ শুনা গ'ল —

— "এতিয়া কিছু সময় ইঞ্জিন বন্ধ কৰ আমি এই জাহ্নৰ পাল তৰিম . আপোনালোকেও ইচ্ছা কৰিলে আমাৰ এই চীনা নাৱৰীয়া কেইজনক পাল তৰাত সহায় কৰিব পাৰে "

আমেৰিকান টুৰিষ্ট, জাপানী ছোৱালী - সকলোৱে লগ হৈ জাহ্নৰ পাল খোলা দৃশ্যটি অতি মনোমোহা কৰি তুলিলে। লগে লগে 'ফেয়াৰ উইণ্ডে' সুৰ্য অন্তৰ সংগীত আৰম্ভ কৰি দিলে।

চীনা মহিলাই মাইকৰ ওচৰলৈ গৈ এইবাৰ উদাত্ত কণ্ঠেৰে কলে — আমাৰ যাত্ৰা লাহে লাহে শেষ হৈ আহিছে — আমি ব্লিকোৰ্ড পীয়েৰৰ ওচৰ পাইছোহি ........ আপোনালোকৰ সোঁহাতে সৌটো দ্বীপ দেখিছেনে? তাত দ্বিতীয় মহাযুদ্ধত বন্দী হোৱা মালয় সৈনিক এজনৰ প্ৰেতাত্মা ঘূৰি ফুৰে বুলি ছিঙ্গাপুৰৰ মানুহৰ বৰকুল ধাৰণা!

সূৰ্য অস্ত গৈছে। ধোৱা আৰু কুঁৱলীৰ মাজত মালয় সৈনিকৰ প্ৰেতাত্মা বিচৰণ কৰা দ্বীপটিয়ে এক ৰহস্যময় ৰূপ লৈছে। অকল তাতহে প্ৰেতাত্মাই বিচৰণ কৰে নে? ছেন্টচাত ? চাইনা টাউনৰ চীনা সকলে কয় ছেন্টচাতো বৃটিছ আৰ্টিলেৰীৰ সৈনিক, বুগিছ ৰাজাও আৰু ইআনাম নামৰ জলদস্যুৱে হত্যা কৰা চীনা বণিকৰ প্ৰেতাত্মাযো ঘুৰি ফুৰে

ব্যস্ত পোতাশ্ৰয় এৰি আমি 'ক্লিফোৰ্ড পীয়েৰৰ পিনে আগবাঢ়ি গলো। সেই 'ড্ৰাই ডক'ত পৰি থকা জাহাজ সমূহ সৰু সৰু সাগৰ টেক্সি সমূহ এৰা এই সকলোবোৰ এৰি আমি ক্লিফৰ্ড পীয়েৰৰ পিনে আগবাঢ়ি গলো মালয় সৈনিকৰ আত্মাই বিচৰণ কৰা দ্বীপটি লাহে লাহে অদৃশ্য হৈ আহিল।

# টকিঅ' ঃ টকিঅ' সোনালী

ছিঙ্গাপুৰৰ বিমান বন্দৰত মই মহম্মদ মুছাক তেওঁৰ সেই কোমল বয়সীয়া ছাত্ৰ বন্ধুটিৰ লগত লাউঞ্জত বহি থকা দেখিলো। এটা দুটাকৈ দক্ষিণৰ ভদ্ৰলোক সকলো আহিল। টি চি আইৰ' পৰিচালক মিষ্টাৰ ৰাজাই সকলোকে সম্বোধন কৰি ক'লে —

- " আমাৰ ফ্লাইট নম্বৰ হ'ল টি, জি 'ফৰ জিৰো টু'। প্ৰায় দুই ঘন্টাৰ মূৰত আমি থাইলেণ্ডত উপস্থিত হৈ বেঙ্কক বিমান বন্দৰত উৰাজাহাজ সলনি কৰিম। ফ্লাইট নাম্বাৰ এ-আই থ্ৰি, জিৰো, টুৰে আমি টকিঅ' অভিমুখে ৰাওনা হম।"

সকলোকে তন্ন তন্নকৈ পৰীক্ষা কৰি ৰাজাই কলে —

—"আপোনালোক সকলোৱে মোৰ হাতত এযাৰ প'ৰ্ট টেক্স দিলে নহয় নে ?"

আমি সকলোৱে হয়ভৰ দিলো।

বোৰ্ডিং কাৰ্ডবোৰ হাতত দি তেওঁ ক'লে —

—"যাওক ছিকিউৰিটি আৰু কাষ্টমছ পাৰ হওঁক।"

ছিকিউৰিটি কাষ্টমছ আদি পাৰ হৈ আমি শেষৰ লাউঞ্জত আহি বহিলো। আমাৰ দলৰ সকলোৰে হাতত তেতিয়া নতুন হাতঘড়ী জিক মিকাই আছিল। দক্ষিণৰ মহিলা সকলৰ গাত নতুন লাইনৰ শাৰী। সকলোৰে কান্ধত ওলমিছে নতুন কেমেৰা। দক্ষিণৰ ভদ্ৰলোকসকলে আকৌ ডিইতি ফ্ৰী দোকানবোৰত টহল দিব ধৰিলে।

এইবাৰ সকলোৰে আকৰ্ষণ পঞ্জীভূত হ'ল আতৰৰ কিছুমানৰ ওপৰত সৌৱা পেৰিছৰ খৃষ্টিয়ান ডায়ৰ বিচি, ৰচাছ, চেনেল, ডানহিল। আহ্ কি নিয়া যাব?

● ● ●

দক্ষিণৰ ভদ্ৰলোক সকলৰ কেইজনমানে প্লেনৰ ফাৰ্ষ্টক্লাছ কেবিনত বহিল। আমি 'ইকনমী ক্লাছৰ পিনে' আগুৱাই গ'লো। মোৰ সন্মুখত মহম্মদ মুছা আৰু সেই

ছাত্ৰজন বহিল। ছিটৰ তলৰ পৰা আলোচনী কেইখনমান উলিয়াই দুয়ো মছগুল হৈ পৰিল।

মোৰ কাষৰ ছিটত কামাৰ আৰু কুমাৰস্বামী বহিল। ফটোগ্ৰাফাৰ শৰ্মা আৰু তেওঁৰ পত্নীকো পাছৰ ছিটত বহি থকা দেখিলো।

● ● ●

এটা সময়ত পৃথিৱীৰ গছ-লতা ক্ষুদ্ৰ ক্ষুদ্ৰ হৈ পৰিল। সৰু সৰু দ্বীপবোৰ আকৌ পেট পেলাই থকা ঘৰিয়ালৰ দৰে দেখা গ'ল। ঠিক এইখিনি সময়তে সেই ভয়ঙ্কৰ ঘটনাটো ঘটিল। খিৰিকীৰ কাঁচেৰে মই মন্থৰ গতিৰে যোৱা মেঘৰ পাল দেখা পাইছিলো, এই মেঘৰ গতি এক মুহূৰ্ত্তৰ ভিতৰতে দ্ৰুত হৈ হৈ আহিল।

এক প্ৰচণ্ড শব্দ কৰি ডেৰ কুৰি ফুট তললৈ বিমানখন নামি গ'ল। যিবোৰ যাত্ৰীয়ে 'ছিট বেল্ট' বন্ধা নাছিল তেওঁলোকে ছিটৰ সন্মুখত হামখুৰি খাই বাগৰি পৰিল।

এক মুহূৰ্তৰ পাছত আকৌ সেই কাণ্ড ঘটিল। তাৰ পাছত আকৌ তাৰ পাছত

আৰ্তনাদ! হাহাকাৰ!

উঃ এয়া কি বিস্ময়কৰ পৰিস্থিতি । টাইটন ইয়'ৰ ছিট বেল্ট।

'নো' স্মকিং'

হঠাৎ জিলিকি উঠা এই ৰঙা আখৰ কেইটাই পৰিস্থিতি আৰু ভয়াবহ কৰি তুলিলে।

সান্তাক্ৰুজ বিমান বন্দৰত অক্টোবৰৰ বাৰ তাৰিখে ধ্বংসপ্ৰাপ্ত হোৱা 'কাৰাভেলে' খনৰ সিঁচৰিত হৈ পৰি থকা জাবৰ-জোথৰ সমূহ তেতিয়াও সম্পূৰ্ণৰূপে পৰিষ্কাৰ কৰা হোৱা নাছিল। আৰু সেই চিনাক্ত কৰিব নোৱাৰা মৃতদেহ সমূহ?

কি হ'ব? কি হ'ব এতিয়া?

আকৌ প্ৰচণ্ড শব্দ কৰি ত্ৰিশ ফুট তললৈ বিমানখন নামিল। লগে লগে ছিটৰ ওপৰৰ 'ছেল্‌ফ'ৰ কাগজ-পত্ৰ, বাকচ, বেগ ইত্যাদি চাৰিওফালে উফৰি পৰিল।

আৰ্তনাদ, হাহাকাৰ !!

শৰ্মাই তেওঁৰ পত্নীক সাবটি ধৰিলে — মহম্মদ মুছাই তেওঁৰ ছাত্ৰ বন্ধুটিক আকোৱালি ল'লে।

কাইকাউছে মোক বুজাবলৈ চেষ্টা কৰিলে —

—"বৰ বেয়া বতৰৰ বাবে 'এয়াৰ পকেট' কিছুমানৰ সৃষ্টি হৈছে, কোনো কোনো ঠাইত 'এয়াৰ প্ৰেছাৰ' একেবাৰে কম হৈ গৈছে. "

নাই নাই তেওঁৰ কথা শুনাৰ মনৰ অৱস্থা এতিয়া নাই। 'এভিয়েচন'ৰ এয়া কি হৈছে মই একো নাজানো।

কি কৰা যায় ?

'অক্সিজেন মাস্ক' ছিটৰ তলৰ 'লাইফ বেল্ট' ইমাৰজেঞ্চিৰ বাবে আৰু কি কৈছিল 'কে'ৰাভেল'ৰ ধ্বংসস্তূপ চিনাক্ত কৰিব নোৱাৰা মৃতদেহ ।

কি কৰা যায় ? কি কৰা যায় ?

সৌ সিদিনালৈ নিজকে জানো সাজু কৰি ৰখা নাছিলো ? চব পৰিস্থিতি স্বীকাৰ কৰি লম

চোৰৰ দৰে পিছে পিছে ঘূৰি ফুৰা মৃত্যুৰ ছাঁয়াক তেনেই চিনাকি বুলিয়েই স্বীকাৰ কৰি লম।

কিন্তু কি হল এয়া ?

মনৰ চব আয়োজন এই মুহূৰ্তত একেবাৰেই বৃথা হৈ গ'ল।

সৰ্বশৰীৰ কঁপি উঠিল।

বৰ বিকৃত কণ্ঠেৰে কোনোবাই এনাউন্স কৰা শুনা গ'ল —

"আমি বৰ বেয়া বতৰৰ মাজেৰে পাৰ হৈছো। আমি সকলোৰে ? আমি দুটা ছিটৰ আগত বহি যোৱা ভদ্ৰলোক এজন ধলি পৰিল ।

বিমানত উঠাৰ সময়ত এই বৃদ্ধ ভদ্ৰলোকজন মোৰ আগে আগে আগবঢ়াৰ কথা মনত পৰিল !

কিয় ঢলি পৰিল তেওঁ ?

কিন্তু এই মুহূৰ্তত কোনে কাক চাব ?

● ● ●

যেতিয়া এটিয়ে আনটিৰ মুখলৈ মূৰ তুলি চোৱাৰ অৱস্থা উভতি আহিল — তেতিয়া অৱশেষত বহুত পলম হৈ গ'ল। ছিটৰ তলত ঢলি পৰা মানুহজনক কেবিনৰ 'ক্ৰু'সকলে ধৰা-মেলাকৈ অহা-যোৱা কৰা ঠেক বাটটোত শুৱাই দিলে ।

উত্তেজিত হৈ কোনোবাই এনাউন্স কৰা শুনা পালো —

—"ইকনমী ক্লাছৰ যদি কোনোবা ডাক্তৰ আছে তৎক্ষণাতে আগবাঢ়ি আহক !"

দক্ষিণৰ পৰা অহা টুৰিষ্ট সকলৰ মাজত কেইবাজনো ডাক্তৰ আছিল। তেওঁলোকে পৰি থকা মানুহটোৰ ওচৰলৈ আগবাঢি গ'ল।

এজনে তেওঁৰ বুকুত বহি মালিছ কৰিব ধৰিলে। ... যাত্ৰী সকলৰ মাজত প্ৰচণ্ড উত্তেজনাৰ সৃষ্টি হ'ল !

এই উত্তেজনাৰ মাজতো মই দেখা পালো — ঢলি পৰা ভদ্ৰলোকৰ কাষত বহি অহা আমেৰিকান ভদ্ৰলোক এজনে টোপনিয়াই আছে ।

এই মহম্মদ মুস্তাই ডাক্তৰ কেইজনক সহায় কৰিবলৈ আগবাঢ়ি গ'ল।

কিন্তু ইতিমধ্যে চব শেষ হৈ গ'ল। বগা কাপোৰ এখনেৰে মৃতদেহ ঢাকি দিয়া হ'ল। বিস্ময়কৰ কথা এয়ে যে নিচেই কাষৰ সহযাত্ৰীৰ মৃত্যু হোৱা বুলি জানিও আমেৰিকান ভদ্ৰলোকজনে টোপনিয়ায়ে থকিল।

এনে অদ্ভুত নিৰ্লিপ্ততাত বিস্ময়াভিভূত নোহোৱাকৈ থাকিব নোৱাৰিলো !

● ● ●

ৰাতিৰ টকিঅ'ৰ ৰঙা-নীলা লাইটৰ সমাৰোহ দেখা গ'ল। .

এটা সময়ত আমি নিৰাপদে টকিঅ' আন্তৰ্জাতিক বিমান বন্দৰত উপস্থিত হ'লোঁ।

আমাৰ হেলথ্ কাৰ্ড পাছপৰ্ট ইত্যাদি তন্ন-তন্নকৈ পৰীক্ষা কৰা হ'ল। ছিকিউৰিটি কাউন্টাৰৰ ওচৰত লিখি থোৱা দেখিলো — "বাংলাদেশ আৰু আফ্ৰিকাৰ পৰা অহা যাত্ৰীসকল তৎক্ষণাতে হেলথ্ কাউন্টাৰত উপস্থিত হওঁক !"

টুৰিষ্ট গাইড মিছেছ মাচাই আমাক সম্ভাষণ জনাবলৈ হাঁহিমুখে থিয়হৈ আছিল। মাচাৰ গাত অৱশ্যে মই কিমনো দেখা নেপালো। তাই পশ্চিমীয়া সাজ-পাৰ পিন্ধি আহিছে। চুটি-চাপৰ মানুহ। বৰ উৎফুল্ল হৈ আমাক সম্ভাষণ জনালে যদিও চকুৰ গুৰিৰ ৰেখা কেইডালে যেন সোঁৱৰাই দিলে — তাই কিছু ভাড়াক্ৰান্ত !

শীত-তাপ নিয়ন্ত্ৰিত টুৰিষ্ট বাছেৰে আমি পৃথিৱীৰ এই দ্বিতীয় বৃহত্তম চহৰৰ মাজেৰে প্ৰেণ্ড হোটেল অভিমুখে ৰাওনা হ'লো। লাইটৰ মালা সৌৰোৰ 'কংক্ৰিটৰ জঙ্ঘল'ৰ মাজত যেন জোনাকী পৰুৱা !

মাইকৰ সন্মুখত মিছেছ মাচা থিয় হ'ল ! ক'লে —

—"টকিঅ' বৰ জনপ্ৰিয় চহৰ ! আমাৰ জপানী সকলৰ মাজত এই টকিঅ' কিহৰ বাবে প্ৰখ্যাত জানেনে ?"

সকলোৱে সমস্বৰে চিঞৰি উঠিল —

—"কিহৰ বাবে ?"

জাপানী সকলৰ অল্প সংখ্যক লোকেহে শুদ্ধ উচ্চাৰণেৰে ইংৰাজী কব পাৰে। মাচাই কিন্তু শুদ্ধ ইংৰাজীৰে কলে —

— "টকিঅ'ক বিশেষকৈ চাৰিখন সাগৰৰ মহানগৰ বোলে ... চিটি অব কনফিউশ্বন, কনজাম্‌শ্বন। কাৰ'ছ আৰু কোকাক'লা

সকলোৱে সমস্বৰে ঢেকঢেকাই হাঁহিব ধৰিলে।

মহম্মদ মুছাই প্ৰশ্ন কৰিলে —

— "ইয়াত 'ছেভেন আপ' নচলে ?"

— "চলে 'ছেভেন আপ' চলে । আকৌ কলে মাচাই

— "১৬০৩ খৃষ্টাব্দৰ পৰা টকিঅ' জাপানৰ ৰাজনৈতিক, অৰ্থনৈতিক, সাংস্কৃতিক

কেন্দ্ৰ স্বৰূপ হৈ আছিছে।"

কোনোবা এজনে প্ৰশ্ন কৰিলে —

—"লোক সংখ্যা ?"

—"এথাৰ 'মিলিয়ন' অৰ্থাৎ এককোটি দহ লাখ ! 'কংক্ৰিট'ৰ অৰণ্যৰে এয়া আমি কোনপিনে আগবাঢ়িছো একো ধৰিব নোৱাৰিলো।

কিন্তু ৰাতিৰ টকিঅ' ?

এক অনন্য কাহিনী।

— মহম্মদ মুছাই প্ৰশ্ন কৰিলে।

— "হাৰাকিৰি কৰি মৰা দুকুৰি সাতটা ৰনিনৰ অস্থিসমূহ ৰখা মন্দিৰটিলৈ আমি যাব পাৰিমনে ?"

মহম্মদ মুছাৰ প্ৰশ্ন শেষ নৌহওঁতেই আন এজনে প্ৰশ্ন কৰিলে -

— "হাৰাকিৰি কি ?"

মাচাই ক'লে —

— "কাহিনী বহুত দীঘল। আপোনালোকে এইখিনিকে জানি থওক যে এই হাৰাকিৰি অৰ্থাৎ আত্মহত্যাৰ অন্তৰালত এক অবিস্মৰণীয় আত্মোৎসৰ্গৰ কাহিনী বিৰাজমান।

মহম্মদ মুছাই প্ৰশ্ন কৰিলে —

— "কাহিনীটো চমুকৈ ক'ব নোৱাৰিনে ?"

— "১৭০১ খৃষ্টাব্দত ঘটিছিল সেই ঘটনা এজন সাধাৰণ 'ডাইমিঅ' অৰ্থাৎ সেনাধ্যক্ষক সহগণৰ (সম্ৰাটৰ) ৰাজসভাৰ বিষয়া এজনে এদিন বৰ বেয়াকৈ অপমাণিত কৰিলে। অপমানিত হৈ সেনাধ্যক্ষই তৰোৱাল উলিয়াই বিষয়াজনৰ বাহুত ঘাপ মাৰি দিলে। ইডো, অৰ্থাৎ প্ৰাচীন টকিঅ'ৰ ৰাজসভাৰ ভিতৰত তৰোৱাল উলিওৱাৰ গুৰুতৰ অপৰাধত দণ্ডিত হ'ল সেনাধ্যক্ষ — অৰ্থাৎ 'ডাইমিঅ'। সমগ্ৰ বিষয়-ৰিতাপ কাটি লৈ কৰ্তৃপক্ষই তেওঁক আত্মহত্যা কৰিবলৈ আদেশ দিলে।

— "আত্মহত্যা ?"

— "হয় হয় আত্মহত্যা! তেওঁৰ তলত থকা সুসজ্জিত ছামুৰাই (সৈনিক) সকলে প্ৰভুৰ এই শোকাবহ পৰিণতি দেখি স্তম্ভিত হ'ল। লগে লগে সিহঁতে সমাজত নিজৰ প্ৰতিপত্তি আৰু স্থান হেৰুৱাই ৰনিনত পৰিণত হ'ল। (পৰাকী হেৰুৱা ছামুৰাইক 'ৰনিন' বুলি কোৱা হৈছিল।) সিহঁতে প্ৰতিশোধ লবলৈ উদ্যত হ'ল। এই গোপন প্ৰতিশোধৰ আয়োজন দুবছৰ ধৰি চলিল। হঠাৎ এদিন ৰাতি এই দুকুৰি সাতটা ৰনিনে প্ৰভুৰ শত্ৰুৰ ঘৰত সোমাই তেওঁৰ বুকু ছিৰাছিৰ কৰি পেলালে। তেওঁৰ ছামৰাই সকলকো কাটি মাৰি পেলালে। প্ৰভু ভক্তিৰ এই অপূৰ্ব নিদৰ্শন দেখি সকলোৱে সমস্বৰে এই ৰনিনহঁতক জাতীয় বীৰ ৰূপে পূজা কৰিবলৈ ধৰিলে।"

আকৌ মহম্মদ মুছাই প্ৰশ্ন কৰিলে —

— "সিহঁতৰ শাস্তি?"

— "হয় হয় সিহঁতে নিজৰ মুৰৰ ওপৰত কফিন ওলমি আছে বুলি বৰ ভালদৰে জানিছিল। সিহঁতক কি শাস্তি দিয়া হ'ব — এই বিষয় লৈ চৰকাৰৰ মাজত বহুত তৰ্ক বিতৰ্ক চলিল। (শেষত সকলোৱে একমত হৈ ক'লে ) সিহঁতে ছেপাকু ক্ৰিয়াৰে সন্মানিত মৃত্যু বৰণ কৰক।"

— "ছেপাকু?"

— "এৰা সেয়ে 'হাৰাকিৰি' — নিজৰ পেট নিজে ফালি নাৰী ভুৰু উলিয়াই কৰা আত্মহত্যা? এতিয়াও টকিঅ'ৰ এক জনশূন্য মন্দিৰত এই দুকুৰি সাতটা 'ৰনিনৰ সমাধি শাৰী পাতি সজাই থোৱা আছে "

● ● ●

ইতিমধ্যে বাছ আহি গ্ৰেণ্ড হোটেলৰ দুৱাৰ মুখত উপস্থিত হ'ল। মাচাই ক'লে

"আমি ৰাতিপুৱা হোটেলৰ লাউঞ্জত উপস্থিত হ'ম। পুৱা আমি ডায়েট (অৰ্থাৎ পাৰ্লিয়ামেণ্ট) আৰু ১৯৬৯ত কৰা যুৱৰাজৰ ৰাজপ্ৰসাদ, মেইজি মন্দিৰ, ছিনজুকু বজাৰ, নেচনেল মিউজিয়াম আৰু আচাকোচাৰ প্ৰখ্যাত মন্দিৰৰ দৰ্শন কৰিম। শেষত আপোনালোকে ৰাতিৰ টকিঅ'ত বিহাৰ কৰিব পাৰিব ?"

প্ৰায় সকলোৱে সমস্বৰে চিঞৰি উঠিল —

— "হয় হয় আমাৰ ৰাতিৰ টকিঅ' চোৱাৰহে অত্যন্ত হেপাহ।"

কামাৰে ক'লে —

— বিশেষকৈ আকাচাকা আৰু 'বোপাঙ্গিৰ' যুৱক সকলৰ সেই নতুন বিনোদৰ কেন্দ্ৰসমূহ পৰিদৰ্শনৰ বাবে — আমাৰ অফুৰন্ত আগ্ৰহ।"

মাচাই এটা মধুৰ হাঁহি মাৰি হোটেলৰ এচুকত সজাই থোৱা 'টকিঅ' নাইট' টুৰৰ কাগজ কিছুমান উলিয়াই দিলে। পথৰ ক্লান্তি পাহৰি মই 'টকিঅ' গৰ্ডেন নাইট' আৰু টকিঅ' ছিলভাৰ নাইটৰ বৰ্ণনা পঢ়িলো। 'টকিঅ' গৰ্ডেন নাইট'ৰ বাবে লাগিব ন হেজাৰ আঠশ য়েন, টকিঅ' ছিলভাৰ নাইটৰ বাবে লাগিব আঠ হেজাৰ সাতশ য়েন।

প্ৰায়বোৰ মানুহেই কামাৰৰ মুখলৈ মুৰ তুলি চালে। সকলোৱে জানে কামাৰে বিদেশী মুদ্ৰাৰ গধুৰ টোপোলা এটা লগত লৈ ফুৰিছে।

মহম্মদ মুছা আৰু ছাত্ৰ বন্ধুটোৱে কথা পতা শুনা গ'ল—

— "কামাৰৰ কপাল ফুলিল।"

— "কামাৰৰ ব্যৱসায় বৰ ভাল হ'ব এতিয়া।"

— "ব্যৱসায়?'

— কিয় চিনি পোৱা নাই?

এতিয়া তেওঁ কি কৰিব জানে?

বিমান বন্দৰত এটা আমেৰিকান ডলাৰত দুশ নব্বৈ যেনকৈ পোৱা যায়। তেওঁ এটা ডলাৰত প্ৰায় এহেজাৰ য়েনকৈ গ্ৰহণ কৰিব চাই থাকক আপোনালোকে?

— 'তেতিয়াহ'লে ঘৰলৈ ওভতাৰ সময়ত?'

— 'বজা হৈ উভতিব?'

— 'কিন্তু কামাৰে কাষ্টমছত সাৰি যাব পাৰিব নে?'

— 'সাৰি নেযাব কিয়?'

এনেকুৱা মানুহ সদায়ে আছে সিহঁত বজা হৈ উভতি যায়।

চনচন চনচন শব্দ শুনা গ'ল বোধহয় বতাহে 'গিঙ্কু' গছবোৰ কোবাবলৈ আৰম্ভ কৰিছে।

মাচাই ক'লে —

— টামচাবাত চাগৈ বৰফ পৰিছে। যাওঁক, আপোনালোকে কাউণ্টাৰৰ পৰা চাবি লৈ যাওঁক বেছিকৈ শীত পৰাৰ আগেয়ে আপোনালোকে নিজৰ নিজৰ কোঠালৈ গৈ বিশ্ৰাম কৰকগৈ।

শুনক প্ৰত্যেকৰে কোঠাত 'মালটিচেনেল'ৰ কালাৰ টেলিভিশ্যন আছে। চব্বিশ ঘণ্টা প্ৰগ্ৰেম থাকে। গোটেই ৰাতি টেলিভিশ্যন চোৱাৰ প্ৰয়োজন নাই, কাৰণ কাইলৈ আমাৰ হাতত এটা দীঘলীয়া দিন আছে কাউণ্টাৰৰ পৰা চাবি লৈ তৃতীয় ফ্ল'ৰলৈ উঠিবলৈ লিফ্‌টৰ পিনে আগবাঢ়ি যোৱাৰ সময়ত মই হোটেলৰ একাষে থকা বাৰখনলৈ ভুমুকিয়াই চালো। ( এটা আৰ্টিফিচিয়েল পাহাৰৰ মাজত অভিনৱ ধৰণে সজা হৈছে এইখন 'বাৰ' সৌৱা সৌবোৰ ভৰপূৰ 'গিঙ্কু গছ' সঁচাকৈয়ে সেইবোৰ নকল গছ নে?)

ৰাতি এক বাজিছে। বৰ অন্তৰঙ্গ হৈ বহি পানীয় সেৱন কৰি থকা জাপানী দম্পতিৰ দল কিছুমান দেখা গ'ল। সৌৱা অভিনৱ ধৰণে সজাই থোৱা 'কিং অব কিংছ' — 'জনীৱাকাৰ ছুইং' স্কটছ অল্ড গ্ৰেণ্ড ডাড জেক ডানিয়েল কানাডিয়ান হুইস্কি, ছিগ্ৰাম 'হুবট নেপলিয়ান' কনেগ .. আহ্ আৰু কি সেইবোৰ? এই দোভাগ ৰাতি টকিঅ' গ্ৰেণ্ডৰ এইবোৰ বটল একোগছি বন্তি হৈ জিলিকিছে আৰু সৌ মানুহবোৰ সিহঁতে বেছি নীৰৱ হৈ আছে; যেন ভাব হয় সকলোৱে এই বন্তিৰ পোহৰত বহি কিবা মন্ত্ৰহে উচ্চাৰণ কৰিছে। . পূজা কৰিছে।

. মোৰ কোঠাটি খুলিলো। ভিতৰৰ দৃশ্য অপূৰ্ব। স্লিপিং ছুট জাপানী ষ্টাইলৰ নাইট গাউন, বেডৰুম স্লিপাৰ চব পৰিপাটিকৈ সজোৱা আছে। পৰিষ্কাৰ পৰিচ্ছন্নতাৰ তুলনা নাই। ... খিৰিকী খোলাৰ লগে লগে আকৌ টকিঅ' মহানগৰীৰ দৃশ্য চকুত পৰিল।

কংক্রিটৰ অৰণ্যত' জোনাকী পৰুৱাৰ দৰে চিত্র-বিচিত্র লাইট। ক'ত গৈ শেষ হৈছে এই অৰণ্য? টকিঅ'ত দোভাগ ৰাতি। অপূর্ব।

● ● ●

নবেম্বৰ মাহৰ চাৰি তাৰিখ। পুৱাৰ আহাৰ কৰি আমি শীত-তাপ নিয়ন্ত্রিত বাছত উঠিলো। মাচাই ড্রাইভাৰ আৰু আমাৰ মনোৰঞ্জনৰ কাৰণে ড্রাইভাৰৰ সহায়িকা হৈ অহা ৰূপহী ছোৱালী এজনী পৰিচয় কৰাই দিলে, — তাইৰ নাম মিচিকো। তাই হ'কাইতো আৰু হিৰোছিমাৰ বেলেড সমূহ সুৰ লগাই গাব পাৰে। তাইৰ পিনে মুখ তুলি চাই জাপানী ভাষাত ক'লো — 'জেন কি ৰাগ শী দেচ নেহ'।

(তুমি বৰ ধুনীয়া)

মাচাই ঢেকঢেকাই হাঁহি ক'লে —

—"উচ্চাৰণবোৰ ঠিক হোৱা নাই যদিও শুনিবলৈ বৰ ভাল লগা হৈছে।"

মিচিকোৱে ধন্যবাদ দি ক'লে — 'আহৰি গাহটোহ'। আমি আচাকোচাৰ ছেনচুজি মন্দিৰৰ পিনে আগবাঢ়িলো। আচাকোচাৰ বজাৰসমূহ 'খৃষ্টমাচৰ' বাবে আটকধুনীয়াকৈ সজোৱা হৈছে। বেলুন, পতাকা, ৰং বিৰঙৰ 'যশিটুকু পুতলা' আৰু লাফিং বুদ্ধৰ খিলখিলনি

ছেনচুজি মন্দিৰৰ গেটৰ ওচৰত স্বাগতম চিহ্ন অংকিত কিছুমান প্রকাণ্ড প্রকাণ্ড লেম্প দেখা পালো। মন্দিৰ প্রাঙ্গণৰ দুয়ো পিনে দুলানি দোকান এইবোৰ দোকানতো যশিটুকু পুতলা, ছাপুৰাইৰ হেলমেট ভাৰতৰ ওঁম চিহ্ন লিখি থোৱা পতাকা জকমকাই আছে।

মন্দিৰ প্রাঙ্গণৰ একাষে হাত ধুবলৈ লোহাৰ পাত্র এটিও থোৱা আছে। এই পাত্রৰ চাৰিওফালে জাপানী ভক্তৰ দল কিছুমানে হাত ধুই থকা দেখা গ'ল।

প্রাঙ্গণৰ সোঁমাজত প্রকাণ্ড ধূপদানি এটা জকমকাই আছে। ভক্তসকলে নিজ ইচ্ছামতে পাহাৰ সদৃশ ধূপৰ দম সমূহৰ পৰা একোমুঠি ধূপ লৈ ভগবান বুদ্ধক উদ্দেশ্য কৰি জ্বলাই দিছে।

মন্দিৰৰ ভিতৰত সোমাই দেখিলো গেৰুৱা কাপোৰ এখনেৰে বুদ্ধৰ প্রতিমূর্ত্তি ঢাকি থোৱা হৈছে।

শুনা যায় বুদ্ধৰ এই দুই ইঞ্চি দীঘল সোণৰ মূর্তিটি আচাকোচাৰ মাছমৰীয়া কিছুমানে জাল মাৰোতে পাইছিল। কিন্তু এই মূর্তিটি এতিয়াও ৰহস্য হৈ আছে। আজিলৈকে কোনেও এই মূর্তিটো নিজ চকুৰে দেখা বুলি ঘোষণা কৰিব পৰা নাই।

যেঙুনীয়া সাজেৰে সজ্জিত মন্দিৰৰ বৌদ্ধ ভিক্ষু সকলৰ পৰা আশীর্বাদ লৈ টকিঅ' চহৰ ঘূৰিবলৈ আমি আকৌ বাছত উঠিলো।

আমি ৰাজকীয় বাগিচাৰ মাজেৰে আগবাঢ়ি গলো —

মাচাই ক'লে --

"পথৰ দুয়োফালে থকা 'গিঙ্কু' গছবোৰ চাওক এয়া নবেম্বৰ মাহ, এতিয়া এই গছবোৰে হালধীয়া বৰণ ধৰিছে এই গছৰ গুটিবোৰ তেলত ভাজি খাবলৈ আমাৰ জাপানী মানুহে বৰ ভাল পায ।"

সোণাৰু গছৰ দৰে সোণালী বৰণ লোৱা 'গিঙ্কু' গছবোৰ বৰ মনোমোহা দেখা গ'ল।

আকৌ ক'লে মাচাই

---" এইখন বাগিচা বৰ্তমান ৰজাৰ ককাকে সজা। জাপানৰ আটাইতকৈ জনপ্ৰিয় সম্ৰাট আছিল তেওঁ।এই বিস্তৃত বাগিচা সাজিবলৈ জাপানৰ জনসাধাৰণে তেওঁক মুক্তহস্তে দান কৰিছিল। সুমিদা নদীৰ পাৰে পাৰে আমি আগবাঢ়িলো

মাচাই কলে --

-- 'চাওঁক, সুমিদা নদীৰ পানী চাওঁক। এসময়ত জাপানৰ গাইসাঁইতে এই সুমিদা নদীৰ পানীত নিজৰ সৌন্দৰ্যৰ প্ৰতিবিম্ব চাবলৈ আহিছিল আজি এই নদীৰ পানী গাইসাঁইতৰ দৰেই নিস্প্ৰভ ।

সুমিদা নদীলৈ উভতি চালো। নদীৰ দুয়োপিনে কংক্ৰিটৰ সেই একেই অৰণ্য চকুত পৰিল। দুই-এজোপা উইলো গছ সঁজাত বন্দী কৰি ৰখা একোটা ভাটৌৰ দৰে দেখা গ'ল।

আমি আৰু আগবাঢ়িলো। দুশ বৰ্গমাইল বিস্তৃত টকিঅ'ৰ গোটেইবোৰ অঞ্চল দুদিনৰ ভিতৰত পৰিদৰ্শন কৰা সম্ভৱ হব নে?

কোনোবাই প্ৰশ্ন কৰিছিল। মাচাই উত্তৰ দি ক'লে --

'অলিম্পিকৰ বাবে তৈয়াৰ কৰা ছুইমিং পুলটি আপোনালোকে চোৱা উচিত। টকিঅ' বিশ্ববিদ্যালয়ৰ অধ্যাপক টাঙ্গেৱে এই ছুইমিং পুলটিৰ নক্সা আঁকিছিল। শীতৰ দিনত এই পুল 'আইচ স্কেটিঙ'ৰ বাবে ব্যৱহাৰ কৰা হয়। চৰকাৰী আলহীঘৰ কৰি ব্যৱহাৰ কৰা পুৰণি ৰাজ প্ৰাসাদতে আহি আলহী হৈছিল।

কোনোবা এজনে প্ৰশ্ন কৰিলে,

— তুমি ৰাণীক চেৰীফুল দিছিলা নে মাচা?

● ● ●

আমি অধ্যাপক টাঙ্গেৰ ছুইমিং পুল চালো। টকিঅ' টাৱাৰ দেখি স্তম্ভিত হোৱা গ'ল। পেৰিছৰ ইফেল টাৱাৰতকৈও উচ্চ টকিঅ টাৱাৰ।এসময় ট্ৰেফিকৰ ছিগনেল হিচাপে আমেৰিকাই বগা আৰু কমলা ৰং ব্যৱহাৰ কৰিছিল। টকিঅ টাৱাৰকো এই একেই ৰঙে শোভা কৰা দেখা গ'ল।

মাচাক সুধিলো,

'কিহেৰে তৈয়াৰ কৰা হৈছে এই টকিঅ' টাৱাৰ?'

'নিপন্ ষ্টিল আৰু নিহন ককানৰ লোহাৰে। এইবোৰ লোহাৰ নাম দিয়া হৈছিল 'এছ্-এছ ফটিৱান'। চাৰি হাজাৰ টন লোহাৰে টাৱাৰটি তৈয়াৰ কৰা হৈছিল।

আন এজন তুৰ্কী ভদ্ৰলোকে মাচাক প্ৰশ্ন কৰা শুনা পালো

– "How many electric waves does Tokyo Tower transmit?"

— কিছু সময় চিন্তা কৰি মাচাই ক'লে --

– "It transmits seven waves for TV broadcasting, 2 waves for F M broadcasting and some waves for the Japanese National Railways etc "

আকৌ গ'ল তাই

"The tower is contributing to prevention of air pollution by supplying 24 hours a day, various datas and informations on smog, sulphurous acid, gas density in the air etc

টাৱাৰৰ একেবাৰে ওপৰলৈ উঠি গ'লো। টকিঅ' চহৰৰ এক অপূৰ্ব দৃশ্য চকুত পৰিল। চকু মুদি অনুভৱ কৰিলে ভাব হয় প্ৰাগঐতিহাসিক কালৰ পৰাই দম বান্ধি থকা সেইবোৰ যেন শিলৰ স্তুপ।

শিলৰ স্তুপ। 'কংক্ৰিটৰ অৰণ্য'। আহ্ কি সংজ্ঞা দিয়া যায় টকিঅ' টাৱাৰৰ ওপৰৰ পৰা দেখা পৃথিৱীৰ এই দ্বিতীয় বৃহত্তম নগৰক?

সৌৱা টকিঅ' পোতাশ্ৰয়।

এডাল বিষাক্ত সাপৰ দৰে পৰি আছে প্ৰশান্ত মহাসাগৰ। মানুহৰ এই পুতলাৰ খেল দেখি কোনো জ্ঞানী পুৰুষৰ দৰে নীৰৱ নিশ্চুপ হৈ পৰি আছে প্ৰশান্ত মহাসাগৰ।

টকিঅ' চহৰক এক পুতলাৰ ৰাজ্যৰ দৰে দেখা গৈছে। প্ৰশান্ত মহাসাগৰে এক বৃদ্ধৰ ৰূপ ধাৰণ কৰিছে। মায়া প্ৰবঞ্চ আৰু সত্যই হাতত ধৰাধৰিকৈ থিয় হৈ আছে।

এক বিস্ময়কৰ দৃশ্য।

এটি কবিতা বায়ুমণ্ডল মুখৰ কৰি যেন উৰি ফুৰিছে জাৰ্মান কৱি ব্ৰেখ্‌টে গাইছিল—

'মই' বেটসান্ট ব্ৰেখ্‌ট পথ হেৰুৱাই পেলাইছো এই চিমেণ্টৰ চহৰত। এইখিনিতে আয়ে মোক অৰণ্যৰ পৰা তুলি আনিছিল— বহু বছৰ আগেয়ে!'

তৃতীয় ফ্ল'ৰৰ বাক্স সংগ্ৰহালয়লৈ নামি গ'লো। এই বাক্স সংগ্ৰহালয়ত জোছাফাইন টুচাউদৰ এশটা 'লাইফ ছাইজ'ৰ মানব মূৰ্তি থিয় হৈ আছে।

টকিঅ' টাৱাৰৰ এই ভুতৰ দৰে মূৰ্তি সমূহে কি সৌৰৱাইছে? জোছাফাইন টুচাউদৰ এই মূৰ্তি সমূহে কি সৌৰৱাইছে?

● ● ●

বাতি দহ বাজিল।

টকিঅ'ৰ ৰূপালী বাতিৰ অভিজ্ঞতা লবলৈ মই সাজু হলো। তৃতীয় ফ্ল'ৰৰ লাউঞ্জত থিয় হৈ দেখিলো কামাৰক লগত লৈ গোটেইজাক মানুহ আলোচনাত মত্ত হৈ আছে।

কামাৰৰ কণ্ঠ শুনিলো —

— 'আপোনালোক সকলোৱে মোক একোখনকৈ 'বেঙ্ক ড্ৰাফ্‌ট' দিলে হ'ব?'

— 'বেঙ্ক ড্ৰাফ্‌ট?'

— 'কাষ্টমছৰ সময়ত?'

কোনোবাই বৰ নিম্ন কণ্ঠেৰে প্ৰশ্ন কৰিলে কামাৰে একো উত্তৰ নিদিলে।

কামাৰে উত্তৰ দিয়া নিদিয়াৰ বিষয়ে কাৰো মূৰ ঘমোৱাৰ প্ৰয়োজন নাই — টকিঅ'ৰ ৰূপালী বাতিৰ মোহ কোনে এৰিব?

এৰা কোনে এৰিব?

বাৰ লাউঞ্জৰ ছোফা এখনত মহম্মদ মুছা আৰু ছাত্ৰটি বহি আছিল।

মই প্ৰশ্ন কৰিলো —

— 'আপোনালোক নেযায়?'

— 'ক'লৈ?'

— 'মাটি চুবায়া গাইসা হাউছ' — কেবাৰে মিকাডো — নাইট ক্লাব গৰ্ডেন গেছেকোই!

মহম্মদ মুছাই ক'লে

— 'মই দক্ষিণ-পূব এচিয়া ভ্ৰমণ কৰিবলৈ অহাৰ উদ্দেশ্য আগেয়েই আপোনাক কৈছো।

মোৰ উদ্দেশ্য 'বি হুং'।'

মাচাৰ আৰ্তনাদ শুনিলো

— 'তাত বৈ কি কৰিছা সময়ে পাখি লগা কাঁড়ৰ দৰে গতি কৰিছে।'

শীত-তাপ নিয়ন্ত্ৰিত কাঁচ তুলাৰ দৰে কোমল গাদী। সহজ হৈ বহি পৰাৰ লগে লগে মহম্মদ মুছাৰ মুখখন মোৰ দৃষ্টিত ভাস্বৰ হৈ উঠিল

বি হুঙৰ স্মৃতিত টকিঅ'ৰ সোণালী বাতি উৎসৰ্গা কৰা মহম্মদ মুছা!

মই সঁচাকৈয়ে মহম্মদ মুছাক বুজি পাইছো নে?

কি আছিল মহম্মদ মুছাৰ সেই দৃষ্টিত? বহুত মহানগৰ দেখিছো! বহুত জন-কহল পথেৰে নিসংগভাৱে ঘূৰি ফুৰোতে বহুত বিচিত্ৰ মুখ নিৰীক্ষণ কৰিছো

কিন্তু এনে দৃষ্টিৰ সৈতে কেতিয়াবা মুখামুখী হৈছিলো নে?

প্ৰেমিকাৰ স্মৃতিয়ে ধূসৰিত কৰি পেলোৱা টকিঅ'ৰ সোণালী বাতি?

প্ৰধান বজাৰ আচাকোচা গিনজা য়াৰাকুচু, নিহনবাসীৰ সৌন্দৰ্য দেখুৱাই মাচাই আচাকোচাৰ এটি গলিৰ ওচৰত আমাক বাছৰ পৰা নামিব ক'লে।

— 'এই আলিটো পাৰ হওঁক — সৌৱা 'কাবাৰে মিকাডো' — পৃথিৱী বিখ্যাত কাবাৰে '

বাহিৰৰ পৰা ভাব হয় আমি এক অট্টালিকাত পদাৰ্পণ কৰিছো। চিৰিত কোমল দলিচা, ভাব হয় — গাইসাৰ কোমল চুলিৰে তৈয়াৰ কৰা হৈছে এই দলিচা।

মিকাডোৰ নিজস্ব 'উৰ্দি' পিন্ধা 'বয়'ইঁতে মূৰ দোৱাই অভিবাদন জনালে বিচিত্ৰ সিহঁতৰ সাজ-পাৰ। এয়া কুণ্ডলী পকাই থকা সাপৰহে কুণ্ডলী যেন খোল খাই পৰিল, আৰু পাক খাই ওপৰলৈ উঠি যোৱা চিৰিৰে গৈ আমি 'বেল্‌কনিত' বহিলো।

এয়া এক অবিশ্বাস্য দৃশ্য। কলমেৰে ইয়াৰ বৰ্ণনা দিয়া অসম্ভৱ কথা। সৌৱা তলত এখন নতুন পৃথিৱী।

পুৰুষ-তিৰোতাৰ এই ভিৰ — ?

মাচাই ক'লে —

— "পুৰুষৰ লগত বহি কথা পাতি থকা সুন্দৰীইঁতক দেখিছা নহয়— ?"

— "কোন সেইবোৰ?"

— সেইবোৰ 'হোষ্টেছ'। পাঁচ হেজাৰ 'য়েন' দিলে সিহঁতে হোষ্টেছ হৈ দুঘণ্টাৰ বাবে সঙ্গ দিব পাৰে

তললৈ ভুমুকিয়াই চাই দেখিলো অজস্ৰ হোষ্টেছ — অজস্ৰ পুৰুষ-ডেকা-বুঢ়া, আদহীয়া —

মাচাই ক'লে —

— "সৌবোৰ পুৰুষ দেখিছা নহয়, — সৰহভাগেই ব্যৱসায়ী বণিক। দিনত সিহঁতে হাডভঙা পৰিশ্ৰম কৰে, ৰাতি এই পৃথিৱী বিখ্যাত কেবাৰে মিকাডোত "

— "সিহঁতে ৰাতি নোশোৱে?" মাচাই ঢেকঢেকাই হাঁহিবলৈ ধৰিলে —

— "সিহঁতে ৰাতি নোশোৱে আৰু নিজৰ তিৰোতাক কেতিয়াও এইবোৰ ঠাইলৈ আহিব নিদিয়ে।"

সঙ্গীতৰ প্ৰচণ্ড ধ্বনিয়ে প্ৰাসাদৰ দৰে হলটো মুখৰ কৰি তুলিলে। এই সঙ্গীতৰ তালে তালে একাষে থকা ৰঙীন পানীৰ ফোৰাৰা কিছুমানে নৃত্য আৰম্ভ কৰিলে।

ফোৰাৰাৰ এই নৃত্য বহুত সময় ধৰি চলিল।

তলত মানুহৰ ভিৰ আৰু বাঢি আহিল। উত্তেজিত চঞ্চল মন। সুন্দৰী নাৰীৰ সঙ্গ আৰু মন-প্ৰাণ উতলা কৰা সঙ্গীত।।

সৌৱা এটি বৃদ্ধৰ দুযোকাষে দুগৰাকী সুন্দৰীয়ে হাঁহি-খিকিন্দালি কৰি বৃদ্ধৰ মন যোগাবলৈ উন্মত্ত হৈ আছে। আৰু সৌৱা ধুতুৰিত পকা গোঁফ, শিয়ালৰ দৰে জোঙা

মুখৰ ভদ্ৰলোক সৌজন তেওঁকো পানীয় বাকি দিছে আন এগৰাকী সুন্দৰী হোষ্টেছে, সংগীতৰ তালে তালে তাই শিয়ালমুৰা বৃদ্ধৰ দেহত ঢলি পৰিব খুজিছে। আৰু সেই আৰব সমূহ? মাছৰ আশাত জুপুকা মাৰি বহি থকা বগলীৰ দৰে লগা আৰবসমূহ? — সিহঁতৰ লগতো অন্তৰংগ হৈ বহি আছে কিছুমান ৰূপহী হোষ্টেছ।

বাটি আহিল আৰবৰ দল।

বাটি আহিল শিয়ালমুৰা ভদ্ৰলোকৰ দল।

বাটি আহিল সাত সমুদ্ৰ পাৰ হৈ অহা থুলন্তৰ বপুৰ বণিকৰ দল।।

পৃথিবী বিখ্যাত 'কেবাৰে মিকাডো'ত ৰাতিৰ জীৱন আৰম্ভ হ'ল।

মাচাই ক'লে —

— "তুমি এই মুহূৰ্তত খৰচ কৰা আঠ হেজাৰ সাতশ 'য়েন'ৰ পৰা সিহঁতে পানীয়ৰো যোগান ধৰিব। তোমাৰ ইচ্ছা আছে নেকি? মানে ইচ্ছা কৰিলে তুমি ইয়াতেই জাপানৰ বিখ্যাত ছানটৰি হুইস্কিৰ সোৱাদ লব পাৰা

কলো —

— "মোৰ অভ্যাস নাই।"

কামাৰ, — কোমল বয়সীয়া ছাত্ৰ ৰাজ, দক্ষিণৰ ভদ্ৰলোকসকল — সকলোৱে 'ছানটৰি হুইস্কি'ৰ ওপৰত যেন উবুৰি হৈহে পৰিল।

সংগীতৰ ধ্বনি এইবাৰ উন্মাদ হৈ পৰিল।

ৰঙীন ফোৱাৰাৰ নৃত্য বন্ধ হ'ল।

এইবাৰ আকাশৰ দৰে সীমাহীন আৰ-পট লাহে লাহে ওপৰলৈ উঠিবলৈ আৰম্ভ কৰিলে যেন এখন পৃথিবী শেষ হৈ গ'ল আৰু এখন নতুন পৃথিবী আহি আমাৰ সন্মুখত উপস্থিত হ'ল।

এজাক অৰ্দ্ধনগ্ন অপ্সৰা-সদৃশ যুৱতী দৃষ্টিৰ সন্মুখত ভাস্বৰ হৈ উঠিল। সিহঁতৰ উন্মুক্ত বক্ষ। সৃষ্টি কৰ্তাই এই দেহক পকা বেলৰ মণ্ডহৰ দ্বাৰাহে যেন তৈয়াৰ কৰিছে।

সংগীতৰ তালে তালে এই পকা বেল বৰণীয়া মণ্ডহৰ নৃত্য আৰম্ভ হ'ল।

'ছানটৰি হুইস্কি' আহিল, — জাপানী ছেক গাই কিকান আহিল, মহিলাৰ বাবে 'বি ফিটাৰ ড্ৰাই জিন' আহিল, আমেৰিকান হুইস্কি 'জেক ডেনিয়ল' আহিল—

নগ্ন বক্ষৰ নৃত্য

সুৰাৰ ফোৱাৰা

সংগীতৰ ঝঙ্কাৰ

ক'তা, কলৈ গ'ল মাচা উঃ মোৰ ওচৰত এইজন কৰ ভদ্ৰলোক বহিলহি। সন্মুখত জেক ডেনিয়লৰ বটল হাতত ৰূপৰ পিয়লা এই অচিনাকি মানুহজনৰ ওচৰত বহি এই উলঙ্গ নাৰীবোৰৰ নৃত্য চাই থকা সম্ভৱ হ'বনে?

কলৈ গ'ল মাচা?

কলৈ গ'ল?

দক্ষিণৰ ভদ্ৰলোকসকল আৰু মোৰ লগৰী কাইকাউছ কলৈ গ'ল?

ষ্টেজটো এইবাৰ আগুৱাই আহিব ধৰিলে চকু মেলি চাই দেখিলো দুহাত আঁতৰত ষ্টেজ আহি থিয় হৈছে ষ্টেজত এইবাৰ মাত্ৰ দুগৰাকী একেবাৰে নগ্ন মহিলা থিয় হৈ আছে নাই নাই এয়াতো ষ্টেজ নহয় এয়া যে এটা সোণৰ সঁজা প্ৰকাণ্ড প্ৰাসাদটিৰ চাৰিওফালে উলঙ্গ মহিলা দুগৰাকী লৈ এই সঁজাটিয়ে যেন পৰিক্ৰমাহে কৰিবলৈ ধৰিলে —

উঃ — কি কৰা যায় ভদ্ৰলোকৰ ডেনিয়লৰ বটল সাং হোৱাৰ উপক্ৰম হৈছে।

মাচা কলৈ গ'ল?

মই থিয হ'লো।

নিচাত উন্মুক্ত মানুহটোৱে হাত এখন আগবঢ়াই দি আৰ্তনাদ কৰি উঠিল

— "সুন্দৰী ক'ত থাকা তুমি

পাকিস্থানৰ নেকি ? ইমানবোৰ মানুহ থাকোতে এনেদৰে অকলশৰে বহি আছা ?"

কেতিয়া উঠি আহি বেলকনিৰ আনটো মূৰ পালোহি একো কব নোৱাৰিলো —

কাইকাউছ আহি এইবাৰ মোৰ ওচৰত বহিলহি । পানীয় সেৱন কৰা বেচেৰা কাইকাউছৰ অভ্যাস নাই।

এগৰাকী হোষ্টেছে ছানটৰিৰ বটল এটা হাতত লৈ গুণগুণাই উঠিল —

— Suntory

The classic whiskies of Japan Old Suntory !

Suntory Special Reserve ! Suntory Royal please

এইবাৰ ষ্টেজটো যেন আৰু বহল হৈ পৰিল। এশতকৈও অধিক নগ্ন তিৰোতাই এইবাৰ নৃত্য গীতত মগ্ন হৈ দৰ্শকৰ মাজত জপিয়াই পৰাৰ উপক্ৰম হ'ল !

সিহঁতৰ বক্ষৰ ঢৌ যেন প্ৰশান্ত মহাসাগৰ হৈ পৰিল। সংগীতৰ ধ্বনিত গমগমাই থকা এই শব্দ জাহাজৰ শব্দলৈ ৰূপান্তৰ হ'ল।

মদিৰাৰ ফোৱাৰা ! নৃত্য-সংগীত !

জীৱন ইয়াত স্তব্ধ !

এই মুহূৰ্তত বেদৰ দাম্ভিক দেৱতাসকলৰ কণ্ঠহে যেন চাৰিওফালে বিজুৰিত হৈ পৰিছে — 'মনুলৈ ৰূপান্তৰিত হোৱা জন্ম দিয়া দিব্যজনক কাৰণ আমাৰ পিতৃপুৰুষসকলে ধ্যান কৰি যি বিপুল জ্যোতি লাভ কৰিছিল শুনা আমি উদাত্তকণ্ঠেৰে ঘোষনা কৰিছো এয়া আমি সোম পান কৰিছো আমি অমৃতলৈ ৰূপান্তৰিত হৈছো

জ্যোতিক বহন কৰি আমি দেৱতাৰ সন্মুখত উপস্থিত হৈছো ।'

● ● ●

এটা সময়ত আমি বাহিৰলৈ ওলাই আহিলো। বাছৰ দুৱাৰ খুলি মাচাই আমাৰ বাবে অপেক্ষা কৰি আছিল।

তাইক যথেষ্ট ভাৱাক্ৰান্ত যেন দেখা গ'ল।

"এইবাৰ কলৈ ?"

তাই মাইকৰ ওচৰলৈ গৈ সকলোৱে শুনাকৈ শুদ্ধ ইংৰাজীত ক'লে —

"আমি এণ্ডিয়া নাইট ক্লাব গৰ্ডেন গেছেকাইলৈ যাম — আকাছাকাৰ আটাইতকৈ ধনাঢ্য অঞ্চলত এই ক্লাব অবস্থিত। আপোনালোকে ইচ্ছা মতে পানীয় সেৱন কৰিব পাৰিব।"

কুমাৰস্বামীয়ে থৰক-বৰক খোজেৰে বাছত উঠিব খুজিছিল — এইবাৰ মাচাৰ কথা শুনি সি কিছু সংযত হ'বলৈ চেষ্টা কৰিলে। দক্ষিণৰ ভদ্ৰলোকসকলে কুমাৰস্বামীক লৈ কিছু বিব্ৰত হোৱাৰ দৰে দেখা গ'ল।

● ● ●

আকাছাকাৰ নাইট ক্লাব গৰ্ডেন গেছাকাইতো মিকাডোৰ দৰে বাতাবৰণ দেখা পালো।

উন্মুক্ত বক্ষৰ যুৱতীৰ বৰ্বৰ নৃত্য।

সংগীতৰ হিল্লোল।

মদিৰাৰ ফোৱাৰা সকলো একে মিকাডোৰ দৰেই।

ঝনৰীয়া পখীক বন্দী কৰি থোৱা সঁজাৰ দৰে সঁজা এটা বেল্‌কনিৰ চাৰিওফালে ঘূৰিবলৈ ধৰিলে। সঁজাৰ ভিতৰত অৰ্দ্ধশায়িত অৱস্থাত এগৰাকী নগ্ন নৰ্তকী।। দেহৰ ৰক্ত-মাংসৰ পয়োভৰেৰে পুৰুষৰ হিয়া বিদীৰ্ণ কৰা নৰ্তকীক ইচ্ছা কৰিলে মানুহে হাতেৰে স্পৰ্শ কৰি চাব পাৰে তাইৰ মূৰ শিতানত গৰ্ভত থাকোতেই পেট ফালি বাহিৰ কৰি অনা ভেড়াৰ পোৱালিৰ নোমেৰে কৰা দলিচা কৰিয়ে কোৱাৰ দৰে বুখাৰেষ্টৰ পৰা আহিছে তাইৰ তপিনাৰ ক্ষুদ্ৰ শিকলি বেলজিয়ামৰ পৰা আহিছে তাই কিল্যাকুটিৰে ভৰ দি থকা গাৰুৰ কাৰুকাৰ্য খচিত লেচ্‌বোৰ। আমষ্টাৰডামৰ পৰা আহিছে তাইৰ মূৰৰ মণি-মাণিক্য খচিত সেই ক্ষুদ্ৰ টুপিটো আৰু ব্ৰুছেলছ চহৰৰ পৰা কি আনিছে তাই ?

"আহা আহা মোক স্পৰ্শ কৰি চোৱা। মোক স্পৰ্শ কৰি চোৱা!।"

শাস্ত্ৰত পঢ়াৰ কথা মনত পৰিলে — 'মোৰ বিছনাৰ দলিচা সত্য, দয়া আৰু ক্ষমাৰে গঠিত সৌহাদ্য মোৰ গাৰু আচাৰ নীতি সেই ৰহস্যময় আঠুৱা "

ইয়াত খোলকাটিৰ জাল হৈ পৰি আছে শাস্ত্ৰৰ সেই বাক্য।

মাচাৰ লগত বাহিৰলৈ ওলাই আহিলো। এই সময়ত বাহিৰৰ মুকলি বতাহখিনি

বৰ ভাল লাগিল ৷ ক্লাবৰ বাহিৰৰ অকলশৰীয়া মেপল গছ এজোপাৰ তলত থিয় হৈ মাচাক প্ৰশ্ন কৰিলো —

"মোৰ বৰ ইচ্ছা আছিল পুৰণি ঐতিহ্যমণ্ডিত গাইসা সমূহৰ লগত কিছুসময় অতিবাহিত কৰাৰ

মাচাই ক'লে,

"নিশ্চয় নিশ্চয় কিছুসময়ৰ পাছতেই আমি মাট চুবায়া গাইসা হাউছলৈ যাম। কাইলৈ স্কাণ্ডিনেভিয়াৰ পৰা অহা সাতটা দল লৈ মই আকৌ মাটচুবায়া গাইসা হাউছলৈ যাম ।" মাচাই নোট-বুক লৈ আকৌ কিবাকিবি লিখিবলৈ ধৰিলে। মই বুজিলো তাইৰ সময় বৰ কম।

কিছু সময় লিখাৰ পাছত তাই ক'লে —

— উঃ সিহঁতে যেন প্ৰশ্ন কৰিম বুলি একেবাৰে সাজু হৈ আহে।

— আমেৰিকান সকলক লাগে 'ৰয়কান'ৰ

(Roykan Japanese Style Hotel)

সুদীৰ্ঘ বিৱৰণ। জাপানীজ 'পাব্লিক বাথ'ৰ বিৱৰণ। কি কাৰণে এই 'প্লাবিক বাথ' সমূহ (য'ত জাপানৰ শতকৰা পঞ্চাশ ভাগ মানুহে অংশ লৈছিল) বৰ্তমান নিষ্প্ৰভ হৈ পৰিল?

কি কাৰণে সুমিদা নদীত নিজৰ মুখৰ প্ৰতিবিম্ব চাই আপ্লুত হোৱা গাইসা সমূহ অন্তৰ্ধান হৈ পৰিল?

লোহাৰ কাৰখানা পৰীক্ষা-নিৰীক্ষাৰ গৃহ সমূহ আৰু পোতাশ্ৰয়ৰ বিষয়েও সিহঁতৰ প্ৰশ্নৰ সীমা নাই।

বৃটেইনৰ পৰা অহা মহিলা টুৰিষ্ট সকলৰো অশেষ প্ৰশ্ন — "আচুকা আৰু 'নাৰা পিৰিয়ডৰ' জাপানৰ বাগিচাসমূহ কেনে আছিল?

মেকি অলঙ্কাৰ কেনেকুৱা?

হেইয়ান পিৰিয়েড্‌ৰ কাৰা আৰু য়ামাটু পেইন্টিংসমূহ কেনে আছিল?

এদিনৰ ভিতৰত ইকেবানা অৰ্থাৎ ফুলসজ্জা শিকিব পৰা যাবনে?"

ফ্ৰান্সৰ ছাত্ৰসকল? — উঃ কি মাৰাত্মক বস্তু। সিহঁতৰ প্ৰশ্ন — "গীত আৰু নাটৰ সংমিশ্ৰণ এই কাবুকিৰ জন্ম সঁচাকৈয়ে ১৬০৩ খৃষ্টাব্দত হৈছিল নে? কাবুকিৰ এই চুলি-মুখা লাওখোলা আৰু শিল্পীসকলৰ কিয় এনে ধৰণৰ দুৰৱস্থা হ'ল?"

জাপানত গৰ্ভপাত কিয় এতিয়াও আইনসন্মত কৰা হোৱা নাই?

— "ট্ৰেফিক যাব" এই শ্লোগানটি কেতিয়া আৰম্ভ হ'ল?

১৯৬১ চনত আমেৰিকাৰ লগত স্বাক্ষৰিত হোৱা 'ছিকিউৰিটি ট্ৰিটি'ৰ বিষয়ে জাপানৰ ছাত্ৰসকলৰ মতামত কি? ছাত্ৰ অনুষ্ঠান 'জেনকাৰেকেট' বৰ্তমান সক্ৰিয় নে? ...

উঃ কি পাকলগা প্ৰশ্ন সিহঁতৰ! আফ্ৰিকা আৰু ভাৰতৰ টুৰিষ্টৰ সদায়ে এটাই প্ৰশ্ন — হিৰোছিমা।।— হিৰোছিমা।।

মচাৰ কপালত ঘামৰ কণিকা বিয়পি পৰিল। কলেজৰ নতুন অধ্যাপকৰ দৰে সদায়ে মাচাই জ.পানৰ প্ৰাচীন আৰু আধুনিক বিষয়সমূহৰ প্ৰতি সজাগ হৈ থাকিব লাগে।

● ● ●

নাইট ক্লাব গৰ্ডেন গেছাকাইৰ সঙ্গীতৰ ধ্বনি ৰাতি বাঢ়ি অহাৰ লগে লগে আৰু প্ৰখৰ হৈ উঠিল। ভেনিটি বেগ খুলি মাচাই আকৌ নোট-বুকটি উলিয়াই ল'ব খুজিছিল ঠিক এই সময়তেই ক্লাবৰ পৰা হুৰমুৰকৈ এটা মানুহ আমাৰ পিনে কো-কোৱাই আগবাঢ়ি আহিল।

বিশৃঙ্খল সাজপাৰ, আউল-বাউল চুলিৰে এয়া কুমাৰস্বামী। মদ খাই টং হৈ আহিছে

মাচাই আৰ্তনাদ কৰি উঠিল —

— "কি হ'ল -কি হ'ল তোমাৰ?"

মাচাৰ প্ৰশ্নৰ উত্তৰ নিদি তেওঁ মোৰ পিনে আঙুলিটোৱাই চিঞৰি উঠিল —

— "শুনক তাই মোৰ পৌৰুষত্বক লৈ উপলুঙা কৰে?"

— "কোনে?"

— "মোৰ স্ত্ৰীয়ে! — তাই গৰ্ভৱতী নহ'ল। মই মোৰ ছাত্ৰ বন্ধু এটিৰ লগত তাইৰ পৰিচয় কৰি দিলো - কৰক হুলিগলি কৰক। উশীনৰ ঋষিয়ে শ্বেতকেতু পুত্ৰক কেনেকৈ পাইছিল জানে নহয়? শুনক তাই সঁচাকৈয়ে হুলিগলি আৰম্ভ কৰি দিছে আৰু তাই "

কুমাৰস্বামীয়ে হাউ-হাউকৈ কান্দিবলৈ ধৰিলে।

স্খলিত কণ্ঠেৰে আকৌ ক'লে —

—"মই নিজেই ছাত্ৰটিৰ লগত হুলিগলি কৰিবলৈ দিছিলো - তাই যদি গৰ্ভৱতী হয় কি দোষ কি দোষ তাইৰ তাই মোৰ পৌৰুষত্বক লৈ।"

পানীয়ৰ গোন্ধ চাৰিওফালে বিয়পি পৰিল। ভেনিটি বেগৰ পৰা ৰুমাল উলিয়াই মাচাই নাকত সোপা মাৰি ধৰিলে। তাই কুমাৰস্বামীক কিবা কব খুজিছিল কিন্তু কুমাৰস্বামীয়ে যেনেদৰে হুৰমুৰকৈ আহিছিল ঠিক তেনেদৰে হুৰমুৰকৈ ক্লাবৰ ভিতৰলৈ সোমাই গ'ল।

মাচাই ভোৰভোৰাই তেওঁৰ পিছে পিছে লৰি গ'ল —

—"ধৰা ধৰা মানুহটোক ধৰা — ভিতৰত গৈ কি কৰে ঠিক নাই "

কিংকৰ্তব্যবিমূঢ় হৈ মই আচাকোচাৰ 'নাইট ক্লাব গৰ্ডেন গেছেকাইৰ' সন্মুখত এই দোভাগ ৰাতি থিয় হৈ ৰলো।

এটা সময়ত ক্লাবৰ ভিতৰত সোমাই গৈ এটা অদ্ভুত দৃশ্যৰ সন্মুখীন হলো। সৌৱা মুহূৰ্তৰ ভিতৰতে মাচা আৰু দক্ষিণৰ ভদ্ৰলোক সকলৰ মাজৰ পৰা উঠি গৈ কুমাৰস্বামীয়ে ষ্টেজৰ নৰ্তকী এগৰাকীৰ পিনে চোঁচা ল'লে

কি হ'ল এই মুহূৰ্তৰ ভিতৰত ?

চিঞৰ-বাখৰ হৈ-হাল্লা আহ্ পুলিচ আহি পাব নেকি ? পুলিচ ? পুলিচ ?

● ● ●

ৰাতিৰ শেষ প্ৰহৰত মাচাৰ সৈতে যেতিয়া মই মাট চুবায়া গাইসা হাউছত উপস্থিত হলো আমাৰ সহযাত্ৰীৰ সংখ্যা বৰ কম আছিল। বেছি সংখ্যক টুৰিষ্টে নাইট ক্লাব গণ্ডেন গেছেকাইক এৰি আহিবৰ ইচ্ছা নকৰিলে। এৰা কি কাৰণে আগ্ৰহ কৰিব সিহঁতে ? এসময়ৰ জাপানৰ শিল্প-কলা আৰু ভাস্কৰ্যৰ প্ৰাণস্বৰূপ এই গাইসা সমূহক মৃত শিল্পৰ লগতহে বহুত কবি সাহিত্যিকে তুলনা কৰে।

পশ্চিমীয়া জাক-জমকতা এৰি কিয় আহিব সিহঁতে 'মাট চুবায়া' গাইসা হাউছলৈ ? বৃত্তাকাৰ শিল আৰু সৰু সৰু ফোৱাৰাৰে ভৰা এখন বাগিচা দেখা পালো। এই সৰু বাগিচাখনিত 'হেয়িন সময়ৰ' (৭৯৫ -১১৮৪ ) ছিনডেন ষ্টাইলৰ নৌকা ৰাখিব পৰা আহল -বহল পুখুৰী নাই। কামকুৰা সময়ৰ ( ১১৮৫ - ১৩৩৩ ) জৈন বৌদ্ধ সকলে বিশ্ৰাম লব পৰা মেপল আৰু উইপিং চেৰীৰ মনোমোহা জোপোহা মুৰোমাচিৰ সময়ৰ ( ১৩৯৪ - ১৪৬৬ ) নদীৰ বালি আৰু শেলুৱৈয়ে ধৰা শিলাময় পাহাৰ আৰু 'ইডো' অৰ্থাৎ প্ৰাচীন টকিঅ'ৰ সময়ৰ (১৬০৩ - ১৮৬৭) কোনো প্ৰখ্যাত ঐতিহাসিক দৃশ্যৰ সাজ-সজ্জা এই মাট চুবায়া গাইসা হাউছত দেখা নাপালো।

ঠায়ে ঠায়ে বৃত্তাকাৰ ক'লা শিল — । ওচৰে পাজৰে দুই এজোপা ফুলৰ জোপোহা। 'মেইজি' সময়ত সজাৰ দৰে লগা কাঠৰ ঘৰটিয়ে এক অনন্য বাতাবৰণৰ সৃষ্টি কৰিছে !

মই যেন 'মেইজি পুনৰুত্থানৰ সময়ত জাপানত উপস্থিত হৈছো'

মাচাই জোতা খুলিবলৈ দি কলে —

—"প্ৰাচীন চীনাসকলে অভিবাদন কৰাৰ সময়ত এটাই প্ৰশ্ন কৰিছিল 'আজি তুমি পেট ভৰাই খাব পাইছানে ?' আমাৰ জাপানী সকলে কিন্তু মুখেৰে কথা উচ্চাৰণ কৰাতকৈ কিঞ্চিত হাউলি ঠিক এনেদৰে মূৰ দোৱাইহে অভিবাদন কৰিব। চোৱা এনেদৰে। "

মাচাই মূৰ দোৱাই দেখুৱাই দিলে।

মাচাক অনুকৰণ কৰিবলৈ চেষ্টা কৰিলো।

—"শুনা আৰু এটা কথা শুনা । জাপানী সকলে নিজৰ পৰিয়ালৰ নাম আগতে লিখে, তাৰ পাছতহে নিজৰ নাম লিখে "

ক'ত মিকাডোৰ জাকজমকতা আৰু 'গল্ডেন গেছেকাইৰ' আডম্বৰ ভাব হয় যেন আচাকোচাৰ এটা গলিতহে আহি প্ৰৱেশ কৰিছো।

মাট চুবায়া গাইসা হাউছ এটা গলিৰ ওপৰত অৱস্থিত। এই গলিত দুই এটি ডাষ্টবিনো মোৰ চকুত পৰিল। বিশেষকৈ এটা ডাষ্টবিনত কোনোবাই পেলাই দিয়া টেলিভিশ্যন ছেট এটা মোৰ চকুত পৰিল।

ভিতৰৰ পৰিবেশ একেবাৰে সাধাৰণ ।কিম'নো পিন্ধা এগৰাকী বয়সস্থা মহিলাই আমাক মূৰ দোৱাই অভিবাদন কৰিলে। ভিতৰত ভুমুকিয়াই দেখিলো চাং বঙলাৰ দৰে কাঠৰ ঘৰ। হল ঘৰটিৰ দুয়োপিনে দুলানি কাঠৰ 'ডায়েছ' । 'ডায়েছ'ৰ ওপৰত দুখন সাধাৰণ দলিছা পাৰি থোৱা আছে। দলিছাত বহি ব্যৱহাৰ কৰিব পৰাকৈ এলানি সৰু সৰু টেবুল। চাৰিওফালৰ আবহাৱা নিস্প্ৰভ। যেন এটি উদং স্কুলঘৰ। গাইসা হাউছৰ এই বাতাবৰণ দেখি বিস্ময় আৰু দুখ দুয়োটাই অনুভৱ কৰিলো। এয়েনেকি সেই প্ৰখ্যাত গাইসাৰ স্মৃতি? যি গাইছাৰ দৰ্শন পাবৰ বাবে ইডো অৰ্থাৎ প্ৰাচীন টকিঅ'ৰ য়াচিয়াৰা অঞ্চলত, কিয়'টৰ 'শিলবামা' অঞ্চলত

ওকাছাৰ শিমাছি অঞ্চলত,

নাগাছাকিৰ 'মাৰুয়ামা' অঞ্চলত — ভাগৰুৱা ছামুৰাই ( সৈনিক ) সকলে আৰু সাতসাগৰ পাৰ হৈ অহা ভাডাক্ৰান্ত বণিকসকলে ভিৰ পাতিছিলহি . ?

এয়ে নেকি সেই প্ৰখ্যাত গৃহ? এয়ে নেকি আনন্দ উপভোগ আৰু বিশ্ৰামৰ গৃহ যত বণিক আৰু ৰাজনীতিজ্ঞ সকলৰ 'নিগ'চিয়েশ্যনৰ' স্থলী হৈ পৰিছিল?

— এয়ে নেকি সেই গৃহ যি গৃহই জাপানৰ মেইজি বংশৰ পুনৰুত্থানৰ সৌহাত স্বৰূপ টাকায়শি কিডোৰ বিশেষ শক্তি হৈ ভাস্বৰ হৈ পৰিছিল?

সৌৱা ষ্টেজত দেখা দিয়া কিম'নো পৰিহিতা গাইসা সৌ গৰাকী তায়ে নেকি সেই ছাঁয়ামূৰ্তি — যি ছাঁয়ামূৰ্তিয়ে টকোগাৱা যুগৰ শিল্পী সকলক আনন্দ আৰু প্ৰেৰণাৰে উন্মত্ত কৰি তুলিছিল? কিয়'টোৰ শিমাবাৰা ওছাকাৰ শিমাচি অঞ্চল, ইডোৰ য়শিৱাৰা অঞ্চলৰ ৰাজপথ সমূহ, এই শিল্পীসকলে প্ৰখ্যাত গাইস্যা সুন্দৰীইঁতৰ ছবিৰে চিত্ৰ-বিচিত্ৰ কৰি তুলিছিল!

সিহঁতৰ ছবিৰে টকিঅ'ৰ ৰাজপথ সমূহ জকমকাই উঠিছিল . সৌৱা মোৰ দৃষ্টিৰ সন্মুখত টকিঅ'ৰ ৰাজপথক মোহান্ধ কৰি তোলা গাইস্যা এটিৰ ছাঁয়ামূৰ্তি নহয় নে?

মুখত গভীৰ প্ৰসাধন। চুলিত অপূৰ্ব কাৰুকাৰ্য, গাত ফুলাম কিম'নো।।

মাচাই ক'লে —

— 'কিম'নোটি দেখিছে নহয়? আচাকোচাৰ মহিলাই তিনি-চাৰি বছৰ ধৰি বেজি সূতা লৈ শৰতৰ উইপিং চেৰীৰ গছবোৰ তাত তুলি দিছে। কিম'নোটি কিমান গধুৰ দেখিছে নহয়? তাইৰ পিছে পিছে যোৱা দুগৰাকী লিগিৰীয়েহে সেইটো দাঙি নিবলৈ সমৰ্থ হৈছে.'

আকৌ ক'লে মাচাই —

— 'পুৰণি বণিকসকলে এনেকুৱা এটা কিম'নোৰ বাবে দুকুৰি পাঁচ লাখ যেন দিবলৈ সাজু আছিল ।'

মই প্ৰশ্ন কৰিলো —

"বেশ্যা আৰু গাইসাৰ মাজত পাৰ্থক্য ?"

মাচাই আৰ্তনাদ কৰি উঠিল

— ফ্ৰান্সৰ টুৰিষ্টসকলৰ এই প্ৰশ্নটিৰ উত্তৰ দি দি মই এক প্ৰকাৰ ভাগৰি পৰিছো মোৰ নিজস্ব মত এয়ে যে দ্বিতীয় মহাযুদ্ধৰ আগেয়ে এজনী ছোৱালী গাইসা হবলৈ হ'লে বাৰ বছৰ সাধনা কৰিব লাগিছিল, — সঙ্গীত, সাহিত্য, সৌন্দৰ্যবিদ্যা।

She also should now the sixty four arts mentioned by your Vatsayana in Kamasutra–

মই আচৰিত হৈ উঠিলো —

— 'ৰাজনীতি ?'

— "এৰা গাইসা তম্বুবোৰতেই প্ৰাচীন টকিঅ'ৰ 'ইশাৱাৰা' অঞ্চলৰ ৰাজনীতিজ্ঞসকলৰ আড্ডা বহিছিল এগৰাকী ৰূপহী গাইসাৰ দৰ্শন লাভৰ বাবে একো-একোজন ৰাজনীতিজ্ঞ ধনাঢ্য বণিকে ছমাহৰো অধিক কাল অপেক্ষা কৰিব লাগিছিল "

— "গতিকে তুমি সিহঁতক ঠিক বেশ্যা বুলি কেনেকৈ কবা ?"

— "কিন্তু য়াচুনাৰি কাৱাবাটাৰ নাইবা কাফটি নাগাইৰ উপন্যাসত গাইসা আৰু বেশ্যাৰ পাৰ্থক্য ক'ত ?"

মাচাই কিছু সময় চিন্তা কৰি ক'লে —

— "দ্বিতীয় মহাযুদ্ধৰ পাছৰ নাৰী চৰিত্ৰ সেইবোৰ এই দ্বিতীয় মহাযুদ্ধৰ পাছতেই এই গাইসা আৰু বেশ্যাই হাতত ধৰা-ধৰিকৈ 'ইডোৰ' ৰাজআলিত খোজ পেলালে "

'টাকোগাৱা' যুগত এই গাইসা সকল কবি, সাহিত্যিকালৈও ৰূপান্তৰিত হৈছিল। সিহঁতৰ তম্বুত চীনা সাহিত্যৰো গুঞ্জন উঠিছিল।

কলোঁ,

— কিয়'টোৰ ইছিয়ামা আশ্ৰমত লিখা সাম্ৰাজ্ঞী জোটা মোমিনৰ পৰিচাৰিকা লেডী মুৰাছাকিৰ চৌবান্নখন গ্ৰন্থৰ সমষ্টি 'গেঞ্জি কোৱৰৰ সাধু' মোৰ মাতৃ ভাষালৈও অনুবাদ কৰা হৈছে।

মাচাই সন্তুষ্টিৰ হাঁহি মাৰি ক'লে —

— "তাই পৰিচাৰিকাহে আছিল — ১০০৮ খৃষ্টাব্দত তাই সেইখন গ্ৰন্থ আৰম্ভ কৰিছিল। বহুত কাল জোৰা হাড়ভঙা পৰিশ্ৰমৰ ফল আছিল সেই সৃষ্টি. "

টুৰিষ্টৰ গিৰ্জনিমৰা হাঁহিৰ শব্দত মই চমক খাই উঠিলো। সৌৱা ষ্টেজত এইবাৰ এটি নতুন দৃশ্য

মাইকৰ ওচৰত থিয় হৈ সূত্ৰধাৰৰ কাম কৰা জাপানীটোৱে চিঞৰি উঠিল —

— "এইবাৰ আপোনালোকৰ মাজৰ পৰা কোনোবা এজন উঠি আহিব।"

— "কেনে ধৰণৰ মানুহ উঠিব লাগিব?"

— "যুৱক।"

আকৌ এবা গৰ্জনি মৰা হাঁহিৰ শব্দ শুনা গ'ল।

এজন তুৰ্কী যুৱক ষ্টেজৰ ওপৰলৈ উঠি গ'ল।

মাইকৰ ওচৰত থিয় হৈ সূত্ৰধাৰে ক'লে —

—"যোৱা মহাযুদ্ধৰ আগতে গাইসা সকলে পালন কৰা এটি নিয়মৰ দৃশ্য দেখুওৱা হব চাওক আপোনালোকে তাইৰ হাতত 'কামকুৰা' সময়তে ব্যৱহাৰ কৰা এটি চাহৰ পাত্ৰ। গাইসাই এই পাত্ৰটি যুৱকৰ ওচৰত দাঙি ধৰিব। যুৱকে পাত্ৰটিৰ চাহত চুমুক দিব। গাইসাই যদি যুৱকে চুমুক্ দিয়াৰ পাছতো সেই একেটা পাত্ৰৰ বাকী ৰোৱা চাহখিনি খাই শেষ কৰে, তেতিয়াহ'লে বুজিব লাগিব তাই যুৱকৰ প্ৰস্তাৱত সন্তুষ্ট আৰু যদি তাই সেই উচ্ছিষ্ট চাহ গ্ৰহণ নকৰে তেতিয়াহ'লে ?"

দৰ্শকৰ মাজৰ পৰা কোনোবা এজনে চিঞৰি উঠিল —

— "তেতিয়াহ'লে যুৱকৰ কপাল মন্দ।"

সকলোৱে গিৰ্জনি মাৰি হাঁহি উঠিল — ।

ডায়েছৰ ওপৰলৈ গৈ তুৰ্কী যুৱকটি সহজ হৈ বহিল। ময়ূৰীৰ দৰে আগবাঢ়ি গ'ল গাইসা সুন্দৰী — হাতত 'কামকুৰা' সময়ৰ ফুলাম চাহৰ পাত্ৰ।

এই পাত্ৰটি তাই তুৰ্কী যুৱকজনৰ সন্মুখত দাঙি ধৰিলে।

যুৱকজনে লাজত ৰঙা পৰি গ'ল। দৰ্শকৰ মাজৰ পৰা আকৌ কোনোবাই ক'লে—

— "সুন্দৰীৰ সন্মুখত বীৰহে হ'ব লাগে, লাজ কিহৰ?"

আকৌ হাঁহিৰ শব্দ।

এইবাৰ যুৱকে হাত দুখন আগবঢ়াই দি পাত্ৰটি গ্ৰহণ কৰিলে তাৰ পাছত চাহত সোহা মাৰিলে।

লিগিৰী দুজনীয়ে যুৱকৰ হাত পৰা পাত্ৰটি আনি আকৌ সুন্দৰী গাইসাৰ হাতত তুলি দিলে।

কি হ'ব এতিয়া ?

গাইসাই উচ্ছিষ্ট গ্ৰহণ কৰিব নে?

দৰ্শকৰ মাজত এটি চেপা উত্তেজনা বিয়পি পৰিল।

— "এৰা গাইসাই যদি উচ্ছিষ্ট গ্ৰহণ নকৰে তেতিয়াহ'লে বেচেৰা যুৱকজনে 'ফেঁচাটি' হৈ উলটি আহিব লাগিব।"

[ইতিমধ্যে 'মাট চুবায়া গাইসা হাউছ'লৈ আৰু দুটা টুৰিষ্টৰ দল আহিল। সবহ ভাগেই বৃদ্ধ।]

আকৌ হাঁহিৰ গিৰ্জনি শুনা গ'ল।

এৰা গাইসাই যুৱকজনক নিৰাশ নকৰিলে। তাই পাত্ৰটি গ্ৰহণ কৰিলে আৰু বাকী বোৱা চাহখিনি সোহা মাৰি খাই পেলালে

— "কি হব? কি হব এতিয়া?

সূত্ৰধাৰে মাইকৰ ওচৰলৈ আহি ক'লে

— "এতিয়া এৰাতিৰ বাবে যুৱকজন গাইসাৰ স্বা

মাত্ৰ এৰাতিৰ বাবে "

সকলোৱে অট্টহাস্য কৰি উঠিল।

লাজত ৰঙা-চিঙা পৰা যুৱকজনে যন্ত্ৰ-চালিত মানুহৰ দৰে গাইসাৰ পিছে পিছে গৈ ভিতৰৰ কোঠাত সোমাল।

এইবাৰ আৰম্ভ হ'ল নাগাচাকিৰ এটি কৃষি নৃত্য। আমাৰ হাতত সময় কম। মাচাৰ সৈতে আমি বাহিৰলৈ ওলাই আহিলো।

ইতিমধ্যে ৰাতিপুৱাই আহিছে

সূৰ্য উদয়ৰ দেশত সৌৰা সূৰ্য উদয়ৰ আয়োজন এক অভিনৱ দৃশ্য।

ডিমৰুৰ ফুলৰ দৰে বৰণ লোৱা পুবাৰ কুঁৱলীয়ে এই মাট চুবায়া গাইসা হাউছৰ আশে-পাশে এতিয়া এক ৰহস্যময় মায়াজালৰ সৃষ্টি কৰিছে —

আচাকোচাৰ জনশূন্য ৰাজ পথেৰে হোটেললৈ ঘোৰা দিয়াৰ সময়ত ১৯০৯ খৃঃত কাফু নাগাই গাইসাৰ বিষয়ে লিখা কথা কেইটামানলৈ মনত পৰিল --

— "Under the law to-day, theirs is held to be an improper and unseemly profession, but it is they who make the donations by which the beauty of shrines and temples remains to decorate the city, and it is they who encourage the Japanese drama with gifts of curtains and the like If, in this day of Europeanizing, we did not have the world of the pleasure quarters, the music and the drama of 'Edo' world have quite disappeared We must be eternally grateful "

কুঁৱলীয়ে আৱৰি ধকা টকিঅ'ৰ পুৰাৰ প্ৰাচীৰৰ বুকুত প্ৰাচীন শিল্পীয়ে অঁকা

গাইসাৰ মনোমোহা ছবি কিছুমানৰ কথা কল্পনা কৰিলো

কিন্তু এই "কংক্রিটৰ অৰণ্যৰ' প্রাচীৰত সেই চিৰন্তন সৌন্দৰ্যৰ ছবি এতিয়া বৰ অসজা হ'ব যেন লাগিল। —

এই ডিমৰুৰ ফুলৰ দৰে বৰণ লোৱা কুঁৱলীৰ পোহৰত প্রাচীৰবোৰে এতিয়া মাংসৰ টুকুৰাৰ আকৃতি লৈছে —

টুকুৰা টুকুৰা মাংসৰ ৰূপ লোৱা টকিঅ'ৰ এই অভিনৱ প্রাচীৰসমূহ পাৰ হৈ আমি হোটেল অভিমুখে খোজ দিলো।

পুৱাৰ বতাহত উৰি অহা গিঙ্কু গছৰ সুবাস এটা মোৰ নাকত লাগিল। মই জানো এই সুবাস মাত্র অলপ সময়হে থাকিব। কাৰণ এই 'কংক্রিটৰ অৰণ্য'ত ধুমুহা আৰম্ভ হবলৈ আৰুতো বেছি সময় নাই।

● ● ●

নবেম্বৰৰ পাঁচ তাৰিখ।

আমি কামকুৰা অভিমুখে ৰাওনা হলো।

মোৰ সম্মুখৰ ছিটটিত অত্যন্ত লজ্জিতভাবে কুমাৰ স্বামী বহিছিল। চকুৰ গুৰিত তেওঁৰ কলা ৰেখা, চুলি আউল-বাউল। ধৰা পৰা চোৰৰ দৰে ব্যবহাৰ। মোৰ পিছত মহম্মদ মুছা আৰু তেওঁৰ ছাত্র বন্ধুজন। ছাত্রটিয়ে কেইবাবাৰো একেটাই প্রশ্ন সুধিলে,

— "আমেৰিকান এক্সপ্রেছ'ৰ কোনোবা মানুহক আপুনি চিনি পায় নে? মোৰ বন্ধু এজন আফ্রিকাৰ পৰা কিছু বিদেশী মুদ্রা আমেৰিকান এক্সপ্রেছৰ যোগেদি হংকঙত থকাত তেওঁলোকৰ ব্রাঞ্চলৈ পঠিয়াই দিব। মই ঠিক মতে সকলো ব্যবস্থা কৰিব পাৰিম নে? অর্থাৎ হংকঙত নিশ্চয় মোৰ কোনো আসুবিধা নহয়?"

মই ক'লো —

— "অসুবিধা হ'ব নেলাগে।"

— "জানে নহয় মোৰ ব্যবসায় ফটোগ্রাফী। হাডভঙা পৰিশ্রম কৰি জমা কৰা সমস্ত পুঁজি কি কাৰণে খৰচ কৰিলো জানে নে "

কলো —

— 'মই জানো তুমি 'ৰাইডেলাক্স' নাইবা 'নিকন' কেমেৰা এটা কিনিব পাৰিম বুলি বৰ আশা কৰি আছিছা। আৰু ফটোৰ কামবাবত লগা অসংখ্য বস্তু?'

কোমল বয়সীয়া ছাত্রজনৰ চকু দুটা উজ্জ্বল হৈ উঠিল —

— আহিবৰ সময়ত বন্ধু এজনে দঢ়াই দঢ়াই কৈ গৈছিল, —

— 'কিয়'টোৰ ডায়মাৰু বজাৰত যোৱাৰ প্ৰয়োজন নাই —

ওছাকাৰ নিপনবাসী নাইবা শিনচাই বাসীৰ বিখ্যাত আণ্ডাৰ প্ৰাউণ্ড বজাৰলৈও যোৱাৰ প্ৰযোজন নাই। ইয়াৰ কাউহাৰা কেমেৰা ষ্টৰলৈও যোৱাৰ প্ৰয়োজন নাই।'

— কলৈ যাব দিলে তেতিয়াহ'লে।

— 'হংকঙৰ বজাৰলৈ।'

পিছ ফালৰপৰা দক্ষিণৰ ভদ্ৰলোক এজনে মাত লগালে —

— 'হংকঙৰ বজাৰ বৰ ৰহস্যময়। তাত ঠগ খোৱাৰ ভয় থাকে ।

এক অনন্য সুন্দৰ প্ৰান্তেৰে আমি আগবাঢ়িবলৈ আৰম্ভ কৰিলো।

শৈশৱৰ পৰা জাপানৰ প্ৰাকৃতিক দৃশ্যৱাজি সম্বন্ধে আমাৰ যি ধাৰণা আছিল টকিঅ' এৰি অহাৰ পাছতহে সেই ধাৰণা সত্যত পৰিণত হ'ল।

সৌৱা সুন্দৰী গাইসাৰ কপালৰ দৰে আকৃতিৰ পাহাৰ অ'ত ত'ত উইপিং চেৰীৰ জোপোহা এপ্ৰিল মাহত এই চেৰীবোৰৰ নিশ্চয় ডাল ভৰি ভৰি ফুলিব, পুৱাৰ আকাশ আৰু চেৰীৰ ৰং একাকাৰ হৈ পৰিব।

যেতিয়াই পুৱাৰ আকাশ আৰু উইপিং চেৰীৰ ৰং একাকাৰ হৈ পৰিব, তেতিয়াই হয়তো কিয়'টোৰ গাইসাইঁতে বিলাস তম্বুৰ পৰা ওলাই আহি 'মিয়াকো ওডৰি' নৃত্য আৰম্ভ কৰিব।

সৌৱা আকৌ পাহাৰ

সেউজীয়া বাঁহ।

বাঁহৰ জোপোহাবোৰ অনন্য। প্ৰত্যেক জোপা বাঁহৰ মাত্ৰ এটা এটা ঠানি। চিৰিলি চিৰিলি পাত - ভাটৌ পাখিৰ দৰে ৰং। জাপানৰ এইখন ছবিয়েই মই হেইয়ান পিৰিয়েডৰ কাৰায়ে আৰু য়মাটোএ পেইন্টিং আৰু মুৰুমাচি যুগৰ জৈন বৌদ্ধ সকলে চিয়াহীৰে কৰা প্ৰখ্যাত ছবি সমূহত দেখিছিলো আৰু ক'ত? এৰা আৰু 'মময়ামা' আৰু 'ইডো' সময়ত বণিক আৰু অভিজাত শ্ৰেণীৰ মাজত প্ৰখ্যাত হৈ পৰা কানু পেইন্টিং সমূহৰ মাজতো ভাস্বৰ হৈ উঠা দেখিছিলো

আঃ সৌৱা ভাটৌ বৰণীয়া বাঁহ!

— সৌৱা ভাটৌ বৰণীয়া বাঁহ।

গাইসাৰ কপালৰ দৰে আকৃতিৰ বুঢ়া মানুহৰ দৰে জুপুকা মাৰি বহি থকা 'পিছু'

গছ

অপূৰ্ব। অপূৰ্ব।

আমি আগুৱাই গলো। আমাৰ গন্তব্য স্থল, — অতীতৰ ভগ্ন স্তূপ আৰু বিচ্ছুৰিত স্মৃতিৰে ভৰপূৰ 'কামকুৰা' ।বাৰ শতাব্দীত মিনামটো যুৰিটমোৱে কামকুৰাত এক স্বচ্ছল ৰাজধানী গঢ়ি তুলিছিল।

আমি পৃথিৱীৰ আটাইতকৈ বৃহৎ ব্ৰঞ্জৰ বুদ্ধ চাবলৈ গাড়ীৰ পৰা নামিলো।

শিলেৰে বন্ধোৱা আলিৰে আমি মূৰ্তিটোৰ ওচৰলৈ আগবাঢ়ি গ'লো।

মাচাই ক'লে —

— 'চৈধ্য শতিকাত এই পৃথিৱী বিখ্যাত বুদ্ধৰ মূৰ্তিটো সজা হৈছিল। যেনেদৰে ১৭০৭ খৃঃত ফুজিয়ামা উদ্গীৰণ হৈ টকিঅ' চহৰ ছাইৰে পৰিপূৰ্ণ কৰি পেলাইছিল, ঠিক তেনেদৰে পোন্ধৰ শতিকাত সাগৰৰ জোৱাৰ ভাটাই এই মন্দিৰটো উটুৱাই নিছিল। ফুজিযামা উদ্গীৰণ মিহি মিহি ছাই আৰু সেই জোৱাৰ ভাটাই এই মন্দিৰলৈ — উটুৱাই অনা বালিৰ এক অদ্ভুত সামঞ্জস্য আছিল।

পৃথিৱী বিখ্যাত এই প্ৰকাণ্ড বুদ্ধ মূৰ্তিটোৰ সন্মুখত থিয় দিয়াৰ লগে লগে আপোনা-আপুনি মূৰ দো খাই আহিল।

টুৰিষ্টৰ সীমা সংখ্যা নাই।

কলা ইউনিফৰ্ম পিন্ধা ছাত্ৰ-ছাত্ৰীৰ দল কিছুমান দেখা গ'ল। ফটোগ্ৰাফাৰৰ দল কিছুমানকো চাৰিওফালে পিয়াপি দি ফুৰা দেখা গ'ল।

মাচাই ক'লে —

— আহা মূৰ্তিটোৰ একেবাৰে ওচৰলৈ আগবাঢ়ি আহা মূৰ্তিটোৰ পাছফালে সৌটি সুৰঙ্গৰ দৰে পথ দেখিছা নহয় — সেইপিনে ঘন ঘনকৈ সজা কিছুমান চিৰি আছে। এই চিৰিবোৰ বুদ্ধৰ বুকুৰে গৈ একেবাৰে মূৰ পাইছেগৈ জানা নহয় মূৰ্তিটোৰ ভিতৰখন একেবাৰে ফোপোলা যোৱা উঠি যোৱা

বহুতেই বুদ্ধৰ বুকু ভেদ কৰি যোৱা চিৰিৰে উঠি যোৱা দেখিলো।

মোৰ কিন্তু ইচ্ছা নহ'ল। কি কাৰণে ভৰি দুখনে আৰু আগবাঢ়ি যাবলৈ ইচ্ছা নকৰিলে মই ভালদৰে গম নেপালো।

এমা সেইবোৰ বুদ্ধৰ বুকু ভেদ কৰি যোৱা চিৰি সেইবাবেই চাগৈ

মহম্মদ মুছাক কিছু আঁতৰত বুদ্ধৰ পিনে মুখ কৰি চিন্তা কৰি থকা দেখা গ'ল

এই প্ৰকাণ্ড মূৰ্তিটোৰ ওচৰত থিয় হৈ মই এটাই প্ৰাৰ্থনা কৰিলো।

- হে ভগৱান বুদ্ধ। মহম্মদ মুছাই যেন তেওঁৰ প্ৰিয়জনৰ সৈতে সাক্ষাৎ লাভ

কৰিব পাৰে।'

মাচাৰ কণ্ঠ আকৌ শুনা পালো —

— 'মই কৈছো নহয় এই প্ৰকাণ্ড বুদ্ধজনাৰ ভিতৰৰ পিনে একোবাৰে ফোপোলা একেবাৰে ভিতৰত এটা সৰু বুদ্ধৰ মূৰ্তি ৰখা হৈছে। আৰু চোৱা বুদ্ধৰ চুলিত কিমান ভাঁজ অৰ্থাৎ 'কাৰ্ল' আছে। জানা নে কিমান?'

— 'কিমান?'

— 'ছয়শ ছাপন্নটা 'কাৰ্ল' আছে।' মই প্ৰশ্ন কৰিলো।

— 'বুদ্ধৰ ডিঙিৰ ওচৰত সেইটো কিহৰ ভাঁজ?'

— '১৯২৫ খৃঃ ত মূৰটো ভাঙি পৰিছিল আকৌ নতুনকৈ তৈয়াৰ কৰা হৈছে। সৌৱা দূৰৈত ৰিণি ৰিণি সাগৰ দেখিছা নহয় এই ঠাই এসময়ত প্ৰশান্ত মহাসাগৰৰ আটাইতকৈ আকৰ্ষণীয় 'ছুইমিং বিচ" আছিল।

ৰেচমৰ কাপোৰৰ বাবে বিখ্যাত ইয়কোহামা আৰু টকিঅ'ৰ মানুহে ইয়াত সাতুৰিবলৈ আহিছিল "

— "আমি কামকুৰালৈ আহোতে ইয়াকোহামাৰ সেই মনোমোহা পোতাশ্ৰয়ৰ কিছু অংশ দেখি আহিছো "

ওচৰ-পাজৰে থকা গাওঁবোৰৰ পৰা অহা ফটোগ্ৰাফাৰ কিছুমানৰ পৰা আঁতৰ হবলৈ মই মাচাৰ লগত আৰু কিছু ভিতৰ সোমাই গ'লো ফটোগ্ৰাফাৰসকলৰ বোধহয় মোৰ এই অসমীয়া সাজপাৰ যথেষ্ট পছন্দ হৈছিল।

সৌৱা আকৌ পিছু আৰু পাইন গছৰ অৰণ্য। এইখিনিৰ বাতাবৰণ অনন্য।

ক'ত দেখিছিলো এই বাতাবৰণ?

চিত্ৰকূটৰ মন্দাকিনীৰ তীৰৰ আবহাৱা একেই আছিল নে?

অম্বৰ কণক দুৰ্গা, হালেবীৰ শিব মন্দিৰ দ্বাৰকাৰ সাগৰৰ পাৰৰ ৰুক্মিণী মন্দিৰ বৈষ্ণৱদেবীৰ নীৰৱ পৰ্বতৰাজি আৰু? আৰু নৰ্মদাৰ উৎপত্তি-স্থল অমৰ কণ্টকত থিয় হৈ মই ঠিক এনে ধৰণৰ বাতাবৰণৰ গোন্ধ সঁচাকৈয়ে পাইছিলো নে?

কামকুৰাৰ এই পৃথিৱী বিখ্যাত বৌদ্ধ মন্দিৰৰ চাৰিওফালে সেই একেই বাতাবৰণৰ গোন্ধ পালো যি বাতাবৰণৰ গোন্ধ যোৱা বাৰ বছৰ ধৰি ঘূৰি ফুৰোতে ভাৰতৰ বিভিন্ন মন্দিৰসমূহৰ মাজত আৱিষ্কাৰ কৰিছিলো।

অপূৰ্ব সামঞ্জস্য!

উভতি আহি যেতিয়া বাছত উঠিলো — দেখিলো কামাৰে 'বি-বি-চি'ৰ

ফটোগ্ৰাফাৰ শৰ্মা আৰু তেওঁৰ পত্নীৰ লগত নোটবুক উলিযাই বৰ ব্যস্তভাৱে কিবা লিখি আছিল।

মই বুজিলো শৰ্মাইঁতেও চাগৈ হুণ্ডী লিখিবলৈ বাধ্য হৈছে

এৰা কোনে আৰু লোভ সামৰিব পাৰিব। ওছাকাৰ প্ৰখ্যাত বজাৰসমূহৰ আমি একপ্ৰকাৰ ওচৰ পাইছোহি

কামাৰৰ কণ্ঠ শুনা পালো,

— 'ভয় কৰিছে কিয় ? এইবোৰ কামো সেই তৰোৱালৰ দাৰত চলা কামৰ দৰে। এবাৰ শিকিলে সেই তৰোৱাল তোমাৰ হাতলৈ আহি যাব আৰু শুনক এবাৰ এই তৰোৱাল হাতলৈ আহি যোৱাৰ পাছত '

মাচাৰ কণ্ঠ শুনা গ'ল —

— কোনোবা বাকী ৰ'ল নেকি ?'

— 'এৰা মহম্মদ মুছা আহি পোৱা নাই।'

— মহম্মদ মুছা। মহম্মদ মুছা।।

— মহম্মদ মুছা কবি। এইখিনি সময়ত মহম্মদ মুছা সেই প্ৰখ্যাত কবি ওলঝাস ছুলো মনভেৰ হৈ পৰিল মহম্মদ মুছাই যেন ছুলো মনভেৰ কণ্ঠেৰে চিঞৰি উঠিল — " প্ৰাচীন ভগ্ন স্তূপৰ মাজত মই সেই 'অস্তিবাচক' উৎস বিচাৰিছো, যাক মহাফেজখানাৰ নথিপত্ৰৰ মাজত ধৰি ৰখা হোৱা নাই। অলিখিত ইতিবৃত্ত ইতিকথা, মুখৰ অনুক্ত কথা-বাৰ্তাই মোক বিচলিত কৰে। কাজাথ কবি যেন গৱেষণাকৰ্মীও হব লাগে। কাৰণ সকলোতকৈ শেষৰ উটে সকলোতকৈ সৰহ ভাৰ বহন কৰিব লাগে, — অৰ্থাৎ যি যাত্ৰীদল আগুৱাই গৈছে সিহঁতে পেলাই থৈ যোৱা সমস্ত সামগ্ৰীয়ে হেচি ধৰিছে তাৰ পিঠিৰ বোজা।"

আমি আগুৱাই গ'লো।

সাগৰৰ পাৰৰ মসৃণ পথ। গিছু আৰু পাইন গছেৰে ভৰা অৰণ্য। টাইফুনত ভাঙি যোৱা পাইন গছৰ মূঢ়া কিছুমানো দেখা পালো।

মাচাই ক'লে —

— 'সৌৱা বিণিকি বিণিকি বগা পেগোডাটো দেখিছা নহয়, তাত সৈনিকসকলক দাহ কৰা হৈছিল। কাঠ সংস্কাৰ ইয়াত বৰ্তমান 'কম্পালছবি' হৈ পৰিছে।

● ● ●

এটা সময়ত আমি হাকানু পাৰ হলো। পৰ্বতৰ মাজে মাজে 'চাৰ্টিনৰ' বিকনৰ দৰে 'হায়াকাভা' নদী বৈ যোৱা দেখিলো জাপানৰ। আটাইতকৈ উচ্চ শৃঙ্গফুজিক কুঁৱলীয়ে

আৰৰি থকা দেখিলো।

মাচাই কৈছিল —

— এই তিনি হেজাৰ সাতশ ছয়সত্তৰ মিটাৰ উচ্চ পৰ্বতটোৰ প্ৰায় এহেজাৰ পাঁচশ মিটাৰলৈ বাছ যাব পাৰে

— আকৌ কৈছিল তাই —

— 'শুনক ফুজি বগোৱা বৰ পবিত্ৰ কথা, আমাৰ যুবকইতে বগা কাপোৰ পিন্ধি ফুজি বগাবলৈ যায়। ফুজিত উঠি সূৰ্য পূজা কৰা বৰ পবিত্ৰ কথা যিসকল জাপানী যুৱকে যুদ্ধৰ সময়ত একেবাৰে ওপৰৰ আলপাইনৰ অৰণ্যলৈ গৈছিল — তেওঁলোক আৰু উভতি অহা নাই।'

— বৰ ভয়ঙ্কৰ ঠাই সেইখন!

এটা সময়ত আমি আহি সৰোবৰৰ পাৰত উপস্থিত হলো।

দৰ্পণৰ দৰে উজ্জ্বল 'আশি' সৰোবৰৰ পানী। 'হেয়ান' যুগৰ কবিয়ে এই পানীক কিয টোৰ গাইসাৰ উজ্জ্বল চকুৰ লগতহে অহৰহ তুলনা কৰি আহিছে এই সময়ত কুঁৱলীয়ে আৱৰি ৰাখছে 'আশি' সৰোবৰৰ পানী। আমাৰ ইচ্ছা আছিল নাৱত উঠি সৰোবৰৰ সৌন্দৰ্য আৰু ভালদৰে উপভোগ কৰিম

মুহূৰ্তৰ ভিতৰতে জুইৰ ধোঁৱাৰ দৰে আওবাই অহা কুঁৱলীয়ে 'আশি' সৰোবৰৰ পানীৰ ওপৰত এখন পৰ্দা টানি দিলে, যেন বুঢ়ী আইতাই তেওঁৰ বগালী চুলিৰহে খোপা খুলি পেলালে।

মাচাই ক'লে —

— 'এতিয়া নাৱত উঠা অসম্ভৱ কথা।'

নাৱে নাৱে খুন্দা খাব পাৰে আৰু বহুত দুৰ্ঘটনা ঘটিব পাৰে ।

● ● ●

আকৌ আমি আওবাই যাবলৈ আৰম্ভ কৰিলো ইজো উপদ্বীপৰ উত্তৰ পূব কোণত অৱস্থিত আটামি পাব হলো।

— 'কিহৰ বাবে বিখ্যাত আটামি?'

মাচাই উত্তৰ দিলে —

— 'সেই গৰম পানী ফোৰাৰাবোৰ।' অসংখ্য ফোৰাৰা আৰু পিচু গছ.

পিচু গছৰ ফাঁকেৰে দুটামান গ্ৰহ চিহ্ন দেখা পালো।

মাচাক প্ৰশ্ন কৰিলো

— 'এই মাটিলৈ কোনে প্ৰথমে ক্ৰুছ চিহ্ন কঢ়িয়াই আনিছিল মাচা?

মাচাই বিজ্ঞৰ দৰে উত্তৰ দিলে —

— '১৫৪৯ খৃঃত এগৰাকী একেবাৰে নিসঙ্গ স্পেনিছ মিশ্যনেৰীয়ে এই ক্ৰুছ চিহ্ন কঢ়িয়াই আনিছিল। কাগোশিমাৰ মাটিত ভৰি দি তেওঁ এই ক্ৰুছ চিহ্ন আৰু এক নতুন সংস্কৃতি লগত লৈ আহিল যি সংস্কৃতি জাপানৰ মানুহৰ বাবে এক অভিনৱ বস্তু আছিল। তেওঁ মাত্ৰ দু বছৰ জাপানত আছিল। এই দুবছৰৰ ভিতৰত তেওঁ এই ক্ৰুছ চিহ্নটি জাপানৰ মাটিৰ বহুত দলৈকে পুতি থৈ গ'ল।

কিছু সময় মৌন হৈ থাকি আকৌ মাচাই ক'লে —

— 'শুনক ক্ৰুছ চিহ্ন আমাৰ দেশলৈ অহাৰ আগেয়ে এদিন এখন পৰ্টুগীজ জাহাজ আমাৰ কিউছু দ্বীপৰ বন্দৰত আহি লাগিছিল । এই পৰ্টুগীজ জাহাজে কঢ়িয়াই আনিছিল কিছুমান বন্দুক।'

— 'বন্দুক?'

— 'হয় হয় বন্দুক। ক্ৰুছ চিহ্নক যিমান আগ্ৰহেৰে পোতা হ'ল, তাতোকৈ দুগুণ আগ্ৰহেৰে আমাৰ মানুহে এই বন্দুক লৈ খোৰা-কামোৰা আৰম্ভ কৰি দিলে। মাত্ৰ ত্ৰিশ বছৰ পাছত জাপানী ছামুৰায়ে যুদ্ধক্ষেত্ৰসমূহত নিজে তৈয়াৰ কৰা বন্দুকেৰে চামুদা নদীৰ পানী তেজেৰে ৰাঙলী কৰি তুলিলে।

● ● ●

বিদ্যুৎ বেগেৰে যোৱা বুলেট ট্ৰেইনেৰে অটামিৰ পৰা নাগয়া আৰু নাগয়াৰ পৰা উপস্থিত হলো কিয়'টোত।

এয়া নবেম্বৰ মাহৰ ছয় তাৰিখ। ৰাতিপুৱা হোটেলৰ পঞ্চম মহলাৰ খিৰিকী খুলি দেখিলো কিয়'টো চহৰ শুই আছে। গাত লৈ আছে কামো নদীৰ পাৰৰ সুন্দৰীয়ে যোৱা ৰেচমৰ চাদৰৰ দৰে কোমল কুঁৱলী। মাচাই বাটত কৈ আহিছিল কিয়'টোৰ ছোৱালীৰ সৌন্দৰ্যৰ তুলনা নাই। সিহঁতে কামো নদীৰ পানীক দৰ্পণ ৰূপে ব্যৱহাৰ কৰে

এইবোৰ অৱশ্যে দিনৰ আগৰ কথা। সেই সময়ত কিয়'টোৰ মুকলি পথাৰবোৰত 'গল্ডেন ৰাগ' বোলা ফুলবোৰ পানী মেটেকাৰ দৰে বিয়পি পৰা নাছিল।

জাপানী মানুহে এই 'গল্ডেন ৰাগ' বোলা ফুলৰ জোপোহাবোৰ আমেৰিকাৰ পৰা অহা বুলি আক্ষেপ কৰে ।

তাই কৈছিল —

— 'কিয়'টো বিশ্ববিদ্যালয়লৈ সময় হ'লে তুমি অকলেই যাবা। জাপানৰ দ্বিতীয়

বৃহত্তম বিশ্ববিদ্যালয় - ছাত্ৰ আন্দোলনৰ কেন্দ্ৰস্বৰূপ কিয়'টো বিশ্ববিদ্যালয়। এই আন্দোলনৰ ফলস্বৰূপে বহুতবাৰ এই বিশ্ববিদ্যালয় বন্ধ হৈ থাকিবলগীয়া হৈছিল '

টকিঅ' চহৰত মাছমৰীয়াসকলে কৰা এক শোভাযাত্ৰাৰ ছবি দেখা পাইছিলো সিহঁতৰ পিন্ধনত ধোঁৱাবৰণীয়া সাজ, হাতত শেঁতা ৰঙা পতাকা

মই প্ৰশ্ন কৰিছিলো –

— 'সেইবোৰ কমিউনিষ্ট নেকি?'

তাই উত্তৰ দিছিল

— 'নহয় নহয়, জাপানৰ আকাশ কমিউনিষ্টসকলৰ বাবে এতিয়াও মুকলি হোৱা নাই। ১৯৪০ ৰ পৰা ১৯৪৯ চনলৈ কমিউনিষ্টসকলে আঠৰ পৰা দহ 'পাৰচেণ্ট' ভোট লাভ কৰিছিল।

১৯৪৯ চনত ডায়েটত (পাৰ্লিয়ামেণ্টত) একুৰি পোন্ধৰটা আসনৰ গৰাকী হৈ সিহঁতে সকলোকে চমক লগাই দিছিল। তাৰ পাছত?

আকৌ ভাঙোন '

কিন্তু ১৯৭২ চনৰ নিৰ্বাচনত চৈধ্যৰ পৰা আঠত্ৰিশটা আসন গ্ৰহণ কৰি সিহঁতে চেৰীফুল আৰু সূৰ্য উদয়ৰ সপোন দেখিছিল।'

— এতিয়া কি হ'ব? নিৰ্বাচনলৈতো আৰু সৰহ দিন নাই? 'লিবাৰেল ডেমক্ৰেটিক' পাৰ্টি আকৌ 'পাৱাৰ'লৈ আহিব নে?'

মাচাই বৰ দৃঢ় কণ্ঠেৰে কৈছিল —

— 'আহিব আহিব সেই লেতেৰা কেলেংকাৰীৰ থাকিলেও মিকি চৰকাৰৰ আকৌ জয় হ'ব —

(মাচা অৰ্থাৎ টুৰিষ্ট গাইড গৰাকীৰ এই উক্তি ১৯৭৬ খৃঃৰ নবেম্বৰ মাহৰ আছিল। মিকি চৰকাৰৰ পতন তেতিয়াও হোৱা নাছিল।)

সূৰ্য উদয়ৰ সোণালী পোহৰে কিয়'টো চহৰ প্লাবিত কৰি পেলালে সেই কুঁৱলী এৰা গাইসাৰ কিম'নোৰ আচল বৰণীয়া কুঁৱলীয়ে এইবাৰ আকৌ 'কামো' নদীৰ পানীত উবুৰি হৈ পৰিল।

পুৱাৰ আহাৰ কৰিবলৈ প্ৰধান 'লবী' হৈ 'পি কক' নামলৈ সোমাই গলো। তৃতীয় মহলৰ এই ডাইনিং হলটোৰ ওচৰত এটা অদ্ভুত বস্তু দেখি কিছু সময় মই হতভম্ব হৈ ৰলো। প্ৰদৰ্শন কৰি থোৱা বহুত ক'লা কীৰ্তিৰ উপৰিও এখন প্ৰকাণ্ড গৰুৰ গাড়ী সজাই থৈ দিছে। গাড়ীৰ 'হৈ'ৰ ওপৰত এটা পুৰণি লণ্ঠন ওলমি আছে। দৃশ্যটিয়ে বৃটিছৰ দিনৰ ভাৰতীয় গাঁও এখনৰ কথা মনত পেলাই দিলে।

মহম্মদ মুছা, ৰাজ, কামাৰ, মুছাৰ ছাত্ৰ বন্ধুজন, দক্ষিণৰ শিক্ষিত ভদ্ৰলোক সকল এৰা সকলোৱে এই গৰু গাড়ীখনলৈ আঙুলিয়াই ঢেকঢেকাই হাঁহিব ধৰিলে।

● ● ●

এটা সময়ত আমি ৭৯৪ খৃঃ ত সজা মিয় টোৰ প্ৰাচীন ৰাজপ্ৰাসাদটিৰ প্ৰাঙ্গণত উপস্থিত হলো। ৭৯৫ খৃঃ ৰ পৰা ১৮৬৮ খৃষ্টাব্দলৈ কিয় টো জাপানৰ ৰাজধানী আছিল। এসময়ত এই ৰাজপ্ৰাসাদৰ প্ৰাঙ্গণ 'নিশি জন টেক্সটাইলছ' প্ৰদৰ্শনৰ কেন্দ্ৰ হৈ পৰিছিল।

● ● ●

প্ৰাসাদৰ বাটচ'ৰাৰ 'ছাউনিত' বন্দুকধাৰী চিপাহীয়ে পহৰা দি আছে। কলা ইউনিফৰ্ম পিন্ধা ছাত্ৰ-ছাত্ৰীৰ ভিৰ দেখা গ'ল।

আমি বাটঘৰ অৰ্থাৎ 'ওকৰুমায়ছ'লৈ সোমাই গলো।

— মাচাই ক'লে —

— 'এই বাটচ'ৰাটি বাহিৰৰ পৰা অহা বিষয়া যুবৰাজ ইত্যাদিৰ গাড়ী আৰু গাড়োৱানৰ বাবে 'জেলকভা' কাঠেৰে সজা হৈছিল। ইয়াতেই সেই বিখ্যাত 'গিছাহ' অৰ্থাৎ সেই সময়ত বলদেৰে টনা জাপানী গাড়ীবোৰ ৰখা হৈছিল।'

বাটচ'ৰা পাৰ হলো —

— চাওক এই ঘৰটোক ছোডায় — বুন'মা বুলি কোৱা হয়। সৌ তিনিটা ভাগ দেখিছে নহয় ? প্ৰত্যেকটো ভাগত চেৰীফুল, বগলী আৰু বাঘৰ ছবি আঁকা আছে। কোঠাবোৰৰ নামাকৰণো এই ছবিবোৰৰ নামেৰে কৰা হৈছে  বিষয়াসকলে নিজৰ বিষয়ৰ গুৰুত্ব অনুসাৰে এইবোৰ কোঠা ব্যৱহাৰ কৰিছিল। কিন্তু সৌ বাঘৰ ছবি থকা কোঠাটো দেখিছে নহয় — সেইটো 'নাইট ডিউতি চেম্বাৰ' হিচাপে ব্যৱহাৰ কৰিছিল।

আমি আকৌ আগবাঢ়ি গলো,

— চাওক সৌটো 'ছুৱি' মহাৰাজ টাউছুৰ অভিষেকৰ বাবে 'জেলকভা' কাঠেৰে তৈয়াৰ কৰা হৈছিল। সৌৱা প্ৰধান সিংহদ্বাৰ চালৰ কৰাবোৰ চাইপ্ৰাছৰ কাঠৰ ডালেৰে কৰা হৈছে। ৰাজসভাৰ ভিতৰেদি এটা কাঠৰ 'কৰিডৰ' দেখিছে নহয় তাতেই সম্ৰাট আৰু মন্ত্ৰীসকলে গুৰুতৰ বিষয়ৰ 'মীমাংসা' কৰিবৰ বাবে একগোট হৈছিল।

পাক এটা ঘূৰি আমি ছিছিনডেনত উপস্থিত হলো। এইটোৱেই ৰাজপ্ৰসাদৰ প্ৰধান 'এডিফিচ'.

মাচাই ক'লে —

— 'ছিছিনডেনত ব্যৱহাৰ কৰা কাঠবোৰত কোনো 'পেইন্টৰ' ব্যৱহাৰ কৰা হোৱা নাছিল। চালৰ কৰাত চাইপ্ৰাছৰ ঠানিৰে প্ৰায় দুকুৰি ঢাকনি দিয়া হৈছে। সন্মুখৰ এই কলা

বালিৰ মজিয়ালৈকে বিয়পি আছে চেৰীফুল 'মন্দাকিন কমলা' আৰু 'শাকুৰাৰ' জোপোহা ”

কলা সাজপাৰ পিন্ধা ছাত্ৰ-ছাত্ৰীৰ ভিৰটিয়ে মজিয়াৰ সান্দহৰ গুৰিৰ দৰে লগা বালিত উমলিব আৰম্ভ কৰিলে।

এইবাৰ আমি 'ছেৰিঅ' ডেনত উপস্থিত হলো। শীতল প্ৰাসাদ নামে ছেৰিঅ' ডেন বিখ্যাত। 'হেয়িআন' কালৰ মধ্য ভাগলৈকে সম্ৰাটৰ ব্যক্তিগত প্ৰাসাদ ৰূপে ইয়াক ব্যৱহাৰ কৰা হৈছিল। পাছলৈ ইয়াক অৱশ্যে ৰাজসভাৰ উৎসৱ অনুষ্ঠান আদিৰ বাবেহে ব্যৱহাৰ কৰা হৈছিল

মাচাই ক'লে —

—"ৰাজ সিংহাসন ৰখা ঠাইখনৰ নাম ময়া। সিংহাসনক আমি মিকাডাই বুলি কওঁ চোৱা ভালদৰে চোৱা ৰাজ আসনৰ দলিচাবোৰ কিমান মোটা লক্ষ্য কৰিছা নে? সেইবোৰ চব টাটামি মেটেৰে তৈয়াৰ কৰা হৈছে।

আগবাঢ়ি গৈ মই চীনা শিল্পকলাৰ অলেখ নিদৰ্শন দেখিবলৈ পালো। কবিডৰৰ শেষত এখন আইনাৰ পৰ্দা চকুত পৰিল; ইয়াত ৰাজসভাৰ গুৰুত্বপূৰ্ণ ঘটনাসমূহ লিপিবদ্ধ কৰি ৰখা হৈছিল।

কিছুদূৰ আগবাঢি গৈ পুৱ ফালৰ চোতালত কিছুমান বিচিত্ৰ বৰণীয়া বাঁহ গছৰ জোপোহা দেখা গ'ল।

মাচাই ক'লে —

— "সৌবোৰ বাঁহ গছ দেখিছা নহয়? সেইবোৰক দুটা চীনা ৰাজবংশৰ নামেৰে নামাকৰণ কৰা হৈছে — সৌৱা প্ৰথম বিধৰ নাম হান আন বিধৰ নাম বু বাঁহ।

মাচাৰ সৈতে ছিন্তো ধৰ্মাৱলম্বী ৰজাৰ পবিত্ৰ আইনা ৰখা গৃহ 'ওংকু ডেন' মাহেকীয়া কবিতা পঢা টাটামি মেটেৰে সজোৱা গোগাকুমানজো চাই পুৱ ফালৰ ৰাজকীয় বাগিচাৰ পিনে আগবাঢি গলো।

. বাগিচাৰ মাজেৰে বৈ গৈছে এটি সৰু নিজৰা। নিজৰাৰ কাষত এটি ক্ষুদ্ৰ শিবিৰ। শিবিৰটিৰ নাম ৰখা হৈছে জিছিন ডেন। এই বাগিচাত বিচৰণ কৰোতে হঠাতে যদি ভূমিকম্প আহে সম্ৰাটে যাতে আশ্ৰয় লব পাৰে তাৰ বাবেই সজা হৈছিল এই শিবিৰ।

বাগিচাৰ একোণৰ পাহাৰটিৰ ওপৰত এটি টি হাউচ আছিল। সম্ৰাট মেইজীৰ বৰ প্ৰিয় আছিল এই 'টি হাউচটো'।

মহম্মদ মুছাই নিজৰাটো পাৰ হৈ এই টি হাউচত বহি আছিল।

তেওঁ ক'লে —

— ওনক আমি হেইয়ান মন্দিৰটো সোনকালে চাই অহা উচিত। নহ'লে 'মিচিমাৰ

গাৰ্ডেন পেভেলিয়ন চোৱা নহব -- গধূলি হৈ আহিব। তদুপৰি এটা কথাত মোৰ বৰ সন্দেহ হৈছে

— কিহৰ সন্দেহ।

--- কামাৰে এইবাৰ পাকিস্থানী টুৰিষ্টৰ দল এটিৰ পিছ লৈছে। গতিকে কেতিয়া কি হয়?

— কেতিয়া কি হয় মানে?

-- সেইখন মই আপোনাক বুজাই ক'ব লাগিব নে?

● ● ●

এয়া হেইয়ান মন্দিৰ।

কিয়'টো চহৰৰ মাতৃ স্বৰূপ এই মন্দিৰ। কিয়'টো ৰাজ ধানীৰ এহেজাৰ এশ বছৰীয়া স্মৃতি চিৰস্মৰণীয় কৰিবৰ বাবে এই মন্দিৰ সজা হৈছিল। কিয়'টো ৰাজধানীৰ জন্মদাতা সম্রাট কামু আৰু শেষ সম্রাট কোমেইৰ নামেৰে এই মন্দিৰ উৎসৰ্গা কৰা হৈছিল।

নীলা ইটা আৰু ৰঙা ৰং দিয়া কাঠেৰে কৰা শিসন দৰ্জা পাৰ হলো — চাইপ্ৰাছ কাঠেৰে কৰা প্ৰধান মহল পাৰ হলো।

গিছিকাইডেন অৰ্থাৎ বিবাহ মণ্ডপো পাৰ হলো।

আশী বছৰীয়া উইপিং চেৰী গছেৰে শোভিত বাকোৰো আৰু ছুকও মহল পাৰ হলো।

চাহ উৎসৱ পালন কৰা চোশিন টেই পাৰ হলো।

সৰল গছ প্লাম গছ বাঁহৰ জোপোহা আৰু বগলীৰ চিত্ৰেৰে অংকিত ছোফিকান প্ৰাসাদো পাৰ হলো।

এঠাইত মোৰ দৃষ্টি স্থিৰ হৈ ৰ'ল ১৮৯৫ চনত এই মন্দিৰটি তৈয়াৰ কৰাৰ সময়ত যিখন 'ষ্ট্ৰীট কাৰ' ব্যৱহাৰ কৰা হৈছিল সেইখন বৰ পৰিপাটিকৈ সজাই থৈছে

মহম্মদ মুছাৰ ছাত্ৰ বন্ধুজনে লৰি গৈ হেইয়ান মন্দিৰৰ ত্ৰিশ হেজাৰ মিটাৰ জুৰি থকা বাগিচাখনত যেন নৃত্যহে কৰিব ধৰিলে।

সি আৰ্তনাদ কৰি উঠিল।

— এইখন বাগিচা চাবলৈ পোৱাটো বৰ সৌভাগ্যৰ কথা। জানে মাৰ্লিন ব্ৰাণ্ডো আৰু জাপানী অভিনেত্ৰী মিকি টাকাই কৰা সেই বিশ্ববিখ্যাত চিনেমা 'ছায়নাৰাৰ' ছুটিং ঠিক এইখিনি ঠাইত হৈছিল।

মহম্মদ মুছা আৰু মই ইটিয়ে সিটিৰ মুখলৈ চালো।

বাগিচাৰ সৌন্দৰ্যই দুয়োকো বাংময় কৰি তুলিলে।

সৌৱা বিভিন্ন জাতীয় চেৰী ফুলৰ গছ  কি নাম, এৰা কি নাম এইবোৰৰ?

পিছে পিছে আহি থকা মাচাই ক'লে ছোমেইয়াছিনো য়মাজাকুৰা আৰু আটছুমনোজাকোৰা। বছৰৰ গোটেই কেইটা মাহ এইবোৰ চেৰী ডাল ভৰি ভৰি ফুলে।

সৌৱা চোৱা পুখুৰীৰ পাৰত ইৰিছ ফুলবোৰ এতিয়া ফুলিবলৈ আৰম্ভ কৰিছে আৰু এই মেপলবোৰ? হালধীয়া আৰু ৰঙা পাতেৰে শৰৎ কালত এই মেপল হেইয়ান বাগিচাত যেন জুইহে জ্বলাই দিয়ে।

মহম্মদ মুছাই মাচাক প্ৰশ্ন কৰিলে

— 'শীতৰ দিনত কি হয়?'

— বৰফ পৰি এই ফুলৰ জোপোহাবোৰ একোটা ভেড়াৰ ৰূপ ধাৰণ কৰে। দূৰৰ 'হিগাছিয়ামা' পৰ্বতৰ দৃশ্যৰাজিৰ সৈতে এই দৃশ্য একাকাৰ হৈ যায়। হিগাছিয়ামা পৰ্বতেও সেই গাভিনী ভেড়াৰ ৰূপ ধাৰণ কৰে আৰু এই সৰু সৰু জোপোহাবোৰ তাইৰ পোৱালি হৈ পৰে।

সংগ্ৰহালয়লৈ গৈ আমি সম্ৰাট মেজিৰ স্বাক্ষৰ, সম্ৰাজ্ঞী কৈইমেইৰ অলংকাৰ, সম্ৰাট কোমেইৰ হোকা আৰু সাজৰ এক বিচিত্ৰ সমাৰোহ দেখা পালোঁ।

● ● ●

— কামাৰৰ বাবে আমি নিশ্চয় বিপদত পৰিবলগীয়া নহব — নহয় নে?

মহম্মদ মুছাৰ উৎকণ্ঠাৰ কাৰণ মই বুজি পালোঁ। তেওঁ হংকঙত উপস্থিত হবৰ বাবে একপ্ৰকাৰ উত্ৰাৱল হৈ পৰিছে

কি উত্তৰ দিম মহম্মদ মুছাক? তৰোৱালৰ ধাৰৰ ওপৰেদি ফুৰা মানুহৰ বিষয়ে কৰা প্ৰশ্নৰ কি উত্তৰ দিব পাৰি?

বাছত উঠালৈকে মুছাৰ ছাত্ৰ বন্ধুটিৰো সেই একেই প্ৰশ্ন।

— আমেৰিকান এক্সপ্ৰেছে নিশ্চয় মোক অসুবিধাত নেপেলাব নহয় নে?

মহম্মদ মুছা

ছাত্ৰ বন্ধু!!

কামাৰ?

দক্ষিণৰ ভদ্ৰলোক সকল? আৰু এই হেইয়ান মন্দিৰৰ বিচিত্ৰ আকাশ? উঃ!! সকলোৰে মুখত নানা ধৰণৰ মুখা!

● ● ●

য়াকো মিচিমা। আৰু কাৱাবাটা। দুয়ো জাপানৰ আটাইতকৈ জনপ্ৰিয় লিখক!

দুয়ো নিজৰ পেট নিজে কাটি পৰম পুৰুষৰ ওচৰত আত্মোৎসৰ্গ কৰা বুলি ঘোষণা কৰি থৈ গ'ল। আত্মহত্যা নহয় এয়া আত্মোৎসৰ্গ?

সেই দুকুৰি সাতটা মমিনে আত্মহত্যা কৰি দেখুৱাই যোৱা প্ৰভু ভক্তিৰ পাছৰ পৰা আত্মহত্যা আৰু পাপ হৈ থকা নাই। এয়া এক চৰম ত্যাগ।

এইবাৰ আমিয়াকো মিচিমাই অমৰ কৰি থৈ যোৱা গল্ডেন পেভেলিয়নৰ পিনে আগবাঢ়ি গলো।

মিচিমাৰ টেম্পল অব গল্ডেন পেভেলিয়ন পঢ়াৰ পাছত সঁচাকৈয়ে যে এদিন 'গল্ডেন পেভেলিয়ন'ত উপস্থিত হব পাৰিম ভবা নাছিলো।

পাইনৰ গভীৰ অৰণ্যত তেতিয়া শেষ সূৰুযৰ পোহৰে লুকাভাকু খেলিছিল। এই অৰণ্য যেন এটি শুই থকা নাহৰফুটুকী বাঘলৈ ৰূপান্তৰিত হৈছিল।

মোৰোমাচি যুগৰ (১৩৯২-১৫-৭৩) তৃতীয় সম্ৰাট য়ছিমিটসু আছিকাকাগাই বিলাস-বিনোদনৰ বাবে কিনকাউজিৰ এই 'গল্ডেন পেভেলিয়নটি' সাজিছিল।

পাইন আৰু উইপিং চেৰীৰ এই অনন্য অৰণ্যৰে আমি আগুৱাই গ'লো  এই পেভেলিয়নটি হেইয়ান সময়ৰ 'ছিনডেন জকুৰিৰ' ষ্টাইলত সজা। কাঠত সোণৰ প্ৰলেপ। চূড়াত এটি ফিনিক্স পখী।

হেইয়ান বাগিচাৰ চূড়াটো ঠিক এনে ধৰণৰ ফিনিক্স পখী এটি থিয় হৈ থকা দেখিছিলো।

— এয়ে সেই ফিনিক্স পখী।

আধুনিক কৱিতাৰ বুকুত বৰ্তমান অমৰ হৈ পৰা ফিনিক্স পখী — যেনেৰ 'গোমা পখীৰ' সৈতে অভেদ্য এই পখী।

শুনা যায় এই পখী জাপানলৈ আহে সাত শ বছৰ আগেয়ে।

তাৰ পাছত বিবাহ মণ্ডপ, পূজাৰ বেদী-- সকলোতে এই পখীয়ে মুক্ত বিহাৰ আৰম্ভ কৰি দিলে। পৃথিৱীৰ ধূলি-বালিৰ ওচৰলৈ আহিও পৃথিৱীৰ এই ধূলি বালি স্পৰ্শ নকৰা পবিত্ৰ পখী — গোমা পখী।

ফিনিক্স পখীৰ সৈতে একাকাৰ হৈ যোৱা গোমা পখী।

নীলা পানীৰ ওপৰত ওপঙি থকা 'গল্ডেন পেভেলিয়নক' এই মুহূৰ্তত মোৰ এখন সোণালী জাহাজৰ লগত তুলনা কৰিবৰ ইচ্ছা হ'ল।

এয়ে নেকি য়াকো মিচিমাৰ নায়ক 'মিজুগুচি' অভিভূত হোৱা সেই সোণালী সপোন!

ইংৰাজ টুৰিষ্ট এজনক লৈ যুৱেজ্ঞা গাইডৰ গলগলীয়া কণ্ঠ শুনা গ'ল — সিও মিচিমাৰ নায়ক 'মিজুগুচিৰ' বিষয়ে কৈছিল —

"Mizogushi that zen acolyte, a stammering, grotesqurly ugly youth who was obssessed by a vision of beauty the shimmering golden Temple, more fascinating than a woman, more eternal than love And because he was ugly , evil, impotent he determined someday to possess it by destruction "

অনুভূতিপ্ৰৱণ এই জাপানী যুবকজনে জাপানৰ যুৱকসকলৰ প্ৰতিনিধিত্ব কৰে নে? মই যেন নিজকেই প্ৰশ্ন কৰিলো।

মিজুগুচিৰ কুৎসিত মুখখন মোৰ চকুৰ আগত ভাঁহি উঠিল। বাপেকৰ ওপৰত কেতিয়া আস্থা হেৰুৱাইছিল 'মিজুগুচিয়ে'?

একেখন আঠুৰাৰ তলত থাকক যেতিয়া এজন আলহীৰ সৈতে মিজুগুচিয়ে আৱিষ্কাৰ কৰিছিল তাৰ মানসিক প্ৰতিক্ৰিয়া কেনে হৈছিল?

এয়ে সেই 'সোণৰ ৰভা'। ইয়াতেই মিজুগুচিয়ে বিহাৰ কৰিছিল। ধ্বজ ভংগ ৰোগী মিজুগুচিয়ে এই 'গল্ডেন পেভেলিয়ন'ত এদিন জুই লগাই দিছিল। কাৰণ পৃথিৱীৰ সমগ্ৰ সৌন্দৰ্যৰ প্ৰতীক আছিল—এই গল্ডেন পেভেলিয়ন।

ইয়াৰ পাছত মিজুগুচিৰ আত্মহত্যাৰ প্ৰচেষ্টা আৰু বিফলতা সেয়া এক অন্য কাহিনী। মিজুগুচিৰ আত্মসমৰ্পণ সিও এক অন্য কাহিনী। জাপানৰ আটাইতকৈ জনপ্ৰিয় কাহিনী।

● ● ●

এইবাৰ 'কিয়'টো বিশ্ববিদ্যালয়' অভিমুখে বাছত উঠিলো।

মাইক হাতত লৈ গাইডৰ ছিটত বহি থকা মাচাৰ হাতত আছিল 'চাকুৰা' ফুলৰ গুচ্ছ এটি। এই 'গল্ডেন পেভেলিয়ন'ত ভাল ভৰি ভৰি ফুলে এই ফুল।

মই মাচাক গোপনে প্ৰশ্ন কৰিলো

"য়াকো মিচিমা — অৰ্থাৎ জাপানৰ এই প্ৰখ্যাত সাহিত্যিক গৰাকীৰ মৃত্যুৰ বিষয়ে বহুত মুখৰোচক কথা শুনা যায়।

শুনা যায় ছেইন্ট ছেবাষ্টানৰ ক্ৰছবিদ্ধ শৰীৰ দেখি তেওঁৰ যৌন চেতনা জাগৃত হৈছিল। শুনা যায় তেওঁৰ আত্মহত্যা 'সমকামী প্ৰেমৰ' অৱসান প্ৰচেষ্টা মাথো

মাচাই চকু কপাললৈ তুলি ক'লে

"— যোৱা যুদ্ধৰ পাছত প্ৰায় কুৰি বছৰলৈ ৰাজতন্ত্ৰৰ প্ৰতি জাপানী সকলৰ আস্থা সম্পূৰ্ণৰূপে হেৰাই গৈছিল, যুদ্ধৰ নিৰ্মম ফলাফলে জাতীয় ভাবো ধূসৰিত কৰি তুলিছিল। "

মাচাই এইবাৰ মাইক হাতত লৈ সকলোৱে শুনিব পৰাকৈ ইংৰাজীত চিঞৰি উঠিল —

"Popular novelist Mishima who on November 25, 1970 after ha-

ranguing elements of the Self-Defence Forces in a vain effort to stir them to political action committed suicide by the traditional method of feudal times His act did have a deep significance, for it was a surface manifestation of the longing of most Japanese for a clear national self identity "

আমি কিয়'টো বিশ্ববিদ্যালয় অভিমুখে আগবাঢ়ি গলো। মাচাই ক'লে —

— 'সময় বৰ কম। আপোনালোকে বিশ্ববিদ্যালযটো মাথোঁ ভুমুকিয়াই চাব পাৰিব।'

গাড়ী আগবাঢ়িল।

এইবাৰ মহম্মদ মুছাই প্ৰশ্ন কৰিলে—

—'শুনিছিলো 'কিয়'টো বিশ্ববিদ্যালয়ত ছাত্ৰ অনুষ্ঠান জেনগাকুৰেণে যথেষ্ট প্ৰভাৱ পেলাইছিল।'

মাচা উৎসাহিত হৈ উঠিল।

—হয় হয় ছাত্ৰ আন্দোলনৰ গুৰি স্বৰূপ 'জেনগাকুৰেণ' ১৯৪৮ চনৰ পৰা কমিউনিষ্টসকলৰ তত্ত্বাৱধানত আছিল। বৰ কম সময়ৰ ভিতৰত ই বিশ্ববিদ্যালয়ৰ ৰাজনৈতিক কেন্দ্ৰস্বৰূপ হৈ পৰিল। ১৯৫৭ চনত সেই 'authonomous movement' ৰ লৈ ৰূপান্তৰিত হ'ল।

লগে লগে ই ভয়ানক ৰূপ ধাৰণ কৰি পেলালে —They moved towards trotoskyism

সেই সময়ত বিশ্ববিদ্যালয়ৰ অধ্যাপক কিছুমানেও জেনগাকুৰেণৰ সৈতে চামিল হৈ পৰিল। সেই বছৰৰে ১৫ জুনৰ দিন। টকিঅ' বিশ্ববিদ্যালযৰ প্ৰাংগণত ভযঙ্কৰ নাটকৰ সৃষ্টি হ'ল, তাৰ ফলস্বৰূপে এগৰাকী ছাত্ৰীক বিশ্ববিদ্যালয়ৰ প্ৰাংগণত টুকুৰাটুকুৰ কৰি পেলোৱা হ'ল। ১৬ জুনৰ দিনা হবলগীয়া প্ৰেছিডেন্ট আইছেনহাৱাৰৰ ভ্ৰমণ বাতিল কৰিবলগীয়া হ'ল। অৱশ্যে জেনগাকুৰেণে চৰকাৰক পেৰেলাইজ কৰিবলৈ সমৰ্থ নহ'ল।

আমাৰ ভ্ৰমণকাৰী সকলৰ সৰহ সংখ্যকে বিশ্ববিদ্যালয়লৈ যাবলৈ মান্তি নহয। তেওঁলোকে জাপানৰ প্ৰাচীন ৰাজধানী নাৰাৰ প্ৰতিহে আগ্ৰহান্বিত হৈ পৰিল।

আমি নাৰাৰ পথেৰে আগবাঢ়িলো। এইবাৰ ৰাজে প্ৰশ্ন কৰিলে —

— ছাত্ৰ আন্দোলনৰ মূল কাৰণ কি আছিল?

মাচাই আকৌ উৎসাহিত হৈ পৰিল —

— যুদ্ধৰ পাছত ১৯৬০ চনলৈ জাপানৰ বিশ্ববিদ্যালয় সমূহৰ শিক্ষাৰ মানদণ্ড নিম্নগামী হৈ পৰিছিল। পুঁজিৰ অভাৱত প্ৰাইভেট বিশ্ববিদ্যালয় সমূহ ধাৰত পোত গৈ আছিল। নানান সুবিধাৰ পৰা ছাত্ৰসকল বঞ্চিত হৈছিল।

তদুপৰি আমেৰিকাৰ প্ৰতি বিৰূপ মনোভাব। দক্ষিণৰ ভদ্ৰলোকসকল উচপ খাই উঠিল।

— 'আমেৰিকাৰ প্ৰতি বিৰূপ মনোভাব?'

— হয় হয় ১৯৬১ চনত আমেৰিকাৰ লগত হোৱা 'ছিকিউৰিটি ট্ৰিটি লৈ ছাত্ৰসকলৰ মাজত অসন্তোষে দেখা দিছিল। ১৯৭০ চনত এই ট্ৰিটি যেতিয়া আকৌ নতুন কৰা হ'ল, ছাত্ৰসকলৰ মাজত ভয়ঙ্কৰ ক্ষোভে দেখা দিলে। ভিয়েটনামৰ যুদ্ধৰ সময়ত আহত আৰু ৰোগগ্ৰস্ত ভিয়েটনামী সৈনিকসকল টকিঅ'ৰ 'আমেৰিকান মিলিটেৰী' চিকিৎসালয়ত ৰখা হৈছিল। এইবোৰ ৰোগীয়ে ভয়ঙ্কৰ ৰোগৰ বীজাণু বিয়পাব বুলি ছাত্ৰসকলৰ মাজত ত্ৰাসৰ সৃষ্টি হৈছিল।

তদুপৰি ১৯৬৮ চনত আণৱিক অস্ত্ৰ-শস্ত্ৰেৰে সজ্জিত উৰা জাহাজ কঢ়িওৱা আমেৰিকান জাহাজ এখনৰ আগমনে এই অসন্তুষ্টি আৰু বঢ়াই তুলিলে।

মাচাই এইবাৰ মাইকটো হাতত লৈ থিয় হ'ল। এবা, কোনোৱে আমনি পোৱা নাই সকলোৱে তাইৰ কথা আগ্ৰহেৰে শুনি আছে।

— শুনক ১৯৬০ৰ পৰা ১৯৬৯ ভিতৰত জেন্দাকোৰেণ তিনিটা ভাগত বিভক্ত হৈ পৰিল প্ৰত্যেকেই নিজৰ মাজত খোৱা কামোৰা আৰম্ভ কৰি দিলে।

সিহঁতে কি কৰিছিল জানে নে?

— 'কি?'

— প্ৰত্যেকেই একোটা প্লাষ্টিক 'হেলমেট' ব্যৱহাৰ কৰিছিল। ষ্টীলৰ পাইপ আৰু কাঠৰ দাণ্ডা হাতৰ মুঠিত ৰাখিছিল। ইহঁতৰ এটা শাখাক কমিউনিষ্ট আন এটা শাখাক ছচিয়েলিষ্ট আৰু তৃতীয় শাখাটি 'কমোটাই' (Offshoot of Buddism) নিয়ন্ত্ৰিত কৰিছিল—

হত্যাহতি। পুলিচৰ গুলী।।

চৰকাৰৰ নিয়ন্ত্ৰণ।

ৰেড আৰ্মী গঠন। 'টেল অভিভ'ৰ ঘটনা আৰু

কোনোবা এটিয়ে প্ৰশ্ন ক'লে —

— 'সৌৱা আমি নাৰাৰ টোডাইজি মন্দিৰত উপস্থিত হৈছো।'

*** আমি গাড়ীৰপৰা নামিলো। কাইকাউছে ক'লে —

— তুমি নাচাৰ গোটেইখিনি কথা লিপিবদ্ধ কৰি ৰাখিব পাৰিলা নে? যদি পৰা নাই নিয়া মোৰ পকেটত এখন নোটবুক আছে — মই গোটেইখিনি কথা লিপিবদ্ধ কৰি ৰাখিছো।

কৃতজ্ঞতা প্ৰকাশ কৰি কাইকাউছৰ পৰা মই নোটবুক গ্ৰহণ কৰিলো। তাৰ পাছত পৃথিৱীৰ আটাইতকৈ বৃহৎ কাঠৰ ঘৰটিৰ পিনে আগবাঢ়ি গলো।

মাচাই ক'লে —

— এই বিশ্ববিদ্যালয়ত কাঠৰ ঘৰটিতে আছে নাৰা সময়ত (৭৫২ খৃঃত) সজা 'বৈৰোচনা বুদ্ধ'ৰ এটি বৃহৎ মূৰ্তি। কেগন সম্প্ৰদায়ৰ জন্মদাতা 'বৈৰোচনা বুদ্ধ'।

বহুতবাৰ এই মন্দিৰ জুয়ে পুৰি ছাৰখাৰ কৰি পেলাইছিল।

কিন্তু টোডাইজি মন্দিৰৰ মৃত্যু নাই।

প্ৰত্যেক বাৰেই আকৌ নতুন ৰূপেৰে এই মন্দিৰ জাতিস্মাৰ হৈ উঠিছে।

● ● ●

এটা সময়ত আমি নাৰাৰ কাচুগা মন্দিৰৰ অভিমুখে আগবাঢ়ি গলো। ফুজিৱাৰা পৰিয়ালে সজাইছিল এই কাচুগা মন্দিৰ। ফুজিৱাৰা জাপানৰ এটা ৰাজপৰিয়াল আছিল। এই পৰিয়ালৰ দুটি সেনাপতিৰ বীৰত্বৰ কাহিনী বৰ্তমানে কিম্বদন্তিলৈ ৰূপান্তৰিত হৈছে।

কাচুগা মন্দিৰৰ চাৰিওফালে এক অনন্য নীৰৱতাই বিৰাজ কৰি আছে। চাৰিওফালে গিচু 'মেপল' আৰু পাইন গছৰ হাবি।

সিংহদ্বাৰ পাৰ হৈ মন্দিৰ অভিমুখে যোৱা পথছোৱাৰ দুয়ো পিনে শাৰী পাতি থকা অজস্ৰ শিলৰ লেম্প দেখা পালো। শুনা যায় ফুজিৱাৰা পৰিয়ালৰ প্ৰত্যেকটি সভ্যই একোটাকৈ শিলৰ লেম্প দান কৰি গৈছে। কাচুগা মন্দিৰত তিনি হেজাৰ শিলৰ লেম্প আছে

এই লেম্পবোৰ বৃটিছ যুগৰ ভাৰতীয় ভিক্টোৰিয়া নাইবা টাঙ্গাসমূহত ওলমি থকা লেণ্ট্যাৰ্ণৰ দৰে লাগিল।

শিলৰ লেম্পবোৰৰ আশে - পাশে হৰিণা কিছুমান ঘূৰি ফুৰা দেখা গ'ল। 'ছিন্তো' ধৰ্মমতে হৰিণা স্বৰ্গীয় দূত। হৰিণা বধ কৰা মহা পাপ। নাৰা যুগত হৰিণা বধ কৰিলে মৃত্যু দণ্ডেৰে দণ্ডিত হ'বলগীয়া হৈছিল।

দুয়ো পিনৰ এই প্ৰাচীন লেম্পৰ শাৰী পাৰ হৈ মই 'কাচুগা' মন্দিৰ অভিমুখে আগবাঢ়ি গলো।

— মন্দিৰৰ দুৱাৰ মুখৰ গিচু গছত বহুত ক্ষুদ্ৰ ক্ষুদ্ৰ কাগজ ৰ টুকুৰা বান্ধি থোৱা দেখিলো।

মাচাই ক'লে—

— এইবোৰ চব ভাগ্য চোৱা কাগজ। অৰ্থাৎ তুমিও মন্দিৰৰ প্ৰাঙ্গণত বাঁহৰ পাত্ৰ এটাত হাত ভৰাই নিজৰ ভাগ্যৰ কথা লিখা কাগজ এখন উলিয়াই আনিব পাৰিবা। আৰু

ক্ষুদ্ৰ কাগজ খিলাত যদি তোমাৰ দুৰ্ভাগ্যৰ কথা লিখা থাকে তেতিয়াহ'লে তুমিও তেনেদৰে গিঙ্কু গছৰ ঠানিত এই কাগজখিলা বান্ধি থবা। কাৰণ জাপানীসকলৰ বিশ্বাস বতাহে দুৰ্ভাগ্যক উৰুৱাই লৈ যায়।

চকুত পৰিল বহুত কাগজ। বহুত গিঙ্কু গছ।

আৰু এই ক্ৰছ চিহ্নৰ দৰে অলেখ অজস্ৰ লেম্প

মন্দিৰৰ প্ৰাঙ্গণত ক্ৰছ চিহ্নৰ আকৃতিৰ এই শিলৰ লেম্প কিছুমান পোহনীয়া চৰাইৰ বাহৰ দৰে ওলমাই থৈ দিছে। ভিতৰত জাপানী কিংবদন্তিৰ কাহিনীৰ মিছিল।

মন্দিৰৰ কাঠৰ বং ৰঙা আৰু হালধীয়া। নামকৰণ কৰিব অহা ছিন্তো ধৰ্মী জাপানী শিশু দুটামানক জাতীয় পোছাক পিন্ধি মন্দিৰ প্ৰাঙ্গণত বৈ থকা দেখিলো। ছত্ৰীৰ ভিতৰত দুখনমান পবিত্ৰ দৰ্পণ জকমকাই আছিল চকুৰ সন্মুখত থিয় হৈ আছিল 'ছিন্তো' ধৰ্মী লোকৰ এটি ভিৰ। এই ধৰ্মই প্ৰকৃতিক পূজা কৰিব শিকায়।

পূৰ্বপুৰুষসকলক পূজা কৰিব শিকায়।।

প্ৰাগঐতিহাসিক যুগৰ পৰা আজিলৈকে এই ধৰ্মৰ কোনো পৰিবৰ্তন হোৱা নাই।

যোৱা এহেজাৰ তিনিশ বছৰ ধৰি এই ধৰ্মলৈ নতুনত্ব অনাৰ বিষয়ে যিবোৰ গৱেষণাৰ সৃষ্টি হৈছিল, চব খোলাকটিৰ তাললৈ ৰূপান্তৰিত হৈছে

এতিয়াও ছিন্তো এক ৰহস্যময় ধৰ্ম। সূৰ্য তেওঁলোকৰ আদৰৰ দেৱতা।

মাচাৰ আৰ্তনাদ শুনিলো —

— আহা সময় নাই। এতিয়াও আমাৰ হৰিণাৰ বম্য তুমি চাবলৈ বাকী।

আকৌ তাইৰ কণ্ঠ শুনা গ'ল —

— 'আমেৰিকান পণ্ডিত ৱাৰনাৰে কিয়'টো আৰু নাৰাত গৱেষণা কৰি বহুত দিন অতিবাহিত কৰিছিল কিয়'টো আৰু 'নাৰাত' জাপানৰ সমস্ত ঐতিহ্য ৰক্ষিত আছে বুলি তেওঁ মুক্ত কণ্ঠে ঘোষণা কৰিছিল।

— যোৱা যুদ্ধত আমেৰিকান জেনেৰেল মেক্ আৰ্থাৰক তেওঁ অনুনয় কৰি পত্ৰ লিখিছিল যাতে গোলাবৰ্ষণ কৰি কিয়'টো আৰু নাৰাক ধ্বংস কৰা নহয়।'

— 'এই বাবেই হিৰোছিমাৰ দৰে অৱস্থা কিয়'টো আৰু নাৰাৰ নহ'ল।'

● ● ●

মহম্মদ মুন্নাই তেতিয়াও ক্ৰছ চিহ্নৰ দৰে লগা শিলৰ লেম্পসমূহৰ ওচৰত থিয় হৈ আছিল।

মই প্ৰশ্ন কৰিলো —

— 'মহম্মদ শিলৰ লেম্পবোৰৰ ওচৰত কিবা বিচাৰি পাইছা নে?'

— 'মেডাম— কি ভাব হয় জানে?'

— 'কি?'

— এইবোৰ শিলৰ বস্তিৰ শলিতা সেই পৰম পুৰুষজনে যাতে জ্বলাই দিয়ে

চব কথাই যে অন্ধকাৰৰ মাজত লুকাই আছে আমাৰ এই মন —

আৰু শাস্ত্ৰৰ সেই মণি-মাণিক্য-খচিত কথাসমূহ

এৰা চব কথাই যে অন্ধকাৰৰ বুকুত লুকাই আছে?

ছামুৰাই তৰোৱাল,

হিৰোছিমাৰ কথা মনত নেপেলাবা,

য়ডো নদীৰ পাৰত কল-কাৰখানাৰ ধোঁৱাই ঢাকি ৰখা ওছাকা চহৰ।

ভাব হয় যেন মেঘৰ মাজত উটি ফুৰিছে এক অপ্সৰাৰ সাম্ৰাজ্য।

কাইকাউছ, মই আৰু মাচা!

আমি ওছাকা দুৰ্গ অভিমুখে যাত্ৰা কৰিলো —

মহম্মদ মুছা হোটেলতে থাকিল।

সহযাত্ৰীসকলৰ সৰহ ভাগেই 'দুহেজাৰ নশ য়েন' খৰচ কৰি এই যাত্ৰাত চামিল হোৱাৰ ইচ্ছা প্ৰকাশ নকৰিলে

যাত্ৰীসকলৰ প্ৰধান আকৰ্ষণৰ কেন্দ্ৰ হৈ পৰিল 'নিপন'বাসীৰ প্ৰখ্যাত আণ্ডাৰ গ্ৰাউণ্ড মাৰ্কেট।

. এটা সময়ত আমি সোতৰ শতিকাত সজা ওছাকা দুৰ্গৰ প্ৰাঙ্গণত থিয় হলো। আমাৰ 'গাইড' কৰিবলৈ লৰি আহিল টুৰিষ্ট গাইড মিছ কেইকি। তাই জাপানী ছোৱালী, সাজপাৰ কিন্তু পশ্চিমীয়া।

মিছ কেইকিয়ে দুৰ্গৰ তলৰ মহলটো দেখুৱাই ক'লে —

— 'এইবোৰ চব ষষ্ঠ শতিকাৰ বস্তু!

এই দুটা শিশুৰ কফিন।'

কফিন দুটা আমাৰ মাটিৰ কলহৰ দৰে আকৃতিৰ। বিবৰ্ণ হৈ গৈছে যদিও বৰ যত্নেৰে ৰখা হৈছে।

যুদ্ধ বীৰ হিদেয়ছীৰ জীৱনৰ বহুত কাহিনী অঙ্কিত কৰি ৰখা হৈছে ।

শিলৰ চিৰিৰে খুপি খুপি আমি ওপৰ মহলালৈ উঠি গলো। খিৰিকীৰে চাই দেখিলো দূৰৈত গুকাই যোৱা এখন নদী।

মিছ কেইকিয়ে ক'লে —

— 'সৌ শুকাই যোৱা নদীৰ ওচৰত ডলফিনৰ প্ৰতিমূৰ্তি দেখা পাইছে নে? —জাপানীসকলৰ বিশ্বাস আছিল নদীৰ পানী ডলফিনে শুহি পেলাব। এই পানীয়ে দুৰ্গ স্পৰ্শ কৰিব নোৱাৰে।'

দ্বিতীয় মহলাত বহুত বিচিত্ৰ বস্তু সজাই থোৱা দেখিলোঁ।

কোৰিয়া আৰু চীনৰ জাপান আক্ৰমণৰ চিত্ৰ।

চীনৰ দূতৰ ছবি।

চেৰীফুল ফুলাৰ সময়ত হিদেয়চীয়ে সম্ৰাটক নিমন্ত্ৰণ কৰিবলৈ যোৱা চিত্ৰ।

প্ৰস্তৰ যুগ আৰু 'টুকুগয়া' সময়ৰ অলঙ্কাৰ।

জাপানী ছামুৰায়ে ব্যৱহাৰ কৰা প্ৰথম বন্দুক।

পত্ৰ-সন্দেশ ৰখা কাঠৰ বাকচ।

ৰথৰ চকাৰ দৃশ্য থকা প্ৰাচীন ইটা।

দুহেজাৰ বছৰ পুৰণি কাঠৰ নাও মোৰ দৃষ্টি কিন্তু ঘূৰিব হৈ ৰ'ল এখন প্ৰকাণ্ড 'ছামুৰাই তৰোৱালৰ' ওপৰত।

যুদ্ধ ক্ষেত্ৰত জিৰণি লোৱা চকী এখনৰ ওপৰত এই তৰোৱাল ভেঁজা দি থোৱা হৈছে —

'কনা' লিপিৰে লিখা সেয়া তৰোৱালখনৰ নাম চাগে। মোৰ কিতাপত পঢ়া মনত পৰিল ৰাৱণৰ তৰোৱালৰ নাম আছিল চন্দ্ৰহাস।

ৰামৰ তৰোৱালৰ নাম আছিল অসিৰত্ন।

কৃষ্ণৰ দুয়ো পিনে ধাৰ থকা তৰোৱালৰ নাম আছিল নন্দক।

তাঞ্জোৰৰ ৰজাৰ তৰোৱাল 'জুলিফ কৰ' আছিল সাপৰ জিভাৰ দৰে তীক্ষ্ণ।

ঔৰংজেবৰ ব্যক্তিগত তৰোৱালৰ নাম আছিল 'আলমগীৰ' য'ত কোৰাণৰ পংক্তিসমূহ লিপিবদ্ধ কৰি ৰখা হৈছিল।

এইখন কেনে ধৰণৰ তৰোৱাল!

কি নাম আছিল এইজনা ছামুৰাইৰ? মনত পৰিল এনে এখন ছামুৰাই তৰোৱাল সোতৰ বছৰীয়া ছাত্ৰ অটোৱা ইমাগুচিয়ে 'ছিকিউৰিটি ট্ৰিট'ৰ বিৰোধিতা কৰা প্ৰৌঢ় নেতা আসানুমাৰ বুকুত বহুৱাই দিছিল।

ছামুৰাই তৰোৱাল বুকুত লৈ আসানুমা ঢলি পৰিছিল। মিঃ কেইকিয়ে ক'লে—

— 'প্ৰাচীন জাপানলৈ চীনৰ পৰা তৰোৱাল আহিছিল।

জাপানী তৰোৱালৰ জন্ম হ'ল হেইয়ান যুগত। জাপানী সৈন্যই ভাবিছিল — তৰোৱালৰ আত্মা আছে।

যিজনা ছামুৰায়ে ইয়াক ব্যৱহাৰ কৰে তেওঁৰ আত্মা ইয়াত প্ৰৱেশ কৰে।'

'ইডো' যুগত তৰোৱালসমূহ বিচিত্ৰ মণি-মাণিক্যৰ অলঙ্কৃত কৰা হৈছিল।'

মিছ কেইকিৰ লগত আমি আগবাঢ়ি গ'লো —

— 'চাওঁক এইবোৰ তিৰোতাই ব্যৱহাৰ কৰা তৰোৱাল। আৰু সৌবোৰ তিৰোতাই যুদ্ধ ক্ষেত্ৰত ব্যৱহাৰ কৰা যুদ্ধৰ সাজ। — 'ছিন্তো' ধৰ্মই আমাৰ তিৰোতাবোৰকো মাতৃভূমিক ৰক্ষা কৰিবৰ বাবে যুদ্ধক্ষেত্ৰত জপিয়াই পৰিবলৈ উদ্‌গনি দিছিল।'

এই 'ছামুৰাই তৰোৱাল' সমূহৰ পৰা দৃষ্টি আঁতৰাই অনা টান হৈ পৰিল। হিদেয়ছীৰ 'ছামুৰাই তৰোৱালৰ' ঝঙ্কাৰে ওছাকা দূৰ্গ যেন মুখৰ কৰি তুলিলে।

● ● ●

এটা সময়ত আমি 'হাটৰি গ্ৰীণ লেণ্ড' পাৰ্কত সংৰক্ষিত কৰি ৰখা জাপানী কৃষকৰ ঘৰ এলানি চাবলৈ গলো —

ধানৰ ভড়াল, বাটঘৰ, শিশু থোৱা বৃহৎ পাচি, বাৰাণ্ডাৰ কাঠ-পচি নেযাবলৈ কৰা নিমখৰ কুণ্ড আৰু সেই টাটামি মেট' পাৰি যোৱা জুহালসমূহ?? সকলোতে সেই প্ৰাচীন গোন্ধ বিয়পি আছে। এই গোন্ধ আইতাক ৰ বুকুত কুঁকৰি কুঁকৰি সোমোৱা শিশুৱে অনুভৱ কৰে — এই গোন্ধ তেল চিকটি লগা কৰাৰ গাৰুত পোৱা যায়

গিঙ্কু গছ — উইপিং উইলো

● ● ●

এদিন ওছাকাৰ নিপনবাসীৰ প্ৰখ্যাত আণ্ডাৰ গ্ৰাউণ্ড বজাৰত পৃথিৱী বিখ্যাত কিতাপৰ দোকান 'কিনো কেনিয়াত' মই হিৰোছিমাৰ বিষয়ে লিখা কিতাপ এখনৰ বিচাৰ ললো।

জাপানী ভদ্ৰলোক দুজনে কপাললৈ চকু তুলি প্ৰশ্ন কৰিলে —

— 'কিয় লাগে?'

— 'মই ক'লো'—

— 'এনেয়ে '

ভদ্ৰলোকৰ কপালত ঘামৰ কণিকা বিয়পি পৰিল। ক'লে —

— 'আমি বৰ দুঃখিত - এই বিষয়ে আপোনাক আমি সহায় কৰিব নোৱাৰিম। কাৰণ আমাৰ ইয়াত 'হিৰোছিমাৰ' বিষয়ে কোনো কিতাপ নাই।'

মই হতভম্ব হৈ পৰিলো।

জাপানৰ আটাইতকৈ প্ৰখ্যাত কিতাপৰ দোকানত 'হিৰোছিমাৰ' বিষয়ে কিতাপ নাই? এই কথা সম্ভৱ হব পাৰে নে।

অসহায় হৈ মই ভদ্ৰলোক দুজনৰ মুখলৈ চালো। তেওঁলোকে ক'লে —

'কিতাপ নোহোৱা নহয়। কেইবাখনো কিতাপ আছিল। শেষ হৈ গৈছে। আমি

নতুনকৈ ছপা কৰাৰ চেষ্টা কৰা নাই।'

কিবা খবৰ লাগিলে আপুনি এখেছি সমূহৰ পৰা যোগাৰ কৰিব পাৰিব।

বাহিৰলৈ ওলাই আহিলো — বাহিৰৰ এই জাক-জমকতা, গাড়ীৰ ভিৰ, মানুহৰ বিলাস এৰা সকলোৱে যেন কৰলৈ খোজে হিৰোছিমাৰ কথা আৰু নোসোঁৱৰাবা 'নিপনবাসীৰ' এইখন বজাৰলৈ অহাৰ আগেয়ে মাচাই ঠিকেই কৈছিল —

— 'সেই 'আণ্ডাৰ গ্ৰাউণ্ড বজাৰ'ত সাপৰ দৰে পাক লৈ 'এছকেলেটৰ'বোৰে কম পৰা ক'লৈ গৈছে একো উমানিহ নেপাবা।'

— শুনা তুমি 'হিৰোছিমা'লৈ যাব খুজিছা — কিয় যোৱা তালৈ? . তাত সেই 'খা -খা' কৰা নীৰৱতা। ১৯৪৭ চনৰ সেই দুই লাখ মানুহৰ কবৰস্থানলৈ গৈ কি কৰিবা?

আৰু সেই 'এটমিক বম মেমৰিয়েল ডুম'ৰ বাহিৰে কি আছে তাত? 'পিচ পাৰ্ক আৰু স্মৃতি স্তম্ভটো ! বিশ্বাস কৰা একো নাই তাত .. মিউজিয়ামটোৰ সেই ফটোবোৰ— সেইবোৰৰ মাজৰ পৰা ভয়ংকৰ ফটো সমূহ ইতিমধ্যে আঁতৰ কৰি পেলোৱা হৈছে।

— শুনা আমেৰিকান টুৰিষ্টসকলে এই মিউজিয়ামলৈ গৈ কি কৰে জানানে?

● ● ●

— 'আঃ কি যে মাৰাত্মক নাছিল সেই ভাবনা পুৰণি 'ইম্পিৰিয়েল আৰ্মীৰ প্ৰভু-ভক্তি? সেই অভিনৱ বিস্ময়জনক প্ৰভু-ভক্তি ?'

— 'যুদ্ধ শেষ হৈ যোৱাৰ ত্ৰিকুৰি বছৰ পাছতো এই পুৰণি 'ইম্পিৰিয়েল আৰ্মীৰ' সেনাপতিজনে দক্ষিণৰ অৰণ্যময় দ্বীপ সমূহত যুদ্ধ কৰিয়েই আছিল। — সৌ সিদিনা - অৰ্থাৎ জানুৱাৰীৰ ২৪ তাৰিখে ছাৰজেণ্ট 'য়কই' গোৱামৰ পৰা উভতি আহিল।

তেওঁৰ ইউনিফৰ্মৰ পৰা ধূলি-বালি জোকাৰি দি জাপানী জনতাই অভূতপূৰ্ব স্বাগতম জনালে

ফিলিপাইনৰ এক নিৰ্জন দ্বীপত যুদ্ধৰ সময়ত চোৰাংচোৱাৰ কাম কৰা লেফটেনাণ্ট ওনোডাক যোৱা ১৯৭৫ চনৰ মাৰ্চ মাহত কমাণ্ডিং অফিচাৰ পৰাকীয়ে ২৯ বছৰ আগেয়ে দিয়া অৰ্ডাৰটো বৰ্তমান উঠাই দিয়া বুলি মাত্তি কৰাবলৈ নিজে ফিলিপাইনলৈ যাবলগীয়া হৈছিল।

— যুদ্ধ কেতিয়া শেষ হৈ গ'ল?

এতিয়া ওনোডাই কেনে ধৰণৰ পৃথিবীত ভৰি দিছে ? এইবোৰৰ প্ৰয়োজন নাই? দেহৰ শেষ বিন্দু ৰক্ত থকালৈ মাথো কৰ্তব্য কৰি গৈছিল ওনোডাই।

••• মাচাৰ কণ্ঠ স্খলিত হৈ পৰিছিল — মোৰ ভাৱ হৈছিল —

— 'কেনে ধৰণৰ প্ৰভু-ভক্তিৰ উদাহৰণ এইবোৰ?'

— 'কি পাইছিল এই প্ৰভুভক্ত বীৰ সকলে?'

হিৰোছিমাৰ বিস্ময় আৰু গ্লানিৰ কাহিনীক কালৰ গহ্বৰত পুতি থোৱাৰ প্ৰচেষ্টা এইখিনি সময়ত কিন্তু স্বাভাৱিক যেন ভাব হ'ল।

● ● ●

এটা ৰাতি মাথোঁ হাতত আছে।

পিছদিনা ৰাতিপুৱাই আমি হংকং অভিমুখে ৰাওনা হ'ম।

ৰাতি ভালদৰে টোপনি নাহিল। ভাব হ'ল একেবাৰেই যেন চোৱা নহ'ল।

এটা সময়ত হোটেলৰ খিৰিকী খুলি মই বাহিৰলৈ ভুমুকিয়াই চালো। নিঃপাল দি ওছাকা চহৰ শুই আছে! ইডো নদীৰ পৰা অহা দুই -এছাটি শীতল বতাহ মোৰ গাত ঠেকা খালেহি।

'এছকেলেটৰ' বগাই হোটেলৰ হাউঞ্জলৈ উঠি আহিলো। বাৰৰ পৰা উঠি অহা দুই এগৰাকী ভদ্ৰলোকে লাউঞ্জত ঘুমুটিয়াই থকা দেখা পালো।

এটা অদ্ভুত দৃশ্য দেখি হঠাৎ মই থমক খাই ৰ'লো — মাচাৰ কোলাত মূৰ থৈ শৌৱা কুমাৰস্বামী।

ওচৰলৈ গৈ মই মদৰ গোন্ধ পালো।

মাচাই ৰুমালেৰে মাজে মাজে কুমাৰস্বামীৰ কপালৰ ঘাম মচি আছিল।

— 'কি হ'ল মাচা?'

— 'কি হ'ব জানাই দেখোন!'

মাচাৰ দুয়ো নয়ন ভৰি অহা মই স্পষ্ট লক্ষ্য কৰিলো।

তাইৰ নিচেই ওচৰত পৰি আছিল নোটবুক এটা! সম্ভৱ গোটেই ৰাতি তাই কিবা কিবি টুকি ৰাখিছিল

এৰা ক'ত ধৰণৰ বিচিত্ৰ খবৰৰ প্ৰয়োজন হয় - বোখাৰিষ্টৰ পৰা আৰম্ভ কৰি কোপেনহেগেনৰ পৰা অহা টুৰিষ্ট সকলৰ। বোধহয় কাইলৈ তাই আমাক বিদায় দি আকৌ এটি নতুন টুৰিষ্টৰ দলৰ লগত চামিল হ'ব লাগিব। তাইৰ বয়স হৈছে। এনেদৰে ঘূৰি ফুৰোতে তাইৰ গাৰ ছালে পকি শুকাই যোৱা ডিমৰুৰ বৰণৰ সৈতে একাকাৰ হৈ গৈছে।

— 'তোমাৰ বেগত সৌ দুখন কাৰ কিতাপ মাচা?'

— 'জাপানৰ প্ৰিয় আধুনিক কবি টেৰায়ামাৰ কবিতাৰ পুথি।'

— 'ছুওজি টেৰায়ামা।'

— হয় হয় - ছুওজি টেৰায়ামাই মানুহৰ গীত গায়, — মানুহক ভাল পাব শিকায় মানবীয় গুণ বাশিক ঈশ্বৰৰ সৈতে তুলনা কৰে — মই কবিতাৰ পুথিখন কুমাৰস্বামীৰ বাবে আনিছিলো

— 'কুমাৰস্বামী?'

-- এৰা কুমাৰস্বামীৰ দৰে মানসিক অৱস্থা আমাৰ অৰ্থাৎ ভালদৰে শুনা —

"Every fifth sick man in Japan is mentally ill "

উঠি অহা যুৱকসকলক ধ্বংসৰ পথলৈ নিয়া মাদক দ্ৰব্য সমূহ জাপানৰ এক সমস্যালৈ ৰূপান্তৰিত হৈছে।

— আমাক বিদায় দিবলৈ তুমি টকিঅ' বিমান বন্দৰলৈ যাবা?

— 'বিমান বন্দৰ?'

— উচপ খাই উঠিল মাচা।

— 'তুমি মোক বিমান বন্দৰলৈ যোৱাৰ কথা নকবা?'

— 'কিয়?'

কিছু সময় আকৌ নীৰৱ হৈ ৰ'ল মাচা।

— 'ইটালীৰ পৰা আহিছিল সেই ধৰ্মভীৰু অথচ ৰসিক টুৰিষ্ট দলটি — এমাহ সিহঁতৰ লগত মই ঘূৰি ফুৰিছিলো হাকানুৰ পৰা ফুজি পৰ্বত ফুজি পৰ্বতৰ পৰা 'বিৱা' সৰোবৰ

— শুনা তেতিয়া মোৰ বয়স হোৱা নাছিল-- মই তেতিয়া ফুজি পৰ্বত বগাব পাৰিছিলো—

এদিন সিহঁতৰ সৈতে মই এক হৈ পৰিছিলো।

— টকিঅ' বিমান বন্দৰত সিহঁতক বিদায় দিবলৈ গৈছিলো।

আকৌ মৌন হৈ ৰল মাচা।

— 'তাৰ পাছত?'

— দ'ৰাৰ পৰা বুঢ়ালৈ সকলোৱে মোৰ গাল চুমাৰে ওপচাই দিছিল।

— 'তাৰ পাছত?'

— 'তাৰ পাছত মাত্ৰ এটা মুহূৰ্তৰ কাহিনী উৰা জাহাজ আমাৰ দৃষ্টিৰ পৰা আঁতৰ হোৱা নাছিল আহ্, তাৰ পাছত সেই কাণ তাল মৰা শব্দ। জুই !! আৰু সেই হাহাকাৰ।।

— 'ধ্বংস হৈ যোৱা উৰা জাহাজত 'ছিট বেল্ট' পৰ্যন্ত খুলিবলৈ সময় নোপোৱা শৰোৰ।'

ইটালীয়ান এয়াৰ লাইনছৰ 'আলিটালিয়া-হেভেন জিৰো হেভেনৰ ধ্বংস স্তূপ।।

চিনাক্ত কৰিবলগীয়া হৈছিল — মৰাশবোৰ উঃ কি ভয়াবহ।। কি ভয়ানক

— বিস্ময়কৰ। — বিস্ময়কৰ।। সেইদিনাৰ পৰা মই টকিঅ' বিমান বন্দৰলৈ কোনো টুৰিষ্টক বিদায় দিবলৈ যোৱা নাই? 'আলিটালিয়া হেভেন জিৰো হেভেন'ৰ পাছৰপৰা

— 'মাফ কৰিবা।'

## ছিকিউৰিটিত হঠাতে!

টি-চিআই'ৰ নেতা ৰাজাই পুৰাই আমাক সোঁৱৰাই দিলে — 'আপোনালোকে কোনো 'মেটেল' ইত্যাদি লগত নেৰাখিব। 'মেটেল ডিক্টেটৰ'ৰ হাতত পৰিলে মাৰাত্মক কথা হ'ব। তদুপৰি আজি এটা উল্লেখযোগ্য দিন। আজি নবেম্বৰৰ দহ তাৰিখ, আজি সম্রাট হিৰোহিটোৰ ৰাজত্বৰ ৫০ তম বাৰ্ষিকী জাপানী ৰেড আৰ্মীৰ টেৰ'ৰিষ্ট এদল হ্ংকঙলৈ আগবাঢ়ি যোৱা বুলি খবৰ আহিছে।

গতিকে এয়াৰ প'ৰ্ট সমূহত 'ছিকিউৰিটি' অত্যন্ত 'টাইট' হৈ পৰিছে। আপোনালোক কিছু সাৱধান হ'ব।

টকিঅ' এয়াৰ প'ৰ্টত নীলা ইউনিফৰ্ম পিন্ধি পিয়াপি দি ফুৰা ছিকিউৰিটি পুলিচ এজাকক দেখা পালো। সকলোৰে মুখত ৰুক্ষ ভাব - শগুণৰ দৰে কৌতূহলী দৃষ্টি।

এটা সময়ত ছিকিউৰিটি চেক্ আপৰ বাবে আমি শাৰী পাতি থিয় হলো। 'মেটেল ডিক্টেটৰ'ৰ বৃত্তাকাৰ মুখেৰে আমি বগুৱা বাই সোমাই যাব লাগিব। কোনোবাই যদি অস্ত্ৰ-শস্ত্ৰ লগত আনিছে এটা প্ৰচণ্ড 'আৱাজে' ধৰা পেলাই দিব।

'হিৰোহিটোৰ ৰাজত্বৰ আজি ৫০ বছৰ পূৰ্ণ হৈছে।'

ৰেড আৰ্মী আজি সজাগ হৈ পৰিছে। মেটেল ডিক্টেটৰৰ দুয়োপিনে সশস্ত্ৰ সৈন্যৰ ভিৰ।

শিয়ালৰ দৰে মুখ

বাঘৰ দৰে দৃষ্টি।

সৌৱা প্ৰথমে কামাৰ পাৰ হ'ল। বি বি চিৰ ফাটোগ্ৰাফাৰ মিষ্টাৰ আৰু মিছেছ শৰ্মাও পাৰ হ'ল।

কোনো শব্দ নহ'ল।

কটমটকৈ চাই আছে সৈনিকহঁতে। এটা সামান্য শব্দও সিহঁতৰ কাণৰ পৰা সাৰি যাব নোৱাৰে।

দক্ষিণৰ ভদ্ৰলোকসকল এজন এজনকৈ পাৰ হ'ল।

নাই কোনো শব্দ নহ'ল।

কাইকাউছ আৰু মহম্মদ মুছাও পাৰ হৈ গ'ল।

এয়া মই আগবাঢ়ি গলো।

বুকু ঢপঢপাব ধৰিলে।

এয়া পাৰ হলো . পাৰ . হলো কিন্তু কি হ'ল — কি হ'ল এয়া?

'ছিকিউৰিটি' পুলিচৰ দয়া-মমতাহীন সেই ভয়ঙ্কৰ দৃষ্টিলৈ চাই থকা মোৰ বাবে অসম্ভৱ হৈ পৰিল।

— 'আকৌ মেটেল ডিক্টেটৰ' পাৰ হওঁক।

মই পাৰ হলো।

আকৌ সেই শব্দ।

— 'কি কৰা যায়? ঘামত মই পিন্ধি থকা ব্লাউজটো সম্পূৰ্ণৰূপে তিতি যোৱা অনুভৱ কৰিলো।'

পুলিচে মোৰ হাতৰ পৰা ছুটকেছটো টানি লৈ গ'ল। কাপোৰ-কানি তছ-নছ কৰি চাবলৈ ধৰিলে।

এই অবিশ্বাস্য নাটক বহুত সময় ধৰি চলিল। কামাৰ, কাইকাউছ, মহম্মদ মুছা, দক্ষিণৰ ভদ্ৰলোকসকল নাই নাই তেওঁলোকৰ দৃষ্টিৰ পিনে মই মূৰ তুলি চাব নোৱাৰা হ'লো। কি হ'ল এয়া? এটি মুহূৰ্ত পাৰ হৈ গ'ল। এই মুহূৰ্তৰ ভিতৰত সিহঁতে মোৰ ছুটকেছৰ পৰা এখন কটাৰী বিচাৰি উলিয়ালে সেইখন হাতীৰ দাঁতৰ নাল খুওৱা এখন ডাব কটাৰী আছিল। এবাৰ ঘৰলৈ যাওঁতে বাটত প্ৰয়োজন হ'ব বুলি আয়ে ছুটকেছৰ এচুকত সুমুৱাই দিছিল। পাঁচ-ছয় বছৰ আগৰ কথা এইবোৰ।

কটাৰীখন ছিকিউৰিটিৰ গাৰ্ডজনে মেলি ধৰিলে—

মামৰে ধৰি সেইখন ভয়ঙ্কৰ হৈ পৰিছিল।

মোৰ নিজৰে বিশ্বাস নহ'ল এই ভয়ঙ্কৰ ৰূপ ধাৰণ কৰা ডাব কটাৰীখন মোৰ ছুটকেছৰ ভিতৰত সাঁচাকৈয়ে আছিলনে? যোৱা পাঁচ বছৰ ধৰি মই সেইখন খুলি চোৱা নাছিলো কিয়?

তৰ্কাতৰ্কি চলিল।

উত্তেজনা আৰু ত্ৰাসত মই কি কৈছিলো এতিয়া আৰু ভালদৰে মনত নাই

ভ্ৰূকুটি দেখুৱাই 'ছিকিউৰিটি' অফিচাৰ এজনে ক'লে —

— 'এইখন লৈ যুৱা আপোনাৰ উচিত হোৱা নাই — এইখন আপোনাক লগত লৈ যাব দিয়া নহব '

— 'কিন্তু মই এতিয়া হংকঙলৈ যাম বুলি আহিছো — মোক যাব দিয়া হ'ব নে নহয়?'

আকৌ তৰ্কাতৰ্কি চলিল। লিখা-পঢা চলিল।

আজি হিৰোচিমাৰ বাজফৰ ৫০ বছৰ পূৰ্ণ হৈছে। কেত আৰী সজাগ হৈ আছে — কোন মুহূৰ্তত কোনখন উৰাজাহাজ গুলীয়াই উৰুৱাই পেলায় কোনে জানে? মই আজি সাৰি যাব পাৰিম নে?

● ● ●

## হংকঙত বাতিৰ চীনা বজাৰত

কাইকাউছে কৈছিল — হংকঙত তুমি অকলশৰে ঘূৰি ফুৰিব পাৰিবা। কাউলুন উপদ্বীপৰ দুকুৰি মাইলৰ ভিতৰত কোনেও পথ হেৰুৱাৰ ভয় নাই।

. শুল্কশূন্য হংকঙৰ বন্দৰ। বন্দৰৰ চাৰিওফালে চীনা বণিকৰ ভিৰ। সকলো ভাগেই

'সাংহানিজ' আৰু 'মাণ্ডাৰিণ' ভাষী।

আকৌ 'কংক্রিটৰ অৰণ্য'।।

ভাব হয় এই কংক্রিটৰ ঘৰসমূহে এদিন মানুহক হেচি ধৰিব।

এদিন অকলশৰে ঘূৰি ফুৰি দেখিলো কিছুমান সৰু সৰু টিলাৰ ওপৰত টাপুলিনৰ অসংখ্য জুপুৰি।

দিল্লীৰ ওখ্‌লা অঞ্চলৰ 'স্লাম' সমূহৰ দৰে বাতাবৰণ। জুপুৰিবোৰৰ ওচৰলৈ গৈ দেখিলো মলিয়ন সাজ-পাৰ পিন্ধা কিছুমান চীনা 'ৰিফিউজী'। পুৰুষৰ গাত কলা হাফপেণ্ট, কলা বনিয়ন। চাৰিওফালে এক অদ্ভুত দুর্গন্ধ। 'ছাংহাই কেকোৰা' আৰু পচা ভাতৰ গোন্ধ ।জুপুৰিৰ ওপৰত ৰঙা পতাকা উৰি আছে।

'কমিউনিষ্ট চীনৰ' পৰা পলাই অহা ৰিফিউজী সিহঁত। যোৱা মহাযুদ্ধৰ পাছত হংকঙত বৃটিছ ৰাজত্ব আৰম্ভ হোৱাৰ লগে লগে মাহে এক লাখতকৈও অধিক ৰিফিউজী আহি হংকং ভৰি পৰিল। ১৮৯৮ চনত 'স্পেনিছ আমেৰিকান' যুদ্ধৰ সময়ত বৃটিছে চীনৰ পৰা 'লিজ'ত লোৱা ইউনিয়ন টেৰিটৰী আৰু সৰু সুৰা দ্বীপবোৰত এই চীনা ৰিফিউজী ঠাহ খাই পৰিছিল।

এই নিৰানব্বৈ বছৰীয়া 'লিজ' আৰু কুৰি বছৰ পাছত শেষ হ'ব। কি হ'ব কুৰি বছৰ পাছত?

কি হ'ব?

কি হ'ব দুই কোটি তিনি লক্ষ মানুহৰ?

কমিউনিষ্ট চীনৰ সৈতে চামিল হৈ পৰিবনে সিহঁত? নে দক্ষিণ চীনা সমুদ্ৰৰ পানী আকৌ তেজেৰে ৰাঙলী হৈ পৰিব?

এৰা কোনে জানে এইবোৰ কথা? কয়লা ভাঙি থকা চীনা মহিলা এগৰাকীক সুধিলো, —

"ৰিফিউজী?"

"হয়-হয়!"

"বজাৰ হাট ক'ত কৰা হয়?"

"বাম্‌চী ৰ'ড আৰু নাথান ৰ'ডৰ 'ওপেন এয়াৰ নাইট মাৰ্কেট'ত!"

কামাৰে কোৱা কথা এবাৰ মনত পৰিল! এই ৰাতিৰ বজাৰ 'দুখীয়া মানুহৰ ৰাতিৰ ক্লাব' Poor Men's Night Club নামেৰেহে জনাজাত।

কয়লা ভাঙি থকা চীনা মহিলাই কথা কোৱাৰ ইচ্ছা নকৰিলে। ভাব হ'ল, ভাৰতীয় লোকৰ প্ৰতি সিহঁতৰ বৰ বেছি আগ্ৰহ নাই।

● ● ●

কি হওক মহম্মদ মুছাই লগ পাবনে? কত যে উধাও হ'ল মহম্মদ মুছা? আৰু তেওঁৰ ছাত্ৰ বন্ধু?

কাইকাউছ—কামাৰ আৰু দক্ষিণৰ দুজনমান ভদ্ৰলোকৰ লগত মই নাথান ৰ'ডৰ বাতিৰ বজাৰলৈ যাওনা হ'লো। বামচী ৰ'ডৰ এই খণ্ডত অলপ আগেয়ে বিচিত্ৰ গাড়ী কিছুমানৰ ভিৰ আছিল— এতিয়া এইবোৰৰ কোনো চিন-চাব নাই। বাতিৰ এই চীনা বজাৰৰ এক অনন্য ৰূপ মোৰ চকুৰ আগত জিলিকি উঠিল। বিচিত্ৰ হাট এইখন।

'কেচেট টেপ ৰেকৰ্ডাৰৰ বেপাৰী — চৰাইৰ সাঁজা লৈ ঠিকনা ঢোৱা বণিক চীনা চাৰণ-গায়কৰ দল (আঠ শ বছৰ আগেয়ে ৰাজত্ব কৰা চীনৰ শিশু সম্ৰাট পিঙে একেলগে আঠটা দৈত্য মৰাৰ কাহিনী গীত সিহঁতে গাই আছিল।)

ডকৰ হাফ্‌পেণ্ট পিন্ধা বনুৱা এজাকে সাধুকথা শুনোৱা চীনা এটাৰ চাৰিওফালে বৃত্তাকাৰ হৈ বহি আছিল। পাঁচ আৰু দহ চেণ্টৰ মুদ্ৰাৰে ভৰি পৰিছিল তাৰ সন্মুখৰ কাঠৰ বাটি এটি। অন্ধ গায়কৰ দল এটিকো জুপুকা মাৰি বহি থকা দেখিলো।

গেছ লাইটে পোহৰ কৰি ৰখা সস্তীয়া মদিৰাৰ দোকানত এদল যুৱকৰ ভিৰ দেখিলো, সিহঁতৰ সন্মুখৰ কাঠৰ টেবুলত এক চৰিয়া শামুকৰ খোলা।

উদং গাৰে বহি থকা এদল যুৱকৰ সন্মুখত এক চৰিয়া জীয়া শামুক দেখিলো। এই যুৱক দলৰ গাৰ বৰণ পাণ্ডু ৰোগীৰ দৰে। মদৰ বটল লৈ সিহঁতে হাঁহি - তামচা কৰিছিল আৰু চুহি এৰা শামুকৰ খোলাবোৰ মানুহৰ গালৈ দলিয়াইছিল।

সৌ চীনা চাৰণ গায়কজনে কি গাইছে বাৰু? মই তাৰ ওচৰত গৈ বহিলো —কামাৰে মোক অৰ্থ বুজাই দিলে — সি মাওৰ সঙ্গীত গাইছে — বাতিৰ এই চীনা বজাৰত মাওৰ সঙ্গীত বৰ জনপ্ৰিয় — আঃ এই সঙ্গীত মাও-চে-টুঙৰ সঙ্গীত 'ডাৱৰৰ ওচৰত উপস্থিত হোৱাৰ মোৰ এক পুৰণা ইচ্ছা আছে।

আকৌ এবাৰ মই বহুত দূৰৈৰ পৰা — 'চিঙ্গ কাঙ্গ শন'ৰ ওপৰলৈ বগাই আহিলো। চিঙ্ কাঙ্ শন আমাৰ পুৰণা বাসস্থান। এতিয়া সেই দৃশ্য সলনি হৈ গৈছে।

● ● ●

শুআংহু য়াঙ্গ চীৰ পাছত আৰু কোনো ভয়ানক ভাজ নাই। বতাহ আৰু বিজুলীয়ে কান্ধ ভাডাক্ৰান্ত কৰি তুলিছিল।

য'তেই মানুহ বহিছিল ত'তেই কাণ্ডা আৰু পতাকাই লহৰ তুলিছিল।

আঠত্ৰিশ বছৰ পাৰ হৈ গ'ল। আমি নতুন আকাশত থকা চন্দ্ৰ চুব পৰা হ'লো। সমুদ্ৰৰ গহনত বুৰমাৰি সেউজীয়া কাঁচত চুব পৰা হলো।

পৃথিৱীত একোৱেই অসম্ভৱ নহয় — মাথোঁ সাহসৰ প্ৰয়োজন.."

সুৰ লগাই চীনা গায়ক জনে গাই আছিল — , হকাৰ, কুলি আৰু খালাচী জাতীয় লোকৰ ভিৰ এটা তাৰ চাৰিওকাষে গোট খাইছিল।

শহা আৰু গৰুৰ মূৰ উঁতলাই আছিল এগৰাকী বৃদ্ধ চীনা মহিলাই। মাজে মাজে তাই নাৰিকলৰ কোবোকাৰ দৰে আকৃতিৰ হেতা এখনেৰে এই উতলি থকা পানীয়বোৰ আনি সজাই থোৱা গিলাচত ঢালি আছিল। এই গিলাচবোৰ মুহূৰ্তৰ ভিতৰতে ক'ত উধাও

হৈ গৈছিল মই একো গম পোৱা নাছিলো।

পুইশাক জাতীয় শাকৰ লগত সেই শামুকৰ খোলা বেচি থকা বুঢ়ি এগৰাকীয়ে ৰৰকৈ অনুৰোধ কৰিলে তাইৰ আঞ্জাৰ সোৱাদ লৈ যাবলৈ

'পৰ্ণগ্ৰাফী লাইন' বুলি বিখ্যাত অশ্লীল কিতাপৰ দোকানৰ শাৰীবোৰ পাৰ হলো।

সৰু ডাঙৰ ট্ৰাঞ্জিষ্টৰ কিছুমান দ'ম কৰি ৰখা চীনা এটাই ক'লে--

"নিয়ক চীনত কৰা ট্ৰাঞ্জিষ্টৰ নিয়ক, মাত্ৰ চাৰিটা হংকংঙৰ ডলাৰ দিলে হব।"

দক্ষিণৰ ভদ্ৰলোকসকল এই ট্ৰাঞ্জিষ্টৰবোৰৰ ওপৰত উবুৰি খাই পৰিল।

আঃ সৌবোৰ টেবিলিনৰ ছাৰ্ট, ঘড়ী, হেয়াৰ ডাইয়াৰ, ৰেডিও, কেমেৰা, টেলিভিশ্যন ছেট। চীনৰ পৰা অহা বস্তু এইবোৰ।

আৰু দাম?

এৰা দাম যেন একোৱেই নাই?

ঘড়ীৰ দোকান এখনৰ ওচৰত থিয় হৈ মই দামদৰ আৰম্ভ কৰি দিলো—

কামাৰে ক'লে

—"শুনক এই টাইমপিচবোৰৰ বাহিৰৰ জাক-জমকতা দেখি লোভ নকৰিব— এইবোৰৰ ভিতৰৰ মেকানিজম'ৰ একো পাত্তা নাই।"

—"একো পাত্তা নাই?

—"হয় হয় একো পাত্তা নাই।"

—"আজি আপুনি কিনি লৈ যাওঁক কাইলৈ গম পাব।—হংকঙৰ এইখন বজাৰ 'ঠগ বজাৰ' বুলি প্ৰখ্যাত!"

কামাৰৰ কথালৈ ভ্ৰুক্ষেপ নকৰি মই দুটা টাইমপিচ তুলি ললো!

গোটেই ৰাতি আমি এই অদ্ভুত বজাৰখনৰ চাৰিও ফালে ঘুৰি ফুৰিলো

পুইশাক, শামুক, মাংস সিজোৱা গৰম পানী, বিভিন্ন সস্তীয়া মদিৰাৰ গোন্ধ লৈ গোটেই ৰাতি এই নাথান ৰ'ডৰ বজাৰত ঘুৰি ফুৰিলো।

মোৰ ছাঁ হৈ ঘুৰি ফুৰা কাইকাউছে কলে—'মহম্মদ মুছাৰ খবৰ নোলোৱা? আহা।"

উঃ- এই দুৰ্গন্ধ কেনেকৈ সহ্য কৰি আছা ?

ভাব হ'ল—মই ডষ্টয়ভস্কিৰ 'আণ্ডাৰ বৰ্ল্ড'ত ঘুৰি ফুৰিছো।

কাইকাউছৰ কণ্ঠই চমক ভাঙি দিলে

—"এৰা মহম্মদ মুছাৰ খবৰ লোৱাৰ প্ৰয়োজন!"

এয়া ৰাতি পুৱাবৰ সময় হ'ল—মহম্মদ মুছাই বি হওক সঁচাকৈয়ে লগ পালে নে? এই হংকঙতে মহম্মদ মুছাই তেওঁৰ প্ৰেয়সীক লগ পোৱাৰ কথা আছিল।

● ● ●

হোটেললৈ আহি গম পালো মহম্মদ মুছা উভতি অহা নাই।

তেওঁৰ ছাত্ৰ বন্ধুজনো উভতি অহা নাই।

কামাৰে ঠিকেই কৈছিল——

ঠগ বজাৰেই আছিল সেইখন। ভালদৰে ছাবি দিয়াৰ চেষ্টা কৰোতে টাইমপিচ দুটাৰ স্প্ৰীঙেই ছিঙি থাকিল। দুপৰীয়া কামাৰে ক'লে—

— ভাল হৈছে -বজাৰ কৰিব লাগিছিল ছিমছাট ছুই মহক নাইবা চেণ্ট্ৰেল ডিষ্ট্ৰিক্ট আৰু ক'জবেৰেত বাতিৰ 'দুখীয়া চীনা বজাৰত' বজাৰ কৰিবলৈ গ'লে এনেকুৱা হবই।।

—"ইচ্ছা কৰিলে আপুনি ঘড়ী দুটা ফিৰাই দিব পাৰে। যাব নেকি? মানুহটোক চিনি পাব?"

— 'চিনি পাম— কিন্তু?"

—"তেতিয়া হলে কোনো কথা নাই, সি নিশ্চয় এতিয়া নাথান ৰ'ডত জমা হোৱা ঘড়ীবোৰ পৰিষ্কাৰ কৰি আছে।

● ● ●

কাইকাউছৰ লগত মই 'টাইমপিচ' দুটা লৈ নাথান ৰ'ডত উপস্থিত হলো।

—পানীৰ ডোঙা কিছুমানৰ বাহিৰে বাতিৰ বজাৰৰ এতিয়া আৰু কোনো চিনচাব নাই।

হঠাৎ মই চিঞৰি উঠিলো—

— সৌটো —। আচৰিত কথা সি একেবিনি ঠাইতে শুই আছে — তাৰ আশে-পাশে চাৰি পাঁচখন গাড়ী জমা হৈছে। মলিয়ন হাফপেণ্ট পিন্ধা চীনা বেপাৰীটো কুচি-মুচি শুই আছে। আমি দুয়ো তাক উঠাবলৈ যথেষ্ট চেষ্টা কৰিলো।

গাড়ী পৰিষ্কাৰ কৰি থকা আন এটা যুবকে ক'লে—

—"সি আফিঙৰ নিচাত পৰি আছে,— আমনি কৰিছা কিয়?"

কাইকাউছে প্ৰশ্ন কৰিলে —

—"উঠিব কেতিয়া?"

—" অলপ সময় পাছত পুলিচ আহিব। তেতিয়াই সি ধৰ-ফৰকৈ উঠি থিয় হব।"

কাইকাউছে মোৰ মুখলৈ চাই ক'লে --

—"আহা আমি 'চেভেন আপ' একো বটল উপভোগ কৰি আহো। উভতি আহো মানে সি উঠি বহিব।"

আমাৰ সম্মুখত পকা জামু বৰণীয়া দুবটল 'ছেভেন আপ'। (ভাৰতত কোকাক'লাৰ যি স্থান দক্ষিণ পূব এচিয়াত 'ছেভেন আপৰ' তেনে সমাদৰ)।

কাইকাউছে ক'লে —

— "হংকঙৰ যুৱতীত আফিঙে এক অবিশ্বাস্য স্থান অধিকাৰ কৰি আছে।"

— "মানে?"

— "১৮৩৯ ৰ চীনৰ প্ৰখ্যাত কানি যুদ্ধৰ কথা মনত নাই ?"

— "ভাৰতৰ পৰা অহা কানিৰ বাবে হৈছিল — এই যুদ্ধ।"

— "কেণ্টনৰ পৰা সোতৰ মাইল দূৰৈৰ মাকাওত পৰ্টুগীজে অনা ভাৰতীয় কানিৰ সোৱাদ চীনে পাহৰিব নোৱাৰিলে। 'কেণ্টনত' ব্যৱসায় কৰি থকা বৃটিছ বণিকে এই সুযোগ কিয় এৰি দিব ?"

— 'ছেভেন আপ'ত শেষ সোহা মাৰি ক'লে —

— "ভাৰতীয় কানিৰে বৃটিছো তেতিয়াহ'লে কেণ্টনৰ বজাৰ দখল কৰি ল'লে ?"

— "স্মাগলিং চলিল। প্ৰচণ্ড গতিৰে চলা স্মাগলিং বন্ধ কৰিবৰ বাবে কানিৰ বজাৰ সম্ৰাটে বাজেয়াপ্ত কৰিলে। লগে লগে আৰম্ভ হ'ল এই কানিৰ যুদ্ধ- শেষত বৃটিছ বণিকৰ হংকং আৰু কাউলুন দখল— এইবোৰ চব পুৰণা কাহিনী

● ● ●

— "আমি আকৌ ময়দাৰ বস্তা হৈ পৰি থকা চীনাটোৰ ওচৰলৈ আগবাঢ়ি গলো। কিন্তু মানুহটোৰ ওচৰত থিয় হৈ মোৰ মন বিষাদেৰে ভৰি পৰিল।" ·

দক্ষিণ-পশ্চিম এচিয়াৰ কোনো ঠাইত মই এনে দৃশ্য আৰু দেখা নাছিলো।

— "কেনেকৈ মই তাক 'টাইমপিচ' দুটা ওভটাই দিওঁ — বাৰু ?"

জাৰ্মান কবি ব্ৰেখটে এনেকুৱা এটা মানুহ দেখি এটা পংক্তি লিখিছিল — "তাপলি দিয়া কাপোৰ মোক নেলাগে। দিয়া যদি এটা সম্পূৰ্ণ কামিজ দিয়া ? এটুকুৰা ৰুটীৰ মোৰ প্ৰয়োজন নাই — সম্পূৰ্ণ এখন ৰুটী দিয়া এটুকুৰা মাটিৰ প্ৰয়োজন নাই। মোক লাগে এটা সম্পূৰ্ণ কাৰখানা আৰু এই চৰকাৰ ?

এইবোৰৰ সলনি তোমালোকে আমাক "

— "আহা কাইকাউছ আমি উভতি যাওঁ।"

— "কিন্তু তোমাৰ 'টাইমপিচ' দুটা ?"

● ● ●

**মহম্মদ মুছাৰ অনুসন্ধানত হংকঙৰ জেদ বজাৰত**

তৃতীয় দিনাও মহম্মদ মুছা উভতি নাহিল। তেওঁৰ ছাত্ৰবন্ধুজনৰো কোনো খবৰ নাই। বি হঙক বিচাৰি পালেনে বাৰু মহম্মদ মুছাই,

**কাইকাউছে ক'লে —**

"তুমি 'জেদ বজাৰত' এবাৰ চাই আহিবগৈ পাৰা। কেণ্টন ৰডৰ সেই প্ৰখ্যাত জেদ বজাৰত অৱশ্যে বিচাৰি পোৱাৰ চেষ্টা মূৰ্খামিৰ নামান্তৰ।

● ● ●

**জেদ বজাৰত মহম্মদ মুছাক বিচাৰি উলিওৱাৰ চেষ্টা মূৰ্খামি**

**তথাপিও এটা সময়ত "মই জেদ বজাৰত" ভৰি দিলো।**

আলিৰ দুয়ো কাষে দুলানি মাংসৰ দোকান দেখিলো।. জীয়াই জীয়াই ওলমাই থোৱা পাহৰী 'পিকিং ডাক' বোলা সেই সুস্বাদ খাদ্য বাছিবলৈ ওলমাই থৈছে কিছুমান হাহ! শহাপহু, শামুক, গৰুৰ মগজু, ভাগে ভাগে সজাই থৈছে। যেতিয়া 'কেন্টন ৰ'ডৰ' এই সুদীৰ্ঘ গলিত উপস্থিত হলো, ভাব হ'ল মুস্তাক এনেদৰে বিচাৰিবলৈ অহা অকল মূৰ্খামিয়ে নহয়, বিপজ্জনকো।

'এয়ে সেই প্ৰখ্যাত জেদ বজাৰ '

মোৰ চকুত জিলিকি উঠিল জেদৰ কিছুমান বিচিত্ৰ অলংকাৰ। ফুটপাথত বহা বেপাৰীৰ পৰা আৰম্ভ কৰি ডাঙৰ দোকানলৈ সকলোতে ভৰি আছে সেই অলংকাৰ! জেদৰ পৰ্বত - সদৃশ টুকুৰা হিউৱেনচাঙে কৈ গৈছিল — চীনৰ টাঙ বংশৰ সম্ৰাট এজনে তেওঁৰ প্ৰিয় ৰক্ষিতা এগৰাকীক এখন অতি মূল্যবান জেদৰ বিছনা উপহাৰ দিছিল।

১৮ শতিকাৰ সম্ৰাট চিয়েন-লাঙে ৰাজকীয় বাণীসমূহ জেদৰ দ্বাৰা তৈয়াৰী গ্ৰন্থত লিপিবদ্ধ কৰি থৈছিল।

চীনৰ মিঙ বংশৰ সময়ত জেদৰ গুড়ি পানীয়ৰ লগত ব্যৱহাৰ কৰা হৈছিল।

মৃতদেহৰ ওপৰত জেদৰ টুকুৰা ৰখা হৈছিল এইবাবে যাতে ই পচি নাযায় আৰু গোন্ধ নোলায়।

*** ক'ত বিচাৰি উলিয়াও মহম্মদ মুস্তাক? গলিৰ পৰা বাহিৰ ন্‌ওলাই সাংঘাতিক হৈ পৰিল।

দুই এগৰাকী চীনা ভদ্ৰলোকক মই নি হঙৰ কাহিনী পাকে প্ৰকাৰে বুজাবলৈ চেষ্টা কৰিলো সকলোৱে কান্ধ জোকাৰি আঁতৰ হৈ গ'ল।

প্ৰায়বোৰেই ইংৰাজী বুজি নেপায়। যিসকলে ইংৰাজী বুজি পায়, — তেওঁলোকৰ দৃষ্টিত সন্দেহ।

কেন্টন ৰ'ড শেষ হোৱা চাৰিআলিটিত মই এটা চীনা ভিক্ষাৰী বহি থকা দেখিলো। দক্ষিণ-পূব এচিয়া ভ্ৰমণত দেখা এইটোৱেই প্ৰথম ভিক্ষাৰী আছিল। .

কাউলুন উপদ্বীপৰ পৰা ফেৰীৰে 'ভিক্টোৰিয়া হাৰবাৰ' পাৰ হৈ এদিন 'হংকং দ্বীপত' উপস্থিত হলো।

মহম্মদ মুছা আৰু তেওঁৰ ছাত্ৰ-বন্ধুজনৰ বাহিৰে — আমি সকলোৱে একেলগে প্ৰাচীন যুদ্ধ জাহাজৰ পোতাশ্ৰয় বিপালছ বে চালো।

লেডাৰ ষ্ট্ৰীট!

কেণ্ট ষ্ট্ৰীট!

টাইগাৰ বাম বাগিচা —

হেপিভেলী!

কলম্বাছে ব্যৱহাৰ কৰা 'জাহ'ৰ দৰে আকৃতিৰ চীনা জাহত উঠিলো।

যন্দা অমিতাৰ দৰে আকৃতিৰ আছিল এই জাহ

আৰু ৰাতি? এৰা ৰাতি ইণ্টাৰনেচনেল টপলেছ বাৰমেইডে আপ্যায়িত কৰা কোৱালিনৰ ৰেষ্টুৰা এখনলৈ গৈ আহাৰ কৰিলো তেতিয়ালৈকে মহম্মদ মুছা উভতি অহা নাছিল। তেওঁৰ ছাত্ৰ-বন্ধুজনো উভতি অহা নাছিল।

## শেষ অধ্যায়

হংকং বিমান বন্দৰত আমি মহম্মদ মুছাৰ বাবে অধৈৰ্য হৈ অপেক্ষা কৰিলো। তেওঁৰ ছাত্ৰ-বন্ধুজন ইতিমধ্যে উভতি আহিছিল। আমাৰ বস্তু-বেহানি ওজন কৰি থকাৰ সময়ত মই মুছাৰ এই ছাত্ৰ-বন্ধুজনক একাষে মাতি আনি শুধিলো —

— "তুমি মুছাৰ কথা একো নেজানা?"

— "আমেৰিকান এক্সপ্ৰেছে" মোৰ টকা আনি দিব নোৱাৰিলে!— মোৰ আশা একেবাৰে ছাৰখাৰ হৈ যাবলগীয়া হ'ল। মহম্মদ মুছা আৰু মই দুয়ো অশেষ চেষ্টা কৰি গম পালো —মোৰ বন্ধু গৰাকীয়ে টকা পঠিওৱা নাই।

মোৰ কেমেৰা কিনা নহব— আৰু মই নতুন ব্যৱসায় আৰম্ভ কৰিব নোৱাৰিম

—বুজিছে মেদাম মই সকলো সংযম হেৰুৱাই মহম্মদ মুছাক সাৱটি ধৰি হুকহুকাই কান্দি দিলো।

—"তাৰ পাছত।"

—মহম্মদ মুছাই পকেটৰ পৰা কিছুমান হংকং ডলাৰ উলিয়াই মোৰ সম্মুখত দাঙি ধৰিলে। তেওঁৰ পকেট দুটা উদং হৈ পৰিল।

—"তুমি কেমেৰা কিনা আৰু নতুন ব্যৱসায় আৰম্ভ কৰি দিয়া "

—"কিন্তু আপুনি?" মুছাই আঙুলি টোৱাই ক'লে—

—শুনা তুমি নতুন কেমেৰা কিনি সৌ প্ৰাচীৰ খনৰ এখন ছবি তুলিবা।"

মই হংকং দ্বীপৰ আমেৰিকান এক্সপ্ৰেছ ভৱনৰ প্ৰাচীৰখনলৈ মুখ তুলি চালো—

হংকংৰ এই প্ৰাচীৰত 'কৰাপশ্যনৰ' বিৰুদ্ধে কিছুমান কথা লিখা আছিল। (দক্ষিণ-পূব এচিয়াত কৰাপশ্যনৰ এই বিচিত্ৰ ইতিহাস আছিল। থাইলেণ্ডত কৰাপশ্যন ৰেট 'ফিক্স' হৈ থাকে — ব্যৱসায়ী বণিক কোনে কাক কিমান দিব লাগে সকলোৱে জানে। ব্ৰহ্মদেশ, ইন্দোনেচীয়া আৰু ফিলিপাইনছত এই ৰেট 'ফিক্স' নথকা বাবে ব্যৱসায়ী বণিক দোধোৰ-মোধৰত পৰা দেখা যায়।)

— "মহম্মদ মুছাৰ লগত মই একেলগে ভিক্টোৰীয়া পোতাশ্ৰয় পাৰ হ'লো।"

আৰ্তনাদ কৰি উঠিলো মই

— "তাৰ পাছত?"

— "মহম্মদে ক'লে — তুমি আগবাঢ়া।  "

মই প্ৰশ্ন কৰিলো —

— "তুমি কৈল যোবা?"

মুছাই ক'লে —

— "সেইবোৰ তোমাৰ প্ৰয়োজন নাই -তুমি আগবাঢ়া  "

● ● ●

মহম্মদ মুছাৰ নাম বহুতবাৰ এনাউন্স কৰা হ'ল।

টি চি আইৰ এজেন্ট ৰাজা অধৈৰ্য হৈ পৰিল। সকলোৰে মুখত দুশ্চিন্তাৰ ৰেখা ফুটি উঠিল। এবা ইমান দিনে আমি সকলোৱে একেখন ঘৰৰ মানুহৰ দৰে ঘূৰি ফুৰিছিলো।

● ● ●

বি-হঙক মহম্মদ মুছাই বিচাৰি পালেনে নাই ক'ব নোৱাৰো —

মহম্মদ মুছা কিন্তু উভতি নাহিল।

ব'য়িং ছেভেন ও ছেভেন বায়ুৰ সাগ্ৰক্ৰান্ত বিমান বন্দৰ অভিমুখে গতি কৰিলে। ছিট বেল্ট খুলি মই চাৰিওফালে চালো 'নো স্মকিং' ছাইন মছ পাই গৈছে। প্ৰায়বোৰ মানুহেই চিগাৰেট হুপিবলৈ আৰম্ভ কৰিছে। মহম্মদ মুছাৰ অন্তৰ্দ্ধানে কাকো সুখী কৰা নাই।

দক্ষিণৰ মহিলাসকলে জাপানৰ বজাৰত কিনা মূল্যবান মুক্তাৰ মালাবোৰ এতিয়া পিন্ধি লৈছে। বাকচবোৰ দলিয়াই পেলাইছে। 'কাষ্টমছে' এই মুক্তাৰ মালাবোৰক পুৰণা গহনা বুলিয়েই ভাবিব।

কিন্তু কামাৰে কি কৰিব?

কাষ্টমছ্ ক্ৰিয়াৰেন্সৰ 'ৰেড্ চেনেলেৰে' আমি পাৰ হ'ব লাগিব। 'গ্ৰীণ' নাইবা 'হোৱাইট' চেনেলৰ সুবিধা আমি নেপাওঁ।

আমি কি নিব পাৰিম?

"A passport over 12 years old, may import free of duty bonafide baggage up to Rs 500 including liquor upto 32 oz 200 cigarettes of 50 ciger or 250 gms tobacco Television set, tape recorder other than battery operated, movie camera, movie projecter however dutiable even though the value is less than Rs 500 "Traveller's cheques exceeding U S $1,000/-

কি কৰিব কামাৰে  কামাৰ সাৰি যাব পাৰিবনে?

তৰোৱালৰ ধাৰৰ ওপৰেদি ফুৰা মানুহ কামাৰ।।

● ● ●

'কাষ্টমছ্ ক্লিয়াৰেন্সৰ' গ্ৰীণ চেনেলেৰে গৈ এটা সময়ত আমি শাৰী পাতি থকা কাষ্টমছ্ অফিচাৰ সকলৰ সম্মুখত কিউ পাতিলো।

তছ্-নছ্ কৰি বাকচ-পত্ৰ খুলি চোৱাৰ পৰ্ব আৰম্ভ হ'ল।

দাম নিৰূপণ।।

তৰ্ক-বিতৰ্ক।

আৰ্তনাদ

ৰাইফলধাৰী পুলিচ

● ● ●

কিউৰ মাজত ঘামি-জামি থিয় হৈ থাকোতে মই এটা অদ্ভুত দৃশ্য দেখিলো সৌৰা কামাৰ পাৰ হৈ গ'ল — কোনো 'ডিউতি' দিয়াৰ প্ৰয়োজন নহ'ল।

কিন্তু মহম্মদ মুছাৰ সেই ছাত্ৰ-বন্ধুজন? অফিচাৰজনে তাৰ হাতৰ পৰা কেমেৰাটো নি ওপৰলৈ তুলি ধৰিলে —

— "কিমান দাম আছিল?"

— এই কম বয়সীয়া সৰল ল'ৰাটোৱে কৈ পেলালে —

— "এশ আমেৰিকান ডলাৰ।"

— ওঠৰ শ টকা ফাইন দিয়া এই মুহূৰ্ততে নহ'লে

— ওঠৰ শ টকা ফাইন??

আহ্, - - সৌৰা কুমাৰস্বামী।

'ডিউতি'ৰ ঝামেলা পাৰ হৈ সৌৰা লাউঞ্জত ঘূৰি ফুৰিছে। কোনোবা আহিব বুলি বৰ আগ্ৰহেৰে অপেক্ষা কৰিছে —— "অথচ কোনো অহা নাই।"

— "বেচেৰা কুমাৰস্বামী।।"

হঠাৎ চিএৰ-বাখৰ হুলস্থুল লাগি পৰিল। ধৰা পৰিল।

কোটিপতি ব্যৱসায়ীয়ে দেশ-বিদেশ চাই জ্ঞান-অৰ্জন কৰিবলৈ পঠিওৱা পুতেক ধৰা পৰিল। — কিন্তু কি আনিছিল বাজে?

● ● ●

ভালদৰে পোহৰ হোৱা নাই। সান্তাক্ৰুজ বিমান বন্দৰক ফ্লাড্ লাইটে পোহৰ কৰি ৰাখিছিল।

কাইকাউছে ক'লে —

— "ঘৰলৈ নোযোৱা?"

— 'ঘৰ? — ক'ত ঘৰ?"

উত্তৰ শুনি মোৰ লগত অহৰহ ছাঁয়া হৈ ঘূৰি ফুৰা মানুহটো উচপ খাই উঠিল।